


চতুৰ্থ বছৰ সপ্তম সংখ্যা
১-১৫ এপ্ৰিল, ১৯৯২
Vol. IV No. 7
1—15 April, 1992

# বসন্ত সংখ্যা
# সূত্ৰধাৰ

## বিষয়-সূচী

### উপন্যাসিকা
সত্যানুসন্ধান ▫ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী ▫ ১০
ধীৰু ভাই ▫ ডাঃ মুক্তিপ্ৰসাদ গঁগৈ ▫ ৪৫
দধীচি ▫ কানাই গঁগৈ ▫ ৭৭
বিকৰ্ষণ ▫ হিৰণ্য কুমাৰ ভট্টাচাৰ্য্য ▫ ১০০

### প্ৰবন্ধ
এন্ধাৰৰ পৰা পোহৰলৈ ▫ নলিনীধৰ ভট্টাচাৰ্য ▫ ৫
সময় উকলি গ'ল তথাপি ▫ অৰুণ শৰ্মা ▫ ৪০
হাৰমেন মেলভিলৰ 'মবিডিক' ▫ কাব্যশ্ৰী মহন্ত ▫ ৫৩
ব্যক্তিৰ মনৰ স্বাধীনতা, মাক্সবাদ আৰু নৱেক্ষ ▫ কুমুদ বৰুৱা ▫ ৯০
দিল্লীৰ অসমীয়া সমাজ ঃ এটি জৰিপ ▫ অৰবিন্দ শৰ্মা ▫ ১২১

### ভ্ৰমণ
পেৰিছত ফৰাচী মহিলাৰ আতিথ্যৰ সন্দৰ্ভত ▫ নীলিমা দত্ত ▫ ৭১
গ্ৰেনাইট বিউটি ▫ প্ৰীতি কাকতী ▫ ৩৫
দিৱান ▫ অনুৰাধা দাস ▫ ১৩৫

### গল্প
পাঠকৰ অপ্ৰকাশিত গল্প ▫ কৃষ্ণ ভূঞা ▫ ২৯
বংশগৌৰৱ ▫ কমলা বৰগোহাঁই ▫ ৪২
নেহেৰায় একো ▫ মদন শৰ্মা ▫ ৯৫
অৰ্গল ▫ নৱনীতা গঁগৈ ▫ ১২৫
অগল্প ▫ পদ্মপাণি ▫ ৫৫

### দীঘল গল্প
শেষ সপ্তাহ ▫ ড° ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য ▫ ৫৭

### নাটক
আলি দোমোজাত ▫ মহেন্দ্ৰ বৰঠাকুৰ ▫ ১২৭

### কবিতা ▫ ৬৬
পদুম উমেৰে উমাই পমাই ▫ কবীন ফুকন
তেওঁক লগ পালে ▫ সনন্ত তাঁতি
শিলৰ মানুহ ▫ ধ্ৰুৱজ্যোতি দাস
বদতি ঘাট ▫ বীৰেন গঁগৈ
ঘৰ ▫ এম কামালুদ্দিন আহমেদ
প্ৰত্যাৱৰ্তন ▫ গৌতম বৰদলৈ
গান ৰঙাজিঞ্জা আৰু গান ▫ সৌৰভ শইকীয়া
গৰখীয়া ▫ প্ৰদীপ শৰ্মা
কবিতা ▫ কিশোৰ ভট্টাচাৰ্য
চিৰন্তন ▫ কৌশিক দাস

### চিনেমা
শব্দ, সংগীত আৰু চিনেমা ▫ উৎপল দত্ত ▫ ১১৬

### বিচিত্ৰা
জীৱনটো যে কি ▫ দেৱকান্ত সন্দিকৈ ▫ ২৬
বীথোফেন ▫ ৩২
এইবেলি বহাগতে ভূপেন্দ্ৰ সংগীতেৰে ▫ আৰতী দাস ▫ ১১৩

*বেটুপাতৰ ট্ৰেন্সপাৰেন্সি ঃ অনুতোষ দেব*

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
মুখ্য প্ৰতিবেদক
হৰেন বুঢ়াগোহাঞি
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গঁগৈ
অংগসজ্জা
মোহন নাথ

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গঁগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃলিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী ১-ৰ পৰা প্ৰকাশিত ▫ ফোন – ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮

**Bombay**
Mr. Subhajit Mitra, 12n Shankar Jyoti 10th Road Chembur, Bombay — 400 071. Ph.: 555, 4491.

**Calcutta**
Mr. Gautam Sengupta,
7/IC Lindsay Street, (1st floor), Calcutta— 700 087, Ph.: 241221, 248571


**Delhi**
Mr. Ranaji Sen, B — 51 Soami Nagar, New Delhi — 110 017, Ph.: 642, 8608



“দূৰৰকৈ পৰ্বতৰ ৰিং অ' লাহৰী
দূৰৰকৈ পৰ্বতৰ ৰিং
লাহৰীৰ খোপালৈ কপৌফুল বিচাৰি
পালোগৈ পৰ্বতৰ টিং”

বহাগ হৈছে বিহুৰ বতৰ, গীতৰ বতৰ, নাচৰ বতৰ, প্ৰকৃতিৰ ন-সাজেৰে সাজি-কাঁচি ওলোৱা উৎসৱৰ বতৰ।

এই নতুন বছৰে সকলোৰে জীৱনলৈ আনক সুখ, শান্তি সমৃদ্ধি।





অসমৰ চাহ শিল্প

অসমৰ বৰ্তমান, অসমৰ ভৱিষ্যৎ

Contract ITA 38.92 ASM


প্ৰবন্ধ

# এন্ধাৰৰ পৰা পোহৰলৈ

নলিনীধৰ ভট্টাচাৰ্য

আমাৰ যাত্ৰা এন্ধাৰে পোহৰে ; কেতিয়াবা এন্ধাৰ, কেতিয়াবা পোহৰ। কিন্তু মানুহৰ যাত্ৰাৰ লক্ষ্য সদায় পোহৰহে ; কিয়নো মানুহৰ আছে মনন শক্তি, যিটো অন্য কোনো প্ৰাণীৰ নাই। এইবাবেই প্ৰাণীজগতত মানুহে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে, মানৱ সভ্যতাৰ বৈচিত্ৰ্যময় অগ্ৰগতিৰ মূলত আছে মানুহৰ ক্ৰিয়াশীলতা। মানুহে মানুহৰ দৰে বাচি থাকিবলৈ হ'লে, নিজৰ মননশক্তি সম্পৰ্কে সচেতন হ'ব লাগিব। এই মননশক্তি প্ৰয়োগ কৰিয়েই মানুহে অসাধ্য সাধন কৰিছে। এই কথা মানুহে সদায় মনত ৰাখিব লাগিব। মানুহ আত্ম-সচেতন প্ৰাণী, সেইকথা পাহৰি যোৱাৰ কোনো কাৰণো থাকিব নোৱাৰে। এই আত্মসচেতনতাৰ অৰ্থ আত্মমগ্নতা নহয়, – যি মানুহক মানুহৰ পৰাই বিচ্ছিন্ন কৰে, চৌপাশৰ বস্তুজগত সম্বন্ধে উদাসীন কৰি অতীন্দ্ৰিয় কুহেলিকাৰ মাজলৈ লৈ যায়। আত্মসচেতনতাৰ অৰ্থ অনমনীয় স্বকীয়তাবোধো নহয়। অৱশ্যে ভাববাদী দৰ্শনত মননশক্তিৰ মহিমাৰ কথা কোৱা হৈছে ; সেইমতে, মননশক্তিয়েই সকলো, তাৰ বলতেই মানুহে বস্তুজগতৰ ওপৰতো প্ৰভুত্ব বিস্তাৰ কৰিব পাৰে। বস্তুজগত স্বতন্ত্ৰ নহয়, সি নিৰ্ভৰ কৰে মননৰ সক্ৰিয়তাৰ ওপৰত। ইয়াৰ মানে হ'ল, ইন্দ্ৰিয়গ্ৰাহ্য বস্তুজগতৰ ভিতৰ-চ'ৰাৰ পৰা বস্তুৰ সত্তা নো কি তাক মনন-শক্তিয়ে নিজ সক্ৰিয়তাৰ দ্বাৰা উপলব্ধি কৰে আৰু সেই সত্তা সম্বন্ধে অভ্ৰান্ত জ্ঞানৰ জন্ম দিয়ে। চমুকৈ কবলৈ হ'লে, বস্তুজগতৰ জ্ঞানৰ উৎস হ'ল মানুহৰ মন। ভাববাদী সকলৰ মতে, মনন-শক্তি শাশ্বত, চিৰন্তন ; বস্তু জগতৰ পৰিবৰ্তনৰ মাজত সি নিত্য অচঞ্চল আৰু সেই বাবেই বস্তুজগতক সি অৰ্থময়তা দান কৰিব পাৰে। এই ধৰণৰ চিন্তাই ভাববাদীসকলক অনুপ্ৰাণিত কৰে। এনে অনুপ্ৰেৰণাৰ পৰাই ভাববাদীসকলে বিশ্বপ্ৰকৃতিত এক চিৰন্তন মননৰ লীলা অনুভৱ কৰে – যাক অনন্ত ঈশ্বৰৰ প্ৰকাশ বুলিও ধৰি লোৱা হৈছে।

এই অধিবিদ্যাগত চিন্তা-ভাবনাৰ বিপৰীত মেৰুত আছে বস্তুবাদী দৰ্শন। এই দৰ্শন অনুযায়ী মন আৰু বস্তুজগতৰ পাৰস্পৰিক সম্পৰ্ক আছে। মনন শক্তিৰ সম্পূৰ্ণ স্বতন্ত্ৰতা নাই, আৰু ইয়াৰ একপক্ষীয় ভূমিকাও থাকিব নোৱাৰে। বস্তুবাদীসকলৰ মতে জ্ঞানৰ উৎপত্তিত বস্তুৰ ভূমিকাই মুখ্য। বস্তু আছে বুলিয়েই তাৰ বিষয়ে কৌতূহল হয় ; তাৰ পিছত অন্বেষণ হয়, আৰু এই অন্বেষণৰ ফল স্বৰূপেই জ্ঞানৰ উৎপত্তি। সেইবাবে, জ্ঞান অতীন্দ্ৰিয় উপলব্ধিৰ কথা নহয়। ইন্দ্ৰিয় আৰু বস্তুৰ সংঘাতে মনত যি সংবেদনাৰ সৃষ্টি কৰে, তাৰ সংহত আৰু নিটোল ৰূপেই হ'ল জ্ঞান। গতিকে মনন-শক্তিৰ চিৰন্তনতা বা অলৌকিকতা এই দৰ্শনে মানি নলয়, সংবেদনাৰ উৰ্দ্ধলৈ সে যাব নোৱাৰে। অৱশ্যে, জ্ঞানৰ উৎসত মনন-শক্তিৰ ভূমিকা বস্তুবাদীসকলেও নুই নকৰে। সংবেদনাৰ জৰিয়তে যি তথ্য সংগৃহীত হয়, তাক সুশৃঙ্খলভাবে প্ৰকাশ কৰাত সহায় কৰে এই মনন-শক্তিয়েই। কিন্তু বস্তুৰ অস্তিত্ব আছে বুলিয়েই মনন-শক্তিয়ে এই কাম কৰিবলগা হয়। সেইবাবে বস্তুজগতক বাদ দি মননৰ ভূমিকাৰ কথা অকল্পনীয়।

এবিধে আমাক বিমূৰ্ত চিন্তনৰ ফালে লৈ যায়, আৰু আনবিধে দিয়ে স্বাভাবিক বাস্তৱবোধ। আমি-কোনটো গ্ৰহণ কৰিম ? এটাই আমাক লৈ যায় বিচাৰ-নিৰপেক্ষ বিশ্বাসৰ মাজলৈ আৰু আনটোৱে লৈ যায় যুক্তিনিৰ্ভৰ বিশ্লেষণৰ মাজলৈ। আমি কোনটোৰ পৰা উপকৃত হম ? ভাববাদীসকলে অধিবিদ্যাৰ আশ্ৰয় লোৱাৰ এটা উদ্দেশ্য নোহোৱা নহয়, তেওঁবিলাকে মানুহৰ ক্ষুদ্ৰতা নাশিবৰ বাবে আত্মশক্তিৰ উদ্বোধন বিচাৰিছিল – যাৰ সহায়ত বিশ্বজনীন, উদাৰ আলোকেৰে মানৱাত্মা ধন্য হ'ব। এই ধৰণৰ অধিবিদ্যাৰ ফলত ভাববাদীসকলে এটা কথালৈ আওকাণ কৰিব লগীয়া হয়। মানুহ যেহেতু নশ্বৰ। তাৰ মননক্ৰিয়াও নশ্বৰ, সি অলৌকিক বা অতীন্দ্ৰিয় স্তৰলৈ উন্নীত নহয় বা নিৰৱচ্ছিন্নভাবে সক্ৰিয় হৈ থাকিবও নোৱাৰে। মনন-শক্তিক চিৰন্তন আখ্যা দিবলৈ ভাববাদীসকলে অধিবিদ্যাক চিন্তা-চৰ্চাৰ আশ্ৰয় লৈছে আৰু কেৱল মনোজগততেই দৃষ্টি নিবদ্ধ কৰিছে। এই পথ নিৰ্ভুল বুলি কব নোৱাৰি। বস্তুবাদী দৃষ্টিতো বস্তুৰ মুখ্য ভূমিকাৰ কথা কোৱা হৈছে যদিও, মননৰ ওপৰতো যথেষ্ট গুৰুত্ব দিয়া হৈছে। এই দৃষ্টিভঙ্গীমতে মনন-ক্ৰিয়া, দৰাচলতে মগজুৰে ক্ৰিয়া। মগজুৱেই ইন্দ্ৰিয়ৰ জৰিয়তে অভিজ্ঞতালব্ধ সকলো তথ্য সংগ্ৰহ কৰি তাক এটি সুবিন্যস্ত ৰূপ দিয়ে। সেয়ে দৰাচলতে জ্ঞান। ইয়াত মূল সূত্ৰধাৰ হ'ল মগজু, তাৰ নিজস্ব বিচাৰবোধ। মগজুৱে সংবেদনাৰ স্তৰত থকা তথ্যৰাজিৰ উৰ্দ্ধলৈ গৈহে বা তাৰ পৰা নিজক নিলগাই লৈহে, এটা সংহত ৰূপ দিয়াত প্ৰবৃত্ত হয়। বস্তুজগতৰ পৰিবৰ্তন হৈ থাকে, আৰু এই পৰিবৰ্তনৰ লগে লগে মগজুৰ বিচাৰৰ গতি-প্ৰকৃতিতো পৰিবৰ্তন আহে। এইবাবেই জ্ঞান একেবাৰে অভ্ৰান্ত হ'ব নোৱাৰে। বস্তুজগতৰ মৰ্মলোকৰ পোহৰতে মনন-শক্তি সক্ৰিয় হয়, এইবাবেই কিছুমান কথা কালৰ আঘাতত মিছা বুলিও প্ৰতিপন্ন হ'ব পাৰে। এইবোৰ আলোচনাৰ পৰা এটা কথা পৰিষ্কাৰ হয় যে, বস্তুৰ পৰা যেনেকৈ জ্ঞানৰ উৎপত্তি, সেইদৰে মননৰ সাহচৰ্যই আনে জ্ঞানৰ পৰিণতি। গতিকে বস্তুবাদী দৃষ্টিভঙ্গীৰ পৰা চালে আমি দেখিম যে

জ্ঞানৰ ক্ষেত্ৰত বস্তু আৰু মন উভয়ৰে পাৰস্পৰিক ভূমিকা আছে।

এয়ে যদি হয়, তেন্তে আমাৰ আচৰণৰ ওপৰত মননৰ প্ৰভাৱ কেনে হ'ব ? মনন যদি বস্তু-নিৰ্ভৰ হয়, তেন্তে আমাৰ স্বাধীনতা থাকিব নে ? জাৰ্মান দাৰ্শনিক হেগেলে কৈছিল যে বস্তুনিৰপেক্ষ সাৰ্বভৌম মনন-শক্তিতেই স্বাধীনতাৰ বীজ থাকে। এই কথা কিমান দূৰ সঁচা ? মনন-শক্তি যদি বস্তুজগতৰ অধীন হয়, তেন্তে মানুহ বস্তুতান্ত্ৰিকতাৰ দাস হৈ পৰিব নে কি ? এনেবোৰ প্ৰশ্ন মনলৈ আহে। এইবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিম।

আমি আগতে কৈ আহিছো যে, মনন আৰু বস্তুজগত পৰস্পৰবিৰোধী শক্তি নহয় ; উভৰে মাজত পাৰস্পৰিক সম্পৰ্ক আছে। বস্তু একেলগে বন্ধু আৰু শত্ৰুও। মানুহৰ যাত্ৰাত বাধাস্বৰূপ হ'লে বস্তুজগতৰ বিৰুদ্ধে মানুহে সংগ্ৰাম কৰিবলৈ উদ্যত হয়, এই সংগ্ৰামত মনন-শক্তি তেজস্বী হৈ উঠে, আৰু প্ৰতিকূল বস্তুবিশ্বক আয়ত্তলৈ আনে। কিন্তু এই সংগ্ৰাম বস্তু-নিৰপেক্ষ নহয়, বস্তুক লৈহে এই সংগ্ৰাম মনন-শক্তিয়ে কৰিব পাৰে। আমাৰ আচৰণত মনন-শক্তিৰ নিৰ্দেশ থাকে সঁচা, কিন্তু বস্তুবিশ্বৰ পৰিস্থিতিৰ বিচাৰ কৰিহে মনন-শক্তিয়ে সেই নিৰ্দ্দেশ আমাক দিয়ে। স্বাধীনতাৰ অৰ্থ স্বেচ্ছাচাৰিতা বা চৰ্তহীন মুক্তি নহয়, নিয়ন্ত্ৰণৰ লগত স্বাধীনতাৰ গাঢ় সম্পৰ্ক আছে। মানুহৰ মননেই হ'ল এই আত্মনিয়ন্ত্ৰণৰ কেন্দ্ৰ। ইয়াৰ অৰ্থ হ'ল, মানুহৰ বিবেক-বুদ্ধি, যুক্তি আৰু বিচাৰবোধ আছে, তাৰেই তেওঁ নিজৰ কৰ্মক সংহত কৰি নিজৰ বিকাশ সাধন কৰিব পাৰে। মানুহৰ স্বাধীনতা প্ৰকাশ পায় সৃষ্টিশীল কৰ্মৰ উদ্যোগত – এই উদ্যোগৰ ক্ষেত্ৰ হ'ল বস্তুজগত। বস্তুজগতৰ উপাদানেৰেই মানুহে এই কৰ্মোদ্যোগ গঢ়ি তোলে আৰু তাৰ জৰিয়তে প্ৰতিষ্ঠা লাভ কৰে। সেয়ে মনন-শক্তিক কৰ্ম-শক্তিৰ পৰা পৃথক কৰিব নোৱাৰি, কৰিলে বুজিব লাগিব, কৰবাত কেৰোণ আছে। মনন-শক্তি বস্তুনিৰ্ভৰ হ'লেই যে মানুহ বস্তুতান্ত্ৰিক হ'ব এনে নহয়, বস্তুতান্ত্ৰিকতাৰ দাস হোৱাৰ কাৰণ হ'ল, সমাজত তেনে এটি পৰিবেশ থাকিব লাগিব, আৰু মনন-শক্তি যাৰ দুৰ্বল, যি কোনো মহৎ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহয়, সি সেই পৰিবেশক গড্ডল-প্ৰবাহত উটি যোৱাৰ সম্ভাৱনা থাকিব। প্ৰখৰ মনন-শক্তিয়ে বস্তুতান্ত্ৰিকতাৰ বা ভোগবাদৰ জন্ম দিয়া পৰিবেশৰ বিৰুদ্ধে যুঁজ দিবলৈহে সাজু হব ; কিয়নো, এনে মনন-শক্তিয়ে সংবেদনাৰ দ্বাৰা পোৱা তথ্যৰ পৰা নিজক নিলগাই থ'ব পাৰে।

মানুহ এইবাবেই সমাজৰ পৰা আঁতৰি থাকিব নোৱাৰে। ব্যক্তি আৰু সমাজৰ সম্পৰ্ক চিৰকাল আছে আৰু থাকিব। ব্যক্তিৰ যেনেকৈ সমাজৰ প্ৰতি দায়িত্ব আছে, সমাজৰো ব্যক্তিৰ প্ৰতি তেনেদৰে দায়িত্ব আছে। বস্তুবাদী দৃষ্টিভঙ্গীৰে চালে আমি এনে এটা সিদ্ধান্তলৈ আহিব পাৰো। কিন্তু এই পাৰস্পৰিক সম্পৰ্কত উভয়ৰে মাজত দ্বন্দ্বও থাকে আৰু মিলনৰ থলো থাকে। সামাজিক পৰিবেশেই যদি আমাৰ চেতনাৰ সৃষ্টি কৰে অথবা মনন-শক্তিক সক্ৰিয় কৰে, তেন্তে সেই চেতনা বা মনন-শক্তিয়েই পৰিবেশক নিয়ন্ত্ৰণো কৰিব পাৰে। সমাজেই মানুহৰ আচৰণ নিৰ্দিষ্ট কৰি দিয়ে সঁচা; আৰু এইটোও সঁচা যে সমাজৰ সেই নিৰ্দেশক বস্তুগত জীৱনধাৰাই প্ৰভাৱিত কৰে।

পুঁজিবাদী সমাজত আমি দেখিছো ধনী আৰু দুখীয়াৰ পাৰ্থক্য; আমি দেখিছো ইয়াত এক শ্ৰেণীৰ ভিতৰত ধন বস্তু সংগ্ৰহৰ বাবে ভীষণ প্ৰতিযোগিতা চলে, কিছুমানে ভোগকেই জীৱনৰ লক্ষ্য হিচাপে লয়। আনহাতে, সাধাৰণ মানুহৰ জীৱন অবৰ্ণনীয় দাৰিদ্ৰ্যই দুঃসহ কৰি তোলে। এই পৰিবেশত ভদ্ৰভাৱে কৰা দুৰ্নীতি সহ্য কৰা হয়। ধনীয়ে দুখীয়াক শোষণ কৰাটো ইয়াত অত্যন্ত স্বাভাৱিক। পুঁজিবাদী সমাজত এইটোৱেই নিয়ম,– এই নিয়ম মানি চলাটোৱেই নীতি। যিখন সমাজত এনেবোৰ অগণতান্ত্ৰিক আৰু অমানৱীয় নীতি আইনসঙ্গত, সেই সমাজ সম্পৰ্কে আমাৰ মনন শক্তিৰ বিচাৰ কেনে হ'ব, বা হোৱা উচিত ? সেইখন সমাজৰ নিৰ্দেশ সম্পৰ্কে আমাৰ এক বিন্দুও সন্দেহ নহ'ব নে ? এইখিনিতেই স্বাৰ্থৰ কথা আহে। এজন ধনীয়ে ধন-বস্তু সংগ্ৰহৰ লোভ পৰিত্যাগ কৰিব নোৱাৰে, তাৰ কাৰণ স্বাৰ্থ আৰু অহমিকা। সামগ্ৰিক কল্যাণ বোধতকৈ সংকীৰ্ণ স্বাৰ্থ ডাঙৰ হয় যদিও, সেই সম্বন্ধে ধনীৰ বিবেক-দংশন নহয়। ধনী মানুহজনৰ মনন শক্তি এই ক্ষেত্ৰত সক্ৰিয় বুলি ক'ব নোৱাৰি, অথবা সি অহমিকাৰ দ্বাৰা আক্ৰান্তও হ'ব পাৰে। ঐশ্বৰ্যই ক'লাক বগা কৰিব পাৰে, পঙ্গুক পৰ্বতত উঠাৰ সামৰ্থ্য দিব পাৰে। এই শক্তিৰ ওচৰত ধনী নতজানু হৈ পৰে আৰু ফলত মনন-শক্তিৰ ভূমিকাক সহজে উপেক্ষা কৰে। আমাৰ কাৰখানাবোৰত ব্যৱস্থাপকসকল আৰু বনুৱাসকলৰ মাজত আৰ্থিক বৈষম্যৰ উপৰিও, বৌদ্ধিক শক্তিৰ তাৰতম্যও আছে। ব্যৱস্থাপনাত যিসকল থাকে তেওঁ বিলাকৰ বৌদ্ধিক শক্তি (Intellectual powers) থাকে ; কিন্তু বনুৱাসকলৰ নেথাকে। শ্ৰমৰ পৰা বৌদ্ধিক শক্তিক নিলগাই ৰখাৰ ফলত যি ব্যৱধান সৃষ্টি হয় তাৰ ফল হয়গৈ পাৰস্পৰিক দ্বন্দ্ব। এই দ্বন্দ্বৰ ফল কি হয় আমি সকলোৱেই জানো।

প্ৰকৃত অৰ্থত, মনন-শক্তি বনুৱাসকলৰ নেথাকে; থাকিলেও তাৰ স্তৰ নিম্ন মানৰ। সেইদৰে অজস্ৰ দৰিদ্ৰ মানুহৰ ক্ষেত্ৰতো এই কথা খাটে। এই সমাজ ব্যৱস্থাত এইবোৰ চলি আছে আৰু চলি থাকিব। এইখিনিতে আমি এটা কথা মনত ৰাখিব লাগিব যে এনে পৰিস্থিতিৰ বাবে আমাৰ সমুখৰ বস্তুজগতখন অৰ্থাৎ সমাজ ব্যৱস্থাটোৱেহে দায়ী; মানুহ দায়ী নহয়। বৰ্তমান অৱস্থাত সমাজৰ নিম্নস্তৰত বা তৃণমূল পৰ্যায়ত যিবোৰ মানুহ আছে তেওঁবিলাকৰ জীৱন আৰু মননৰ বিকাশ হোৱাৰ আশা নাই; কিন্তু সেইটো নোহোৱাটোহে সম্পূৰ্ণ অগণতান্ত্ৰিক। ভাৰতীয় গণতন্ত্ৰ এইবাবেই প্ৰকৃতাৰ্থত গণতন্ত্ৰ নহয় বুলি ক'ব পাৰি। যি সকল স্বাৰ্থত অন্ধ হৈ আছে, তেওঁবিলাকৰ কথা নকওঁ, কিন্তু যিসকল দেশ-কাল-পাত্ৰ সম্বন্ধে সচেতন তেওঁবিলাকৰো বহুতে এই গণতন্ত্ৰহীনতাকে সমাজৰ নিৰ্দেশ বুলি হয়তো মানি লৈছে। এনে আত্ম সমৰ্পণৰ কাৰণ আছে। আমাৰ অদৃষ্টত বিশ্বাস, নানা সংস্কাৰ আদিৰ বাবেও এনে ঘটিছে বুলি ক'ব পাৰি। বিজ্ঞান চেতনা এতিয়াও আমাৰ জীৱনৰ অঙ্গ হোৱাগৈ নাই। দেখা যায় বিজ্ঞান পঢ়া মানুহো (বহুতেই) অদৃষ্টত বিশ্বাসী। এনে ধাৰণাই বস্তু জগতত ঘটা ঘটনা সম্পৰ্কে চিন্তা কৰিবলৈ বা মনোযোগ দিবলৈ প্ৰেৰণা নোযোগায়। ইয়াৰ অৰ্থ এয়ে যে যি মনন শক্তিৰ বলত জীৱনত কোনটো ভাল, কোনটো বেয়া, কোনটো ন্যায়,



কোনটো অন্যায়, কি গ্ৰহণীয়, কি বৰ্জনীয়– এইবোৰ নিৰ্ণয় কৰা যায়, সেই মনন শক্তিৰ বস্তুনিষ্ঠ চৰ্চা বা বিকাশ কৰিবলৈ যদি শিক্ষিতসকলেই বাদ দিয়ে, তেন্তে আমাৰ দেশৰ প্ৰগতি হ'ব কেনেকৈ ? সেইবাবে, সমাজ-ব্যৱস্থা দায়ী হ'লেও ব্যক্তিৰো আকৌ সমাজৰ আঁসোৱাহবোৰ আঁতৰাব পৰা বা সমাজক সলনি কৰাৰ শক্তি থাকে। এইবাবেই মনন শক্তিৰ চৰ্চা অনিবাৰ্যভাৱে প্ৰয়োজনীয়। এইটো কৰিবলৈ যাওঁতে ব্যক্তিৰ বাস্তৱ জীৱনৰ গাঁথনি আৰু সংশ্লিষ্ট সামগ্ৰিক বস্তুগত স্বাৰ্থক উপেক্ষা কৰিব নোৱাৰি। উপেক্ষা কৰিলে এটা সুনিৰ্দিষ্ট প্ৰত্যয়ৰ মানদণ্ড গঢ় দিয়া টান হ'ব। প্ৰত্যয়ৰ মানদণ্ড নিৰ্ণয় কৰিবলৈ ব্যক্তিয়ে সমাজৰ বস্তুগত ভিত্তিৰ ইতিহাস জনাৰ উপৰিও, সকলো ঘটনাৰ কাৰ্য-কাৰণ সম্পৰ্ক ফঁহিয়াই চাব জানিব লাগিব। তাকে কৰিলেহে এটা সুনিৰ্দ্দিষ্ট প্ৰত্যয় –ব্যক্তিয়ে গঢ় দিব পাৰিব। এনে প্ৰত্যয় গঢ় ল'লে তাৰ আধাৰত সমাজৰ প্ৰচলিত নীতি নিৰ্দেশ বা অনুশাসন সম্বন্ধে তেওঁ প্ৰশ্ন কৰিবলৈ সমৰ্থ হ'ব আৰু সেইবোৰ যদি সময়োচিত নহয়, তেন্তে তাৰ কৰ্তৃত্বৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব পাৰিব। এইবোৰ কাম মনন শক্তিৰ অন্তৰ্লোকতে ঘটে যদিও তাৰ ভেটি হ'ল সমাজ অৰ্থাৎ বস্তুজগত। যান্ত্ৰিক বস্তুতান্ত্ৰিকতাৰ পৰা নিজক ৰক্ষা কৰিবলৈ হ'লে ব্যক্তিয়ে বস্তু নিৰ্ভৰ মনন শক্তিৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব। ধন আৰু বস্তুৰ পূজা বা তাৰ বাবে প্ৰতিযোগিতা কৰা, অথবা ব্যক্তিগত সন্মান, স্বাৰ্থ আৰু লাভকে জীৱনৰ লক্ষ্য কৰাতকৈ সহযোগিতা আৰু সাৰ্বজনীন মঙ্গলৰ বাবে কাম কৰাটো মানবীয় আৰু সমাজ হিতকৰ। এনে মূল্যবোধৰ জন্ম অৱশ্যে পুঁজিবাদী সমাজত নহয়, সি সমাজবাদী গণতান্ত্ৰিক ব্যৱস্থা এটাতহে সম্ভৱপৰ হৈ উঠিব পাৰে। কিন্তু আমাৰ দেশৰ পৰিস্থিতিত সি আকাশ-কুসুম হৈ আছে। কিয়নো আমাৰ মানুহৰ আচৰণ এতিয়াও আবেগময়, যুক্তিৰ দ্বাৰা মানুহ পৰিচালিত নহয়। সাধাৰণতে বস্তু নিৰপেক্ষ আবেগিক মুহূৰ্ত এটাতে আমি কাম কৰিবলৈ উদ্যত হওঁ, তাৰ ফলতেই বিপদ ঘটে। স্বাৰ্থজৰিত মহলে আমাৰ এনে আবেগিক মুহূৰ্তবোৰৰ সুযোগ লয় আৰু লংকাকাণ্ডৰ সৃষ্টি কৰে। আমাৰ শিক্ষা পদ্ধতিয়েও মানুহক মানৱীয় মূল্যবোধ নিশিকায়। দৰাচলতে, এই পদ্ধতি মূল্যবোধ-ভিত্তিক নহয়। ডিগ্ৰী লাভ কৰা আৰু যেন-তেন প্ৰকাৰেন ধন ঘটা এই দুইটা উদ্দেশ্যহে আমাৰ শিক্ষাৰ লগত জৰিত। ইয়াত সমাজ বাস্তৱৰ সত্যক আমাৰ পৰা লুকুৱাই ৰখা হয়, ঐতিহ্য আৰু আধুনিকতাৰ দ্বন্দ্ব আৰু উত্তৰণৰ সম্পৰ্কে ইয়াত কোনো কথা কোৱা নহয়। তদুপৰি এই শিক্ষা পদ্ধতিয়ে মানুহক এলিট হোৱাৰ প্ৰৱণতা এটা উপহাৰ দিয়ে। শিক্ষাপ্ৰাপ্ত এজন মানুহ তেওঁৰ লগৰ আন মানুহৰ পৰাই বিচ্ছিন্ন হৈ পৰে। এইবোৰ মানুহে জানে কেৱল নিজৰ অসুখৰ কথা, দেশৰ দহৰ অসুখৰ কথা নেজানে। মেকলে চাহাবে প্ৰবৰ্তন কৰা শিক্ষাৰ মাল মছলাৰে আমাৰ মানুহৰ মনন শক্তিৰ বিকাশ কৰিব নোৱাৰি;– বহু জীৰ্ণ এই পদ্ধতি সলনি কৰিবৰ হ'ল। কিন্তু সলনি কৰে কোনে ? আমাৰ শিক্ষা ব্যৱস্থাত সৰকি অহা সকল বিদ্বানকুলীন হ'ব পাৰে, কিন্তু চিন্তাশীল হৈ নুঠে। ৰবীন্দ্ৰনাথে শান্তি নিকেতন প্ৰসঙ্গত এখন চিঠিত এইবুলি কৈছিল যে তেওঁবিলাক (ছাত্ৰসকল) যদি সাধাৰণ শিক্ষিত বাঙ্গালীৰ দৰে পুথি পঢ়া ভাল মানুহ হৈ উঠে – তেওঁবিলাকৰ অন্তঃকৰণ যদি সঁচাসঁচিকৈ মানৱ প্ৰেমেৰে অভিষিক্ত হৈ নুঠে তেনেহ'লে আমাৰ চেষ্টা ব্যৰ্থ হ'ব। তেওঁ এটা উপমা দি আৰু কৈছিল যে, নদী এখন পাহাৰৰ গুহাৰ বুকুতে লালিত আৰু পুষ্ট হ'ব কিন্তু লোকালয়ত প্ৰবাহিত হৈ সমগ্ৰ দেশৰ ভোক-পিয়াহ দূৰ কৰিব পৰা সম্বলো তাক যোগাব লাগিব। ৰবীন্দ্ৰনাথে বিদ্যালয়ৰ চৌহদৰ ভিতৰৰ শিক্ষাৰ লগতে দেশৰ মানুহৰ ভোক-পিয়াহ দূৰ কৰাৰ বাবে সত্য আৰু চিন্তাৰ ধাৰাহে পুষ্ট হ'ব পৰা শিক্ষাও প্ৰয়োজনীয় বুলি ভাবিছিল। বিপুল মানৱতাৰ সতে হৃদয়ৰ অন্তৰঙ্গ পৰিচয় নোহোৱালৈকে শিক্ষা সম্পূৰ্ণ নহয়। এইবোৰ কথা আমাৰ শিক্ষানীতি ৰচনা কৰা সকলে চিন্তা কৰাৰ সময় হৈছে। তেওঁবিলাকে ৰবীন্দ্ৰনাথৰ দৰেই Song of the open road ৰ কথা ভাবিব লাগিব। ইয়াৰ অৰ্থ হ'ল যিসকলে পথৰ পথিক হৈ ফুৰে, মিলে, কাম কৰে, যিসকলে দৈন্যৰ মাজতো মানুহক সঙ্গ দিব পাৰে, ভাল পাব পাৰে, সেই সকলেই মানৱ তীৰ্থলৈ যাত্ৰাৰ পথ উন্মোচন কৰিব পাৰে। আমাৰ মাজত এনে মানুহ ক্ৰমাৎ বিৰল হৈ আহিছে। প্ৰাচীৰবদ্ধ শিক্ষাৰ মাজতো বোৱতী সুঁতিৰ কল্যাণকৰ ভূমিকা আয়ত্ত কৰাৰ পৰিবেশ আমি সৃষ্টি কৰিব লাগিব। ইংৰাজ ৰাহুৰ পৰা মুক্ত আমাৰ দেশ দিনে দিনে ৰসাতললৈ যোৱাৰ অন্যতম কাৰণ আমাৰ শিক্ষা ব্যৱস্থা।

আৰু ৰাজনীতি ? তাৰ কথা নোকোৱাই ভাল। সম্প্ৰতি ৰাজনীতি আৰু দুৰ্নীতি প্ৰায় সমাৰ্থক। আমি শ্ৰমৰ মূল্য নুবুজো, মগজু বা মনন শক্তিৰ বিকাশৰ বাবে চেষ্টা নকৰো, আৰু হেজাৰ বিজাৰ মানুহ আৰ্থিক বৈষম্যত ভোগা দেখিও আমি মনকাণ নিদিওঁ। আমি ক্ষমতা আৰু ধনৰ স্তূপত বহি ৰোম সম্ৰাট নীৰ'ৰ দৰে সমুখত অগ্নিকাণ্ড চাই আছো আৰু আপোন মনে বাঁহী বজাইছো। আজিৰ ৰাজনীতিয়ে দুঃসময়ৰ কৰাল ছাঁ কেউফালে বিয়পাই দিছে। সংকটৰ শগুণ যেন পাখি মেলি নামি আহিছে। আজি আমাৰ সংকট নাই কিহত ? বিদ্যুৎ, গেছ, ৰাস্তা-পদূলি, বস্তুৰ দাম, নিবুনৱা, আইন-শৃংখলা, শিক্ষা, দুৰ্নীতি– এই সকলোবোৰতে সংকটৰ ভয়াবহ ছাঁ। তদুপৰি সাম্প্ৰদায়িক অশান্তি আছেই– জাতি, ভাষা, ধৰ্মৰ নামত এই অশান্তি বিয়পি পৰিছে। অসমত জনজাতীয় সমস্যাই মূৰ দাঙি উঠিছে, তদুপৰি হত্যা সন্ত্ৰাসৰ পৰিবেশে সংকট গভীৰতৰ কৰি তুলিছে। ব্যক্তি সন্ত্ৰাস আৰু চৰকাৰী সন্ত্ৰাস– এই দুয়োবিধেই ৰাইজক নানাভাবে কষ্ট দিছে। অভিযোগো কামত নাহে– ৰাজনীতিৰ কাণো বধিৰ; ৰাইজৰ সুখ-দুখলৈ সি কৰ্ণপাত নকৰে। আনহাতে, ৰাজনীতি এতিয়া সৰ্বত্ৰগামী,– কিন্তু যি ৰাজনীতিৰ সতে আমাৰ জীৱন-মৰণ জৰিত। সেই ৰাজনীতি হৈ পৰিছে মূল্যবোধহীন আচৰণ মাত্ৰ। ইও আমাৰ শিক্ষা পদ্ধতিৰে ফল। এটা জাতিক এনে ৰাজনীতিয়ে উদ্বুদ্ধ কৰিব নোৱাৰে। এতিয়া আমাৰ সমুখত আছে কেৱল হতাশাৰ অন্ধকাৰ। 'সোণৰ অসম' অতীতৰ কিম্বদন্তিহে, আজিৰ ৰাজনৈতিক অদূৰদৰ্শিতাৰ চিকাৰ, সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ আন্দোলনত টলমল, আঞ্চলিকতাপ্ৰৱণ সংকীৰ্ণতাত জীৰ্ণ, আৰু প্ৰকৃতি আৰু মানুহে সৃষ্টি কৰা দুৰ্যোগত অথিৰ-অবিৰ অসম জননীক সেই অতীত কিম্বদন্তিৰ ছাঁ বুলিও আজি কোৱা টান।

ইতিহাসৰ ঘড়ীৰ কাটা- পিছুৱাই দি, কেৱল অতীততে খামুচি ধৰি থাকি, জ্ঞান-বিজ্ঞানৰ বিৰোধিতা কৰি আমি সোণৰ অসম ৰচনা কৰিব নোৱাৰো। কালৰ তাৎপৰ্য নুবুজি কেৱল অতীতমুখী হৈ থাকিলে আমাৰ অগ্ৰগতি সম্ভৱ নহয়। আমি হয়তো সামন্তবাদী ধ্যান-ধাৰণাৰ ফালেহে আকৌ গতি কৰিছো- এই প্ৰৱণতাৰ বাবে ক্ষয়িষ্ণু পুঁজিবাদী ব্যৱস্থাও দায়ী। ভাৰতবৰ্ষৰ পৰা আঁতৰি এখন স্বাধীন অসম গঢ় দিয়াটো কিমানদূৰ যুক্তিপূৰ্ণ ? এই প্ৰশ্নটো আলোচনা কৰোতে আমি ইতিহাসৰ কথা মনত ৰাখিব লাগিব আৰু সাম্প্ৰতিক পৰিস্থিতিও চালি-জাৰি চাব লাগিব। সমগ্ৰ দেশৰ আত্ম-নিয়ন্ত্ৰণ আৰু ৰাজনৈতিক স্বাধীনতাৰ দাবী আমাৰ পূৰণ হ'ল আৰু সাম্ৰাজ্যবাদী ৰাষ্ট্ৰৰ পৰা আমি পৃথক হৈ আহিলো। স্বাধীনতাৰ লগে লগেই এইটো সম্ভৱ হৈছে; তাৰ পিছত সাম্ৰাজ্যবাদী সকলৰ ওপৰত অৰ্থনৈতিকভাবে নিৰ্ভৰ কৰা আৰু তেওঁবিলাকে কৌশলেৰে আমাক স্থায়ীভাবে শোষণ কৰা- এই দুটা পৰিস্থিতিৰ পৰা মুক্ত হোৱাটোৱেই আমাৰ সকলোৰে লক্ষ্য হ'ব লাগিছিল। স্বাধীনতাৰ আগমুহূৰ্তত আমাক নিৰ্যাতন কৰা জাতি এটা আছিল, তাৰ পিছত দেখ দেখকৈ তেনে এক প্ৰবল জাতি আমাৰ সমুখত নোহোৱাত সকলো ভাষিক গোষ্ঠী জাতি জনজাতি লগলাগি যদি অৰ্থনৈতিক পৰাধীনতা আৰু পশ্চাৎপদতাৰ অন্ত পেলাবলৈ আমি উমৈহতীয়া সংগ্ৰামৰ পটভূমি ৰচনা কৰিবলৈ যত্ন কৰিলোহেঁতেন; তেনেহ'লে হয়তো ভাৰতৰ সংগ্ৰামী ঐক্যও সম্ভৱ হ'লহেঁতেন ; কিন্তু সমগ্ৰ দেশ জুৰি ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-উপজাতি পৰস্পৰ বিচ্ছিন্ন আৰু আঞ্চলিকতা প্ৰৱণ হৈ আত্ম নিয়ন্ত্ৰণৰ দাবী তুলিলে সেই ভাৰতীয় ঐক্যৰ কথা তল পৰিব; সম্প্ৰতি তেনে এটা অৱস্থা হৈছেই। এই কথা সঁচা যে ধনী জমিদাৰ গোষ্ঠীৰ শাসন আৰু কেন্দ্ৰীভূত শাসনৰ অনুকূলে এখন সংবিধানে জনসাধাৰণৰ উপকাৰতকৈ অপকাৰহে বেছি কৰিছে, আৰু তাৰ বিৰুদ্ধেই সকলো ভাষিক জাতিগত, আৰু জনজাতীয় গোষ্ঠীসমূহ এক হোৱাৰ প্ৰয়োজন। এই ঐক্য যদি নেথাকে আৰু আমাৰ মাজত ভাগ ভাগ হৈ যোৱাৰ প্ৰৱণতা যদি বেছি হয়, তেতিয়া শাসক গোষ্ঠীয়ে আমাৰ সংগ্ৰামী মানুহকো ভাগ ভাগ কৰি দুৰ্বল কৰি পেলাব। আমাৰ দেশত প্ৰায় তেনে এটা অৱস্থাই চলি আছে বুলি ক'ব পাৰি। ভাৰতৰ মানুহৰ মাজত মিল নহয়, কিয়নো প্ৰত্যেক জাতিৰে ভিন ভিন সংস্কৃতি,- এই তত্ত্ব সঠিক নহয়, আন্তৰিকতাৰে কাম কৰিলে, ভিন ভিন শোষিত আৰু পশ্চাৎপদ জাতি-উপজাতিৰ মাজত ঐক্য সম্ভৱ হব পাৰে।

অসমত ভিন ভিন নৃগোষ্ঠীৰ মাজত পূৰ্বতে যি মিল আছিল, আজি তাৰ শোচনীয় অভাৱ। ইয়াৰ বাবে আমি শিক্ষাৰ ক্ষেত্ৰত কিছুমান ব্যৱস্থা লব পাৰো। তাহানি লেনিনে কৈছিল যে, একোটা অঞ্চলৰ বিভিন্ন জাতি-উপজাতিৰ ল'ৰা-ছোৱালী একোখন স্কুলত মিলিজুলি পঢ়া-শুনা কৰিবলৈ দিব লাগে। শিক্ষানুষ্ঠান ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিক ভেটি কৰি পতাটো হিতকৰ নহয় ; ইয়াৰ ফলত পিছপৰা সকলৰ অৱস্থা আৰু বেয়া হব পাৰে। এনে কাম ৰাষ্ট্ৰই হাতত লোৱা উচিত ; কিন্তু তাৰ আগতে, ৰাষ্ট্ৰই মানুহক মানুহ বুলি স্বীকাৰ কৰিব লাগিব আৰু লগতে প্ৰত্যেকৰে স্বাধীনতা আৰু স্বতন্ত্ৰতাক সন্মান জনাব লাগিব। সমতাৰ ভেটিতহে ক্ষুদ্ৰ জাতিসমূহৰ আৰ্থিক বা সাংস্কৃতিক সমস্যাবোৰ বিচাৰ কৰিব লাগিব। ৰাষ্ট্ৰই প্ৰত্যেক জাতি-উপজাতিৰ অভিযোগবোৰ শুনিব লাগে আৰু সেইবোৰৰ মূলত কি ৰোগ আছে তাৰ চিকিৎসা আন্তৰিকতাৰে কৰিব লাগে। এনে ধৰণৰ মানৱীয় পৰিবেশ এটা সৃষ্টি কৰাৰ জোখাৰে মানসিক শক্তিও ৰাষ্ট্ৰই অৰ্জন কৰিব লাগে। কিন্তু, আমাৰ দেশত সেইটো সাধাৰণতে কৰা নহয়, ফলত তথাকথিত আইন শৃংখলাৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই অৱস্থাৰ সৃষ্টি হবলৈ এৰি দিয়া হয়, ক্ষুব্ধ মানুহে হাতত অস্ত্ৰ তুলি লয় আৰু পৰিস্থিতি ভয়ংকৰ হৈ উঠে। ৰাষ্ট্ৰই শ্ৰেণী বিভক্ত সমাজৰ সুযোগ লৈ মানুহৰ মাজত বিভেদৰ গুটি সিঁচি দি ক্ষমতাৰ গাদী গজগজীয়া কৰিবলৈ বিচাৰে। ধন থকাসকল সম্প্ৰতি ভোগবাদৰ কবলত পৰিছে ; পুঁজিবাদৰ প্ৰথম স্তৰত দেশৰ স্বাৰ্থত সম্পদৰ উচিত ব্যৱহাৰ, অৰ্থৰ ক্ষেত্ৰত মিতব্যয়িতা, নাইবা নিজা প্ৰযুক্তি বিদ্যাৰ বাবে যি প্ৰতিশ্ৰুতি আছিল, সি আজি নাইকিয়া হৈ আহিছে। ধনীসকল এতিয়া সহজলভ্য ধনৰ চিন্তাত মগন, তেওঁবিলাক কৰ্ম-বিমুখ আৰু 'চিন্থেটিক' বিলাসপ্ৰৱণতাৰ বলি হৈ পৰাত দেশৰ আৰু মানুহৰ স্বাৰ্থ তল পৰিছে। মধ্যবিত্তসকলো এই বৃত্তৰ মাজত সোমাই পৰিছে। ইয়াৰ ফলত অসংগঠিত দৰিদ্ৰ জনসাধাৰণৰ দুখে কুলাই-পাচিয়ে নধৰা হৈছে। অৰ্থ-লালসাই যিবোৰ মানুহক ধূৰ্ত, ভণ্ড আৰু কৃত্ৰিম কৰি তুলিছে, তেওঁবিলাকৰ হাতত দেশৰ মানুহৰ স্বাৰ্থ নিৰাপদ নহয়। ধূৰ্তালি, ভণ্ডামি আৰু কৃত্ৰিমতা অযোগ্যতাৰ আন এটি নাম মাত্ৰ। এনে অযোগ্যতাৰ বিৰোধিতা কৰিবলৈকে আমি বস্তুনিষ্ঠ, যুক্তিবাদী আৰু পৰিস্থিতি অনুযায়ী সহিষ্ণুও হব লাগিব। বৈপ্লৱিক পৰিস্থিতি থকা সত্বেও আজি বিপ্লৱ শান্তিপূৰ্ণই হওক বা হিংসাশ্ৰয়ীয়েই হওক) নোহোৱাৰ কাৰণ হ'ল আমাৰ মানসিক আৰু মানসিক স্থবিৰতা। সচেতনসকলে তৃণমূলৰ এই স্থবিৰতাক নাইকিয়া কৰি গতিশীলতা আনিব নোৱাৰিলে বৈপ্লৱিক পৰিবৰ্তন আশা কৰিব নোৱাৰি।

কিন্তু, মানুহ সদায় স্থবিৰ হৈ নেথাকে। স্বাৰ্থপৰ মধ্যবিত্ত নেতৃত্বই আওকাণ কৰি থাকিলেও নিৰক্ষৰ, দৰিদ্ৰ মানুহে এদিন অভিজ্ঞতাৰ পৰাই ক'ৰ পানী ক'লে যায়, সকলো বুজিব। মুদ্ৰাস্ফীতিয়ে চমক খুওৱা ৰাইজে লাহে লাহে চিন্তা কৰে, লাহে লাহে বুজে। চিন্তাৰ উপযুক্ত বিন্যাস হ'লেই তেওঁবিলাক এক হব। ৰাইজৰ সেই সংহত ৰুদ্ৰমূৰ্তি এদিন আমি দেখিম। তাৰ চিন সংকটকালীন অৱস্থাত আমি নেদেখাকৈ থকা নাই। অন্ততঃ আভাস পাইছো। চৰকাৰী দমনৰ দৃশ্যও আমি দেখিছো। এইবোৰৰ বাবেও অজস্ৰ টকা খৰচ কৰিব লাগে। কিন্তু সেইবোৰ টকাৰ অভাৱ পূৰাবলৈকে নিপীড়িত জনসাধাৰণৰ ওপৰতে কৰ লগোৱা হয়, নতুন নোট ছপা কৰা হয়। গতিকে সংকট গুচিব ক'ত ?

সৰিহয়তে ভূত থাকে। আজিৰ ৰাষ্ট্ৰই উৎপাদনৰ বস্তু ৰপ্তানি কৰে বেছি, বাহিৰৰ বজাৰত বেছি লাভৰ অঙ্ক বঢ়ায়- এই বাবেই অৰ্থ-সাহায্য ; অনুদান শিল্পপতিলৈ আগবঢ়ায় চৰকাৰে। শিল্পপতিসকলেও দেশৰ মানুহৰ স্বাৰ্থতকৈও নিজৰ স্বাৰ্থৰ কথা বেছিকৈ ভাবে। বস্তু উৎপাদন হ'লেও সি বাহিৰলৈ গুচি যায়,- স্বাভাৱিকতে আমাৰ ইয়াত বস্তুৰ দাম বাঢ়ি যায়। তাৰ ফল ভোগ কৰে দুখীয়াসকলেই। অথচ পৰোক্ষ কৰ বুলি যি কৰ লগোৱা হয়, তাৰ বোজা বহণ কৰে দুখীয়া মানুহেই। এই চক্ৰ চলি থাকে আৰু সংকট বৃদ্ধি হয়। ৰপ্তানি, অনুদান, কৰ, নোট ছপা- এই গতিৰেই অৰ্থনীতিৰ ৰথ চলি আছে- ইয়াৰ ফলত অভিশপ্ত হৈছে নিৰুপায় গৰীৱ। মুখেৰে ভাল কথা কয় চৰকাৰে, অলপ অচৰপ শান্তিপানী ছটিয়ায়ো, কিন্তু সামগ্ৰিকভাবে এই বৈষম্যৰ নীতি চলি থাকে। প্ৰাচুৰ্যই যি অহমিকা আনে, সিয়েই ৰাষ্ট্ৰ আৰু তাৰ সাঙ্গোপাঙ্গক ৰাইজৰ পৰা বিচ্ছিন্ন কৰে।

চৰকাৰৰ মানসিকতা কেনে ধৰণৰ ? 'অদ্য-ভক্ষ্য-ধনুৰ্গুণ বুলিলে আমি যি বুজো সেই ধৰণৰ। আশী কৌটি মানুহৰ ক্ৰয়-ক্ষমতা বৃদ্ধিৰ উপায় কেৱল অনুদান, উৎকোচ, ৰপ্তানি আদি নহয়,- এইবোৰৰ পৰা সংকট আৰু গভীৰ হয়। চৰকাৰেও এইবোৰ নুবুজাকৈ থকা নাই- তেওঁবিলাকে দেখিছে, সংকটৰ জুই নুনুমায়, মানুহৰ খঙো দিনক দিনে প্ৰকাশ পাইছে- ক'ৰবাত বিভ্ৰান্তি আছে হয়তো, কিন্তু তাৰ মূলতো আছে খং আৰু অসন্তুষ্টি। এইবোৰ বুজিছে চৰকাৰে আৰু সেই বাবেই 'আজি যি পাইছো, তাকে সৰকাওঁ' এই নীতি প্ৰকাশ্যে-অপ্ৰকাশ্যে লৈছে। সেই চৰিত্ৰ চৰকাৰী গাঁথনিত ওপৰৰ পৰা ক্ৰমে তললৈ বাগৰি আহিছে। এনেকৈয়ে দুৰ্নীতিৰ চক্ৰ সৃষ্টি হৈছে- নীতি অপমানিত হৈছে। বিদেশী কৰুণা গ্ৰহণ কৰি দাম বঢ়াই, কৰ-ফাকি দি, চৰকাৰী অনুদানৰ সুবিধা লৈ, জাতীয় সম্পদ লুট কৰাটোৱেই আজিৰ ওপৰ-মহলৰ মানুহৰ ধৰ্ম। এই ব্যৱস্থা অগণতান্ত্ৰিক, অমানৱীয় নীতিবিৰুদ্ধ আৰু সকলো যুক্তি-বুদ্ধিৰ প্ৰতিকূল।

আজিৰ এই জটিল ব্যৱস্থাৰ মৰ্মত প্ৰৱেশ কৰিবলৈ আমাক মনন-শক্তিৰ বিকাশ লাগে ; সমাজৰ ঘটনাৱলীৰ অনুপুংখ আৰু যুক্তিপূৰ্ণ বিচাৰ কৰিবলৈকে এই শক্তিৰ প্ৰয়োজন। বৌদ্ধিক শক্তি কেৱল ওঁপৰ মহলৰে সম্পদ নহয়,- ই তৃণমূললৈও বিয়পি যাব লাগিব। এয়া আকাশ-কুসুম নহয়। সমাজ ব্যৱস্থাৰ পৰিবৰ্তনলৈও আমি অপেক্ষা কৰি থাকিব নোৱাৰো,- তাৰ বাবে চেষ্টা নিশ্চয় থাকিব, কিন্তু তাৰ লগে লগে, আমাৰ সাধাৰণ মানুহৰ ৰুটি আৰু ৰুচি পৰিবৰ্তনৰ বাবে সকলো মানৱপ্ৰেমীয়েই আন্তৰিকতাৰে কাম কৰিব লাগিব। যদি কোনোৱেই তৃণমূলৰ কথা নেভাবে, তেতিয়াহলে, দেশৰ ভাগ্যলিপি হব অন্ধকাৰ। ভাৰতবৰ্ষৰ সংকটৰ স্বৰূপ মূৰ্ত হৈ উঠিছে হেজাৰ হেজাৰ মানুহৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক পশ্চাৎপদতাৰ মাজত। এই পশ্চাৎপদতাক চিনোতে যিসকলে কপট-নিদ্ৰাৰ আশ্ৰয় লয়, তেওঁবিলাক নিন্দাৰ যোগ্য ; আমি কিন্তু জানো যে দেশত শুভ শক্তি নিঃশেষ হৈ যোৱা নাই। এই শক্তিবোৰেই আমাৰ মানুহৰ আশা-ভৰসাৰ স্থল। ইতিহাসৰ সুৰুকীয়া বাটৰ ৰেহ-ৰূপ চিনি লৈ তেওঁবিলাকেই এদিন অৱহেলিত মানুহক পশ্চাৎপদতাৰ অন্ধকাৰৰ পৰা প্ৰগতিৰ আলোক-শিখৰলৈ নিয়াত সফল হব। এই আশা কৰাৰ অধিকাৰ আমাৰ আছে।

ৰাষ্ট্ৰৰ গুৰি ধৰা সকলৈও আমাৰ বিনীত অনুৰোধ, তেওঁবিলাকে যেন সদায় দুখীয়াৰ মূৰত কঠাল ভঙা নীতি নলৈ প্ৰকৃত অৰ্থত পৰিকল্পিত আৰু বস্তুনিষ্ঠভাবে দেশৰ মানুহৰ সৰ্বাঙ্গীন উন্নতি কেনেকৈ হয় তাৰ চিন্তা কৰে। বিশেষকৈ দেশৰ তৰুণসকলৰ শিক্ষা-দীক্ষা, জীৱন-জীৱিকা সম্পৰ্কে দকৈ ভাবিবলৈ লওক। উৎপাদন আৰু বিতৰণৰ মানৱীয় ব্যৱস্থা গ্ৰহণ কৰক। কৃষি-উদ্যোগৰ ক্ষেত্ৰত জনমুখী পৰিকল্পনা কৰি তাৰ প্ৰয়োগ কৰক। আটাইতকৈ ডাঙৰ সমস্যা হৈছে শিক্ষা প্ৰসঙ্গ। শিক্ষাৰ মান এতিয়া ধ্বংস হৈছে,- তাৰ ফলত সংস্কৃতিৰ মানো খহি পৰিছে, তাৰ লগতে চিন্তা আৰু যুক্তিবুদ্ধিৰ মান। তৰুণসকল জ্ঞান-বিমুখ, পাঠপৰাঙ্মুখ, কিছুসংখ্যা উচ্ছৃংখল, শিক্ষিত আৰু বয়োজ্যেষ্ঠৰ প্ৰতি অশ্ৰদ্ধাশীল- এয়া সৰ্বনাশৰ ইঙ্গিত। কিন্তু দেশৰ যুৱশক্তিক আমি কি উত্তৰ দিম যেতিয়া তেওঁবিলাকে সুধিব- বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰাৰ পিছত আমাৰ ভৱিষ্যৎ কি ? ৰাষ্ট্ৰনায়ক বা সমাজপতিৰ পৰা আমি কি নীতি শিকিম ? ৰাষ্ট্ৰয়ো আজি বুকুত হাত দি ক'ব পাৰিবনে- ছাত্ৰ-ছাত্ৰীৰ মঙ্গল সাধনৰ বাবে আমি সাজু ? আশাভঙ্গৰ অনুৰ্বৰ আৰু ৰুক্ষ মাটিত থিয় দি আকাংক্ষাপ্ৰৱণ তৰুণে যেতিয়া দেখে যে তেওঁবিলাকৰ বাবে অন্য কোনো উপহাৰ নাই, তেতিয়া স্বাভাৱিকতে তেওঁবিলাক ৰুষ্ট হবই। তেতিয়া ভদ্ৰ হবলৈ কোৱাৰ অৰ্থ নাই। আনহাতে যুৱ-শক্তিয়েও উগ্ৰ বা বিচলিত নহৈ তেওঁবিলাকৰ সমস্যাক দেশৰ সাধাৰণ মানুহৰ সমস্যাৰ সতে একীভূত কৰিব পাৰি নে নোৱাৰি সেই কথা চিন্তা কৰা প্ৰয়োজন। এতিয়া খণ্ড খণ্ড ঐক্যৰ দিন নাই। সকলো সমস্যাই দেশৰ সামগ্ৰিক সমস্যাৰ লগত ওত-প্ৰোতভাবে জৰিত। সকলো এটি মোহনাত মিলিব লাগিব।

ৰাষ্ট্ৰয়ো এইবোৰ কথা চিন্তা কৰক। মানুহ মূলতঃ এক, কিন্তু তাৰ বহু বৈচিত্ৰ্যও আমি স্বীকাৰ কৰি লব লাগিব। সেই বাবে বৈচিত্ৰ্য আৰু ঐক্য দুয়োটাকে বহু শ্ৰদ্ধা কৰিব লাগিব। হিংসাৰ প্ৰশ্নটো নকৈ বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। চৰকাৰী সন্ত্ৰাস অৱশ্যে নিন্দনীয় ; ব্যক্তি সন্ত্ৰাসতো উল্লসিত হোৱাৰ কাৰণ নাই। বিপ্লৱৰ ক্ষেত্ৰত হিংসাৰ প্ৰয়োজনীয়তা হয়তো আছে, কিন্তু তাৰ প্ৰয়োগত আদৰ্শগত নিয়ন্ত্ৰণ নহলে সি সমস্যা জটিল কৰিহে তোলে। গণতন্ত্ৰত চৰকাৰেও এনে সংযম আচৰণ কৰিব পাৰে। পোহৰ যাৰ লক্ষ্য,- সি মানৱীয়ভাবে সমস্যাৰ সমাধান কৰাই শ্ৰেয়, নহ'লে এন্ধাৰেই আমাৰ সঙ্গী হব- পোহৰ হব মাথোন দূৰ আকাশৰ নক্ষত্ৰ। ■

উপন্যাসিকা

# সত্যানুসন্ধান

ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী



অংকন ঃ চম্পক বৰবৰা

## এক
## সত্য

"যিদৰে বৈজ্ঞানিক এজনে বৰ সাৱধানেৰে সৈতে পৰীক্ষা চলাওঁতেও তেওঁৰ সিদ্ধান্তবোৰেই শেষ বুলি নাভাবে আৰু সেই সম্বন্ধে নতুন কথা জানিবলৈ মন মুকলি কৰি ৰাখে, ঠিক তেনেদৰে ময়ো আত্ম-পৰীক্ষাৰে নিজৰ মাজতে নিজে সত্য বস্তু বিচাৰি ফুৰিছো, নিজৰ প্ৰত্যেক মানসিক অৱস্থা ফঁহিয়াই চাইছো আৰু তথাপি সম্পূৰ্ণতা, নাইবা, অভ্ৰান্ততা সম্বন্ধে মই
 অলপমানো দাবী নকৰো। অৱশ্যে মই এটা দাবী কৰো আৰু সেইটো হৈছে মোৰ বাবে সেইবোৰ শুদ্ধ, মোৰ বাবে সেইবোৰ কিছুদিনলৈ শেষ সিদ্ধান্ত।...... ইয়াৰ বাবে মোৰ সকলোতকৈ প্ৰিয় বস্তুও মই ত্যাগ কৰিব পাৰো। ইয়াৰ বাবে মোৰ জীৱন ত্যাগ কৰিবলগীয়া হ'লেও মই সাজু আছো। যেতিয়ালৈকে মই সুকীয়া মূল সত্য উপলব্ধি কৰিব নোৱাৰো, তেতিয়ালৈকে মোৰ নিজৰ ভাবৰ লগত সম্বন্ধ থকা সত্যকেই ধৰি থাকিম। এই সত্যই বাট দেখুৱাবলৈ মোৰ পোহৰ, মোক ৰক্ষা কৰিবলৈ ইয়েই মোৰ ঢাল। যদিও এই বাট পোন, ঠেক আৰু খুৰৰ দৰে চোকা, তথাপি মোলৈ এয়েই সকলোতকৈ উজু আৰু পোন। নিৰাশ হোৱাৰ পৰা মোক এই বাটেই ৰক্ষা কৰি আহিছে। এই পোহৰে বাট দেখুৱামতে মই আগ বাঢ়িছো।"



## দুই
## নিৰ্মলা

নিৰ্মলা।

নিৰ্মলাৰ জৰিয়তে মই ইমান দিনৰ ইঙ্গিত সত্যক আৱিষ্কাৰ কৰিব খুজিছো। ৰাস্তাৰ কাষৰ মোৰ এই নিঃসঙ্গ ঘৰটোৰ পৰা প্ৰায় সদায়ে মই একোটা নিৰ্দিষ্ট সময়ত নিৰ্মলাক ৰাস্তাৰে অহা-যোৱা কৰা দেখো। ৰাস্তাৰ কাষৰ লাইট পোষ্টটোৰ দৰে অথবা সকলো সময়তে উন্মুক্ত উৰ্দ্ধাঙ্গৰে দোকানত বহি থকা দোকানীজনৰ সৈতে গুমটিখনৰ দৰে, নিয়মিতভাৱে এই বাটে অহা-যোৱা কৰা নিৰ্মলা নামৰ এই ত্ৰিশ অতিক্ৰম কৰা ছোৱালীজনীও মোৰ বাবে এক স্থিৰ নিশ্চয়তালৈ ৰূপান্তৰিত হৈছে। একেই মন্থৰ, বিচ্ছিন্ন গতিৰে সদায়ে অহা-যোৱা কৰা নিৰ্মলাক দেখা পোৱাটোও মোৰ দৈনন্দিন জীৱনৰ এক অনিবাৰ্য মুহূৰ্তত পৰিণত হৈছে। কোনো অনিবাৰ্যতা অথবা নিশ্চয়তাই মানুহৰ কৌতূহল উদ্রেক নকৰে। আকস্মিক আৰু অপ্ৰত্যাশিতৰ প্ৰতিয়েই চিৰকাল মানুহ আকৰ্ষিত হৈ আহিছে।

এই উপন্যাসখন লিখিবলৈ সিদ্ধান্ত লোৱাৰ আগলৈকে মোৰ বাবে নিৰ্মলাও আছিল স্থিৰ সেই লাইট পোষ্টটো অথবা গুমটিখনৰ দৰে, পৰিচিত, প্ৰত্যাশিত, সেয়েহে অনাকৰ্ষণীয়।

চহৰৰ এই উপকণ্ঠত প্ৰায়-নীৰৱতাৰ সৈতে নিঃসঙ্গভাৱে মই এই দুকোঠালিৰ সৰু ঘৰটোত বাস কৰো। বহুদিন ধৰি পৰিত্যক্ত হৈ থকা এই ঘৰটো মাৰোৱাৰী মালিক এজনৰ পৰা বহু বছৰ আগতে নামমাত্ৰ ভাৰাত মই লৈছিলো; মাৰোৱাৰীজনে এইখিনিতে ক'ৰবাত কিবা এটা ইণ্ডাষ্ট্ৰী খোলাৰ কথা আছিল, তাৰ বাবেই দৌৰাদৌৰীকৈ অস্থায়ী ভাৱে এই ঘৰটো সজাইছিল; কি জানো ঘৰুৱা মনোমালিন্যৰ বাবে শেষলৈ ইণ্ডাষ্ট্ৰীৰ পৰিকল্পনা বাতিল হৈ গ'ল, পৰিত্যক্ত হৈ ৰ'ল এই ঘৰটো। মূল চহৰৰ কোলাহলৰ পৰা দূৰৈত এই ঘৰৰ নীৰৱতাই মোক আকৰ্ষণ কৰিলে। মই আনন্দেৰে ঘৰটো ভাৰা ল'লো।

এই ঘৰৰ সন্মুখৰ ৰাস্তাৰে সদায়ে স্কুলৰ পৰা নিৰ্মলাই অহা-যোৱা কৰে। জনজাতীয় ল'ৰা-ছোৱালীৰ বাবে এইখিনিৰ পৰা কিছু আঁতৰত মিছনাৰীসকলৰ দ্বাৰা পৰিচালিত স্কুল এখন আছে; তাতেই নিৰ্মলাই শিক্ষয়িত্ৰীৰ কাম কৰে।

স্কুলখন পাৰ হৈয়েই ৰেলৰ ক্ৰছিং এটা, তাৰ পিছতেই পাতল বসতিৰ জনজাতীয় গাঁৱখন আৰম্ভ হৈ গৈছে। মোৰ সোঁফালে চহৰ আৰু বাওঁফালে এখন জনজাতীয় গাওঁ; নিজকে মোৰ মাজে মাজে দুখন ভিন্ন পৃথিৱীৰ ঠিক সোঁমাজত ওলমি ৰোৱা ত্ৰিশঙ্কুৰ দৰে লাগে।

মই যিদৰে নিৰ্মলাক এটা স্থিৰ নিশ্চয়তালৈ ৰূপান্তৰিত কৰিছিলো, সেইদৰে কিজানি মোৰ বিষয়েও নিৰ্মলাই একেদৰেই ভাবে। এই ঘৰৰ বাৰাণ্ডাত বহি থকা অথবা ঘৰৰ ভিতৰত আহ-যাহ কৰি থকা মোক নিশ্চয় নিৰ্মলাৰ কেতিয়াবা চকুত পৰিছে। কিন্তু মোৰ এই উপস্থিতিয়ে সন্মুখৰ ৰাস্তাৰে সদায় এক নিয়মিত বেগত গৈ থকা নিৰ্মলাৰ খোজত ব্যাঘাত জন্মোৱা নাই। সেয়েহে মই ধৰি লৈছো নিৰ্মলাৰ বাবে লাইট পোষ্টটোৰ দৰে ময়ো এটা নিৰ্জীৱ পদাৰ্থলৈ ৰূপান্তৰিত হৈছো। তাৰ বাবে মোৰ কোনো আক্ষেপ নাই। মোৰ চৌপাশৰ সকলোৱে যেতিয়া মোৰ উপস্থিতিক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰে, ঠিক সেইখিনি সময়তে মই আটাইতকৈ বেছি স্বাধীন হৈ জীয়াই থাকো। অন্ততঃ মই বিনাদ্বিধাই ধৰি ল'ব পাৰো নিৰ্মলাৰ বাবে মোৰ স্বাধীনতা হৰণ হোৱাৰ সম্ভাৱনা নাই।

অলপ আগতে স্কুল ছুটীৰ শেষত সন্মুখেৰে একেই খোজেৰে নিৰ্মলা পাৰ হৈ গৈছে। সৰু ঘৰটোৰ বাৰাণ্ডাত বহি কোনো লক্ষ্য নোহোৱাকৈ মই সন্মুখলৈ চাই আছিলো। দুপৰৰ জনশূন্য ৰাস্তা; গুমটিখন বন্ধ কৰি এই সময়ত দোকানীজনো ভাত খাবলৈ ঘৰলৈ যায়।

ষ্টেচনৰ ফালৰ পৰা চহৰ অভিমুখে মন্থৰ গতিৰে আহি থকা নিৰ্মলা নামৰ সেই ত্ৰিশোৰ্দ্ধৰ চিনাকি ছোৱালীজনীলৈ মোৰ হঠাতে চকুত পৰিছিল। কিমান দিন, বছৰ ধৰি কোনো পৰিবৰ্তন নোহোৱাকৈ, একেই পথেৰে, একে সময়তে, একেই উদাসীন, বিচ্ছিন্ন গতিৰে এই ছোৱালীজনী অহা-যোৱা কৰি আছে। ইমান দিনে হয়তো একেই বয়সৰ বহুতো ছোৱালী এই চহৰ উপকণ্ঠৰ পৰা বিয়া হৈ ক'ৰবাত নিৰুদ্দেশ হৈ গ'ল; এখন ঘৰ, এখন ঠাইৰ পৰা ভিন্ন এক ঘৰ আৰু ঠাইলৈ অৱস্থানৰ পৰিবৰ্তন হ'ল। ব্যতিক্ৰম মাথো এই নিৰ্মলা – যেন যুগ যুগ ধৰি নিৰাসক্ত কোনো জড় পদাৰ্থৰ দৰে একেই বিন্দুতে স্থিৰ হৈ ৰৈ আছে। অৱস্থানৰ পৰিবৰ্তনৰ অন্তৰালত যিদৰে কাৰণ থাকে, সেইদৰে স্থবিৰতাৰ অন্তৰালতো নিশ্চয় কিবা নিৰ্দিষ্ট কাৰণ থাকে।

এই যে এখন দেশ, এটা জাতি, এখন সমাজ সময়ৰ লগে লগে আগবাঢ়ি যায়, আৰু অন্য এখন দেশ জাতি, সমাজ স্থবিৰ হৈ এটা বিন্দুতে যুগ যুগ ধৰি ৰৈ থাকে, তাৰ নিশ্চয় নিৰ্দিষ্ট কাৰণ আছে। তেনেহ'লে নিৰ্মলাৰ এই স্থবিৰতাৰ অন্তৰালতো নিশ্চয় এনে কিছু গোপন, জটিল, অজ্ঞাত কাৰণ আছে, যাক অতিক্ৰম কৰি নিৰ্মলা আগবাঢ়ি যাব পৰা নাই।

বন্ধ গুমটিখন অতিক্ৰম কৰি মোৰ ঘৰৰ সন্মুখ পাইছিল নিৰ্মলা। ৰ'দৰ তাপ আৰু উৰ্দ্ধমুখী বয়সৰ শীতে কাঠিন্য আনি দিয়া মুখতো যৌৱনৰ লাবণ্য বিৰাজমান। শাৰী পৰিহিতা এক নিয়মতকৈ কিছু ওখ চেহেৰা, মুখৰ অভিব্যক্তিত আশ্বৰ্য নিৰ্লিপ্ততা।

হঠাতে নিৰ্মলাৰ বুকুত মোৰ চকু পৰিল; তাৰ লগে লগে মই মোৰ বুকুৰ ভিতৰৰ ঔপন্যাসিকজন সাৰ পাই উঠাৰ উমান পালো। প্ৰতিজন লেখকেই প্ৰকৃততে একোজন সত্যসন্ধানী, আৱিষ্কাৰক। ময়ো সেই মুহূৰ্তত ব্যতিক্ৰম নহয়।

মই আৱিষ্কাৰ কৰিলো নিৰ্মলাৰ বুকুৰ বাওঁফালে এক গভীৰ শূন্যতা।

নিৰ্মলাৰ এটা স্তন নাই!

## তিনি
## স্তন

নিৰ্মলাৰ এটা স্তন নাই।

কুমাৰী হোৱাৰ পিছত বুকুৰ যিখিনি ঠাইত বাওঁফালৰ স্তনৰ উদ্গমন হ'ব লাগিছিল, সেইখিনি এতিয়াও উকা পথাৰৰ দৰে সমতল হৈ আছে। প্ৰথম ৰক্তস্ৰাৱৰ সেই বিস্ময়াভিভূত মুহূৰ্তৰ পৰাই প্ৰতিজনী নাৰীয়ে নিজৰ শৰীৰটো আৱিষ্কাৰ কৰে। তাৰ আগলৈকে নাৰী আৰু পুৰুষৰ শৰীৰৰ প্ৰতি সচেতনতাৰ বিশেষ কোনো পাৰ্থক্য নাথাকে। কিন্তু সেই মুহূৰ্ততে সকলো সলনি হৈ যায়। তাৰ পিছত নাৰীৰ বাবে অস্তিত্বৰ বহুলাংশ জুৰি থাকে শৰীৰটোৱে। সেয়েহে কোনো নাৰীয়ে কেতিয়াও শৰীৰক অতিক্ৰম কৰি কোনো পুৰুষৰ প্ৰেমত পৰিব নোৱাৰে; এটা মুহূৰ্তত অনিবাৰ্যভাৱে শৰীৰৰ অনুভৱ প্ৰেমৰ অঙ্গ হৈ পৰে; কিন্তু কোনো কোনো পুৰুষৰ বাবে কেতিয়াবা শৰীৰহীন প্ৰেমও সম্ভৱ হয়, যদিওৱা সাধাৰণতে বিশ্বাস কৰিবলৈ অসুবিধা লাগে।

সমনীয়াৰ তুলনাত বহুত দেৰিকৈ নিৰ্মলাই নিজৰ শৰীৰ আৱিষ্কাৰ কৰিছে। এতিয়াও শেষ কৈশোৰৰ কিছু আতঙ্কগ্ৰস্ত 

মুহূৰ্তৰ কথা নিৰ্মলাৰ মনত আছে।

সম্ভৱ নিৰ্মলা তেতিয়া অষ্টমমান শ্ৰেণীত। ৰাচ্‌না নামৰ আৰক্ষী অধীক্ষকৰ ছোৱালীজনী একেলগে নিৰ্মলাৰ লগত পঢ়ে। চাৰিদিন স্কুলত অনুপস্থিত থকাৰ পিছত ৰাচ্‌নাই ছুটীৰ দৰ্খাস্তখন অফিচত দি অহাৰ পিছতে নিৰ্মলাক সুধিছিল – তোমাৰ এতিয়াও হোৱা নাই ?

– কি ?

কাণ-মূৰ ৰঙা পৰি থৰ হৈ ৰৈ গৈছিল নিৰ্মলা। সেই মুহূৰ্ততে নিৰ্মলাই শৰীৰটো প্ৰথম আৱিষ্কাৰ কৰিছিল। অন্য কাৰোবাৰ কৌতূহলেই মানুহক নিজৰ প্ৰতি সচেতন হ'বলৈ উদ্বুদ্ধ কৰে। সন্মুখত থিয় হৈ থকা ৰাচ্‌না নামৰ সেই ছোৱালীজনীৰ শৰীৰৰ মাজতে যেন হঠাতে নিৰ্মলাই আৱিষ্কাৰ কৰিছিল নিজৰ শূন্যতা। ৰাচ্‌নাৰ লাৱণ্যময় মুখ, পুৰঠ বাহু আৰু চাদৰৰ তলত ঢাক খাই থকা সুপুষ্ট বক্ষ আৰু বেছি পৰিপূৰ্ণ ৰূপত হঠাতে নিৰ্মলাৰ দুচকুৰ সন্মুখত উন্মোচিত হৈছিল। ৰাচ্‌নাৰ শৰীৰৰ পৰা এখন এখনকৈ অদৃশ্য হৈ গৈছিল সকলো বস্ত্ৰ আৰু সেই বিশাল নগ্নতাত যেন এই প্ৰথমবাৰৰ বাবে প্ৰতিবিম্বিত হৈছিল নিৰ্মলাৰ শীৰ্ণ নগ্নতা।

বিষাদ আৰু আতঙ্কত নিৰ্মলাই শিয়ঁৰি উঠিছিল –। ৰাচ্‌নাই সুধিছিল – সোধা কাৰণে বেয়া পালা নেকি ? খৰধৰকৈ নিৰ্মলাই কৈছিল – ধেৎ কিয় বেয়া পাম !

আৰু এদিন বিস্ময়, আনন্দ আৰু আতঙ্কেৰে হঠাতে নিৰ্মলাই লাভ কৰিছিল পৰমাকাঙ্খিত যৌৱনৰ স্বীকৃতি। কোনে জানো কৈছিল পুৰুষৰ মৃত্যু মাথো এবাৰ হয় ঃ কিন্তু নাৰীৰ তিনিবাৰ। যৌৱনৰ স্বীকৃতিৰ সময়ত এজনী কিশোৰীৰ মৃত্যু, বিয়াৰ সময়ত এগৰাকী জীয়ৰীৰ মৃত্যু আৰু পাৰ্থিৱ শৰীৰৰ বিদায় মুহূৰ্তৰ সেই মৃত্যু। নাৰীৰ জীৱনী-শক্তি হয়তো পুৰুষতকৈ বহুগুণে বেছি, সেয়েহে নাৰীৰ অন্তিম মৃত্যুৰ আগতেও প্ৰয়োজন হয় আৰু দুটাকৈ নিৰ্মম আঘাত।

সকলো মৃত্যুৱেই কঢ়িয়াই আনে পুনৰ জনমৰ প্ৰত্যাশা। সেয়েহে কোনো কোনোৱে ধ্বংসৰ মাজতেই বিচাৰি পায় সৃষ্টিৰ যুক্তি।

কৈশোৰৰ মৃত্যুৰ বিষাদ আৰু যৌৱনৰ জন্মৰ আনন্দৰ অৱসান নৌহওঁতেই নিৰ্মলাই আতঙ্কেৰে আৱিষ্কাৰ কৰিছিল – তাইৰ বুকুৰ বাওঁফালে স্তনৰ উদ্গমনৰ কোনো চিহ্ন নাই। বহুদিন বন্ধ বাথৰুমৰ ভিতৰত নিৰাভৰণ হৈ তাই চাই ৰৈছিল বুকুৰ সেই অদ্ভুত বিসঙ্গতিলৈ; ক্ৰমশঃ স্ফীত হৈ অহা সোঁফালৰ নিঃসঙ্গ স্তনত খামুচি ধৰি নিৰ্মলাই সপোনতে ভয়াৰ্ত কণ্ঠেৰে চিঞৰি উঠিছিল।

এতিয়াও, ত্ৰিশ বছৰ অতিক্ৰম কৰাৰ পিছতো, নিৰ্মলাৰ বুকুৰ বাওঁফালটো খেতিৰ বতৰতো পেলাই থোৱা অনুৰ্বৰ মাটিৰ দৰে উকা হৈ আছে। ইমান দিনে আশ্চৰ্যকৰ সচেতনতাৰে নিৰ্মলাই তাইৰ সেই গোপন যন্ত্ৰণাৰ উৎসৰ কথা সকলোৰে পৰা লুকুৱাই ৰাখিছে। কোনো কোনো ব্যক্তিক বিচ্ছিন্নতা প্ৰদান কৰে অইনৰ প্ৰতি অৱজ্ঞাই; আৰু কোনো কোনোক গোপন যন্ত্ৰণাই। যন্ত্ৰণাও যেন কেতিয়াবা হৈ পৰে অমূল্য সম্পদ, যাক সযতনে হৃদয়ৰ বন্ধ বাকচৰ ভিতৰত লুকুৱাই ৰাখিবলগীয়া হয়। লুকুৱাই ৰখা সেই যন্ত্ৰণাৰ বাবেই নিৰ্মলা বিচ্ছিন্ন, নিৰ্লিপ্ত; কিন্তু অইনৰ প্ৰতি কৌতূহলহীন নহয়।

শৰীৰৰ এই বিসঙ্গতিক নিজৰ যৌৱনৰ সৈতে এক অভিশপ্ত সহবাস হিচাপে নিৰ্মলাই গ্ৰহণ কৰিছে। ৰাচ্‌নাৰ দেউতাক ইয়াৰ পৰা বদলি হৈ যাবৰ সময়ত ৰাচ্‌নাই নিৰ্মলাক কৈছিল – তুমিতো চিঠি নিদিয়াই জানো। অন্ততঃ বিয়াৰ কাৰ্ডখন পঠাবলৈ নাপাহৰিবা। একেই বিচ্ছিন্ন নিৰ্লিপ্ততাৰে নিৰ্মলাই হাঁহিছিল। পুতৌ হৈছিল তাইৰ ৰাচ্‌নালৈ – প্ৰচণ্ড অভিমানেৰে ৰাচ্‌নাই তাইৰ পৰা এনে এখন কাৰ্ডৰ বাবে অপেক্ষা কৰি ৰ'ব, যিখন কাৰ্ড ছপা হোৱাৰ কোনো সম্ভাৱনা নাই।

অথচ নিৰ্মলাৰ পুতৌ হ'ব লাগিছিল নিজৰ ওপৰত। পুতৌৰ পাত্ৰৰ সৈতে প্ৰতিটো মুহূৰ্ত জীয়াই থাকিলে সেই পাত্ৰৰ প্ৰতিও চাগে ধীৰে ধীৰে সহানুভূতি ক্ষীণ হৈ আহে। নিৰ্মলাৰ আজিকালি তেনেকুৱা অনুভৱ হয়।

নিৰ্মলাই বক্ষবন্ধনীৰ বাওঁফালে বক্ষ-সৌন্দৰ্য অটুট ৰাখিবৰ বাবে পেড ব্যৱহাৰ কৰে। প্ৰতিদিনে বক্ষ-বন্ধনী পিন্ধিবৰ সময়ত নিৰ্মলাৰ অনুভৱ হয় এয়া যেন বক্ষ-সৌন্দৰ্য অটুট ৰখাৰ বাবে ব্যৱহাৰ কৰা বক্ষ-বন্ধনী নহয়; শৰীৰৰ গোপন ব্যাধি ঢাকি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা এটা বেন্দেজহে।

ব্যাধিগ্ৰস্ত হৃদয় বেন্দেজেৰে ঢাকি ৰখাৰ প্ৰচেষ্টাতেই ফুটি উঠে মানুহৰ বুদ্ধিৰ কৌশল। কোনে কিমান দৃষ্টি-নন্দনভাৱে বেন্দেজ বান্ধিব পাৰিছে তাৰ ওপৰতেই নিৰ্ভৰ কৰে জয়-পৰাজয়। উন্মুক্ত সত্য কেতিয়াবা গলিত ব্যাধিৰ দৰে, যিয়ে মানুহৰ সমস্ত ইন্দ্ৰিয়তে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। চেতনাৰ আলোড়নত শঙ্কিত হোৱাসকলে সেয়েহে সত্যক বেন্দেজেৰে ঢাকি কিম্ভূত-কিমাকাৰ দৃষ্টি নন্দন ৰূপ দিয়াৰ পোষকতা কৰে।

মাজে মাজে গোলাপ ফুলৰ দৰে যৌৱনৰ সমস্ত সম্ভাৰ বহণ কৰি প্ৰস্ফুটিত হৈ উঠা সোঁফালৰ স্তনটো নিজ হাতৰ আঙুলিৰে স্পৰ্শ কৰি গভীৰ যন্ত্ৰণাৰে নিৰ্মলাই অনুভৱ কৰে – বুকুৰ বাওঁফালৰ শূন্যতাৰ বাবেই সোঁফালৰ সম্পূৰ্ণ পুৰঠ আৰু স্বাভাৱিক স্তনটোতো কেতিয়াও কোনো পুৰুষৰ আঙুলিৰ স্পৰ্শ নালাগিব, কোনো সন্তানে কেতিয়াও তাত ওঁঠ নথব; অপিষ্ট, অস্পৰ্শিত হৈ ৰ'ব চিৰকালৰ বাবে সেই অভিশপ্ত স্তন।

শাৰীৰিক বিসঙ্গতি সত্বেও বাওঁফালৰ বুকুৰ শূন্যতাত কোনো শাৰীৰিক যন্ত্ৰণা নিৰ্মলাই অনুভৱ নকৰে। এয়া এক শূন্যতাৰ অবিৰাম আঘাত যিয়ে ধীৰে ধীৰে মানুহক উন্মাদ কৰি তোলাৰ উপক্ৰম হয়। এটা ভয়ঙ্কৰ স্বপ্ন দেখি আতঙ্কত চিঞৰি উঠাৰ দৰে অথবা বাস্তৱৰ সৈতে মুখামুখি হোৱাৰ দৰেই ভয়াৱহ এই শূন্যতাৰ যন্ত্ৰণা।

প্ৰায়ে এটা স্বপ্ন দেখি নিৰ্মলাই আতঙ্কত চিঞৰি উঠে।

...ভগ্ন আচবাব-পত্ৰৰে ঠাহ খাই থকা এটা সৰু ঠেক কোঠালিৰ ভিতৰত মজিয়াৰ ওপৰতে অকলশৰে শুই আছে নিৰ্মলা। তাইৰ চাৰিওফালে ভাঙি-চিঙি চুৰমাৰ হৈ যোৱা এখন আয়নাৰ দৰে সিঁচৰতি হৈ পৰি আছে স্বপ্নৰ কাঁচৰ টুকুৰা, (স্বপ্নবো যেন অৱয়ৱ থাকে), উৎকট গৰমত তাইৰ সাজ-পোছাক ঘামেৰে তিতি গৈছে; তাইৰ ইচ্ছাক স্বীকৃতি জনাই স্বয়ংক্ৰিয়ভাৱে এখন এখনকৈ দুৱাৰ-খিৰিকিবোৰ নিঃশব্দে খুলি গৈছে; হঠাতে বিস্ফোৰিত নেত্ৰে নিৰ্মলাই দেখিছে – খোলা দুৱাৰ-খিৰিকিত গিজ্ গিজ্ কৰিছে বিকৃত মুখাবয়ৱৰ অগণন মানুহ, সকলোৱে দাঁত-মুখ-জিভা উলিয়াই অট্টহাস্য কৰিছে নিৰ্মলাৰ মুখলৈ চাই। অদ্ভুত এক অবোধগম্য কোলাহল।

হঠাতে সকলো শব্দ নিমিষতে স্তব্ধ হৈ গৈছে, লাহে লাহে ওচৰৰ পৰা কোঠালিটোৰ বেৰ, চাল আঁতৰি গৈছে, তলৰ পৰা আঁতৰি গৈছে মজিয়াৰ আশ্ৰয়; বায়বীয় পদাৰ্থৰ দৰে শূন্যতে ভৰহীন হৈ নিৰ্মলা ওপঙি আছে।

খক্ মক্ কৈ সাৰ পাই উঠি প্ৰথমতে সোঁবুকুৰ প্ৰস্ফুটিত স্তনটো চুই চায় নিৰ্মলাই, তাৰ পিছত অভ্যাসবশতঃ বাওঁফালে হাতখন গুচি যায়। শূন্যতা।

এবুকু শূন্যতা !

এই নিৰ্মম শূন্যতাক ঢাকি ৰাখিবৰ বাবেই নিৰ্মলাই আনকি শুবৰ সময়তো কেতিয়াও বক্ষ-বন্ধনী নিপিন্ধাকৈ নোশোৱে; সেই সময়তো নিৰ্মলাৰ বাওঁ বুকুৰ ফালে পেড লগোৱা থাকে; কিজানিবা হঠাতে উঠি কাৰোবাৰ মুখামুখি হ'বলগীয়া হয়।

আজিকালি কেতিয়াবা যিকোনো মুহূৰ্ততে সেই সপোনটোৰ উপলব্ধিয়ে নিৰ্মলাক হঠাতে, অপ্ৰত্যাশিতভাৱে স্থান, কালৰ কোনো বিবেচনা নোহোৱাকৈ আক্ৰমণ কৰে। কোনো, পূৰ্ব-সঙ্কেট নোহোৱাকৈ তাইৰ ওচৰ-পাঁজৰৰ সকলো মানুহৰ উপস্থিতি, অস্তিত্ব, কোলাহল হঠাতে সকলো স্তব্ধ হৈ যায় আৰু ভৰহীন পদাৰ্থৰ দৰে তাইৰ শৰীৰটো বতাহত ওপঙি উঠে। লগে লগেই স্বয়ংক্ৰিয়ভাৱে নিৰ্মলাৰ সোঁহাতখন ক্ষিপ্ৰগতিৰে আগুৱাই যায় তাইৰ বুকুৰ বাওঁফালে, য'ত প্ৰকৃততে থাকিব লাগিছিল এইটো বয়সত পৰ্বতৰ চূড়াৰ দৰে উত্তুঙ্গ আৰু গৰিমাময়ী এটা সুপুষ্ট স্তন, বং হ'ব লাগিছিল যাৰ ঘেহুঁ বৰণীয়া ঃ তাৰ বিপৰীতে তাত এক বিশাল শূন্যতা।

মানুহে ঢাকি ৰাখিব খোজা সমাজৰ সত্যৰ দৰেই দৃষ্টিকটু আৰু যন্ত্ৰণাময় সেই শূন্যতাৰ ঘা আৰু যন্ত্ৰণা নিৰসনৰ বাবেই প্ৰয়োজন আছে সেই সত্যৰ উন্মোচন।

যোৱাকালিও সেই সপোনটো নিৰ্মলাই দেখিছিল।



## চাৰি

### বক্ষ-বন্ধনী

কাগজ টুকুৰা টুকুৰ কৈ কাটি বিভিন্ন বস্তু বনোৱাৰ চখ এটা মোৰ সৰুৰে পৰাই আছিল। ডাঙৰ হৈ পিছত জানিব পাৰিছিলো জাপানত কাগজ কাটি কাটি বিভিন্ন জন্তুৰ আকৃতিৰ গঢ় দিয়া 'অৰিগেমী' নামে আৰ্ট এটা আছে। বহুত দিনৰ মূৰত হঠাতে আজি মোৰ শৈশৱলৈ ঘূৰি গৈ পুনৰায় কাগজ টুকুৰা টুকুৰ কৈ কাটি কিবা এটা বনোৱাৰ তীব্ৰ বাসনা হ'ল।

এইমাত্ৰ হকাৰজনে আজিৰ কাকত দুখন দি গৈছে। নপঢ়া বাতৰি কাকতৰ স্পৰ্শত এক প্ৰকাৰৰ উত্তেজনা থাকে। দিনে দিনে কাকতবোৰ নিচাজাতীয় দ্ৰব্যৰ ৰূপ লৈ প্ৰকাশ পাব লাগিছে। কাকত দুখন হাতত লৈ মোৰ হঠাতে এনেকুৱা লাগিল এইমাত্ৰ যেন নিৰ্বাচনী প্ৰচাৰৰ শ্লোগান দি জীপগাড়ী এখন সন্মুখৰ ৰাস্তাটোৰে সশব্দে পাৰ হৈ গৈছে আৰু তাৰ পৰাই কোনোবাই দলিয়াই গৈ আছে নিৰ্বাচনী বুলেটিন।

এখন এখনকৈ কাকত দুখন খুলি ল'লো। ওপৰে ওপৰে হেড লাইনবোৰ পঢ়ি যোৱাৰ পিছত মোৰ হঠাতে ধাৰণা হ'ল – দুয়োখন কাকততে প্ৰকৃততে দৈনন্দিন খবৰৰ ছদ্মবেশত প্ৰকাশ পাইছে সাৱলীল ভঙ্গিমাৰে লেখা দুটা মনোৰঞ্জক গল্প। বেচ কৌতূহলেৰে এইবাৰ মই গল্প দুটা আদিৰ পৰা অন্তলৈ পঢ়ি গ'লো। আশ্চৰ্য, দুয়োটা গল্পৰ পটভূমি একেই – এই চহৰ উপকণ্ঠত থকা ৰেলৱে ক্ৰছিঙৰ সেইপাৰৰ সেই মোৰ চিনাকি জনজাতীয় গাওঁখন।

প্ৰথম গল্পটো পঢ়ি শেষ কৰাৰ অন্তত বিস্ময়েৰে মই ধাৰণা কৰিবলৈ বাধ্য হ'লো – সেই ৰেলৱে ক্ৰছিঙটোৰ সেইফালে প্ৰকৃততে আছে জন-প্ৰাণীহীন এখন শুকান মৰুভূমি। কি ঠিক হ'ব পাৰে ! সেই দিশে মই বহুদিন মুখ কৰা নাই !

দ্বিতীয় গল্পটোৰ বৰ্ণনা ভঙ্গীত মই চমৎকৃত; পঢ়ি অটোৱাৰ পিছত হতভম্ব; অবিশ্বাস্য বুলি জানিও উপস্থাপনৰ অদ্ভুত কৌশলৰ বাবেই মই অৱশেষত বিশ্বাস কৰিবলৈ প্ৰায় বাধ্য হ'লো – নাই; ৰেলৱে ক্ৰছিঙটোৰ সেইফালে মৰুভূমি নহয় ঃ তাত প্ৰকৃততে আছে এটা সুবিশাল মনোৰম হ্ৰদ।

সদায় পঢ়ি থকা কাকত দুখন সম্পৰ্কত মই যেন এই মুহূৰ্তত এটা নতুন সত্য আৱিষ্কাৰ কৰিলো ঃ সৃজনীশীল প্ৰতিভাৰ গুণত কাকতবোৰ আজিকালি বেচ ৰসোত্তীৰ্ণ হৈ উঠিছে। বহু সময় কাগজ দুখন মই হাতত লৈ থাকিলো। মৰুভূমি আৰু মনোৰম হ্ৰদৰ মনোৰঞ্জক গল্পই কঢ়িয়াই অনা কাগজ দুখনৰ স্পৰ্শতে মোৰ হঠাতে মনত পৰি গ'ল শৈশৱৰ সেই কাগজ টুকুৰা টুকুৰ কৰি কাটি তৈয়াৰ কৰা 'অৰিগেমী' আৰ্টৰ কথা। কাগজ দুখন দুচকুৰ সন্মুখত খুলি ধৰি মই কল্পনা কৰিবলৈ চেষ্টা কৰিলো নিৰ্মলা নামৰ সেই ত্ৰিশোৰ্দ্ধৰ ছোৱালীজনীৰ কথা। মোৰ দুচকুৰ সন্মুখত ভাহি উঠিল নিৰ্মলাৰ বেন্দেজ সদৃশ বক্ষ-বন্ধনী।

কাগজ দুখন টেবুলৰ ওপৰত থৈ মই বাথৰুমৰ পৰা সৰু কেঁচিখন লৈ আহিলো। মই যেন এই মুহূৰ্তত অস্ত্ৰোপচাৰ কৰিবলৈ ওলোৱা অভিজ্ঞ চিকিৎসক এজন। নিৰ্মলাৰ বুকুৰ সেই কল্পিত বক্ষ-বন্ধনীৰ ডিজাইনত মই সৰু কেঁচিখনেৰে দুয়োখন কাগজ কাটি দুটা কাগজৰ বক্ষ-বন্ধনী তৈয়াৰ কৰিলো। মোৰ দৃঢ়-বিশ্বাস হ'ল ঃ দুয়োজন গল্পকাৰকে সত্যক ঢাকি ৰাখিবৰ বাবে এই মুহূৰ্তত দুটা দৃষ্টিনন্দন বক্ষ-বন্ধনীৰ প্ৰয়োজন। তেওঁলোকৰ বাবে এয়া সৰ্বোত্তম উপহাৰ।

দুটা বেলেগ বেলেগ খামৰ ভিতৰত কাগজৰ বক্ষ-বন্ধনী দুটা ভৰাই লৈ গোট গোট আখৰেৰে মই মৰুভূমি আৰু মনোৰম হ্ৰদৰ গল্পকাৰ দুজনৰ ঠিকনা লিখিলো।

দুয়োটা খাম ডাকত দিবৰ বাবে মই যেতিয়া দ্ৰুতবেগে ডাকঘৰৰ ফালে ঢাপলি মেলিছো; দেখিলো সেই একেই মন্থৰ, বিচ্ছিন্ন বেগেৰে ঘৰ অভিমুখে গৈ আছে তাই।

নিৰ্মলা।

মোৰ এই উপন্যাসৰ নায়িকা।

## পাঁচ

## অৰিন্দম

ক'ণ ক'ণ ল'ৰা-ছোৱালীৰ স্কুলখনত নিৰ্মলাই কাম কৰে। ৰাতিপুৱা নবজাৰ পৰা দুখ আৰু স্মৃতিৰ যন্ত্ৰণাত অস্পৰ্শিত এজাক ক'ণ ক'ণ ল'ৰা-ছোৱালীৰ মাজ্‌ত কটাই দুই বজাত নিঃসঙ্গ ৰাস্তাটোৰে নিৰ্মলা ঘূৰি আহে ঘৰলৈ। উভতিবৰ সময়ত নিৰ্মলাৰ খোজবোৰ আৰু বেছি মন্থৰ হৈ আহে। তাইৰ এনেকুৱা অনুভৱ হয় স্কুল ছুটীৰ লগে লগে হঠাতে যেন তাইৰ শৰীৰৰ ভৰ দুগুণ বাঢ়ি যায়। এই অতিৰিক্ত ভৰ প্ৰকৃততে স্মৃতি আৰু যন্ত্ৰণাৰ ভৰ। শৰীৰৰ যিদৰে ওজন থাকে, সেইদৰে অনুভৱৰো ওজন থাকে ঃ এই কথা সদায়ে স্কুল ছুটীৰ সময়ত নিৰ্মলাই প্ৰতিদিনে আৱিষ্কাৰ কৰে।

স্কুল ছুটীৰ সঙ্কেট দিবৰ বাবে বাৰাণ্ডাত ওলোমাই থোৱা ঘণ্টাটো নিৰ্মমভাবে বাজি উঠাৰ লগে লগেই নিৰ্মলাৰ বুকুত ঢপঢপনি এটা আৰম্ভ হয়। ঘণ্টাটো বজাৰ লগে লগে নিৰ্মলাৰ দুচকুৰ সন্মুখত সদায়ে অদ্ভুত দৃশ্য এটা ভাহি উঠে ঃ ক'লা শাৰী পৰিহিতা নাৰী এগৰাকীৰ মুখখন কোনোবাই পাতল ক'লা কাপোৰ এখনেৰে ঢাকি দিছে; ধীৰ পদক্ষেপেৰে ফাঁচি কাঠৰ মঞ্চলৈ আগবাঢ়ি গৈছে সেই নাৰী, মূৰৰ ওপৰত যিকোনো মুহূৰ্তত তললৈ নামি আহিবলৈ ৰৈ আছে ফাঁচিৰ ৰচি। ঠিক সেই মুহূৰ্ততে বাজি উঠে শেষ ঘণ্টাটো।

আজিও বাজি উঠিছিল।

'বাইদেউ যাওঁ, বাইদেউ যাওঁ' বুলি এটা মধুৰ কোলাহল, উচ্ছলতা সদায়ে আঁতৰি যোৱাৰ দৰে একে ঠাইতে স্থিৰ হৈ ৰোৱা নিৰ্মলাৰ ওচৰৰ পৰা আঁতৰি গৈছিল। এক দৃষ্টিৰে ক্ৰমশঃ দূৰলৈ আঁতৰি যোৱা সেই কোলাহললৈ চাই চাই হঠাতে নিৰ্মলাৰ অনুভৱ হৈছিল ঃ প্ৰকৃততে তাইৰ ওচৰৰ পৰা আঁতৰি গৈছে সময়। সময়ক নিয়ন্ত্ৰণ কৰাৰ তাইৰ কোনো ক্ষমতা নাই। নিৰ্মলা বালিত পোত খাই ৰোৱা নাও; সেই নাও স্পৰ্শ কৰি ওচৰেৰে সাৱলীল গতিৰে পাৰ হৈ যায় নদীৰ সোঁত।

ৰুমৰ পৰা ওলাই বাৰাণ্ডাত খোজ দিয়াৰ লগে লগেই হেড্‌ মিষ্ট্ৰেছ মাথিউজে চিঞৰিছিল – নিৰ্মলা, যোৱা নেকি!–ৰবা, ময়ো আহিছো।

মাথিউজৰ কণ্ঠৰ স্পৰ্শ অথবা আঘাতে নিৰ্মলাক পুনৰায় নিজৰ ওচৰৰ পৰা আঁতৰাই আনিছিল। আচলতে স্কুল ছুটীৰ পিছত যেতিয়াই ল'ৰা-ছোৱালীৰ সেই কোলাহল সময়ৰ দৰে নিৰ্মলাৰ ওচৰৰ পৰা আঁতৰি যায়, ঠিক সেই মুহূৰ্ততে স্কুলখনৰ লগত তাইৰ সংযোগ স্বয়ংক্ৰিয়ভাৱেই বিচ্ছিন্ন হৈ পৰে। এই স্কুল, কোলাহল – এই সকলোবোৰ যেন সময়ৰ প্ৰতীক। ছুটীৰ পিছত নিৰ্মলা সময়ৰ পৰাও বিচ্ছিন্ন হৈ যায় ঃ তাইৰ একমাত্ৰ সঙ্গী হৈ পৰে তাই নিজেই।

নিজৰ ওচৰৰ পৰা আঁতৰি আহি নিৰ্মলাই মাথিউজৰ বাবে অপেক্ষা কৰিছিল। হাতত থকা সৰু ছাতিটো খুলিবলৈ লৈও নিৰ্মলাই ৰৈ গৈছিল। ৰ'দ-বৰষুণ একো নাথাকিলেও মূৰৰ ওপৰত সদায়ে ছাতিটো খুলি লয় নিৰ্মলাই, যেন খোজ কাঢ়ি কাঢ়ি আগবাঢ়ি যাবলৈ তাইক কিবা এটা আভৰণৰ প্ৰয়োজন হয়। নাৰীৰ শৰীৰতকৈ নাৰীমনৰ গোপনীয়তাকে ছাতিয়ে অধিক সুৰক্ষাৰে আৱৰি ৰাখে।

নিজৰ ৰুমটোত নিজেই তলা লগাই হটঙা খোজেৰে মিছ মাথিউজ নিৰ্মলাৰ ওচৰ চাপিছিল। নেভী ব্লু ৰঙৰ আঠুৰ তললৈ পৰা দীঘল গাউন এটাৰে নিজকে ঢাকি ৰখা ওখ-পাখ সুদীৰ্ঘ চেহেৰাৰ এই কৃষ্ণবৰ্ণ মাথিউজৰ ব্যক্তিত্বৰ ওচৰত কিয় জানো নিৰ্মলা সদায়ে সঙ্কুচিত হৈ পৰে।

চিৰিৰে নামি নামি মিছ মাথিউজে কৈ গৈছিল অনৰ্গলভাবে – ইয়াৰ ল'ৰা-ছোৱালীবোৰ মোৰ বেচ ভাল লাগিছে। শিকাৰ মন এটা আছে। কিন্তু আজিকালিৰ শিক্ষা পদ্ধতিৰ, মানে এনেকুৱা স্কুলৰ কথা মই কোৱা নাই, যিবোৰ স্কুলক আমি বেচ ভাল, উচ্চ খাপৰ স্কুল বুলি স্বীকৃতি দিছো, সেইবোৰ স্কুলৰ শিক্ষা পদ্ধতিৰো আটাইতকৈ ডাঙৰ কেৰোণ হ'ল ঃ ই নিঃসন্দেহে একো একোজন চাকচেচফুল আৰু নোলেজেবল মানুহ গঢ়ি তোলে, কিন্তু তাৰ পিছতো সিহঁত অসম্পূৰ্ণ হৈ ৰয়। সকলো জ্ঞান পোৱাৰ পিছতো এনেকুৱা স্কুলৰ পৰা ওলাই অহা ল'ৰা-ছোৱালীৰ মাজত এটা গভীৰ শূন্যতা ৰৈ যায়। দাৰ্শনিক শূন্যতা।

ক্ষন্তেক সময়ৰ বাবে 'শূন্যতা' শব্দটোত নিৰ্মলা থমকি ৰৈছিল; যেন গুৰ্ গুৰকৈ বাগৰি শব্দটো বুকুৰ ভিতৰলৈ সোমাই গৈছিল। শূন্যতাৰ যন্ত্ৰণা এটা বাওঁফালৰ বুকুৰ অস্ফীত স্তনাগ্ৰক কেন্দ্ৰ কৰি তাইৰ সমগ্ৰ শৰীৰতে বিয়পি পৰিছিল।

স্কুলঘৰৰ সন্মুখৰ খোলা পথাৰখন পাৰ হৈয়ে চৌহদৰ গেটখন। গেটখন বন্ধ কৰি কৰ্তৃত্বসূলভ আৰু দায়িত্বৰ দৃষ্টিৰে মিছ মাথিউজে পুনৰবাৰ স্কুলৰ চৌপাশে নজৰ দিছিল।

নিৰ্মলাই এনেয়ে মাথিউজৰ শৰীৰটোলৈ চাইছিল। চল্লিশোৰ্দ্ধৰ কিচ্‌ কিচীয়া কৃষ্ণ-বৰ্ণ ৰ'দে পোৰা শৰীৰ, বিশাল অৱয়ৱ, পুৰুষোচিত হাত-ভৰি, পেটৰ ওচৰলৈকে ওলমি পৰা স্তন দুটা ছেপ্স-এপীলবিহীন। নিৰ্মলাৰ হঠাতে অনুভৱ হ'ল ঃ কোনো কোনো নাৰীৰ নাৰীসুলভ লাৱণ্য কিজানি বিশাল ব্যক্তিত্বৰ প্ৰভাৱত ঢাক খাই ৰয়। মাথিউজৰ বক্ষস্থল যদি ওলমি পৰা স্তন যুগলৰে ভাৰাক্ৰান্ত হোৱাৰ পৰিবৰ্তে উকা, সমতল হ'লহেঁতেন তেতিয়াও কিজানি মাথিউজৰ ব্যক্তিত্ব একেই থাকিলহেঁতেন। ব্যক্তিত্বইও ঢাকি ৰাখিব পৰে শৰীৰৰ সত্য, বিসঙ্গতি।

স্কুলৰ চৌহদৰ পৰা ওলাই আহি বাওঁফালে অলপ দূৰ আগবাঢ়ি গ'লেই ৰাস্তাটো দুফাল হৈ এটা ডাকঘৰৰ ফালে গৈছে আৰু আনটো ৰেলষ্টেচনৰ ফালে। এইখিনিতে সদায় মাথিউজ আৰু নিৰ্মলাৰ এৰা এৰি হয়। কিয় জানো এই বিচ্ছেদৰ বিন্দুটো পোৱাৰ লগে লগে প্ৰতিদিনে নিৰ্মলাৰ অনুভৱ হয় ঃ পৃথিৱীৰ প্ৰতিজন মানুহৰ জীৱনৰ দিশ, গতি বেলেগ বেলেগ হয়। সেয়েহে কেতিয়াও একেটা পথেৰে দুজন মানুহ বেছিদূৰ অগ্ৰসৰ হ'ব নোৱাৰে। অনিবাৰ্যভাবে এদিন আহি যায় এৰা এৰি হোৱাৰ সময়। মৃত্যুয়েই মানুহৰ বিচ্ছেদৰ সেই অন্তিম বিন্দু; য'ৰ পৰা মানুহৰ সঙ্গীহীন একাকী যাত্ৰা আৰম্ভ হয়।

এইখিনিতে সৰু গুমটি এখন, বট গছ এজোপাৰ গাত ওলমি ৰোৱা সমবায় সমিতিৰ এখন ফলক, ভাঙি ছিঙি পৰি ৰোৱা কংক্ৰিটৰ বেঞ্চ এখন আছে। এই বিচ্ছেদ বিন্দুৰ পৰাই মাথিউজ যায় ৰেল ষ্টেচনৰ ফালে আৰু নিৰ্মলা আগবাঢ়ি যায় ডাকঘৰৰ ফালে যোৱা ৰাস্তাটোৰে।

মাথিউজৰ পৰা বিদায় লৈ নিৰ্মলাই গতানুগতিক ভাবে খোজ লৈছিল সোঁফালৰ ৰাস্তাটোৰে। তাইৰ দৰেই নিঃসঙ্গ আৰু আত্মমগ্ন ৰাস্তাটো পৰি আছে সন্মুখত। দুপৰৰ ৰ'দ আৰু নিঃসঙ্গতাত এটা আধিভৌতিক বিষাদময়তা থাকে। এই বিষাদময়তাত আচ্ছন্ন হৈ নিৰ্মলাই এই বিন্দুটোৰ পৰা ঘৰলৈ সদায় অকলশৰে খোজ কাঢ়ে। মাজে মাজে মাথো তাই প্ৰাৰ্থনা কৰে ঃ এই ৰাস্তাৰে এইখিনি সময়ত যেন আৰু কোনো নাহে। যি মানুহে নিজৰ সৈতে বিচৰণ কৰে, সেই মানুহক কোনো সঙ্গীৰ শাৰীৰিক উপস্থিতিৰ প্ৰয়োজন নহয়।

যিকোনো মানুহৰ দৃষ্টিৰ মুখামুখি হ'লেই নিৰ্মলাৰ অনুভৱ হয়, সেই দৃষ্টি যেন দ্বিধাহীন ভাবে পিচলি গৈ খোপনি পাতিব খুজিছে তাইৰ বুকুৰ ওপৰত; ৰঞ্জন-ৰশ্মিৰ দৰে, অভেদ্য বেৰও হেলাৰঙে অতিক্ৰম কৰা সেই দৃষ্টিয়ে আচ্ছাদন ভেদ কৰি স্পৰ্শ কৰে তাইৰ শৰীৰ। নিৰ্মলাৰ এনেকুৱা লাগে যেন বিশাল এক জনসভাত অজস্ৰ মানুহৰ দৃষ্টিৰ সন্মুখত কোনোবাই আজুৰি নিছে তাইৰ বুকুৰ পৰা, সযতনে পিন্ধি ৰখা সেই বক্ষ-বন্ধনী; দূৰৈত চিটিকি পৰিছে বাওঁ বুকুৰ পেড, উন্মোচিত হৈছে তাইৰ বুকুৰ স্তনহীন শূন্যতা।

স্বয়ংক্ৰিয়ভাবে নিৰ্মলাৰ সোঁহাতখন ওপৰলৈ উঠি গৈ বুকুৰ বাওঁফালটো আৱৰি ধৰিব খুজিছিল। সচেতন হৈ হঠাতে তাই তললৈ হাতখন নমাই আনিছিল।

অলপ দূৰ আগবাঢ়ি গৈয়েই সৰু কাঠৰ দলংখন। মেৰামতিৰ সময় কেতিয়াবাই উকলি যোৱা দলংখনৰ আধাআধি ৰেলিং কোনোবাই একুৱাই লৈ গৈছে ঃ যেন যাৰ বাবে নিৰ্মিত হৈছে সেই দলং তেওঁলোকৰেই সততা ব্যঙ্গ কৰি সৰু নলাটোৰ ওপৰত ওলমি আছে সেই ৰেলিঙবিহীন পুৰণি দলংখন।

বাৰিষাৰ সময়ত চহৰ উপকণ্ঠৰ সকলো আৱৰ্জনাৰ ভাৰ কঢ়িয়াই মলিয়ন পানীৰ সোঁত এটা দলংখনৰ তলেৰে বৈ গৈ ৰেল ষ্টেছনৰ কাষৰ নলাটোত পৰে। এতিয়া দলঙৰ তলত খৰালিৰ ৰুক্ষতা।

মূৰৰ ওপৰৰ ছাতিটো খামুচি ধৰি নিৰ্মলাই তাইৰ স্বভাৱসুলভ মন্থৰ গতিতকৈ কিছু দ্ৰুততাৰে দলংখন পাৰ হৈছিল। দুপৰৰ ৰ'দ পৰি সাপৰ পিঠিৰ দৰে চিক্‌মিকাই উঠিছিল নিঃসঙ্গ ৰাস্তাটো। হঠাতে নিৰ্মলাৰ মনলৈ আহিছিল অৰিন্দমৰ কথা। লগে লগে তাইৰ অনুভৱ হৈছিল ঃ কোনো দ্বিতীয় ব্যক্তিৰ স্মৃতি লৈ কোনো মানুহৰ বাবেই কেতিয়াও প্ৰকৃততে স্বাধীন হোৱাটো সম্ভৱ নহয়। স্মৃতি অতীত-নিৰ্ভৰ। কিন্তু স্বাধীন মানুহ সময়ৰ দাস নহয় ঃ তেওঁ সময়ৰ ঈশ্বৰ, সৃষ্টিকাৰী আৰু নিয়ন্ত্ৰকও।


দলংখন পাৰ হৈ অলপ দূৰ যোৱাৰ পিছতেই কিজানি লাইট পোষ্টটো আৰু তাৰেই বাওঁফালে সেই নিঃসঙ্গ ঘৰটোত কিজানি অৰিন্দম থাকে। অৰিন্দমে নিশ্চয় ছবি আঁকে; যেতিয়াই অৰিন্দমক দেখিছে তেতিয়াই নিৰ্মলাৰ অনুভৱ হৈছে তাৰ হাতত যেন ৰং লাগি থকা ব্ৰাছ এডাল আছে। আৰু নিৰ্মলাৰ অনুমান হয় অৰিন্দমৰ সম্ভৱ এখন ভৰি নাই। শাৰীৰিকভাবে অপূৰ্ণ এজন মানুহেও কি পূৰ্ণতাৰে ভৰা ছবি আঁকিব পাৰে। হয়তো নিজৰ শাৰীৰিক অপূৰ্ণতাৰ বাবেই মানুহৰ শৰীৰক ভিন্ন ভিন্ন ৰূপত কেনভাছত চিত্ৰবদ্ধ কৰাৰ অৰিন্দমৰ এক অৱচেতন আকাংক্ষা আছে।

নিৰ্মলাৰ মনত হয়, সেই অৰিন্দমে এদিন ভাৱলেশহীন মুখেৰে তাইক সুধিছিল – মোৰ সন্মুখত নগ্ন হৈ কিছু সময় বহিবলৈ তুমি বেয়া পাবা নেকি। সেই মুহূৰ্ততো অৰিন্দমৰ হাতত ৰং সনা সেই ব্ৰাছ, সন্মুখত কেনভাছ।

আশ্চৰ্যকৰভাবে নিৰ্দোষ আৰু সঙ্কোচহীন অৰিন্দমৰ মুখৰ ফালে মুখ তুলি নোচোৱাকৈয়ে দৌৰ মাৰি ওলাই আহিছিল নিৰ্মলা, বাহিৰত কিজানি তেতিয়া আবেলিৰ পোহৰ আৰু ৰ'দ পৰি বিষাদময় হৈ থকা আধিভৌতিক নীৰৱতা।

কোনো ফালে নোচোৱাকৈ দ্ৰুত গতিত আহি ঘৰ সোমাইছিল নিৰ্মলা, দুৱাৰৰ খিলি লগাই দি দীঘল দীঘল কৈ কেইটামান উশাহ লৈছিল, খুব লাহে লাহে সোঁহাতখন প্ৰসাৰিত কৰি বাওঁ বুকুৰ ওপৰত ৰাখিছিল। হঠাতে সাপৰ পিঠিৰ দৰে চেঁচা এক স্পৰ্শত অস্ফুট স্বৰেৰে আৰ্তনাদ কৰি উঠিছিল নিৰ্মলাই।

তাইৰ এনেকুৱা লাগিছিল যেন ইমান সময়ে বুকুৰ ভিতৰত কুণ্ডলী পকাই থকা বিষাক্ত সাপ এডালে সাৰ পাই লৰ চৰ কৰিছে।



তাৰ বহুত দিন পিছত এদিন নিৰ্মলাৰ অৰিন্দমৰ সেই মুহূৰ্তৰ সেই আশ্চৰ্যকৰভাবে নিৰ্দোষ আৰু সঙ্কোচহীন মুখখনৰ কথা মনলৈ আহিছিল আৰু লগে লগে তাইৰ অনুভৱ হৈছিল ঃ সৃষ্টিৰ মুহূৰ্তত শিল্পীয়ে মানুহৰ উৰ্ধলৈ গুচি যায়। সেই মুহূৰ্তত স্ৰষ্টা হয় ঈশ্বৰসদৃশ। অৰিন্দমো সেই মুহূৰ্তৰ ঈশ্বৰ।

চাওঁ নাচাওঁকৈ ছাতিটো একতীয়া কৰি নিৰ্মলাই বাওঁফালে চাইছিল।

নাই, তাত আজি অৰিন্দম নাই।

## ছয়

## চছ্মা

চছ্মাযোৰ খুলি টেবুলত থৈ দুই চকু মোহাৰি মই ৰুমৰ পৰা বাহিৰলৈ ওলাই আহিলো। আজিকালি বহু সময় ধৰি একেৰাহে চছ্মাযোৰ পিন্ধি থাকিলেও দুই চকু বিষাবলৈ আৰম্ভ কৰে; হয়তো পাৱাৰ সলনি হৈছে; সোনকালে কোনো চিকিৎসকক দেখুওৱাৰ প্ৰয়োজন।

নৱম মান শ্ৰেণীতেই মই প্ৰথম চছ্মা লৈছিলো। চকুৰ পৰীক্ষাৰ বাবে প্ৰথম চিকিৎসকৰ ওচৰলৈ যোৱাৰ এক সুন্দৰ অভিজ্ঞতা মোৰ মনত আছে।

বহুদিন ধৰি হঠাতে বাহিৰ ওলালে ৰ'দৰ পোহৰত মোৰ দুচকু চাং মাৰি ধৰিছিল, ধুসৰ হৈ উঠিছিল ওচৰৰ চৌপাশ, গছ-গছনি, মানুহ, ঘৰ-বাৰী; সকলো অস্পষ্ট, ছায়াময়, মূৰ্তি যেন লাগিছিল। বহুতে চহৰৰ কোনো অভিজ্ঞ ডাক্তৰৰ হতুৱাই পৰীক্ষা কৰোৱাৰ পৰামৰ্শ দিছিল। কি জানো কাৰণত শেষত গৈ ঘৰৰ ওচৰতে নতুনকৈ ক্লিনিক খোলা ডাক্তৰ এজনৰ ক্লিনিকত উপস্থিত হৈছিলো। চিকিৎসকজনক লৈ ইতিমধ্যে বহুত ৰিউমাৰ বজাৰত ওলাইছিল; তেওঁৰ বোলে কোনো ডিগ্ৰী নাই, কাঁচৰ লেন্স কেখন মান ক'ৰবাৰ পৰা গোটাই লৈ তাকেই দুই-চকুৰ সন্মুখত উৰাই-ঘূৰাই পাৱাৰ পৰীক্ষা কৰাৰ অভিনয় কৰে। বিশাল গোঁফ আৰু দুৰ্দান্ত চেহেৰাৰে মানুহজনক কিন্তু মোৰ সঁচাকৈয়ে অভিজ্ঞ চিকিৎসক বুলি ধাৰণা হৈছিল। সেয়েহে কোনো ৰিউমাৰে মোৰ ওপৰত কোনো প্ৰভাৱ পেলাব পৰা নাছিল।

পৰিষ্কাৰ-পৰিচ্ছন্ন ক্লিনিকখনৰ ভিতৰলৈ মই চুচুক-চামাককৈ সোমাই গৈছিলো। বিশাল আকাৰৰ মনোৰম ডিজাইনৰ চকু এটা বেৰত ওলমি আছিল। সেউজীয়া পৰ্দাৰে ঢাকি ৰখা সৰু কেবিন এটা, ঘূৰ্ণীয়মান টুল এখনৰ ওপৰত চিকিৎসকজনে মোক বহিবলৈ ইঙ্গিত দিছিল। মোক কথা কোৱাৰ কোনো সুবিধা নিদিয়াকৈয়ে মানুহজনে সৰু বাকচটোৰ পৰা লেন্সবোৰ উলিয়াইছিল, মোৰ দুচকুত পিন্ধাই দিছিল এটা শূন্য চছ্মাৰ ফ্ৰেম; এখনৰ পিছত এখনকৈ লেন্স লগাই দি সুধিছিল – ভাইটি, চাৰি নম্বৰ লাইনটো পঢ়িব পাৰিছানে ?

– নাই।

লেন্স সলনি হৈছিল।

– এইবাৰ ?

– ওহো।

– এইবাৰ।

– নাই।

হয়তো মানুহজন লাহে লাহে অধৈৰ্য হৈ উঠিছিল আৰু এখন লেন্স লগাই দি দৃঢ়তাৰে কৈছিল – নাই, তুমি দেখিছা। এডজাষ্ট হ'লে ঠিক হৈ যাব।

– কিন্তু ......

– ওহো, ভালকৈ চালে তুমি দেখিবা।

মোৰ হঠাতে এনেকুৱা অনুভৱ হৈছিল মানুহজনে যেন মই দেখা নোপোৱা আখৰ কেইটামান দেখা বুলি স্বীকাৰ কৰিবলৈ মোক বাধ্য কৰাব খুজিছিল।

অনভিজ্ঞ, ব্যৱসায়িক চিকিৎসকে ৰোগীৰ দুৰ্বলতাৰ সুযোগ লৈ এইদৰেই কিজানি মানুহৰ ওপৰত জোৰ-জবৰদস্তি জাপি দিয়ে নিজেই সৃষ্টি কৰা সত্য। জাপি দিয়া সত্যৰ ওপৰত ভিত্তি কৰিয়েই সকলোৱে মানুহৰ দুচকুত আঁৰি দিব খোজে নিজৰ পছন্দৰ ৰঙীন চছ্মা। তাৰ কেইদিনমান পিছতেই সেই চিকিৎসকজন ভুৱা বুলি প্ৰমাণিত হৈছিল। মোৰ চছ্মাযোৰ খুলি এইমাত্ৰ মই ৰুমৰ পৰা বাহিৰলৈ ওলাই আহিছো। আৰু বাহিৰত এয়া ৰৈ আছে মোৰ এগৰাকী কবি বন্ধু ভবতোষ দত্ত।

## সাত

## শিল্পী

ছিগাৰেটৰ ধোঁৱাই ধূসৰ কৰি তোলা বিষণ্ণ মুখ এখনৰ আঁৰৰ পৰা ভবতোষে সুধিলে – তোমাৰ উপন্যাস কিমান আগবাঢ়িলে ? তোমাৰ উপন্যাসৰ এক-স্তনবিহীন নায়িকাক চাম বুলি আজি তোমাৰ ইয়ালৈ আহিছো। মোৰো কেতিয়াবা এনেকুৱা লাগে যেন মোৰ কলিজাৰো এফাল নাই।

বন্ধু ভবতোষ মাজে মাজে চহৰৰ পৰা এই চহৰ উপকণ্ঠলৈ আহে, সেইখিনি সময়ত ছিগাৰেটৰ ঘন ধোঁৱাৰে আচ্ছন্ন হৈ পৰে মোৰ ৰুমৰ পৰিবেশ, ধোঁৱাৰ মাজে মাজে ভবতোষে হঠাতে একোটা আশ্চৰ্য সত্য এৰি দিয়ে, যাৰ বাবেই সঙ্গী হিচাপে মোৰ সকলো বন্ধুতকৈ ভবতোষকেই অধিক ভাল লাগে।

চপ্পলযোৰ দলিয়াই দি বিছনাৰ ওপৰত ভৰি তুলি ভবতোষ বহি পৰিল। শেষ হৈ যোৱা ছিগাৰেটৰ টুকুৰাটো বিছনাৰ তললৈ মাৰি পঠিয়াই এনেয়ে টেবুলৰ পৰা মই অলপ আগতে এৰি থৈ যোৱা পুৰণি চছ্মাযোৰ হাতত তুলি ল'লে। দুচকুত সেইযোৰ লগাই লৈ বিস্ময়েৰে ভবতোষে ক'লে – বাপ্‌ৰে, কি চছ্মা এইযোৰ। তোমাৰ ভৰি ওপৰলৈ আৰু মূৰ তললৈ কৰি থকা দেখিছো মই।

হঠাতে, মোৰ উপন্যাসখনৰ কথা কোৱাতকৈ ভবতোষক মোৰ সেই নৱম মান শ্ৰেণীৰ সেই চকু চিকিৎসকজনৰ সৈতে হোৱা চছ্মাৰ অভিজ্ঞতাৰ কথা ক'বৰ মন গ'ল। 'ভবতোষ, ৰবা, তোমাক চছ্মাৰ বিষয়ে সুন্দৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা কম। এক মিনিট, মই বাথৰুমৰ পৰা আহিছো।'

পুনৰায় ছিগাৰেট এটা জ্বলাই লৈ ভবতোষে বিছনাৰ ওপৰত পৰি ৰোৱা আজিৰ কাকতখন তুলি ল'লে। মই বাথৰুমৰ ভিতৰত সোমাই দুৱাৰখন বন্ধ কৰি দিলো।

বাথৰুমৰ পৰা ওলাই আহি চছ্মাৰ কাহিনীটো আৰম্ভ কৰিম বুলি ভবাৰ আগতেই ভবতোষে হাতৰ পৰা কাকতখন দলিয়াই দি ক'লে – এটা সময় আছিল, বুজিছা, যেতিয়া লিখা মানুহবোৰৰ ওপৰত সমাজে সত্য উন্মাটনৰ দায়িত্ব অৰ্পণ কৰিছিল। সৃষ্টি আছিল সত্য উন্মাটনৰ এটা পথ। প্ৰকৃত সৃষ্টিৰ সময়ত লেখকবোৰ বোলে ঈশ্বৰসদৃশ হয়। সেয়েহে কোনো এখন দেশৰ ৰজা নোহোৱাকৈয়ে লেখক এজন ৰজা-প্ৰজা সকলোৰে মুকুটবিহীন সম্ৰাট হয়। এতিয়া দেখিছো কবি, গল্পকাৰ, ঔপন্যাসিক, সম্পাদক – সকলো এদিন মাফিয়াত পৰিণত হ'ম।

মোৰ চছ্মাৰ অভিজ্ঞতাৰ কথা পাহৰি গৈ মই ভবতোষৰ মুখলৈ চাই সুধিলো – মানে ?

– মানে খুব সহজ। বিভিন্ন স্তৰৰ মাজেৰে পাৰ হৈ গৈ এজন শিল্পী মাফিয়াত পৰিণত হয়। প্ৰথমতে তেওঁ আৱিষ্কাৰ কৰিব সত্য শক্তিমান হোৱাৰ সহজ পথ নহয়। শক্তিশালী হোৱাৰ বাবে তেওঁ ৰাজনীতিৰ আশ্ৰয় ল'ব। শিল্প ৰাজনীতিৰ পৰা বিচ্ছিন্ন নহয়, কিন্তু তেওঁ পাহৰি যোৱাৰ চেষ্টা কৰিব ৰাজনীতিয়েই শিল্প নহয়। এইবাৰ তেওঁৰ দায়িত্ব হ'ব ৰাইজৰ আপোন বুলি প্ৰমাণ কৰাৰ আৰু তাৰ বাবে তেওঁ কৌশলগত সত্যৰ আশ্ৰয় ল'ব; "তাতো যদি সফল নহয়, তেওঁ নিজেই সত্যৰ সৃষ্টি আৰম্ভ কৰিব; তেওঁ পাহৰি যাব যে কোনো শিল্পীয়ে কেতিয়াও প্ৰকৃততে সত্যৰ সৃষ্টি নকৰে, তেওঁ মাথো আৱিষ্কাৰহে কৰে সত্যক। তাৰ দ্বাৰাও যদি সাফল্য নাহে, তেনেহ'লে ৰাজনৈতিক নেতাৰ দৰেই তেৱোঁ সাহায্য ল'ব মাফিয়াৰ অথবা নিজেই মাফিয়াত পৰিণত হ'ব। ...... আৰু মাত্ৰ কেইটামান দিন বাট চোৱা, দেখিবা আমাৰ দৰে মানুহবোৰ য'তেই গোট খায়, তাতেই মাফিয়া যুদ্ধ আৰম্ভ হ'ব। কবি সন্মিলন, সাহিত্য সভাও বাদ নাযাব। কাৰণ আমি আৰু এতিয়া সত্যৰ প্ৰতি দায়বদ্ধ নহয়; নিজেই সৃষ্টি কৰা সত্য অইনৰ ওপৰত জাপি দিয়াতহে আমি অহৰহ ব্যস্ত।

আজিকালি যে আমাৰ দৰে লেখকবোৰে আমিনো ৰাইজৰ কিমান ওচৰ বা ৰাইজনো আমাৰ কিমান ওচৰ তাকেই প্ৰমাণ কৰাৰ বাবেই অহৰহ ব্যস্ত থাকো, সেই সমগ্ৰ প্ৰক্ৰিয়াটোকেই মোৰ নিতান্তই হাস্যকৰ অনুভৱ হয়। মই বেচ কৌতুক অনুভৱ কৰো।

ভবতোষৰ মুখত ফুটি উঠিল এটা কৌতুকৰ হাঁহি। মাজে মাজে ভবতোষ এইদৰে দাৰ্শনিকলৈ ৰূপান্তৰিত হয়। কৈ গ'ল সি – কাৰোবাৰ ওচৰ বুলি প্ৰমাণিত কৰিব যোৱা মানেই নিজকে সেই 'কাৰোবাৰ' পৰা বিচ্ছিন্ন বুলি চাবলৈ আৰম্ভ কৰা। মোৰ এনেকুৱা লাগে আগৰ দিনৰ স্বয়ম্বৰৰ দৰে 'ৰাইজক' যেন ৰাজকুমাৰী সজাই বহুৱাই থোৱা হৈছে। ৰাজকুমাৰীৰ পাণি গ্ৰহণৰ যোগ্যতা প্ৰমাণ কৰিবৰ বাবেই দুই পুৰুষৰ শক্তিৰ পৰীক্ষা আৰম্ভ হৈছে। মই ভাবো লেখক এজনক তেওঁ ৰাইজৰ পক্ষত হয় নে নহয় সেই প্ৰশ্নটো সোধাটোৱে অবান্তৰ। তেওঁক মাথো সুধিব পাৰি ঃ তেওঁ সত্যৰ পক্ষত হয় নে নহয় ! ৰাইজ বহুধাবিভক্ত।

শেষ হৈ যোৱা ছিগাৰেটটো দলিয়াই দি কিছু সময়ৰ বাবে ভবতোষে চুপ হৈ ৰৈ পুনৰ সুধিলে মোক ঃ এইখন পঢ়িছা নে ?

বিছনাৰ এচুকত পৰি ৰোৱা কাকতখনলৈ আঙুলিয়াই দি সুধিলে। ...... এইবোৰ পঢ়াৰ বাবেই তোমাৰ চছ্মা ল'বলগীয়া হৈছে। দৃষ্টিশক্তিৰ লগত কাকতৰ নিগূঢ় সম্পৰ্ক আছে। প্ৰকৃততে শব্দয়েই আমাৰ চকুৰ পাৱাৰ নিয়ন্ত্ৰণ কৰে। শব্দ ঈশ্বৰৰ পৰিবৰ্তে এটা শক্তিশালী দানৱত পৰিণত হৈছে। এনী ওৱে, বাদ দিয়া এইবোৰ। উৰাই ঘূৰাই একে কেইটা শব্দৰে কিনো জাপি দিব খোজে এই কাকতবোৰে, তাক সিহঁতেহে জানে। তোমাৰ চছ্মাৰ কিবা অভিজ্ঞতাৰ কথা কম বুলি কৈছিলা নহয় ?

হঠাতে মোৰ অনুভৱ হ'ল ঃ সেই একে কেইখন লেন্সেৰে উৰাই ঘূৰাই সত্য জাপি দিব খোজা সেই ভুৱা চিকিৎসকজনৰ সৈতে সেই তাহানিতে হোৱা মোৰ মনোৰম অভিজ্ঞতাৰ কথা ভবতোষক কোৱাৰ আৰু প্ৰয়োজন নাই।

– এক মিনিট ৰ'বা !

ভবতোষ হঠাতে সন্মুখত চিকাৰ দেখা মেকুৰীৰ দৰে সজাগ হৈ উঠিল। তাৰ বিষণ্ণ, জোঙা মুখখনত সৰু সৰু চকু দুটা তৰাৰ দৰে তিৰবিৰাই উঠিল।

– আহিছে। সম্ভৱ আহিছে। মই ঠিকেই জানিছিলো এটা নহয় এটা সময়ত আহিবই।

আধা খোলা হৈ ৰোৱা দুৱাৰখনৰ ওচৰলৈ গৈ ময়ো চালো বাহিৰলৈ।

মূৰত ছাতি এটা লৈ স্কুলৰ ফালৰ পৰা অকলশৰে বিচ্ছিন্ন, মন্থৰ গতিৰে নিৰ্মলা আহি আছে ঃ যেন নিজস্ব কক্ষপথত বিচৰণ কৰি কৰি এতিয়াহে তাই এইখিনি পাইছে।

ভবতোষ নিবিড়ভাবে চাই মন্তব্য কৰিলে – দুয়োটা স্তনেইতো আছে !

## আঠ

## আৱিষ্কাৰ

লাইট পোষ্টটোৰ ওচৰত বাওঁফালে ঘূৰি চাই নিৰ্মলাই পুনৰ আৱিষ্কাৰ কৰিছিল ঃ তাত অৰিন্দম নাই। প্ৰকৃততে অৰিন্দম বুলি কোনো মানুহ কিজানি কেতিয়াও নাছিল তাত; মাথো হঠাতে কেতিয়াবা স্কুল ছুটীৰ পিছত ঘৰলৈ আহোতে অচিনাকি যুৱক এজনক সেই ঘৰটোৰ ভিতৰত একে ঠাইতে বহি থকা যেন নিৰ্মলাৰ অনুমান হৈছিল। কোনোবা এটা মুহূৰ্তত এদিন নিৰ্মলাই কল্পনা কৰিছিল ঃ সেই অচিনাকি যুৱকজনৰ কিজানি নাম হ'ব অৰিন্দম; তেওঁৰ এখন ভৰি কিজানি কিবা এটা দুৰ্ঘটনাত অচল হৈ গৈছে, তেওঁ কিজানি সুন্দৰ ছবি আঁকে; ছবি আঁকিবৰ সময়ত তেওঁ গুচি যায় মানুহৰ উৰ্ধলৈ আৰু তেওঁ হৈ পৰে ঈশ্বৰ-সদৃশ।

অৰিন্দম নিৰ্মলাৰ বাবে এক কাল্পনিক ঈশ্বৰ; তথাপি কিয় জানো নিৰ্মলাৰ প্ৰায়ে অনুভৱ হয় সেই অৰিন্দমেই যেন হাতত ব্ৰাছ লৈ এদিন তাইক সুধিছিল ঃ মোৰ সন্মুখত নগ্ন হৈ কিছু সময় বহিবলৈ তুমি বেয়া পাবা নেকি ?

হঠাতে নিৰ্মলাই অনুভৱ কৰিছিল ঃ অৰিন্দম প্ৰকৃততে প্ৰেম যাৰ সৈতে মুখামুখি হোৱাৰ সাহস আজিও তাই সঞ্চয় কৰিব পৰা নাই।

অৰিন্দম নিৰ্মলাৰ বাবে হঠাৎ দৃষ্টিগোচৰ হোৱা কোনো অচিনাকি পুৰুষ নহয়। অৰিন্দম নিৰ্মলাৰ বাবে নিজৰ বুকুৰ গভীৰলৈ আৰু গভীৰলৈ নামি যোৱা এডাল সুদীৰ্ঘ আৰু বিপদজনক জখলা যাৰ প্ৰতিটো চাপতে থূপ খাই স্থিৰ হৈ ৰৈ আছে সময়। সেই জখলাৰ প্ৰথম চাপত খোজ দিয়াৰ লগে লগেই নিৰ্মলাৰ অনুভৱ হয় তাই যেন হঠাতে ভৰহীন পদাৰ্থলৈ ৰূপান্তৰিত হৈছে, জীৱনৰ তুচ্ছতা, স্থবিৰতা, জৰাজীৰ্ণতাক অতিক্ৰম কৰি তাই মুখামুখি হৈছে তাইক স্পৰ্শ কৰি নদীৰ সোঁতৰ দৰে বৈ যোৱা সময়ৰ সৈতে। অৰিন্দম এটা শক্তিশালী দূৰবীণ, যাৰ লেন্সত চকু ৰাখি নিৰ্মলাই আৱিষ্কাৰ কৰে সময়ৰ গতি ঃ তাৰ প্ৰাণ-স্পন্দন। সময় কেতিয়াও মৃত হ'ব নোৱাৰে; নিৰ্জীৱও হ'ব নোৱাৰে সময়। প্ৰেমিকৰ স্পৰ্শই যিদৰে প্ৰেমিকাৰ শৰীৰ শিহৰিত কৰি তোলে, সেইদৰে সময়ক শিহৰিত, আলোড়িত কৰি তুলিব লাগিব মানুহৰ স্পৰ্শই। মানুহ সময়ৰ দাস নহয় ঃ সময় হ'ব লাগিব মানুহৰ দাস।

অৰিন্দমে যে তাইৰ নগ্নতাক চিত্ৰবদ্ধ কৰাৰ প্ৰস্তাৱ দিছিল তাৰ কাৰণো আছিল কিজানি সময়ক শিহৰিত কৰাৰ। অৰিন্দমে কিজানি বুজিব পাৰিছিল অকল সত্যইহে সময়ক আলোড়িত কৰা উচিত।

নাই, নগ্ন হৈ অৰিন্দমৰ মুখামুখি হোৱাৰ সাহস নিৰ্মলাৰ এতিয়াও হোৱা নাই।

ৰেলিঙবিহীন সেই দলংখন, লাইট পোষ্টটো এৰি থৈ সাপৰ নিচিনা সেই ৰাস্তাটোৰে নিৰ্মলা ঘৰ অভিমুখে আহি আছিল। জনপ্ৰাণীহীন দুপৰৰ ৰাস্তাৰে অকলশৰে খোজ কাঢ়ি আহিলে এনেকুৱা লাগে যেন কিবা এক ভয়ঙ্কৰ প্ৰাকৃতিক দুৰ্যোগৰ ফলত সমগ্ৰ পৃথিৱীখনেই এখন বিশাল মৰুভূমিত পৰিণত হৈছে। সৌভাগ্যবান সকলোৰে ঘটিছে মৃত্যু। একমাত্ৰ অভিশপ্ত জনেই বাচি আছে। নিঃসঙ্গ হৈ প্ৰকৃততে কেতিয়াও কোনেও বাচি

থাকিব নোৱাৰে; আৰু বাচি থাকিলেও সেই জীৱন হয় মৃত্যুৰ সমকক্ষ।

কাঠৰ মিলটোৰ কাষৰ পুৰণা ঘৰটো নিৰ্মলাহঁতৰ। ঘৰটো দূৰৈৰ পৰা কোনো এক ঐতিহাসিক চহৰৰ পৰিচয় বহণ কৰি থকা মিছা আভিজাত্যৰ ভগ্নাৱশেষ যেন অনুভৱ হয়।

মূৰৰ ওপৰৰ ছাতিটো বন্ধ কৰি নিৰ্মলাই ঘৰৰ বন্ধ দুৱাৰত টুকুৰিয়াইছিল। দুৱাৰ খুলি দিছিল মালতীয়ে। অদ্ভুত প্ৰাণ-শক্তিৰে ভৰা মালতী নামৰ কাম কৰা ছোৱালীজনীৰ দুচকুত সদায়ে কিবা এটা মধুৰ চঞ্চলতা বিৰাজ কৰে।

অভ্যাসবশতঃ নিৰ্মলাই সুধিছিল – কোনোবা আহিছিল নেকি ?

আচলতে এইখন ঘৰলৈ এইখিনি সময়ত এতিয়া কোনো অহাৰ সম্ভাৱনা নাই। মাক-দেউতাকৰ মৃত্যুৰ পিছত এই বিশাল ঘৰটোত মাত্ৰ দুটা প্ৰাণী – নিৰ্মলা আৰু নিৰ্মলাৰ ককায়েক শিবানন্দ। শিবানন্দই কাঠৰ মিলটো চলায়। সদায় ৰাতিপুৱাই ওলাই যায় শিবানন্দ, ঘূৰি আহে দোভাগ ৰাতি।

তৃতীয় প্ৰাণী এই কাম কৰা ছোৱালীজনী – মালতী। মাজে মাজে এক অদ্ভুত দৃষ্টিৰে নিৰ্মলাই মালতীক পৰ্যবেক্ষণ কৰে ঃ যেন মনে মনে হিচাপ কৰি চায় পিউবাৰ্টি পাবলৈ তাইৰ আৰু কিমান দিন বাকী আছে। নিৰ্মলাৰ বুকুৰ বাওঁফালৰ নিচিনা, মালতীৰ সমগ্ৰ বক্ষস্থল সমতল ঃ স্তনৰ উদ্গমনৰ কোনো চিহ্ন এতিয়াও পৰিস্ফুট হৈ উঠা নাই। সন্তুষ্টিৰে মনে মনে নিৰ্মলাই ধৰি লয় ঃ পিউবাৰ্টিলৈ মালতীৰ এতিয়াও বহুত দেৰি আছে। তথাপি হয়তো সন্তুষ্টিৰ পৰা জন্ম লোৱা অপৰাধবোধ ঢাকি ৰাখিবলৈকে নিৰ্মলাই খুব সহজ ভাষাত মালতীক এই সময়ত নাৰীৰ হ'বলগীয়া সকলো পৰিবৰ্তনৰ কথা বুজাই দিছে যাতে সেই মুহূৰ্তত তাই শঙ্কিত নহয়।

– কোনোবা আহিছিল নেকি ?

গতানুগতিক নিৰ্মলাৰ প্ৰশ্নৰ উত্তৰত হাঁহি মাৰি মালতীয়ে কৈছিল – কোননো আহিব ?

ঠিকেইতো, চহৰৰ এচুকৰ এই নিঃসঙ্গ ঘৰত কোনো মানুহৰ আহ-যাহ নাই, ইচ্ছাকৃতভাৱে নীৰৱতাৰ বন্দিত্বক আদৰি লৈছে নিৰ্মলাই; কাৰো বাবে কোনো প্ৰতীক্ষাৰ প্ৰয়োজন নাই।

প্ৰকৃততে নিঃসঙ্গতা আৰু নীৰৱতাৰ ভৰত এই বিশাল ঘৰটোও বক্ষহীন নিৰ্মলাৰ জীৱনৰ ৰিক্ততাৰ সমতুল্য হৈ পৰিছে। নিৰ্মলাৰ জীৱনতো কোনো পুৰুষৰ প্ৰতি কোনো প্ৰতীক্ষা নাই, প্ৰেমাভিলাষৰ স্পৰ্দ্ধা নাই, অনুভূতিৰ অভিব্যক্তি নাই, অনুভৱৰো কোনো আনন্দ নাই।

মাথোন আছে কিবা এক শূন্যতা, ঠিক আগতে দেখা সেই স্বপ্নটোৰ দৰে – লাহে লাহে স্তব্ধ হৈ গৈছে কোলাহল। বেৰ, দুৱাৰবোৰ ক্ৰমশঃ দূৰলৈ আঁতৰি গৈছে। আকাশৰ নীলা বিলীন হৈ গৈছে মহাশূন্যৰ মাজত আৰু শূন্যতে ওপঙি আছে নিৰ্মলা, যেন মহাকাশযানৰ পৰা ওলাই গৈ পৃথিৱীৰ পৰা ক'ত যোজন মাইল দূৰৈত শূন্যত ওপঙি ৰোৱা মহাকাশচাৰী !

ডাইনিং টেবুলখনৰ এচুকত সদায় থোৱাৰ দৰে আজিও মালতীয়ে দুপৰীয়াৰ আহাৰ সজাই থৈছিল। – বাইদেউ, ভাতকেইটা গৰম কৰি দিম নেকি ? – নালাগে দে। নিৰ্মলাই কৈছিল।

হাত-মুখ ধুই আহি চকিত বহি লৈ নিৰ্মলাই মালতীৰ মুখলৈ চাই সুধিছিল – তই খালি নে !

হঠাতে চক্ খাই থৰ হৈ ৰৈ গৈছিল নিৰ্মলা, যেন ভীতিগ্ৰস্ত শিহৰণ এটা ভৰিৰ পৰা মূৰৰ ওপৰলৈ উঠি আহিছিল, গোটা বলৰ দৰে সেই শিহৰণ আহি স্থিৰ হৈ ৰৈ গৈছিল বাওঁ বুকুৰ সেই শূন্যতাৰ সোঁমাজত। যন্ত্ৰণাত টনটনাই উঠিছিল তাইৰ অপ্ৰস্ফুটিত ৰুক্ষ স্তনাগ্ৰ।

নিৰ্জন ৰাস্তাৰে আপোনমনে গৈ থাকোতে হঠাতে যেন বিষাক্ত সাপ এডাল ভৰিৰ ওপৰেৰে পাৰ হৈ যোৱা চকুত পৰিছে, ঠিক সেইদৰে বিস্ফোৰিত দুচকুৰে মালতীৰ বুকুলৈ চাই ৰৈ গৈছিল নিৰ্মলা – পাতল সেউজীয়া ৰঙৰ ফ্ৰক এটা পিন্ধি আছে মালতীয়ে, ভিতৰত কোনো চেমিজ নাই, ফ্ৰকৰ ওপৰত অস্পষ্টকৈ হ'লেও জিলিকি উঠিছে ক্ৰমশঃ প্ৰস্ফুটিত হ'বলৈ আৰম্ভ কৰা দুটা কিশোৰী স্তন !

ক'ব নোৱৰাকৈয়ে সোঁহাতখন নিৰ্মলাৰ মন্ত্ৰমুগ্ধৰ দৰে স্বয়ংক্ৰিয়ভাৱে বাওঁফালৰ বুকুলৈ আগবাঢ়ি গৈছিল। মুখৰ পৰা ক'ব নোৱৰাকৈয়ে ওলাই আহিছিল এটা অস্ফুট চিঞৰ।

চকিখনৰ পৰা উঠি ক'ৰবাত পলাব খুজিছিল নিৰ্মলাই।

শঙ্কিত স্বৰেৰে মালতীয়ে সুধিছিল – কি হ'ল বাইদেউ।

পুনৰায় চকিখনত ঢপৈকৈ বহি পৰি নিৰ্মলাই কৈছিল – নাই ও, হঠাৎ যেন মূৰটো ঘূৰি গ'ল।

## ন

## পাপ

মিলন-মুহূৰ্তত নাৰী আৰু পুৰুষৰ বাবে সমগ্ৰ পৃথিৱী অস্তিত্বহীন হৈ পৰে। এইখিনি সময় নিৰ্মলাৰ বাবেও নিজৰ সৈতে মিলন-মুহূৰ্ত।

বাহিৰত দুপৰৰ ৰ'দৰ সেই আধিভৌতিক বিষাদময়তা। নিঃসঙ্গতা আৰু নীৰৱতাৰ ভৰত দোঁ খাই পৰা এটা জৰাজীৰ্ণ ভগ্নাৱশেষৰ দৰে পুৰণি ঘৰ, ঘৰৰ ভিতৰৰ এটা বন্ধ ৰুমৰ ভিতৰত বন্দিনী এক অভিশপ্ত, অপূৰ্ণ নাৰী।

নিৰ্মলা।

এইখিনি সময়ত মালতী পিছফালে বাচন-বৰ্তন চাফ কৰাত ব্যস্ত থাকে। আকৌ এবাৰৰ বাবে ৰুমটোৰ দুৱাৰ-খিৰিকিৰ খিলিবোৰ চাই ল'লে নিৰ্মলাই। পেলাই দিলে এখন এখনকৈ ডাঠ সেউজীয়া ৰঙৰ পৰ্দাবোৰ। নগ্ন হ'বৰ বাবেও মানুহক আভৰণৰ প্ৰয়োজন অথচ আভৰণহীনতাই হ'ল মানুহৰ নগ্নতা।

প্ৰায়ান্ধকাৰ ৰুমৰ ভিতৰত নিজৰেই সাঁফৰ খুলি নিজকে লিৰিকি বিদাৰি চাবৰ মন গ'ল নিৰ্মলাৰ। পৃথিৱীৰ সকলো আৱিষ্কাৰৰ ভিতৰত বিস্ময়কৰ আৱিষ্কাৰ হ'ল মানুহ নিজেই। সেয়েহে নিজক আৱিষ্কাৰ কৰিলেই আৱিষ্কৃত হয় পৃথিৱী, কিন্তু তাৰ বাবে প্ৰয়োজন হয় তীখাৰ দৰে কঠিন আৰু নিৰ্মোহ সাহসৰ।

দুৱাৰ-খিৰিকি বন্ধ কৰি ৰখা ৰুমটোৰ সোঁমাজত থিয় হৈ হঠাতে নিৰ্মলাৰ অনুভৱ হ'ল প্ৰতিজন মানুহেই প্ৰকৃততে একো একোটা বন্ধ ঘৰ। বাহিৰৰ পৰা তাৰ অভ্যন্তৰত কি বৈচিত্ৰ্য লুকাই আছে তাৰ উমান পোৱাৰ কোনো উপায় নাই ঃ মাথো সহৃদয়তাৰে বন্ধ দুৱাৰ খুলি দুহাতেৰে খেপিয়াই চালে অনুভৱ কৰিব পাৰি তাৰ ভিতৰৰ সৌন্দৰ্য, গোন্ধ আৰু ৰং।

বুকুৰ ভিতৰলৈ দুহাত মেলি দিলে নিৰ্মলাই। মন্থৰ নিৰ্মম প্ৰক্ৰিয়াৰে আত্মহত্যা কৰিবলৈ উদ্যত হোৱা মুহূৰ্তৰ অনুভৱৰ দৰেই এক নিৰ্লিপ্ত অথচ যন্ত্ৰণাময় অনুভৱে নিৰ্মলাক চুই গ'ল।

মনৰ ভিতৰত প্ৰতিজন মানুহেই মাটিৰ তলত পোত খাই থকা একো একোখন ঐতিহাসিক চহৰ। তৰপে তৰপে খান্দি গ'লে ভিতৰত আৱিষ্কৃত হয় ফচিল হৈ পৰা স্মৃতি, আশা আৰু অনুভৱ। বাস্তৱতকৈও এই স্মৃতিৰ আৱিষ্কাৰ বৈচিত্ৰ্যময় আৰু বিস্ময়কৰ। বাস্তৱ, সন্মুখত থিয় হৈ ৰোৱা এখন কঠোৰ আৰু নিৰ্মম কংক্ৰিটৰ উকা দেৱাল, আৰু স্মৃতিও সেই একেখনেই দেৱাল, কিন্তু সময়-প্ৰবাহে সেই উকা দেৱালৰ ওপৰত নিজস্ব তুলিকাৰে



সানি দিয়ে নিমজ ৰং !

বহুত দিনৰ মূৰত আজি হঠাতে নিৰ্মলাৰ পুনৰায় অৰিন্দমৰ কথা মনলৈ আহিছে; আৰু কি সুতীব্ৰ আৰু যন্ত্ৰণাময় এই আগমন !

অৰিন্দমৰ সৈতে মুখামুখি হোৱা মানে সত্যৰ সৈতে মুখামুখি হোৱা। নিৰ্মলাই এতিয়াও সত্যৰ সৈতে মুখামুখি হোৱাৰ বাবে যি গভীৰ প্ৰত্যয় আৰু নিৰ্মোহ সাহসৰ প্ৰয়োজন হয়, সেই সাহস আহৰণ কৰিবলৈ সক্ষম হোৱা নাই।

অৰিন্দমৰ কথা মনলৈ অহাৰ লগে লগে নিৰ্মলাৰ এনেকুৱা অনুভৱ হয় যেন এক মধুৰ আৰু আশ্চৰ্যকৰ যন্ত্ৰণাত তাইৰ শৰীৰ ক্ৰমশঃ আচ্ছন্ন হৈ আহিব লাগিছে, কোনো অস্ত্ৰৰে ৰেপি ৰেপি কোনোবাই কাটিব লাগিছে শৰীৰ, চিটিকি পৰিছে ফোঁৱাৰাৰ দৰে তাইৰ শৰীৰৰ তেজ।

দুহাত যোৰ কৰি ভগৱানৰ ওচৰত তাইৰ নতজানু হৈ প্ৰাৰ্থনা কৰিবৰ মন যায় – হে ভগৱান, মোক প্ৰেম নিদিবা।

বন্ধ ৰুমৰ সোঁমাজত থিয় হৈ শৰীৰৰ পৰা এখন এখনকৈ নিৰ্মলাই কাপোৰবোৰ খুলি দিলে। পেড লগোৱা বক্ষ-বন্ধনী খুলি দুহাতেৰে চুই চালে বুকুখন। প্ৰেমে এই শূন্যতা অতিক্ৰম কৰিব পাৰিবনে ?

দুচকু চুই চালে নিৰ্মলাই, যন্ত্ৰণাৰ চকুলোত তিতি আছে। আৰু এটা প্ৰশ্ন আহি ঠেকা খালে নিৰ্মলাৰ বুকুত ঃ সত্যৰ সৈতে মুখামুখি হ'বলৈ প্ৰেমে মানুহক সাহস যোগাব পাৰে নে ?

হঠাতে নিৰ্মলাৰ অনুভৱ হ'ল ঃ অকল কাপুৰুষকে সাহসৰ প্ৰয়োজন হয়। যাৰ কোনো শঙ্কা নাই, ভয় নাই, তাক আকৌ সাহসৰ কি প্ৰয়োজন।

সাহসৰ আস্ফালনৰ তেতিয়াই প্ৰয়োজন হয়, যেতিয়া সত্যৰ সৈতে মুখামুখি হ'বলৈ মানুহৰ ভয় হয়। আস্ফালন সিমানেই তীব্ৰ হয়, যিমানেই সত্যক, মুখামুখি হোৱাৰ ভয়ত দূৰলৈ ঠেলি দিয়াৰ প্ৰয়োজন হয়। সাহসৰ পৰিচয় দিব খোজা প্ৰতিজন মানুহেই প্ৰকৃততে একোজন কাপুৰুষ। বীৰক সাহসৰ প্ৰয়োজন নাই; কাৰণ বীৰৰ কোনো ভয় নাই।

নিৰ্মলাই হঠাতে আৱিষ্কাৰ কৰিলে ঃ নিজৰ সৈতে মুখামুখি হ'বলৈ তাইক সাহসী হোৱাৰ প্ৰয়োজন নাই। তাই মাথো হ'ব লাগিব ভয়শূন্য।

ভয়শূন্যতাইহে অকল নিৰ্মলাক লৈ যাব পাৰে তাইৰ 'নিজৰ' ওচৰলৈ। সত্যৰ ওচৰলৈ। সত্যৰ পৰা দূৰত্বত অৱস্থান কৰি জীয়াই থকাটো অকল অপৰাধেই নহয় ঃ পাপ। ঘৃণনীয় পাপ।

পাপী হৈ জীয়াই থকাৰ নিৰ্মলাৰ কোনো বাসনা নাই।

## দহ

## ধৰ্ষণ

চহৰৰ পৰা উত্তেজনাপূৰ্ণ খবৰ এটা লৈ এই অলপ আগতে ভবতোষ আহি পাইছে। ধূলিময় হোৱা চপ্পলযোৰ বিছনাৰ তললৈ দলি মাৰি দি ভবতোষে মোৰ মুখলৈ চাই সুধিলে – অৰ্ঘ্যাক মনত আছেনে ?

– অৰ্ঘ্যা ?

– পাহৰিলাই নে। আগতে অৰ্ঘ্যা কটকী আছিল; এতিয়া অৰ্ঘ্যা বৰুৱা হ'ল।

হঠাতে মনত পৰি গ'ল মোৰ অৰ্ঘ্যাৰ কথা। কলেজত সম্ভৱ আমাতকৈ এবছৰ চিনিয়ৰ আছিল। সুন্দৰ, অলস চেহেৰা, কথা ক'লে মধুৰভাৱে দুই চকুয়ে হাঁহি থাকে। কোনো কোনো নাৰী থাকে, যাৰ ছদ্মবেশী ভাই হৈ ল'ৰাবোৰে নিজকে ধন্য মানে, প্ৰায় অৰ্দ্ধ-প্ৰেমিকৰ অৱস্থা। অৰ্ঘ্যা তেনে এক নাৰী।

সুধিলো ভবতোষক – কি হ'ল অৰ্ঘ্যাৰ !

– ইণ্টাৰেষ্টিং, তোমাৰ উপন্যাস যদি এতিয়াও শেষ হোৱা নাই, মাজতে ক'ৰবাত ভৰাই দিব পাৰা । অৱশ্যে তোমাৰ নায়িকাৰ দৰে এটা স্তন নথকা নহয়; দুইটা স্তনেই আছে । আৰু ভালকৈ আছে ।

মই হাঁহি হাঁহি ক'লো – স্তন থাকিলেও উপন্যাসৰ নায়িকা হোৱাত বাধা নাই । স্তনহীনতা নায়িকা হোৱাৰ কোৱালিফিকেচন নহয় । অৱশ্যে এটা কথা ঠিক, সোঁমাজত, মানুহৰ মনত ক'ৰবাত কিবা এটা শূন্যতা আছে বাবেই সাহিত্য আছে । ঈশ্বৰৰ স্বৰ্গত সাহিত্যৰ প্ৰয়োজন নাই । ...... বাৰু বাদ দিয়া, অৰ্ঘ্যাৰ কথা কোৱা ।

ছিগাৰেট এটা জ্বলাই লৈ ভবতোষে ক'বলৈ আৰম্ভ কৰিলে – অৰ্ঘ্যাক আজি মৃদুলে ৰেপ্ কৰিব খুজিছিল । ধৰ্ষণ । বলাৎকাৰ !

– কি ?

পৃথিৱীৰ আটাইতকৈ আশ্চৰ্যকৰ খবৰটো যেন মোক এইমাত্ৰ ভবতোষে দিলে । মোৰ তেনেকুৱা লাগিল । অৰ্ঘ্যাতকৈ কিজানি দহ বছৰৰ সৰু মৃদুল, ফুল-কুমলীয়া ল'ৰা এটা । বিস্ময়কৰ !

মূৰটো দুপিয়াই দুপিয়াই ভবতোষে ক'লে – ইয়েছ ভাইজান, ৰেপ । ধৰ্ষণ । কথাটো পৰিষ্কাৰকৈ কওঁ শুনা । প্ৰকৃততে অৰ্ঘ্যাই মৃদুলক পোহনীয়া প্ৰেমিকৰ দৰে পুহি ৰাখিছিল । অৰ্ঘ্যাৰ মাজে মাজে দুই এটা ৰহস্যময় হাঁহি, অৰ্থবহ দুই এটা চাৱনিয়ে বেচেৰা মৃদুলক কাবু কৰি ৰাখিছিল । আৰু মৃদুলৰ প্ৰেমসিক্ত মুগ্ধতা মনে মনে উপভোগ কৰিছিল অৰ্ঘ্যাই । অৰ্ঘ্যাৰ 'ইগো' সন্তুষ্ট ৰখাৰ বাবে মৃদুলৰ মুগ্ধতাৰ প্ৰয়োজন আছিল । অৰ্ঘ্যাই চাগে ভাগিছিল তাইৰ ৰহস্যময় হাঁহি, মৌন চাৱনিৰে নিৰাপদ দূৰত্বৰ পৰাই কাবু কৰি ৰাখিব মৃদুলক আৰু মনে মনে উপভোগ কৰিব তাৰ মুগ্ধতা । কিন্তু মৃদুলে আজি সেই দূৰত্ব অতিক্ৰম কৰি মিচেছ অৰ্ঘ্যা বৰুৱাক সাবটি ধৰিছিল । এন এটেম্পেটেড ৰেপ ।

– তাৰ পিছত ?

মই সুধিলো ।

শেষ হৈ যোৱা ছিগাৰেটটো বিছনাৰ তললৈ দলিয়াই দি ভবতোষে অন্যমনস্কতাৰে ক'লে – তাৰ পিছত কি হ'ল সেয়া আৰু প্ৰয়োজনীয় নহয় । কিন্তু অৰ্ঘ্যাৰ ঘটনাটোৱে মোৰ মনত পেলাই দিছে অন্য এক কথা । আমি, শব্দৰ বেহা কৰা লেখক, সাহিত্যিকবোৰৰ কথা ।

– অৰ্ঘ্যাৰ লগত লেখকৰ সম্বন্ধ ক'ত ?

– আছে । বহুতো জনপ্ৰিয় লেখকে এই সময়ত আশ্চৰ্যকৰ নীৰৱতা অৱলম্বন কৰিছে । আচলতে এতিয়াও তেওঁলোকে ভয়শূন্যতাৰ স্তৰলৈ উঠিব পৰা নাই । তেওঁলোকৰ ভয় হ'ল কিজানি সত্য উন্মোচন কৰি দিলে ইমান দিনে তেওঁলোকৰ 'ইগো' সন্তুষ্ট কৰি ৰখা মুগ্ধ স্তাৱকৰ সংখ্যা দ্ৰুতগতিত কমি আহে ! কি ঠিক কিজানি সেই স্তাৱকৰ মাজতেই মৃদুলৰ দৰে অন্ধ ভক্তও আছে ! আচলতে এওঁলোক সকলো অৰ্ঘ্যাৰ দৰে ঃ ৰহস্যময় হাঁহি, আৰু মৌন চাৱনিৰে যিয়ে মৃদুলৰ দৰে কমবয়সীয়া প্ৰেমিক পুহি ৰাখিব খোজে । বাই দি ওৱে, তোমাৰ উপন্যাসৰ নায়িকাৰ কোনো প্ৰেমিক আছে নে ? ৰহস্যময় হাঁহি এটা মাৰি মই ক'লো – আছে ।

– কোন ?

এজন কাল্পনিক প্ৰেমিক । উপন্যাসত এতিয়া নিৰ্মলাৰ সেই প্ৰেমিকৰ লগতেই মুখামুখি হোৱাৰ সংগ্ৰাম চলিছে । নিৰ্মলাই আৱিষ্কাৰ কৰিছে ঃ সত্যৰ পৰা দূৰত্বত কোনো প্ৰেমেই সম্ভৱ নহয় । সেয়া প্ৰেমিকৰ প্ৰতি প্ৰেমেই হওক বা, দেশৰ প্ৰতি প্ৰেমেই হওক বা মানুহৰ প্ৰতি প্ৰেমেই হওক !

– ওন্দাৰফুল !

## এঘাৰ
## প্ৰস্তাৱ

ককায়েক শিবানন্দই নিৰ্মলাৰ বাবে লৈ আহিছে সেই শেষ প্ৰস্তাৱটো ঃ নিৰ্মলাৰ বিয়াৰ প্ৰস্তাৱ । নে মৃত্যুৰ প্ৰস্তাৱ নিৰ্মলাৰ !

বন্ধ ৰুমৰ ভিতৰত নগ্ন হৈ নিৰ্মলাই নিজকে নিৰীক্ষণ কৰি আছিল ঃ যেন হাতত চিপৰাং লৈ খান্দি আছিল তাই এখন ঐতিহাসিক চহৰ । ধীৰে ধীৰে ভূগৰ্ভৰ পৰা উন্মোচিত হৈছে খহি পৰা শিলৰ দেৱাল, চূৰ্ণ-বিচূৰ্ণ হোৱা মৃন্ময় পাত্ৰ অথবা কোনো ৰজাৰ দিনৰ অচল মুদ্ৰা ! আজি আৰু সেইবোৰৰ একো দাম নাই !

চিপৰাং খনেৰে নিৰ্মলাই আৰু এটা মাটিৰ তৰপ খান্দিছিল, ভূগৰ্ভৰ ভিতৰত অন্ধকাৰ, এইখিনিতে যেন থাকিব লাগিছিল এখন বিশাল বাগান অথবা এটা মনোৰম হ্ৰদ; কিন্তু তাৰ পৰিবৰ্তে এয়া এটা অন্ধকাৰ গুহা, মকৰা জালে চানি ধৰা, শব্দ কৰিলে শূন্যতাৰ পৰা ঘূৰি আহে শব্দবোৰ অট্টহাস্য হৈ ।

শব্দটো হঠাতে কাণত পৰিছিল নিৰ্মলাৰ । স্কুটাৰৰ শব্দ । এইখিনি সময়ত স্কুটাৰৰ শব্দ প্ৰত্যাশিত নহয় । শিবানন্দ সদায়ে আহে দোভাগ ৰাতি । আজি ৰাতিপুৱাই ফৰেষ্টৰ ফালে ওলাই গৈছিল শিবানন্দ । হয়তো কাম হৈ গ'ল । সোনকালে ঘূৰি আহিছে ।

পৰি থকা ডাঠ সেউজীয়া পৰ্দাখনৰ ফাঁকেৰে নিৰ্মলাই ৰাস্তাৰ ফালে ভুমুকি মাৰি চালে হয়, শিবানন্দ আহিছে ।

নিজৰ নগ্নতাত নিৰ্মলা সন্ত্ৰস্ত হৈ উঠিল । ঘৰৰ সন্মুখত আহি ৰৈ যোৱা স্কুটাৰখনৰ শব্দতহে যেন তাই আৱিষ্কাৰ কৰিলে ঃ তাইৰ শৰীৰত এই মুহূৰ্তত কোনো কাপোৰ নাই ।

নগ্নতা তেনেহ'লে কি প্ৰকৃততে এটা আপেক্ষিক ধাৰণা কাৰণ দ্বিতীয় শব্দ অথবা দৃষ্টিয়েহে ইয়াৰ প্ৰতি মানুহক সচেতন কৰি তোলে ? এই শব্দ আৰু দৃষ্টিক অতিক্ৰম কৰিও নগ্নতাৰ এটা ধ্ৰুব ধাৰণা থকা উচিত, নহ'লে শব্দৰ আস্ফালন আৰু দৃষ্টিৰ প্ৰভাৱেৰে যিকোনো মানুহে নগ্নতাৰ ধাৰণা নিয়ন্ত্ৰণ কৰিব পাৰিব ।

নগ্নতা সত্যৰ দৰে ঃ শব্দৰ আস্ফালন আৰু হাজাৰজনৰ বিৰুদ্ধে দৃষ্টিৰ সন্মুখতো যি শাশ্বত, স্থিৰ ।

ভৰিৰ ওচৰত পৰি থকা শাৰী, ব্লাউজ, বক্ষবন্ধনী হাতেৰে খেপিয়াই আশ্চৰ্যকৰ ক্ষিপ্ৰতাৰে নিৰ্মলাই পিন্ধি ল'লে । কাপোৰ পিন্ধাৰ পিছত নিৰ্মলাৰ অনুভৱ হ'ল ঃ এয়া এক ভিন্ন নিৰ্মলা – এক মুহূৰ্তৰ আগৰ নিৰ্মলাৰ লগত যাৰ কোনো মিল নাই ।

বাহিৰৰ মূল দুৱাৰত সেয়া ককায়েকে টোকৰ মাৰিছে । স্কুটাৰৰ শব্দ বন্ধ হৈ গৈছে । মালতীয়ে দুৱাৰখন খুলি দিয়া নাই কিয় !

দৌৰাদৌৰিকৈ টেবুলৰ ওপৰত পৰি থকা আয়নাখনত মুখখন চাই ল'লে নিৰ্মলাই । মুখখনেই মানুহৰ পৰিচয় । কি বিস্ময়কৰ ভাবে অসত্য কথাষাৰ !

সৰু আয়নাখনত প্ৰতিবিম্বিত মুখখন চালে নিৰ্মলাই । এইখন মুখ সঁচাকৈয়ে তাই প্ৰকৃততে যিজনী ছোৱালী, সেইজনী ছোৱালীৰ হয়নে । কোনো আয়নায়ে চাগে প্ৰকৃততে কোনো মানুহৰ অবিকল প্ৰতিবিম্ব দাঙি ধৰিব নোৱাৰে । সৰু আয়নাখনত প্ৰতিবিম্বিত হোৱা এই মুখখনো প্ৰকৃততে নিৰ্মলাৰ নহয় ঃ সেইখন এই মুহূৰ্তত ককায়েকৰ আগত ওলাবলগীয়া নিৰ্মলাৰ 'এখন' মুখহে । তাইৰ এই মুখৰ ভাঁজ, দুচকুৰ দৃষ্টি – এই মুহূৰ্তত নিয়ন্ত্ৰণ কৰিছে বাহিৰৰ দুৱাৰত টুকুৰিয়াই থকা ককায়েক শিবানন্দৰ উপস্থিতিয়ে ।

হঠাতে নিৰ্মলাই আৱিষ্কাৰ কৰিলে ঃ যিখন মুখৰ ভাঁজ, ভঙ্গিমা অইনৰ দৃষ্টিয়ে নিয়ন্ত্ৰণ কৰে, সেইখন তাইৰ প্ৰকৃত মুখ নহয় । তাৰ আঁৰতো নিৰ্মলাৰ এখন প্ৰকৃত মুখ আছে । সেই মুখখনেই তাইৰ বাবে 'সত্য' ।

বন্ধ ৰুমৰ দুৱাৰখন খুলি বাহিৰলৈ ওলাই আহিল নিৰ্মলা । ইতিমধ্যে ঘৰৰ মূল দুৱাৰখন খুলি দিছে মালতীয়ে । ড্ৰয়িং ৰুমৰ উৱলি যোৱা পুৰণি চোফাখনত বহি পৰিছে ককায়েক শিবানন্দ, ফৰেষ্টৰ ধূলিয়ৰি ৰাস্তাৰ চিহ্ন বিদ্যমান পোছাকত, চুলিও অবিন্যস্ত ।

ক্লান্ত স্বৰেৰে ককায়েকে মূৰ তুলি সুধিলে – ভাত হ'বনে ? কি বিষন্ন এই স্বৰ !

পুতৌ উপজি গ'ল নিৰ্মলাৰ ককায়েকৰ ওপৰত । মাক-দেউতাকৰ মৃত্যুৰ পিছত এই শিবানন্দই তাইক ডাঙৰ কৰিছে । কোনো দিনে মুখ খুলি নক'লেও নিৰ্মলাই জানে – তাইৰ বাবেই ককায়েকে বিয়া নকৰোৱাকৈ আছে । তাইৰ বিয়া হৈ গ'লেই শিবানন্দই বিয়া পাতিব । কিন্তু নিৰ্মলাই জানে তাইৰ বিয়া কেতিয়াও নহয় ।......

নিৰ্মলাই ক'লে – নহ'ব কিয় আকৌ । তই মুখ-হাত ধুই ল । মই চাইছো ।

মালতীক বিচাৰি নিৰ্মলা ভিতৰলৈ সোমাই গ'ল । খোলা চেণ্ডেলযোৰ হাতত লৈ শিবানন্দ তাৰ ৰুমত সোমাল । অলপ পিছতে নিৰ্মলাই শুনিবলৈ পালে বাথৰুমত বালটিৰ পৰা ককায়েকে পানী ঢালি আছে ।

কি এক মধুৰ মমতাৰে ককায়েকৰ প্ৰতি নিৰ্মলাৰ মনটো কোমল হৈ উঠিল । চল্লিশ বছৰ বয়সতো এজন নিঃসঙ্গ, বিষণ্ণ মানুহ । কিহৰ জানো তাড়নাত ইমান পৰিশ্ৰম কৰে । এই দুপৰলৈকে এতিয়াও ভাত খোৱাৰ অৱকাশ হোৱা নাই !

গামোচাৰে মূৰটো মচি মচি শিবানন্দ ডাইনিং টেবুলখনত বহি পৰিল । সকলো সজাই দি এনেয়ে ওচৰত ৰৈ থাকিল নিৰ্মলা ।

হঠাতে নিৰ্মলাৰ ককায়েকক ইমান বেলেগ বেলেগ লাগিছে । কেতিয়াবা শিবানন্দই মিলৰ পৰা মদ খাই ৰাতি দুপৰত ঘৰ ওলায়হি । থৰক-বৰক খোজ, মুখত কিবা এক চেপি ৰখা হিংস্ৰ অভিব্যক্তি ।

অথচ কি আশ্চৰ্যকৰ ভাবে কোমল আৰু স্নেহময় এই মুখ । প্ৰকৃততে চৌপাশৰ পৰিবেশৰ লগত সংগতি ৰাখি স্বয়ংক্ৰিয়ভাবে সলনি হৈ যায় ডিঙিৰ ওপৰত লাগি থকা মানুহৰ মুখ ।

শিবানন্দই মূৰ তুলি নিৰ্মলাৰ মুখলৈ চালে । বয়সৰ বিষণ্ণতা আৰু ক্লান্তিৰ চাপ আৰু পালন কৰিব নোৱৰা দায়িত্বৰ ভৰত যেন ভাৰাক্ৰান্ত মুখ, দুচকুত অপ্ৰস্তুত আকুটি ।

শিবানন্দই ক'লে – তোৰ লগত কথাটো ভালকৈ পাতিম বুলিয়েই সোনকালে ঘৰলৈ আহিলো ।

কঁপি উঠিল নিৰ্মলা ।

মুখেৰে কোনো শব্দ নকৰাকৈয়ে দুচকুৰে নিৰ্মলাই সুধিলে – কি কথা ।

– তোৰ বিয়াৰ কথাটো । তই সদায়ে কিবা নহয় কিবা এটা অজুহাত দেখুৱাই পিছুৱাই আছ । মোৰ দায়িত্বৰ কথাটোও চিন্তা কৰি চা । ল'ৰা এটা আছে । নিজেই প্ৰস্তাৱ দিছে । অপছন্দ হ'লে বিয়া হ'ব নালাগে । তই মাথো ক তোৰ বিয়াৰ বিষয়ত মই আগবাঢ়িব পাৰো নে ? তই প্ৰথমে বিয়াত বহিম বুলি ক তাৰ পিছত মই ল'ৰাটোক মাতি দিম । আজি ভাবি চা । কাইলৈ মোক তোৰ মতামতটো জনাবি ।

জুখি-মাখি কোৱা শিবানন্দৰ কথাখিনি শুনাৰ পিছত একে ঠাইতে নিথৰ হৈ থিয় হৈ ৰ'ল নিৰ্মলা । তাইৰ এনেকুৱা লাগিল, আৰু যেন অলপ পিছতে হাজাৰ হাজাৰ দৰ্শকৰ সন্মুখত মঞ্চত থিয় হৈ তাই এখন এখনকৈ শৰীৰৰ পৰা সকলো কাপোৰ খুলি দিব লাগিব ।

তাই মুখামুখি হ'ব লাগিব নগ্নতাৰ সৈতে ।

কাইলৈ ।

## বাৰ
## আত্মা

কবিতা এটা লিখাৰ আগমুহূৰ্তত ভবতোষ সদায়ে উত্তেজিত হৈ পৰে আৰু সেই উত্তেজনাৰ চাপ স্পষ্টভাবে ফুটি উঠে তাৰ ৰুক্ষ বিষণ্ণ মুখাৱয়ৱত ।

আজি দুপৰীয়া হঠাতে ক'ৰ পৰা জানো কেইটামান মুহূৰ্তৰ বাবে ভবতোষ আহিছিল । তাৰ মুখৰ ফালে চাইয়েই মই অনুমান কৰিছিলো সি এতিয়া জন্মৰ বাবে ব্যাকুল হৈ পৰা এটা কবিতাৰ সৈতে সহবাস কৰি আছে ।

সুধিছিলো – কিবা লিখাৰ কথা ভাবিছা নেকি ?

ছিগাৰেট এটা জ্বলাই লৈ মোৰ মুখলৈ চাই আছিল ভবতোষ । মই পুনৰায় সুধিছিলো – কবিতাৰ বিষয় কি ?

জোৰ জোৰকৈ ছিগাৰেটটোত কেইটামান হোপা মাৰি ৰৈ গৈছিল ভবতোষ । তাৰ দুচকুত এতিয়াও সেই উত্তেজনাৰ চাপ । আশ্চৰ্যকৰ বিষণ্ণ স্বৰেৰে মোৰ মুখলৈ চাই ভবতোষে কৈছিল – এইমাত্ৰ মই এটা মৃত্যু দেখি আহিলো ।

– মৃত্যু ? কাৰ ?

– মৃত্যু কাৰ সেয়া গুৰুত্বপূৰ্ণ নহয় । ৰেল লাইনৰ কাষত এটা গুলিবিদ্ধ শৰীৰ পৰি আছে । কিছু সময়ৰ বাবে মানুহৰ জুমৰ মাজত থিয় হৈ ময়ো চাই ৰ'লো সেই প্ৰাণহীন শৰীৰৰ শেঁতা পৰা মুখলৈ । ধীৰে ধীৰে এক অদ্ভুত আতঙ্কই মোক গ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে । নাই, এয়া মৃত্যুৰ আতঙ্ক নহয়; 'সেই একেই গুলিয়ে এদিন মোৰ বুকুও বিদ্ধ কৰিব পাৰে' – সেই আতঙ্কতো নহয় । এয়া অন্য এক আতঙ্ক, এক ভীষণ ট্ৰেজেদী । মোৰ হঠাতে অনুভৱ হ'ল ঃ এই অস্বাভাৱিক মৃত্যুৰ সপক্ষেও কাইলৈ মানুহে বলিষ্ঠ যুক্তি আৱিষ্কাৰ কৰিব । বিস্ময়কৰভাবে মানুহ জটিল আৰু বুদ্ধিমান হৈ উঠিছে । যাৰ হাতত শক্তি আছে, তেওঁলোকে যিকোনো মুহূৰ্ততে, যিটো সত্য নহয়, তাক সত্য বুলি প্ৰমাণ কৰাৰ বাবেও যুক্তি দাঙি ধৰিব পাৰে । যদি সেয়েই হয়, তেনেহ'লে সত্যৰ অস্তিত্ব ক'ত ?

পুনৰায় ছিগাৰেট এটা জ্বলাই লৈছিল ভবতোষে । উত্তেজনাত তাৰ দুটা চকু তিৰবিৰাই উঠিছিল । তাৰ গভীৰ বিষণ্ণ দৃষ্টি মোৰ দুচকুত ৰাখি অন্যমনস্কৰ দৰে কৈ গৈছিল – তুমি সুধিছা, কবিতা লিখাৰ কথা ! কি লাভ কবিতা লিখি । ভাবিছিলো মানুহ অমৰ, কাৰণ মানুহৰ আত্মা আছে । সেই আত্মাক জীয়াই ৰাখিবৰ বাবেই আমি কবিতা, গল্প, উপন্যাস লিখিব লাগিব । কিন্তু এতিয়া দেখিছো আত্মাৰ অস্তিত্বয়েই নাই । থাকিলেও তাৰ কোনো সমস্যাই নাই । এক সৰ্বগ্ৰাসী শাৰীৰিক আতঙ্কত নিমজ্জিত হৈ ৰোৱা সকলোৰে সন্মুখত মাথোন এটাই প্ৰশ্ন, এটাই সমস্যা ঃ কোন মুহূৰ্তত আহি সেই গুলিটো তেওঁৰ বুকুত লাগিব । যদি সেয়েই হয় তেনেহ'লে মানুহৰ মৃত্যু অনিবাৰ্য । মৰিশালিত কবিতা লিখাৰ কি প্ৰয়োজন ?

হাতত জ্বলন্ত ছিগাৰেটটো লৈ সৰু ৰুমটোৰ এইফালৰ পৰা সেইফাললৈ ভবতোষে উত্তেজনাত পায়চাৰি কৰি আছিল । হাতত ধৰি তাক মই বিছনাত বহুৱাই দিছিলো । মোৰ ক'বলৈ মন গৈছিল –

ঃ মানুহৰ মৃত্যু মানি ল'বলৈ মই অস্বীকাৰ কৰো । কিন্তু প্ৰেম,

ত্যাগ আৰু অসীম সহিষ্ণুতাৰে মানুহক মৃত্যুঞ্জয় কৰাৰ দায়িত্ব আমাৰেই। শক্তি আৰু বুদ্ধিৰ অহঙ্কাৰত পাহৰি যোৱা প্ৰেম, সততা আদি পুৰণি সত্যবোৰ আমি পুনৰায় নতুনকৈ আৱিষ্কাৰ কৰিব লাগিব। তুমি পুনৰ প্ৰেমৰ কবিতা লেখিব লাগিব। তোমাৰ কণ্ঠস্বৰ হ'ব লাগিব অসত্যৰ প্ৰতি অফুৰন্ত প্ৰতিবাদ। তুমি পক্ষ ল'ব লাগিব অকল সত্যৰ। তাৰ বাবে যি আত্মত্যাগৰ প্ৰয়োজন হ'ব, তাৰ বাবেও তুমি নিজকে সাজু কৰি ৰাখিব পাৰিব লাগিব। এই সকলোবোৰ কাৰণতেই তুমি কবিতা লিখিব লাগিব। আৰু মই গল্প, অথবা উপন্যাস। মুখ ফুটাই মই কৈছিলো : –ও, তোমাক কোৱাই নাই। নিৰ্মলাক লৈ লিখা উপন্যাসখনৰ প্ৰায় অন্তিম পৰিচ্ছদত মই উপনীত হৈছোহি। পঢ়ি চাবা নেকি ?

## তেৰ

## ফুলশয্যা

ইমান দিনে সযতনে লুকুৱাই ৰখা নগ্নতাৰ সৈতে মুখামুখি হোৱাৰ সময় সমাগত হৈছে নিৰ্মলাৰ বাবে। নগ্নতা ইমানেই ভয়াবহ নে যে তাৰ উন্মোচনত আতঙ্কিত হৈ উঠিব লাগে !

অথচ আতঙ্কিত হৈ উঠিছে নিৰ্মলা ! এই প্ৰথম নিৰ্মলাৰ অনুভৱ হ'ল : তাইৰ নগ্নতা প্ৰকৃততে এক গোপন ব্যাধি নহয়। সেয়াই তাইৰ জীৱনৰ অমূল্য সম্পদ যাক ইমান দিনে তাই সযতনে ঢাকি ৰাখিছে। আজি যেন সেই সম্পদ হাতৰ পৰা সৰি পৰাৰ উপক্ৰম হৈছে ! ইয়াৰ পিছত তাইৰ আৰু নিজৰ বুলিবলৈ একোৱেই নাথাকিব। নিৰ্মলা হৈ পৰিব ৰিক্ত, শূন্য, অস্তিত্বহীন।

নগ্নতা সত্যৰ দৰে; সত্যও হাতৰ পৰা পিচলি পৰিলে মানুহ অস্তিত্বহীন হৈ পৰে।

কিমান নিশা হ'ল এতিয়া।

সদায় মাজৰাতি ভৌতিক শব্দৰে পাৰ হৈ যোৱা ৰেলগাড়ীখন উকি মাৰি মাৰি কোন কাহানিবাই পাৰ হৈ গৈছে। আৰু কিজানি কেইটামান ঘণ্টাৰ পিছতে পৃথিৱীত পোহৰ নামিব, আৰু নিৰ্মলাৰ জীৱনলৈ নামি আহিব ঝুপ ঝুপ অন্ধকাৰ। ৰাতিপুৱা নিৰ্মলাই ককায়েক শিবানন্দক ক'ব লাগিব – ঠিক আছে। ল'ৰাজনক মাতি দিবি। মোৰ আপত্তি নাই।

কোন সেই অচিনাকি পুৰুষ, যিয়ে নিজেই আহি নিৰ্মলাৰ বাবে প্ৰস্তাৱ দিছে। কি দেখিছে তেওঁ নিৰ্মলাৰ শৰীৰত ? পেড লগাই আকৰ্ষণীয় কৰি ৰখা তাইৰ স্তনযুগল ! তেওঁতো নাজানে – যিখিনি ঠাইত তাইৰ এইটো বয়সত থাকিব লাগিছিল পৰ্বতৰ চূড়াৰ দৰে উত্তুঙ্গ আৰু গৰিমাময়ী এটা পুষ্ট স্তন, ৰং হ'ব লাগিছিল যাৰ ঘেহুঁ বৰণীয়া; তাৰ বিপৰীতে তাত আছে এক বিশাল শূন্যতা ! প্ৰেমে শূন্যতা অতিক্ৰম কৰিব পাৰে নে ?

কিন্তু প্ৰেম ক'ত ? বিয়াৰ সৈতে প্ৰেমৰ সম্পৰ্ক কোনখিনিত। বিয়া মানেতো হাতত ধৰ্ষণৰ পৰোৱানা লৈ অহা কোনো অহঙ্কাৰী পুৰুষৰ ওচৰত আত্ম-সমৰ্পণ আৰু আত্মসমৰ্পণৰ অন্য নামেইতো মৃত্যু !

নে বিয়া মানে পুৰুষৰ কাম্য হোৱাৰ যোগ্যতা অৰ্জনৰ গৌৰৱ-উৎসৱ ! নে দুয়োটাই।

আজি মাত্ৰ কিছুদিন আগতে মালতীয়ে নিৰ্মলাক কৈছিল – কাঠৰ মিলত কাম কৰা সেই মদপীটোৱে কেনেদৰে চাই থাকে বাইদেউ; চকুলৈ চাবলৈকে ভয় লাগে।



মালতীৰ এই উক্তিৰ অন্তৰালত যেন পুৰুষৰ কাম্য হোৱাৰ যোগ্যতা অৰ্জনৰ গৌৰৱ আৰু ধৰ্ষিতা হোৱাৰ মধুৰ আতঙ্কৰ আভাস নিৰ্মলাই দেখা পাইছিল !

নিৰ্মলাইয়ো তেনে এক আতঙ্ক অনুভৱ কৰিছে নেকি ! ওহো, ইমান সৌভাগ্যৱতী নিৰ্মলা নহয়।

হঠাতে এটা কাল্পনিক ফুলশয্যাৰ ৰাতিৰ কথা নিৰ্মলাৰ মনলৈ আহিল।

...... দিনটোৰ ব্যস্ততা, কোলাহলৰ শেষত কোনোবাই হেঁচি থেলি নিৰ্মলাক এটা সুগন্ধিময়, সুশোভিত কোঠালিৰ ভিতৰত সুমুৱাই দিছে। কোঠালিৰ ভিতৰত প্ৰৱেশ কৰাৰ লগে লগেই নিৰ্মলাই আৱিষ্কাৰ কৰিছে : দেহজ মিলনৰ এই প্ৰস্তুতি পৰ্বক সাত্ত্বিকতাৰ স্পৰ্শ দিয়াৰ অন্তৰালতো মানুহৰ সত্যক অস্বীকাৰ কৰাৰ এটা প্ৰৱণতা আছে। সৃষ্টিৰ মুহূৰ্ততে মানুহ অভিশপ্ত। মানুহে ধৰি লয়; সত্য হ'ল – প্ৰেম দেহজ আৰু দেহজ প্ৰেম পাপ, সেয়েহে সাত্ত্বিকতাৰে ঢাকি ৰাখি তাক দৃষ্টিনন্দন কৰাৰ প্ৰয়োজন আছে। বিয়া যেন নিৰ্মলাৰ বুকুত ওলমি ৰোৱা বক্ষ-বন্ধনী; যিয়ে বক্ষস্থলৰ নগ্নতাক দৃষ্টিনন্দন কৰি ৰাখে।......

কিন্তু নিৰ্মলাই হঠাতে আৱিষ্কাৰ কৰিছে; প্ৰকৃত সত্য হ'ল : প্ৰেম দেহজ নহয়; কোনো কোনো বিশেষ মুহূৰ্ততহে প্ৰেম দেহজ হৈ উঠে। সেই মুহূৰ্ততো প্ৰেম নিষ্কলুষ; সেয়েহে তাৰ বাবে কোনো আভৰণৰ প্ৰয়োজন নাই।

কিন্তু নিৰ্মলাৰ বাবে প্ৰেম ক'ত !

...... ফুলশয্যাৰ ৰাতি বন্ধ কোঠালিৰ ভিতৰত এয়া কোনো অচিনাকি পুৰুষৰ বাবে নিৰ্মলাই অপেক্ষা কৰি আছে। হাতত ধৰ্ষণৰ পৰোৱানা লৈ কোন এই অচিনাকি পুৰুষ ৰুমৰ ভিতৰলৈ সোমাই আহিছে, তেওঁৰ হাত যেন কোনো বনৰীয়া জন্তুৰ হাতোৰা, এখন এখনকৈ নিৰ্মলাৰ শৰীৰৰ পৰা সৰি পৰিছে আচ্ছাদন, চাদৰ, ব্লাউজ আৰু এয়া বক্ষ-বন্ধনী ......

অপ্ৰত্যাশিত এটা নিৰ্মম চাবুকৰ কোবৰ দৰে হঠাতে সেই অচিন পুৰুষৰ দুচকুৰ সন্মুখত উন্মোচিত হৈছে নিৰ্মলাৰ বাওঁ বুকুৰ বিভৎস শূন্যতা !

নাই, তেনে এক চৰম মুহূৰ্তৰ আগতেই নিৰ্মলাই সত্যৰ উন্মোচন কৰিব। যিকোনো মানুহৰ বাবেই এয়া এক ভয়ঙ্কৰ সিদ্ধান্ত, নিজকে নিজহাতে ভাঙি-চিঙি চূৰমাৰ কৰি দিয়াৰ দৰেই ভয়াবহ। অথচ অলপ গভীৰভাৱে চালেই বুজিব পাৰি – যি ভাঙি-ছিঙি চূৰমাৰ হ'ব, সেয়া প্ৰকৃত মানুহজন নহয়; সেয়া কোনো মানুহৰ দাপোণত প্ৰতিফলিত হোৱা প্ৰতিবিম্বহে !

কোনো পুৰুষৰ সন্মুখত যদি এগৰাকী নাৰী হিচাপে কেতিয়াবা থিয় হ'ব লাগে, তেনেহ'লে নিৰ্মলাই প্ৰকৃত নাৰীগৰাকী হৈয়েই থিয় হ'ব; কোনো প্ৰতিবিম্ব হৈ নহয়।

নিৰ্মলাই অৱশেষত এই কঠোৰ সিদ্ধান্তত উপনীত হ'ল। বিছনাৰ পৰা জাঁপ মাৰি উঠি তাই লাইটৰ চুইচটো অন কৰি দিলে। পোহৰেৰে ভৰি পৰিল শেষ ৰাতিৰ ৰুমটো।

পেনটো উলিয়াই লৈ সেই অচিন পুৰুষলৈ নিৰ্মলাই তাইৰ জীৱনৰ আটাইতকৈ ভয়ঙ্কৰ চিঠিখন লিখিলে। অকপটে তাই লিখিলে : তাইৰ এটা স্তন নাই।

## চৈধ্য

## মানুহজন

ড্ৰয়িং ৰুমৰ ভিতৰত সুমুৱাই ৰখা স্কুটাৰখন ৰাতিপুৱা বাহিৰলৈ উলিয়াবৰ সময়ত ককায়েক শিবানন্দই ওচৰত থিয় হৈ ৰোৱা নিৰ্মলাৰ মুখলৈ চালে। নিৰ্মলাৰ শৰীৰৰ ওপৰত এতিয়া এনেকুৱা এখন মুখ লাগি আছে, যিখন দেখিলে অনুমান কৰিব নোৱাৰি যে এটা বিধ্বস্ত ৰাতি তাই পাৰ কৰি দিছে।

আধা পকা চুলি আৰু দাড়িৰে হঠাতে অদ্ভুত বিষণ্ণ যেন লগা ককায়েকে কিবা এটা সোধাৰ আগে আগে নিৰ্মলাই তাইৰ জীৱনৰ আটাইতকৈ ভয়ঙ্কৰ চিঠিখন আগবঢ়াই দিলে – এই চিঠিখন সেই মানুহজনক দিবি। যিজনে বিয়াৰ প্ৰস্তাৱ দিছিল। ইয়াতেই মোৰ ক'বলগীয়াখিনি, মোৰ মতামত সকলো আছে।

নিজৰ কণ্ঠত ফুটি উঠা দৃঢ়তাৰ বাবে নিৰ্মলা নিজেই বিস্ময়াভিভূত হৈ পৰিল। নাই, এতিয়া আৰু কোনো জড়তা নাই। কোনো দিনে কিজানি নিৰ্মলাই জীৱনত নিজকে ইমান শক্তিশালী বুলি অনুভৱ কৰা নাছিল। তাই নিশ্চিত ! ইয়াৰ পিছত আৰু সেই অচিনাকি পুৰুষে বিয়াৰ প্ৰস্তাৱ দূৰৈৰ কথা, তাইক লৈ কোনোদিনে ভুলতেও সপোন দেখাৰ কথা ভাবিব নোৱাৰিব। নিৰ্মলাৰ এনেকুৱা লাগিল যেন তাইৰ বুকুৰ বাওঁফালৰ শূন্যতাইয়ে পুৰুষৰ বিৰুদ্ধে ব্যৱহাৰ কৰিব পৰা আটাইতকৈ শক্তিশালী অস্ত্ৰ।

চাৰ্টৰ পকেটত চিঠিখন ভৰাই লৈ মুখেৰে কোনো শব্দ নকৰাকৈয়ে শিবানন্দই স্কুটাৰত ষ্টাৰ্ট দিলে। বাৰাণ্ডাত বহু সময় ধৰি থিয় হৈ ৰ'ল নিৰ্মলা হঠাতে অপসৃয়মান স্কুটাৰখনত উঠি যোৱা ককায়েকৰ চাৰ্টৰ জেপৰ চিঠিখনৰ কথা ভবাৰ লগে লগে নিৰ্মলাৰ অনুভৱ হ'ল : তীব্ৰ বেগত আহি থকা ৰেলগাড়ী এখনৰ সন্মুখত থিয় হৈ আছে তাই। আৰু মাত্ৰ কেইটামান চেকেণ্ডৰ কথা। তাৰ পিছতেই হাত-ভৰি-মূৰ ছিন্ন-ভিন্ন হৈ তাই পৰিবৰ্তিত হ'ব টুকুৰা টুকুৰ মাংসপিণ্ডলৈ।

ক'লৈ গৈ আছে স্কুটাৰখন ? কোন সেই অচিনাকি পুৰুষ যিজনে নিৰ্মলাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছিল। আৰু মাত্ৰ কেইটামান মুহূৰ্তৰ পিছতে সেইজন মানুহেই হ'ব এই পৃথিৱীৰ প্ৰথম মানুহ যিজনে জানিব ইমান দিনে সযতনে গোপন কৰি ৰখা নিৰ্মলাৰ গোপনতম খবৰ। মানুহজনক নেদেখাকৈয়ে তেওঁৰ সন্মুখত নগ্ন হ'ব নিৰ্মলা – যেন এটা অন্ধকাৰ প্ৰেক্ষাগৃহ, মঞ্চত আহি পৰিছে এটা সৰু অথচ তীব্ৰ পোহৰৰ ৰেখা, সেই পোহৰত শৰীৰৰ সমস্ত সম্পদ আৰু সমস্ত শূন্যতা নিৰাভৰণ কৰি থিয় হৈ আছে নিৰ্মলা, প্ৰেক্ষাগৃহৰ অন্ধকাৰত বিলীন হৈ আছে উৎসুক দৰ্শকৰ মুখ !

পশ্চিমৰ ফালৰ পৰা ঝুক্ ঝুককৈ আঠ বজাৰ পেছেঞ্জাৰখন আগবাঢ়ি আহিছে। দূৰৈত বিলীন হৈ যোৱা স্কুটাৰৰ শব্দৰ সলনি যেন ক্ৰমশঃ ডাঙৰ হৈ আহিছে ৰেলগাড়ীৰ শব্দ। কি আশ্চৰ্যকৰ ভাৱে হঠাতে ৰেলগাড়ীৰ ছন্দময় ধ্বনি ৰূপান্তৰিত হৈছে শক্তিশালী চুম্বকলৈ।

– বাইদেউ, ভাত লগাম নে ?

ঘৰৰ ভিতৰৰ পৰা মালতীয়ে সুধিলে। সম্বিত ঘূৰাই পালে নিৰ্মলাই। পুনৰ দৃঢ় কৰি ল'লে নিজকে তাই। ইমান সময়ে হয়তো স্কুটাৰখন গৈ বৈছে সেই অচিনাকি পুৰুষজনৰ ঘৰত। পৰম কৌতূহলেৰে মানুহজনে চিঠিখন খুলিছে। আৰু চাবুকৰ নিৰ্মম কোব খোৱা মানুহৰ দৰে বিকৃত হৈ পৰিছে তেওঁৰ মুখ।

ককায়েক শিবানন্দকো তেওঁ কিবা ক'ব নেকি ? অৱশ্যে নিৰ্মলাই দঢ়াই দঢ়াই লিখিছে তাইৰ শৰীৰৰ সেই গোপন খবৰ তেওঁৰ বাহিৰে যেন পৃথিৱীৰ আৰু কোনেও নাজানে।

ন বাজিবলৈ পোন্ধৰ মিনিট থাকোতে নিৰ্মলা ঘৰৰ পৰা ওলাল। ৰাস্তাত ভৰি দিয়াৰ লগে লগেই হঠাতে তাইৰ মনত খেলাই গ'ল : বক্ষ-বন্ধনীত তাই যিমানেই পেড নলগোৱাক কিয়,

অন্ততঃ এতিয়া এজন মানুহে জানে যে তাইৰ বুকুৰ বাওঁফালে যিখিনি ঠাইত থাকিব লাগিছিল স্তন, সেইখিনি ঠাই উকা, সমতল।

কিন্তু কোন সেইজন মানুহ !

অন্ততঃ ককায়েকক এই কথাষাৰ তাই সোধাটো উচিত আছিল ! নিৰ্মলাই বুজি পালে তাইৰ ভুলৰ বাবেই – এই মুহূৰ্তৰ পৰাই যেতিয়াই কোনো পুৰুষৰ তাই সন্মুখীন হ'ব, তাইৰ এনেকুৱা লাগিব যেন সেইজন পুৰুষৰ চাৰ্টৰ পকেটতে তাই লিখা সেই ভয়ঙ্কৰ চিঠিখন আছে।

নিৰ্মলাই স্কুল যেতিয়া পালে, প্ৰাৰ্থনা সঙ্গীত আৰম্ভ হৈ গৈছে। স্কুলৰ পতাকাৰ চৌপাশে থিয় হৈ ইউনিফৰ্ম পৰিহিতি কণ কণ ল'ৰা-ছোৱালীবোৰে সমস্বৰে যীশুক প্ৰাৰ্থনা কৰিছে। দুই চকু মুদি মগ্ন মাথিউজে আকাশৰ ফালে চাই আছে।

চুপ চাপ গৈ নিৰ্মলাই মেথিউজৰ ওচৰত থিয় হ'ল। দুই চকু মুদি তায়ো ভগৱানৰ ওচৰত মৌন কণ্ঠেৰে প্ৰাৰ্থনা জনালে – হে ভগৱান, সততাৰ বাবে মই যেন কেতিয়াও কাৰো হাঁহিয়াতৰ পাত্ৰ হ'বলগীয়া নহওঁ। সততাৰ বাবে মই কেতিয়াও কাৰো পৰা একো প্ৰতিদান আশা নকৰো, কিন্তু তাৰ বাবে যেন মোৰ জীৱন বিষময় নহয়।

নিৰ্মলা যে কাষত গৈ থিয় হৈছেগৈ, সেই কথা চাগে মিছ মাথিউজে গম পোৱা নাই। মাথিউজে বহুদিন আগতে কোৱা এষাৰ কথা হঠাতে নিৰ্মলাৰ মনলৈ আহিল – সত্য আৰু ঈশ্বৰৰ মাজত একো পাৰ্থক্য নাই। তুমি সত্যৰ কাষ চাপিবলৈ চেষ্টা কৰা, তুমি ঈশ্বৰক আৱিষ্কাৰ কৰিবা। নিজৰ মাজত ঈশ্বৰৰ সন্ধানেই হ'ল প্ৰকৃততে মানুহৰ সভ্যতাৰ ইতিহাস। প্ৰেম ঈশ্বৰ-সন্ধানৰ পথ।

তাৰ পিচত প্ৰায় গোটেই দিনটো সেই কণ কণ ল'ৰা-ছোৱালীবিলাকৰ মাজত নিৰ্মলাই কটাই দিলে। বাৰে বাৰে তাই পাহৰিবলৈ চেষ্টা কৰিলে ককায়েকৰ হাতত ৰাতিপুৱাই দিয়া সেই ভয়ঙ্কৰ চিঠিখনৰ কথা। যেন চিঠি নহয়, বন্ধ বাকচৰ ভিতৰত প'লিথিন কাকতত মেৰিয়াই পঠিয়াই দিয়া তাইৰ নগ্ন শৰীৰ।

স্কুলৰ শেষ ঘন্টা পৰাৰ পিছত আজি আৰু এক মুহূৰ্তৰ বাবেও নিৰ্মলাৰ স্কুলখনত থাকিবলৈ ইচ্ছা নহ'ল। যিমান সোনকালে পাৰি সিমান সোনকালে গৈ তাই যেন তাইৰ ঘৰৰ বন্ধ ৰুমৰ আশ্ৰয় লোৱাৰ প্ৰয়োজন। মিছ মাথিউজৰ বাবে বৈ থকাৰ কথাও নিৰ্মলাৰ মনলৈ নাহিল। হয়তো নিজৰ ৰুমৰ ভিতৰত মাথিউজ এতিয়াও ব্যস্ত হৈ আছে।

মূৰৰ ওপৰত মেলি লোৱা ছাতিটো লৈ দুপৰৰ ৰাস্তাৰে আগবাঢ়িল নিৰ্মলা। হে ভগৱান, কোনো পুৰুষ যাতে সন্মুখৰ পৰা নাহে। কোন সেই পুৰুষ যি পুৰুষে তাইৰ পৰিচয় জানে, হয়তো মুগ্ধও হৈছে তাইক দেখি, নহ'লে বিয়াৰ প্ৰস্তাৱ আহিব কিদৰে ?

প্ৰেমত পৰিছে নেকি সেই পুৰুষ ?

নিৰ্মলাৰ প্ৰেমত ?

নে নিৰ্মলাৰ প্ৰতিবিম্বৰ প্ৰেমত !

ডাকঘৰ অভিমুখে যোৱা ৰাস্তাটোৰে নিৰ্মলা আগবাঢ়িল। ৰেলিঙ বিহীন কাঠৰ দলংখন পাৰ হৈ যোৱাৰ পিছত সেই সৰু গুমটিখন, বতাহত বেঁকা হৈ পৰা লাইট পোষ্টটো !

নিৰ্মলাৰ খোজ দ্ৰুত হৈ আহিল।

সামান্য কেৰাহিকৈ বাওঁফালৰ সেই সৰু ঘৰটোৰ ফালে চোৱাৰ লগে লগেই সমগ্ৰ শৰীৰ নিমিষতে হিম হৈ গ'ল নিৰ্মলাৰ।

হয়, সৰু ঘৰটোৰ ভিতৰৰ পৰা তাইক উদ্দেশ্য কৰিয়েই মানুহজন আগবাঢ়ি আহিছে।



## পোন্ধৰ
## কল্পৰাজ্য

মাৰোৱাৰী মালিক এজনৰ পৰিত্যক্ত এই দুকোঠালিৰ সৰু ঘৰটোৰ খবৰ মোক প্ৰথম দিছিল নিৰ্মলাৰ ককায়েক শিৱানন্দই। সেই সূত্ৰেই তেওঁৰ সৈতে মোৰ চিনাকি।

আজি ৰাতিপুৱাৰ কথা। শুই উঠি এনেয়ে বাৰাণ্ডাত বহি বহি চাই আছো তেতিয়াও প্ৰায় জনশূন্য সন্মুখৰ ৰাস্তাটোলৈ। চিনাকি দোকানীজনে লাইট পোষ্টটোৰ ওচৰৰ গুমটিখন খোলাৰ মাথো যো-জা কৰিছেহে।

ভৱতোষ অহা নাই কেবাদিনো। মই নিশ্চিত সি এইকেইদিন এটা কবিতাৰ ভিতৰত সোমাই আছে। মানুহৰ আত্মাক আৱিষ্কাৰ কৰিবৰ বাবেই সি কবিতা লিখিব লাগিব। মানুহৰ আত্মাৰ অস্তিত্ব সম্পৰ্কে সন্দিহান হৈ পৰাতো একো একোটা অস্থায়ী পৰ্ব। বুদ্ধিৰ অহঙ্কাৰেৰে কোনো কোনোৱে মাজে মাজে আত্মাৰ অস্তিত্ব কুঁৱলিময় কৰি তুলিব খোজে। কিন্তু মই নিশ্চিত ভৱতোষৰ দৰে কবিয়ে সেই কুঁৱলি ফালি মানুহৰ আত্মাক আৱিষ্কাৰ কৰিবই।

হয়তো আজিয়েই হঠাতে তাৰ বিষণ্ণ মুখ সৃষ্টিৰ আনন্দৰে উদ্ভাসিত কৰি ভৱতোষ আহিব। তাৰ চাৰ্টৰ পকেটত থাকিব সদ্যজাত কেঁচুৱাৰ গোন্ধেৰে আমোলমোলাই থকা এটা কবিতা।

হঠাতে চকুত পৰিল বাওঁফালৰ পৰা আহি থকা স্কুটাৰখন। সেয়া শিৱানন্দ। নিৰ্মলাৰ ককায়েক। মই কৌতূহলী হৈ উঠিলো। অৱশ্যে মই প্ৰায় নিশ্চিত আছিলো যে আজি কোনোবা এটা সময়ত শিৱানন্দ মোৰ ঘৰ ওলাবহিয়েই।

মোৰ ঘৰৰ সন্মুখত আহি স্কুটাৰখন ৰ'লহি। মই মাতিলো – বৰুৱা আহক। স্কুটাৰখনৰ পৰা নামি শিৱানন্দ গেট খুলি সোমাই আহিল, ৰাতিপুৱাৰ কোমল ৰ'দ পৰি জিলিকি উঠিল তেওঁৰ আধা পকা দাড়ি আৰু চুলি।

চাৰ্টৰ পকেটৰ পৰা বন্ধ খাম এটা উলিয়াই মোৰ ফালে আগবঢ়াই দি শিৱানন্দই ক'লে – আপোনাৰ কালিৰ প্ৰস্তাৱটো নিৰ্মলাক দিছিলো। তাই আপত্তি কৰা নাই। এই চিঠিখন দিলে। ইয়াতেই বোলে তাইৰ মতামত আছে। ...... মইতো তাইৰ বিয়াৰ কথা তাইৰ ইমান দিনৰ ওজৰ-আপত্তি শুনি বাদেই দিছিলো। জানো কি ভাগ্যৰ বলত আপুনি হঠাতে এনে এটা প্ৰস্তাৱ দিলে। মোৰ হাততে সৰগ চুকি পোৱা যেন লাগিছে। বৰ আশা কৰিছো – এইবাৰ কিবা এটা হওক। তাইৰো মনটো কুমলিছে যেন লাগিছে। ...... আপুনি চিঠিখন পঢ়ি কিবা এটা সমিধান দিব। মই এতিয়ালৈ আহিছো।

– ৰ'ব। চাহ একাপ খাই যাওক।

তেতিয়াও নোখোলা চিঠিখন হাতত লৈ মই ক'লো। শিৱানন্দই স্কুটাৰখনৰ ওচৰ পালেগৈয়েই – এইমাত্ৰ ঘৰত চাহ খাই আহিলো। এফালে যাবলগীয়াও আছে। পিছত বহিম কেতিয়াবা।

প্ৰায় শূন্য ৰাস্তাৰে যিবাটে আহিছিল ,সেই বাটেই শিৱানন্দ উভতি গ'ল।

ৰুমৰ ভিতৰলৈ আহি মই চিঠিখন খুলি ল'লো। পঢ়াৰ আগতেই মোৰ অনুভৱ হ'ল – এই চিঠিখনত লিখা সকলোবোৰ কথায়েই মই জানো। সত্যৰ সৈতে মুখামুখি হোৱাৰ বাবে আগৰে পৰাই প্ৰস্তুতি চলালে প্ৰকৃততে পৃথিৱীত অপ্ৰত্যাশিত একোৱেই নাথাকে। মোৰ ধাৰণা হ'ল ঃ এই চিঠিখনত এনে কোনো কথা থাকিব নোৱাৰে যি মোৰ বাবে অপ্ৰত্যাশিত।

চিঠিখন পঢ়ি গ'লো।

নিৰ্মলাৰ চিঠি।

মোৰ উপন্যাসৰ নায়িকাৰ চিঠি।

অথবা যাক মোৰ জীৱনৰ নায়িকা সজোৱাৰ প্ৰস্তাৱ লৈ মই ইমান দিনে প্ৰতীক্ষা কৰি আছিলো, সেই নাৰীৰ চিঠি।

চিঠিখন পঢ়ি শেষ কৰাৰ লগে লগে মই পুনৰায় নিশ্চিত হ'লো যে পৃথিৱীত এনেকুৱা কোনো শূন্যতা নাই যাক সততাই পূৰণ কৰিব নোৱাৰে। সেই চিঠিৰ প্ৰতিটো শব্দতে প্ৰতিবিম্বিত হৈ উঠা সেই নাৰীৰ মুখলৈ চাই মই অনুভৱ কৰিলো ঃ শূন্যতাক অসত্যৰে ঢাকি ৰাখি দৃষ্টি-নন্দন কৰাৰ প্ৰয়োজন নাই ঃ সততাৰে সেই শূন্যতাক পূৰ কৰিবহে লাগে।

মোৰ হঠাতে মনত পৰিল বহুদিন আগতে কাগজ কাটি কাটি বক্ষ-বন্ধনী উপহাৰ দিয়া সেই গল্পকাৰ দুজনলৈ, যিয়ে মৰুভূমি আৰু মনোৰম হ্ৰদৰ গল্প লিখে। তেওঁলোকে যদি কেতিয়াবা নিৰ্মলাৰ এই চিঠিখন পঢ়িবলৈ পালেহেঁতেন, তেতিয়াহ'লে চাগে বুজি পালেহেঁতেন, যে ইমান দিনে তেওঁলোকে শূন্যতা পূৰোৱাৰ পৰিবৰ্তে বক্ষ-বন্ধনী পিন্ধাই শূন্যতাক ঢাকি ৰখাৰহে প্ৰচেষ্টা চলাইছে। কোনো লেখকেই কেতিয়াও বক্ষ-বন্ধনী পিন্ধি পটুৱৈৰ ওচৰত থিয় হ'ব নালাগে।

নিৰ্মলাৰ চিঠিখন পুনৰায় খামটোৰ ভিতৰত মই সযতনে সোমাই থ'লো। সেই মুহূৰ্ততে মই সিদ্ধান্ত লৈ ল'লো – দুপৰীয়া স্কুলৰ পৰা ঘূৰি আহিবৰ সময়ত দুপৰৰ জনশূন্য ৰাস্তাত মই নিৰ্মলাক লগ কৰিম।

গোটেই আগবেলাটো মোৰ একোৱেই কৰা নহ'ল; ভাবিলো শেষ হওঁ হওঁ হোৱা উপন্যাসখনৰ শেষ পৰিচ্ছেদটো লিখি শেষ কৰো। হঠাতে মোৰ অনুভৱ হ'ল – এই উপন্যাসৰ শেষ কি হ'ব, সেয়া মই এতিয়াও নিশ্চিত নহয়। হয়তো নিলিখাৰ অজুহাত হিচাপেই মই নিজকে নিজে ক'লো ঃ কোনো লেখকে কেতিয়াও এনেকুৱা এটাও শব্দ লিখা উচিত নহয়, যাৰ সত্যতা সম্পৰ্কে তেওঁ নিশ্চিত নহয়। সেই মুহূৰ্ততে চিৰকালৰ বাবে মই এটা সিদ্ধান্ত লৈ ল'লো ঃ সত্যই যদি মোক মোৰ মৃত্যুৰ ওচৰলৈকেও লৈ যায়, তথাপি মোৰ সৃষ্ট প্ৰতিটো শব্দয়েই হ'ব সত্য। অসত্যৰ সৃষ্টিক মই গণ্য কৰিম পাপ বুলি।

দুপৰীয়াৰ আহাৰৰ পিছত মই অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি ৰ'লো নিৰ্মলালৈ। যিকোনো মুহূৰ্ততে স্কুলৰ পৰা নিৰ্মলা উভতিব পাৰে। এইখিনি সময়ত হঠাতে ক'ৰবাৰ পৰা ভৱতোষ ওলাই নপৰিলেই হ'ল। ইমান দিনে মোৰ মনৰ সকলো খবৰ তাৰ পৰা গোপন কৰি ৰখাৰ উদ্দেশ্যই হ'ল শেষ মুহূৰ্তত তাক এটা চমক দিয়া।

হঠাতে চকুত পৰিল ৰেলিঙবিহীন সেই পুৰণি কাঠৰ দলংখনৰ ওপৰত – নিৰ্মলা। মেলি লোৱা সেই ছাতি, অইন দিনাতকৈ আজি যেন কিছু দ্ৰুততৰ খোজ।

লাইট পোষ্টৰ কাষৰ গুমটিখন এতিয়া বন্ধ হৈ গৈছে, দুপৰৰ ৰাস্তা জনশূন্য।

ঘৰৰ পৰা ওলাই গৈ মই নিৰ্মলাৰ ওচৰত থিয় হ'লো। সামান্য হাঁহি মোৰ পৰিচয় দিলো। ক'লো – আপোনাৰ চিঠিখন পালো।

অবাক আৰু সন্ত্ৰস্ত হৈ নিৰ্মলাই চাই ৰ'ল মোৰ মুখলৈ; এক মুহূৰ্তৰ বাবে পাণ্ডু বৰণৰ হৈ পৰা তাইৰ মুখলৈ চাই মই অনুমান কৰিলো – নিৰ্মলাৰ অনুভৱ হৈছে যেন এই মাত্ৰ তাইৰ বুকুৰ পেডটো সুলকি তললৈ সৰি পৰিছে।

মাত্ৰ এক মুহূৰ্তৰ বাবে, তাৰ পিছতেই নিৰ্মলা স্বাভাৱিক হৈ পৰিল। আকস্মিক আঘাতৰ পিছত স্বাভাৱিক হ'বলৈ মানুহক কেইটামান মুহূৰ্তৰ প্ৰয়োজন হয়।

মই ক'লো ঃ প্ৰস্তাৱটো ময়েই দিছিলো। এতিয়াও মোৰ প্ৰস্তাৱ একেই আছে। আপোনাৰ সন্মতিৰ বাবে মই অপেক্ষা কৰিম।

থৰ হৈ মোৰ মুখলৈ চাই ৰ'ল নিৰ্মলাই। নিৰ্মলাৰ চকুলৈ চাই মোৰ হঠাতে অনুভৱ হ'ল ঃ মোৰ মাজত যেন তাই এজন অশৰীৰী মানুহ দেখিবলৈ পাইছে। তাইৰ দুচকুৰ আধিভৌতিক দৃষ্টিয়ে মুহূৰ্ততে যেন সমগ্ৰ ছায়াহীন দুপৰীয়াটোকে এক আলৌকিকতা প্ৰদান কৰিলে।

হাতৰ মুঠিত ৰখা সৰু ৰুমালখনেৰে কপালৰ ঘাম মচি হঠাতে নিৰ্মলাই সুধিলে – মইতো জানিছিলো এই ঘৰটোত অৰিন্দম নামৰ এজন শিল্পী থাকে, দুৰ্ঘটনাত যাৰ এখন ভৰিত ......

এটা ৰহস্যময় হাঁহি খেলি গ'ল মোৰ মুখত, যেন এনে এটা প্ৰশ্ন নিৰ্মলাৰ মুখত শুনিম বুলিয়েই মই প্ৰস্তুত হৈ আছিলো।

নিৰ্মলাৰ বিস্ময়াভিভূত দুচকুত দৃষ্টি ৰাখি মই ধীৰে ধীৰে ক'লো – আপুনি সত্যৰ ওপৰত কি গুৰুত্ব প্ৰদান কৰে, তাৰ প্ৰমাণ হিচাপে আপোনাৰ এই চিঠিখন মোৰ ওচৰত আছে। আপোনাৰ বাবে এইদৰে ভবাটোৱেই স্বাভাৱিক যে আপোনাৰ মনৰ পুৰুষজনো হ'ব লাগিব সত্যৰ সন্ধানী। হয়তো আপুনি ধৰি ল'লে যে বৰ্তমানৰ এই বেমানান পৃথিৱীত সত্য সন্ধানী কোনো মানুহেই অক্ষত অৱস্থাত থাকিব নোৱাৰে। সেয়েহে আপোনাৰ কল্পনাৰ পুৰুষজনো হৈ পৰিল এখন ভৰিবিহীন। আপোনাৰ ধাৰণা ভুল মিছ বৰুৱা !

– মোৰ নাম নিৰ্মলা।

– মোৰ সুস্থ শৰীৰেই প্ৰমাণ নকৰে নে নিৰ্মলা, যে, এই ৰুদ্ধশ্বাস হতাশা আৰু অসত্যৰ ভিৰৰ মাজতো ইচ্ছা কৰিলে মানুহে সত্যক লৈ এতিয়াও সুস্থ শৰীৰে জীয়াই থাকিব পাৰে। এয়া কোনো অলীক কল্পনা নহয়, এয়াই আমাৰ জীয়াই থকাৰ বাবে একমাত্ৰ প্ৰেৰণা।

মোৰ কথাত যেন হতভম্ব হৈ ৰৈ গ'ল নিৰ্মলা আৰু দুপৰৰ বিষাদময়তা যেন হঠাতে ৰ'দ পৰি স্ফটিকৰ দৰে জলমলাই উঠিল।

এইবাৰ এটা জটিল সাঁথৰৰ উত্তৰ বিচাৰি হাবাথুৰি খোৱা এজনী সৰু ছোৱালীৰ দৰে নিৰ্মলাই সুধিলে – আৰু সেই যে ছবি অঁকা ...... ?

– তাৰো উত্তৰ মোৰ ওচৰত আছে নিৰ্মলা।

সকলো নাৰীৰেই কল্পনাৰ পুৰুষজন হয় স্বপ্নবান। সেই স্বপ্নৰে তেওঁ ছবি আঁকে এনে এখন কল্পৰাজ্যৰ, য'ত প্ৰেম হৈ পৰে নিশ্চিত আৰু সুখ সম্ভৱ। ময়ো সেই একেই ছবি আঁকো। মাথো শব্দ মোৰ তুলিকা।

এটা পাতল দিগ্বিজয়ী হাঁহিত উদ্ভাসিত হৈ উঠিল ৰ'দত ৰঙা পৰি উঠা নিৰ্মলাৰ মুখ। মোক যেন এইবাৰ কঠিনতম সাঁথৰেৰে জব্দ কৰিব, ঠিক তেনেকুৱা ভঙ্গীত নিৰ্মলাই সুধিলে – কিন্তু তেওঁৰতো নাম আছিল অৰিন্দম !

– ঠিকেই। মই ক'লো – এদিন নহয় এদিন তেওঁৰ নাম অৰিন্দম হ'বই লাগিব। কাৰণ একমাত্ৰ তেওঁৱেই এদিন সত্যৰ জৰিয়তে সকলো জয় কৰিব; আনকি শত্ৰুকো।

– আপুনি বহুত দূৰ আহিলে !

সলজ্জ হাঁহি মাৰি হঠাতে নিৰ্মলাই ক'লে।

তেতিয়াহে মই আৱিষ্কাৰ কৰিলো – ইমান সময়ে কথা পাতি পাতি জনশূন্য দুপৰৰ ৰাস্তাৰে আমি বহুত দূৰ একেলগে খোজ কাঢ়ি আহিছো।

মোৰ এনেকুৱা লাগিল যেন কুঁৱলিময় কোনো সুদীৰ্ঘ পথেৰে সত্যই হাতত ধৰি ধৰি আমাক আগুৱাই লৈ গৈছে কোনো এক সম্ভাৱনাময় কল্পৰাজ্যলৈ। আমি গৈ আছো, গৈ আছো আগুৱাই। ■

বিচিত্ৰা

# জীৱনটো যে কি!

দেৱকান্ত সন্দিকৈ



অংকন : চম্পক বৰবৰা

ক শ্ৰেণী আৰু খ শ্ৰেণী গাঁৱৰ স্কুলতে পঢ়ি প্ৰথমশ্ৰেণী পঢ়িবলৈ মই ওচৰৰে গণেশবাড়ী চাহ বাগানত থকা এল পি স্কুলত নাম লগালো। এল পি স্কুলখনৰ ওচৰতে এখন এম ই স্কুল। তাত মোৰ চতুৰ্থ বাইদেৱে পঞ্চম শ্ৰেণীত পঢ়ে। আচলতে বাইদেউৰ লগত একেলগে যাব পাৰিম বুলিয়েই মই গাঁৱৰ স্কুল এৰি বাগানৰ স্কুলত নাম লগালো। গণেশবাড়ী বাগানখন আমাৰ গাঁৱৰ গাতে লাগি আছে যদিও বাগানৰ মাজেদি থকা ৰাস্তাৰে বা বাগানৰ কাষে কাষে গৈ আন এখন সৰু গাঁৱৰ মাজেদি থকা ৰাস্তাৰে স্কুল পাবলৈ ২০ মিনিটমান সময় লাগে। এই সময়ৰ হিচাপটো অৱশ্যে এতিয়াহে উলিওৱা। তেতিয়া আমাৰ সময়ৰ হিচাপৰ কোনো প্ৰয়োজন নহৈছিল। ৰাতিপুৱা এটা সময়ত বাইদেউৰ লগত ঘৰৰ পৰা ওলাই গৈ এটা সময়ত বৰ ধুনীয়া উদ্যান এখনৰ মাজত থকা বাইদেউ আৰু মোৰ স্কুল দুখন পাইছিলোগৈ। উদ্যানখনত বৰ সুন্দৰ সুন্দৰ ফুল কিছুমান যেন সকলো সময়তে ফুলি আছিল, কিন্তু মই তেতিয়া তাৰ প্ৰায়বোৰ ফুলৰে নাম নাজানিছিলো। এল পি আৰু এম ই দুয়োখন স্কুলৰে মাজতে এটা মন্দিৰ। আমি সৰুতে এনেকুৱা কাহিনীও শুনিছিলো যে দানবীৰ কনৈয়ে হেনো প্ৰথম অৱস্থাত নিজৰ মূৰৰ ওপৰত ধপাতৰ বস্তা লৈ গাঁৱে গাঁৱে ধপাত বেচি ফুৰিছিল। তাৰ পিছত এই মন্দিৰটো পূজা কৰি কৰি তেখেত এদিন বৰ ধনী হ'ল। তেখেতে হেনো ধনী হোৱা পিছতো এসময়ৰ নিজৰ দৰিদ্ৰ জীৱনৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ সদায় কলৰ পাতত ভাত খাইছিল। আৰু কেতিয়াবা কলৰ পাত বিচাৰি আনিবলৈ আমাৰ গাঁৱলৈকো মানুহ পঠাইছিল। – আমি, স্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰেও কেতিয়াবা মন্দিৰটোত সোমাইছিলো, আৰু অতি পৰিষ্কাৰকৈ ৰখা মন্দিৰৰ পকা মজিয়াখন, মূৰ্তিটো আৰু ধুতিখনৰ বাহিৰে গাত একো নিপিন্ধাকৈ থকা পুৰোহিতজনলৈ মই বৰ কৌতুহলেৰে লক্ষ্য কৰিছিলো। মই মনে মনে ভাবিছিলো পূজা কৰি কৰি এদিন চাগে এই পুৰোহিতজনো কনৈৰ নিচিনা ধনী হ'ব! – এম ই স্কুলখনৰ সন্মুখত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেই-বিধমান খেলৰ ব্যৱস্থা আছিল। এফালেদি চিৰিয়েদি উঠি হেলনীয়াকৈ ৰখা টিনখনৰ ওপৰেৰে তললৈ পিছলি নামি অহা খেল, দুখন ঝুলনা আৰু ঢেকীখন (Seesaw)। মই এই তললৈ পিছলি অহা খেল আৰু ঝুলনা খেলি বৰ ভাল পাইছিলো। খেলিবলৈ গৈ প্ৰথম দিনাই ছিটিকি পৰি ভৰিত দুখ পোৱাৰ ফলত মই আৰু কোনোদিনেই ঢেকীখনৰ কাষ চপা নাছিলো।

উদ্যানখনলৈ সোমাই যোৱা গেটৰ সোঁৱে বাঁৱে দুজোপামান পাইন গছ। তেতিয়াই আমি শুনিছিলো যে এই পাইন গছবোৰ শ্বিলঙতহে হয়, কিন্তু কনৈয়ে হেনো যথেষ্ট কষ্ট কৰিহে গণেশবাড়ীৰ নিচিনা ঠাইত পাইন গছ কেইজোপা জীয়াই ৰাখিব পাৰিছিল। পাইন গছৰ বিশেষ ধৰণৰ পাতবোৰ আৰু ক্ৰমান্বয়ে ওপৰলৈ সৰু সৰু জোঙা হৈ যোৱা ধৰণটো মোৰ বৰ ভাল লাগিছিল, আৰু খুব তলতে থকা সৰু ডাল একোটাৰ আগডোখৰ ভাঙি আমি কেতিয়াবা ঘৰলৈকো লৈ আহিছিলো।

যি নহওক, ফুল, পাইনগছ, মন্দিৰ, ঝুলনা আদিৰ মাজত এটা সুন্দৰ পৰিবেশত আমাৰ স্কুল দুখন আছিল। মই পঢ়া এল পি স্কুলখনৰ শিক্ষক হ'ল 'আহমেদ ছাৰ'। আহমেদ ছাৰৰ ল'ৰা-ছোৱালী তিনিটাৰ নামবোৰ শুনিলে মুছলমান যেন নেলাগে। ছোৱালী দুজনী – ছবি আৰু শেৱালী। ল'ৰাটোৰ নাম মুকুট। মুকুট সৰু, মোৰ লগত একেলগে প্ৰথমশ্ৰেণীত পঢ়ে। ছবি ডাঙৰ, মোৰ বাইদেউৰ লগত একেশ্ৰেণীতে এম ই স্কুলখনত পঢ়ে। শেৱালী মাজু, এল পি স্কুলৰ তৃতীয় শ্ৰেণীত। ছবি আৰু শেৱালী ছোৱালী দুজনী বৰ ধুনীয়া আছিল। শেৱালী ছবিতকৈ ধুনীয়া, হাঁহিলে তাইৰ মুখখন ইমান ধুনীয়া আৰু মৰমলগা হৈ পৰে যে মই মনে মনে তাইৰ হাঁহিটো চাই থাকো। মুকুট মোৰ বন্ধু, আমি একেলগে খেলো। পানী খোৱা ছুটিত আমি কেতিয়াবা এম ই স্কুলখনৰ পিছফালে থকা মুকুটহঁতৰ ঘৰলৈ যাওঁ। মুকুটৰ মাকে আমাক কিবাকিবি খাবলৈ দিয়ে। ছবি শেৱালী আৰু বাইদেউ একেলগে, মুকুট আৰু মই একেলগে।

......

এইবোৰ কথা অৱশ্যে মই অনাৱশ্যকভাৱে কোৱাৰ দৰে হৈছে। মোৰ জীৱনৰ যিটো ঘটনাৰ কথা কবলৈ ওলাইছো, তাৰ লগত এইবোৰ কথাৰ কোনো সম্পৰ্ক নাই। ঘটনাটো মনত পৰিলে লগতে মোৰ আন যিবোৰ কথা মনত নপৰাকৈ নাথাকে সেইবোৰহে ইয়াত অপ্ৰাসঙ্গিকভাৱে বৰ্ণনা কৰিলো। এতিয়া সেই এল পি স্কুলখন নাই। মানে ঘৰটোৱেই নাই, ভাঙি পেলোৱা হৈছে। এম ই স্কুলখনৰ ঘৰটো আছে, আৰু হেনো সেইখনহে এতিয়া এল পি স্কুল। ছাত্ৰ-ছাত্ৰীৰ অভাৱত এম ই স্কুলখন টিকি নাথাকিল। – প্ৰথম শ্ৰেণীত এটা মাত্ৰ বছৰ পঢ়ি মই বিশেষ কাৰণত আকৌ আহি গাঁৱৰ স্কুলত দ্বিতীয় শ্ৰেণীত নাম লগালো – কালচক্ৰ নীৰৱে অবিৰতভাৱে ঘূৰিয়েই আছে। ... আহমেদ ছাৰ কলৈ গ'ল, বৰ্তমান তেখেত জীয়াই আছেনে নাই মই নাজানো। ছবি, শেৱালী, মুকুটহঁত বৰ্তমান ক'ত আছে কেনেকৈ আছে মই একো নাজানো। আজি ক'ৰবাত দেখিলেও কোনেও কাকো চিনি নাপাম।

মোৰ স্পষ্টকৈ মনত আছে, আহমেদ ছাৰে সেইদিনা আমাৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবিলাকক হাতৰ আখৰ লিখিবলৈ দিছিল। আপোনালোকে বিশ্বাস কৰিব নে নকৰে মই নাজানো, আনকি মোৰ হাতৰ আখৰ কোনটো বাক্য লিখিবলৈ দিছিল সেই কথাও মনত আছে! "দশৰথ অযোধ্যাৰ ৰজা আছিল।" – এই বাক্যটো সুন্দৰকৈ তিনি শাৰী হাতৰ আখৰৰ বহীত লিখি দিব লাগে। আমি লিখিবলৈ পাখী-কলম আৰু চিয়াঁহিৰ দোৱাত লৈ গৈছিলো। কিঁ চৰাইৰপাখী আছিল জানো নাজানো, ডিকমৰ দেওবৰীয়া হাটৰ পৰা আমাৰ ঘৰত কাম কৰা মিলেশ্বৰ ককায়ে কিনি আনি দিছিল। বাইদেৱে সুন্দৰকৈ কাটি জোঙা নিবৰ দৰে কৰি মোক দিছিল। চিয়াঁহিৰ চেপেতা চেপেতা 'পিল' (টেবলেট) কিনি লৈ পানীত দি চিয়াঁহি তৈয়াৰ কৰি লৈছিলো। পাখী কমলৰ আখৰবোৰ দেখিবলৈ বেছ ভাল হয়। কলমডাল চিয়াঁহিৰ দোৱাতটোত জুবুৰিয়াই আনিয়েই লিখা প্ৰথম দুটামান আখৰ ডাঠ হয়, পাছলৈ চিয়াঁহি কমি আহি পাতল হয়। কলমডালেৰে বাওঁহাতৰ পৰা সোঁহাতলৈ টনা ৰেখাডালৰ প্ৰস্থতকৈ ওপৰৰ পৰা তললৈ টনা ৰেখাডালৰ প্ৰস্থ বেছি হয়। আমাক প্ৰথম শ্ৰেণীৰ পৰাই কলমেৰে লিখাৰ অভ্যাস কৰোৱাইছিল, আৰু আমি ইতিমধ্যে "কলম ভালেই আখৰ ভাল" – এনেকুৱা ধৰণৰ বাক্যও হাতৰ আখৰত লিখিছিলো।

'দশৰথ অযোধ্যাৰ ৰজা আছিল' – আখৰ তিনিশাৰী মই যিমান পাৰো সুন্দৰকৈ লিখিবলৈ চেষ্টা কৰিছো। আহমেদ ছাৰে মাজতে এবাৰ "তহঁতৰ হ'লনে" বুলি আঁতৰৰ পৰাই সুধিলে। আহমেদ ছাৰ খুব কঢ়া নহলেও সকলোৱে তেখেতলৈ ভয় কৰে, ভক্তি কৰে। শ্ৰেণীৰ বাহিৰত ক'ৰবাত লগ পালে আমি আটায়ে "ছাৰ, প্ৰণাম" বুলি কওঁ, দিনটোত এনেকৈ কেতিয়াবা কেইবাবাৰো প্ৰণাম জনোৱা হয়! একমাত্ৰ মুকুটে প্ৰণাম নজনায়, নিজৰ দেউতাকক তেনেকৈ প্ৰণাম জনাবলৈ ছাগে বেয়া পায়। তেখেতে ল'ৰা-ছোৱালীক মাজে মাজে বেত দিয়াও দেখিছো। এদিন নিজৰ পুতেক মুকুটকো কাৰোবাৰ লগত কাজিয়া কৰাৰ বাবে কাণত ধৰি আঠু কঢ়াই ৰাখিলে। মোক তেতিয়ালৈকে একো শাস্তি দিব লগা হোৱা নাই যদিও আনক দিয়া শাস্তি দেখিলেই মোৰ ভয় লাগি থাকে।

এসময়ত মোৰ তিনিশাৰী হাতৰ আখৰ সম্পূৰ্ণ হ'ল। আৰু লগে লগেই শুনিবলৈ পালো, ছাৰে নিজৰ হাতত থকা বেতডালেৰে আমাৰ মনোযোগ আকৰ্ষণ হোৱাকৈ টেবুলৰ ওপৰত শব্দ কৰাকৈ এবাৰ কোবাই কৈছে – "তহঁতৰ প্ৰথম শ্ৰেণীৰ হাতৰ আখৰৰ বহীবোৰ লৈ আহ।"

মই প্ৰথমে শেষ কৰি আনন্দ মনেৰে বহীখন লৈ ছাৰৰ ওচৰলৈ যাওঁ বুলি সাজু হওঁতেই ঘটিল ঘটনাটো। ঘটনা আচলতে এটা নহয়, দুটা। দ্বিতীয় ঘটনাটো সম্ভৱ প্ৰথম ঘটনাটোৰ পৰিণতি। কিন্তু প্ৰথম ঘটনাটোৰ পৰিণতি হিচাপে দ্বিতীয় ঘটনাটো কিয় ঘটিল সেই কথাটো মোৰ বাবে আজিও ৰহস্যময় হৈ থাকিল। তেনেকুৱা ঘটনা যে বিশেষ কিছুমান মুহূৰ্তত ঘটে সেই কথাটো অলপতেহে মই এঠাইত পঢ়িবলৈ পালো। কিন্তু তাতো তেনে ঘটনা সেইবোৰ মুহূৰ্তত কিয় ঘটে সেই প্ৰশ্নৰ উত্তৰ বিচাৰি নাপালো। এই দ্বিতীয় ঘটনাটোৰ কথা কবলৈহে মই ইমানপৰে চালেবেৰে কোবাই আছো।

হাতৰ আখৰৰ বহীখন লৈ ছাৰৰ ওচৰলৈ মই এই যাওঁ আৰু, হঠাৎ কেনেবাকৈ অসাৱধানবশতঃ মোৰ হাতখন লাগি গোটেই দোৱাত চিয়াঁহি মোৰ তিনিওশাৰী হাতৰ আখৰৰ ওপৰত পৰি গ'ল! বহীৰ পৰা কিছু চিয়াঁহি বাগৰি পৰিল ডেস্কত, আৰু ডেস্কৰ পৰা টুপটুপকৈ মাটিত! ... অপ্ৰত্যাশিতভাৱে ঘটি যোৱা ঘটনাটো মই হতভম্ব হৈ চাই থকাৰ বাহিৰে একো উপায় নাছিল। ক্ষন্তেকতে এক আতঙ্কমিশ্ৰিত অনুভূতিয়ে মোৰ হৃদয়-মন গ্ৰাস কৰি পেলালে। আহমেদ ছাৰৰ পৰা মই আজিলৈকে একো শাস্তি পোৱা নাই, কিন্তু আজি মই নিশ্চিতভাৱে শাস্তি ভোগ কৰিবই লাগিব। মই অসম্ভৱ ভয় খাইছো। ইতিমধ্যে এজনে নে দুজনে নি বহী জমা দিলেই। মই কিংকৰ্তব্যবিমূৰ হৈ এবাৰ চিয়াঁহিয়ে ক'লা কৰি পেলোৱা মোৰ হাতৰ আখৰখিনিলৈ, এবাৰ ডেস্ক আৰু মজিয়াত পৰা চিয়াঁহিখিনিলৈ চাই চাই থিয় হৈ আছো। মই এতিয়া কৰো কি? পৰি যোৱা চিয়াঁহি মোহাৰি মেলি নতুন পৃষ্ঠাত পুনৰ তিনিশাৰী আখৰ লিখিবলৈ মোৰ আৰু সময় নাই। আজিয়েই 'মই প্ৰথমবাৰৰ বাবে ছাৰে

কৰিবলৈ কোৱা কাম এটা সঠিকভাবে আৰু সময়মতে কৰিবলৈ অসমৰ্থ হোৱাৰ গ্লানিত ভুগিম। লগতে শাস্তিতো আছেই। ... এনেকুৱা এক ভয়, উদ্বিগ্নতা, কিংকৰ্তব্যবিমূৰতা আৰু অসহায় অৱস্থাৰ মাজত কেইমুহূৰ্তমান থিয় হৈ থকাৰ পিছতেই হঠাত মোৰ দেহৰ ভিতৰত এটা অদ্ভুত ধৰণৰ ঘটনা ঘটিল। কেইচেকেণ্ডমানৰ বাবে মই হঠাতে মোৰ দেহৰ মাজেদি কিবা এটা পাৰ হৈ যোৱা যেন অনুভৱ কৰিলো। এটা অতি আশ্চাৰ্যকৰ অনুভুতি। হাতৰ আখৰৰ বহীখন হাতত লৈ চিয়াঁহি পৰি চিনিব নোৱৰা হৈ পৰা আখৰকেইটা চাই চাই মই থৰ হৈ ৰৈ গলো। মোৰ দেহটো জিকাৰ খাই খাই উঠিল। অতি তীব্ৰভাবে ভাললগা কিবা এটাৰ ঢৌ কেইটামান মোৰ দেহৰ মাজেদি ছন্দায়িত গতিৰে পাৰ হৈ যাবলৈ ধৰিলে। ঢৌবোৰ ক'ৰ পৰা ওলাল মই স্পষ্টকৈ একো বুজিব নোৱাৰিলো, কিন্তু মই অনুমান কৰাত একো অসুবিধা নহ'ল যে মোৰ দেহৰ নিম্নাংশৰ ক'ৰবাৰ পৰা সেইবোৰ নিৰ্গত হৈ কেইমুহূৰ্তমানৰ ভিতৰতে মোৰ সমগ্ৰ দেহলৈ বিয়পি পৰিল, আৰু পাৰ হৈ যোৱা ঢৌ আৰু দেহৰ জোকাৰণি তথা ভাললগাৰ তীব্ৰতা ক্ৰমান্বয়ে কমি গৈ থাকি এসময়ত সম্পূৰ্ণ মাৰ গ'ল। মই চিয়াঁহি পৰি হাতৰ আখৰ লেতেৰা হোৱা ঘটনাটো ইতিমধ্যে পাহৰি পেলাইছো! তেতিয়ালৈকে যাপন কৰা মোৰ সৰু জীৱনটোত প্ৰথমবাৰৰ বাবে অনুভৱ কৰা তেনে এটা ৰহস্যময় দৈহিক ঘটনাত এহাতে মই হতভম্ব, আনহাতে অভিজ্ঞতাটোৰ মাজত লুকাই থকা কিবা এটা তীব্ৰ অথচ ব্যাখ্যাহীন আনন্দত আত্মমগ্ন! – মোৰ মনৰ পৰা আহমেদ ছাৰৰ শাস্তিৰ ভয় তেতিয়া পলাই ফাঁটি মাৰিছে। আহমেদ ছাৰে মোক এতিয়া শাস্তি দিলেও মোৰ যেন অকণো বিষ-বেদনা বা কষ্ট নহ'ব। ইতিমধ্যে মোৰ মনত চিয়াঁহি পৰি হাতৰ আখৰ নষ্ট হোৱা ঘটনাটো তেনেই নগণ্য নীৰিহ ঘটনা যেন অনুভৱ হ'বলৈ ধৰিলে। মোৰ সমগ্ৰ দেহ-মন তেতিয়া এক অনাবিল সুখ, আনন্দ আৰু শিহৰণে আচ্ছন্ন কৰি পেলাইছে।

মই তেতিয়াও বহীখন হাতত লৈ একেঠাইতে থিয় হৈ আছো। আহমেদ ছাৰে মোৰ কিবা এটা হোৱা বুলি অনুমান কৰি কাষ চাপি আহি সুধিলে – "কি হ'ল তোৰ, হাতৰ আখৰ লিখা হ'লনে নাই?" মই সেমেনা-সেমেনিকৈ কলো – "ছাৰ, মোৰ বহীখনত চিয়াঁহি পৰিল।" ছাৰে বহীখন আৰু ডেস্কৰ চিয়াহী পৰা অংশটো চালে। "এইবোৰ ভালকৈ মোহাৰি পেলা। তইঁতৰ কাপোৰত লাগিব" – এই বুলি কৈ মোৰ চুলিখিনিত মৰমৰ টান এটা মাৰি ছাৰ আঁতৰি গ'ল।

ঘটনাটোৰ পিছৰ পৰা, – চিয়াঁহি পৰা ঘটনাটো নহয়, – মোৰ দেহৰ অভ্যন্তৰত ঘটা ৰহস্যময় ঘটনাটোৰ পিছৰ পৰা মই যেন প্ৰতিদিনে সন্ধান কৰো সেই অনিৰ্বচনীয় আনন্দৰ উৎস। মই কোনোমতেই ভাবি উলিয়াব নোৱাৰো, মোৰ দেহৰ ক'ৰ পৰা কি পৰিস্থিতিত সেই সুখৰ জোকাৰণিটো নিৰ্গত হৈছিল, কিয় হৈছিল। সকলো সময়তে বা দিনত এবাৰমানকৈ হলেও তেনেকুৱা ঘটনা ঘটি নাথাকে কিয়?

যেতিয়া মই জীৱনত দ্বিতীয়বাৰৰ বাবে সদায় বিচাৰি থকা এই সুখ শিহৰণটো লাভ কৰিছিলো, আৰু যি পৰিস্থিতিত লাভ কৰিছিলো সেয়াও এক বেলেগ কাহিনী। কিন্তু তেতিয়া মোৰ কেইবছৰমান বয়স বাঢ়িছিল, আৰু তেতিয়া মই দেহৰ ঠিক ক'ৰ পৰা এই সুখ শিহৰণটোৰ উৎপত্তি হয় সেই কথা জানিব পাৰি আনন্দত আত্মহাৰা হৈছিলো।

"... You will be surprised to know that whenever prisoners are crucified, sentenced to death, the last thing that happens to a man is ejaculation. We cannot be so certain about the woman because she has no ejacutation. She must have an orgasm but invisible." – ৰজনীশে কোৱা এই কথাকেইষাৰ পঢ়াৰ লগে লগে মই মোৰ জীৱনৰ সেই প্ৰথম অবিস্মৰণীয় ঘটনাটোৰ কিবা এটা আঁত পোৱা যেন অনুভৱ কৰিলো। ফাঁচীকাঠত ওলমিবলৈ সাজু হৈ থকা মানুহজনৰ ভৰিৰ তলৰ কাঠচলা আঁতৰি যোৱা মুহূৰ্তটোৰ আগৰ মুহূৰ্তকেইটাৰ মানসিক অৱস্থা কেনেকুৱা হয় আমাৰ জনাৰ কোনো উপায় নাই। ঠিক সেইদৰে আকাশপথত হঠাতে জুই লাগিবলৈ আৰম্ভ কৰা বিমানখনৰ যাত্ৰীসকলৰ – যিসকলে জুই লগা ঘটনাটো আৰম্ভ হোৱাৰ পৰা মৃত্যুক আকোৱালী লোৱালৈকে কেইমিনিটমান সময় পায় – মানসিক অৱস্থা কেনে হয় সেই কথা জনাবো আমাৰ কোনো উপায় নাই। তেওঁলোকৰ জীৱনৰ সেই অন্তিম মুহূৰ্তকেইটাত তেওঁলোকৰ মনলৈ কি চিন্তা আহে, কেনেধৰণৰ দৈহিক, মানসিক প্ৰতিক্ৰিয়া হয়, তেওঁলোকে সেই ভয়ঙ্কৰ মুহূৰ্তবোৰ কেনেকৈ যাপন কৰে সেই কথা বোধহয় কেতিয়াও, কোনেও নিশ্চিতভাবে জানিব নোৱাৰিব। কিন্তু, আমাৰ এই অজ্ঞতাৰ অন্ধকাৰৰ মাজত কোনোবাই যদি কয় যে সেই দুৰ্ভগীয়া লোকসকলক তেওঁলোকৰ জীৱনৰ অন্তিম দুৰ্যোগ পূৰ্ণ দৈহিক মানসিক অৱস্থাটোক সহ্যকৰ কৰি তুলিবলৈ, বা তেওঁলোকৰ মনৰ পৰা ভয় আতঙ্ক অপসাৰিত কৰি যন্ত্ৰনাখিনি অবিচলতিভাবে গ্ৰহণীয় কৰি তুলিবলৈ চৰম যৌনসুখৰ চেতনা এটাই তেওঁলোকৰ দেহমন ঢৌৱাই যায় – যাতে তেওঁলোকে পাৰ্থিৱ জীৱনৰ শ্ৰেষ্ঠতম সুখৰ স্বাদ এটা দেহমনত লৈ মৃত্যুৰ বুকুত ঢলি পৰিব পাৰে, – তেতিয়া বিশ্বাস কৰিবলৈ মন যায়। যদিও আমি এই কথা জানো যে বিশ্বাস আৰু সত্যৰ মাজত বহু সময়েতই এটা পাৰ্থক্য থাকি যায়।

ৰজনীশৰ এই কথাকেইষাৰৰ পোহৰত মোৰ জীৱনৰ পুৱাভাগতেই ঘটা সেই অবিস্মৰণীয় ঘটনাটো সামান্য বুজি পোৱা যেন লাগিল। হঠাতে উদ্ভৱ হোৱা এটা অভাৱনীয় পৰিস্থিতি (সেই বয়সৰ বাবে), আহমেদ ছাৰৰ পৰা শাস্তি পোৱাৰ ভয়, আতঙ্ক ইত্যাদি সকলো প্ৰকাৰৰ অসহনীয় মানসিক প্ৰতিকুলতা আঁতৰাই পৰিস্থিতিটোক সহজ কৰি তুলিবলৈকে যেন প্ৰকৃতিয়ে এপালি বেদনা উপশমকাৰী ঔষধ হিচাপে তেনে এটা দৈহিক ঘটনাৰ ব্যৱস্থা কৰি ৰাখিছে! হ'ব পাৰে জীৱনৰ দৈহিক মানসিক যন্ত্ৰটোত থকা ই একপ্ৰকাৰ চেফ্‌টি-ভালভ্! বিশেষ ধৰণৰ বিপদৰ চৰম মুহূৰ্তত বা বিশেষ ধৰণৰ অনন্দৰো চৰম মুহূৰ্তত এই চেফ্‌টি-ভালভে দেহ-মনত পুঞ্জীভূত হোৱা কিবা এটা অতিৰিক্ত তাড়ণা বা ৰস ৰিলিজ কৰি দি দেহ-মনক মুক্ত কৰি দিয়ে। খুব কম বয়সত দেহৰ পৰা কোনো প্ৰকাৰৰ পদাৰ্থ নিৰ্গত নহলেও তাড়ণা-মুক্তিৰ অনুভূতিটো হয়তো একেই। পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ জীৱনৰ প্ৰথম এনে অনুভূতি কেতিয়া কেনেকৈ কি পৰিস্থিতিত হৈছিল জানিব পাৰিলে বহুত নজনা কথাই জনা যাব।

অকণমান বুজিলেও, বা বুজা যেন লাগিলেও আমি সদায় নুবুজাৰ এখন নতুন সাগৰৰ পাৰত থিয় হৈ থাকিব লগা হয়। সেয়েহে জীৱন চিৰৰহস্যময়, অতীৱ মোহনীয় – ইয়াত চৰম দুখ-যন্ত্ৰনা আৰু বিপদ আছে, – ইয়াত চৰম সুখ-আনন্দ আৰু শিহৰণ আছে, – জীৱনটো যে কি! ■



গল্প

# পাঠকৰ অপ্ৰকাশিত গল্প

কৃষ্ণ ভূঞা



অংকন : চন্দ্ৰ বৰুৱা

তন্ময় পাঠকৰ লগত মোৰ সম্পৰ্ক সৌহাৰ্দ্যপূৰ্ণ যুগমীয়া বন্ধুত্বৰ, নিস্বাৰ্থপৰ, অকপট শ্ৰদ্ধা আৰু ভালপোৱাৰ। আমাৰ দুয়োৰে ঘৰ কিছু নিলগে নিলগে একেটা চুবুৰিতে।

– আন ভালেমান কামৰ লগতে পাঠকে সাহিত্য চৰ্চাও কৰিছে; নাটক নভেল গদ্য-পদ্যও কিছু লিখিছে। কিন্তু জনপ্ৰিয় লেখক হিচাপে পটুৱৈ সমাজৰ স্বীকৃতি পোৱা নাই। তাৰ বাবে তেওঁৰ হেঁপাহো নাই আৰু দুখো নকৰে বুলি মোৰ সন্দেহ নাছিল যদিও এদিন কথা প্ৰসঙ্গত সুধিছিলো বোলো তুমি যদি খ্যাতি পপুলাৰিটিয়েই নিবিচাৰা তেনেহলে এতিয়া আঢ়ৈ কুৰি বছৰ বয়সৰ ডেওনা পাৰ হৈও দিস্তাই দিস্তাই ফুলস্কেপ কাগজত কলম ঘঁহি আছা কিয়? তেওঁ মিচিকিয়াই হাঁহি কৈছিল সেইটো মোৰ হবি বুজিছা, এটা নিচা। চৰছ হুপিলে যেনেকৈ নিচাই ধৰে আৰু এবাৰ হুপিবলৈ ললে হুপি থাকিবলৈ মন যায় তেনেকৈ এবাৰ লিখা আৰম্ভ কৰিলে লিখি থাকিবৰ মন যায়। তাকে কৈ তেওঁ ভালগাৰ অপিনিয়নটো কি বস্তু মোক বুজাই দি কাৰ্লাইলক সমৰ্থন কৰি কৈছিল– পাব্লিক অপিনিয়ন ইজ দি গ্ৰেটেষ্ট লাই ইন দি ৱাৰ্ল্ড বুজিছা। মই বুজিলো বুলি কৈছিলো।

পাঠক বৰলা মানুহ। ঘৈণীয়েক কল্পনাই বহুত দিনৰ আগতে তেওঁক অকলশৰীয়া কৰি থৈ সিপুৰীলৈ গ'ল। সেয়ে এদিন মই কৈছিলো : বন্ধু হিচাপে তোমাৰ শুভ কামনা কৰিয়েই কথা এটা কওঁ তুমি আকৌ অফেন্স নলবা। তুমিতো স্বাস্থ্যই পানীয়ে দেখাই শুনাই. এতিয়াও বেচ তাগড়া' হৈ আছা। আকৌ ঘৰ সংসাৰকে কৰা। অকলে জীৱনটো কেনেকৈ কটাবা। মাত বোললৈও তিৰোতা এজনী লাগে। দিল্লী নালাগে য'ৰে নহওক লাড়ু খালেও যেতিয়া পস্তাব লাগে আৰু নেখালেও পস্তাব লাগে খাই পস্তোৱাই ভাল।" "মানুহ মাত্ৰেই যে তিৰোতা এজনী লাগে সেইটো কোন শাস্ত্ৰত লিখা আছে কোৱাছোন?" পাঠকে মোক ইতিকিং কৰিছিল যদিও মই আন্তৰিকতাৰেই কৈছিলো, "সেইটো সকলো শাস্ত্ৰতে ইমপ্লাইড। মতা-মাইকী মেল-ফিমেলৰ যুগ্ম জীৱনেই প্ৰাণীজগতৰ জীৱন গঢ়– পেটাৰ্ণ অফ লাইফ। স্ত্ৰী

পুৰুষৰ মিলনতহে মানৱ-জীৱন পৰিপূৰ্ণ হয়। ইতৰ প্ৰাণীয়েও যোৰ পাতিহে জীৱন নিৰ্বাহ কৰে।" তেওঁ হাঁহি কৈছিল– "তুমি তত্বদৰ্শী পণ্ডিত হৈও মোক ইতৰ প্ৰাণীৰ লগতহে থলা। অৱশ্যে মানুহো জন্তুৱেই, কোনোৱে জন্তুৰ দৰে কাম কৰে, কোনোৱে আকৌ জন্তুটো নিয়ন্ত্ৰণত ৰাখি মানুহৰ দৰে কাম কৰে বাবেই মানুহক শ্ৰেষ্ঠ জীৱ বুলি কোৱা হয়।"

তন্ময় পাঠকৰ কথাবোৰ তেনেকুৱাই। সি কেতিয়াবা হহুঁৱাই, কেতিয়াবা চক খুৱায়। কেতিয়াবা মনত গভীৰ দাগ বহুৱায়। মই তেওঁৰ লগত কথা বতৰা পাতি এক আচৰিত আনন্দ পাওঁ। সেয়ে তেওঁৰ ওচৰলৈ প্ৰায়ে যাওঁ আৰু ঘন্টাৰ পাছত ঘন্টা ধৰি নানা কথা নানা গল্প নানা বিষয়ে আলোচনা কৰো। কেতিয়াবা বিশ্ব-ব্ৰহ্মাণ্ডৰ অপাৰেছন টেবুলখনত মানৱ জীৱনটো পেলাই লৈ পষ্টমৰ্টেম কৰি বহুমূলীয়া সময়ৰ ব্যয় বা অপব্যয় কৰো।

সেইদিনা পুৱা ঘৈণীৰ লগত কিবা এটা কথাত খকা-খুন্দা লাগি মনটো গধুৰ হোৱাত তাকে পাতলাওঁ বুলি পাঠকৰ ওচৰ পালোগৈ। পিঠিত ৰ'দটোলৈ তেওঁ বাহিৰতে বহি কিবা এটা লিখি থকা দেখি অলপ সংকোচেৰে সুধিলো,

"তুমি দেখোন ফজিৰে ফজিৰে কলম ঘঁহাত লাগি গ'লা। মই আহি কিবা আমনি কৰিলো নেকি ?

"নাই নাই, ঠিক সময়তে ওলাইছাহি, বহা," মই ওচৰতে বহিলো, তেওঁ প্ৰফুল্লিত মনোভাবেৰেই ক'লে, "এইবাৰ বিহুসংখ্যাৰ আলোচনী এখনত দিম বুলি গল্প এটা লিখিছো, এটা অৰিজিনেল, বিশেষ ধৰণৰ গল্প, প্লটটোৰ অলপ আভাস দিও শুনাছোন কেনে হৈছে ক'বা।" পুৱাই সাধু শুনিব লগা হোৱাৰ ভয়ত মই ক'লো, "মই আৰু কি কম, তুমি যি লিখা সেয়ে ভাল।"

তেওঁ বিৰক্তিৰে ক'লে, "তুমি দেখোন কাগজে পত্ৰই পাচিয়ে পাচিয়ে সমালোচনা ওকালিয়াবই লাগিছা। মানুহে কয় বোলে তোমাৰ ক্ৰিটিচিজিম হেনো ডেমেজিং সেয়েহে তোমাৰ বহুমূলীয়া অপিনিয়নটো বিচাৰিছো।"

ময়ো অৱশ্যে অৱসৰ ললে সাহিত্য সেৱাতে লাগিম বুলি ভাবি ইতিমধ্যে প্ৰবন্ধ-পাতি লিখিবলৈ লৈছো। সমালোচক হিচাপে কিছু প্ৰতিষ্ঠাও পাইছো। পাঠকে সঁচাই মোৰ মতামত জনাৰ আগ্ৰহতে কৈছে বুলি অনুমান কৰি ক'বলৈ কলো। তেওঁ কৈ গ'ল, "মোৰ গল্পৰ নায়ক সৰ্বানন্দ ৰাজকুমাৰ, বয়স মোৰ সমানেই। ৰাজকুমাৰ এদিন 'বৈদ্য' প্ৰেমত পৰিল।"

"ৰবা, ৰবা" মই কৈ উঠিলো, "তুমি বয়সত এতিয়া অৰ্দ্ধ শতিকা পাৰ কৰি দিলা অৰ্থাৎ ৰাজকুমাৰ বুঢ়া কালত প্ৰেমত পৰিল।"

"কি হ'ল– চক খাই উঠিলাচোন, বুঢ়াকালত প্ৰেমত পৰিব নেপায় নেকি ?" তেওঁ ক'লে। "নেপায় বুলি কোৱা নাই। স্বাস্থ্যই-পানীয়ে দেখাই-শুনাই তোমাৰ দৰে সুপুৰুষ হৈ থাকিলে সেইটো হ'ব পাৰে যদিও বৰ স্বাভাৱিক কথা নহয়।" মই কলো। "মই ৰাজকুমাৰক তেনেই বনাইছো। চলি থাকিবৰ বাবে তেওঁৰ ইঞ্জিনত জুই পানী বাষ্পৰ অভাৱ হোৱা নাই মানে তোমাৰ ভাষাত ক'বলৈ গ'লে বেচ তাগড়া হৈ অআছে।" তেওঁ নেহাঁহি কলে।

"ঠিক আছে তেনেহ'লে, তাৰ পিছত ?" মই সুধিলো।

"ৰাজকুমাৰ প্ৰেমত পৰিল তেওঁৰ বন্ধু আৰু দূৰ সম্পৰ্কীয় আত্মীয় নগেন কোঁৱৰৰ সাতত্ৰিছ বছৰ বয়সীয়া পত্নী যমুনাৰ।" গহীনাই পাঠকে ক'লে।

"ৰবা, ৰবা, আকৌ খোকোজা লগালা", মই কলো, "বন্ধু পত্নী ! শাস্ত্ৰত কৈছে বোলে পৰস্ত্ৰীক লোষ্ট্ৰবৎ জ্ঞান কৰিবা। তেনে প্লট লৈ তোমাৰ দৰে গজগজীয়া সাহিত্যিকে গল্প লিখিলে ৰাইজে কি বুলিব ?"

"কোৱা কিহে মোতকৈ গজগজীয়া সাহিত্যিকে তেনে প্লট লৈ গল্প লিখাই নহয়, ডান্টে গেটে, পেট্ৰাৰ্ক ইবচেন বকে কিয় এৰিয়ষ্ট আদি ক'ত মহা মহা সাহিত্যিক পৰস্ত্ৰীৰ প্ৰেমত পৰিয়েই মৰি গ'ল ! তুমি নাজানা ! তেনে প্লটেৰে গল্প নহয় নেকি ?" তেওঁ যেন খঙেৰেই ক'লে।

"হ'ব হয়তো, এটা মামুলি ৰোমান্তিক প্ৰেমৰ গল্প। তুমি কিবা এটা অৰিজিনেল লিখাৰ কথাহে কৈছিলা। অৱশ্যে আজি-কালি 'বুঢ়া' সাহিত্যিকেও আন-একো নেপাই প্ৰেমৰ গল্পকে লিখিবলৈ লৈছে। লিখা লিখা।"

"তুমি দেখোন পেংলাই কৰিবলৈহে ললা। মই চিৰিয়াচ।" পাঠকক চিৰিয়াচ যেনেই লাগিল।

"তোমাৰ কলমৰ অবৈধ প্ৰেমৰ গল্প ৰাইজে ভাল নেপাব নেকি !" ময়ো গহীন হ'লো। "কি কৰিলে ভাল হয় এটা চাজেচ্ছন দিয়াচোন– কিন্তু বন্ধুপত্নী হ'বই লাগিব।" "কাম এটা কৰিলে কেনে হয় যিহেতু ৰাজকুমাৰ আৰু যমুনা দুয়ো বয়সস্থ মানুহ চেক্সটো বাদ দিয়া, তেওঁলোকৰ প্ৰেম এক উচ্চ পৰ্যায়লৈ তুলি তাক স্পিৰিচুৱেল প্ৰেম অৰ্থাৎ আত্মিক প্ৰেম হিচাপে চিত্ৰিত কৰি তেওঁলোকৰ এক স্পিৰিচুৱেল ব্লিচ লাভ হোৱা দেখুওৱা।" মই আন্তৰিকতাৰে ক'লো।

"আহাহা," তেওঁ মহানন্দে চিঞৰি উঠিল, "তুমি দেখোন আচল বস্তুটোকে বাদ দিলা, চেক্স নহলে তিৰোতাজনী কেলেই। সৰ্বানন্দৰ তেনে প্ৰেমত বিশ্বাস নাই। তেওঁ যমুনাক নিজৰ কৰি লোৱাৰ, সম্ভোগ কৰাৰ স্বপ্ন দেখে।"

মোৰ নৈতিকবোধ বৰকৈ জাগ্ৰত হোৱাত কৈ পেলালো, "তেনে গল্প পঢ়ি ডেকা-বুঢ়া সকলোৱে থুই পেলাব।"

"পেলাবতো", তেওঁ ৰং মনেৰেই ক'লে, "ডেকাবোৰে ভাবে সিহঁতে বৰগছৰ তলত নাইবা ফুলগছৰ জোপোহাৰ আঁৰত কৰা প্ৰেমহে আচল স্বৰ্গীয় প্ৰেম। আৰু তোমালোক বুঢ়াবোৰে, যাৰ বিছনাত খেপিয়ালেই ঢুকি পোৱাৰ ভিতৰতে নোদোকা তিৰোতা এজনী আছে, তোমালোকে অন্য বুঢ়াই প্ৰেম সম্ভোগৰ কথা ক'লে ব্ৰহ্মাচাৰীৰ ভেশ ধৰা। আৰু ডিঙি নুশুকুৱালৈকে থুৱাবলৈ লোৱা"।

মই তাকো মানিছো বুলি কোৱাত তেওঁ কৈ গ'ল– "মই গল্পটো এনেকৈ সজোৱাৰ কথা ভাবিছো ঃ বহুত দিনৰ আগতে ৰাজকুমাৰৰ পৰিবাৰৰ মৃত্যু হ'ল। নিঃসঙ্গ দিনবোৰত তেওঁৰ বন্ধু পত্নী যমুনাৰ সান্নিধ্য তেওঁৰ ভাললগা হ'ল আৰু সেয়ে এদিন গভীৰ অনুৰাগলৈ পৰিণত হ'ল। ৰাজকুমাৰ সমস্যাত পৰিল। প্ৰথমে দেখিলে যমুনাৰ লগত এক গোপন মধুৰ সম্পৰ্ক গঢ়ি তোলাৰ বাহিৰে অন্য ৰাস্তা নাই, কিন্তু তেওঁৰ অন্তৰে মনে তাক ব্যাভিচাৰ বুলি আগবাঢ়িবলৈ নিদিলে– সি এক সমস্যা। দ্বিতীয়তে তেওঁৰ অনুৰাগ এক ঘৃণনীয় কাম-বাসনা বুলি মানি লৈ যমুনাৰ ওচৰৰ পৰা আঁতৰি অহাৰ কথা ভাবিলেও তেওঁৰ আচৰিত দুখ লাগে আৰু তেওঁৰ সেই







ভালপোৱাত এক অনিৰ্বচনীয় আনন্দ, স্বৰ্গীয় শান্তি আৰু আৰু পবিত্ৰতাহে অনুভৱ কৰে– সি আন এক সমস্যা। তৃতীয়তে ৰাজকুমাৰৰ উপলব্ধি হ'ল– যে প্ৰেমৰ পৰিপূৰ্ণতা আৰু তৃপ্তি সময় সাপেক্ষ। কিন্তু তেওঁৰ সময় ক'ত। জীৱন নাটকৰ শেষ দৃশ্য দেখোন আৰম্ভই হ'ল সিও সমস্যা। কিন্তু সৰ্ববৃহৎ সমস্যাটো হ'ল যে যমুনাই তেওঁক ভাল পাইনে নেপায় সেই কথা তেওঁ নেজানে, যমুনাকো তেওঁ সোধা নাই গতিকে এই সকলো সমস্যা লৈ ৰাজকুমাৰৰ আত্মাত এক ক্ৰাইচিচ– অৰ্ন্তদ্বন্দ্ব আৰম্ভ হ'ল, আৰু তাৰে পৰিপ্ৰেক্ষিতত মই গল্পটোত এহাতে মানুহৰ হেল্পলেচনেচ, অসহায়তা, নৈৰাশ্য ব্যৰ্থতা বেদনা আৰু আনহাতে তাৰ মাজতে আহি পৰা সৰু সৰু সুখ আনন্দ একছটেচিৰ টুকুৰাবোৰ লৈ জীৱনৰ সাৰ্থকতাৰ এখন ছবি অঁকাৰ কথা ভাবিছো" বুলি শেষৰ কথাখিনি নিজকে কোৱাৰ দৰে কৈ নাটকীয়ভাবে সামৰণি মাৰি ক'লে–"এটা কথাহে সমীৰৰ আজি কেইদিন মানৰ পৰা বৰ অসুখ ব'লাচোন খবৰ এটা কৰি আহোগৈ।"

• • •

সমীৰণ শইকীয়া তন্ময় পাঠকৰ দূৰ সম্পৰ্কীয় আত্মীয়। তন্ময়ৰ সুহৃদ বন্ধু আৰু শুভাকাংক্ষী বুলি মই ভালকৈ জানো। সেই সূত্ৰেই মোৰ লগতো বহুত দিনৰ পৰা পৰিচয়। শইকীয়াৰ ঘৈণীয়েক নন্দিনী শিক্ষিতা, সুন্দৰী, ৰচকী ৰংঢালি মানুহ। ত্ৰিছ-বত্ৰিছ বছৰীয়া এই মহিলাক দেখিলে অনুভৱ হয় যেন মানুহৰ অন্তহীন দুখ পৰিবেদনাৰ আঘাতবোৰ ক্ষন্তেকৰ বাবে পাহৰাই ৰাখিবলৈকে ঈশ্বৰে এই ৰমণীক সৃষ্টি কৰিছে। পাঠকৰ লগত ময়ো মাজে সময়ে তেওঁলোকৰ ঘৰলৈ যাওঁ, তেওঁলোকৰ সান্নিধ্য, আদৰ আপ্যায়ন, তেওঁলোকৰ সৈতে কথোপকথন উপভোগ কৰো।

আমাক দেখি দুয়ো উৎফুল্লিত হ'ল। আমাক আথে-বেথে বহুৱাই লৈ কথা-বতৰা সুধিলে। সোধ-পোচ আগৰ দৰেই কৰিলে। সমীৰণ শইকীয়াৰ বহুদিনৰ পৰা হাৰ্টৰ অসুখ। ডাক্তৰে বাইপাচ চাৰ্জাৰিৰ পৰামৰ্শ দিছে যদিও কৰোৱা নাই। কিন্তু তেওঁৰ প্ৰশান্ত মুখত হৃদৰোগগ্ৰস্ত মানুহৰ বেদনা নিৰানন্দৰ আভাস নেদেখিলো। এবাৰ পাঠকে সমীৰণক ক'লে–

"চাৰ্জাৰিৰ আৱশ্যক নহ'বও পাৰে। হ'লেও চিন্তাৰ কাৰণ নাই। আজিকালি এনে অপাৰেছন হাণ্ড্ৰেড পাৰচেন্ট চাকচেচফুল হয়। বলা আকৌ এবাৰ দেখুৱাই আহিবা, মোৰ লগতে ওলোৱা, দিল্লীত মোৰ চা-চিনাকি ডাক্তৰ আছে চেকআপ কৰাই আহিবা।" সমীৰণে মিচিকিয়াই হাঁহি ক'লে। "অপাৰেচন টেবুলৰ পৰা এচকেপ কৰিলেও ইনভেলিড হৈ আৰু দুটা দিন বেছি জীয়াই থাকি লাভ কি কোৱা।"

নন্দিনীয়ে ক'লে, "এওঁ জীয়াই থকাতকৈ মৰিবলৈহে ভাল পায়।" নন্দিনীৰ মুখত কিছু খং বিষাদ অসন্তোষৰ ভাব।

• • •

সমীৰণ শইকীয়া এদিন হঠাৎ ঢুকাই থাকিল। ময়ো আপোন এজনক হেৰুৱাৰ দৰে মৰ্মাহত হলো।

পূজা সংখ্যাৰ কোনো আলোচনীতে তন্ময় পাঠকৰ গল্পটো পঢ়িবলৈ নেপালো। এদিন সুধিলো, "তোমাৰ গল্পটো দেখোন নেদেখিলো– নিলিখিলা নেকি ?"

পাঠকৰ মুখত পৰিচিত আনন্দময় ভাবটো নেদেখিলো। প্ৰশ্নটো কৰি মই যেন তেওঁক আঘাতহে কৰিলো এনে এক অভিব্যঞ্জনা হে ফুটি উঠিল, তেওঁ ক'লে, "এ লিখাই নহ'ল বুজিছা। সমীৰণটো মৰি থাকিল। বেচেৰি নন্দিনী – অৱস্থা দেখিলে দুখ লাগে। হি ৱাজ হাৰ অনলি লভ।"

সমীৰণৰ মৃত্যুৰ পিছত তন্ময় আৰু নন্দিনীৰ বেদনা কাতৰ মুখবোৰলৈ মোৰ মনত পৰিল। অকস্মাত মোৰ মনত পৰিল পাঠকে লিখিবলৈ লোৱা গল্পৰ নায়ক ৰাজকুমাৰৰ সুহৃদয় বন্ধু নগেন কোঁৱৰ আৰু পত্নী যমুনা ৰাজকুমাৰৰ দূৰসম্পৰ্কীয় আত্মীয়। মোৰ অনুমান হ'ল তন্ময় পাঠকে নন্দিনীক ভাল পাইছিল আৰু নিজৰ জীৱনৰে এই মৰ্মস্পৰ্শী ঘটনা লৈয়ে তেওঁ গল্পটো লিখিবলৈ লৈছিল, কিন্তু সমীৰণৰ মৃত্যুৱে তাক শেষ হ'বলৈ নিদিলে। ■


বসন্ত সংখ্যা সূত্ৰধাৰ ◻ ১–১৫ এপ্ৰিল ১৯৯২

বিচিত্ৰা

# বীথোফেন

বীথোফেনৰ সংগীতে আমাক এনে এটা উচ্চতালৈ তুলি লৈ যায় – য'ৰ পৰা আমি কেৱল সংগীতৰেই পুনৰ্মূল্যায়ন নকৰোঁ; আমি পুনৰ্মূল্যায়ন কৰোঁ সমস্ত জীৱনৰ। সমস্ত আবেগৰ। সমস্ত চিন্তাৰ।

– *আৰ্ণেষ্ট নিউমেন*



বীথোফেনৰ বয়স এতিয়া ত্ৰিশ। তেওঁৰ স্বভাৱ আগৰ দৰেই খিটখিটীয়া; তেওঁৰ খং, ৰুক্ষতা আৰু সন্দেহ-পৰায়ণতা এতিয়াও বন্ধু সকলৰ কাৰণে অতিশয় যন্ত্ৰণাদায়ক। ইফালে তেওঁৰ জীৱনলৈ ধীৰে ধীৰে নামি আহিব ধৰিছে ভয়ঙ্কৰ দুৰ্ভাগ্যৰ কৰাল ছাঁয়া।

অকণ অকণকৈ বীথোফেনে অনুভৱ কৰিবলৈ আৰম্ভ কৰিলে যে তেওঁৰ শ্ৰৱণ-শক্তি হ্ৰাস পাই আহিছে। সংগীতৰ সূক্ষ্ম অনুৰণনবোৰৰ পাৰ্থক্য বুজাটো তেওঁৰ পক্ষে লাহে লাহে অসম্ভৱ হৈ পৰিছে। তেওঁ ইজনৰ পিছত সিজন ডাক্তৰৰ শৰণাপন্ন হ'ল। ডাক্তৰসকলে তেওঁক পৰীক্ষা কৰি মূৰ জোঁকাৰিবলৈ ধৰিলে। আতঙ্কত বীথোফেন প্ৰায় উন্মত্ত হৈ উঠিল। ইফালে তেওঁৰ বেমাৰ দ্ৰুত গতিৰে বাঢ়িবলৈ ধৰিলে। অৱশেষত চূড়ান্ত ৰায় বিচাৰি তেওঁ আৰু এজন ডাক্তৰৰ ওচৰলৈ গ'ল। ডাক্তৰজনে তেওঁক কেৱল ইমানকে কলে যে তেওঁ বোধহয় বেমাৰটো উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছে অথবা প্ৰথম যৌৱনত হোৱা কিবা এটা বেমাৰৰ ফলতেই তেওঁৰ শ্ৰৱণ-শক্তি লোপ পাবলৈ ধৰিছে। বেমাৰৰ কাৰণটো জানি বীথোফেনৰ কি লাভ হ'ব – যদিহে তাৰ ফলত তেওঁ শ্ৰৱণ-শক্তি ঘূৰাই নাপায়?

হতাশাত ভাগি পৰা মানুহজন নিজৰ ঘৰলৈ ঘূৰি আহি পিয়ানোৰ ওচৰত বহিল। তেওঁৰ হৃদয় ভাগি গুৰি হোৱাৰ উপক্ৰম হ'ল। ভৱিষ্যতলৈ চাই তেওঁ দেখিলে – তেওঁৰ জীৱনত আৰু সংগীতৰ কোনো স্থান নাই; আছে কেৱল এটাৰ পিছত এটাকৈ শূন্য নিষ্ফল বছৰবোৰৰ ক্লান্তিকৰ পুনৰাবৰ্তন। অন্যমনস্কভাৱে তেওঁ পিয়ানোটোক আঘাত কৰিবলৈ ধৰিলে। লগতে তেওঁ মনে মনে ভাবিলে – ডাক্তৰবোৰৰো কেতিয়াবা ভুল হ'ব পাৰে? ওহোঁ, সেইটো হ'ব নোৱাৰে। ডাক্তৰে কাচিৎহে ভুল কৰে। এইদৰে আশা-নিৰাশাৰ মাজত তেওঁৰ মন দোলায়িত হ'বলৈ ধৰিলে। অৱশেষত তেওঁ পিয়ানোটোৰ কাষৰ পৰা আঁতৰি আহিল। অসহ্য যন্ত্ৰণাৰ বাহিৰে এতিয়া ই তেওঁক আন একো দিব নোৱাৰে। মূৰে-কপালে হাত দি তেওঁ মেজৰ কাষত বহি পৰিল।

কেইবা সপ্তাহৰ কাৰণে তেওঁ দিনে-ৰাতিয়ে ঘৰতে সোমাই থাকিল। বন্ধু-বান্ধৱে খবৰ লবলৈ আহিলেও তেওঁ কাকো দেখা নকৰা হ'ল। যি দুই-এজনে অনেক প্ৰবন্ধ কৰি তেওঁক দেখা কৰিবলৈ সমৰ্থ হ'ল, তেওঁলোকে দেখি আচৰিত হ'ল যে বীথোফেনৰ আগৰ ৰুক্ষ গৰ্বিত স্বভাৱ আৰু নাই। তেওঁৰ আচৰণ আৰু কথা-বাৰ্তাত এতিয়া ফুটি উঠিছে স্নিগ্ধ নম্ৰতা। চৰম দুৰ্ভাগ্যৰ হেঁচাত পৰি তেওঁৰ স্বভাৱৰ আমূল পৰিবৰ্তন ঘটিছে। তেওঁৰ মাজত ধীৰে ধীৰে ফুটি উঠিবলৈ ধৰিছে মহত্ব আৰু শৌৰ্যৰ লক্ষণ।

১৮০২ চনত তেওঁ ভায়েকবোৰলৈ এখন চিঠি লিখিলে – যিখন চিঠিক তেওঁৰ উইল বা ইচ্ছা-পত্ৰ বুলি কোৱা হয়। এজন সঙ্গীতজ্ঞৰ কাৰণে শ্ৰৱণ-শক্তি হেৰুওৱাৰ তাৎপৰ্য কিমান ভয়ঙ্কৰ হ'ব পাৰে সেই কথাকে তেওঁ চিঠিখনৰ যোগেদি ভায়েকহঁতক জনাই দিলে অতি স্পষ্ট কিন্তু সংযত ভাষাৰে – হৃদয়-দ্ৰাবক মহত্ব আৰু কাৰুণ্যৰে মণ্ডিত ভাষাৰে।

এইদৰেই আৰম্ভ হ'ল লুড্‌ভিগ্ ফন বীথোফেনৰ কৰুণ নিঃসঙ্গ জীৱন – বন্ধু-বান্ধৱৰ দ্বাৰা পৰিবেষ্টিত হৈয়ো নিঃসঙ্গ জীৱন। তেওঁ চিৰকালৰ কাৰণে বন্দী হ'ল এটা নীৰৱ কবৰৰ মাজত – য'ত আৰু কোনোকালেই কোনো শব্দই গৈ প্ৰবেশ কৰিব নোৱাৰে।

*–জন কেনিং*

জীৱনত কেতিয়াও কোনো অৱস্থাতে হাৰ মানিব নোখোজা বীথোফেন এইবাৰ যেন নিষ্ঠুৰ ভাগ্যৰ ওচৰত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। তেওঁৰ শক্তি আৰু অহঙ্কাৰ এনেকৈ লোপ পাবলৈ ধৰিলে যে যুদ্ধ কৰিবলৈ এৰি দি তেওঁ মৰিবলৈ প্ৰস্তুত হ'ল। কিন্তু হতাশাৰ চৰম প্ৰান্তত উপনীত হৈ তেওঁ হঠাৎ আৱিষ্কাৰ কৰিলে যে তেওঁৰ সৃষ্টি-ক্ষমতাক ধ্বংস কৰিবলৈ কাৰো সাধ্য নাই; তেওঁ এনে হেন মৃত্যুঞ্জয় শক্তিৰ অধিকাৰী যে তেওঁৰ পক্ষে ভগ্ন আৰু পৰাজিত হৈ মৃত্যু বৰণ কৰাটো সম্ভৱ নহয়। সেই বছৰৰে গ্ৰীষ্মকাল শেষ হৈ অহাৰ সময়ত তেওঁ আৱিষ্কাৰ কৰিলে যে তেওঁৰ জন্ম হৈছে তেওঁৰ দুৰ্জয় প্ৰতিভাক লালন আৰু ৰক্ষা কৰিবলৈ, আৰু প্ৰতিভাৰ সেই বিৰাট শক্তিয়ে তেওঁক ব্যৱহাৰ কৰিছে কেৱল এজন সেৱক বা প্ৰকাশৰ এটা মাধ্যম হিচাপে।

*–জে ডব্লিউ এন ছুলিভান*

## বীথোফেনে তেওঁৰ ভায়েক দুজনলৈ লিখা চিঠি তথা তেওঁৰ ইচ্ছা-পত্ৰ

মোৰ ভাই কাৰ্ল আৰু জোহান বীথোফেনলৈ।

তোমালোকে সদায় ভাবি আহিছা বা কৈ আহিছা যে মই অত্যন্ত জেদী, পৰশ্ৰীকাতৰ আৰু মানৱ-বিদ্বেষী। এনেদৰে ভাবি বা কৌ তোমালোকে মোৰ প্ৰতি ভীষণ অন্যায় কৰিছা, কাৰণ মানুহৰ চকুত মোৰ তেনে এটা ৰূপ ফুটি উঠাৰ প্ৰকৃত গোপন কাৰণটো তোমালোকে নাজানা। শৈশৱ কালৰ পৰাই মোৰ মনৰ স্বাভাৱিক প্ৰৱণতা আছিল সততা আৰু কোমলতাৰ প্ৰতি। জীৱনত কিবা এটা মহৎ কীৰ্তি স্থাপন কৰাৰ বাসনাও মই মনে মনে পুহি ৰাখিছিলো। কিন্তু যোৱা ছবছৰ ধৰি মই যি দুৰাৰোগ্য অসুখত ভুগিছো সিয়েই মোৰ জীৱনলৈ নমাই আনিছে নিৰাশাৰ অন্ধকাৰ। বছৰৰ পিছত বছৰ ধৰি নিৰ্বোধ ডাক্তৰবোৰে আৰোগ্যৰ আশা দেখুৱাই মোৰ সমস্যাটো ক্ৰমাৎ বেছি জটিলহে কৰি তুলিছে। অৱশেষত আজি মই এই কথা মানি লবলৈ বাধ্য হৈছো যে মোৰ এই অসুখ ভাল হবলৈ হয়তো বহু বছৰ লাগিব অথবা ই কেতিয়াও ভাল নহবই।

সৌ-সিদিনালৈকেতো সকলো কথাতেই আছিল মোৰ বিপুল উৎসাহ; মোৰ স্বভাৱ আছিল আনন্দময় আৰু প্ৰাণৱন্ত। মই আনকি নানা ধৰণৰ সামাজিক আমোদ-প্ৰমোদতো ভাগ লৈছিলো। কিন্তু হঠাতে মোৰ জীৱনলৈ এনে এটা দিন আহিল – যিদিনা মই নিজকে সকলোৰে পৰা আঁতৰাই আনিবলৈ বাধ্য হলো; মই বৰণ কৰি ললো চৰম নিঃসঙ্গতা। মাজে মাজে মই মোৰ দুৰ্ভাগ্যৰ কথা পাহৰি থাকিবলৈ চেষ্টা কৰো। কিন্তু মোৰ বধিৰতাই মোক নিৰ্মমভাৱে মোৰ দুৰ্ভাগ্যৰ কথা সোঁৱৰাই দিয়ে। মই মানুহৰ পৰা আকৌ আঁতৰি আহিবলৈ বাধ্য হওঁ। মইনো মানুহক কেনেকৈ কওঁ যে ডাঙৰকৈ কথা কোৱা, চিঞৰি কথা কোৱা, কাৰণ মই বধিৰ!

মইযে শ্ৰৱণ-শক্তি হেৰুৱাই পেলাইছো সেই কথা মই মানুহৰ আগত কেনেকৈ স্বীকাৰ কৰো? আন সকলো মানুহতকৈ মোৰেই শ্ৰৱণ-শক্তি বেছি নিখুঁত হোৱা উচিত আছিল। আচলতে এনে এটা সময় আছিল যেতিয়া সঁচাকৈয়ে মোৰ শ্ৰৱণ-শক্তি আছিল অতি নিখুঁত; মোৰ বৃত্তিৰ আন কোনো মানুহেই ইমান পৰিপূৰ্ণভাৱে নিখুঁত শ্ৰৱণ-শক্তিৰ অধিকাৰী আছিল বুলি দাবী কৰিব নোৱাৰে। ওহোঁ, মোৰ শ্ৰৱণ-শক্তি নাই, মই বধিৰ, সেই কথা মই কেতিয়াও খোলাখুলিকৈ স্বীকাৰ কৰিব নোৱাৰো। সেই কাৰণে তোমালোকে মোক নিশ্চয় ক্ষমা কৰিব লাগিব – যেতিয়া তোমালোকে দেখা যে তোমালোকৰ লগত মিলিবলৈ গৈয়ো মই আকৌ পিছ হোঁহকি আহো। মোৰ এই দুৰ্ভাগ্য দুগুণে যন্ত্ৰণাদায়ক হয় – যেতিয়া মোৰ এনে আচৰণৰ কাৰণে মানুহে মোক ভুল বুজে। বন্ধু-বান্ধৱৰ সঙ্গই দিব পৰা আনন্দ, সদালাপ, ভাব-বিনিময় – এই সকলোৰে পৰা মই এতিয়া চিৰকাললৈ বঞ্চিত। অত্যন্ত প্ৰয়োজনত সমাজৰ লগত যিখিনি সম্পৰ্ক নাৰাখিলে মোৰ কোনোমতেই নচলে কেৱল সিমানখিনি সম্পৰ্কহে মই এতিয়া ৰক্ষা কৰি চলো।

মই জীৱনটো যাপন কৰিব লাগিব এজন নিৰ্বাসিত মানুহৰ দৰে। মানুহৰ কাষ চাপিব লগা হলেই এটা ভীষণ আতঙ্কই মোৰ টেঁটু টিপা মাৰি ধৰে; মই যে কলা সেই কথাটো মানুহৰ চকুত ধৰা পৰি যাব বুলি মোৰ ভয় হয়; সেই কাৰণে যোৱা ছমাহ মই মোৰ বুদ্ধিমান চিকিৎসকৰ নিৰ্দেশ মতে

এখন গাঁৱত নিৰলে বাস কৰিছো – যাতে মই কাৰো কথা শুনিব লগা নহয় । এনেকৈয়ে মই এটাৰ নীৰৱ আৰু নিঃসঙ্গ জীৱন যাপনৰ অভ্যাস কৰিছো । কিন্তু কেতিয়াবা মোৰ সংযমৰ বান্ধোন ঢিলা হৈ যায় আৰু মানুহৰ সঙ্গৰ প্ৰতি মই ব্যাকুল হৈ উঠো । কিন্তু যেতিয়া দূৰত কোনোবাই বাঁহী বজাবলৈ ধৰে, মোৰ কাষতে থিয় হৈ থকা মানুহজনে সেই বাঁহীৰ মাত শুনা পায় আৰু মই নুশুনো, তেতিয়া লাজ আৰু অপমানত মোৰ মৰি যাবলৈ মন যায় । দূৰত ক'ৰবাত গৰখীয়াই মধুৰ সুৰেৰে বনগীত গাইছে আৰু মই একেবাৰেই শুনি পোৱা নাই, তেনেবোৰ মুহূৰ্তত মই হতাশাৰ চৰম সীমাত গৈ উপনীত হওঁ । সেই সীমা পাৰ হৈ আৰু অকণমান যাব লগা হলেই মই কিজানি নিজ হাতেৰেই মোৰ জীৱন শেষ কৰিলোহেঁতেন ।

কিন্তু মোৰ কলাই তেনে কৰাৰ পৰা মোক নিবৃত্ত কৰিলে । মোৰ মাজত আছে সৃষ্টিৰ এটা বিপুল তাড়না । মই যি সৃষ্টি কৰিব বিচাৰো সেই গোটেইখিনি সৃষ্টি কৰি শেষ কৰিব নোৱাৰালৈকে এই পৃথিৱী এৰি যোৱাটো মোৰ পক্ষে অসম্ভৱ । সেই কাৰণেই মই মোৰ এই অভিশপ্ত অস্তিত্বক কোনো মতে সহ্য কৰি আছো । ধৈৰ্য, এতিয়া কেৱল ধৈৰ্যকই মই মোৰ পথ-প্ৰদৰ্শক হিচাপে বাছি লব লাগিব । আশা কৰো শেষ পৰ্যন্ত মই মোৰ সংকল্পত অটল হৈ থাকিব পাৰিম । মোৰ অৱস্থা আগতকৈ হয়তো ভাল হ'ব । আগতকৈ বেয়াও হ'ব পাৰে । যি কোনো ভৱিষ্যতৰ কাৰণেই মই প্ৰস্তুত ।

মোৰ ২৮ বছৰ বয়সতে পৰিস্থিতিয়ে মোক দাৰ্শনিক হবলৈ বাধ্য কৰিছে । দাৰ্শনিক হোৱাটো সহজ নহয় । আনতকৈ এজন শিল্পীৰ পক্ষে ই আৰু বেছি কঠিন । হে স্বৰ্গৰ দেৱতা, তুমি মোৰ আত্মাৰ গভীৰতম তলীলৈকে চাই পঠোৱাচোন; তুমি দেখিছা, তুমি নিশ্চয় দেখিছা যে তাত আছে মানুহৰ প্ৰতি প্ৰেম আৰু মানুহৰ মঙ্গলৰ কাৰণে কাম কৰাৰ বাসনা । মোৰ ভাইহঁত, এদিন যেতিয়া তোমালোকে মোৰ এই কথাখিনি পঢ়িবা, তেতিয়া তোমালোকে নিশ্চয় এই কথা উপলব্ধি কৰিবা যে তোমালোকে মোৰ প্ৰতি অন্যায় কৰিছিলা । তোমালোকে উপলব্ধি কৰিবা যে এই দুৰ্ভগীয়া মানুহটোৰ একমাত্ৰ নিজৰ বাহিৰে সান্ত্বনাৰ আন কোনো স্থল নাছিল; কিন্তু সি মহান শিল্পী আৰু ব্যক্তি সকলৰ ওচৰত নিজকে গ্ৰহণ-যোগ্য কৰি তুলিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰিছিল । মোৰ ভাই কাৰ্ল আৰু জোহান, ডঃ শ্মিদ যদি তেতিয়াও জীয়াই থাকে তেন্তে মই মৰাৰ লগে লগেই তোমালোকে তেওঁৰ পৰা মোৰ ৰোগৰ সবিশেষ বিৱৰণ সংগ্ৰহ কৰিবা আৰু মোৰ এই চিঠিখন মোৰ ৰোগৰ বিৱৰণৰ লগত একেলগে গাঁথি থবা – যাতে মোৰ মৃত্যুৰ পিছত পৃথিৱীয়ে মোক সহজভাৱে গ্ৰহণ কৰিব পাৰে । একে সময়তে মই এই কথাও ঘোষণা কৰিছো যে তোমালোক দুয়োজন মই এৰি থৈ যোৱা সামান্য সম্পত্তিৰ উত্তৰাধিকাৰী হবা । সম্পত্তিখিনি দুয়ো সমানে ভগাই লবা । তোমালোকে নিশ্চয় এই কথা জানা যে তোমালোকে মোক যিবোৰ আঘাত দিছিলা সেইবোৰৰ কাৰণে মই তোমালোকক কেতিয়াবাই ক্ষমা কৰি দিছো ।

যোৱা কিছুদিন ধৰি কাৰ্লে মোৰ প্ৰতি যি মৰম দেখুৱাইছা তাৰ কাৰণে মই তোমাক বিশেষভাৱে ধন্যবাদ জনাইছো । তোমালোক দুয়োৰে জীৱন যেন মোতকৈ বেচি সুখময় আৰু শান্তিপূৰ্ণ হয় এয়ে মোৰ প্ৰাৰ্থনা । তোমালোকৰ সন্তানবোৰক নীতিপৰায়ণ হবলৈ শিক্ষা দিবা । ধন-সম্পত্তিয়ে নহয়, একমাত্ৰ নীতিপৰায়ণতাইহে মানুহক সুখ-শান্তি দিব পাৰে । এই কথা মই নিজৰ অভিজ্ঞতাৰ পৰা কৈছো । মোৰ জীৱনৰ চৰম দুৰ্দশাৰ সময়ত একমাত্ৰ ইয়েই মোক ৰক্ষা কৰি চলিছিল । নীতিপৰায়ণতাৰ পিছতেই মই স্থান দিম মোৰ কলাক । মই যে আপোনঘাতী হৈ জীৱনটো শেষ নকৰিলো তাৰ এটা ঘাই কাৰণ হ'ল মোৰ কলাৰ প্ৰতি মোৰ আনুগত্য ।

দুয়োজনলৈকে মৰম জনাই মই বিদায় মাগিছো । মোৰ সকলো বন্ধুকে মই ধন্যবাদ জনাইছো । তেওঁলোকৰ ভিতৰত বিশেষভাৱে উল্লেখ কৰিব খোজো প্ৰিন্স লিচ্‌নৌস্কি আৰু প্ৰফেচৰ স্মিদৰ নাম । প্ৰিন্স লিচ্‌নৌস্কিয়ে মোক দিয়া বাদ্যযন্ত্ৰখিনি তোমালোকৰ কোনোবা এজনে যদি সংৰক্ষণ কৰিব পৰা তেন্তে মই বৰ সুখী হম । কিন্তু সেই বুলি বাদ্যযন্ত্ৰখিনিৰ কাৰণে তোমালোক দুয়ো ইজনে সিজনৰ লগত কাজিয়া নকৰিবা । প্ৰয়োজন হলে বাদ্যযন্ত্ৰখিনি বিক্ৰী কৰি দিবা । মই যদি সমাধিত শুই থাকিও তোমালোকক কিবা প্ৰকাৰে সহায় কৰিব পাৰো তেতিয়া মই যে কিমান আনন্দ পাম; মই মৃত্যুৰ কোলালৈ আনন্দ মনেৰে আগবাঢ়িছো । মই যদি মোৰ পূৰ্ণ-বিকশিত প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুযোগ পোৱাৰ আগতেই মৃত্যু আহে তেন্তে সি নিশ্চয় মোৰ কাৰণে ভীষণ বেদনা-দায়ক হ'ব । কিন্তু লগতে সি মোক মোৰ অন্তহীন যন্ত্ৰণাৰ পৰাও মুক্তি নিদিবনে ? মৃত্যু যেতিয়াই নাহক কিয়, মই তাক সাহসেৰে গ্ৰহণ কৰিবলৈ প্ৰস্তুত । বিদায় । মই মৰিলেও মোক সমূলি পাহৰি নাযাবা । তোমালোকৰ পৰা এইখিনি কৃতজ্ঞতা মোৰ প্ৰাপ্য, কাৰণ জীৱনকালত তোমালোকক কেনেকৈ সুখী কৰো সেইটো আছিল মোৰ এটা প্ৰধান চিন্তা ।

*–লুডভিগ ফন বীথোফেন*

এই বেদনা-বিধুৰ বিদায়-বাণী লিখাৰ পিছত বীথোফেনে সৃষ্টি কৰিলে সেই অপূৰ্ব সাংগীতিক মাষ্টাৰ-পিচবোৰ – যিবোৰে সংগীতৰ সমগ্ৰ জগতখনক নতুনকৈ নিৰ্মাণ কৰিলে । মৰিবলৈ সাজু হোৱাৰ পিছতো তেওঁৰ সমুখত পৰি আছিল সুদীৰ্ঘ পঁচিশ বছৰৰ গৌৰৱময় সংগীত-সাধনা, তেওঁৰ সৰ্বশ্ৰেষ্ঠ ছিম্ফনিবোৰ, গানবোৰ, বিভিন্ন বিচিত্ৰ মানসিক অৱস্থাত সৃষ্টি কৰা সুৰৰ মূৰ্ছনাবোৰ । এই চিঠিখন লেখাৰ মুহূৰ্তটো আছিল তেওঁৰ জীৱনৰ এটা সন্ধিক্ষণ । তেওঁ আহি উপনীত হৈছিল পৰাজয় আৰু হতাশাৰ চৰম সীমাত । কিন্তু বিপুল ইচ্ছাশক্তি আৰু বীৰত্বপূৰ্ণ সহ্যগুণৰ সহায়েৰে বীথোফেনে ভাগ্যৰ ওচৰত অসহায়ভাৱে নতি-স্বীকাৰ নকৰিবলৈ সংকল্প ললে । যি বিধাতা মানুহৰ সকলো প্ৰাৰ্থনাৰ প্ৰতি বধিৰ, তেওঁৰ ওচৰতো কাকুতি-মিনতি নকৰিবলৈ তেওঁ ঠিক কৰিলে । তেওঁ কেৱল ঠিক কৰিলে যে নিজৰ সংগীতৰ সহায়েৰে তেওঁ নিজকে তুলি নিব সকলোৰে উৰ্ধলৈ – তেওঁৰ চিকিৎসক, পৃষ্ঠপোষক, বন্ধু-বান্ধৱ, প্ৰিয়জন, আৰু স্বয়ং ভাগ্য – এই সকলোৰে উৰ্ধলৈ । ■







# গ্ৰেনাইট বিউটি

প্ৰীতি কাকতি

দক্ষিণ পূব ইংলেণ্ডখন হৈছে প্ৰাকৃতিক দৃশ্যৰ ৰম্যভূমি । তাতে আকৌ চৰকাৰে সুপৰিকল্পিতভাৱে বহুতো সংযোজন কৰি অধিক আকৰ্ষণীয় কৰি তুলিছে । এই বিষয়ত নেচনেল ট্ৰাষ্টেও প্ৰভূত অৱদান আগবঢ়াই আহিছে । পৰ্যটকৰ সমাগম ইয়াত সেয়ে সদায় বেছি । এই অঞ্চলত অৱসৰ বিনোদন বা হলিডে কৰিবলৈ আমিও কিছুদিনৰ বাবে গৈছিলো । ইংলেণ্ডত হলিডে ডাঙৰ বিষয় । প্ৰায় সকলো স্তৰৰ মানুহেই বছৰটোত অন্ততঃ কেইদিনমান হলি-ডে উপভোগ কৰিবলৈ ঘৰৰ পৰা ওলাই যায় । দূৰলৈ যাবলৈ নোৱাৰিলেও অন্ততঃ দুই-এদিন তেওঁলোকে ঘৰৰ বাহিৰত কটায় । সকলোৱে নিজৰ গাড়ীয়েই ব্যৱহাৰ কৰে যদিও ভালেমানৰ কাৰাভানো আছে । কাৰাভানত গ'লে বাহিৰত থকাৰ সমস্যা নাথাকে । কাৰাভানৰ বাবে বেলেগ পাৰ্কিঙৰো ব্যৱস্থা আছে । বছৰৰ ৮/৯ মাহ জুৰি বাতৰি কাকতবোৰত কেইবা পৃষ্ঠা জুৰি কেৱল বিজ্ঞাপন – বিভিন্ন ঠাইৰ হোটেল, লজ আদিৰ । তেনেকৈ ট্ৰেভেল কোম্পানীবোৰৰ মনোলোভা বহুৰঙী বহুতো কিতাপ, পুস্তিকা আদিও থাকে । হলি-ডেৰ বাবে বহু আগৰে পৰা কেতিয়াবা এবছৰ আগৰে পৰা কল্পনা, প্ৰস্তুতি আদি চলে । বহুতে পাৰ্ট টাইম কৰি ধন গোটায় তাৰ বাবে । গতিকে হলি-ডে লৈ তাত উখল-মাখল । যিহেতু হোটেলবোৰত প্ৰচুৰ ভিৰ হয়, সেয়ে বহুতো মানুহে নিজৰ বাসগৃহৰ একাংশ বা এটা কোঠা হ'লেও থকা-শোৱাৰ বাবে ভাৰাত দিয়ে । এইবোৰ ঘৰৰ বাহিৰত লিখাই থাকে – Bed and Breakfast বুলি । কিছুমানত চমুকৈ থাকে B+B বুলি । গ্ৰাম্যাঞ্চলৰ মাজেৰে গ'লেও কেতিয়াবা এনে সৰু চাইনবোৰ্ড চকুত পৰে । কাৰণ কিছুমান ভ্ৰমণকাৰীয়ে তেনে ঠাইত থাকি ভাল পায় । আৰু ইংলেণ্ডৰ গ্ৰাম্য ভূমিতো অতীব সুন্দৰ । আমি থাকিবলৈ গৈছিলো ব্ৰিষ্টনৰ পৰা কিছু দূৰৈৰ ক্ৰেডিটন নামৰ সৰু নগৰখনত । সমুদ্ৰ তাৰ পৰা বেছি দূৰৈত নহয় । ঘৰটো আছিল তিনি মহলাৰ আৰু বৰ ডাঙৰ । তেনে ঘৰক 'মেনৰ হাউচ' বুলি কয় । এনে ঘৰত থাকিবলৈ বহুতে বৰ হেঁপাহ কৰে । পিছে থকা-শোৱাৰ বাবদ দিবলৈ লগা হয় বহুত বেছি । যথেষ্ট আগৰে পৰা যোগাযোগ কৰিলেহে থাকিব পাৰি । ঘৰৰ সন্মুখৰ ফালে বহুখিনি মুকলি ঠাই । গেটেৰে সোমাই অলপ দূৰ গ'লেই দেখা যায় এডাল বিৰাট গছত আমাৰ ইয়াৰ দৰেই ডাঙৰ ৰচিৰে অলপ উন্নত ধৰণৰ দোলনা কৰা আছে ঘৰটোৰ সন্মুখতে বাগিচা । লগতে আছে ক্ৰজেট নামৰ তিঁয়হৰ দৰে এবিধ ফল গছ মাটিত বগাই আছে । ঘৰৰ বেৰত লাগি ফুলি আছে ওখ ওখ হলিহক্স ফুলগছ । সোঁফালে ডাঙৰ চুইমিং পুল । কাষতে নাৰ্চাৰী । ঘৰটোৰ কাষতে ওখ দেৱালেৰে আবৃত হৈ এখন শাক-পাচলিৰ বাৰী । অতিথিক সদায় সজীৱ শাক-পাচলি খাবলৈ দিয়া হয় । চাৰি কোৰ্চৰ ডিনাৰ । চৌহদৰ কোণৰ কাষতে নানা ধৰণৰ ধুনীয়া গছ । চৰাইৰ কাকলিত আবেলিটোৰ মুখৰ হৈ উঠে । গোটেই চৌহদটো শান্ত মাধুৰ্য এটা বিয়পি আছে ।

ডাইনিং ৰুমৰ নিৰ্দিষ্ট ঠাইত বহি সন্মুখৰ খিৰিকিখনেৰে সদায় মই দূৰলৈ চাইছিলো । সেই নাতিউচ্চ [illegible] পাহাৰত মানুহে ডিনাৰৰ পিছত কুকুৰক ফুৰাবলৈ নিয়া, অপসৃয়মান হৈ যোৱা মানুহবোৰ, পাহাৰৰ দাঁতিত কণিকাৰ বননি – একেবোৰ দৃশ্যকে সদায় চাই আমনি লগা নাছিল । তাৰে এটা দিনত



*অপূৰ্ব গ্ৰেণাইট সৌন্দৰ্যৰ ড্ৰ'গো প্ৰসাদ*



*প্ৰসাদটো আবৰি থকা ওথ ওখ য়ু গছৰ স্থাপতিক দেৱাল*

আমি কেইবাখনো ঠাই চোৱাৰ মানসেৰে ৰাতিপুৱা ব্ৰেকফাষ্টৰ পিছতেই ওলাই গ'লো। এটা সময়ত পালোঁগে এখন পাহাৰৰ পাদদেশ। ওপৰলৈ চাই দেখিলো পৰ্বত চূড়াত এটা প্ৰাসাদ। অপূৰ্ব সুন্দৰ গ্ৰেণাইট শিলৰ এটা প্ৰসাদ। সৰ্পিল পথেৰে গাড়ী গৈ পাৰ্কিং এৰিয়াত ৰ'ল। টিকেট লৈ, একমিটাৰমান বহল, বৰ ওখ মসৃণ দেৱালৰ মাজেৰে সোমাই গ'লো। এই সেউজ দেৱাল আছিল য়ু গছৰ। দেখি বৰ আচৰিত হৈছিলো পাতবোৰৰ মাজত অকণো ফাঁক নাই। আজিও সেই দৃশ্য মনত সজীৱ হৈ আছে।

ইংলেণ্ডত থাকোতে যিবোৰ ক্যাচল চাইছিলো, তাৰ ভিতৰত ড্ৰ'গো অন্যতম। ই বিখ্যাত স্থপতি চাৰ এডউইন লুটয়েন্সৰ উদ্ভাৱনী দক্ষতাৰ এক বিশেষ পৰিচয়। এৱেঁই নতুন দিল্লীৰ নক্সা কৰিছিল। সুবিশাল, সুদৃশ্য প্ৰাসাদটো দুজন ব্যক্তিৰ সপোনৰ সাৰ্থক ৰূপ। তেওঁলোক হৈছে গৃহকৰ্তা জুলিয়াচ চাৰ্লচ ড্ৰু আৰু স্থপতি এডউইন লুটয়েন্স। এই দুয়োজনেই সেই সময়ৰ উল্লেখযোগ্য ব্যক্তি আছিল। কুৰি শতিকাৰ প্ৰথম ভাগত নিৰ্মাণ কৰা এই মধ্যযুগীয়া প্ৰাসাদটোত ড্ৰু পৰিয়ালে সপোনৰ জগত এখন বিচাৰি পাইছিল।

জুলিয়াচ আছিল এজন যাজকৰ পুত্ৰ আৰু ১৮৫৬ চনত তেওঁৰ জন্মৰ সময়ত পৰিয়ালটো অতি নিঃকিন আছিল। সোতৰ বছৰত তেওঁ খুৰাক ফ্ৰেন্সিচৰ লিভাৰপুলত থকা চাহ আমদানিৰ ব্যৱসায়ত যোগ দিয়ে। নিজৰ বুদ্ধিৰে সোনকালেই বুজিব পাৰিলে যে উপনিবেশবোৰৰ পৰা সস্তীয়া সামগ্ৰী বৃটেনত বিক্ৰী কৰিলে যথেষ্ট লাভৱান হ'ব পৰা যাব। লিভাৰপুলত তেওঁ এখন দোকান খুলিলে, নাম দিলে 'দি হোম এণ্ড কলোনিয়েল ষ্টোৰ্চ'। বয়স তেতিয়া ২২ বছৰ মাত্ৰ। গোটেই দেশত ব্যৱসায়ে ইমান সোনকালে প্ৰসাৰ লাভ কৰিলে যে অচিৰেই তেওঁ এজন ভূ-স্বামী ৰূপত নিজক প্ৰতিষ্ঠা কৰাৰ সপোন দেখিলে। নতুনকৈ বিত্তশালী হোৱা লোকৰ কাৰণে পুৰণি আৰু ৰোমান্টিক ষ্টাইলত ঘৰৰ নক্সা কৰিবৰ কাৰণে তেতিয়া এজনেই স্থপতি আছিল। তেৱেঁই হৈছে লুটয়েন্স। মক্কেলৰ সপোন আৰু বাসনা বুজি পোৱাৰ এক ডাঙৰ সহজাত গুণ আছিল এই স্থপতিজনৰ।

১৯১০ চনত 'ক্যাচল ড্ৰ'গো' সজাৰ অনুৰোধ আহিল। এই সময়ত তেওঁৰ খ্যাতি বিয়পিবলৈ ধৰিছিল। মাত্ৰ দুবছৰ আগতে তেওঁ ভাৰত সাম্ৰাজ্যৰ ৰাজধানীৰ কাম আৰম্ভ কৰিছিল। আজি যি ড্ৰ'গো দেখা যায়, সেয়া মূল আঁচনিৰ প্ৰায় এক-তৃতীয়াংশহে। প্ৰথমৰ আঁচনি বৰ বেছি ডাঙৰ আৰু আকাংক্ষাযুক্ত আছিল। ড্ৰ'গোৱে নতুন ঘৰটোৰ বাবে ৫০,০০০ পাউণ্ড আৰু বাগিচাৰ বাবে ১০,০০০ পাউণ্ড ব্যয় কৰিব লগা হৈছিল। সেই সময়ত সাধাৰণ কাম কৰা মানুহৰ ঘৰত খৰচ পৰিছিল ২৫০ পাউণ্ড। লুটয়েন্স আৰু ড্ৰ'গো দুয়ো ৰোমান্টিক ভাবধাৰাৰ আছিল। তেওঁলোকে পাহাৰৰ ওপৰত মধ্যযুগৰ এটা কীৰ্তিস্তম্ভ স্বৰূপ নগৰ দুৰ্গৰ কল্পনা কৰিছিল। কেউফালে ড্ৰু পৰিয়ালৰ প্ৰাচীন ভূসম্পত্তি। ঠাইখিনি প্ৰাকৃতিক দৃশ্যৰে মনোৰম আছিল। ১৯১০ চনৰ গ্ৰীষ্ম কালত এই ঠাইখিনি নিৰ্বাচন কৰা হয়। বৰপুত্ৰ এড্ৰিয়ান ড্ৰু আৰু লুটয়েন্সে তলৰ পৰা পাহাৰ শীৰ্ষৰ প্ৰাসাদলৈ গাড়ী যোৱা বাট এটাৰ পৰিকল্পনা কৰিছিল তেতিয়া।

প্ৰৱেশপথৰ টাৱাৰটোৱে প্ৰাসাদটোৰ সত্তাৰ ধাৰণা দিয়ে। ওচৰৰে এটা খনিৰ পৰা গ্ৰেণাইট শিলবোৰ এটা বিশেষ ট্ৰেক্‌চন ইঞ্জিনেৰে আনি প্ৰাসাদৰ ঠাইখিনি পোৱাইছিল। মিঃ ড্ৰুৱে ঘৰৰ দেৱালবোৰ যথেষ্ট ডাঠ হোৱা বিচাৰিছিল, কিছুমান ৬ ফুট পৰ্যন্ত ডাঠ আছিল। ইয়াৰ কাৰণে অৱশ্যেই অতিৰিক্ত ধন ব্যয় কৰিব লগা হৈছিল। প্ৰাসাদৰ প্ৰৱেশ পথৰ টাৱাৰটো প্ৰাচীন প্ৰাসাদৰ স্থাপত্যৰ দৰে আছিল।

দুৱাৰৰ ওপৰত আছিল ড্ৰ'গো লায়ন। লুইয়েন্সে সিংহ ভাল পাইছিল। তেওঁৰ পিতৃ এজন চিত্ৰকৰ আছিল আৰু লণ্ডনৰ ট্ৰাফালগাৰ স্কোৱেৰত থকা সিংহৰ নক্সাকাৰক লেণ্ডচিয়াৰৰ ঘনিষ্ঠ বন্ধু আছিল। প্ৰৱেশপথৰ টাৱাৰ লুটয়েন্সৰ নিপুণ স্থাপত্যৰ সাক্ষী। দেৱালবোৰ ক্ৰমে দৰ্শকৰ পৰা সূক্ষ্মভাবে যেন হালি পৰিছিল যাৰ বাবে প্ৰাসাদটো দেখাত ডাঙৰ যেন লাগে। দেৱালবোৰ উলম্বভাবে প্ৰায় ৯ ফুট উঠি যোৱাৰ পিছত থিয়ভাবে আঁতৰি অহাৰ ফলত কিছুমান কোণৰ পৰা প্ৰাসাদটো বহুত ওপৰলৈ উঠি যোৱা যেন লাগে। সিংহৰ ওপৰত থকা আয়নাৰ বিৰাট খিৰিকিবোৰ টিউডৰ যুগলৈ লৈ যায়।

এই খিৰিকীবোৰ উত্তৰ-পূব দিশত বৰ ডাঙৰ। হলটোৰ সমুখৰ বিৰাট দুৱাৰ পশ্চিমমুখী। স্থপতিজনে প্ৰাসাদৰ গ্ৰেণাইটৰ জাকজমকতা আৰু বিশেষ কাণ্ট্ৰি হাউচৰ আবাসৰ সমন্বয় সাধন কৰিছে।



ওচৰৰ ব্লেকিংষ্টোন খনিৰ পৰা অনা গ্ৰেণাইট শিলেৰে ভিতৰৰ দেৱাল কৰা হৈছে। হলটো পাৰ হৈ গৈছে এটা বাটে, যিটো অন্তৰ্ভাগৰ চাবিকাঠি বুলি ক'ব পাৰি। গ্ৰেণাইটৰ তোৰণবোৰে ভিতৰভাগ অত্যধিক সুন্দৰ কৰি তুলিছে। দুটা পোন বাটৰ সংযোগ স্থলত আছে এটা চাপৰ গম্বুজ।

হলটো সজোৱা আছে ১৬৬৩ চনৰ গবলিন্স ফেক্টৰীৰ পৰা টেপেষ্ট্ৰি আৰু সুন্দৰ পাৰ্চিয়ান ৰাগেৰে। বেছিভাগ আচবাব-পত্ৰ আহিছিল চাচেক্সত থকা ড্ৰুৰ আগৰ ঘৰৰ পৰা। এইবোৰ আগতে স্পেনৰ এড্ৰিয়ান দ্য মাৰ্লেটাৰ আছিল।

লাইব্ৰেৰীটো বৰ ডাঙৰ। কেবাখনো কিতাপ মই মেলি চাইছিলো। সেইবোৰ ইতিহাস আৰু দৰ্শনৰ কিতাপ আছিল। ফায়াৰপ্লেচটোও ডাঙৰ আৰু বৰ ধুনীয়া। বিলিয়াৰ্ড আৰু ৰিক্ৰিয়েচন ৰুম হিচাপে ব্যৱহৃত হৈছিল।

প্ৰাসাদটোৰ আটাইতকৈ চমকপ্ৰদ দিশ হৈছে কৰিডোৰ আৰু ওপৰলৈ যোৱা ছিৰিবোৰ। স্থপতিয়ে প্ৰধান কোঠাৰ নক্সাতকৈ ইয়াত বেছি সাফল্য লাভ কৰিছে। প্ৰাসাদটোৰ বেছিভাগ নক্সা, ১৯১০ চনৰ পৰা লুটয়েন্সে কৰা ভ্ৰমণৰ সময়ত আঁকা। তেওঁ আৰু সহকাৰী আৰ এম এচ চেক্সনৰ এটা বিশেষ কেবিনত বহি কাম কৰিছিল। এইটোকে তেওঁলোকে লণ্ডনৰ অফিচ বুলি ধৰি লৈছিল, যদিও প্ৰকৃততে তেওঁলোক দক্ষিণ আফ্ৰিকালৈ সমুদ্ৰ পথেৰে গৈ আছিল।

প্ৰাসাদটোত এলানি চমৎকাৰ ছিৰি আছে। ছিৰিয়েদি নামি আহিলেও চিলিং প্ৰায় একে উচ্চতাত থাকে, যাতে ছিৰিৰ তলত থিয় হ'লে চিলিং মূৰৰ ২৭ ফুট ওপৰত থাকে। এই বিশাল ঠাইখিনিত পোহৰ পৰে এখন ক্ৰচ বিম লগোৱা খিৰিকিৰে, যিখনে ছিৰি আৰু ওপৰৰ ড্ৰইং ৰুম পোহৰ কৰি ৰাখে। ড্ৰ'গোৱে তেওঁৰ ঘৰটো দুৰ্গসদৃশ প্ৰাসাদ হোৱাটো বিচাৰিছিল যদিও তেওঁৰ স্থপতিয়ে কুৰি শতিকাত নিৰ্মাণ কৰা প্ৰাসাদত আৰামৰ ভাব দিয়াৰ ধাৰণাটো ভাল পোৱা নাছিল।

প্ৰাসাদৰ কৰিডোৰৰ দেৱালত টেপেষ্ট্ৰি দি গ্ৰেণাইটক প্ৰায় কোমল কৰা হৈছে। মেহগনি আৰু ওক পেনেলতো দিয়া আছে। ড্ৰইং ৰুমৰ কাঠৰ পেনেলত পেইণ্ট কৰি ৰুমটো কম অনাড়ম্বৰ কৰি ৰখা আছে।

স্থপতিৰ প্ৰধান অৱদান হৈছে – আয়নাৰ তিনিখন দেৱালেৰে অপূৰ্বভাবে আলোকোজ্জ্বল কৰাটো।

চিমনিৰ ওপৰত মিচেচ ড্ৰ'গোৰ এখন অতি সুন্দৰ প্ৰতিচ্ছবি আছে। ১৯০৯ চনত আঁকা এইজনা শিল্পীয়ে পুত্ৰ এড্ৰিয়ানৰ প্ৰতিকৃতিও আঁকিছে। ৰুমটোৰ আচবাব-পত্ৰবোৰ দ্বিতীয় জৰ্জৰ দিনৰে। কিছুমান সুন্দৰ চীনা ৰিপেণ্ডেল চেয়াৰ, চোফা আৰু বৰ মৰম লগা ভেনেচীয় আয়নাৰ এযোৰ ঝাড় লণ্ঠন আছে।

ড্ৰইং ৰুমে ডাইনিং ৰুমৰ ওপৰৰ ঠাই অধিকাৰ কৰি আছে। চাপৰ ৰুমটোত অতি সমৃদ্ধ প্লাষ্টাৰৰ কাম কৰা আছে।

এই ৰুমটোৰ ৰং বেছ উজ্জ্বল। নামী-দামী খাদ্য সম্ভাৰৰ লগত যেন মিলাই কৰি খোৱাটো যেন উপভোগ্য কৰি তুলিছিল। দীঘল ডাইনিং টেবুলত ডিচ, প্লেট, সুন্দৰ আকৃতিত সজাই থোৱা নেপকিন, ফলৰ প্লেট সকলো এনেকৈ থোৱা আছে যেন এইমাত্ৰ গৃহকৰ্তাই পৰিয়ালবৰ্গৰ সৈতে খাবলৈ আহিব। ইংলেণ্ডৰ সকলো ঐতিহাসিক ঘৰ বা ৰাজপৰিয়ালৰ একালৰ প্ৰাসাদৰ ডাইনিং ৰুম, বেড ৰুম এনেকৈ সজাই থোৱা আছে যেন তাত কোনোবাই বাস কৰে। ঘৰবোৰ একেবাৰে জীৱন্ত কৰি ৰখা হৈছে।

এই ডাইনিং ৰুমটোৰ বেৰবোৰত পৰিয়ালৰ লোকসকলৰ ভালেমান ডাঙৰ প্ৰতিকৃতি আছে। সকলোৰে ভিতৰত জিলিকি আছে গৃহকৰ্তা জুলিয়াচ ড্ৰুৰ ছবি।

স্কালাৰি (বাচন-বৰ্তন ধোৱা প্ৰকোষ্ঠ) আৰু চাৰ্ভিচ কৰিডোৰ :– প্ৰাসাদটোৰ প্ৰধান কোঠাবোৰৰ দৰেই বিৰাট ৰান্ধনী ঘৰ – তাৰ বাচন-বৰ্তন, নানা ধৰণৰ বস্তু আৰু ঘৰুৱা কাৰ্যালয় আকৰ্ষণীয়। লুটয়েন্সে চাৰ্ভিচ কৰিডোৰো গ্ৰেণাইট, ওক আৰু প্লাষ্টাৰেৰে অতি সুন্দৰ কৰি তুলিছে। তেওঁৰ স্থাপত্য মৌলিক আৰু সৰলভাবে আধুনিক।

স্কালাৰিৰ চাল গ্ৰেণাইট শিলৰ স্তম্ভৰ ওপৰত আছে। সূৰ্যৰ পোহৰ সোমাই চালত থকা অৰ্দ্ধচন্দ্ৰাকাৰ খিৰিকিৰে মাত্ৰ। স্থপতি জনাই চেগুন কাঠৰ ড্ৰেইনিং বোৰ্ড, দীঘল প্লেট ৰেক, পেচ্‌ল আৰু মৰ্টাৰৰ নক্সাও কৰি দিছিল।

ৰান্ধনী ঘৰৰ ওপৰঙ্গন গম্বুজৰ দৰে, মাজত ঘূৰণীয়া বিৰাট খিৰিকিৰে আকাশৰ পোহৰ সোমায়। ৰান্ধনীবোৰৰ ঘৰৰ নক্সাও লুটয়েন্সে কৰিছিল। কোঠাৰ মাজভাগত এখন ডাঙৰ বৃত্তাকাৰ টেবুল আছে। গোটা বীচ কাঠৰ। যোৰা নাই। ফাৰ্নিচাৰৰ লগত মিলাই তেওঁ পেষ্ট্ৰি বোৰ্ডো কৰি দিছিল।



*পৰিয়ালৰ প্ৰতিকৃতিৰে সুসজ্জিত ডাইনিং হল*

দুৱাৰৰ কাষতে আছে শাক-পাচলি থোৱা সুন্দৰ ৰেকবোৰ। ৰন্ধা-বঢ়া কৰা হৈছিল কয়লাৰ জুইত। টেইন নদীৰ পাৰত পৰিয়ালৰ নিজস্ব বিদ্যুৎ সৰবৰাহৰ ষ্টেচন আছিল।

ড্ৰুৰ ড্ৰেচিং ৰুমৰ আচবাব-পত্ৰবোৰ অনা হৈছিল চাচেক্সত থকা আগৰ ঘৰটোৰ পৰা। ১৮০০ চনত তৈয়াৰ কৰা তেওঁৰ টেবুলখনৰ তলৰ বৰ্গাকাৰ ষ্টেণ্ডেৰে ঘূৰিব পৰা ব্যৱস্থা আছে। ডেস্কখন বৰ ধুনীয়া। ই যেন ঘৰটো নিৰ্মাণ হোৱা ১৫০০ খৃষ্টাব্দৰ প্ৰাচীন ফ্লেমিছ টেপেষ্ট্ৰি উল্লেখযোগ্য। এইখনত ওল্ড টেষ্টামেন্টৰ দৃশ্য ফুটাই তোলা আছে আৰু জুলিয়াচ ড্ৰুৰ প্ৰতিকৃতিৰ পশ্চাৎপট ৰূপে শোভাবৰ্দ্ধন কৰিছে।

খিৰিকিৰ ভিতৰৰ বিটবোৰ বৰ ধুনীয়া। প্ৰতিখন খিৰিকি ইয়াৰ কাষৰখনৰ পৰা, ৩ ইঞ্চি ডাঠ, ৬ ফুট ওখ গ্ৰেণাইটৰ খণ্ডৰে বিভক্ত কৰা আছে। সেইবোৰত সুন্দৰকৈ সজোৱা চীনা সৌন্দৰ্য সামগ্ৰী চীনা জাৰ্ডিনিয়েৰ।



ড্ৰুৰ ডেচিং ৰুম

যুগৰ চৰিত্ৰ আৰু ৰুচিৰ বিষয়ে বহুতো কথা ক'ব পাৰে। চিগাৰ কেবিনেট, জেপবোৰ আৰু এখন ৰেকৰ্ড বুকে কুৰি শতিকাৰ আৰম্ভণি কালৰ স্মৃতি আজিও বহণ কৰি আছে। কৰিডোৰৰ এটা মূৰত আছে বাথৰুম। গ্ৰেণাইটৰ ছিৰি আছে ডাঙৰ খিৰিকিৰ কাষত। সুন্দৰ নক্সাৰ কোৰ্চনেইল এফালে। মজিয়াৰ ৰং সেউজীয়া। শ্বাৱাৰ আছে। আৰু এটা বাথৰুম আছে, যিটো দৰ্শকক চাবলৈ দিয়া নহয়।

প্ৰাসাদটোৰ উত্তৰ-পূব বিস্তৃতিত থকা তিনিটা প্যাচেজৰ এটা হৈছে গ্ৰীণ কৰিডোৰ। এইটো অংশতেই পৰিয়ালটোৱে প্ৰথমে বাস কৰিছিল। ইয়াতো টেপেষ্ট্ৰি আছে, তাৰ ভিতৰত

মুখ আৰু স্বাচ্ছন্দ্যৰ দিনবোৰৰ মাজত এদিন দুখৰ বাতৰি ভাহি আহিল। ১৯১৭ চনত ১ম মহাযুদ্ধত এড্ৰিয়ানৰ মৃত্যু হয়। প্ৰাসাদৰ পৰিকল্পনাত লুটয়েন্সক তেওঁ সহায় কৰিছিল, কিন্তু সেই সুন্দৰ প্ৰাসাদটোত তেওঁ জীৱনৰ শেষ কালছোৱাত থাকিবলৈ নাপালে। এড্ৰিয়ানৰ মাতৃয়ে ফ্ৰান্সৰ যুদ্ধ ক্ষেত্ৰত মৃত্যুবৰণ কৰা তেওঁৰ পুত্ৰৰ স্মৃতি ৰক্ষাৰ্থে এটা সৰু কোঠালি পৱিত্ৰস্থান ৰূপে গঢ়ি তুলিছিল। এই কোঠাটোতে এড্ৰিয়ানৰ স্কুল আৰু বিশ্ববিদ্যালয়ৰ সকলো স্মৃতিচিত্ৰ-ছবি আদি থূপ খাই আছে। অকাল মৃত্যুৱে এনে এজন সাহসী আৰু কাৰ্যব্যস্ত যুৱকক পৃথিৱীৰ পৰা লৈ গ'ল। তাত থকা স্কুল আৰু সৈনিক জীৱনৰ টুপীয়ে মন বিষণ্ণ কৰি তোলে। এনে ধৰণে সোঁৱৰণি ৰক্ষা কৰা কোঠালি আজিকালি বিৰল আৰু ই প্ৰকৃততে অন্তৰস্পৰ্শী সোঁৱৰণি।

ড্ৰ'গোৰ শেষ কামটো আছিল 'চ্যাপেল'– ব্যক্তিগত গীৰ্জাঘৰ। ই এটা সৰু পাহাৰৰ দৰে কোঠালি ...... বেদী আৰু 'চান্‌চল' কোঠাৰ মজিয়াতকৈ অলপ তলত। বাহিৰত শীৰ্ষভাগত মূধৰ ওপৰত তোৰণ আছে। ভিতৰত উজ্জ্বল ৰঙা ভেলভেটেৰে থকা আসনবোৰ, ৱাছৰ মমদানিবোৰ, মসৃণ, চিকমিকাই থকা কাঠৰ কামবোৰ। সকলো অতি পৰিপাটি। মনলৈ স্বাভাৱিক ভাবেই শ্ৰদ্ধাৰ ভাব আহে।

উদ্যান ঃ– গীৰ্জা ঘৰটোৰ বাহিৰৰ এঢলীয়া ঠাইখিনি ফাৰ্ণেৰে ভৰা। তাৰ পৰা প্ৰাসাদটোলৈ চালে তাৰ গাম্ভীৰ্য আৰু মৌলিক সৌন্দৰ্য প্ৰকট হৈ পৰে। প্ৰাসাদটো যেন আজিহে নিৰ্মাণ কৰি উলিওৱা হৈছে। ইমান সজীৱ গ্ৰেণাইট শিলবোৰ।

ফাৰ্ণ ভূমিৰ কাষৰ পৰা ঘৰটোৰ দক্ষিণ অংশ নাটকীয়ভাবে উঠি গৈছে। প্ৰাসাদটো যেন ডেভনৰ এটা প্ৰাকৃতিক অংশহে। প্ৰাসাদটো সৌন্দৰ্যৰ দিশৰ পৰা অপূৰ্ব হ'লেও ঠাইখিনিয়েও স্থপতি আৰু গৃহকৰ্তাক অনুপ্ৰাণিত কৰিছিল। উদ্যানৰ প্ৰথম এখন আঁচনিত পূব দিশত এলানি সোপান অন্তৰ্ভুক্ত কৰা আছিল। এই আঁচনি ত্যাগ কৰি বাটটোৰ উত্তৰ দিশত এখন ডাঙৰ উদ্যান কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ইয়াত এলানি বেড আৰু লনৰ সোপান আছে। উদ্যানৰ প্ৰতিটো কোণত য়ু গছক কাটি বিভিন্ন স্থাপত্য গঠনৰ ৰূপ দিয়া হৈছে। এই গঠনবোৰ হে'জ ৰূপে ৰখা হৈছে। ই এক চাবলগীয়া দৃশ্য।

একেবাৰে ওখ স্থানত বাট আৰু ছিৰিবোৰ এখন বিশাল লনত লগ লাগিছে। ইয়াৰ কেউফালে আছে য়ু গছৰ হেজ। তাত কোনো গেট বা লজ নাই। ডেভনৰ সৰু পথ এটাৰে গৈ ওখ হেজ পাৰ হৈ হঠাতে থামিব লগা হয়, আইলেক্স গছৰ সুন্দৰ গ্ৰুপ কিছুমান আছে। ইয়াৰ পৰাই ড্ৰ'গোৰ অভিজ্ঞতা আৰম্ভ হয়। গাড়ী যোৱা এই পথৰ দাঁতিত হেদাৰ, ফক্সগ্ৰোভ আদি গছ ফুলি থাকে। প্ৰাসাদৰ অভিমুখে আধা পথ যোৱাৰ পিছত দেখা যায়, নিমজকৈ ছাটি দিয়া য়ু গছ এনে গুৰু-গম্ভীৰ ভাবে আছে যেন প্ৰাসাদৰ প্ৰহৰীহে, সেই মুহূৰ্তলৈকে দৰ্শকে প্ৰাসাদটো দেখা নাযায়। 'সোমাইহে দেখে অদূৰত থিয় হৈ আছে গ্ৰেণাইট শিলৰ অনুপম সৌন্দৰ্যৰে মহিমান্বিত এক অপূৰ্ব সুন্দৰ প্ৰাসাদ।



নিয়োগ আৰু অৰ্থনীতিত খাদী আৰু গ্ৰামোদ্যোগে এক উল্লেখনীয় অৱদান আগবঢ়াই আহিছে। অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ অধীনত অসমৰ গ্ৰাম্য অঞ্চলৰ প্ৰায় একলাখ দৰিদ্ৰ শিপিনী, বোৱনী, কাৰিকৰে আত্মনিৰ্ভৰশীলতাৰে গঢ়ি উঠি স্বস্থানত স্ব নিয়োজন ব্যৱস্থাৰে উপকৃত হব পাৰিছে।

গ্ৰাম্য অঞ্চলৰ উদ্যোগী ব্যক্তিয়ে ব'ৰ্ডৰ আৰ্থিক সাহায্য, কাৰিকৰী সাহায্য আদি লৈ থলুৱা সম্পদৰ ভিত্তিত খাদী গ্ৰামোদ্যোগ আঁচনি প্ৰৱৰ্তন কৰিব লোৱা মানেই ৰাজ্যখনৰ প্ৰগতিত সহায় কৰা।

মনত ৰাখিব ব'ৰ্ডৰ ঋণৰ সুদ শতকৰা মাত্ৰ চাৰিটকা হাৰত লোৱা হয়। ব'ৰ্ডৰ অধীনত জিলা কাৰ্য্যালয়ৰ যোগেদি আবেদন পত্ৰ সংগ্ৰহ কৰি এনে সাহায্যৰ বাবে আবেদন কৰিব পাৰে।

আনহাতে ব'ৰ্ডৰ উৎপাদিত সামগ্ৰী খাদী বস্ত্ৰ, তেল, মৌ, চাবোন, কাগজ, জোতা, মাটিৰ সামগ্ৰী, আহঁৰ সামগ্ৰী আদি ক্ৰয় কৰিব লোৱা মানে গাওঁ অঞ্চলৰ দুখীয়া শিপিনী কাৰিকৰক সহায় কৰা।

অসম খাদী গ্ৰামোদ্যোগ ব'ৰ্ড,
গুৱাহাটী – ৭৮১০০৩

প্ৰবন্ধ

# সময় উকলি গ'ল, তথাপি ...

অৰুণ শৰ্মা

বাতৰিঃ বড়ো চিকিউৰিটি ফ'ৰ্চৰ ("বড়ো নিৰাপত্তা বাহিনী" নামৰ কোনো সংগঠন নাই। অৰ্থাৎ সংগঠনটোৱে তেওঁলোকৰ নামটো অসমীয়া ভাষাৰে পৰিচিত কৰাটো নিবিচাৰে) ভালেসংখ্যক সশস্ত্ৰ দলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰে থকা সংৰক্ষিত বনাঞ্চলসমূহৰ ঠাই বিশেষত গোপন শিবিৰ পাতি নিকটবৰ্তী অঞ্চলসমূহত সন্ত্ৰাসৰ ৰাজত্ব চলাইছে। ... দৰং জিলাৰ ৰৌতাৰ ওচৰৰ এখন গাঁৱত যোৱা ২১ ফেব্ৰুৱাৰীত 'বড়ো উগ্ৰপন্থী'ৰ দলটোৱে (বড়ো উগ্ৰপন্থী বুলি কোৱা উচিত নহয় – আল্‌ফাৰ উগ্ৰপন্থীক যিদৰে 'অসমীয়া উগ্ৰপন্থী' বুলি কোৱাটো উচিত নহয়ঃ মেদিনী চৌধুৰী – অগ্ৰদূত, ২৬ ফেব্ৰুৱাৰী) কেবাটাও ঘৰত প্ৰৱেশ কৰি দুগৰাকী মহিলাকে ধৰি ছজন লোকক গুলীয়াই হত্যা কৰা আৰু আন দুজনক আহত কৰা ঘটনাই সমগ্ৰ ৰাজ্যখনতে শোকৰ ছাঁ পেলাইছে ...

(আজিৰ অসম, ২৬ ফেব্ৰুৱাৰী)

বাতৰিটো পঢ়ি মোৰ প্ৰায় দহবছৰৰ আগৰ ঘটনা এটালৈ মনত পৰিল। ঘটনাটোক মূল কৰি এটা বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছিল অন্যত্ৰ এটি চুটি প্ৰবন্ধত। একেখিনি কথাই আজি মনত পৰিছে।

১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ সেই ভয়াবহ দিনকেটাৰ কথা। নিৰ্বাচনৰ প্ৰাক্‌কালত অসমৰ বিভিন্ন ঠাইত সংঘটিত হিংসাত্মক ঘটনাৱলীত ৰাজ্যখনত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে বহুতো লোক আক্ৰান্ত হয়। মানুহেই মানুহৰ বুৰঞ্জীক কিদৰে নৃশংস অপৰাধ আৰু ঘৃণনীয় দলিলত পৰিণত কৰিব পাৰে, কিদৰে নিৰ্লজ্জভাৱে, উন্মুক্তভাৱে পাপাচাৰণ কৰে তাৰে হৃদয়বিদাৰক দৃষ্টান্ত আছিল সেই দিনকেটাত সংঘটিত ঘটনাৱলী। বুৰঞ্জী-কলঙ্কিত সেই ঘটনাৰাজি কিয় হৈছিল, কেনেকৈ হৈছিল, কাৰ স্বাৰ্থপূৰণৰ বাবে হৈছিল তাৰে বুজ লবলৈ গৈছিল আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ এজন অনাতাঁৰ অনুষ্ঠান প্ৰযোজক। অসমৰ হাজাৰ হাজাৰ মানুহ বিপন্ন, সৰ্বস্বান্ত হৈ নিজৰ প্ৰাণটো মাত্ৰ ধাৰণ কৰি বিভিন্ন ঠাইত তিনিশৰো অধিক কেন্দ্ৰীয় আশ্ৰয় শিবিৰত শৰণাৰ্থী হৈ আছিল। বিভিন্ন অঞ্চলৰ মাজত, আনকি জিলা সদৰ আৰু মহকুমাবোৰৰ মাজতো . নিয়মীয়া যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ বিছিন্ন হৈ পৰিছিল। দুৰ্বৃত্তইঁতে প্ৰায়বোৰ ঠাইত দলংবোৰ পুৰি পেলাইছিল, অথবা ভাঙি পেলাইছিল। চাৰিওপিনে ভীতি সংশয় প্ৰাণৰ শংকা। হিংসাৰ দৈত্যই যেন অনবৰত সকলোকে পিছে পিছে খেদি আছে! তেনে পৰিস্থিতিত প্ৰযোজকজনে কান্ধত মেলক্ৰণ টে'পৰেকৰ্ডাৰ ওলোমাই লগত এজন সতীৰ্থৰ সৈতে আশ্ৰয় শিবিৰবোৰলৈ গৈছিল, কাৰেৰে, জীপেৰে মাজে মাজে চি আৰ পিৰ নিৰাপত্তাৰ মাজত, আৰু বেছিখিনি সময়ত ভালেমান দূৰ বাটকুৰি বাই। এটা জনগোষ্ঠীয়ে আন এটা জনগোষ্ঠী, এটা সম্প্ৰদায়ে আন এটা সম্প্ৰদায়ৰ লোকৰ প্ৰতি কিমান বেছি শত্ৰুতাৰ ভাব ল'ব পাৰে, কিমান ঘৃণাৰ ভাবেৰে চাব পাৰে, সেই অভিজ্ঞতা আছিল কল্পনাতীত। সেই প্ৰত্যক্ষদৰ্শী অনাতাঁৰ প্ৰযোজকজনৰ সেই ভ্ৰমণৰ অভিজ্ঞতাৰাজিৰ বিশেষ এটা কথাহে উল্লেখ কৰিব খুজিছো – কাৰণ সি আছিল বিশেষ তাৎপৰ্যপূৰ্ণ আৰু বৰ্তমান অসমৰ সামাজিক স্বৰূপটোৰ সৈতে জৰিত এটা মূল প্ৰশ্নৰ বাহক।

গহপুৰৰ পৰা ছমাইলমান উত্তৰলৈ অৰুণাচলৰ সীমাত এটা আশ্ৰয় শিবিৰ। ঠাইখনৰ নাম কাকলাবজাৰ। শৰণাৰ্থীসকল আছিল বড়ো জনজাতিৰ লোক; বাটৰ দুয়োকাষে ধনু-কাঁড় লৈ ৰৈ থকা বড়ো ডেকা পহৰাদাৰীসকলৰ মাজেৰে চি আৰ পিৰ জীপত উঠি প্ৰযোজক আৰু লগৰীয়াজন গৈ যেতিয়া শিবিৰ পালেগৈ তেতিয়া সন্ধ্যা হ'বৰ হৈছে। শিবিৰত প্ৰায় দুহেজাৰ শৰণাৰ্থী। জীপৰ পৰা নামি প্ৰযোজকজনে কাষৰে এজন ডেকা ল'ৰাক ক'লে শৰণাৰ্থী আৰু শিবিৰৰ তত্ত্বাৱধানত থকা বড়ো স্বেচ্ছাসেৱী দুজনমানক লগ ধৰিব খোজে, আৰু পাৰিলে এটা কোঠালৈ তেওঁলোকক লৈ যাব লাগে, যাতে কিছু নিৰিবিলি ঠাইত তেওঁলোকৰ কথা-বাৰ্তা ভালকৈ টে'পৰেকৰ্ড কৰি ল'ব পাৰি। ল'ৰা দুজনে তেওঁলোকক অলপ আওঁহতীয়া এটা কোঠালৈ লৈ গৈ কোঠাৰ বন্ধ দুৱাৰখন খুলি দিলে। খোলা দুৱাৰৰ সমুখৰ পৰা প্ৰযোজকজনে দেখিলে কেইজনমান কমবয়সীয়া বড়ো ডেকাই দুজন দক্ষিণ-ভাৰতীয় খ্ৰীষ্টান মিচনাৰী ব্যক্তিৰ সৈতে অতি গোপন কিবা আলোচনাত মগ্ন। তেওঁলোক ব্যস্ত হৈ থকা আলোচনা বা কথা-বাৰ্তাৰ সমগ্ৰ ধৰণটোৰ পৰাই আলোচনাৰ বিষয়ৰ গভীৰতা আৰু গোপনীয়তাৰ এটা ধাৰণা তৎকালেই হৈ গৈছিল। স্বাভাৱিকতে, এনে অৱস্থাত লগৰীয়াসহ অনাতাঁৰ প্ৰযোজকজন সোমাই যোৱাত বড়ো ডেকাকেইজন যে কিছু বিব্ৰত আৰু অসন্তুষ্ট হৈছিল, সেই কথা বাট দেখুৱাই নিয়া ডেকাজনক বড়ো ভাষাতে তেওঁলোকে কোৱা কথাৰ ধৰণৰ পৰাই স্পষ্ট হৈ উঠিছিল। তথাপি প্ৰযোজকজনক সৌজন্যসহকাৰে কোঠাৰ খেৰ পাৰি থোৱা মজিয়াত বহিবলৈ দিয়া হ'ল। লগে লগে খ্ৰীষ্টিয়ান যাজক দুজন যাবলৈ উদ্যত হোৱাত প্ৰযোজকজনে তেওঁলোককো দুষাৰ সুধিব বুলি কৈ ৰ'বলৈ অনুৰোধ কৰিলে। কিন্তু তেওঁলোক বাহিৰতে অপেক্ষা কৰিব বুলি কৈ ওলাই গ'ল, আৰু অলপ পিছতে এখন মটৰ চাইকেল ষ্টাৰ্ট হৈ গুচি যোৱাৰ শব্দ শুনা গ'ল।

অনাতাঁৰ প্ৰযোজক আৰু লগৰীয়াজনে বড়ো ডেকাকেইজনৰ সৈতে ভালেমান পৰ কথা পাতিলে। উল্লেখযোগ্য, ডেকাকেজনে অসমীয়া ভাষা লেখা-পঢ়া-কোৱা, তিনিও দিশতে ভালদৰে জানিছিল যদিও, ইংৰাজীতেহে কথা পাতিছিল। আনকি, ঘটনাৰাজিৰ তথ্যভিত্তিক অনুষ্ঠান এটা আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হ'ব আৰু সেয়ে ডেকাকেজনৰ বক্তব্য অসমীয়াতে কোৱা হ'লে ভাল হয় বুলি কোৱা সত্ত্বেও তেওঁলোকে অসমীয়াত কথা ক'বলৈ অস্বীকাৰ কৰি ইংৰাজীতেহে তেওঁলোকে বক্তব্য আগবঢ়াব বুলি ক'লে। যিহওক, ইংৰাজীতেই তেওঁলোকে বক্তব্য আগবঢ়ালে। সেইদিনা প্ৰায় এঘণ্টা সময় ধৰি একেলেথাৰিয়ে তেওঁলোকে অতি স্পষ্ট আৰু দৃঢ় কণ্ঠত, দ্বিধাহীন ভাবে, চকুত জ্বলন্ত অঙঠাৰ চাৱনি লৈ, প্ৰতিটো শব্দ, প্ৰতিটো বাক্য, তীব্ৰ ঘৃণা আৰু ৰোষৰ নিশ্বাসেৰে সিক্ত কৰি যিখিনি কথা ক'লে তাৰ মাজতেই আজিৰ সমগ্ৰ বড়ো আন্দোলনটোৰ বীজ অঙ্কুৰিত ৰূপত প্ৰকাশ পাইছিল, এটা সংকল্পৰ যেন উন্মীলন ঘটিছিল। মন কৰিবলগীয়া কথা আছিল আশ্ৰয় শিবিৰলৈ আহিবলগা হোৱাৰ আগতে যি বিভীষিকাৰ মাজেৰে দুই-তিনি নিশা মানুহখিনিয়ে অতিবাহিত কৰিছিল তাৰ বৰ্ণনা দিওঁতে তেওঁলোকে শত্ৰুজ্ঞান কৰা গোষ্ঠীটোক বাৰে বাৰে 'অসমীয়াবোৰ' 'অসমীয়াবোৰ' বুলি উল্লেখ কৰিছিল।

১৯৮৩ চনৰ সেই সময়তেই ইংগিত স্পষ্ট হৈ উঠিছিল অসমৰ মাটিয়ে এবিধ নতুন বীজ ধাৰণ কৰিছে, আৰু ইতিমধ্যে এই দহবছৰে সেই বীজ গজি উঠি পোখা মেলি এতিয়া বাৰুকৈয়ে চাৰিওপিনে ছাটি ধৰিছে। বিশাল বননি হৈ উঠিছে। এতিয়া আৰু সেই বন নিৰ্মূল কৰাৰ অৱকাশ নাই। মাত্ৰ বননিখনৰ মাজৰ পৰা বিহলঙনীখিনি আঁতৰাই কেনেকৈ এখন সুগন্ধি সুদৃশ্য আৰু বৰ্ণাঢ্য বনলৈ তাক ৰূপান্তৰ কৰিব পাৰি তাৰ বাবে অত্যন্ত নিষ্ঠাসহকাৰে চৰকাৰ আৰু অসমৰ ৰাইজে বাস্তৱ আৰু সৰ্বজন-গ্ৰহণীয় উপায় বিচাৰি উলিয়াব লাগিব।

আকাশবাণীৰ প্ৰযোজকজনে সেইদিনা প্ৰথমবাৰৰ কাৰণে যি ইঙ্গিত পাইছিল অন্ততঃ চৰকাৰৰ ইণ্টেলিজেন্স বিভাগৰ নিশ্চয় সেই কথা তেতিয়াই অৱগত নোহোৱা নহয়। তাৰেই ভিত্তিত তেতিয়া কিবা ব্যৱস্থা লোৱা হ'লনে? সেইদিনা বড়ো ডেকাসকলৰ চকুত দেখা জুই, অন্তৰৰ ৰোষ প্ৰশমিত কৰিবলৈ হয়তো সময় উকলি যোৱা নাছিল। কিন্তু তাৰ পৰিবৰ্তে অসম (?) আন্দোলন-অসম গণ পৰিষদ, সংযুক্ত মুক্তি বাহিনী – এইদৰে ইটোৰ পৰা সিটোলৈ যি আত্মধ্বংসী ক্ৰম আৰু প্ৰতিক্ৰিয়া সৃষ্টি হ'ল সি বড়ো ডেকাইঁতৰ চকুৰ জুইয়ে অসমৰ প্ৰায় সমগ্ৰ উত্তৰপাৰ আগুৰি দাবাগ্নিৰ ৰূপ লোৱাত ক্ষিপ্ৰ ইন্ধন যোগালে।

সেয়ে আল্‌ফাৰ সৈতে হ'ব খোজা আলোচনাতকৈ আবচুৰ সৈতে হ'বলগা আলোচনাৰ গুৰুত্ব আজি এচাঁহীমানো কম নহয়।

পুনশ্চঃ অনাতাঁৰ অনুষ্ঠান প্ৰযোজকজনে সেইদিনা আশ্ৰয় শিবিৰত লগ পোৱা খ্ৰীষ্টান যাজক দুজনে কথা দিয়া মতে কোঠাৰ বাহিৰত ৰৈ নাথাকিল। প্ৰযোজকে কোঠাৰ ভিতৰৰ পৰা, ষ্টাৰ্ট হোৱা শুনা মটৰ চাইকেলখনত উঠি যাজক দুজন তেতিয়াই ততাতৈয়াকৈ তাৰ পৰা আঁতৰ হৈছিল। সেই পলায়ন তাৎপৰ্যবিহীন নহয়।


আকাশবাণীৰ প্ৰযোজকজন মই নিজেই আছিলো। ■



গল্প

# বংশগৌৰৱ

কমলা বৰগোহাঁই



বহুদিন ধৰি গাঁৱৰ ঘৰলৈ অহা নাছিলো। গাঁৱৰ মানুহৰ লগত নালাগে স্বয়ং দেউতাৰ লগতেই সম্পৰ্ক বৰ ক্ষীণ হৈ আহিছে। বি. এচ. চি. পৰীক্ষা শেষ কৰাৰ পাছত মোমাইদেউৰ ঘৰলৈকে যাম বুলি ভাবিছিলো। কিন্তু অগা-পিছাকৈ পোৱা দেউতাৰ দুখন চিঠিয়ে বৰ বিপাঙত পেলালে। নিজৰ ভগ্ন স্বাস্থ্যৰ দোহাই দি দেউতাই মোক গাঁৱৰ ঘৰলৈ বৰকৈ মাতি পঠিয়ালে। সেয়েহে হোষ্টেলৰ পৰা বস্তু-বাহানিবোৰ লৈ দেউতাৰ ওচৰলৈকে আহিলো।

আমাৰ প্ৰকাণ্ড হাউলীটোৰ চৌপাশে এক জয়াল পৰিবেশ। প্ৰকাণ্ড প্ৰকাণ্ড গছবোৰে বাৰীখন একেবাৰে চেঁচুক কৰি পেলাইছে। সমুখৰ ইটাৰ দেৱালখনত শেলুৱৈ গজিছে। দুই এঠাইত ফাট মেলিছে।

এৰা, সময় বৰ নিষ্ঠুৰ। এসময়ত ফুকনৰ ঘৰ বুলিলে কেৱল বকতা মৌজাতে নহয় সমগ্ৰ জিলাখনতে এটা সুনাম আছিল। ককাদেউতাৰ হাতীৰ মহল আছিল। এবাৰ হাতী চিকাৰলৈ যাওঁতে এদল পাহাৰীয়া লোকে ককাদেউতাক অপহৰণ কৰি নিয়াৰ পাচত এপষৰ মূৰত কি উপস্থিত বুদ্ধিৰ বলত ককাদেউতা পলাই আহিছিল সেই লোমহৰ্ষক কাহিনী মই বহুতৰ মুখত শুনিছো। হাতী চিকাৰত হোৱা অশেষ কষ্টৰ কথা ভাবিয়েই বোধহয় তেখেতে দেউতাক হাতীৰ মহল লবলৈ নিদিলে। দেউতাক মৌজাদাৰ পাতিবলৈ তেখেতে বহু চেষ্টা কৰিও সফল হ'ব নোৱাৰিলে। অৱশেষত তেখেতে দেউতাৰ বাবে প্ৰকাণ্ড ঘৰ-বাৰীৰে সৈতে অজস্ৰ সম্পত্তি থৈ যোৱাৰ উপৰিও কাছাৰীত চাকৰি এটাও যোগাৰ কৰি থৈ গ'ল। আমাৰ জন্মৰ পূৰ্বে ককাদেউতা ঢুকাল। ককাদেউতাৰ ডাঙৰ ফটো এখন বাহিৰৰ কোঠাত পহুৰ শিং এযোৰৰ ওপৰত এতিয়াও সজাই থোৱা আছে।

ককাদেউতা ঢুকুৱাৰ পাচত আমাৰ ঘৰত হাতীৰ চিন নাথাকিল। ঠিকাদাৰক হাবিত কাঠ টনাবলৈ দিওঁতে এটা হাতী হেৰাল। দেউতাই খঙতে আনটো হাতী বিক্ৰী কৰি দিলে। এৰা দেউতাৰ যে ইমান খং। গোঁসানীৰ দৰে চেহেৰাৰ, শান্ত স্বভাৱৰ আইক দেউতাই প্ৰায়ে গালি-শপনি পাৰিছিল। আয়ে মাথোন নীৰৱে উচুপিছিল।

কাছাৰীৰ পৰা সন্ধিয়া ঘৰলৈ ঘূৰি আহোতে দেউতাৰ প্ৰায়ে পলম হৈছিল। চাইকেলৰ আগত ডাঙৰ মাছ এটা আঁৰি লৈ দেউতা যেতিয়া থৰক-বৰক খোজেৰে ঘৰ সোমাইছিল তাৰ পূৰ্বে ভাত-পানী খাই আমি বিছনাত পৰিছিলো। বহুদিন নিশা সাৰ পাই মই দেখিছিলো – আয়ে সূতা উঘাই আছে বা কিবা চিলাই কৰি আছে। বুঢ়ীআইতাই আইক প্ৰায়ে কৈছিল – "বোৱাৰী, তুমি ভাত খাই শুই থাকাগৈ যোৱা। সি আহিলে মই তাক ভাত উলিয়াই দিম।"

আয়ে কিন্তু আইতাৰ সেই নিৰ্দেশ কোনোদিন পালন কৰা নাছিল। বুঢ়ীআইতাই মাথোন বিৰবিৰাইছিল – "বসুমতীৰ দৰে সহনশীলা এই লখিমী মানুহজনীৰ এনে দশা চাবলৈকে মোক কিয় জীয়াই ৰাখিছা প্ৰভু।"

এদিন মাজনিশা হঠাৎ সাৰপাই দেউতাৰ তীব্ৰ চিঞৰ কাণত পৰিল –

"মই এইখন ঘৰৰ মুৰব্বী। মোৰ যি মন যায় মই তাকে কৰিম। মোৰ কামত হকা-বধা কৰাবোৰক দুছেৱ কৰি দিচাঙত উটাই দিম।"

সেইনিশা আয়ে মোক আৰু মোৰ ভনীজনীক সাৰটি খুব কান্দিছিল। গালে-মূৰে হাত ফুৰাই চুমা খাইছিল। দোকমোকালিতে কাৰোবাৰ চিঞৰত মই সাৰ পাইছিলো। ঘৰখনত হোৱা কন্দা-কটাৰ কাৰণ বুজা নাছিলো। কণদায়ে মোক হাতত ধৰি ঘৰৰ পাছফালে লৈ যাওঁতেহে দেখিলো আমগছৰ ডাল এটাত চিপজৰী লৈ আই ওলমি আছে।

সেই সময়ত মই প্ৰাইমাৰী স্কুললৈ গৈছিলোহে মাথোন। ভনীজনীৰ বয়স আছিল তিনিবছৰ। আইৰ শবাধ হৈ যোৱাৰ পাছত ভনীজনীক মোমাইদেৱে লৈ গ'ল। প্ৰকাণ্ড ঘৰটোত মই বৰ অকলশৰীয়া হলো। মই বুঢ়ীআইতাৰ লগত শুবলৈ লৈছিলো। কেতিয়াবা বুঢ়ীআইতাক সুধিছিলো –

"আয়ে আমাক কিয় এৰি গ'ল, বুঢ়ীআইতা ?"

"সেইবোৰ ভগৱন্তৰ লীলা বোপাই। আমাৰ নৰমনিচৰ এইবোৰত কি হাত আছে।"

আই মৰাৰ পাছত বহুদিন মই স্কুললৈ যোৱা নাছিলো। আচলতে দেউতাই মোক কাৰো লগত খেলা-ধুলা কৰা দূৰৰে কথা, কথা পাতিবলৈও নিদিছিল। এদিন মই মোমাইদেউৰ লগত তেখেতসকলৰ ঘৰলৈ আহি তাৰ স্কুলত নাম লগালো। সেইযে পাঁচ-ছবছৰ বয়সতে দেউতাৰ ওচৰৰ পৰা আঁতৰি আহিলো তাৰ পাছৰ পৰা গাঁৱৰ ঘৰৰ লগত সম্পৰ্ক একেবাৰে ক্ষীণ হৈ আহিল। দেউতাৰ লগত মই কোনোদিন সহজ হব নোৱাৰিলো। মই ল'ৰালি কালৰ মনটোৰে সৈতে বুজি পাইছিলো যে আইৰ মৃত্যুৰ কাৰণ আছিল দেউতা। বুঢ়ীআইতাৰ মৃত্যুৰ পাছত দুদিনমান থকাকৈ যোৱাত বাদে মই এইখন ঘৰত এনিশাও থকা নাছিলো। কাচিৎ আহিলেও একেদিনাই ঘূৰি গৈছিলো। বেতবাৰী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি মই শিৱসাগৰ কলেজত নাম লগাই হোষ্টেলত আছিলো। আৰু আজি হোষ্টেলৰ পৰা দীৰ্ঘদিনৰ বিৰতিৰ মূৰত এইখন ঘৰলৈ আহিছো।

দেউতাৰ স্বাস্থ্য আগতকৈ বহুত বেয়া হ'ল। কিছুদিনৰ আগতে দেউতাই চাকৰিটোও ইস্তফা দিলে। এতিয়া ঘৰতে সোমাই ধৰ্ম পুথি পঢ়ি থাকে।

মই আহিম বুলি ভাবিয়েই দেউতাই বহুবোৰ বস্তু গোটাই থৈছে – টেপ ৰেকৰ্ডাৰ, ৰঙীন টি-ভি, এখন স্কুটাৰ।

মই আহি পোৱাৰ লগে লগে আমাৰ ঘৰত বহুদিন থকা মধু নামৰ কাম কৰা মানুহজনে মোক সকলো ঠিক ঠাক কৰি দিলে। খোৱা-বোৱা সকলো কামতে মোক বৰকৈ তদাৰক কৰা দেখি মই কৈছিলো –

"মধুকাই, তুমি মোৰ যত্ন লব নালাগে। দেউতা বুঢ়া হৈ আহিছে। তেখেতকহে চকু দিবা।"

"তুমি যদি ইয়াত থাকা দেউতা এনেয়েও ভাল হব পোনা। তেখেতৰ দেহৰ বেমাৰ নহয়, মনৰহে।"

"কেলেই, কিবা দিগদাৰি হৈছে নেকি ?"

"তোমালোকৰ মাটি-বাৰী বহুতে বেদখল কৰিছে। আধিয়াৰবোৰেও ধান দিবলৈ এৰিছে।"

"মই এতিয়া কি কৰিব লাগিব ?"

"তুমি এইবোৰ চম্‌জি লব লাগিব। দেউতাই ধৰ্মকামতহে মন দিছে। নামঘৰৰ মণিকূটতো সজাই দিছে।"

"ৰীজাল্ট ওলোৱাৰ পাছত মই পুনৰ পঢ়িবলৈ যাম।"

"একেটি মাত্ৰ ল'ৰা। ইমানবোৰ সা-সম্পত্তি। দেহাটোক কষ্ট দি কিয় পঢ়িব লাগিছে ? এইবোৰকে চলাই-মেলি খোৱা। দেউতাক চোৱা-মেলা কৰাও হব।"

"সেইবোৰ বাৰু পাছত হব। এইকেইদিন গাঁৱৰ মানুহৰ লগত চা-চিনাকি হওঁচোন।"

"তুমি কিন্তু আমাক লগ নোলোৱাকৈ কাৰো ঘৰলৈ নাযাবা।"

মধুকাইৰ কথা মানি মই কোনো মানুহৰ ঘৰলৈ যোৱা নাই যদিও আলিবাটত ফুৰিছো। গাঁৱৰ মানুহবোৰে মোলৈ বৰ কৌতূহলেৰে চায়।

দেওবাৰে টি-ভি চাবৰ বাবে আমাৰ ঘৰলৈ বহুবোৰ গাঁৱৰ মানুহ আহে। মানুহবোৰে ঢাৰি-পীৰা যি পায় তাতে বহে। দেউতা টি-ভি থকা কোঠাটোলৈ নাহে। সিদিনা হঠাৎ দেউতা টি-ভি থকা কোঠাটোত সোমালহি। হঠাৎ দেউতাৰ ভ্ৰূ কুঞ্চিত হ'ল। এটা পোন্ধৰ-সোতৰ বছৰমান বয়সৰ ডেকা ল'ৰাৰ ফালে চাই দেউতা গৰ্জি উঠিল –

"তই আকৌ কিয় আহিছ ইয়ালৈ, এতিয়াই ওলা।"

অকণো প্ৰতিবাদ নকৰি তলমূৰ কৰি ল'ৰাজন আঁতৰি গ'ল। লাহে লাহে অন্যান্য মানুহবোৰো এজন এজনকৈ আঁতৰি গ'ল। দেউতাৰ এনে আচৰণত মই হতবাক হলো। দেউতাক পোনপটীয়াকৈ একো নুসুধিলো। কিন্তু মধুকাইক কলো –

"দেউতাই সেই ল'ৰাজনক কিয় গালি পাৰি খেদি দিলে ? এনেকুৱা হলে মই ইয়াত নাথাকো দেই।"

"সেইবোৰ পুৰণি কাজিয়া চলি আছে। তুমি এইবোৰত সোমাব নালাগে। এইবোৰ কথা ভাবি মনটোও বেয়া কৰিব নালাগে।"

মধুকাইৰ কথাত মই আশ্বস্ত হব নোৱাৰিলো। সেই ল'ৰাজনক লগ পালে দেউতাৰ আচৰণৰ বাবে ময়েই ক্ষমা খুজিম বুলি ভাবি থাকিলো।

আজি দুপৰীয়া বেতবাৰীত থকা মোমাইদেউৰ ঘৰলৈ স্কুটাৰেৰে গৈছিলো। ভনীজনীও মোৰ লগত আহিবলৈ ওলাইছিল। দেউতাৰ ভগ্ন স্বাস্থ্য আৰু খঙৰ কথা শুনি তায়ো বৰ উদ্বিগ্ন হ'ল। মই তাইক কলো –

"ঠিক আছে, গাঁৱৰ ঘৰখনত মন বহে যদি তোক বাৰু পাছত লৈ যামহি। এতিয়ালৈকে মধুকাইৰ বাহিৰে আন মানুহৰ লগত চা-চিনাকি হোৱাই নাই।" মোমাইদেউৰ ঘৰৰ পৰা ঘূৰি আহোঁতে সন্ধিয়া হৈছিল। আমাৰ গাওঁখন সোমাওঁতেই হুৰহুৰাই এজাক বৰষুণ আহিল। অগত্যা অচিনাকি মানুহ এঘৰৰ চোতালতে স্কুটাৰখন থৈ মই বাৰান্দাত ঠিয় হৈ ৰলো। ৰুমালখনেৰে তিতা চুলিবোৰ টুকি দিলো। হাতত লেম্প এটা লৈ সিদিনা দেউতাই গালি দিয়া ল'ৰাজন ওলাই আহিল। মোক দেখি মলজ হাঁহিৰে ক'লে –

"আহক, ভিতৰলৈকে আহক।"

"নাই নাই হব। বৰষুণ এৰিলে মই যামেই।"

"অকণমান বহি যোৱা বোপাই।"

ভিতৰৰ পৰা কোনোবা মাইকী মানুহ এগৰাকীয়ে মাত লগালে। মই বৰ অপ্ৰস্তুত হলো। ল'ৰাজনৰ লগে লগে ভিতৰ সোমাই কলো –

"সিদিনাৰ ঘটনাটোৰ বাবে মই ক্ষমা খুজিছো।

ল'ৰাজনে একো নামাতিলে। সংকোচেৰে সৈতে মই চকী এখনত বহি চৌদিশে চালো। সৰু আটোমটোকাৰি ঘৰ। ল'ৰাজনৰ লগত কথা-বতৰা হলো। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা

দিছে। ল'ৰাজনৰ নামটো উজ্জ্বল। ঘৰখনত মাথোন দুটা প্ৰাণী মাক আৰু উজ্জ্বল। মানুহগৰাকীৰ মুখখন বৰ বেদনাকাতৰ। মানুহগৰাকীৰ বয়সো বৰ বেছি নহয়। একালত যে মানুহগৰাকী বৰ সুন্দৰী আছিল এতিয়াও ধৰিব পাৰি। বৰষুণ এৰাৰ লগে লগে মই আহিবলৈ ওলালো। মানুহগৰাকীয়ে বিষাদসনা মাতেৰে কলে –

"বেয়া নাপাবা বোপাই। তোমাক চাহ এটোপাও খুৱাব নোৱাৰিলো।"

কথাষাৰ কৈয়ে মানুহগৰাকীয়ে চাদৰৰ আঁচলেৰে চকুদুটা মোহাৰিলে। মই কিংকৰ্তব্যবিমূঢ় হলো।

ঘৰলৈ আহি মধুকাইক আদ্যোপান্ত বিৱৰি কলো – মোৰ কথা শুনি মধুকাইৰ মুখখন ভয়ত বিবৰ্ণ হৈ গ'ল। মোক সৰুকৈ কলে –

"আগলৈ আৰু সেইটো ঘৰলৈ কেতিয়াও নাযাবা পোনা। আৰু তাত সোমোৱাৰ কথা দেউতাক কেতিয়াও নকবা।"

মধুকাইৰ কথা শুনি মোৰ কৌতুহল বাঢ়িল। মই কলো –

"ঠিক আছে মধুকাই। মই কালিলৈকে যামগৈ। তোমালোকে মোৰ পৰা বহুত কথা লুকুৱাইছা। আলহীৰ দৰে ইয়াত থাকিবৰ মোৰ কোনো দৰকাৰ নাই।"

মধুকায়ে কলে –

"সেই মানুহগৰাকীৰ বাবেই তোমাৰ আয়েৰা আপোনঘাতী হ'ল। সেই মানুহগৰাকীক দেউতাই তোমাৰ মাহীআই পাতিব খুজিছিল। তোমাৰ মাৰাৰ মৃত্যুৱে সকলো উলট-পালট কৰি দিলে। দেউতাও বহুত সলনি হ'ল। সা-সম্পত্তি কিছু দি মানুহগৰাকীৰ লগত সকলো সম্পৰ্ক ছেদ কৰিলে। উজ্জ্বল. জন্ম হোৱাৰ পাছত মানুহগৰাকীক ৰাইজে এঘৰীয়া কৰিলে। মানুহগৰাকীয়েও কিবা জিদ ধৰি আজিও পৰাচিত নোহোৱাকৈ আছে।"

মধুকাইৰ কথাখিনিয়ে মোৰ মনটো একেবাৰে খেলিমেলি কৰি থৈ গ'ল। দেউতাই দুগৰাকী নাৰীৰ জীৱন ধ্বংস কৰি দিলে। আয়ে আপোনঘাতী হৈ যন্ত্ৰনাৰ পৰা মুক্তি ললে। আনগৰাকীয়ে এতিয়াও গুঞ্জনা খাই জীয়াই আছে।

মই বৰ অস্থিৰ হৈ উঠিলো। মই গৈ দেউতাৰ ওচৰ পালোগৈ। এটা গছাৰ ওপৰত মিঠাতেলৰ চাকি এখন জ্বলাই দেউতাই ভাগৱতখন পঢ়ি আছিল। মই ক্ষোভেৰে কলো –

"মই ইয়াৰ পৰা যামগৈ দেউতা ?"



"কিয় ? কি হ'ল ? কিবা অসুবিধা পাইছ ?"

মই একো নামাতিলো। বহু কথা আহি মোৰ ডিঙিৰ ওচৰত ভিৰ কৰিলেও মই কি কম ঠিক কৰিব নোৱাৰিলো। কান্দনমুৱা হৈ কলো –

"উজ্জ্বলহঁতক ইয়ালৈ কিয় নানে দেউতা ?"

দেউতাই তীৰ্যকভাবে মোৰ মুখলৈ চাই একো নামাতিলে। ভাগৱতখন জপাই দেউতা বহাৰ পৰা উঠিল। ভাবিছিলো দেউতাই খঙত চীৎকাৰ কৰি উঠিব। সেইবোৰ একো নকৰি দেউতাই মাথোন চকুকেইটা মোহাৰিলে। মই নিজৰ কোঠালৈ উভতি আহিলো।

মধুকায়ে কেইবাবাৰো ভাত খাবলৈ মতাৰ পাছত মই কলো –

"মোৰ অকণো ভোক নাই মধুকাই। মই আজি ভাত নাখাওঁ।"

"দেউতায়ো ভাত খোৱা নাই, পোনা।"

"সেয়া দেউতাৰ পাপৰ ফল। কিন্তু আমি কিয় মিছাতে কষ্ট পাব লগা হৈছে মধুকাই ?"

"দেউতাই বহুদিনৰ মূৰত আজি মদ উলিয়াই লৈছে পোনা।"

মই একো নমতা দেখি মধুকাই আঁতৰি গ'ল। কিছুসময়ৰ পাছত মধুকাই উত্তেজিতভাবে মোৰ ওচৰলৈ আহি কলে –

"দেউতাই কি কৰিছে চোৱাগৈচোন ব'লা।"

মধুকাইৰ সৈতে দৌৰি যোৱাৰ দৰে দেউতাৰ কোঠালৈ গৈ দেখিলো দেউতাই উদ্‌ভ্ৰান্ত হৈ বেৰত মূৰটো খুন্দিয়াই কৈছে –

"বন্দুকটো থকা হলে মোৰ আজি ইমান কষ্ট নহ'নহেঁতেন মধু।"

মই দেউতাৰ কাষলৈ গৈ কলো –

"কি হৈছে দেউতা ? কেলেই এনেকুৱা কৰিছে ?"

"মই পাপী জীৱ, পোনা। মোক বিহ আনি দে – বিহ। অৱশ ভাবেৰে দেউতাই কলে।

"মৰাটো সহজ দেউতা। জীয়াই থকাটোহে টান। মই আপোনাক বিহ নহয় অমৃত আনি দিম।"

মিনতিভৰা চকুৰে দেউতাই মোৰ ফালে চালে। মই গভীৰ প্ৰত্যয়েৰে কলো –

"উজ্জ্বলহঁতক ইয়ালৈ আনিলেই আপুনি শান্তি পাব দেউতা। মই থাকিম, ভন্টি থাকিব। উজ্জ্বলহঁত থাকিব।"

দেউতাই মুখেৰে একো নামাতিলেও দেউতাৰ চকুৰ কৰুণ চাৱনিয়ে মোৰ কথাতেই সন্মতি দিয়া যেন লাগিল। দেউতাই যেন এটা অৱলম্বন বিচাৰিছে এনেধৰণেৰে হাত দুখন মোৰ ফালে প্ৰসাৰিত কৰি দিলে। ■



উপন্যাসিকা

# ধীৰু ভাই

ডাঃ মুক্তিপ্ৰসাদ গগৈ



অংকন ঃ চম্পক বৰবৰা

উইলিয়াম ৱৰ্ডছৱৰ্থে "য়েৰ" (Yarrow) সম্পৰ্কে যিয়েই নকওক লাগে গোৱাৰ প্ৰাকৃতিক সৌন্দৰ্যৰ কথা শুনি বিশেষকৈ গোৱাৰ সাগৰৰ পৃথিৱী বিখ্যাত 'বিচ'ৰ বিৱৰণত আকৃষ্ট হৈ মই গোৱালৈ কেইদিনমানৰ বাবে গৈ অলপো হতাশ হোৱা নাছিলো। মোৰ ঠাইখন ইমান ভাল লাগিছিল যে তাৰ পাছত আৰু দুই-তিনিবাৰ মান মই গোৱালৈ গৈছো। প্ৰত্যেক বাৰেই ভাল লাগিছে আৰু সুবিধা আৰু সময় পালে আকৌ যাবৰ ইচ্ছা আছে।

গোৱাৰ লগত মোৰ সম্বন্ধৰ কাৰণ কেৱল এই ঠাইৰ প্ৰাকৃতিক সৌন্দৰ্যই নহয়। ইয়াত মোৰ বন্ধু ধীৰু পেটেলৰ ঘৰ। ধীৰু আচলতে গুজৰাটী মানুহ। কিন্তু সিহঁতৰ কেইবাটাও generation গোৱাৰ মাৰগাঁও নামৰ নগৰখনত settled। মাৰগাঁৱত থাকি গোটেই পৰিয়ালটো তাৰ স্থানীয় মানুহৰ দৰে হৈ গৈছে। সকলোৱে কঙ্কিনি ভাষা জানে আৰু কয়। আচাৰ-ব্যৱহাৰ, কথা-বতৰা দেখি কিন্তু কোনেও তেওঁলোকক অন্য ঠাইৰ মানুহ বুলি ক'ব নোৱাৰিব।

বম্বেৰ পৰা "ডেক্কান কুইন" নামৰ ৰেল গাড়ীখনেৰে পুনা পালোগৈ। ভাৰতবৰ্ষত তেতিয়াও উঠিছো এতিয়াও বহুত নতুন নতুন ভাল ভাল ৰেল গাড়ীত উঠিছো, জাৰ্মানীত নীলা ডানিয়ুব নদীৰ দাঁতিয়েদি অতি জোৰেৰে যোৱা ট্ৰান্স ইউৰোপা এক্সপ্ৰেছতো উঠিছো। কিন্তু মই ডেক্কান কুইনক ভাল পাওঁ। আমাৰ নিচিনা এখন নিশকটীয়া দেশত এনে এখন সুন্দৰ ৰেলগাড়ী আছে ভাবিবলৈয়ে আচৰিত লাগে। পৰিষ্কাৰ পৰিচ্ছন্ন আৰামদায়ক বহিবলৈ চিট্ আৰু খাবলৈ ইটো সিটো ৰুচিদায়ক বস্তু। গাড়ীখন চলি যাওঁতে অতি ধুনীয়া প্ৰাকৃতিক দৃশ্য। পুনাৰ পৰা মই অন্য ৰেল গাড়ীত উঠিব লাগিব যি মোক মাৰগাঁৱলৈ লৈ যাব।

এই সকলোবোৰ হৈছে মোৰ বন্ধু ধীৰু পেটেলৰ বাবে – আচল নাম ডাক্তৰ ধীৰু ভাই পেটেল। ধীৰুৰ লগত মোৰ চিনাকি আচৰিতভাবে।

এখন পেন এমেৰিকান এয়াৰ লাইন্সৰ উৰা জাহাজত। ইকনমি ক্লাচত মই ২৭ এ আৰু ধীৰু ২৭ বি চিটত।

বম্বেৰ পৰা ফ্ৰেঙ্কফাৰ্ট্ হৈ লণ্ডনলৈ। খুব কমেও দহঘণ্টা একেলগে বহি যাব লাগিব। আমি নিজে নিজেই চিনাকি হৈ ল'লো। এখন বজাৰ বা হাট জোৰ কৰি এখন ঠাইত বহুবাব বা পাতিব নোৱাৰি। ই কোনেও নজনাকৈয়ে নিজে নিজে বহে আৰু বাঢ়ি যায়। য'তে ত'তে গোহাঁই মাৰ্কেট বা হাজৰিকা মাৰ্কেট কৰিব নোৱাৰি।

মোৰ মতে দুজন মানুহৰ ভিতৰত বন্ধুত্বও কোনেও ক'ব নোৱৰাকৈয়ে হয়। ইজনে সিজনক চিনি পায় – নিজৰ মন আৰু অন্তৰৰ মিল হয়। আৰু এইটো খুব কম সময়ৰ ভিতৰতে হয়। বন্ধুত্ব কেতিয়াও জোৰ কৰি নহয়। ধীৰু আৰু মোৰ বন্ধুত্ব সেই ধৰণেৰেই আৰম্ভ।

গোৱাৰ ৰেল ষ্টেচনতেই মই প্ৰথম মাইকী মানুহে পৰ্টাৰ হিচাপে কাম কৰা দেখো। শাৰীখন ধুতিৰ দৰে পোন্ধ মাৰি আঠুলৈকে পিন্ধি মূৰত বা হাতত যাত্ৰীৰ বস্তু লৈ সুন্দৰভাবে একো একোজনী মানুহে ৰেলৰ পৰা গাড়ী টেক্সি-ৰিক্সা যিহতেই নহওক যাত্ৰীক উঠাই মেলি দিয়েগৈ। লাহে লাহে আমি গোৱাৰ ভিতৰলৈ সোমাই আহি মোৰ গন্তব্য স্থল মাৰগাঁৱৰ ৰেলষ্টেচন পালোগৈ। ধীৰু ভাই অৱস্থাপন্ন ঘৰৰ ল'ৰা। তেওঁলোকৰ ভাই-ককাই পাঁচজন আৰু এক যুক্ত পৰিয়াল। তেওঁলোকৰ ডাঙৰ ব্যৱসায় – তাৰে প্ৰধান হ'ল কাপোৰৰ। তেওঁলোকৰ এখন মাৰ্চিডিজ এখন অষ্টিন আৰু তিনিখন ভাৰতীয় গাড়ী। ৰেলগাড়ীৰ পৰা মোক মাৰ্চিডিজ গাড়ীৰে লৈ গ'লহি। ধীৰু তেতিয়া গোৱাত নাই। ধীৰুৰ বন্ধু বুলি ঘৰখনত মোৰ বিশেষ আদৰ। মাক-দেউতাক নাই। ডাঙৰ ককায়েক আৰু বৌৱেকেই ঘৰখনত ডাঙৰ আৰু তেওঁলোকৰ কথাই সকলোৱে মানি চলে।

ভালেমান বছৰ পৰ্টুগীজৰ শাসনত থকা গোৱা ভাৰতবৰ্ষত সন্মিলিত হ'লেও ভালেমান খিনি পৰ্টুগীজ প্ৰভাৱ এতিয়াও ভালদৰে পৰিলক্ষিত হয়।



গোৱাত মহাৰাষ্ট্ৰৰ মানুহো বহুত। তেওঁলোকৰ সংস্কৃতিয়েও যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। গোৱাত খৃষ্টিয়ান মানুহো বহুত। গোটেই ৰাজ্যখনত আৰু চহৰবোৰত ধুনীয়া ধুনীয়া গীৰ্জা আৰু মন্দিৰ সমানে দেখা যায়।

পেটেলহঁতৰ ঘৰৰ ওচৰতে এটা ডাঙৰ মন্দিৰ। মইক্ৰোফোনত অনবৰত ভজন গাই আছে গোটেই দিনটো। ৰেকৰ্ড বা কেছেট নহয়। মানুহে গাইয়ে আছে। সঙ্গীতৰ প্ৰতি মানুহৰ বৰ ৰাপ।

মাৰগাঁৱ বৰ ডাঙৰ চহৰ নহয়। কিছুদূৰ খোজকাঢ়ি গ'লেই গাঁও পথাৰ নাৰিকলৰ গছ পোৱা যায়। মই সদায় ৰাতিপুৱা অকলে অকলে খোজ কাঢ়িবলৈ ওলাই যাওঁ।

মই ১৯৬৯ চনৰ কথা কৈছো। তেতিয়াও গোৱাত চুৰি বস্তুটো ৰাইজে নাজানে। তাত মানুহে চুৰি নকৰেই। ৰাতি বা দিনত মানুহে দুৱাৰত খিলি নলগায়।

ভাৰতবৰ্ষৰ লগত মিলি যোৱাৰ ইমান দিনৰ পিছত চাগে সেইবোৰ ভাল বস্তু নোহোৱা হৈছে। গোৱাত দুপৰীয়া আৰু পাছবেলা মানুহে জিৰণি লয়। বেছিভাগেই শোৱে। ৰাতি কিন্তু বহুত পৰলৈকে জাগি থাকে, কাম-কাজ কৰে – চিনেমা চায়। আজিকালি যদি অভ্যাসবোৰ সলনি হৈছে নাজানো।

গোৱাৰ সাগৰৰ বিচ্‌বোৰ পৃথিৱী বিখ্যাত। সেইবোৰত হিপীবোৰৰ অসম্ভৱ ভিৰ। হাজাৰে হাজাৰে এই হিপীবোৰ গোৱালৈ তেতিয়া আহিছিল।

গোৱাত সাগৰৰ বিচত মেকাৰেল মাছৰ বিৰাট দ'ম। প্ৰায় পাহাৰ বুলিবই পাৰি। মেকাৰেল মাছ টিঙত ভৰাই চালান হয়। শুকুৱাইয়ো বেচা হয়। মেকাৰেল মাছ খাবলৈ ভাল। সাগৰৰ মাছেই তাত মানুহে সাধাৰণতে খায়। সাগৰৰ মাছ খাবলৈ মানে ভাল পাবলৈ অভ্যাস কৰিব লাগিব। নহ'লে সদায় নদী নাইবা বিল-পুখুৰীৰ মাছ খোৱা মানুহৰ প্ৰতি সাগৰৰ মাছ খাই ভাল পোৱাটো টান।

ধীৰু ভাইৰ পৰিয়ালৰ মানুহখিনি বৰ ভাল। ডাঙৰ বৌৱেকে মোক বৰ মৰম কৰিছিল কাৰণ মই ধীৰুৰ বন্ধু।

ঘৰৰ বাকী সকলোৱে মোৰ প্ৰতি একেই মনোভাব আৰু ব্যৱহাৰ। মোক প্ৰায় এটা সৰু প্লেটেই তেওঁলোকে এৰি দিছিল।

তেওঁলোকে জানে মই সন্ধিয়া ধীৰুৰ দৰে অলপ ওচৰপ ড্ৰিঙ্কচ্ কৰো। ঘৰখনত কোনেও এই কামটো নকৰে। মাৰগাঁৱৰ আৰু পাঞ্জিম মাৰমাগাঁৱ আদি চহৰবোৰত সৰু সুৰা গুমটিবোৰতো জনী ৱক্কাৰ, ভেট্ চিক্সটিনাইন আদি স্কচ্ হুইচ্কী পোৱা গৈছিল। গোৱাৰ নিজস্ব ড্ৰিঙ্ক হ'ল কাজুবাদামৰ পৰা বনোৱা "ফেনী"। এই বস্তু তাৰ মানুহে খাই বৰ ভাল পায়। টুৰিষ্টৰ বাবে ভাল ভাল ধুনীয়া বোটলতো বিক্ৰী কৰে। আমি কিন্তু ভাল পোৱা নাছিলো।

ৰন্ধাবঢ়াত তেওঁলোকে নাৰিকলৰ তেল ব্যৱহাৰ কৰে। মই খাওঁ কাৰণ বেয়া পাইছো বুলিলে অভদ্ৰতা হ'ব। কিন্তু দুই-তিনিদিন খাই অভ্যাস হৈ গৈছিল। ঠিক তেনেকৈ মেকাৰেল মাছৰ আঞ্জা।

জীৱনত বহুতো এয়াৰলাইন্সত উঠিলো। কিন্তু পেন এমেৰিকান এয়াৰৱেজ মোৰ ভাল লাগে। মাজতে পেন এমেৰিকান বন্ধ হৈ "টি দব্লিউ এ"ৰ লগ লাগিব বুলি শুনি মনতে বেয়া লাগিছিল, ইও এক এমেৰিকান এয়াৰ লাইন্সএই। কিবা বাণিজ্যিক কাৰণত তেওঁলোকে লগ লগাব খুজিছিল।

ডাঃ ধীৰু ভাই পেটেলৰ লগত কথা-বতৰা পাতিবলৈ আৰম্ভ কৰিলো চিনাকি হোৱাৰ পিছৰ পৰাই। তেওঁ প্ৰতিটো শব্দ স্পষ্টকৈ লাহে লাহে কয়। সাধাৰণ ভাৰতীয় মানুহে যিদৰে বেগাই কেতিয়াবা ইটো সিটো শব্দ লগ লগাই কথা। ভাৰতীয় মানুহৰ আৰু এটা ডাঙৰ দোষ। কেইজনমান মানুহ বহি একেলগে কথা পাতিলে কাৰো অন্যজনৰ কথা শুনিবলৈ সময় নাই। দুজনে কথা পাতিলেও তেনে কৰাৰ অভ্যাস। আমাৰ বাতৰি পঢ়াটোৱেই নাচায় কিয়। কিমান বেগাই পঢ়ে। আনহাতে বিবিচি, ভইচ অব এমেৰিকা বিশেষকৈ ভইচ্ অব এমেৰিকাত বাতৰিবোৰ বৰ স্পষ্টকৈ লাহে-ধীৰে কয়। শুনিবলৈও ভাল আৰু কথাবোৰ বুজাতো সহজ। তেওঁলোকে আমাতকৈ একো কম খবৰ নকয়। কম কথাত চমুকৈ সহজভাবে সাধাৰণ ভাষাত কথা কোৱাটো এটা আৰ্ট।

ডাঙৰ ডাঙৰ এই ইন্টাৰনেচনেল ফ্লাইটবোৰত যাত্ৰীক বৰ সমাদৰ কৰা হয়। যাত্ৰীলৈ মৰম বা ভালপোৱা এই আদৰৰ কাৰণ নহয়। ইটো সিটো এয়াৰলাইনচৰ ভিতৰত থকা প্ৰতিযোগিতাৰ বাবেহে তেওঁলোকে যাত্ৰীসকললৈ নিজৰ সেৱা বেছিকৈ আগবঢ়ায়।

মই আৰু ধীৰু ভায়ে এটা এটা ড্ৰিঙ্কচ্ লৈছো। মই এটা মাতিনি আৰু ধীৰু ভায়ে এটা ব্লাডি-মেৰী। দুয়োটাই সাধাৰণ জিন জাতীয় বস্তু। কিন্তু তাক অলপ সালসলনি কৰি দিয়া হৈছে। খাবলৈ দিয়া গিলাচো বেলেগ। ব্লাডি-মেৰী নামৰ বস্তুটোত অলপ বিলাহীৰ ৰসো মিলোৱা আছে। কথা-বতৰা পাতি অনবৰতে বহি বহি আমনি নলগাৰ বাবে এইবোৰ নানা ব্যৱস্থা। তাৰোপৰি এক ডলাৰ দিলেই হেটফোন আৰু চেনেল মিউজিক অতি ভাল বস্তু। আজি সকলো ধৰণৰ উৰাজাহাজতে চিনেমাৰ বন্দবস্ত আছে। খোৱাবোৱাৰতো অতি বঢ়িয়া যোগাৰ। ছিগাৰেট হুইস্কি আদি সকলো সস্তাত প্লেনৰ ভিতৰতে পোৱা যায়। এয়াৰ হষ্টেচ্ প্ৰত্যেক ফ্লাইটতে ১৬/১৮ গৰাকীকৈ থাকে। অনবৰতে তেওঁলোকে মুখত হাঁহি এটাৰে কথা কয়। একেবাৰে প্ৰফেচনেল।

আমাৰ প্লেন একেবাৰে বম্বেৰ পৰা গৈ বেইৰুতত নামিব। তাৰ পিছত ইষ্টানবুল হৈ ফ্ৰেঙ্কফাৰ্ট্ আৰু লণ্ডন।

ধীৰুভাই পেটেল মোতকৈ কেইবছৰমান আগতেই বিলাতলৈ গৈছে সেই দেশৰ হস্পিতেলৰ অভিজ্ঞতা আহৰণ আৰু দুই এটা পৰীক্ষাৰ মানস লৈ। অন্যান্য ভাৰতীয় বা বিদেশী ডাক্তৰৰ দৰে তেওঁ ইটো সিটো হস্পিতেলত ছমাহ এবছৰকৈ কাম কৰি আছে আৰু লগতে পঢ়াশুনা যিমান পাৰে কৰিছে। তেওঁ লণ্ডন চহৰত দুটা কোৰ্চও কৰিছে পৰীক্ষাৰ পঢ়াত সহায় কৰিবৰ বাবে।

"চৰি", "থেঙ্কইউ", "প্লিজ" ইত্যাদি ব্যৱহাৰ কৰি সাধাৰণ ইংৰাজী আদব কায়দা আমাৰ দুয়োজনৰে আয়ত্ত এইকেবছৰে কৰা হৈ গৈছে। গতিকে আমাৰ মিলিজুলি কথাপতা, হঁহা, ফুৰ্তি কৰা মানে উৰাজাহাজত বহি বহি – একো অসুবিধা নোহোৱাকৈ চলিল।

মোৰ দৰে অলপ দিনৰ বাবে ছুটী লৈ তেৱোঁ ঘৰলৈ আহিছিল। এতিয়া একেলগে ঘূৰি গৈছো। বিদেশত থাকোতে ঘৰলৈ আহিবৰ ইচ্ছা হয়। কিন্তু আচৰিত কথা এটা লক্ষ্য কৰিছো। ডেকা বয়সত যিমান দিন ঘৰৰ পৰা দূৰ বিদেশত থাকিব পাৰি বয়স বঢ়াৰ লগে লগে মানে আধবয়সৰ পাছত সেইদৰে থকাৰ কথা ভাবিব নোৱাৰি। সাংসাৰিক জীৱনৰ নানা প্ৰয়োজনে বাধা দিয়ে। লগতে লাহে লাহে আহি পৰা শাৰীৰিক দুৰ্বলতা। কেইবছৰমান আগতে মই পাঁচ সপ্তাহৰ কাৰ্যসূচী লৈ জাৰৰ দিনত ইউৰোপলৈ গৈছিলো। প্ৰথম তিনি সপ্তাহ স্কটলেণ্ডত আৰু দুসপ্তাহ ভিয়েনাত কটাম বুলি। তাত তেতিয়া ভীষণ বৰফ – ভাবিব নোৱাৰা বৰফ। জাৰত ঠেঁটুৱা লাগিলো। আৰু বেছি দিন থাকিবৰ ইচ্ছা নগ'ল। ভিয়েনা বাদ দি তিনি সপ্তাহতে ঘৰ পালোহি। মই আজিলৈকে ভিয়েনালৈ যোৱা নাই যদিও যাবৰ বৰ ইচ্ছা আছিল। চেঙেলীয়া ডেকা বয়সত কেতিয়াও এনে সুযোগ নেহেৰুৱালোহেঁতেন।

আন্তৰ্জাতিক ভ্ৰমণত উৰা জাহাজত যাত্ৰীসকলক বৰ খকুৱা খাবলৈ নোপোৱা মানুহৰ দৰে ব্যৱহাৰ কৰে। অনবৰতে খোৱা আৰু বিধে বিধে অতি বঢ়িয়া খোৱা। খোৱাৰ আগতে ড্ৰিঙ্কৰ মেনু। এই খাই গাটো অলপ গৰম লাগিলেই খোৱাৰ মেনু। এই খোৱা হজম হোৱাৰ আগতেই আকৌ খোৱা। উৰা জাহাজ পূব বা পশ্চিম যি ফালেই নাযাওক ঘড়ীৰ সময় সলাই ল'ব লাগিব। হয় আগবাঢ়িব নাইবা পিছ হোঁহকাই ল'ব লাগিব। কিন্তু জাহাজত খোৱাবোৰ যি ঠাইৰ সেই সময়ত যি বাজে সেইদৰেই ব্ৰেকফাষ্ট লাঞ্চ ডিনাৰ দিয়ে।

পশ্চিমৰ পৰা পূবলৈ আহিলে দিন-ৰাতিবোৰ চুটি হয়। এবাৰ নিউয়ৰ্কৰ পৰা কলিকতালৈ আহি মই কলিকতাৰ টেক্সীতে ইমান টোপনিয়াইছো – অলপ কাম কৰিম বুলি ওলাই গৈ আকৌ ঘূৰি শুই থাকিলো। এইবোৰ 'জেট্ লেগ'ৰ কাৰণেই হয়।

ধীৰু ভাইৰ বিলাতত দিনবোৰ একৰকম ভালেই কাটি গৈছে। অলপ কথা-বতৰাৰ পাছত গম পালো তেওঁ বিবাহিত। এম্‌বি বি এছ পাছ কৰাৰ কিছুদিন পিছতেই তেওঁ ঘৰুৱা বন্দবস্ত মতেই প্ৰমীলা পেটেলৰ লগত বিয়া হৈ গ'ল। তেওঁৰ ল'ৰা এটাও আছে। বয়স পাঁচ বছৰ। এই কাৰণেই তেওঁ দুই এবাৰ মাজতে ঘৰলৈ গৈছে। তেওঁৰ পুত্ৰৰ নাম বিনায়ক। ঘৰত মতা এক চাহাবী নাম "বব্"। তেওঁৰ স্ত্ৰী আৰু পুত্ৰৰ ছবি মোক দেখুৱালে। দুয়ো দেখিবলৈ বেচ ধুনীয়া।

ধীৰু ভাই পেটেলৰ জীৱনত নানা ধৰণৰ ইন্টাৰেষ্ট্ আছে। তেওঁ পঢ়ি আৰু গান শুনি ভাল পায়। আনহাতে ভাল টেনিচ্ খেলে। সুবিধা পালেই সাতুৰিবলৈ যায়। বম্বেত পঢ়াশুনা কৰি থাকোতেই এইবোৰ বস্তু তেওঁ শিকিছিল। সেইখিনি সময়ত কৰা কষ্টখিনি এতিয়া কামত আহিছে নিজকে সুস্থ সবল ৰাখিবলৈ। অনবৰত বগা কোট্ পিন্ধি ৰোগীৰ পাছত লাগি থকাটোও এক আমনি লগা কাম। অন্য ধৰণৰ কাম কৰি অলপ সকাহ ল'ব পৰা ভাল।


পেন এমেৰিকান এয়াৰৱেজত আমাৰ ভালেই আলপৈচান ধৰিলে। বম্বেৰ পৰা উৰোতে আৰু তাৰ পিছতো ইংৰাজীৰ লগতে ভাৰতীয় যাত্ৰীৰ সুবিধাৰ্থে হিন্দীতো ঘোষণাবোৰ কৰিছিল। আৰু এটা ভাষা জাপানীজ। উৰা জাহাজখন টকিঅ হংকং বেঙ্কক হৈ আহিছে। গতিকে সেইফালৰ যাত্ৰী জাহাজত যথেষ্ট। বম্বেত আমাৰ ভাৰতীয় যাত্ৰীও প্ৰায় পঞ্চাশজনমান উঠিছিল। আমাৰ শাৰীত আমি দুজনেই ভাৰতীয়। বাকীকেইজন বিদেশী তাৰে এগৰাকী এক সুন্দৰী ইংৰাজ যুৱতী হংকঙৰ পৰা আহিছে। তেওঁ মোৰ তেনেই কাষতে। আনহাতে ধীৰুভাই। তেওঁৰ লগতো দুই এটা হাঁহি কেতিয়াবা থেংক ইউ ইত্যাদি দুই এটা কথা।

ধীৰু ভাইক এবাৰ সুধিলো। ইমান দূৰত স্ত্ৰী আৰু পুত্ৰক এৰি থৈ থাকিবলৈ বেয়া নালাগে নেকি ?" ধীৰুৱে অলপ হাঁহি এটা মাৰিলে। ক'লে "অৱস্থাই বাধ্য কৰিলে কি কৰিবা ভাই, তাতে এনে টান পৰীক্ষা। পাছ নকৰাকৈ ঘূৰি আহিবও নোৱাৰি। ইফালে নাহিলেও মোৰ চিন্তা। পৰিয়ালৰ চিন্তা।"

কথাটো সুধি বেয়া কৰিলো যেনেই লাগিব। "হে যাব দিয়া। জীৱনত আশাবাদী হোৱাই ভাল। সকলোৱেতো এইদৰেই পঢ়ি আছে। নহয় জানো ?" – মই ক'লো।

এয়াৰ হোষ্টেজ এগৰাকীয়ে একোখনকৈ গৰম সৰু তিতা টাৱেল আমাক দি গ'ল – অলপ ভাল গোন্ধ ওলোৱা। এইখনেৰে মুখখন মচিলে বেচ ভাল ফ্ৰেচ লাগে। কাৰণ ইমান সময় মুখখন নুধোৱাকৈ থাকিলে বৰ শুকান শুকান লাগে।

ধীৰুভাইৰ স্ত্ৰী ভাল অৱস্থাপন্ন পুনেৰ মহাৰাষ্ট্ৰীয় পৰিয়ালৰ ছোৱালী। তেওঁলোকৰ বম্বে পুনা আৰু বেলগামত ভাল ব্যৱসায়



আছে। প্ৰমীলা নিজে গ্ৰেজুৱেট। স্বামী হিচাপে ধীৰুভাইক তেওঁ ভালেই পাইছিল। ওখ ডাঙৰ ধুনীয়া স্বাস্থ্যবান মানুহ, তাতে ডাক্তৰ, বিলাতত উচ্চ শিক্ষা লাভ কৰি আহিলেতো কথাই নাই। সেই বাবেই সৰু ল'ৰাটো থাকোতেই স্বামী বিলাতত পঢ়িবলৈ যোৱাটো তেওঁ অলপো বেয়া পোৱা নাছিল। ধীৰুভাইৰ পৰিয়ালৰ অন্যান্য সকলোৱে তেওঁক মৰমো কৰিছিল। মাজে মাজে পুনাৰ মাক-দেউতাকৰ ঘৰলৈ গৈ থাকেগৈ। তাতো কোনেও বাধা নিদিয়ে।

"তোমাৰ পঢ়াশুনা কেনে হৈছে।"

"মই আৰু ডেৰবছৰমান কাম কৰি পৰীক্ষাটো দিম বুলি ভাবিছো। বহি পঢ়িবৰ বাবে মোৰ অলপ টকাও দৰকাৰ। কিছু পইছা অলপ অদৰ্কাৰিত খৰচ কৰিলো। এতিয়া সাৱধান হ'ব লাগিব।"

প্ৰায় পাঁচ ঘণ্টামান পাছত আমাৰ উৰা জাহাজ বেইৰুট পালেহি। বেইৰুট এখন অতি ধুনীয়া চহৰ। সাগৰৰ পাৰতেই বুলিব পাৰি। তেতিয়াৰ দিনত বেইৰুট ফ্ৰি পোৰ্ট। সস্তাত নানা ধৰণৰ ভাল ভাল বস্তু পোৱা যায় এয়াৰ পোৰ্টত। বেইৰুটৰ এয়াৰ পোৰ্টখন বেচ ধুনীয়া। প্লেনখন নমা চাবলগীয়া। সাগৰৰ ওপৰেদি লাহে লাহে নামি আহি ৰানৱেত জাহাজত পৰেহি। ইফালে চহৰখন। ই এক ধুনীয়া দৃশ্য। মই এটা এঘাৰ ডলাৰৰ টিচট্ ঘড়ী কিনিলো।

সেই বেইৰুট আৰু আগৰ দৰে নাই। পশ্চিম এচিয়াৰ ঘৰুৱা যুদ্ধত ইমান ধুনীয়া চহৰখন নষ্ট হৈ গ'ল। বেইৰুট হৈ এয়াৰ লাইনচ্‌বোৰ নোযোৱাই হ'ল।

প্লেন আকৌ উৰিল। বহি কথা পাতি, মাজে মাজে টোপনিয়াই বহুত সময় কটালো। এবাৰ মই আৰু ধীৰু অলপ থিয় দণ্ডা দিবৰ বাবে জাহাজৰ পিছফালে গ'লো। একোটাকৈ ডলাৰ দি হুইস্কি এটা লৈ থিয় দি তাতে খাবলৈ ল'লো।

"দিনবোৰ ভালেই গৈ আছিল। এই বিয়া কৰাই মানে – ইমান সোনকালে – বৰ ভাল নকৰিলো। মই প্ৰায়ে ভাবো।"

"কিয় পলমৈলেক বিয়া কৰোৱাৰ অসুবিধাও বহুত। তোমাৰ কম বয়সতে তোমাৰ ল'ৰা বহুত ডাঙৰ হৈ যাব। এইটো ভাবি নোচোৱা কিয় ?"

"কথাটো ঠিকেই কৈছো। কিন্তু এই কেইটাবছৰ মই এঠাইত স্ত্ৰী-পুত্ৰ এঠাইত – বৰ ভাল অভিজ্ঞতা নহয় এইটো। তুমি বুজি নাপাবা। মোৰ যেনেকৈ বেয়া লাগে সিহঁতৰো নিশ্চয় বেয়া লাগে। ল'ৰাটো সৰু কিন্তু প্ৰমীলাই নিশ্চয় খুব অনুভৱ কৰে। ইয়ালৈ আনি লগত ৰখাৰ কথা মাজে সময়ে ভাবো কিন্তু তাতো বহুত অসুবিধা। পঢ়াশুনা কৰি এই টান পৰীক্ষা পাছ কৰা মোৰ দ্বাৰা সহজ নহ'ব।"

"দুই এবাৰ অলপ সময়ৰ বাবে আনিব পাৰো। কিন্তু প্ৰমীলাই আহিব নোখোজে। কাৰণ এক – টকা পইছাৰ খৰচ আনহাতে তেওঁ ভাবে দুদিনমানৰ কাৰণে তেওঁলোক ইয়ালৈ অহাতকৈ মই সোনকালে যোৱাটোহে বেছি দৰকাৰ। এই কথা প্ৰায়ে চিঠিত লিখে।"

"বাদ দিয়া এইবোৰ। মোৰ নিজৰ কথা কৈ তোমাৰ হুইস্কিটো কিয় নষ্ট কৰো" – আমি দুয়ো হাঁহিলো।

"মোৰ হুইস্কি নষ্ট হোৱা নাই। মই সমস্যাবোৰ বুজিবৰ সুযোগ পাইছো তোমাৰ অভিজ্ঞতাৰ পৰা।"

"তোমাৰ নিজৰ খবৰ কি ? এই কেইবছৰে কোনোবা মেম চাহাবৰ লগত চা-চিনাকি হোৱা নাইনে ?"

"চা-চিনাকি নহ'ব কিয় ? বিশেষ বন্ধুত্ব কাৰো লগত হোৱা নাই। কৰাৰো ইচ্ছা নাই।"

"কেতিয়াবা হঠাতে হৈ যাব ধৰিবই নোৱাৰিবা।"

ইটো সিটো নানা কথা পাতোতে ভালেমান সময় পাৰ হৈ গ'ল। প্লেন এতিয়া ইস্তানবুলত নামিব। ইস্তানবুল টাৰ্কীৰ ৰাজধানী। কামাল আটাটুৰ্কৰ দেশ। কামাল আটাটুৰ্কৰ কথা স্কুলত অসমীয়া পাঠ্যপুথিত পঢ়া মনত আছে। সবিশেষ এতিয়া মনত নাই। ইস্তানবুলত মাত্ৰ চল্লিশ মিনিটমানহে উৰা জাহাজ ৰ'ব। চহৰখন চাবৰ একো উপায় নাই। তথাপি মই আৰু ধীৰুৱে ট্ৰানজিৎ পেছেঞ্জাৰ হিচাপে এয়াৰ পোৰ্টত নামিলো। ডিউটি ফ্ৰি দোকানৰ পৰা এবটলকৈ হেইগ হুইস্কি কিনিলো। গৈ বন্ধু বান্ধৱক দিবলৈ। কাৰণ ইয়াত সস্তাত পোৱা যায়।

ধীৰুভাইৰ কথাবোৰৰ পৰা গম পালো তেওঁ নিজৰ পাৰিবাৰিক জীৱনলৈ বেচ চিন্তিত। বিলাতৰ পৰীক্ষাবোৰ টান ঠিক। কিন্তু তেওঁক কোনোবা আগতে ফেল্ কৰি থকা বন্ধু-বান্ধৱে বেছি ভয় খুৱাই দিছে নেকি। তেনে যেনহে লাগে। তেওঁ হয়তো ভাবিছে তেওঁ পাছ কৰিবই নোৱাৰিব। ঘৰলৈ যোৱা বহুত পলম হ'ব কিজানিবা একেবাৰে যাব নোৱৰাই হয়। কিছুমান অলাগতিয়াল চিন্তাই মানুহটোক আমনি কৰিছে যেন পাওঁ। আমাৰ পঢ়ি থকা সময়ত এইদৰে বছৰৰ পাছত বছৰ ফেল কৰা "দাদা"সকলৰ সংখ্যা একো কম নহয়। পঢ়াশুনা আৰু পৰীক্ষা কঠিন সঁচা কিন্তু আন কিছুমান কথাও সঁচা। হস্পিতেলবোৰত কাম কৰিলে ভাল দৰ্মহা, ভাল খোৱা, টান কাম হ'লেও আনহাতে এক অতি আৰামৰ জীৱন। হস্পিতেলৰ কাম কৰাৰ অতি সুব্যৱস্থা দৰব পাতি অন্যান্য সহায়ৰ সকলোৰে সুবিধা – এইবোৰে কাম কৰিবলৈকো মানুহৰ শক্তি বঢ়াই দিয়ে। টকা পইছা হ'লেই একোখনকৈ নতুন চাহাবী গাড়ী, মাহেকত শনি-দেওবাৰ দুবাৰ ছুটী ওচৰতে থকা পাব, ছমাহত হলিদে কৰিবলৈ দুসপ্তাহৰ ছুটী ইত্যাদিয়ে জীৱনটো যথেষ্ট সুখৰ কৰি তোলে। কাপোৰ কানিৰতো কথাই নাই। ঘৰত নোপোৱা বেছিভাগ বস্তুৱেই সহজে পোৱা হয়। তাৰোপৰি বান্ধৱী এগৰাকী গোটাই লোৱা একো টান কাম নহয়। ফলত বহুতৰ ক্ষেত্ৰত আচল কাম – যাৰ কাৰণে দেশৰ পৰা বিদেশলৈ অহা হৈছিল – মানে পঢ়াশুনা পৰীক্ষা পাছ কৰা ইত্যাদি তল পৰি যায়। ই এবাৰ ঘটিলেই অৱস্থা ঘূৰাই অনা বৰ টান হৈ পৰে। সেই বাবেই বহুতে ই দেশতে থাকিয়েই যায়। অৱশ্যে পৰীক্ষা পাছ কৰিও মানুহ থাকে বা অন্য বিদেশ মানে এমেৰিকা, আফ্ৰিকা আদি ঠাইলৈ যায়গৈ।

কথাৰ চলতে ধীৰুকে মই এই কথাখিনি কৈছিলো।

"তুমি ঠিকেই কৈছা। সেই কাৰণেই মই মাজে মাজে মোৰ গাড়ীখন বেচি দিব খোজো।"

"নাই নেবেচিবা। বেছি ঘূৰি নুফুৰিলেই হ'ল। ময়ো অলপতে ফৰ্ড এংলিয়া গাড়ী এখন ল'লো। বৰ বঢ়িয়া।"

"তুমি চলাবলৈ এই দেশত শিকিলানে আগৰ পৰা জানা ?"

"নাই মই ইয়াতে শিকা ঘৰত শিকিওতো লাভ নাই বিশেষ। আকৌ ইয়াৰ নিয়ম-কানুন শিকা বৰ টান।"

"মোক পিছে মোৰ সহকৰ্মী ডাঃ নিৰুপমা চৌধুৰীয়ে বহুত সহায় কৰি দিলে। তেওঁৰ গাড়ীতে মই শিকা। মই এচেক্সৰ এখন হস্পিতেলত তেতিয়া কাম কৰিছিলো।"

আমাৰ আকৌ খাবৰ সময় হ'ল। প্ৰথমতে ড্ৰিঙ্ক্‌চৰ মেনু দি গলহি মিচিকি হাঁহি মাৰি এগৰাকী এয়াৰ হোষ্টেচে। বেইৰুটত আমাৰ আগৰ হোষ্টেচ কেইগৰাকী সলনি হ'ল। নতুন আহিল। আচলতে পাইলতকে আদি কৰি গোটেই ক্ৰুমেম্বাৰেই সলনি হ'ল।

"এই ফ্ৰেঞ্চ ব্ৰাণ্ডিটোৱেই খাওঁ দিয়া।" ধীৰুৱে ক'লে আৰু দুটা অৰ্ডাৰ দিলে। তাৰ পাছত আকৌ দুটা। বৰ বঢ়িয়া ব্ৰাণ্ডি।

"এই নিৰুপমা ছোৱালীজনী বৰ ভাল। তাই কানপুৰৰ প্ৰবাসী বঙালী ছোৱালী। তাৰ পৰাই ডাক্তৰী পাছ। পাছ কৰাৰ কিছু দিন পিছতে অন্যান্য ধুনীয়া ছোৱালীৰ দৰেই সহপাঠী অনিৰুদ্ধ চৌধুৰীৰ লগত বিয়া আৰু বিয়াৰ দুবছৰৰ পিছত নানা কাৰণত মতৰ অমিল আৰু বিবাহ বিচ্ছেদ। আচৰিত লাগে মোৰ এই কথাবোৰ।"

মই মনে মনে সকলো শুনি গৈছো। ইতিমধ্যে আমাৰ তিনিটা ব্ৰাণ্ডি হৈ গৈছে। এতিয়া পালেহি এক বঢ়িয়া খানা। কোনটো লাঞ্চ কোনটো ডিনাৰ হিচাপ কৰিবৰ ইচ্ছা আৰু প্ৰয়োজনো নাই। ভোক লাগিছে, খাবলৈ দিছে। খাব লাগে।

ধীৰুৱে ক'লে "ইহঁতে আমাক ভুত বুলি ভাবিছে নেকি ? যদি ভাবিছে ঠিকেই কৰিছে !"

ইস্তানবুলৰ পৰা প্লেন আহি ফ্ৰেঙ্কফাৰ্ট পালেহি। ফ্ৰেঙ্কফাৰ্ট পশ্চিম জাৰ্মানীৰ এখন অতি ডাঙৰ চহৰ। তাতোকৈ ডাঙৰ হ'ল ই এক আন্তৰ্জাতিক এয়াৰপোৰ্ট হিচাপে। ইয়াৰ পৰানো ক'লৈ প্লেন পৃথিৱীৰ ক'লৈ নাযায় আৰু পৃথিৱীৰ কৰ পৰা প্লেন ইয়ালৈ নাহে। ফ্ৰেঙ্কফাৰ্টৰ মাজেদি বহুতবাৰ পাৰ হৈছো কিন্তু এই এয়াৰপোৰ্টত অলপ সময় নামি ভাল লাগে।

"তোমাক কিন্তু অলপ সময়ৰ ভিতৰতে বেচ ভাল লাগিছে দেই আমি মাজে মাজে লগ লাগিম – নাপাহৰিবা।"

"মই নিজেই কম বুলি আছিলো। নিজৰ দুখৰ-সুখৰ কথা পাতিবলৈকে ভাল লগ লাগে দিয়াচোন। শনি-ৰবিবাৰে দুয়ো ফ্ৰি থাকিলে এইটো একো টান কাম নহ'ব।"

আমাৰ প্লেনখন নিউয়ৰ্কলৈ যাবগৈ। ভালেমান যাত্ৰী ফ্ৰেঙ্কফাৰ্টত নামি গ'ল। ভালেমান উঠিল। প্লেনখন আকৌ ভৰ্তি হ'ল। আমি লণ্ডন অভিমুখে যাত্ৰা কৰিলো।

"তুমি লণ্ডনত থাকিবা নেকি ?" ধীৰুৱে সুধিলে।

মই দুদিনমান থকাৰে কথা, কিতাপ কেইখনমান কিনিব লাগে। এটা কোৰ্চ কৰিব খুজিছো। তাৰো খবৰ কৰিব লাগিব। তাৰোপৰি ৰাচেল স্কোৱাৰৰ ৰেষ্টুৰেণ্টত অলপ ৰাইচ মাটনকাৰী নোখোৱাকৈনো বাৰু কেনেকৈ যাওঁ দিয়া ?"

"ঠিকেই কৈছা। আমাৰ হস্পিতেলতে থাকিব পাৰা। আমাৰ গেষ্ট ৰাখিবৰ ভাল ব্যৱস্থা আছে।"

"বেয়া নহয় আইদিয়াটো।"

লণ্ডনৰ হিথ্ৰো এয়াৰপ'ৰ্টৰ কাচটমচ্ বেগেজ ইত্যাদি পাৰ হৈ ওলাই আহি দেখো এগৰাকী ভদ্ৰ মহিলাই ধীৰুৰ ফালে চাই হাত বাউলি দিছে।

"তোমালৈ হাত বাউলি দিছে নেকি মহিলা গৰাকীয়ে।"

"অ' হয় নিৰুপমা চৌধুৰী। তেওঁ আকৌ এয়াৰ পোৰ্টলৈ আহিলে কিয় ?"

যিয়েই নহওক ভালেই হ'ল। আমাৰ ইজনৰ সিজনৰ লগত পৰিচয়ৰ পৰ্ব শেষ হ'ল। নিৰুপমাৰ জাপানী টয়টা গাড়ী। বেচ ডাঙৰ। আমাৰ বস্তু-বাহানি বেছিও নাই। আমি আৰামত তিনিজন বহিলো। মই পিছৰ চিটত আৰু তেওঁলোক দুয়ো আগত।

আমি আবেলি চাৰিমান বজাত পাইছিলো। লণ্ডনৰ বতৰ গেলা। বৰষুণ। আন্ধাৰ আন্ধাৰ ভাব। গাড়ীৰ সচৰাচৰ ভিৰ। নিৰুপমাই ভালেই গাড়ী চলাইছে।

"তুমি নিউকেচল কেতিয়া পাবগৈ লাগে ?" নিৰুপমাই সুধিলে। "মই দুদিন ইয়াত থাকি যামগৈ।"

"আজি মোৰ ফ্লেটতে খাবা দুয়ো ব'লা।" কোনো ৰকমৰ সঙ্কোচ নাই। মানুহজনীয়ে কথা-বতৰা বৰ ভাল কয়। আৰু মৰমিয়াল যেন লাগিল।

"তুমি আকৌ ৰন্ধা বঢ়া কৰিব লাগিব নহয়।"

"নালাগে। মই তিনিদিনমানৰ কাৰণে মাছ মাংস ৰান্ধি থৈছো। ভাতখিনি বহালেই হ'ব।"

"সেইটো তোমাৰ কথা। নিজৰ বিপদ নিজে মাতি আনিছা।" ধীৰুৱে হাঁহি ক'লে।

ইষ্ট লণ্ডনৰ কুইনমেৰী হস্পিতেলত ধীৰুভাই আৰু নিৰুপমা চৌধুৰীয়ে কাম কৰে। নিৰুপমাই পেথলজী কৰে আৰু ধীৰুভাই মেডিচিনৰ মানুহ। তেওঁ এম আৰ্ চিপি পাছ কৰাৰ মানস।

খোৱাবোৱা ভালেই হ'ল ।

"তুমিচোন ভাল ৰান্ধিব জানা ।" মই ক'লো ।

"অকল ভাল ৰন্ধাই নহয় খাবলৈও ভাল পায়" ধীৰুৱে মাত লগালে ।

"তোমাক তেনে আলহী হিচাপে ৰখাই টান হ'ব নিৰুপমা – বহুত খৰচ আৰু লগতে কষ্ট হ'ব ।"

"যি হয় হওক । মই যামেই তোমাৰ তালৈ । হয় নিজে ৰান্ধি খুৱাবা নহ'লে ভাল ডাঙৰ ৰেষ্টুৰেন্টত ।"

দুটা দিন তেওঁলোকৰ লগত ভালেই গ'ল । মোৰ কিতাপ পত্ৰ কিনি আৰু অন্যান্য কাম কৰি মই মোৰ নিজৰ ঠাইলৈ ট্ৰেইনেৰে ওলালো । আকৌ সেই হস্পিতেলৰ দৈনন্দিন কাম আৰম্ভ হ'ব । ছুটীৰ দিনকেইটা কেনেকৈ শেষ হ'ল ধৰিবই নোৱাৰিলো । মোৰ ক্ষেত্ৰত এইটো সদায়েই হয় ।

এদিন দেওবাৰে পুৱা ৮ মান বজাত ধীৰুভাই পেটেলৰ ফোন । "কেনে আছা, খা-খবৰেই নাইছোন ।"

"ভালেই । এই কেদিনতে ফোন কৰিম বুলি ভাবিছিলো । তোমাৰ ভালতো ? নিৰুপমাৰ খবৰ কি ?"

"আমি ইয়াত সকলো ভালে আছো । তুমি সুবিধা কৰি এবাৰ আহিবাচোন । অ' এটা ভাল খবৰ আছে । বব পৰীক্ষাত শ্ৰেণীত ফাৰ্ষ্ট হৈছে আৰু এইবাৰ ক্লাচৰ কেপ্টেইন নিৰ্বাচিত হৈছে । প্ৰমীলাৰ চিঠি পাইছো যোৱাকালি ।"

"কংগ্ৰেচুলেচনচ্ ! আমি চেলেব্ৰেট কৰিব লাগিব ।"

"নিশ্চয় নিশ্চয় । মই আৰু নিৰুপমা আজি ওচৰৰে ৰেষ্টুৰেন্টত খাবলৈ ওলাই যাম ।"

"তেন্তে ময়ো অকলশৰে চাওঁ বাৰু কাৰোবাৰ লগ পাওঁ যদি – কিবা এটা কৰিব লাগিব । মোৰ কংগ্ৰেছুলেচনচ্ জনাবা কিন্তু দেই । নাপাহৰিবা ।"

ভাল লাগিল খবৰটো পাই আৰু ভাল লাগিল ধীৰুভাইৰ নিজৰ পুত্ৰ-স্ত্ৰীৰ প্ৰতি উৎকণ্ঠাখিনি দেখি । প্ৰমীলা আৰু ববৰ প্ৰতি ধীৰুভাইৰ মৰমখিনি সঁচা । সেই কাৰণেই সিহঁত তেওঁৰ চিন্তাৰো কাৰণ ।

লণ্ডনত থাকোতে ধীৰু আৰু মই এদিন সন্ধিয়া ওলাই গৈ ওচৰৰে পাৰ্ক এখনত বহিলোঁগৈ । বাহিৰত আন্ধাৰ আৰু অসম্ভৱ ঠাণ্ডা বতাহ । যেন ওলোটায়ে লৈ যাব । এই ঠাইখনৰ বতৰটো যদি ভগৱানে কিবা উপায়ে ভাল কৰি দিলেহেঁতেন ।

পাবৰ চেলুনবাৰত সোমাই এচুকত দুয়ো বহি পৰিলো একোটা হুইস্কি লৈ । পাবখন ধীৰুভাইৰ অতি চিনাকি আৰু তাত তেতিয়া বহি থকা কেইবাজনকো তেওঁ "হেলো" ইত্যাদি ক'লে ।

আমি ইটো সিটো কথা পাগুলিবলৈ আৰম্ভ কৰিলো ।

"এই নিৰুপমা মানুহজনী বৰ ভালদেই" ধীৰুৱে ক'লে । "মইও গম পাইছো । মোৰো ভাল লাগিছে তেওঁক" বেচ অকলশৰে জীৱনটো কটাই দিছে । লগ বুলিবলৈ ময়েই কিন্তু মোৰো লিমিটেচনচ্ বহুত ।

"তেৰোঁ ইয়াত বসবাস কৰাৰ কথা ভাবিছে নেকি ?"

"ঠিক নাজানো । মাইকী মানুহৰ মনৰ কথা কোৱা টান । সেই বিষয়ে সঠিক একো নকয় । হয়তো নাজানেই ।"

"ইমান ধুনীয়া ছোৱালীজনী ইমান দুৰ্ভগীয়াও ।"

"ভগৱানে অঙ্ক ভাবিচিন্তিয়েই কৰে । আমি তাৰ কি ওৰ পাম ।"

ধীৰুৱে আৰু হুইস্কিৰ অৰ্ডাৰ দিলে । "আজি পৰ্ক্‌চপ আছে ডিনাৰত । মই কিচেনত সুধি আহিছিলো । মই বৰ ভাল পাওঁ ।

"এই বেয়া বস্তুবোৰ মোৰো প্ৰেয় । কোনোবা দিনা ইয়াৰ মজা পাম !" দুয়ো হাঁহিলো ।

"তোমাৰ লগত বন্ধুত্ব আৰু গভীৰ হোৱাৰ সম্ভাৱনা নাইতো । চৰি – মই হঠাতে কি প্ৰশ্ন কৰিলো ।"

"নহয় – ঠিকেই আছে । তোমাৰ দৰে হয়তো বহুতেই এই প্ৰশ্ন কৰিব খোজে । কিন্তু নকৰে । কোনোবা কোনোবাই কেতিয়াবা কেৰাহিকৈ চায় । চাহাব ল'ৰা-ছোৱালীবোৰে কেতিয়াবা এনেই ধেমালি কৰে ।"

"কেতিয়াবা প্ৰমীলাই জানিলে বেয়া নেপায়তো ।"

"আমাৰ সম্বন্ধত বেয়া কথা একো নাই । প্ৰমীলাই নিজে দেখিলে লগ পালে একো বেয়া পাব নোৱাৰে ।"

"কেতিয়াবা নিৰুপমাৰ কথা প্ৰমীলাক কৈছানে নাই ?"

ধীৰুভাই পেটেল অলপ থমকি ৰ'ল ।

"কৈছোও – নাই কোৱাও । মানে নিৰুপমাৰ কথা উল্লেখ কৰিছো । কিন্তু বন্ধুত্বৰ কথা বহলাই কোৱা নাই ।"

"মই জানো এই বন্ধুত্বই প্ৰমীলা আৰু মোৰ সম্বন্ধ নষ্ট নকৰে ।"

"মই বিশ্বাস কৰো তোমাৰ কথা । কিন্তু মই প্ৰমীলাক কেতিয়াও লগ পোৱা নাই । তাৰোপৰি আমাৰ মানুহহে যি কোনোবাই কেতিয়া বেয়াকৈ উলিয়াব পাৰে । তাৰ বাবে সাৱধান থকা উচিত ।

"তুমি ঠিকেই কৈছা । মই এই কথাবোৰ ইমান চিৰিয়াচলি ভবা নাই ।"

"বাদ দিয়া এইবোৰ কথা ।"

আমি আৰু একোটাকৈ হুইস্কি খাই ডিনাৰলৈ গুচি আহিলো ।

প্ৰমীলাক নিৰুপমালৈ ধীৰুভাইৰ লগত সেইদিনা হঠাতে এইখিনি আলোচনা হ'ল । মই ইচ্ছা কৰি একো আলোচনাত সোমোৱা নাছিলো । ধীৰুৱেই হঠাতে কথাখিনি কৈ পেলালে । ভালেই কৰিলে । ধীৰু আৰু মোৰ সম্বন্ধ আৰু বন্ধুত্বখিনি আৰু সহজ হ'ল যেন লাগিল ।

ধীৰুভাই আৰু নিৰুপমা এক অতি সাধাৰণ ভাল লগা বন্ধু । যেনে মোৰ লগত । কেৱল তেওঁলোক ল'ৰা আৰু ছোৱালী । কিন্তু যথেষ্ট ডাঙৰ হৈ যোৱাৰ পিছত একেলগে কাম কৰি থকা অৱস্থাত এনেধৰণৰ বন্ধুত্ব হোৱা সম্ভৱ বুলি মই ভাবো বিশেষকৈ এই বিদেশত । কিন্তু সকলোৰে মত একে নহয় । নিৰুপমাৰ লগত মই কেতিয়াও এইবোৰ আলোচনা কৰা নাই ।

দিনকাল কোনোৰকমে কাটি গৈছে । সদায় এইদৰেই কাটি আহিছে যতেই নাথাকো লাগে । আৰু চাৰিমাহৰ পাছত পৰীক্ষা দিবৰ ঠিক কৰিছো ।

বাঘলৈ ভয় কৰি হাবিত ফুৰিব নোৱাৰি । বাঘ ওলালেও তাৰ সন্মুখীন হ'ব লাগিব । সেইখিনি সাহস থাকিব লাগিব । এতিয়া মোৰ জীৱনত প্ৰথম কাম হ'ল আগন্তুক পৰীক্ষাটো । ইয়াৰ পৰা পলাই হাত সাৰিবৰ চেষ্টা কৰি লাভ নাই । ইয়াক সাহসেৰে সন্মুখীন হৈ যুঁজবাগৰ কৰিবই লাগিব ।

ধীৰুভাইৰ পৰা অলপতে চিঠি এখন পালো । সিও পৰীক্ষা দিবৰ মানস কৰিছে প্ৰায় মোৰ লগতে । তাৰ বিষয় বেলেগ । "এইদৰে কাম কৰি থাকি লাভ নাই । খুন্দা এটা মাৰিবই লাগিল । পাছেই কৰো বা ফেলেই কৰো ।"

আৰু এটা কথা লিখিছে প্ৰমীলা তাৰ ওচৰলৈ আহিব খুজিছে কিছুদিনৰ বাবে । প্ৰমীলাই ভাবে তেওঁ ওচৰত থাকিলে হয়তো ধীৰুৰ পঢ়াশুনা পৰীক্ষা দিয়া ইত্যাদিত সহায় হ'ব । ধীৰুৱে পৰীক্ষা বহুত আগতেই দিব লাগিছিল কিন্তু ভয়তেই দিয়া নাই বুলি জানো । সেই কথাটো হয়তো প্ৰমীলাই কিবা উপায়ে গম পাইছে । খবৰ দিয়া মানুহৰনো আমাৰ কি অভাৱ ?



প্ৰমীলাক মই কেতিয়াও লগ পোৱা নাই । কিন্তু তেওঁৰ সিদ্ধান্তৰ শলাগ ল'লো । জীৱনৰ নানা পৰিস্থিতিয়ে বহুত সময়ত মানুহৰ জীৱনত নানা সালসলনি আনি দিয়ে । অনিচ্ছা সত্বেও নানা অভাৱনীয় কাম হৈ যায় যাৰ বাবে মানুহে বহুত সময়ত অনুতাপ কৰে ।

যদি প্ৰমীলাই ধীৰুক জীৱনত থিয় হ'বলৈ সহায় কৰিব পাৰে – আৰু যদি পাৰিম বুলি ভাবিছে সেইখিনি সুযোগ তেওঁ পোৱা উচিত ।

মই ধীৰুভাইলৈ ফোন কৰিলো । "তুমি প্ৰমীলাক সোনকালে লৈ আহা ।"

"মই ভাবিছো ।"

"বেছি নাভাবিবা । ভুল হ'ব পাৰে । তেওঁ ভাল সিদ্ধান্তই লৈছে ।"

"মোৰ পঢ়াশুনাত অসুবিধা নহ'বতো ।

"সহায়হে হ'ব । তুমি পিছত গম পাবা বন্ধু । প্ৰমীলাক আহিবলৈ দিয়া আৰু যদি পাৰে ববকো লৈ আহক লগত ।"

পৰীক্ষা মোৰো বেয়া হ'ল । ধীৰুৰো বেয়া হ'ল । কি কৰা যায় । উপায় নাই । আকৌ দিব লাগিব । ঘৰলৈ কথাটো নিলিখিলো । লিখি লাভ কি । জীৱনৰ যিমানখিনি বোজা নিজে ল'ব পাৰি ল'ব লাগে । মই বিশ্বাস কৰো । আনক দি বিশেষ লাভ নাই । মাত্ৰ তেওঁলোকক কষ্ট দিয়াহে হয় ।

এদিন ধীৰুভাইৰ ফোন "ভাই পৰীক্ষা যি হ'ল হ'ল । তাৰ কাৰণে চিন্তা কৰি থাকি লাভ নাই । পৰীক্ষা আহি থাকিব আমিও দি থাকিম । কি কোৱা । আমি ভাবিছো দুদিনমানৰ বাবে তোমাৰ সেইফালে ফুৰিবলৈ যাওঁ । প্ৰমীলাই দেশখন দেখাই নাই ভালদৰে ।"

মই ততালিকে মান্তি হ'লো । যেতিয়াই পাৰে আহিবলৈ ক'লো কেৱল পিছৰ শনি-ৰবিবাৰ বাদ দি ।

প্ৰমীলাক লগ পাই ভাল পালো । অলপতে কম বয়সতে বিয়া হোৱা ছোৱালী । বিএ পাছ্ পৰিছে । মেমনী ছোৱালী নাইবা আমাৰ আধুনিক ছোৱালীৰ দৰে বৰ লিপষ্টিক আৰু গালত ৰঙ ঘহা ছোৱালী নহয় । মাত্ৰ সাধাৰণ মেক আপ আৰু এটা ধুনীয়া খোপা । তেওঁৰ বৰ ধুনীয়া চেলাউৰি । আজিকালিৰ নিজৰ চেলাউৰি কাটি ক'লা পেঞ্চিলৰ ডাগ নহয় ! মই এই বস্তুটো বৰ বেয়া দেখো । কিন্তু আজিকালি ইমান চলে ইয়াক বেয়া বোলাই টান ।

কথাই বতৰাই প্ৰমীলা বৰ ভাল । সুবিধা পালেই হাঁহি এটা মাৰে ।

"তোমাৰ কথা বহুত শুনিছো ধীৰুৰ পৰা ।"

"নিশ্চয় মোক দেখি এতিয়া হতাশ হোৱা নাই ।"

"হতাশ হোৱাতো বাদেই দিয়া অলপ বেছিহে ভাল দেখিছো ।" আমি সকলোৱে হাঁহিলো ।

কিছুদূৰৰ লেক এটাৰ পাৰতে অৱস্থিত এখন ৰেষ্টোৰাঁত তেওঁলোকক খাবলৈ লৈ গ'লো । প্ৰমীলাই ববক আইতাকহঁতৰ লগত থৈ আহিছে । মনত কষ্ট হৈছে যদিও সদায় পাই অহা কষ্টৰ মিয়াদ কমাবৰ বাবেই – মানে ধীৰুভাইক সোনকালে পঢ়াশুনা সাং কৰি ঘৰলৈ ঘূৰাই নিবলৈ ইয়ালৈ অহাৰ সিদ্ধান্তটো ল'লে ।

"তোমাৰ কেনে লাগিছে ইয়াত ?"

"ভালেই । ধীৰু অনবৰত কামত ব্যস্ত থাকে । অকলশৰীয়া অনুভৱ কৰো মাজে মাজে ।"

"নিৰুপমাক লগ পোৱা নাই জানো ? তেওঁ বৰ ভাল ।"



ধীৰুৱে মাত লগালে "নিৰুপমাও কম ব্যস্ত নহয় । মই সেই কাৰণে প্ৰমীলাক ওচৰে পাঁজৰে অকলে ফুৰিবলৈ কওঁ । প্ৰমীলা মনে মনে থাকিল ।

"অলপতে নিৰুপমাই ফোন কৰিছিল মোলৈ । তেওঁ বোলে পঢ়া সংক্ৰান্তত কিবা কামত এডিনবৰালৈ যায় । ঘূৰি যাওঁতে মোৰ ইয়াত এদিন থাকি যাব খুজিছে । মই আহিবলৈ কৈছো ।"

"তেওঁ কুইনমেৰী হস্পিতেল এৰি আন ঠাইলৈ যাব খুজিছে ।"

"তোমালোক দুয়ো ইমান বন্ধু ইজনে সিজনক এৰি থাকিব পাৰিবা জানো" – প্ৰমীলাই হঠাতে কৈ পেলালে ।

মই বৰ অপ্ৰস্তুত হ'লো । সৰুকৈ কাহ এটা মাৰিলো আৰু ক'লো "ধীৰুভাইৰ সকলোৰে লগত তেনে বন্ধুত্ব । সেইবুলি সকলোকে লগত লৈ ফুৰিবনে ?" ধীৰু মনে মনে থাকিল । আৰু ৫

এটা বিয়েৰ অৰ্ডাৰ দিলে। ইতিমধ্যে ধীৰুভাইয়ে দুই পইন্ট্ বিয়েৰ খাইছেই।

নিউকেচল্‌ৰ ওচৰৰ দুই এজন বন্ধুক লগ পাই অলপ ফুৰাচকা কৰি ধীৰু আৰু প্ৰমীলা দুদিনৰ পিছত গ'লগৈ।

মোৰ মনত হ'ল তেওঁলোক দুজনৰ ভিতৰত ইতিমধ্যে নিৰুপমাৰ কথা আলোচনা হৈছে। ধীৰুৱে কেতিয়াও মোক কোৱা নাই। সুযোগ আৰু আৱশ্যক দুয়োটাই হয়তো হোৱা নাই। এইবোৰ কথালৈ স্বামী-স্ত্ৰীৰ মনোমালিন্য হোৱা স্বাভাৱিক। কিন্তু আচলতে বোধকৰো সিমান বেয়া পাব লগীয়া বা সন্দেহ কৰিব পৰা একো নাই। অন্ততঃ মই জনামতে।

হঠাতে এদিন নিৰুপমা আহি ওলালহি। কেইদিনমানৰ আগতে অৱশ্যে এডিনবৰাৰ পৰা ফোন কৰিছিল। নিৰুপমাই ধুনীয়া কাপোৰ কানি পিন্ধে। বড়িয়া প্ৰিন্টৰ এখন শাৰী পিন্ধি আহি আমাৰ ডক্তৰৰ লাউঞ্জত সোমাই মোৰ খবৰ ল'লে। প্ৰায় সকলোৱে তেওঁলৈ ঘূৰি চালে। সেই ধৰণেৰেই তেওঁৰ চেহেৰা, এজনে মোৰ ওচৰলৈ লৈ গ'ল। মই ফ্লেটত কিবা এটা চাই আছিলো।

"বাঃ তুমিতো ষ্টেচনৰ পৰা ফোন এটা কৰিব পাৰা।"

"মই তোমাৰ নিচিনা সৰু হৈ থকা নাই নহয়।"

আমাৰ নাচৰ্চ হোষ্টেলতে নিৰুপমাৰ কাৰণে ৰুম এটা ঠিক কৰি দিলো। সেইদিনা বহুত ৰাতিলৈ মোৰ ফ্লেটতে কথা পাতিলো। বহুত কথা। নিজৰ জীৱনৰ ভালেমান কথা ক'লে। নিজৰ ভৱিষ্যত জীৱনটো কেনেকৈ কটাব তাৰে সিদ্ধান্ত কৰিব পৰা নাই।

"ঘৰলৈ ঘূৰি যাবৰ মন যায়। কিন্তু দেশত গৈ অশান্তিহে হ'ব যেন লাগে।"

"মই ভাবো তুমি আকৌ বিয়া কৰাই লোৱা।"

নিৰুপমাই হাঁহিলে "ভাল বুদ্ধিটো দিছা।"

"মই ভাল কথাই কৈছো। ভালদৰে ভাবি চাবা। এই দেশতেই থাকা যদি ভাল পাইছা।"

"তুমি হয়তো নাজানা মোৰ লগত ধীৰুৰ এই সাধাৰণ বন্ধুত্বখিনি প্ৰমীলাই ভালপোৱা নাই, মই দুখ পাইছো সঁচাকৈ।"

আমি দুয়ো মনে মনে থাকিলো কিছুপৰ।

"মই ধীৰুৰ লগত বেছি দেখা সাক্ষাৎ নকৰো আজিকালি। আঁতৰি থকাই ভাল।"

"তুমি হয়তো ঠিকেই কৈছা। ভুল বুজাবুজিৰ পৰা আঁতৰি থকাই ভাল এনে কথাত।"

এইবাৰ মই পৰীক্ষা পাছ কৰিলো। জীৱনত যাহওক খুঁটি পোতা হ'ল। এইবাৰ আৰু হঠাতে তললৈ বাগৰিবৰ ভয় নাই। কিন্তু ওপৰলৈ যাবলৈ বহুত সুবিধা। এটা অদ্ভুত অনুভৱ।

ধীৰুৰ ৰিজাল্টও একে লগেই ওলাব। তাৰ ফোনৰ বাবে বাট চালো। নাই। নিশ্চয় বেয়া হৈছে। বেয়া লাগিল। এইটোৱেই এটা ডাঙৰ সমস্যা তাতে ওলাইছে পাৰিবাৰিক জীৱনৰ অন্যান্য লক্ষণে।

এদিন তাক লগ ধৰিলোগৈ। সি মোক কংগ্ৰেছুলেচনচ জনালে। "মোৰ কপালত কি আছে নাজানো।"

মই যিমান পাৰো বুজালো। চেষ্টা কৰিবই লাগিব। হতাশ হৈ একো লাভ নাই।

"নিৰুপমাইও মোক কৈছে পজিটিভ থিংকিংঅৰ কথা। নহ'লে উপায় নাই। তাই পাছ কৰি গ'ল জানা।"

"মই জানো। মোক ফোনত খবৰ দিছিল। মই তাইকো লগ ধৰিব লাগে।"

ঘৰৰ পৰা চিঠি পালো সোনকালে ঘূৰি আহিব লাগে। মোৰ নিজৰো ইচ্ছা। কিমান দিন বাহিৰত থাকিম আৰু। দুমাহ মান অলপ ফুৰি চাকি ঘূৰি আহিলো। প্ৰমীলা ইতিমধ্যে ঘৰলৈ ঘূৰি আহিল। ল'ৰাৰ মাজে সময়ে অসুখ আৰু নিজৰ মানসিক অশান্তি।

দুই এজন ইংৰাজ বন্ধু, লগতে ধীৰুভাই আৰু নিৰুপমাই মোক এয়াৰপোৰ্টত থৈ গ'লহি। জীৱনত এটা নতুন অধ্যায় আৰম্ভ কৰিবলৈ ঘৰ মুখে যাত্ৰা কৰিলো।

"ধীৰু তুমি আশা এৰি নিদিবা। অহাবাৰলৈ তুমি পাছ কৰি যাবা। নিৰুপমা ধীৰুৰ খবৰ ৰাখিবা দেই।"

"চিঠি দিবা আৰু আকৌ আহিবা। আমি তোমালৈ আশা কৰি থাকিম" – সকলোৰে একে কথা।

ঘৰ পাই ধীৰুৰ লগত নিয়মিত ভাবে চিঠিৰ আদান-প্ৰদান চলিল। সি এমাহ ডেৰমাহত এখন চিঠি দিয়েই। খুব কম কথা। তথাপি লিখে।

ইয়াৰ পিছতে মই গোৱালৈ ফুৰিবলৈ ওলালোগৈ। ঘৰৰ সকলোকে লগ পালো কিন্তু প্ৰমীলা নাই। তেওঁ পুনাত।

ডাঙৰ ককায়েক বৌৱেকে মোৰ লগত এদিন ধীৰু সম্পৰ্কে বহুত কথা পাতিলে। বিশেষকৈ ধীৰু প্ৰমীলাৰ মনোমালিন্য আৰু নিৰুপমা চৌধুৰীৰ কথা। তেওঁলোকৰ কথাৰ পৰা বুজা গ'ল ধীৰু আৰু প্ৰমীলাৰ সম্বন্ধ ভালতকৈ বেয়াৰ ফাললৈহে ঢাল লৈছে। তাতে দুই এজন সম্বন্ধীয়া মানুহে তাত ইন্ধনহে যোগাইছে নানা কথা কৈ। মোৰ মতামত মই জনালো।

ধীৰুভাইয়ে আৰু কেইবাবাৰো ফেইল কৰিলে। প্ৰমীলাক কোনো কথাই বুজাব পৰা নাই এতিয়ালৈকে। ইয়াৰ ভিতৰতে আৰু এবাৰ ঘৰৰ পৰা ঘূৰি আহিলগৈ। প্ৰমীলাৰ লগতো বহুত কথা পাতিলে।

মোলৈ লিখিলে – মই পাছ নকৰাকৈ নাযাওঁ বুলি ঠিক কৰিছো। যিয়েই নহওক লাগে। প্ৰমীলাক ইয়ালৈ মাতিছো ববক লগত লৈ। কিন্তু মান্তি নহয়। তেওঁ মোক ভুল বুজিছে। ময়ো আৰু লিখিবলৈ এৰি দিছো। তুমি যদি পাৰা চিঠি এখন দিবা।"

দিওঁ নিদিওঁ ভাবি শেষত মই এখন দীঘল চিঠি দিলো। কিন্তু উত্তৰ নাপালো।

ধীৰুৰ কেইমাহমান খবৰ নাই। হঠাতে এখন টেলিগ্ৰাম। "ধীৰুৱে পৰীক্ষা পাছ কৰিলে। মোক অকলে হ'লেও চেলেব্ৰেট কৰিবলৈ কৈছে।" মই কিমান আনন্দ পালো সেইটো ইয়াত লিখি বুজাব নোৱাৰো। লগে লগেই কংগ্ৰেছুলেচনচ জনাই টেলিগ্ৰাম দিলো। লগতে এখন টেলিগ্ৰাম দিলো নিৰুপমালৈও। সিহঁত চাগে এতিয়া স্বৰ্গতহে আছেগৈ। বৰ ভাল খবৰ সঁচাকৈ। সেইদিনা গধূলি দুই এজন বন্ধুক মাতি এটা সৰু সুৰা পাৰ্টি দিলো। যেন মইহে পৰীক্ষা পাছ কৰিছো।

দুদিন পাছত আৰু এখন টেলিগ্ৰাম সন্ধিয়া সময়ত আহিল। এইখন নিৰুপমাৰ পৰা। আজি ৰাতিপুৱা খুব জোৰেৰে গাড়ী চলাই আহোতে গাড়ী স্কিদ কৰি ধীৰুভাইৰ লগে লগে মৃত্যু হ'ল।

এইবোৰ খবৰ মাৰগাঁৱৰ ঘৰত ককায়েক বৌৱেক হঁতে আৰু পুনাত থকা প্ৰমীলাইও পালে।

প্ৰায় দুই এদিন পিছত প্ৰমীলাই চিঠি এখনো পালে – "তুমি মোক এনেই ভুল বুজিলা। নিৰুপমাৰ লগত মোৰ বন্ধুত্ব অতি সাধাৰণ। মই ইয়াত যিদৰে অকলশৰীয়া তাইও মোৰ দৰেই অকলশৰীয়া। বন্ধুত্বৰ মূল কাৰণ এয়েই। কিন্তু স্ত্ৰী হিচাপে তোমাৰ বাহিৰে মই কাৰো কথা কেতিয়াও ভবা নাই। তোমাক আৰু ববক মই সদায়েই ভাল পাই আহিছো। – ধীৰু ভাই। ■




প্ৰবন্ধ

# হাৰমান মেলভিলৰ "মবি ডিক"

কাব্যশ্ৰী মহন্ত

[ হাৰমান মেলভিল উনবিংশ শতিকাৰ আমেৰিকান সাহিত্য জগতৰ বিশিষ্ট ঔপন্যাসিক। অভিনৱ অভিজ্ঞতা আৰু ভাবতৰংগেৰে সৃষ্ট তেওঁৰ কাহিনী আৰু চৰিত্ৰসমূহৰ সমাদৰ বিশ্বৰ সমালোচনা জগতত প্ৰচুৰ। ভিন ভিন সমালোচকে ভিন ভিন ধৰণে তেওঁৰ লেখাৰ তাত্ত্বিক আৰু আধ্যাত্মিক ব্যাখ্যা আগবঢ়াবলৈ চেষ্টা চলাইছে। অসমীয়া সাহিত্যত এইজনা লেখকৰ ওপৰত সমালোচকৰ দৃষ্টিপাত তেনেদৰে চকুত পৰা নাই। এই নিবন্ধত তেওঁৰ আটাইতকৈ সমাদৃত উপন্যাস "মবি ডিক"ৰ এটি সম্যক ব্যাখ্যা আগবঢ়াবলৈ বিনম্ৰ প্ৰয়াস কৰা হ'ল। যদিহে, উপযুক্ত সমল ইত্যাদিৰ অভাৱত সেই চেষ্টাত সফল হ'ব নোৱাৰি পাঠকক অযথা বিমোৰত পেলাব লগা হৈছে, তেন্তে লেখিকাৰ সীমিত অধ্যয়ন আৰু আশীষ অভিলাষী প্ৰচেষ্টাক সহৃদয় পাঠকে ক্ষমাৰ দৃষ্টিৰে চাব বুলি আশা ৰাখিলো। ] – কাব্যশ্ৰী ঃ

উনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাই আমেৰিকান সাহিত্যিক সকলে ইংৰাজ সাহিত্যিক সকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। প্ৰায়ক্ষেত্ৰতে অৱশ্যে তেওঁলোক প্ৰশংসাতকৈ তীক্ষ্ণ ভাষাৰ সমালোচনাৰহে মুখামুখি হৈছিল। উইলিয়াম কিউলেন ব্ৰাইয়াণ্টৰ "থেনাটপছিছ" নামৰ কবিতা পঢ়ি এজন ইংৰাজ সমালোচক মুগ্ধ হৈ পিছত এইবুলি মন্তব্য কৰিছিল যে সেই কবিতা এজন আমেৰিকান কবিৰ ৰচনা বুলি জানি তেওঁ আচৰিত হৈছে।

উনবিংশ শতিকাৰ আমেৰিকান সাহিত্যৰ সবাতোকৈ উল্লেখযোগ্য দিশ আছিল এয়ে যে ইয়াৰ ওপৰত পিউৰিটান আৰু ৰোমাণ্টিক চেতনা দুয়োটোৰে প্ৰভাৱ একেসময়তে পৰিলক্ষিত হৈছিল। ধৰ্মৰ প্ৰভাৱ থকা সত্ত্বেও পূৰ্বৰ ধৰ্মীয় ঐতিহ্যৰ লগত একপ্ৰকাৰৰ বিচ্ছিন্নতা, লগতে মুক্ত, পাৰ্থিৱ জীৱনৰ প্ৰতি একপ্ৰকাৰ উদ্দাম আসক্তিয়ে এই সময়ৰ ৰচনাসমূহত ধৰা দিছিল। আমেৰিকান সাহিত্যৰ প্ৰথম অৱস্থাৰ বিশিষ্ট কবি, গদ্যকাৰ ৰালফ্ ওৱাল্ডু ইমাৰছনৰ নেতৃত্বত গঢ় লৈ উঠা ট্ৰেনচেনডেণ্টেলিষ্ট আন্দোলনৰ প্ৰভাৱো এই ঔপন্যাসিকসকলৰ ৰচনাত স্পষ্ট আছিল। ট্ৰেনচেনডেণ্টেলিষ্টসকলে ব্যক্তি স্বাধীনতা আৰু সাংস্কৃতিক ক্ষেত্ৰত মুক্ত বাতাবৰণৰ পৃষ্ঠপোষকতা কৰিছিল। সকলো ধৰণৰ সংস্কাৰাচ্ছন্নতা বা সামাজিক বাধ্যবাধকতাৰ পৰা মুক্ত এক স্বতন্ত্ৰ চেতনাসম্পন্ন এই সাহিত্যিকসকলে পিছৰ যুগৰ সাহিত্যিকসকলৰ বাবে এক শক্তিশালী পৰিমণ্ডলৰ সৃষ্টি কৰি গৈছিল। আনকি প্ৰকৃতি সম্পৰ্কেও তেওঁলোকৰ দৃষ্টিভঙ্গী আছিল স্বতন্ত্ৰ। ৰোমাণ্টিক ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হ'লেও ইমাৰছন আৰু তেওঁৰ অনুগামীসকলৰ প্ৰকৃতিদৰ্শন ইংৰাজ ৰমন্যাসিক কবিসকলতকৈ বেলেগ আছিল। উজ্জ্বল, মুক্ত প্ৰকৃতি মানুহৰ বৌদ্ধিক শক্তিৰ উৎস, এই কথা স্বীকাৰ কৰি ল'লেও বহুক্ষেত্ৰত প্ৰকৃতি তেওঁলোকৰ বাবে হৈ পৰিছিল এক ৰহস্যময় প্ৰতিদ্বন্দ্বীস্বৰূপ।

উপন্যাসৰ ক্ষেত্ৰত আমেৰিকান সাহিত্যত জেমচ ফেনিমুৰ কুপাৰেই আছিল বাটকটীয়া। ১৭৮৯ খৃঃত জন্মগ্ৰহণ কৰা কুপাৰৰ ৰচনাসমূহত নান্দনিক সৌন্দৰ্যতকৈ লোমহৰ্ষক কাহিনীৰ প্ৰতিহে অধিক আসক্তি প্ৰকাশ পাইছিল। কিছুদূৰলৈকে পৰিশীলিত এক আঙ্গিকেৰে ওৱাছিংটন আৰডিঙে আমেৰিকান চুটি গল্পক তাৰ স্বকীয় বৈশিষ্ট্য প্ৰদান কৰিছিল। গদ্য সাহিত্যৰ ক্ষেত্ৰত এই সময়ৰ আমেৰিকাৰ আৰু দুজন বিশিষ্ট সাহিত্যিক আছিল নাথানিয়েল হৰ্থন আৰু হাৰমান মেলভিল।

এই কেউজন সাহিত্যিকেই আছিল এক দুৰ্দ্ধৰ্ষ ৰোমাণ্টিক ভাবধাৰাৰ অনুগামী আৰু তেওঁলোকৰ ৰচনাত সেয়ে পাপ, মৃত্যু আৰু অন্যান্য বহুতো ৰহস্যৰ লোমহৰ্ষক বৰ্ণনা পোৱা যায়। হৰ্থনৰ "স্কাৰলেট লেটাৰ" আৰু "দা হাউছ অব দা ছেভেন গেবলছ" নামৰ উপন্যাসত মানৱ চৰিত্ৰৰ জটিল বিশ্লেষণ পোৱা যায়। ধৰ্ম সংস্কাৰক জন কেলভিনৰ মতবাদত জন্মগত পাপৰ যি ধাৰণা, হৰ্থনৰ উপন্যাসসমূহত তাৰ প্ৰভাৱ দেখা যায়। যৎপৰোনাস্তি চেষ্টাৰ অন্ততো তেওঁৰ কলমৰ আগৰ পৰা চয়তানক আঁতৰ কৰি পঠাব পৰা নাই বুলি হৰ্থনে মতপ্ৰকাশ কৰিছিল। উপন্যাস ৰচনাৰ ক্ষেত্ৰত হৰ্থনৰ অনুগামী হাৰমান মেলভিলেও তেওঁৰ উপন্যাসসমূহত বৰ্ণিত তুমুল ঘটনাক্ৰমৰ মাজেদি মানুহৰ জীৱনৰ ওপৰত অসতৰ দুৰন্ত প্ৰভাৱকেই দেখুৱাইছিল!

১৮১৯ চনৰ আগষ্ট মাহৰ এক তাৰিখে নিউইয়ৰ্ক মহানগৰীত হাৰমান মেলভিলৰ জন্ম হয়। পিতৃ-মাতৃৰ ফালৰ পৰা তেওঁৰ গাত ইংৰাজ, ডাচ্চ আৰু স্কটিছ ৰক্তৰ সমাবেশ ঘটিছিল। সেইদৰে আধ্যাত্মিক চিন্তা-চৰ্চাৰ ফালৰপৰাও তেওঁ পিতৃ-মাতৃ উভয়ৰে দ্বাৰা প্ৰভাৱান্বিত হৈছিল। তেওঁৰ উপন্যাসসমূহত, যাইকৈ "মবি ডিক"ত প্ৰকাশ পোৱা মানুহৰ পাপপ্ৰৱণতাৰ ধাৰণাত কেলভিনৰ চিন্তাৰ প্ৰভাৱ দেখা যায়। সেয়া সম্ভৱ হৈ উঠিছিল পৰিয়ালৰ আধ্যাত্মিক পৰিমণ্ডলৰ বলতে।

পিতাকৰ মৃত্যুৰ পিছত আৰ্থিক অনাটনৰ মুখামুখি হৈ মেলভিলে নিতান্ত সৰু অৱস্থাতে জাহাজৰ "কেবিন বয়"ৰ চাকৰিত সোমায়। সেয়া যি আৰম্ভ হ'ল, তাৰ পাছত কেইবাবছৰো ধৰি প্ৰশান্ত মহাসাগৰৰ বিশাল বুকুত সমুদ্ৰ জীৱনৰ বিবিধ ৰোমাঞ্চকৰ অভিজ্ঞতাৰ তেওঁ সমুখীন হয়। ১৮৪৪ চনত নিউইয়ৰ্কলৈ ঘূৰি আহি তেওঁ সেই অভিজ্ঞতাসমূহৰ


কলাত্মক ৰূপ দিয়াত আত্মনিয়োগ কৰে। তেওঁৰ প্ৰথম উপন্যাস "টাইপি" আছিল স্মৃতিগাঁথা ৰোমান্স ইত্যাদিৰে ভৰপূৰ মাৰকুইজ দ্বীপপুঞ্জৰ নৰখাদকসকলৰ মাজত কটোৱা নায়কৰ জীৱনৰ শিহৰণকাৰী বৰ্ণনা। সমুদ্ৰ জীৱনৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি লিখা বাবেই বোধকৰো মেলভিলৰ প্ৰায়বোৰ উপন্যাসৰেই পটভূমি আছিল বিশাল আৰু চৰিত্ৰসমূহৰ অভিজ্ঞতা আছিল ব্যাপ্ত। "টাইপি" (Typee) প্ৰকাশ হৈ ওলোৱাৰ পিছত প্ৰায় একে আধাৰে ৰচনা কৰা "অমু" (Omoo), "মাৰ্ডি" (Mardi), "ৰেডবাৰ্ন" (Redburn), আৰু "হোৱাইট জেকেট" (White Jacket) এই আটাইকেউখন উপন্যাসেই ৰূপক, ব্যঙ্গ, ৰোমান্স আৰু ভ্ৰমণ অভিজ্ঞতাৰ বিচিত্ৰ আস্বাদেৰে ভৰা। কিন্তু "টাইপি"ৰ সমান জনপ্ৰিয়তা ইয়াৰ এখনেও অৰ্জন কৰিব পৰা নাছিল। পাঠকৰ মাজত তেওঁৰ সমাদৰ কমি অহা হেতুকেই বা অইন কিবা কাৰণতেই হওক, মেলভিল ইয়াৰ পিছত ক্ৰমান্বয়ে গতানুগতিক জীৱনৰ পৰা আঁতৰি আহিছিল।

"মবি ডিক" উপন্যাসখন ঘাইকৈ মেচাছুচেটছৰ পিটচ্‌ফিল্ড নামৰ ঠাইত ৰচনা কৰা। প্ৰথমৰ উপন্যাস কেইখনৰ নিচিনাকৈ এইখনো বাস্তৱ অভিজ্ঞতাক ভিত্তি কৰি ৰচনা কৰা। এই বহু পঠিত, বহু আলোচিত আৰু প্ৰচুৰ সমাদৃত উপন্যাসখনৰ বিশেষত্ব এয়েই যে ভিন্ন ৰুচিৰ পাঠকৰ বাবে ই ভিন্ন ধৰণৰ খোৰাক যোগাব পাৰে। বহুবোৰ সমালোচকে ইয়াক এখন ৰূপকধৰ্মী (allegorical) বুলি ক'ব খুজিলেও লেখকে নিজেই তেনে এক ব্যাখ্যাক অস্বীকাৰ কৰিছে। উপন্যাসৰ এঠাইত মেলভিলে কাহিনীৰ বক্তা ইছমাইলৰ মুখেদি কোৱাইছে – "So ignorant are most landsmen of some of the plainest and most palpable wonders of the world, that without some hints touching the plain facts of the fishery they might scout at "Moby Dick" as a monstrous fable, or still worse and more detestable, a hideous and intolerable allegory."

উপন্যাসখনৰ মূল উপজীৱ্য হৈছে সাগৰৰ বুকুত তিমি মাছ চিকাৰৰ বৈচিত্ৰ্যপূৰ্ণ অভিজ্ঞতাৰ চাক্ষুষ বৰ্ণনা। পাঠকে যাতে মবি ডিকৰ দৰে বিৰাটাকাৰ সাগৰীয় প্ৰাণীৰ বাস্তৱ অৱস্থিতিক স্বীকাৰ কৰি লয়, তাৰ বাবে মেলভিল সম্পূৰ্ণ সজাগ আছিল। তিমি মাছ চিকাৰৰ সৰু-সুৰা খুটিনাতিৰ বৰ্ণনাৰ মাজেদি মেলভিলে এই কথা স্পষ্ট কৰি দিছে যে মবি ডিক বা তাৰ সগোত্ৰীয়সকল কোনো কাল্পনিক বা ৰূপকথাৰ চৰিত্ৰ নহয়, বৰঞ্চ ৰক্ত-মাংসজাত প্ৰাণী, মাত্ৰ অকল্পনীয় শাৰীৰিক শক্তি আৰু চলন-ফুৰণৰ ওপৰত ভিত্তি কৰি সিহঁতৰ ওপৰত গুৰুত্ব আৰোপ কৰিব পাৰি। উপন্যাসৰ কাহিনীৰ বক্তা ইছমাইলৰ যোগেদি মেলভিলে নিজৰ উপস্থিতি সম্পৰ্কে পাঠকক সজাগ কৰি ৰাখিছে। মবি ডিক বা White Whak নামৰ বিৰাটাকায় তিমি মাছটোৱে আগৰ এটা সমুদ্ৰ যাত্ৰাত কেপ্তেইন আহাবৰ এটা ভৰি ছিঙি নিছিল। এই যাত্ৰাত সেয়ে আহাবৰ উদ্দেশ্য হ'ল মবি ডিকৰ বাসস্থান বিচাৰি উলিয়াই সেই আক্ৰমণৰ প্ৰতিশোধ লোৱা। সেই প্ৰতিশোধস্পৃহাৰ তাড়নাত এহাতেদি তেওঁ যেনেকৈ জাহাজৰ বাকী গোটেই দলটোৰ পৰা মূল উদ্দেশ্যৰ কথা গোপন কৰি চলাহী কথাৰে ভুলাই মহাসাগৰৰ বুকুত দিনৰ পিছত দিন ঘূৰাই ফুৰাইছিল, অন্যহাতেদি নিজৰ মনৰ ভিতৰত সেই প্ৰতিশোধস্পৃহাক জীপ দিয়াবৰ বাবেই তেওঁৰ প্ৰতিদ্বন্দ্বী মবি ডিকক পৃথিৱীৰ সকলো অসৎ শক্তিৰ প্ৰতিভূ হিচাপে গণ্য কৰিবলৈ লৈছিল। আৰম্ভণিতে ব্যক্তিগত আক্ৰোশৰ তাড়নাত আৰম্ভ কৰা তেওঁৰ সেই যাত্ৰাত তেওঁ পিছলৈ এক বিশাল আৰু মহৎ উদ্দেশ্য এক প্ৰকাৰ জোৰ কৰি আৰোপ কৰিছিল। যাত্ৰাৰ শেষত হোৱা আহাবৰ ট্ৰেজেদি সেয়ে এক অৰ্থহীন মোহ বা "ইলুশ্যন"ৰ ফলত হোৱা নায়কৰ ট্ৰেজেদি। সেই ইলুশ্যনৰ বশৱৰ্তী হৈ আহাবে যাত্ৰাপথত লগ পোৱা প্ৰতিটো ঘটনা, প্ৰতিটো চিহ্নকেই উদ্দেশ্যপ্ৰণোদিতভাৱে ব্যাখ্যা কৰিবলৈ বিচাৰিছিল। একধৰণৰ মন'মেনিয়াত ভুগি আহাবে নিজৰ ধ্বংস ওচৰ চপাই আনিছিল। এজন সমালোচকৰ মতে "Moby Dick" হৈছে 'a parable of man's struggle against nature, against evil, against the accidental malice of the universe, and even against God." কিন্তু প্ৰকৃততে এনেকুৱা এক ব্যাখ্যাও আহাবৰ মনমেনিয়াৰ ফলতহে উদ্ভৱ হোৱা। মেলভিল বা উপন্যাসখনত তেওঁৰ প্ৰতিভূস্বৰূপ বক্তা (Narrator) ইছমাইল এনেধৰণৰ মনমেনিয়াৰ পৰা মুক্ত। উপন্যাসখনৰ কোনো এটা দৃশ্য চিহ্ন বা ঘটনাতেই সৰ্বশেষ সিদ্ধান্ত দিবলৈ মেলভিল অনিচ্ছুক। আৰু সেইদৰেই অনিচ্ছুক ইছমাইল। এই অনিচ্ছাৰ যোগেদি লেখকে প্ৰকৃতিজগত তথা বিশ্বব্ৰহ্মাণ্ডৰ অলেখতা আৰু জটিলতাকেই স্বীকাৰ কৰি লৈছে। যিটো স্বীকাৰ কৰি ল'ব নোৱৰাতেই উপন্যাসৰ নায়কৰ ট্ৰেজেদি। আনহাতে আহাবৰ সেই অভিযানক এক অসৎ শক্তিৰ বিৰুদ্ধে নায়কৰ অনন্ত সংগ্ৰাম বুলিও চিহ্নিত কৰিব নোৱাৰি। কাৰণ সেই শক্তিৰ বিৰুদ্ধে আগবাঢ়ি আহাবে যাত্ৰাৰ প্ৰতি পদক্ষেপতেই মানৱীয় প্ৰমূল্যসমূহ এটা এটাকৈ বিসৰ্জন দি আহিছিল। প্ৰথমতে তেওঁ জাহাজৰ গোটেই দলটোকে প্ৰৱঞ্চনা কৰি নিজৰ উদ্দেশ্যসাধনৰ কামত লৈ গৈছিল। যেতিয়া জাহাজ'ৰ প্ৰতিজন মানুহেই আহাবৰ প্ৰকৃত উদ্দেশ্যৰ কথা গম পালে, স্বাভাৱিকতে তেওঁলোক আৰু আগবাঢ়িবলৈ অনিচ্ছুক হ'ল। কিন্তু আহাবে তেওঁৰ প্ৰবল ইচ্ছাশক্তিক আৰু একপ্ৰকাৰ যাদুকৰী কৌশলেৰে পুনৰ তেওঁলোকক বাধ্য কৰাইছিল। শেষত অমানৱীয়তাৰ চূড়ান্ত শীৰ্ষত আহাব উপনীত হ'ল যেতিয়া মবি ডিকৰ পিছ হেৰুৱাই বুলি ভয় কৰি অন্য এখন প্ৰতিৱেশী জাহাজ "ৰাচেল"ৰ কেপ্তেইন গাৰ্ডিনাৰৰ হেৰোৱা পুত্ৰ দুজনক উদ্ধাৰ কৰাত সহায় কৰিবলৈ অমান্তি হয়। এই দানৱীয় উন্মাদনাৰ ফলস্বৰূপেই ক্ৰোধান্বিত মবি ডিকৰ হাতত আহাব, আহাবৰ জাহাজ আৰু ইছমাইলৰ বাহিৰে সমগ্ৰ দলটো নিঃশ্চিহ্ন হৈ যায়। ইছমাইলৰ ৰক্ষা হয়তো উপন্যাসৰ কাহিনীৰ বক্তাক ৰক্ষা পেলোৱাৰ বাস্তৱ প্ৰয়োজনৰ তাগিদাতো হ'ব পাৰে, কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ কাৰণ হৈছে ইছমাইলৰ চৰিত্ৰৰ বিনম্ৰ ঔৎসুক্য (questioning humility) যি ঔৎসুক্যই তেওঁক কোনো এটা কথাৰ ওপৰতেই শেষ সিদ্ধান্ত নোলোৱাকৈ ৰাখি আহাবে কৰা ভুলৰপৰা বচাই ৰাখিছিল। ইছমাইলৰ বাবে মবি ডিক যদি কিহবাৰ প্ৰতীক হয়ো, তেন্তে ই হ'ব মানৱ-চেতনাৰ ৰূপায়ণ শক্তিৰ বাহিৰত অলেখ, অসংখ্য গুৰুত্বৰ প্ৰতীক। কিন্তু আহাবৰ বাবে ই পৃথিৱীৰ সকলো অসতৰ একীভূত আধাৰ। আৰু সেয়াই মেলভিলৰ ভাষাত "a hideous and intolerable allegory." তাতোকৈও গুৰুত্বপূৰ্ণ কথা এয়ে যে মবি ডিকৰ প্ৰতি ঘৃণা আৰু বিদ্বেষে আহাবৰ মনত প্ৰকৃতি আৰু সামগ্ৰিকভাৱে জীৱনৰ প্ৰতিয়েই এক বীতশ্ৰদ্ধতাৰ জন্ম দিছিল, যিটো মেলভিলৰ মনত চূড়ান্ত অপৰাধ। মেলভিলে উপলব্ধি কৰা জীৱনৰ সুন্দৰ কাব্যিকতাক আহাবে অস্বীকাৰ কৰিছিল। ৰিচাৰ্ড চেজ (Richard Chase)ৰ ভাষাত – "In Ahab we see a man alienated from mankind, by a fanatical will and intellect, which have distorted all the genial emotions into a vindictive hatred of life itself." এক দুৰন্ত শক্তিপৰীক্ষাৰ অভিলাষী আমেৰিকান ব্যক্তিবাদৰ প্ৰতিভূ হিচাপে আহাবক হয়তো গ্ৰহণ কৰিব পাৰি ; কিন্তু এইখিনিতে এটা কথা পাহৰিব নোৱাৰি যে আহাবৰ প্ৰতিদ্বন্দ্বী মবি ডিকৰ যি অসততা, সেয়া হৈছে আহাবৰ দ্বাৰা আৰোপিত। কিন্তু আহাবৰ অমানৱীয়তা সম্পূৰ্ণভাৱে উদ্দেশ্যপ্ৰণোদিত। মানৱচেতনাৰ ওপৰত অসৎ শক্তিৰ দুৰন্ত প্ৰভাৱক স্বীকাৰ কৰি লোৱাটোৱেই যে মেলভিলৰ প্ৰাথমিক উদ্দেশ্য আছিল সেই কথা ইয়াতে বুজিব পাৰি। ■

# অগল্প

পদ্মপাণি



ইয়াৰ আগতেও আপুনি মোক এনে অনুৰোধ কৰিছিল। পিছে কোনো বছৰেই আপোনাৰ অনুৰোধ মই ৰাখিব পৰা নাই। যদিও যোৱা কুৰি বছৰে অ'ত-ত'ত দুই-এটা গল্প লিখি আহিছো, বিহু সংখ্যাত কিন্তু আজিলৈকে ক'তো মই একো লিখা নাই। আচল কথা কি জানে, কুলিৰ মিঠা মাতে মোলৈ বিহুৰ বতৰা নানে। ঢোলৰ চাপৰ শুনিও মোৰ মন উতলা নহয়। সেয়েহে বিহু বুলি বিশেষভাৱে লিখিবলৈ মই একো অনুপ্ৰেৰণা নাপাওঁ।

সৰু থাকোঁতে মোৰো মন ৰঙালী বিহুৰ আগমনত নাচি উঠিছিল। হাতত খুটি-তাল আৰু টকা লৈ মানুহৰ পদূলিয়ে পদূলিয়ে আমি বিহু মাৰিছিলো, বিহু মাৰি পোৱা পইচাৰে ফুটবল, ক্ৰিকেটৰ বেট কিনিছিলো।

সেই সময়ৰে কথা। আমাৰ সৰু চহৰখনত বিহু-সন্মিলনৰ তেতিয়াও আৱিৰ্ভাৱ হোৱা নাই। চহৰৰ আৰু দূৰৰ গাঁৱৰ পৰা অহা বিভিন্ন হুঁচৰিৰ দলবিলাকে ঘৰে ঘৰে বিহু মাৰিছিল আৰু গৃহস্থই আঠু লৈ সেৱা জনাই বছৰটোলৈ আশীৰ্বাদ লৈছিল।

এবাৰ তেনে এটা নামী হুঁচৰিৰ দল আমাৰ ঘৰৰ দাঁতিৰ চাহ-খেতিয়ক পূৰ্ণ কটকীৰ ঘৰলৈ আহিছিল। সেই বছৰেই মোৰ বাইদেউৱে ফ্ৰক এৰি মেখেলা-চাদৰ পিন্ধিবলৈ লৈছিল। কটকীৰ ঘৰৰ পিছতেই বিহু আমাৰ ঘৰলৈ আহিব। গতিকে বাইদেউৰ ব্যস্ততাৰ সীমা নাই। পুৰণা-ট্ৰাংকটোৰ পৰা মাৰ পাটৰ মেখেলা-চাদৰযোৰ উলিয়াই পিন্ধিছে। বটাটো টেঙেচিৰে ধুই চক্‌চকীয়া কৰিছে, তামোল-পাণৰ আগ-গুৰি কাটি নতুন গামোচাখনেৰে সৈতে বটাটোত থৈ দেউতাৰ পৰা টকা দুটা আনি সকলো সাজু কৰি ৰাখিছে। মই খিড়িকিয়েদি কটকীৰ ঘৰৰ বিহু চাই চাই 'কমেন্টেৰী' দি গৈছো – 'বাইদেউ, বিহু-মৰা শেষ হ'ল,' 'বাইদেউ, সেয়া কটকীখুৰাৰ ঘৰৰ পৰা হুঁচৰিৰ দল ওলাই আহিছে', 'বাইদেউ ...।'

বাইদেউ অপেক্ষা কৰি থাকিল, আমাৰ ঘৰৰ আগ-চোতালত ঢোলৰ চাপৰ পৰিব – 'দেউতাৰ পদূলিত গোন্ধাইছে মালতী ...।'

কিন্তু আমাৰ ঘৰ অতিক্ৰম কৰি হুঁচৰি দলটো সিফালৰ ৰঞ্জনহঁতৰ ঘৰত সোমালেগৈ। দুই অট্টালিকাৰ মাজত থকা আমাৰ খেৰী জুপুৰিটো তেওঁলোকৰ চকুতেই নপৰিল।

বাইদেউৰ উচ্ছ্বাসত চেঁচা পানী পৰিল। তাই অশান্তভাৱে উচুপি উঠিল।

সেইদিনা তাইক সান্ত্বনা দিবলৈ মোৰ এঘাৰ বছৰীয়া মগজুৱে ভাষা বিচাৰি পোৱা নাছিল।

এতিয়া ঘৰে ঘৰে বিহু মৰা ৰীতি নোহোৱা হ'ল। ময়ো মোৰ সেই অকণমানি বাইদেউজনীৰ উচুপনিৰ স্মৃতি পাহৰি পেলাইছিলো। পিছে গুৱাহাটীলৈ বদলি হৈ অহাৰ দুবছৰৰ পিছতে অন্য এক অভিজ্ঞতা হ'ল।

আমি থকা অঞ্চলটোৰ ডেকা-মখা আহি বিহুৰ বাবে চান্দা বিচাৰিলে। মই আথে-বেথে পঁচিশ টকা উলিয়াই দিলো। টেবুলত জেনিবা টকা নহয় সাপ এডালহে থলো। সিহঁত জাঙুৰ খাই উঠিল – "কি ? মাত্ৰ পঁচিশ টকা ? হেৰি, এইটো 'এমাউন্ট' আমি বহীত লিখিব নোৱাৰিম দেই।"

"কিমান লাগেহে তোমালোকক ?" অলপ ৰূঢ়ভাৱে মই ক'লো।

"চান্দাৰ বহীখন চাওক, তাতেই পাব।"

চান্দাৰ বহীখন চাই দেখিলো, শৰ তলত দেখোন নাই। আনহে নালাগে মোৰ অফিছৰ 'বৰবাবু'য়েও দুশ এটকা দিছে।

"তেওঁলোকে এইদৰে টকা দিবলৈ ক'ৰপৰা পাইছে নাজানো। মই কিন্তু পঁচিশ টকাতকৈ এটকাও বেছি দিব নোৱাৰিম।"

টকাকেইটা টেবুলতে সেইদৰেই থৈ ভোৰভোৰাই সিহঁত ওলাই গ'ল।

দুদিনমানৰ পিছত মোৰ ঘৰৰ সন্মুখতে বেছ উলহ-মালহেৰে বিহু-সন্মিলনী হৈ গ'ল। মইহে ল'ৰা-তিৰোতাৰে দুৱাৰ-খিড়িকি বন্ধ কৰি ঘৰতে সোমাই থাকিলো।

এই ঘটনা হৈ যাবৰো আজি কেইবা বছৰো হ'ল। তথাপি বিহু বুলি কিবা লিখিবলৈ বহিলেই ঘটনা দুটাৰ স্মৃতিয়ে মোক বৰ আমনি দিয়ে।

আৰু সেইবাবেই বিহু বুলি কিবা এটা লিখিবলৈও মই কোনো অনুপ্ৰেৰণা নাপাওঁ। ■

# আপোনাৰ ঘৰৰ ছালখনত ৰাইনো ব্যৱহাৰ কৰা কিয় উচিত

SELECT/AA/190ASM

* কাৰণ ৰাইনো অধিক মজবুত আৰু টিকেও বহুদিন !
* কাৰণ ৰাইনো জুঁই প্ৰতিৰোধক !
* কাৰণ ৰাইনো বতৰ সাপেক্ষক !
* কাৰণ ৰাইনো মামৰ ৰোধক !
* কাৰণ ৰাইনো যতনমুক্ত !

RHINO

ৰাইনো- ফাইবাৰ চিমেণ্ট চীট অভিলেষত অগ্ৰণী



**ৰাইনো**
ফাইবাৰ চিমেণ্ট
কৰ'গেটেড আৰু প্লেইন চীট

**অসম এচবেচ্টছ্ লিমিটেড্**

পোস্ট বেগ নং ঃ ১২১ গুৱাহাটী - ৭৮১ ০০১ ফোন ঃ ৪০১৪৪, ৪০১৯৮, কেবল ঃ ASSAMBEST টেলেক্স ঃ ২৩৫-২৩৮৯ ASBT IN
কলিকতা অফিচ্ ঃ ১৭, গৱৰ্নমেণ্ট প্লেচ ইষ্ট, কলিকতা ৭০০ ০৬৯, ফোন ঃ ২০ ১২৯৯, ২৮ ০০১৬ (৩ লাইন) টেলেক্স ঃ ২১-২৫০০ AAL IN

**ষ্টকিস্টচ্ ঃ** **ৰাধাকৃষ্ণ দীনদয়াল**, ফাঁচী বজাৰ, গুৱাহাটী, ফোন : ২৩৫৮৫, ২৫৯৮৫ ● **শ্ৰীপ্ৰকাশ ষ্টোৰচ্**, ফাঁচী বজাৰ, গুৱাহাটী, ফোন : ২৬৭৩৪ ● **ষ্টিল (চেলচ্) কৰপোৰেচন্**, আঠগাওঁ, গুৱাহাটী, ফোন : ২৬৯২৩ ● **অম্বিকা হাৰ্ডওৱেৰ চেণ্টাৰ**, মালিগাওঁ, গুৱাহাটী, ফোন : ৮৮৬৬৭ ● **নেচনেল ইণ্ডাষ্ট্ৰিজ**, জাগী ৰোড, ফোন : ২৩ ● **জৈন হাৰ্ডওৱেৰচ**, হয়বৰ গাওঁ, নগাওঁ, ফোন : ৩৮১ ● **গাৰোদিয়া ছাকেত এজেঞ্চিজ**, গোলাঘাট, ফোন : ৪০৭ ● **গণেশৰাম শৰ্মা এণ্ড এচোছিয়েটচ্**, এ, টি, ৰোড, যোৰহাট, ফোন : ৩২০১১৩ ● **চৰ্দাৰমল খুমচান্**, গেটানী ভৱন, আৰ, এম, ৰোড, যোৰহাট, ফোন : ৩২১৪২৪ ● **শিৱ হাৰ্ডওৱেৰ ষ্টোৰচ্**, বি, জি, ৰোড, শিৱসাগৰ, ফোন : ৪৭৩ ● **শ্ৰীমহাবীৰ ষ্টোৰচ্**, চিলা পথাৰ ● **ৰাজ চেনিটেত**, মৰানহাট, শিৱসাগৰ, ফোন : ১৮৭, ১৬৫ ● **কেজৰীৱাল ষ্টীল কোঃ**, আৰ কে, বৰদলৈ ৰোড, ডিব্ৰুগড়, ফোন : ২০৫৩৫, ২১৪৯৬, ২১৪৯৭ ● **মোদী এণ্ড কোং**, আৰ, কে বৰদলৈ ৰোড, ডিব্ৰুগড়, ফোন : ২০০১৪ ● **জৈন এজেঞ্চিজ**, এইচ, এচ্, ৰোড, ডিব্ৰুগড়, ফোন : ২০৯৪৮, ২০৬৭১ ● **ধনপাত ৰায় আগৰৱাল এণ্ড কোঃ**, এ, টি, ৰোড, তিনিচুকীয়া, ফোন : ২০৩৩২ ● **মোদী এণ্টাৰপ্ৰাইজেচ্**, এ, টি, ৰোড, তিনিচুকীয়া, ফোন : ২০৩৪৯, ২২৩০৪ ● **এচিয়েটিক ট্ৰেডিং কোঃ**, এ.টি. ৰোড, তিনিচুকীয়া, ফোন : ২০০২৯, ২০৭৪১ ● **সুন্দৰলাল বিনোদকুমাৰ এণ্ড কোঃ**, গান্ধী পাৰ্ক ৰোড, তিনিচুকীয়া, ফোন : ২০২৭০, ২০৯৬৫ ● **এচ কে এণ্টাৰপ্ৰাইজেচ্**, মিচন ৰোড, মাৰ্ঘেৰিটা, ফোন : ৩২২ ● **মোহনলাল হীৰালাল**, উত্তৰ লক্ষীমপুৰ, ফোন : ৩১ ● **পাৱীক এণ্টাৰপ্ৰাইজেচ্** ৰাঙাপাৰা, ফোন : ৮৭ ● **হাৰ্ডওৱেৰ হাউচ্**, কে, বি, চেণ্টাৰ, তেজপুৰ, ফোন : ৩৯৬ ● **পাইপচ্ এণ্ড হাৰ্ডওৱেৰ ষ্টোৰচ্**, তেজপুৰ, ফোন : ১২৮ ● **ভাটী হাৰ্ডওৱেৰ ষ্টোৰচ্**, ধেকীয়াজুলী, ফোন : ১২, ৪১ ● **জয়াচাণ্ডমল চুমেৰমল**, খাৰুপেটীয়া ঘাট ● **দি এচ্ চাপ্লাইৰাৰচ**, এল, এন, বি, ৰোড, মঙ্গলদৈ, ফোন : ১৭৬ ● **দীপচাণ্ড আগৰৱাল**, ওদালগুড়ি, ফোন : ৩৮ ● **চম্পা চাহাবু কাঠ ভাণ্ডাৰ**, চিপাঝাৰ ● **বঙিয়া হাৰ্ডওৱেৰ ষ্টোৰ**, বঙিয়া তিনিআলী, ফোন : ২৫৩ ● **মতিলাল মোহনলাল জৈন**, নলবাৰী, ফোন : ২৩৩ ● **ধৰমচাণ্ড নিৰঞ্জন কুমাৰ**, পাঠশালা, ফোন : ৫৬ ● **হীৰালাল বিশ্বাস এণ্ড চনচ্**, টিহু, ফোন : ৬৪ ● **পি কে চাহা এণ্ড চনচ্**, বৰপেটা ৰোড, ফোন : ২২১৩ ● **টুৱানী ইণ্ডাষ্ট্ৰিয়েল এণ্টাৰপ্ৰাইজেচ্**, বঙাইগাওঁ, ফোন : ৬০১ ● **চানণ্ড এণ্টাৰপ্ৰাইজেচ্**, বিজয় নগৰ, ফোন : ৯৪ ● **ষ্টীল ট্ৰেডাৰ্চ**, নেতাজী সুভাষ এভিনিও, শিলচৰ, ফোন : ২০৭০৮, ২১১৪৭, ২১৮৫৭ ● **সুজালা ট্ৰেড চেণ্টাৰ**, বিশ্বনাথ চাৰালি ● **গণপতি ট্ৰেডাৰ্চ**, বোকাখাত


দীঘল গল্প

# শেষ সপ্তাহ

ডঃ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য



অংকন ঃ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য

আব্দুলে প্ৰমথেশৰ পৰা বিদায় লৈ আনৈৰ সিপাৰলৈ পাৰ হৈ যাবলৈ জাহাজঘাটৰ ফালে যোৱাৰ পাছতেই সিও ৰেষ্টোৰাঁৰ পৰা ওলাই আহি একোণত ৰৈ চাৰিওটা আলিৰ কেন্দ্ৰত বৃত্তাকাৰে থকা পুলিচ পইন্টটোৰ পিছফালে থকা ফুটপাথটোলৈ চালে- কিজানিবা তাৰ পৰিচিত বন্ধু-বান্ধৱ কোনোবা সেইফালেদি গৈয়েই আছে ? অলপ আগেয়ে আব্দুলেও সেইফালে গৈ আছিল; সি তাক দেখিলে আৰু দেখা পাইয়ে হাত-বাউল দি মাতিলে। আব্দুল আহিল আৰু অহাৰ লগে লগেই তাক ৰেষ্টোৰাঁৰ ভিতৰলৈ মানি নিয়েই দুকাপ চাহৰ অৰ্ডাৰ দিলে।

সমুখত কাকো দেখা নাপাই সি বৰ হতাশ হ'ল। অত্যন্ত নিৰাশ মনেৰে সমুখৰ আঠমহলীয়া হোটেলখনৰ ওপৰৰ আকাশখনলৈ এনেয়ে এবাৰ উদ্দেশ্যবিহীনভাবে চাওঁতে দেখিলে- আকাশৰ বহু নিলগত এটা চিলনী ; বতাহে তাক ইফালৰ পৰা সিফাললৈ উৰুৱাই নিবলৈ চেষ্টা কৰিছে। চিলনীটো চাই চাই তাৰো এনেকুৱা এটা ভাব হ'ল যেন, সিও এটা পথভ্ৰষ্ট চিলনীহে ! সময়ৰ বতাহে তাক যিফালে ইচ্ছা সিফালেই লৈ গৈ আছে। এই কথা সি যেন বুজিও নুবুজাৰ দৰে থাকিবলগীয়া হৈছে।

সমুখত ব্যস্ত জনপথ। কাৰো ৰ'বৰ সময় নাই ; প্ৰমথেশৰ এনেকুৱা লাগিল, যেন তাৰহে মাত্ৰ কাম নাই। কিন্তু অইন দিনা সিমান সময়লৈ সিও অৱশ্যে চাৰিআলিৰ মোৰৰ পৰা পাণদোকানৰ অচিলাত এনেকৈ ত্ৰিভঙ্গ ভাস্কৰ্যৰ দৰে থিয় হৈ নাথাকে, ঘৰলৈ যায়, ইতিমধ্যে মাকৰো ভাত হৈ আহে ; দেউতাকো অফিচৰ পৰা দুপৰীয়াৰ ভাত খাবলৈ আহি ঘৰ ওলাইহি; ভায়েকো আহে। তাৰ পাছত তিনিও একেলগে বহি গল্প-গুজব কৰি হাঁহি ধেমালি কৰি ভাত খায়। এসময়ত আকৌ ভায়েক আৰু দেউতাক দুয়ো পুনৰ কামলৈ যাব। গ'লেই সি কোঠাত সোমায়, উদাসীনভাৱে চকীত বহি খিৰিকিৰে বাহিৰলৈ চাই চাই নিজেই নিজৰ সৈতে কথা পাতে। আলিবাটেদি পাৰ হৈ যোৱা পদব্ৰজী সকললৈ মাজে মাজে চাই। বিৰক্ত হ'লে মেজত থাক থাককৈ থকা কোনোবা এখন উপন্যাসৰ পাত লুটিয়াই; মন নবহিলে বেহেলা বজায়, তাতো যদি মন নবহে, চুলিয়া ধনুৰ সৈতে বেহেলাটো বন্ধ কৰি ইজেলত উঠি থকা কেনভাছৰ আধৰুৱা ছবিখন সমাপ্ত কৰিবলৈ চেষ্টা কৰে। এনেকৈ এক অনিশ্চয়তাৰ মাজত থাকি থাকি চকীত বহি থাকোতে বাহিৰত শুনা পায় এক গুণগুণনি। খিৰিকিৰে জুমি চাই দেখে, হাতত বহি একোখন লৈ তাৰ ওচৰত পদাৰ্থবিজ্ঞান শিকা ছাত্ৰৰ দলটো...... মেজঘড়ীটো চাই দেখে চাৰি বাজো বাজো... সিহঁতৰ কোনোবা এজনে মাতিলে– চাৰ্ ! পলম হৈছে, আহক–

পুলিচ পইন্টৰ বিপৰীতে হঠাৎ প্ৰমথেশে দেখিলে ৰঙা-হালধীয়া চেক-চেক দিয়া কাপোৰৰ চোলা পিন্ধি চামৰাৰ বেল্টেৰে বেগীপেন্ট পিন্ধা এখন উজ্জ্বল হাঁহি মুখৰ মুখে তাৰফালে চাই আহিছে আৰু চিঞৰিছে– প্ৰমথেশ ! জনপথেৰে সুতীব্ৰ বেগেৰে পাৰ হৈ যোৱা মটৰগাড়ী ৰিক্সা অট' চিটিবাছ আৰু জনসমুদ্ৰৰ কোলাহল আদি সকলো তলপৰি তাৰ কাণৰ কাষত বাজি উঠিল। প্ৰ-ম-থে-শ !

আৰে ভাই বিদ্যুৎ ! সি মুখতে ভোৰভোৰালে।

বিদ্যুতৰ হাঁহি মুখ।

ঐ আহ, অলপ আড্ডা মাৰো, লগতে চাহ একাপো খাওঁ– প্ৰমথেশে আলিৰ কোণত থিয় হৈ চিঞৰি প্ৰস্তাৱ এটা আগবঢ়ালে। জনপথেদি পাৰ হৈ যোৱা ছাত্ৰী কেইজনীমানে তাৰফালে চাই মুখ চেপি হাঁহিলে আৰু তেনেকৈয়ে বহুদূৰ আগবাঢ়ি গ'ল।

সময় নাই, এঠাইলৈ যাব লাগে– বিদ্যুতে সিফালৰ পৰা চিঞৰিলে।

আৰে যাবি অ', মাত্ৰ দহ মিনিট বহিবি আৰু যাবি–

প্ৰমথেশে বৰ কম সময়ৰ ভিতৰতে দ্বিতীয়বাৰৰ বাবে একেখন ৰেষ্টোৰাঁতে সোমাল।

দুয়ো সমুখা-সমুখিকৈ বহাৰ পাছতেই বিদ্যুতে অলপ মৰম আৰু ধমকিৰ সুৰত সুধিলে– সি বাৰু চব্বিশ ঘন্টা ইয়াত এনেকৈ কাৰ অপেক্ষাতনো থিয় হৈ থাকে ? তাৰ কি ঘৰ-দুৱাৰ নাই নেকি ? নে ঘৰৰ পৰা খেদিলে ?

সেইটো মোক কেতিয়াও আৰু কোনোদিনেই ভুলতেৱো নুসুধিবি ; মই নিজেও নাজানো। কিয় এনেকৈ কাৰ অপেক্ষাত থিয় হৈ থাকো ? নিজেই কেতিয়াবা নিজকে সোধো–

ঘৰত একো নকয় নেকি ?

কয়, কিন্তু ঘৰলৈ গৈ আজিকালি মোৰ একদম ভাল নালাগে। আনকি মাজে মাজে এনেকুৱাও ভাব. হয় যেন, ঘৰ-বাৰী, মা-দেউতা সকলোকে এৰি চিৰ দিনৰ বাবে সন্যাসী হৈ কোনোবা অজ্ঞাত জংঘললৈ গুচি যাম।

উৱা ! হঠাৎ ! কিহৰ ইমান দুখনো আহি পৰিল ? বিদ্যুতে ব্যঙ্গ কৰি সুধিলে

মা-দেউতাক বহুদিন কৈছো– মোক আৰু বাদ দে। মাষ্টাৰ ডিগ্ৰী পোৱা আজি বাৰ বছৰ হৈ গ'ল তথাপিও কিবা এটা স্থায়ী জীৱিকা উলিয়াব নোৱাৰিলো। না কৰিব পাৰিলো নিজৰ কাৰণে না পাৰিলো ঘৰৰ কাৰণে ? এতিয়া আৰু এই বয়সত কি হ'ব মোৰ দ্বাৰা ? টিউশ্বনৰ পইছা কেইটাৰে জানো এমাহ চলিব পাৰো ? মই মৰিছো যন্ত্ৰণাত ছাটি-ফুটি আৰু মা-দেউতাই ছাটি-ফুটি মৰিছে মোৰ বিয়াখন লৈ; মানে তেওঁলোকে মোৰ বিয়াখন পাতি দি পাপমুক্ত হ'ব বিচাৰে– আৰে মই কি নুবুজো ? বুজো, এশবাৰ বুজো , কিন্তু টিউশ্চনৰ পইছাকেইটাৰে নিজকে নুকুলায়, এনে অৱস্থাতনো ......? মানে তই কথাটো বুজা নাই ? মই কি কৈছো বুজিছ নে নাই ? ভাইটিৰ চাকৰি আছে, বয়সো হৈছে– তাকেই আগতে বিয়া কৰাই দে। পিছত মই যদি কিবা এটা কৰিব পাৰো–ভাবি চাম; কিন্তু নুবুজে; বুজিও নুবুজে ৰে। বিশেষকৈ মা, মা বৰ আঁকোৰগোজ। দায়িত্বহীন, ভয়াতুৰ, উদাসীন বুলি মোক চাট্টাও কৰে। মোৰ ভিতৰত থকা দুখবোৰ হেনো দুখ নহয়। –দুখৰ মই বিলাসিতাহে কৰো। আৰু কি কয় জান– আমাৰ পৰিয়ালত হেনো বিয়া নকৰোৱাৰ উদাহৰণ নাই। মই কৈছো– তেনেহ'লে, মোকেই এটা উদাহৰণ হিচাপে মানি লোৱাত অসুবিধা ক'ত ?

প্ৰমথেশৰ প্ৰকাশ ভংগীত বিদ্যুতৰ হাঁহি উঠিল। হাঁহি-হাঁহিয়েই চাহ পিয়া শেষ কৰি বহাৰ পৰা উঠিল। তাৰ পাছত চাহ-মিঠাইৰ দাম দি সি তাৰ পৰা বিদায় লৈ গুচি গ'ল।

বিদ্যুৎ যোৱাৰ ফালে চাই চাই প্ৰমথেশে নিজকে নিজে বৰ নিঃসঙ্গ অসহায় আৰু অনুতপ্ত অনুভৱ কৰিলে। সি যেন তাৰ ব্যক্তিগত কথাবোৰ বিদ্যুতৰ আগত প্ৰকাশ কৰিব নালাগিছিল; সি তাৰ মনৰ কথাবোৰ যিমান আবেগ আৰু অনুভূতিপ্ৰৱণতাৰে কৈছিল তাৰ বিপৰীতে বিদ্যুতে তাৰ সমবেদনাৰ ভাগী হোৱাতকৈ যেন হাঁহি হাঁহি তাৰ অনুভূতিখিনিক বিদ্ৰূপহে কৰিলে।

সি আটাইতকৈ বেছি মৰ্মাহত হ'ল, আত্মসংযম হেৰুৱাৰ বাবেহে। প্ৰমথেশে জানে, তাৰ এই আবেগ সৰ্বস্ব কথাখিনি বিদ্যুতে নিশ্চয় আজি সন্ধিয়াৰ আড্ডাত কৈ কৈ তাক পেংলাই কৰি হাঁহিব– কি প্ৰয়োজন, আনৰ আগত প্ৰকাশ কৰাৰ ? সি নিজকে আকৌ এবাৰ প্ৰশ্ন কৰিলে।

সমুখৰ জনপথটো চেৰাই পূবৰ আলিটোৰে বেগাই গৈ অইন এটা চেৰাআলিত উঠি তাৰ আন এজন বন্ধু তন্ময়ৰ ঘৰৰ ফালে খোজ ললে। তন্ময়, তাৰ গৃহিণী স্বপ্না আৰু সি এসময়ত একেখন কলেজ, একেটা ক্লাচতে পঢ়িছিল; আনকি ইউনিভাৰচিটিত থাকোতেও। স্বপ্নাৰ লগত সি বৰ সহজ ; স্বপ্নাৰ লগত যি কোনো কথা-বতৰাও আনকি চলে– ৰাজনীতিৰ পৰা নৈ-নৰ্দমাৰ প্ৰদূষণ পৰ্যন্ত।

প্ৰথমে সি মনে মনে নাযাম বুলি ভাবিছিল; কিন্তু এই দুপৰীয়াখন ক'তো একো খাবলৈ পোৱাৰ আশা নাই– গতিকে তাইৰ তালৈকে সি গুচি আহিল।

এইখিনি সময়ত তন্ময় অফিচত থাকে বাবেই সমুখৰ দুৱাৰখন এনেই জপাই থৈ স্বপ্নাই ৰান্ধনিঘৰত কিবা-কিবি বনাই থকা কথা সি জানে বাবেই দ্বিধাহীনভাবে সি দুৱাৰখন খুলি পেলালে। চ'ৰা ঘৰত জোতাৰ শব্দ শুনি স্বপ্নাই ওলাই আহি তাক আমন-জীমনকৈ থকা দেখি বেঁকা হাঁহি এটা মাৰিলে। প্ৰমথেশেও তাৰ সেই চিনাকি ক্ষীণ হাঁহিটো মাৰি নিজৰ ঘৰত থকাৰ দৰে গপগপাই গৈ এইবাৰ বাথৰুম পালে। হাত-মুখ ধুই আহি বাৰান্দাত থকা গামোচাখনেৰে মুখখন মচিব ধৰোতেই পুনৰ স্বপ্না আহি তাৰ কাষত থিয় হ'লহি।

তুমি আহিবা বুলি মই জানিছিলো– তাই খিলখিলাই হাঁহি ক'লে। কেনেকৈ ? বাৰান্দাত থকা আয়নাখনৰ সমুখত থিয় হৈ সি মূৰ ফণিয়াই সুধিলে।

কাৰণ লুচি ভাজি আছো; মই যিদিনাখনেই লুচি ভাজি থাকো, সিদিনাখনেই তুমি আপোনা আপুনি আহি ওলোৱাহি। সিদিনাখনো তুমি আহি হাজিৰ হৈছিলা, আজিও এইয়া– বিশ্বাস নকৰা যদি ৰান্ধনিঘৰত গৈ চাই আহাগৈ–

তোমাৰ মনটোৱে তোমাৰ আগতে ভৱিষ্যতবাণী কৰে নেকি ?

নিশ্চয় কৰে–

তেনেহ'লে, তোমাৰ মনটো বৰ সাংঘাতিকহে; মোৰো যদি তেনেকুৱা মন এটা থাকিলহেঁতেন ! তেনেহ'লে কোৱাছোন, মই বাৰু আজি হঠাৎ কিয় এই দুপৰীয়াখন তোমাৰ ঘৰলৈ আহিলো ?

কেনেকৈ জানিম ? মই কি সৰৱজান ?

মই আহিম বুলি তুমি জানা অথচ কিয় আহিছো নাজানা ? বাদ দিয়া সেইবোৰ; লুচি ভজা শেষ হোৱা নাই চাগৈ, ময়ো লুচি খামহে– হাঁহি হাঁহি কথাষাৰ কৈয়েই সি কেলেণ্ডাৰখনত থকা নদী নাও আৰু পাৰৰ গছ এজোপাত থকা সখীয়তী চৰাইজনীৰ ছপা ৰঙীন ছবিখনলৈ বিমুগ্ধ হৈ চালে আৰু তাৰ পাছত স্বপ্নাৰ ফালে চাই সুধিলে– কি ভাবিছা ?

নাই একো ভবা নাই– তাই নীৰৱে কথাষাৰ চমু কৰি ৰান্ধনি ঘৰৰ পৰা ওলাই চ'ৰাঘৰলৈ আহি থকা মহিলা এগৰাকীলৈ চাই বৰ উৎসাহেৰে ক'লে– অ' পাহৰিয়েই গৈছিলো; এইয়া মোৰ বান্ধৱী দেই– মণিষা; আমাৰ লগত একেলগেই পঢ়া কিন্তু তাইৰ বিষয় আছিল দৰ্শন; সেই কাৰণেই তুমি তাইক লগ পোৱা নাই। বি এ পঢ়ি থাকোতেই বিয়া হৈছিল; কিন্তু একমাত্ৰ ল'ৰাটো জন্ম হোৱাৰ পাছতেই গিৰিয়েক ঢুকাই থাকিল। প্ৰকাশন প্ৰতিষ্ঠান এটাত কাম কৰে আৰু সিকাষৰ বিল্ডিং এটাৰ মাজৰ মহলাত ল'ৰাটোৰ সৈতে ভাড়া কৰি আছে। ল'ৰাটো পিছে ডাঙৰ হৈছে; আঠবছৰ; সি অকলে অকলে স্কুললৈ যায়–

প্ৰমথেশে মণিষালৈ চালে। প্ৰথম দেখিয়েই সি ভাবিছিল, সেইজনী স্বপ্নাৰ ভনীয়েক। দেখাতো অবিকল একেই; চুলিৰ সোঁমাজেদি সেওঁতা ফলা; সাধাৰণ, কিন্তু পৰিপাটি; ওঁঠদুটা বহল; চকুত অকণমান বিষাদ জগদ্দল চাৱনি; হাঁহিৰ মাজত সামান্য কাৰুণ্যও লাগি আছে। কিন্তু স্বপ্নাই চিনা পৰিচয় কৰি দিয়াৰ পাছত মহিলা গৰাকীক সি অন্যভাবে পঢ়িবলৈ ললে– বৈধব্য; এক শিশুৰ মাক, অথচ ধৰিব নোৱাৰি।

সি নমস্কাৰ দিলে, নমস্কাৰ বিনিময় হ'ল।

মণিষা আৰু সি কথা পাতিবলৈ ধৰাত ইতিমধ্যে স্বপ্নাই ৰান্ধনি ঘৰৰ ভিতৰত সোমাই কেইখনমান লুচি, অলপ মটৰ পনিৰৰ তৰকাৰী আৰু এখন কণীভজা দুখন থালত দি দুয়োকে খাবলৈ মাতিলে।

দুয়ো খাবলৈ বহিলত স্বপ্নাই তাক সুধিলে– সিনো আচলতে আহিল ক'ৰ পৰা ?

ক'ৰ পৰানো আহিব লাগে ? মোৰ জানো বৰ্তমান কিবা ঠিকনা আছে ? অৱশ্যে যোৱা এমাহমানলৈ আছিল। কিন্তু বৰ্তমান আৰু সেই ঠিকনা ব্যৱহাৰ কৰিব নোৱাৰি। মই এতিয়া যিকোনো ঠাইৰ পৰা আহিব পাৰো আৰু সেইকাৰণে ঠিকনা লিখিবলৈ মোক তৎক্ষণাৎ এটা সস্তীয়া ভাড়াঘৰ লাগে; এটা কোঠা হ'লেই হ'ব। জানাইতো দহজনমানক পঢ়ুৱাই কেইটামান টকাহে পাওঁ; তাৰো বেছি ভাগেই পইছা নিদিয়েই– সি চৰম বিৰক্তি উদাসীনতাৰে খাৰাংখাচভাবে কৈ গ'ল।

তাৰ কথা শুনি স্বপ্নাই খিলখিলাই হাঁহি দিলে–

হাঁহিছা কিয় ? মই কি হাঁহি উঠিবলগীয়া কথানো ক'লো ? সকলো কথাতে ধেমালি নহয় দেই কিন্তু; বৰ্তমান মোৰ কি ধৰণৰ সংঘাত চলি আছে, তুমি কি বুজিবাহে ?

বাদ দিয়াহে তোমাক বুজিবলৈ অলপো বাকী নাই; আচল কথা তুমি সমস্যাৰ সমুখীন হ'ব নোখোজা, দায়িত্বহীন, কাণ্ডজ্ঞানহীন, কথা ক'বলৈ আহিছা ? তুমি কিন্তু এনেকৈ থকাটো মই মুঠেই পছন্দ নকৰো। এনেকৈ থাকিলে কিন্তু মোৰ ঘৰলৈ অহা বন্ধ কৰি দিম। বয়স কিমান হ'ল, কেতিয়াবা হিচাপ কৰি চাইছানে ? বুঢ়া হ'লে কোনে চাবহে তোমাক ? নে বুঢ়া নহম বুলিয়েই ভাবিছা ? গম পোৱা নাই হবলা, ডেকা তেজ মুখেৰে বাহিৰ হৈ যাব বাষ্পেকে ! নিজৰ জীৱনটো এনেকৈ ধ্বংস কৰাৰ কি অৰ্থ থাকিব পাৰে মই বুজিয়েই নাপাওঁ–

জী-ৱ-ন ? কিহৰ জীৱনটোহে ! চুপ কথা নকবা– খঙেৰে সি ক'লে। মকমকাই লুচি এখন চোবাই চোবাই গিলিবলৈ চেষ্টা কৰা দৃশ্য আৰু তাৰ খঙৰ কোব দেখি স্বপ্নাই মুখ চেপি চেপি হাঁহিবলৈ ধৰিলে।

মণিষাৰ বাবে সমগ্ৰ পৰিবেশটোৱেই দুৰ্বোধ্য দুৰ্বোধ্য অনুভৱ হ'ল।

মোৰ কথা ভাবি সময় নষ্ট কৰিব নালাগে; এই পৃথিৱীত প্ৰমথেশৰ জীৱনটোৰ কি মূল্য আছে। সি নজনা নহয়। আজিৰ তাৰিখত এটুকুৰা লোৰ যি মূল্য তাতকৈয়ে জীৱনৰ মূল্য বেছি নহয়, সেইটো অমুকাই নজনা নহয়। সংসাৰ কৰাতকৈ এনেকৈ কুকুৰ-মেকুৰীৰ দৰে অলিয়ে-গলিয়ে ঘূৰি ফুৰাৰ বেছি আনন্দ আছে। সংসাৰ কৰিনো তুমি কি সাংঘাতিক সুখত আছা ? আৰু সংসাৰ নকৰিনো মই কি দুখত আছো ? আচলতে দুয়োটা সমান, এক ইঞ্চিৰো ইফাল-সিফাল নহয়– প্ৰমথেশে এক চৰম বিৰক্তিৰে প্ৰয়োজনতকৈ অধিককৈ চিঞৰি চিঞৰি কথাষাৰ কলে।

এনে পৰিস্থিতিৰ বাবে মণিষা একেবাৰে সাজু নাছিল। প্ৰমথেশৰ খং দেখি তাই মনে মনে ভয় খালে যদিও তাই মনত সাহস গোটাই পৰিবেশটো নীৰৱে পৰ্যবেক্ষণ কৰি গ'ল।

এইবোৰ তোমাৰ মনে সজা কথা। মই একো বেয়া কথা কোৱা নাছিলো। মই কৈছিলো– তোমাক বুঢ়া হ'লে কোনে চাবহে ? স্বপ্নাই আকৌ এবাৰ উত্তেজনাহীন ভাবে ক'লে।

আৰে, কোনে চাব লাগিছেহে ? বুঢ়া হ'লে মৰিম,– বচ খোলোচা কথা।



বসন্ত সংখ্যা সূত্ৰধাৰ ▫ ১-১৫ এপ্ৰিল ১৯৯২

শেষটো মৃত্যুতকৈ একো বেছি নহয়– হব আৰু কিবা এটা; এতিয়াই সেই কথা ভাবি মগজু ঘোলা কৰাৰ কোনো প্ৰয়োজন নাই। বাদ দিয়া সেইবোৰ; মোৰ কথা ভাবি সময় নষ্ট কৰিবৰ কোনো প্ৰয়োজন নাই। আছে যদি কেইখনমান আৰু লুচি-তুচি দিয়া– পূৱাৰে পৰা দুকাপ খালি চাহৰ বাহিৰে পেটত আজি একো পৰা নাই– লগত অলপ ভাজিও দিবা।

স্বপ্নাৰ নিজৰ ঘৰত বেলেগৰ এজন ল'ৰা আহি স্বয়ং গৃহিণীকে এনেকৈ ধমকিৰ সুৰত কথা কোৱাত মণিষাই স্তম্ভিত হ'লেও আনফালে স্বাভাৱিকতে অলপ কৌতূহলো আৰম্ভ হ'ল। প্ৰমথেশনো কেনে ধৰণৰ বন্ধু? কিন্তু স্বপ্নাৰ বাবে তাৰ এই অস্বাভাৱিক ব্যৱহাৰ একো নতুন কথা নহয়। বহুবাৰ সি এনেকৈ কৈছে, বহুদিন এই কোঠাটোত এই বিষয়টো লৈ তৰ্ক-বিতৰ্ক হৈছে: সংসাৰ নকৰাৰ সপক্ষে যুক্তি প্ৰতিপন্ন কৰিবলৈ টেবুলত ধম-ধমাই ভুকুৱাইছে...... তথাপিও, স্বপ্নাই প্ৰমথেশক বেয়া পাব নোৱাৰে...... যেতিয়া স্বপ্না আৰু তন্ময়ে কলেজত পঢ়িছিল তেতিয়া এক ৰেষ্টোৰাঁৰ কেবিনত বহি দুয়ো আৱেগিক আলাপ কৰিছিল, আৰু তেতিয়া প্ৰায়েই সমুখত আছিল প্ৰমথেশ। স্বপ্না আৰু তন্ময়ৰ আৱেগ-সৰ্বস্ব চিঠিবোৰ সিয়েই অনা-নিয়া কৰিছিল; আনকি, দুয়ো পক্ষৰে মাক-বাপেকৰ মাজত বিয়াৰ প্ৰস্তাৱটো সিয়েই দিছিল। গতিকে স্বপ্নাই তাক গালি-শপনি পাৰিব নোৱাৰে বৰঞ্চ সিয়েই আজিও এক কৰ্তৃত্বৰ সুৰত কথা কয়–

লোৱা এইয়া এই চাৰিখন লুচি আৰু তৰকাৰী, সোনকালে খাই উঠি যোৱা দিনটো কাম নাই বন নাই, চাৰিআলিত বহি আড্ডা মাৰিব তথাপি ভাত কেইটামান ৰাতিপুৱাই উঠি খাই আহিব নোৱাৰে–

খাই আহিব নোৱাৰে মানে? কোনে বনাই দিয়ে? মায়ে নামাতে ভাইটিয়েও নামাতে। দেউতাই ৰাতিপুৱা আজি কি কৈছে জানা?

কিনো ক'লে?

ভাড়াঘৰ বিচাৰিব দিছে–

কিয়, কি দুখত?

অহা সপ্তাহত ভাইটোৰ বিয়া– মোৰ চল্লিশ ভাইটোৰ সাতত্ৰিশ; সি আৰু কিমান দিন বাট চাব?



ভাই মানে 'ৰূপমৰ?'

ওঁ–

ঘৰত মোৰ স্থান আৰু এসপ্তাহ মাত্ৰ। ভবাই নাছিলো দিনবোৰ যে হঠাৎ ইমান দুৰ্বিসহ হৈ পৰিব–।

এনেকুৱা হ'বলৈ পালে কিয়?

হ'বই; মই যদি দেউতাক হলোহেঁতেন, মই তাকেই কৰিব কলোহেঁতেন। জানাইতো আমাৰ ঘৰটো? বৰ সৰু। কোঠা মাত্ৰ দুটাহে; এটাত মা-দেউতা থাকে আৰু আনটোত আছিলো ভাইটি আৰু মই। এতিয়া মানে সি যদি বিয়া কৰাই, মইনো থাকো ক'ত? এতিয়া টিউশ্যনৰ পইছা কেইটাৰে ভাড়াও দিব লাগিব– এইবোৰ ভাবোতে মোৰ মগজুত একো নোহোৱা হৈ গৈছে –

প্ৰমথেশৰ অসহায় অৱস্থাটো উপলব্ধি কৰি স্বপ্নাৰ বেয়া লাগিল। গেছ ষ্টোভৰ ওপৰত থকা গৰম পানীৰ কেটলিটো নমাই ষ্টোভটো নুমাই সি বহি খাই থকা মেজখনৰ কাষৰ চকী এখন টানি উলিয়ালে আৰু তাৰ কাষতে মূৰে-কপালে হাত দি বহিল।

মোকোৰা-মোকোৰ লুচি-ভাজি চোবাই সি স্বপ্নাক সুধিলে– 'কি হ'ল?

কি হ'ল নহয়, কি হ'ব এতিয়া?

কাৰ?

তোমাৰ?

হবৰ কিটো আছে? একো নাপালে গছৰ তলত। কিমান মানুহ গছৰ তলত আছে। অন্যই যদি থাকিব পাৰে মই বা নোৱাৰিম কিয়?

খেমালি এৰা–

মই খেমালি কৰা নাই,

স্বপ্নাই অলপ নিৰ্বাক হৈ থাকি তাৰ বহল কপাল, কেঁকোৰা চুলি, জোঙা নাক আৰু নুখুৰোৱা দাঢ়িবোৰলৈ চালে–

কি চাইছা? চাই লাভ নাই; শুকাই-খীণাই জৰি এডালৰ নিচিনা হৈ গৈছো; তোমাক দেখিলে মোৰ বেয়াই লাগে–

পুতৌ কৰিছা? মই কিন্তু পুতৌ বিচৰা নাই দেই;

সেইটো মই জানো, কিন্তু মই ক'ব খুজিছিলো কি জানা? একো ঠিক নোহোৱালৈকে আমাৰ ইয়াতে থাকা–

ধন্যবাদ, কিন্তু সেইটো হ'ব নোৱাৰে আৰু নহয়ও। এই বয়সত ইয়াত থাকি মই বদনাম চপাই লব নোৱাৰো– চাফা কথা। যদি পাৰা, মোক এটা কম দামী ভাড়াঘৰ জোগাৰ কৰি দিয়া; সকলোতকৈ ভাল হ'ব যদি ক'ৰবাত মাত্ৰ এটা কোঠাৰ ভাড়াঘৰ পালোহেঁতেন।

মই থকা ভাড়াঘৰটোৰ ওপৰ মহলাত কিন্তু মাত্ৰ এটা কোঠা বহুদিন ধৰি ভাড়া নোহোৱাকৈ পৰি আছে। মাত্ৰ এটাই কোঠা বাবে কোনোৱে ভাড়াত লব নোখোজে। অৱশ্যে উঠা-নমাত অলপ কষ্ট হ'ব। প্ৰয়োজন হ'লে চাই আহিব পাৰে– মণিষাই বৰ উৎসাহিত হৈ ক'লে।

প্ৰমথেশে গহীনভাৱে মণিষালৈ চালে–

যদি তোমাৰ ঘৰত তেনেকুৱা অৱস্থাই হৈছে চাই নাহা কিয়? এটা কোঠাৰ ভাড়া, বেয়া নহ'ব কিজানি তোমাৰ বাবে–

ভাড়া কিন্তু অলপ বেছি– মণিষাই নীৰৱে ক'লে।

কিমান?

মণিষাই ক'লে

এটাই কোঠা হিচাপে অলপ বেছি হৈছে– তুমি তেনেহ'লে চাই নাহা কিয়; কাৰোবাক যদি দি দিয়ে?

এতিয়া নোৱাৰো যাব? মই বৰ অস্থিৰ হৈ আছো– একো সিদ্ধান্ত লব নোৱৰা হৈ আছো; ভাইটিৰ বিয়ালৈ মাত্ৰ এসপ্তাহ; কি যে কৰো, ইফালে হাতত পইছা-পাতিও নাই। যদি প্ৰয়োজন বুলি ভাবো অহাকালি আপুনি চাকৰিলৈ যোৱাৰ আগেয়ে চাই আহিমগৈ। আপুনি মাত্ৰ ঘৰটো এসপ্তাহৰ বাবে কাকো দিবলৈ নিদিব– তেনেকৈ কৈয়েই সি বহাৰ পৰা উঠিল আৰু চ'ৰাঘৰৰ দুৱাৰ নিজে খুলি বাহিৰলৈ ওলাই গৈ আলিবাটত উঠিলগৈ।

দুপৰীয়া এক বাজিছে। আলিবাটত ভিৰ জমিছে। কাৰ্যালয়ত চাকৰি কৰা মানুবোৰেৰে ৰেষ্টোৰাঁ ভৰি পৰিছে। স্কুলীয়া ল'ৰাবোৰে তাত সোমাই হুলস্থুল বঢ়াই দিছে। এবাৰ সি আলিত থিয় হৈ ভাবিলে– ঘৰলৈ গৈ গা-পা ধুই ভাত-পানী খাই ইজেলৰ অৰ্দ্ধসমাপ্ত ছবিখন শেষ কৰিব নেকি– কিন্তু যি মুহূৰ্ততে সি কথাষাৰ ভাবিলে, তাৰ ঠিক পিছ মুহূৰ্ততে মনলৈ আহিল বৰ্তমান ঘৰৰ পৰিবেশ। চাৰিজন মানুহে ঘৰটো ৰং কৰি আছে, তাৰ কোঠাৰ ইজেল, লেপ-তুলি সকলো সামৰি সুতৰি মাক-দেউতাকৰ কোঠাত সুমাই থোৱা হৈছে। বিয়াৰ খবৰ লোৱা মানুহেৰে ঘৰটো ভৰি আছে, দেউতাকে অফিচলৈ যোৱা নাই, গ'লেই হয়তো সুধিব– ভাড়াঘৰৰ কিবা খবৰ পালে নেকি? তেনেকৈ সুধিলে হয়তো তাৰ খং উঠি যাব, গালি-গালাজ চলিব খং উঠি সিয়েই হয়তো দেউতাকক কোনো দিনেই নোকোৱা কথা কিছুমান ক'ব, তাতকৈ এই দুপৰীয়াখন তালৈকে নোযোৱাই ভাল। ছবি আঁকাৰ বাবে লাগে নীৰৱতা, সেই নীৰৱতাৰ মাজত সি নিজকে ধ্যানস্থ হ'ব পাৰিব লাগিব তেতিয়াহে ছবি।

"নাই নাযাওঁ ঘৰলৈ, মোৰ কাৰণে তাত আৰু একো পাবলগীয়া নাই। তাতকৈ চাৰিআলিৰ একোণত থিয় হৈ থকাই ভাল; অন্ততঃ ইয়াত কাৰোবাক লগ পাই যাব পাৰো। কোনোবা এজনক লগ পোৱা হ'লে"– বিৰবিৰাই থাকি সি এবাৰ ইফালে সিফালে চালে।

'ৰ্কি খব্বৰ প্ৰমথেশ!

পিছফালৰ পৰা কোনোবাই মতা শুনি সি ঘূৰি চাই দেখে হৃদয়ানন্দ।

হৃদয়ানন্দক লগ পোৱাৰ পাছতেই তাৰ মনটো ভাল লাগি গ'ল আৰু আনন্দৰ উত্তেজনাত চিঞৰি উঠিল– আৰে ভাই অলপ সংগ দে, জীৱনটো ধ্বংসই হৈ গ'ল, বহেমিয়ান জীৱন ভাই। আজি-কালি মই বৰ অকলশৰীয়া অনুভৱ কৰো। মোৰ চাকৰি-বাকৰি নাই বাবে কোনোৱে সংগ দিব নোখোজে নেকি? তইঁতক যে কাকোৱেই লগ -চগ নাপাওঁ– কথা কি?

কাক লগ পাব? এই বয়সতনো কাৰ ইমান সময় আছে যে তাক অনবৰত সংগ দি ফুৰিব? চাল্লা, কুকুৰ, অপদাৰ্থ ফাৰ্ষ্ট ক্লাছ পোৱা ল'ৰা এটা– আজিলৈ একো এটা কৰিব নোৱাৰিলি; চুৱা কলহ ডিঙিত বান্ধি মৰি যাগৈ। তোৰ দৰে ল'ৰা এটা জীয়াই থাকিব নালাগে– হৃদয়ানন্দই হাঁহি হাঁহি তাৰ কান্ধত হাত থৈ ৰেষ্টোৰাঁৰ ফালে যাব খোজোতেই প্ৰমথেশে কান্ধৰ পৰা হাতখন এৰাই দি খঙত একো নাই হৈ চিঞৰিলে– তই নিজকে খুব সাংঘাতিক কিবা এটা কৰি থকা বুলি ভাবিছ নেকি? তই যেনিবা ডিগ্ৰীটো বিক্ৰী কৰি এচিটেন্ট কমিচনাৰ হলি আৰু মই যেনিবা বলিয়াৰ দৰে ঘূৰি ফুৰিছো ডিগ্ৰীটো বিক্ৰী কৰাৰ কাৰণে– বিক্ৰী হ'লেই মইয়ো তোৰ দৰেই এটা ভণ্ড দগাবাজ হৈ যাম কিন্তু এটা বিন্দুত তই মই সকলো খাব নোপোৱা চেৰেলা ভতুৱা কুকুৰ; হয়নে নহয়?

কিয় হম ৰে? মই ভদ্ৰলোক, সুখী-সন্তোষী মানুহ– হৃদয়ানন্দই উত্তেজিত নহৈ তাৰ ফালে চাই হাঁহি হাঁহি কলে।

বৰ সুখী মানুহডাল ওলাইছে। সঁচা কথা কছোন তোৰ দৰমহাৰ টকাৰে ভালদৰে এমাহ খাবলৈ জোৰে? মিছা নকবি। নোজোৰে। সেই কাৰণেই কৈছো, আমি সকলো খাবলৈ নোপোৱা চেৰেলা কুকুৰ, ফলত নজনাকৈ আনৰ চুৱা চেলেকি ফুৰো। বেছি গৰ্ব কৰি লাভ নাই। দৰাচলতে আমাৰ এই মানুহমখাৰ একো সামাজিক মূল্য নাই।

ওহো তোৰ লগত মই একমত নহয়। আমি যে জীয়াই আছো, এইয়াই আমাৰ কাৰণে সামাজিক মূল্য, পৰিপাটিকৈ জীৱন চলাই নিয়াটোৱে এক সামাজিক আদৰ্শ বুলিয়েই মই সুখেৰে জীয়াই আছো। চাকৰি কৰিছো, সামাজিক ৰীতিৰে সংসাৰ কৰিছো, ল'ৰা-ছোৱালী জন্ম দিছো– বচ মই সুখী। মোৰ দৃষ্টিত তই সামাজিক নিয়ম উলংঘা কৰিছ– হৃদয়ানন্দই পুনৰবাৰ হাঁহি হাঁহি প্ৰমথেশক কলে।

তই নিজকে নিজে বৰ লোক সাজি বহি আছ–

ধেৎ, তোৰ লগত আধা ঘন্টা থাকিলে মগজু নষ্ট হৈ যাব। ইমান নিৰাশ মানুহৰ লগত থাকিব নাপায়– তেনেকৈ কৈয়েই হৃদয়ানন্দ যাব খোজোতেই প্ৰমথেশে তাৰ বাউসীত ধৰি নিজৰ সমুখলৈ টানি আনিলে।

কি হ'ল আকৌ? মোক যাবলৈ দে, সময় নাই, মইতো তোৰ দৰে যাযাবৰ নহয়–

তই যে কলি মই বৰ নিৰাশ? আচলতে মানুহৰ জীৱনটোৱেই এক বিৰাট নৈৰাশ্য। ক'ত দুখ যন্ত্ৰণা সহ্য ৰি কৰি বিদ্যা শিক্ষা লৈ নিজক আয়তন-বিশিষ্ট কৰি লোৱাৰ পাছত পৃথিৱীৰ পৰা সকলো এৰি গুচি যোৱাটোৱেই এক বিৰাট নৈৰাশ্য নহয়? তই সেই কথা পাহৰি যোৱাটো উচিত নহয়।

সেইটো বুঢ়া মানুহেহে ভাবিব। মই এতিয়াও বুঢ়া হোৱা নাই। মই এজন কৰ্মঠ আশাবাদী ডেকা ল'ৰা–

কিন্তু এদিন বুঢ়া হবি, শৰীৰৰ শক্তি নোহোৱা হ'ব? তেতিয়া আশা কলৈ যাব? সকলোৰে যেনেকৈ শেষ আছে, তেনেকৈ আশাৰো এদিন শেষ আছে– নাই বুলি ক'ব খোজ নেকি?

ধেৎ তোৰ লগত এক পলো আৰু থাকিব নোৱাৰি। বেছি নালাগে, তোৰ লগত মাত্ৰ এঘন্টা থাকিলেই মানুহ পাগল হৈ যাব। ভাবিছিলো, বহুদিনৰ মূৰত লগ পালো যেতিয়া দুয়ো মিলি একাপ চাহকে খাওঁ– তোৰ লগত বহি চাহ খোৱা মানে বিষ পান কৰা– মোক যাবলৈ দে ভাই–

হেই হৃদয়ানন্দ, শুনছোন শুন, হৃ-দ-য়-, হৃ...

হৃদয়ানন্দই প্ৰচণ্ড বেগেৰে সমুখৰ ফালে আগবাঢ়ি গৈ গৈ নিমিষতে জনসমুদ্ৰত অদৃশ্য হৈ পৰিল।

হেই -হৃদয় -হৃদয়–

"এইৰকম চিল্লাই চিল্লাই কিনে কাক খুজিছে প্ৰমথেশ বাবু; চামনততো মানুচ ভী নাই আছে –

পিছফালৰ পৰা কোনোবাই তাৰ বাউসীত হাত থোৱাৰ স্পৰ্শ অনুভৱ কৰি সি ঘূৰি দেখে হোটেল 'স্কাই'ৰ প্ৰপাইটৰ মালহোট্ৰা –

'বলক মোৰ চাথ। আজি ঠাণ্ডা ভী আছে, একদম চাঁদৰ ওপৰত আপ্নি অউৰ হম্'–

হোটেল স্কাইৰ প্ৰপাইটৰ মালহোট্ৰাৰ লগত প্ৰমথেশৰ বহুদিনৰ বন্ধুত্ব; দুয়ো দুয়োকে ইউনিভাৰচিটিত লগ পোৱা যদিও মালহোট্ৰাই পঢ়িছিল কমাৰ্চ। প্ৰমথেশে মালহোট্ৰাৰ কথাটোত ভালেই পালে। আজি এনেকুৱা কিবা এটাই সি অথনিৰে পৰা বিচাৰি আছিল– যাতে



বসন্ত সংখ্যা সূত্ৰধাৰ ▫ ১–১৫ এপ্ৰিল ১৯৯২

দিনটো ঘৰলৈ নোযোৱাকৈ বাহিৰত কিবা এক ব্যস্ততাৰ মাজত কটাই দিব পাৰে- কওক যাব ? মালহোট্ৰাই তাৰ সন্মতি বিচাৰি মুখৰ ফালে চালে ।

সংগ বিচাৰি ফুৰা প্ৰমথেশে শেষত এক সুদীৰ্ঘ সময়ৰ বাবে সংগ পাই ভিতৰে ভিতৰে এক চেপা উত্তেজনা অনুভৱ কৰি কৰি দুই হাত মেলি ক'লে- 'বলক হে যাওঁ-'

চাঁদৰ ওপৰত আবেলিৰ ৰ'দ । সি চাঁদৰ ওপৰত থিয় হৈ ব্যস্ত চাৰিআলিটোলৈ চালে, যিখিনি ঠাইত সি প্ৰায়েই এনেয়ে বৈ থাকে, সেইখিনি ঠাইলৈ চালে; বৰ্তমান তাত তাৰ সলনি কোনোবা অচিনাকি ল'ৰা এজন থিয় হৈ আছে । কাযেদি সুতীব্ৰ গতিৰে পাৰ হৈ যাব ধৰিছে মটৰ-গাড়ী, স্কুটাৰ, বাইক, অট'ৰিক্সা । হঠাৎ তাৰ মাজে মাজে চাৰিজন ল'ৰাই এখন মটৰ বাইকত উঠি হাঁহি- খিকিঙালি কৰি পাৰ হৈ গ'ল । সেই দৃশ্য দেখি মনে মনে তাৰ হাঁহিও উঠিল আৰু তাৰ লগে লগে সিহঁতৰ প্ৰতি পুতৌ জন্মিল । কলেজত থাকোতে সিও এনেকৈ কাৰোবাৰ মটৰ চাইকেলৰ পিছফালে উঠিছিল, কেতিয়াবা এখনতে পাঁচজনকৈ উঠিছিল । তাৰ পাছত কাযেদি পাৰ হৈ যোৱা অচিনাকি ছোৱালীবোৰৰ ফালে চাই চাই সুহুঁৰিয়াইছিল । আনকি মাজে মাজে [illegible] হিন্দী চিনেমাৰ দুই এটা গানো বাটে বাটে গাই গৈছিল - কত স্বপ্ন দেখিছিল সেই সময়ত ; যেনেকৈ স্বপ্ন দেখিছিল তাৰ বন্ধু তন্ময় আৰু স্বপ্নাই ।

সেইবোৰ ভাবি ভাবি তাৰ হাঁহি উঠি গ'ল, তাৰ পাছত সেই আটাইবোৰ অতীত ঘটনা-প্ৰবাহ অৰ্থহীন যেন লাগিল । চাঁদৰ ওপৰৰ পৰা তাৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল- ভাইহঁত, চাবি কিন্তু ! শেষটো যাতে মোৰ দৰে নহয় ।

"প্ৰমথেছ বাবু ! মহণ আপনাক অবজাৰ্ভ কৰি কৰি কি পাইছো জানে ? লাষ্ট একবছৰ মাফিক চময়, চাৰিচ'কত খাৰা হৈ কিনে কিবা চিন্তা কৰি থাকে । এইৰকম কি চিন্তা কৰে ? চাদি-উদি নকৰায় নেকি ? কৰায় যদি কওক ঃ আমাৰ ঘৰতভী দুই এক ফেমিলিৰ খুব খুবচুৰত খুবচুৰত চোক্ৰী আহি থাকে ।

মালহোট্ৰাৰ প্ৰকাশ ভঙ্গীত প্ৰমথেশে বৰ ৰস পাই পাই মিচিকিকৈ হাঁহিলে আৰু পুনৰ নিৰ্বাক আৰু গহীন হৈ পৰিল ।

কোঠাৰ আচ-বাব ঠিক-থাক কৰি মালহোট্ৰাই খিৰিকিৰে প্ৰমথেশক মাতিলে -'আহক, একদম ৰেডি'-

এখন মেজত দুয়ো সমুখা-সমুখিকৈ বহিলে; অলপ বেলি চিগাৰেট টানি টানি মালহোট্ৰাই সুধিলে- "কোনটো ? ৰাম, হুইস্কি, ব্ৰাণ্ডী ?'

ৰাম আছে যদি অলপ বাকক-

"ঘোঁৰাই খোৱা ৰাম, বঢ়িয়া; আৰ্মিৰ কেন্টিনৰ পৰা আনি থোৱা- খাব ?"

মোৰ কাৰণে বৰ্তমান সেইটোৱেই একমাত্ৰ উপযুক্ত বস্তু । মালহোট্ৰাই এটা ৰামৰ বটল খুলি দুপেগ ঢালি পিৰিচ এখনত আলুৰ চিপ্‌চ এপেকেত খুলি ললে ।

বাঃ বঢ়িয়া ! - প্ৰমথেশে এঢোক মুখত দিয়েই ক'লে ।

'বঢ়িয়া হবই ; লেকিন আপ্‌নি আজকাল ছবি-উবি প্ৰেক্টিছ কৰে নে নাই ঃ না ঔচৰ একদম লাথ মাৰি কিনে বহি গৈছে ?' এঢোক খাই ডিঙিটো পিহি পিহি ক'লে ।

জহন্নামে যাওক পেইন্টিং ; কাৰ কাৰণে ছবি আঁকিব ? ছবিনো কাক বোলে মানুহে তাকেই নাজানে । সেইবোৰ বাৰু এৰিলোৱেই, মানুহে ছবি আৰু ফটোগ্ৰাফৰ পাৰ্থক্যই নাজানে ! ধুৰ এইবোৰ বাদ দিয়ক । প্লিজ, মই এই বিষয়ে নুসুধিবলৈ কেইবাদিনো সকীয়াই দিছো ঃ মিছাকৈয়ে বন্ধুত্ব নষ্ট কৰে কিয় ? প্লিজ-

"আৰ্টিষ্ট লোগ চব আপ্‌নাৰ মাফিক ; চব্বিশ ঘন্টাই কিবা কিবি ভাব্‌না-চিন্তা কৰি থাকে । কি এই ৰকম ভাব্‌না-চিন্তা ? মোৰ ভী একটা আপ্‌নাৰ মাফিক ফ্ৰেইও আছে । দেহলীত থাকে- মিঃ চোপ্ৰা । ঐ ভী আপ্‌নাৰ ৰকম ; চাৰিআলিত খাৰা হৈ কেনে ৰাস্তাৰ মানুহ গন্‌তি কৰে আৰু খুব ভাবে ; আৰে ডেকা ল'ৰা স্ফূৰ্তি কৰিব লাগে, তামচা কৰিব লাগে ; চোক্‌ৰী-উক্‌ৰি দেখিব লাগে ;"

প্লিজ ষ্টপ্‌ দিচ ননচেন্স ! ৰা-ৱি-ছ !

মালহোট্ৰাই দেখিলে- প্ৰমথেশে এক অৱজ্ঞাৰ দৃষ্টিৰে তালৈ চাই আছে ।

'কি হ'ল প্ৰমথেছ বাবু ?'

সি বহাৰ পৰা উঠিল ; মুখখন মচিলে আৰু নীৰৱে নাটকীয়ভাবে কোঠাৰ পৰা ওলাই গুচি গ'ল ।

পিছদিনা দেওবাৰ আছিল । ঘৰত চুণ তেল দিয়া কাম ক্ষিপ্ৰ গতিৰে আগবাঢ়িব ধৰিছে । ঘৰলৈ অহা আলহীবোৰে তাক সুধিলে- 'সি বাৰু এনেকৈয়ে জীৱন পাৰ কৰি দিব নেকি ?' তাৰ পাছত আকৌ সাৱধান কৰি দিছে- 'সি তেনেকৈ থাকি একো ভাল কাম কৰা নাই ; পিছত পস্তাব ; ডেকা তেজৰ গৰম ক'ববাত যাব ।' মাজতে আকৌ তাক দেউতাকে একাষৰীয়াকৈ মাতি নি মৰমেৰে পিঠিত হাত ফুৰাই ফুৰাই সুধিলে- 'ভাড়াঘৰ বিচাৰিবলৈ কোৱাত তই হবলা মোক বেয়া পাইছ ?

চকুপানীৰে তাৰ চকুহাল চলচলীয়া হৈ উঠিল । দেউতাকে তাৰ চকুহাললৈ চাব নোৱাৰিলে ।

সি অসহায়ভাবে দেউতাকলৈ চালে ।

মই আচলতে বৰ অসহায় হৈ পৰিছো ; কোঠা এটা বঢ়াব পৰা পইছা মোৰ হাতত নাই । মই যে কি কৰো- ইফালে এইবোৰ নকৰিলেও নহয় ; আমাৰ সকলোৰে বয়স বাঢ়ি গৈছে-

মই কিবা এটা কৰিম ; কোঠা এটাৰ পৰা খবৰো পাইছো ; আপুনি চিন্তা নকৰিব- প্ৰমথেশে দেউতাকক ক'লে ।

অৱশ্যে তই কিছুদিনৰ বাবেহে ভাড়াঘৰত থাকিব লাগিব । সদায় কিন্তু নালাগে । অহা মাহত মই চাকৰিৰ পৰা অৱসৰ লম । গতিকে তেতিয়া পি, এফৰ পইছাখিনিও পাম আৰু পালেই তোৰ কাৰণে মই ধুনীয়াকৈ কোঠা এটা সাজি দিম ; তই বেয়া নাপাবি ; মই একো উপায় নোপোৱা হৈছো- দেউতাকে থোকাথুকি মাতেৰে কথাখিনি কৈ ৰুমালেৰে চকু দুটা মচিবলৈ ধৰিলে ।

আপুনি এই বিষয়ে একো ভাবিব নালাগে ; মই কি অবুজ নেকি ? আচলতে মই এই বিষয়ে আগতেই কিবা এটা ভাবিব লাগিছিল- প্ৰমথেশে দেউতাকক ওলোটাই সান্ত্বনা দিবলৈ চেষ্টা কৰিলে ।

দেউতাকে চকুহাল মোহাৰি মোহাৰি তাৰ কাষৰ পৰা নীৰৱে গুচি গ'ল ।

দেউতাক যোৱাৰ পাছতেই সি মণিষাই কোৱা ভাড়াঘৰটো চাবলৈ ওলাই গ'ল । সি গৈ যেতিয়া মণিষাৰ ঘৰৰ সমুখ পালে তেতিয়া তাই বেলকনিত থিয় হৈ হৈ ফুলৰ টাবত পানী দি আছিল । খট্‌খটীৰে উঠি আহি সি হঠাৎ তাইৰ কাষত থিয় হ'ল । তাৰ এই হঠাৎ উপস্থিতিত আশ্চৰ্য প্ৰকাশ কৰিলে আৰু লাজ লাজ ভাবত খোলা চুলিটাৰি দুই হাতেৰে মুঠি মুঠি কৰি ডাঙৰকৈ খোপা এটা বান্ধি লাহেকৈ ক'লে- 'ও আপুনি ?'

'আপুনি যে কৈছিল- এটা কোঠাৰ ভাড়াঘৰটো ? কোনোবাই আহি সোমালে নেকি ?' - সি কথা নবঢ়াই প্ৰয়োজনীয় কথাখিনি চমুকৈ সুধিলে ।

ওহো, কোনো সোমোৱা নাই ; এতিয়াও খালি হৈয়েই আছে । ৰ'ব মই মালিকনী বাইদেউক মাতি দিছো । ও নহয়, নহয় নালাগে ; তাতকৈ মইয়ে আপোনাক বাইদেউৰ ঘৰলৈ লৈ যাওঁ ; আপুনি নিজেই কথা-বতৰা পাতি চাওক ; ভালদৰে কওকচোন, কিজানি অলপ ভাড়া কমাই দিয়েই ।

মণিষাৰ সৈতে মালিকনী ওলাই আহি তাৰ সমুখত থিয় হৈ ভৰিৰ পৰা মূৰলৈ এবাৰ পৰ্যবেক্ষণ কৰিলে । সিও নিৰ্ভীকভাবে মহিলালৈ চালে-

ও তোমাৰ কথা যোৱা পৰহিয়েই মোক মণিষাই কৈছে ; কিন্তু মই এটা কথা ঠিক ভালদৰে নুবুজিলো ; মানে ধৰাচোন, নিজৰ ঘৰ থাকোতে আকৌ ভাড়া ঘৰ ----------

নহয়, মানে আমাৰ ঘৰটো বৰ সৰু আৰু ঠেক ; মাত্ৰ দুটা কোঠাৰ এটা ঘৰ-

অ' অন্য সমস্যা একো নাইতো ? আজিকালিৰ ডেকা ল'ৰাৰ কি বিশ্বাস ? বিছনাৰ তলত লাইট মেচিন গান, গাৰুৰ তলত ৰিভলভাৰ ; কাৰ্টিজ- মহিলাই অলপ ৰগৰ কৰাৰ সুৰত সুধিলে ।

সি হাঁহিলে ।

মণিষা, যোৱা তুমিয়েই কোঠাটো দেখুৱাই আহাগৈ ; ইমান ওপৰলৈ মই উঠি যাব নোৱাৰো ; এইয়া লোৱা, কোঠাৰ চাবি-

প্ৰমথেশে কোঠাৰ ভিতৰত সোমায়ে প্ৰথমবাৰাৰ বাবে খিৰিকিৰ কাঁচৰ মাজেৰে এক অবিস্মৰণীয় সৌন্দৰ্য দেখি বিস্ময়াভূত হৈ পৰিছিল । ধূ ধূ বালিচৰ ; তাৰ মাজত শীতৰ শীৰ্ণ নদীৰ নীলাভ বাৰিধাৰ । নৈৰ ওপৰত পানী কাউৰীৰ জাক ; উৰ্বশীৰ স্তম্ভ । বিপৰীত ফালেদি এক জাহাজ----- প্ৰথমে মাস্তুলৰ ফালে সি এবাৰ চালে আৰু তাৰ পাছত নৈৰ ওপৰৰ দৃশ্যাৱলী চাই মনে মনে এক প্ৰশান্তি অনুভৱ কৰি কৰি সি উত্তেজিতৰ দৰে চিঞৰি উঠিল- বাঃ কি অপূৰ্ব ! সুন্দৰ ! চমৎকাৰ ! বাঃ নাওবোৰ যে আৰু ? এই নাওবোৰ বাৰু ক'লৈ যায় ? কি লাগে তেওঁলোকক ? সেই



OKDISCD

কথাবোৰ জানিবলৈ মোৰ বৰ মন যায়। আৰু সেয়া পাহাৰৰ চূড়াবোৰ ? আৰু সিপাৰে সেইবোৰ কি ? ঘৰ। নৈৰ পাৰৰ ঘৰবোৰ বৰ ভাল লাগে ; মোৰো যদি ঘৰটো নৈৰ পাৰত হ'লহেঁতেন। চাওক, এই খিৰিকিখনেৰে নৈখন ইমান ধুনীয়া দেখি !

ইয়ে সঁচাতো ! কিমানবাৰ যে মই এই কোঠাটোলৈ মানুহ দেখুৱাবলৈ আনিছো, অথচ কোনো দিনেই নৈখন ইমান ধুনীয়াকৈ উপলব্ধি কৰা নাছিলো আৰু আজি আপুনি কোঠাটোত ভৰি দিয়েই নৈখনক সম্পূৰ্ণ নতুনকৈ উপলব্ধি কৰিলে। সঁচাকৈয়ে, আপুনি যদি কোঠাটো ল'লেহেঁতেন, ময়ো মাজে মাজে ইয়ালৈ আহি এই খিৰিকিৰ কাঁচেৰে নৈখন চাই থাকিব পাৰিলোহেঁতেন। এটা কথা দেই, মই কিন্তু মাজে মাজে আহি ইয়াত থাকিম দেই। প্ৰয়োজন হ'লে আপুনিও মোৰ তাত থাকিব– আবেগত অধীৰ হৈ মণিষাই ক'লে।

এদিনৰ চিনাকিৰেই এনে ধৰণে কথা কোৱাত, সি তাইলৈ আশ্চৰ্য প্ৰকাশ কৰি ঘোপাকৈ চালে–

কওক, ভাল লাগিছেনে ? কওক আহিব ?

এটাই মাত্ৰ কোঠা, অথচ ঠেক, তাৰ উপৰি ভাড়াও ইমান বেছি ? নাই নহব–

সি নহব বুলি কোৱাৰ লগে লগে মণিষাৰ মনৰ উৎসাহ কমি আহিল ; মুখৰ উজ্জ্বলতা হঠাৎ নোহোৱা হৈ আহিল আৰু মানুহ গৰাকী ক'লা পৰি যোৱাৰ দৰে হ'ল। – প্ৰমথেশে প্ৰথমবাৰৰ কাৰণে কথাটো লক্ষ্য কৰিলে।

কেৱল জানো ভাড়াটোৱেই প্ৰধান কথা ? এনেকুৱা ঠাই আপুনি পাবই বা ক'ত ? চাৰিওফালে মুকলি। গৰমৰ দিনৰ জোনাক ৰাতিৰ কথাই ভাবকচোন ? চাঁদৰ ওপৰত বহি বহি আপুনি বেহেলা বজাইছে ; জোনাকী পৰুৱাবোৰ ইফালৰ পৰা সিফাললৈ অহা যোৱা কৰিছে ; এচাটি গধুৰ চেঁচা বতাহ নৈৰ ফালৰ পৰা আহি আছে ; তদুপৰি জাহাজৰ উকি– এইবোৰোৰো এটা দাম আছে– আপুনি আৰ্টিষ্ট মানুহ–

হ'লেও মোৰ অৰ্জনৰ পথটোৱো চাব লাগিব ; মোৰটো চাকৰি নাই ; কেইজনমান ল'ৰাক পঢুৱাওঁ ; তাৰে বেছি ভাগেই পইছা নিদি পলাই ; অৱশ্যে মই সৌন্দৰ্যপিপাষু ; সেইটো ঠিক। কিন্তু সৌন্দৰ্য উপলব্ধি কৰিবলৈতো আপোনাৰ শক্তিৰ প্ৰয়োজন ; শক্তিৰ কাৰণে অলপ ভালদৰে খাব নালাগিব জানো। জানেই, ল'ৰা ধেমালিৰ এতিয়া আৰু বয়স নাই ; মনৰ উৎসাহ কমি আহিছে।

প্ৰমথেশ যোৱাৰ পাছত মণিষাৰ কিবা লাজ লাজ লাগিল। এদিনৰ চিনাকিতেই এজন ল'ৰাক তাই কৰ্তৃত্বৰ সুৰত এনেকৈ কৈ দিলে যেন সি তাইৰ বহুদিনৰ চিনাকিহে। সময় অতিক্ৰম কৰাৰ লগে লগে তাই কথাটো বৰকৈ গুণা-গঁথা কৰিলে। কিজানি তাইৰ অস্বাভাৱিক ব্যৱহাৰতেই সি কোঠাটো ভাড়া নোলোৱাকৈ গুচি গ'ল ? দুপৰীয়া হোৱাৰ লগে লগে তাইৰ অস্বস্তি আৰু বাঢ়ি গ'ল আৰু শেষত দুঃচিন্তা আঁতৰাবলৈ স্বপ্নাৰ ঘৰলৈকে ল'ৰাটোৰ সৈতে ওলাই গ'ল।

মণিষা যোৱাৰ পিছদিনাখন প্ৰমথেশে আকৌ ঘৰত থাকি বিৰক্ত অনুভৱ কৰি অভ্যাসবশতঃ কোনো ফালে যোৱাৰ পথ বিচাৰি নাপায় ভাবিলে– তন্ময়ৰ ঘৰলৈ যাব। তন্ময়ে মেজত বহি কিবা কিবি লিখি আছিল ; স্বপ্নাই ফুলনিত সোমাই ইটো ফুলৰ পৰা সিটো ফুলৰ ওচৰলৈ এনেয়ে অহা-যোৱা কৰিছিল।

তাক দেখিয়েই স্বপ্নাই কোনোদিনে নেদেখা মানুহৰ দৰে ঘোপাকৈ চালে।

সিও তাইৰ চাৱনিৰ গুৰুত্ব কমাবলৈ সুধিলে– তন্ময় আছে বোধহয় ?

কিয়, মোক নিবিচৰা নেকি ? – ধেমালিৰ সুৰত স্বপ্নাই হাঁহি হাঁহি সুধিলে।

সি এইবাৰ সেইফালে অলপো গুৰুত্ব প্ৰকাশ নকৰি পোনে পোনে নিজৰ ঘৰলৈ সোমাই যোৱাৰ দৰে সোমাই গৈ তন্ময়ৰ ওচৰ পালেগৈ।

কি কৰিলি পাছত ? ভাড়াঘৰটো ললি নে নাই ?

তন্ময়ে কথাষাৰ শেষ কৰিব নৌপাওঁতেই স্বপ্না সিহঁতৰ মাজৰ কথোপকথনত প্ৰতিবন্ধক হৈ থিয় দিলে।

'কি হ'ল ?' তন্ময়ে স্বপ্নাৰ ফালে চালে।

নাই, মানে মই এওঁক কথা এটা ক'বলৈহে আহিছো–

কি কথা ? ভাড়াঘৰটো ?

নহয়, মানে মণিষা আমাৰ ঘৰলৈ যোৱাকালি আকৌ আহিছিল–

আহিবই বুলি আগতেই জানো–

জানা ? আচৰিত–

তোমাৰ বান্ধৱীয়ে নিশ্চয় তোমাৰ ইয়াত আহি কৈছে যে– "প্ৰমথেশৰ ওচৰত মই বৰ দুঃখিত ; মই কৰ্তৃত্বৰ সুৰত তেনেকৈ কথাষাৰ ক'ব নালাগিছিল।"

আচৰিত ! সঁচাকৈয়ে, তাই এইখিনি কথাকে ক'বলৈকে আহিছিল ; অৱশ্যে তাই একেষাৰে এনেকৈ পোনে পোনে কোৱা নাছিল। কোৱাচোন কেনেকৈ জানিলা ?

অভিজ্ঞতা ; বা অভ্যাস হৈ গৈছে ; জীৱনৰ বাটত ইতিমধ্যে বহুতকে লগ পাই গ'লো নহয় ! মুখ মেলিলেই গৰ্ভ দেখাৰ দৰে–

তাই কিন্তু এনেকুৱা ছোৱালী নহয়–

মই জানো কৈছো– বেয়া বুলি ? মাত্ৰ কৈছো মোৰ ধাৰণাৰ কথা।

তুমি কিন্তু অন্যভাবে নলবা–

মই জানো লোৱা বুলি কৈছো ? আচলতে তোমাৰ বান্ধৱীৰ গাত অকণো দোষ নাই। এনেকুৱা মহিলা মই কেবাজনীকো লগ পাইছো। দৰাচলতে তেনে মহিলাৰ সমস্যাটো অলপ বেলেগ। তেওঁলোক বৰ অসহায় ; স্বামীহীনা হোৱা কি ধেমালিৰ কথা ? আমাৰ কথা অলপ বেলেগ ; য'তে ৰাতি ত'তে কাতি। তেওঁলোকে সেই কাৰণেই তেনে হবলৈ বাধ্য আৰু হোৱাটোৱেই বাস্তৱ। তাৰ মাজত দুই একে নিজক দমনো কৰে– সকলোৱে নিজক আকৌ দমন কৰিবও নোৱাৰে। বাদ দিয়া সেইবোৰ ; মই আজিকালি সকলো ধৰণৰ আবেগ-চাবেগ বাদ দিছো–

পিছে, কোঠাটো ল'বানে নাই ? মণিষাই সুধিছিল ; মই পিছে নাজানো বুলি ক'লো।

ক'বা, মোৰ আৰু ঘৰ ভাড়া লোৱা নহব–। পৰিবেশটো মোৰ অলপো ভাল নালাগিল।

তুমি থাকিলে, তাইৰো এটা সহায় হ'লহেঁতেন–

মই নিজেই অসহায়, আনক সহায় কৰিম কেনেকৈ ? নিজেই বাটত বলিয়া কুকুৰৰ দৰে এবাৰ এটা চ'কত ৰওঁ আনবাৰ আন এটাৰ এচুকত বৈ আকাশ-পাতাল ভাবো ; তেনেস্থলত, আনৰ সহায় ? নকবা, নকবা, লাজ দিয়া কিয় ? কোনোবাই আলিবাটত লগ পাই ভাং খাবলৈ মাতিলে, তালৈকো যাওঁ, কোনোবাই মদ খাবলৈ মাতিলে তাৰ তালৈকো যাওঁ– নিগনি পৰে আৰু মৰে– এই হৈছে মোৰ অৱস্থা–

আবেলি হৈ আহিল। তাৰ মনত এক বিষণ্ণতাই বিৰাজ কৰিলে–

ভায়েৰাৰ বিয়াৰ আয়োজন কেনেকুৱা ? তন্ময়ে জঠৰতা ভাঙি দিবলৈ বুলি প্ৰসঙ্গ সলনি কৰিবলৈ চেষ্টা কৰিলে।

দেউতা আৰু মায়ে সকলো কৰি আছে আৰু মই মুছাফিৰৰ দৰে চলি গৈ আছো ; বচ ; সেই বিষয়ে আৰু একো নুসুধিবি ; প্লিজ, ঘৰৰ বিষয়ে আৰু বিশেষ একো নুসুধিবি– । কিবা প্ৰয়োজন হ'লে ঘৰলৈ গৈ নিজেই চাই আহঁগৈ– তেনেকৈ কৈয়েই সি তন্ময়ৰ ঘৰৰ পৰা খণ্ডেৰে ওলাই আহি আলিবাটত ভৰি দিলে আৰু পোনে পোনে গৈ নিজৰ ঘৰ উঠিলগৈ–। কিন্তু নিজৰ ঘৰৰ সমুখত থিয় হৈয়েই মাক-দেউতাকৰ কোঠাটোৰ পৰা এক কান্দোন ভাহি অহা শুনিয়েই থমকি বৈ যাবলৈ বাধ্য হ'ল। সি ভবা নাছিল, ঘৰলৈ আহি এনেকুৱা এক পৰিস্থিতিত সমুখীন হ'ব লাগিব–

" ........ ঘৰৰ ডাঙৰ ল'ৰা এজনকনো বাহিৰলৈ গৈ ভাড়াঘৰত থাকিবলৈ দিবলৈ পাৰোনে ? ইতিমধ্যে তাৰ লগৰ সকলোবোৰৰতো বিয়া হৈয়েই গ'ল। তাৰ কাৰণেনো আজিলৈ কিয় একো-এটা কৰিব নোৱাৰিলে ? বেচেৰাটো, তাৰ বা মনত কিমান দুখ ? সৰু ভায়েকে বিয়া কৰাব আৰু ইফালে ঠাইৰ অভাৱত সি গৈ এতিয়া থাকিব লগীয়া হ'ল বাহিৰত। আমাৰ যদি অন্ততঃ আৰু এটাও কোঠা থাকিলহেঁতেন। তাক মই কেতিয়াও ঘৰৰ পৰা বাহিৰ হবলৈ নিদিলোহেঁতেন ......।"

অলপ সময় প্ৰমথেশে বাহিৰতেই থমকি ৰ'ল যদিও মাকৰ কান্দোনে তাক বৰকৈ বিচলিত কৰাত ভিতৰলৈ সোমাই আহিল। তাক দেখিয়েই মাকে কান্দোন বন্ধ কৰি বিপৰীত ফালে মুখ ঘূৰালে আৰু ক্ষণিক সময় তেনেকৈ থাকি অলপ খং মিহলি ভাষাৰে চিঞৰিলে– তই মোৰ ওচৰৰ পৰা সোনকালে যা। ভাড়াঘৰলৈ যাবলৈ ওলাইছ যেতিয়া সোনকালে যাগৈ। মাৰ মৰি যোৱা বুলি ধৰিবি–

তুমি দেউতাক তেনেকৈ কৈছা কিয় ? দেউতাই আমাক পঢুৱাই শুনাই মানুহ কৰিছে– নাই কৰা জানো ? বহু দেউতাকে ল'ৰা-ছোৱালীক পঢুৱাবও পৰা নাই। কিছুমান দেউতাকে আকৌ ল'ৰা-ছোৱালীক লোকৰ ঘৰত বন কৰা ল'ৰা কৰিও ৰাখিছে; মইতো অন্ততঃ সেইটো কৰিবলগীয়া হোৱা নাই–

মোৰ মন গৈছে ; কৈছো ; কান্দিছো ; তোৰ তাত কি ? সোনকালে কৈছো– মোৰ ওচৰৰ পৰা যা; মোক অকলশৰে থাকিবলৈ দে। দেউতাৰৰ হৈ মোৰ ওচৰত ওকালতি নকৰিলেও হ'ব– অপদাৰ্থ এটা। লগৰবোৰে কি কৰিছে ছাগৈ ? ক'ত কষ্ট কৰি তোক মানুহ কৰিলো; আজিলৈকে সুখ অকণমান দিব নোৱাৰিলি। তোৰ ওপৰত মোৰ কিমান আশা আছিল–

প্ৰমথেশে বোবাৰ দৰে নিৰ্বাক হৈ আকাশ-পাতাল ভাবিলে আৰু লাহে লাহে এক হতাশা লৈ কোঠাটোৰ পৰা ওলাই আহিল। দেউতাকে কৰিদোৰত বৈ আছিল; সি ওলাই অহাৰ লগে লগে দেউতাকে চকুপানী মচি মচি তাৰ কাষৰ পৰা আঁতৰি গ'ল। চূণ-তেল দি থকা মানুহ দুজনো বাহিৰলৈ ওলাই গ'ল। ভায়েকে এক অপৰাধীৰ দৰে তালৈ চালে। প্ৰমথেশে ভায়েকৰ ফালে চাই খিল-খিলাই হাঁহি হাঁহি ক'লে– মা-দেউতাই কান্দিছে; কিন্তু পৰিবেশটো অধ্যয়ন কৰি হাঁহি উঠিছে ; এইবোৰ অৰ্থহীন ; আমি সমুখত যিটো পাইছো সেই সমস্যাটোহে সমাধান কৰিব লাগে; এইবোৰ আবেগিক চিন্তাৰ কোনো মূল্য নাই; নে তই আছে বুলি ভাবিছ ?

ভায়েকে নীৰৱে তালৈ চাই থাকিল–

আঁতৰৰ পৰা দেউতাকে তাক নিঃশব্দে হাত বাউল দি মাতিলে। সি বুজিলে দেউতাকে হয়তো তাক কিবা এটা ক'ব খুজিছে। সি সমুখত থিয় হৈ দেখিলে দেউতাকে তাক কিবা এটা ক'ব খুজিও যেন দ্বিধাবোধ কৰিছে–

কিবা ক'ব খুজিছে ?

'মই ঠিক ক'বলৈ টান পাইছো যদিও তোক ক'বই লাগিব। অৰ্থাৎ তই এই কেইদিন ঘৰত নথকাই ভাল। কাৰণ মানুহে খবৰ লবলৈ আহি যেতিয়া সোধে– 'ককায়েকৰ বিয়া নোযোৱাকৈ ভায়েকে জানো বিয়া কৰায় ' তেতিয়াই তোৰ মাৰজনী বৰ আবেগিক হৈ একো সমুখত নেদেখি মোকেই গালি শপনি পাৰিবলৈ ধৰে। যিহেতু গালি-শপনি আমি কোনোৱেই কামনা নকৰো। সেইবাবেই আমি বুজাবুজিৰ মাজেদি সমস্যাৰ সমাধান কৰিব লাগিলে তই ভাড়া ঘৰলৈ যোৱাই মঙ্গল। তই পিছে কেইমাহমানৰ বাবেহে ভাড়াঘৰত থাকিব লাগিব'। –দেউতাকে তাক কওঁ নকওঁকৈ কথাষাৰ ক'লে।

হ'ব দেউতা ঃ মই তাকেই গুণা-গঁথা কৰি আছিলো ; এতিয়াই মই ঠেলা এখন লৈ আহি বস্তুবোৰ ভৰাই ভাড়াঘৰলৈ লৈ যাম।

তই মোক কিন্তু অন্যভাবে নলবি–

মইয়ো জানো আচলতে তেনেকুৱা ? মই আপোনালোকৰ দৰে ইমান দুৰ্বল নহয়। মোৰ কাৰণে জীৱনটো এটা চেলেঞ্জ; মই এনেকৈয়েই জীৱনটো আগবঢ়াই নিম। মই কেৱল মোৰ কথা ভাবি থাকিলেই সমস্যাৰ সমাধান নহয়। যিসকলৰ ঘৰ-বাৰী নাই, তেওঁলোকে কেনেদৰে আছে ? সেই সকলোতো মানুহ ; সেই মানুহখিনিৰ কথা ভাবকছোন, তেতিয়া আপোনাৰ অকণো দুখ নাথাকে– তেনেকৈ সি তাৰ বস্তুবোৰ সামৰি লবলৈ বাৰান্দাৰ ফালে আগুৱাই গ'ল।

নাটকীয়ভাবে সি হন্ডঅলটোত বিছনাখন সামৰি-সুতৰি ললে। বাকচটোত কিতাপ-পত্ৰখিনি আৰু কাপোৰকানি ভৰালে। মেট্ৰিকত প্ৰথম ডিভিজন পাওঁতে মোমায়েকে দিয়া কলমটো ভৰালে। প্ৰি ইউনিভাৰচিটিত চতুৰ্থ হওঁতে দেউতাকে উপহাৰ দিয়া ভেনগখৰ ওপৰত লিখা উপন্যাস 'জীৱনৰ লালসা'খনো তাত ভৰালে। যাকে গুঠি দিয়া মাফলাৰখনো তাৰ ভিতৰতে ভৰালে। ককাকে কিনি দিয়া বেহেলাখন চুলিয়াধনুখনেৰে চামৰাৰ সৰু বাকচটোত ভৰাই ললে। আধা অঁকা ছবিখন ৰাতবিকাকতেৰে বান্ধি ললে। ইজেল পেলেত ৰঙৰ দিৱা সকলো বান্ধি চাতি লৈ সি ঠেলা এখন আনিবলৈ বাহিৰলৈ বেগা-বেগিকৈ ওলাই গ'ল।

বাহিৰত এতিয়া অন্ধকাৰ। সেই অন্ধকাৰৰ মাজত বস্তু বাহানিবোৰ নিবলৈ ঠেলা বিচাৰি বিচাৰি লাহে লাহে সি অদৃশ্য হৈ আহিল।

× × × 

# কবিতা

## পদুম উমেৰে উমাই পমাই

কবীন ফুকন


*আয়ত লোচন পদ্মৰ পাসি ।*
*নুগুচে মুখত ঈষৎ হাসি ।।*
*শংকৰদেৱ*

উদাৰ হৃদয়া, উদাৰ হোৱা ।
পদুম উমেৰে উমাই পমাই গলাই দিয়া দেহ,
মিচিকনিৰে দিয়া ভাঙি দিয়া থৈয়-নথৈয়া ঠেহ !

বিন্দুমতীৰ সমদৃষ্টিত পৃথিৱীখন ঘূৰা হ'লে;
সাধাৰণ মানৱীৰ অসাধাৰণ মহিমাত
উজাই বোৱা হ'লে
সিন্ধু গংগা
মিছিছিপি ভল্‌গা;
ঈষৎ হাঁহিতে গলি পমি যোৱা হ'লে
মনৰ অৰণ্যৰ আদিম তমসা;
মৰু আৰু সুমেৰু কুমেৰু
হোৱা হ'লে প্ৰাচুৰ্যৰ অনন্য উৎস;
প্ৰেমৰ বোৱতী সুঁতি হোৱা হ'লে সৰ্বকাল
প্ৰশান্ত ধ্ৰুপদী,
নতু চঞ্চল শৃংখলিত
সুমধুৰ লোকগীতি;
সুদূৰতো তোমক মই সমানেই পোৱা হ'লে,
বিৰহৰ সময়-সোঁতে থমক নোখোৱা হ'লে;
প্ৰেমেই হোৱা হ'লে প্ৰেমৰ অব্যৰ্থ ঢাল
মৰণ জিনিব পৰা আমৰণ তৰোৱাল.........
নিঃশেষ কৰিলোহেঁতেন
নিমিষতে থান আৰু কাল.........

উদাৰহৃদয়া, উদাৰ হোৱা !
পদুম উমেৰে উমাই পমাই গলাই দিয়া দেহ,
মিচিকনিৰে দিয়া ভাঙি দিয়া থৈয়-নথৈয়া ঠেহ ! ▫





## তেওঁক লগ পালে

সনন্ত তাঁতি

তেওঁক লগ পালে অনুগ্ৰহপূৰ্বক সুধিব তেওঁৰ ঠিকনা
মই ভালেমান দিন ধৰি তেওঁৰ ঠিকনা বিচাৰি চৌদিশে ঘূৰিছো প্ৰবলভাবে
নাট্যমঞ্চৰ পৰা মোভী হাউচ শিল্প সাহিত্য এনেকি ৰাজনীতিৰ বিচক্ষণ
আলোচনাচক্ৰতো খুব ওচৰৰ পৰা দলিয়াই দিছো জ্বলন্ত এই বিষয়টোক
সহজাত শব্দ উৰুৱাই উন্মুক্ত কৰিছো হৃদয়
ক্ৰমশঃ অন্বেষাৰ প্ৰবল হেঁপাহত ভাঙি বিচ্ছিন্ন কৰিছো ভিতৰ
মই ভালেমান দিন ধৰি তেওঁৰ ঠিকনা বিচাৰি চৌদিশে ঘূৰিছো প্ৰবলভাবে

তেওঁক লগ পালে অনুগ্ৰহপূৰ্বক সুধিব তেওঁৰ ঠিকনা
মই কেতিয়াবা জুইৰ বাটেৰে গৈ উভতি আহিছো জুই হৈ
কেতিয়াবা তেজেৰে নিবেদিত কৰি প্ৰেম তেজেৰে ধুইছো শৰীৰ
নিজকে উদং কৰি স্তব্ধতাত উচুপি উঠিছো
মই তেওঁৰ ঠিকনা বিচাৰি চৌদিশে ঘূৰিছো প্ৰবলভাবে

তেওঁক লগ পালে ক'ব গভীৰ বেদনাত মৰ্মাহত সময়
মুমূৰ্ষু বতাহত দুৰ্গন্ধ উৰিছে
ছাই আৰু জুইৰ মাজত দ্বন্দ্বমুখৰ বসন্ত
পাথৰ আৰু মাটিবোৰ ফাটিছে
জলৰ ওপৰত তেজ
তেজত মানুহ

তেওঁৰ অবিহনে আমি হত্যাত লিপ্ত হৈ মাতি আনিছো একোটা
অনাকাংক্ষিত সময়
বলিয়া হৈ উঠিছো আত্মঘাতত
শব্দ কৰি চিঞৰি উঠিছো অশ্লীলতাত

তেওঁক লগ পালে অনুগ্ৰহপূৰ্বক সুধিব তেওঁৰ ঠিকনা
ক'ব এজন কবিৰ ইচ্ছাৰ কথা
গভীৰ অন্ধকাৰৰ মাজৰ পৰা উত্থিত আলোককণা বুকুতে লালন কৰি
এজন কবিয়ে স্বাগত জনায় সকলো অমোঘ সত্য ঘোষণাক
লগ পালে ক'ব বিনা বিচাৰে দীৰ্ঘদিন ধৰি মানুহৰ কৰতালিক
স্বাধীনতা নামৰৰ আপেক্ষিক এটা শব্দৰ ফালে নিক্ষেপিত হয় অজস্ৰবাৰ
অজস্ৰবাৰ
আৰু অজস্ৰবাৰ ▫



## শিলৰ মানুহ

*(কবিতা সভাত – কবি প্ৰমোদ কুমাৰ দত্তলৈ –)*

ধ্ৰুৱজ্যোতি দাস

প্ৰমোদদা, কুশলেই পাৰ কৰিছে সম্ভৱতঃ কালিৰ ৰাতিটো ।
ময়ো আছো – জীয়াই আছো কেৱল
পণবন্দী নতুবা বুকুত শাসকৰ জোতাৰ আঘাতৰ বাবে ।

আচলতে এতিয়া আমি প্ৰত্যেকেই গুলিবিদ্ধ/নাইবা একো একোজন হত্যাকাৰী
তেজৰ স'তে তেজৰ বিৰোধ;
বঙহৰ মঙহে থেতালি পেলাইছে শিশুক ...

কবিতা কি পঢ়িম প্ৰমোদদা !
চুবুৰিয়ে চুবুৰিয়ে শংকা/সোণাৰু গছত চৰাইৰ উৰুলি নাই,
জেতুকা ৰঙৰ জুই – আকাশ ঢকা ।

জলফাই গছত সিদিনা শেলি পেলাইছে মানুহটো – সোতৰটা বুলেটেৰে ।
তাঁতৰ ফুলকাঠিত তেজ/হিয়ালি-জিয়ালি কলিজাজনী
প্ৰমোদদা, এতিয়া কি কবিতাৰ সভা পাতিম ?
সেউজীয়া পাতৰ সেউজীয়া চৰাইক বিচাৰি কোনেও আবেলি নিবিলায়;
গাত ছাটি মাৰি লৈ আহে শুকান জামুৰঙী চাকি !

যোৱা মাহকেইটাৰ খবৰঃ
বাছৰ ভিতৰত বোমাটো –
দেওধাই নাচৰ দৰে মানুহবোৰে নাচিলে/নিজৰ হাত-ভৰি চিঙি, থেতালি ।
মৃত মন্দিৰ, মৃত গীৰ্জা, মৃত মছজিদ জীয়াবলৈ
বৰষুণ বিচৰা কবি নিত্যা দত্তৰ হত্যা হৈছে,
সাংবাদিক কমলা শইকীয়াৰ হত্যা হৈছে ...

আৰু,
কচক্ কচক্‌কৈ বুকু চোবাইছে মাতাল মিলিটাৰীয়ে ।
আঃ আজুৰি আজুৰি চিঙি চিঙি পুতিলে পানীত
হাত-মুখ বন্ধা বকুলফুলৰ দেহা ।
ৰাতিৰ আঁহ বগাই বগাই বেৰে-চালে ছাঁ চিঞৰ,
দাঁতত আলফুল গা – তেজত লুতুৰি-পুতুৰি !

(হাজাৰটকীয়া জোতা পিন্ধি তহঁত জোপোহাত সোমাৱ'/হুঃ গাঁতত সোমাৱ' !
বন্দুক-বাৰুদৰে ঢাকি থ'বিনে এতিয়া ভূমিচম্পা ...
কেনি গ'লি পানী চপ্‌চপীয়াত মাছক কুটুমৰ গা দি ?)

ক্ষমা কৰিব প্ৰমোদদা, কবিতা গাবলৈ আহি সভাত উন্মাদৰ দৰে চিঞৰিছো ।
কিন্তু – তেজ-সৰোবৰত হাত থৈ কি গাম জ্যোতি-কবিতা, নজৰুল-গীত !!

সম্ভৱতঃ কুশলেই পাৰ কৰিছে আপুনি কালিৰ ৰাতিটো ।
আচলতে ৰাতি-দিনৰ কি তফাৎ এতিয়া/ফুলে লাজত মূৰ দোঁৱাইছে,
আমি এতিয়া মৃত মানুহ – শিলৰ মানুহ ॥ ▫



## বদতি ঘাট

বীৰেণ গঁগৈ

এটা ফাটি চিটি যোৱা
আধা লিখা কবিতা

বেলিটোৱে যেন
বগা বালিত এৰি দিছেহি
সেউজীয়া পোহৰ
পানীত তিৰবিৰায়
গঙা চিলনীৰ পাখি
বালিত বালিমাহী

বালি পানী জিলমিল
বদতি
বুকুত যে কত কি কাহিনী

শাওণে প্ৰতি
সলনি হয়
ভূগোল-বুৰঞ্জী

ক'লৈ লৈ যাওঁ
অতবোৰ সাধুকথা
কবিতা

তিতি বুৰি শেষ হৈছে
বালিৰ বদতি
বাৰিষা-খৰালি

অ' নাৱৰীয়া
নাও তোৰ এৰিলি ক'ত
ক'ত হেৰুৱালি
হাতৰ মইনা

কিয় সি নেমাতে
মৌ সনা মাত
বদতি ঘাট

বদতি ঘাট ▫





OKDISCD

# ঘৰ

## এম কামালুদ্দিন আহমেদ

মেটেকানি জাঁজি নল-খাগৰিত লাগি ৰয় সিহঁতৰ ঘৰ

জলকুঁৱৰীৰ বুকুতে আউজি মোৰ ঘৰ
মণি মুকুতা ৰক্তাক্ত শংখৰে ঠাহ খাই পৰি থাকে

মেলি ৰাখো আটাইবোৰ দুৱাৰ খিৰিকি
বিনিময় কৰো শিল হৈ গোট নমৰা অশ্ৰু

অশ্ৰু প্লাৱনত উটি যায় কেতিয়াবা ঘৰ মোৰ অকস্মাৎ
ৰতি ক্ৰিয়াত মত্ত হয় পোহৰ
ঘৰৰ মাজৰ ঘৰত পোহৰৰ পোহাৰ বহে

মেটকানি জাঁজি নল-খাগৰিত তেতিয়াও লাগি ৰয় সিহঁতৰ ঘৰ

জলকুৱঁৰীৰ বুকুতে বুকু থৈ চকুতে চকু থাপি
আটাইবোৰ দুৱাৰ খিৰিকি মেলি
মই নিজে এটা ঘৰ ◻



# প্ৰত্যাৱৰ্তন

## গৌতম বৰদলৈ

কোনোবা এটা পোন্ধৰ তাৰিখে এই মহানগৰীৰ পৰা
এখন সৰু চহৰলৈ এখন ৰেলগাড়ী যাব । ৰেলখনত
বহুত মানুহ থাকিব । থাকিব জীৱন যুঁজত ক্লান্ত এক
যুঁজাৰু চিপাহী ।



সি বেছ কিছুদিনৰ মূৰত তাৰ ঘৰলৈ যাব । হাবি-বন,
পাহাৰ আৰু উপত্যকাৰ মাজেৰে, নদ-নদীৰ ওপৰেৰে
আকাশৰ তলে তলে
আৰু মাটিৰ বুকুত বগাই বগাই ৰেলখন থৈ থাকিব ।
ডেৰহাজাৰ কিল'মিটাৰ পাৰ হোৱাৰ পাছত
ৰেলখন সৰু চহৰখনত সোমাই পৰিব ।

সেইদিশৰ ৰেলপথটো য'ত শেষ হৈছে
তাতেই তাৰ চহৰখন
ৰেলখন তেতিয়া প্ৰায় খালি হৈ পৰিব ।
তাৰ ডবাটোতো কোনো নাথাকিব ।
সি অকলশৰে দুৱাৰমুখত থিয় হৈ গৈ থাকিব ।
এৰি থৈ যাব বহুত ঘৰ, গছ-গছনি, নৰনাৰী
আৰু ধূলিকণা ।

যেতিয়া ৰেলখন পশ্চিমমুৱা হৈ গৈ থাকিব
তেতিয়া পশ্চিমৰ বেলিটো বৰ দুৰ্বল হৈ পৰিব ।
হেঙুলীয়া হব আকাশ

তাৰ জীৱনৰ প্ৰথম কলেজখনৰ আগেৰে ৰেলখন
গুচি যাব । তেতিয়া তিনিও বাজিব পাৰে,
চাৰিও বাজিব পাৰে, পাঁচো বাজিব পাৰে ।
কলেজত থাকিবও পাৰে কোনোবা, নাথাকিবও পাৰে ।

কলেজৰ পৰা উৰি আহি এটা চিনাকি সুগন্ধ
তাৰ উশাহত সোমাই পৰিব । পুৰণা বন্ধুক দেখা পাই
পাইন আৰু দেবদাৰুৰ পাতবোৰে
মূৰদোঁৱাই সৰলতাৰে স্বাগত জনাব ।
কলেজঘৰৰ মূধচত বহি দুটামান চিনাকি চৰায়ে
বিয়লিৰ ৰঙত গা-পখালিব ।
তাক দেখি সিহঁতৰ পুতৌ লাগিব পাৰে ।
আবেগত খিলখিলাই হাঁহি দিব পাৰে সিহঁতে –
কলেজৰ ষ্টেপবোৰ তেতিয়া শুই থাকিব ।
কলেজখনৰ দুৱাৰ, খিৰিক, ভেণ্টিলেটৰ আৰু বেৰবোৰত
ঝণঝণাই উঠিব
ৰেলখন পাৰ হৈ যোৱাৰ প্ৰতিধ্বনি ।

এজাক বতাহ আৰু কিছুমান হৃদয় কঁপাই কঁপাই –
ৰেলখন ঢাপলি মেলিব
তাৰ গতিৰ শেষ প্ৰান্তলৈ ।

সি জানে, সি আশাকৰে
চহৰখনৰ কিছুলোকৰ এতিয়াও তাৰ বাবে মৰম আছে ।
ঘৰে ঘৰে তাক লগপোৱাৰ আশাত
সিহঁত ৰৈ থাকিব ।
আৰু ৰৈ থাকিব পাৰে চহৰখনত আন এক কোনোবা
যাক সি দি দিছিল – তাৰ দৰিদ্ৰ হৃদয়খন ।
ৰৈ থাকিব আৰু বহুতো কোনোবা-কোনোবা –
তাৰউপৰি নিশ্চিতভাবেই ৰৈ থাকিব
তাৰ আন এক সহজ বন্ধু –

পদূলিমুখৰ সেই বৃদ্ধ ওক গছজোপা
যি তাক চিনি পায়, বুজি পায়
আৰু সেয়ে ভালো পায় ।
দুয়োটাই দুয়োটাৰ জীৱন
এসময়ত নিচেই কাষৰে পৰা দেখিছিল ।
সেয়ে সি তাৰ অপেক্ষাও কামনা কৰে –

অৱশেষত ৰে'লখন ৰৈ যাব ।
সোতৰ তাৰিখে শেষ সন্ধ্যা সি বৰ একাগ্ৰতাৰে
তাৰ দুই ভৰি নমাই দিব
প্ৰাণৰ চহৰখনৰ স্নেহজ মাটিত ।
সি চৈধ্য তাৰিখেই সাজু হ'ব । ◻







# গান ৰঙাজিঞা আৰু গান

## সৌৰভ শইকীয়া

ইকৰা-উলু বনৰ আলফুৱা পৰী
উৰি উৰি নাহিবি, মোৰ বৰশীৰ পিনে
কোনেও তোক চিনি নাপায়
তৰা-পাতবোৰে
পানীৰ তলৰ ঘাঁহ অকণ অকণ ঢউ
এই মাছবোৰেও তোক !

যাগৈ, যাগৈ
ঘূৰি ঘূৰি নাহিবি, মোৰ ভোকৰ বৰশীলৈ
কোনেও নেজানে তোক
বৰা-ধানবোৰে
অ' উৰণীয়া
কোনেও নুবুজে তোক
জাতি-বাহঁবোৰে
অ' উৰণীয়া

যাগৈ যাগৈ উৰণীয়া
পৰো কি নপৰোকৈ মোৰ চুলিৰ কাঁইটত নপৰিবি
চিঙো নিচিঙোকৈ মোৰ সপোনৰ ঠোকবোৰ নিচিঙিবি
তই যে আহিছ নিচিন হ'বলা
কাউৰীবোৰ তোৰ বাবে ৰৈ আছে
তই যে আহিছ নেজান হ'বলা
সিহঁতে তোৰ পৰা বিচাৰে কি
খোল, খোল
তোৰ ৰঙা দুপৰৰ সাজ খোল উৰণীয়া
আহিব খুজিছ যদি আহ মোৰ তেজৰ মাজলৈ পলাই আহ
উৰিব খুজিছ যদি উৰ মোৰ মেঘৰ মাজেৰে লুকাই উৰ
আৰু খুজিছ যদি ব'ল, মৰোগৈ ব'ল জোৰ পাতি
দোক্‌মোকালি হৈ
দোক্‌মোকালি হৈ

অ' ৰঙাজিঞা
ইকৰা-উলু বনৰ উৰণীয়া পৰী ! ◻◻◻

# গৰখীয়া

## প্ৰদীপ শৰ্মা

সুখৰ হাত বিচাৰি হাত নেমেলিবি
এজাৰ ফুলা দেখি দেও নিদিবি
অ' গৰখীয়া

ওঁঠৰ বাঁহীত তোৰ
কোন পৃথিৱীৰ হুমুনিয়া
বুকু ফুটি তোৰ এতিয়াও ওলায়নে জোনাকী তেজ
এতিয়াও তই দেখনে সেই পথাৰবোৰ
আমাৰ শৈশৱৰ সকলো স্বপ্ন
যি সেউজীয়া কৰি ৰাখিছিল
চুই চাৱনে সেই নৈখন
যাৰ সোঁতত উটিছিল আমাৰ নিষ্পাপ দেহবোৰ
তোৰ পদতলত ওখোৰা মোখোৰা প্ৰাচীন গো-বাট
তোৰ আগে পিছে ভোকাতুৰ হেম্বেলনি
আন্ধাৰৰ নিশ্বাসত এতিয়া কিয় বাৰু
ইমানকৈ কঁপে গাওঁবোৰ
যুদ্ধৰ খবৰৰ মাজতো মই কাণ পাতি ৰওঁ নিজৰে বুকুত
শুনিবলৈ তোৰ সেই গীতবোৰ
ৰ'দ আৰু বৰষুণৰ দৰেই
যিবোৰ আছিল আমাৰ লগৰীয়া

অ' গৰখীয়া
বাঁহীৰ মাতত তোৰ
এতিয়াও অনুভৱ কৰো মই
প্ৰেমৰ কাঁইটে বিন্ধা আঙুলিৰ তেজ
সেয়া মোৰ তেজ ◻



## কবিতা

### কিশোৰ ভট্টাচাৰ্য

১

মোৰ মনৰ ভিতৰত সৃষ্টি হ'ল
বয়ঃ সন্ধিৰ আকুলতাৰ
তুমি কিয় জ্বলাই দিলা বন্তি ?
ভাবি ললো সময়ে প্ৰশ্ৰয় দিয়া বুলি ।
মই জনা নাছিলো কিমান গছি সোৰণিৰ শলিতা লাগে
ভবা নাছিলো বতাহে শঙ্কাগ্ৰস্থ কৰি তুলিব
আৰু পাহৰণিৰ পিছত জন্ম হব প্ৰেমৰ
মোক এই কথাটো বুজিবলৈ অবকাশ নিদিলা ।

২

ইয়াৰ পিছত মই কাষ চাপি যাওঁ
তুমি প্ৰজ্জ্বলিত হৈ থাকিবলৈ কোৱা
মই হওঁ সূৰ্যৰ দৰে প্ৰখৰ
তীখাৰ দৰে ক্ষিপ্ৰ
মোক বৰ্মৰ দৰে পিন্ধাই দিয়া পোচাক
তুমি মাজে মাজে আহি কোৱা
এতিয়াও পুৰুষৰ দৰে হোৱা নাই
ভাস্কৰ মই আত্মমূৰ্ত্তি নিৰ্মাণ কৰো ।

৩

বুকুত আছিল গধূলিৰ উদং পোহৰ
তোমাক মই বিচাৰি আছিলো আকাশত ।
তাত নিজে নিজে ৰুইছিলো সপোন,
তুমি পিন্ধিব কলা শৌৰ্যৰ অলঙ্কাৰ ।
এটা দূৰত্ব আছিল আমাৰ মাজত
সেয়া হ'ল ভাষা আৰু ভাষাতীতৰ ।
কোনবাই কলে কোলাত হাত থলেই
সেই দূৰত্ব অতিক্ৰম কৰিম ।

৪

তোমাৰ মৰম আৰু আবেগৰ পাঠোদ্ধাৰ নকৰি
তোমাক সেইবোৰ উভতাই দিব খোজো ।
মই কিয় নিজৰ মতে ভাবিম ?
দিনটো আছিল শীত বসন্তৰ দোমোজাত
যেন অতীত আৰু বৰ্তমানৰ সাক্ষাৎকাৰ ।
ভালপোৱা নোপোৱাৰ সন্দেহটো থাকি গ'ল ।
ভাষা আৰু অভিজ্ঞতাক অগ্ৰাহ্য কৰি
তোমাক লগ পোৱাৰ সাহস কৰিব খোজো
ভালপোৱাৰ বেদনা
নুবুজাৰ গ্লানিৰ পিছতো
দূৰৈত তোমাৰ আহত চকু
আমি আৰু দুয়ো দুয়োকে ভুলকে নুবুজো ।

৫

গ্ৰহণ আৰু আকাঙ্খা দুটা পৃথক শব্দ
অথচ সন্ধি হ'লে ব্যাকৰণ মানি হ'ব ।
দেখা আৰু পোৱাৰ মাজেদি
তোমাৰ হাতত হাত থৈছো
মই হাতৰ পৰা থৈছো বাইন'কুলাৰ
আৰু ওচৰলে আহিব কৈছো তোমাক
ভাষা আৰু ধৰ্মৰ ডেওনা পাৰ হৈ
ধাৰণাতীতসত্যৰ দৰে
যত অকল প্ৰবৃত্তি আৰু ব্যক্তি
তাতো বহুতো সন্দেহ আৰু ভীতিৰ পিছত
দুটা চৰাই উৰি যায়নে আকাশলৈ ?
মই উত্তৰটো সহজে দিব পৰা নাই । ▫



অংকন : চম্পক বৰবৰা



## চিৰন্তন

### কৌশিক দাস

প্ৰয়োজনক পাহৰি থকা সংকীৰ্ণ বৃত্তৰ পৰিধি ভেদি
নগৰখনৰ সিৰাই-উপসিৰাই প্ৰবাহিত হ'ল
সমকাল-যন্ত্ৰণাত বেদনাৰ্ত মানুহৰ সতৃষ্ণ সমদল

চেঁচা বতাহজাকত উলংগ দেহবোৰ কঁপি উঠিল থৰ-থৰকৈ ।
সূৰ্যহাৰা এই এঙাৰ-ক'লা আকাশৰ তলত পৰি ৰ'ল
তেজ আৰু ঘামেৰে নিৰ্মিত সৰ্পিল পদপথ

ঘিটমিটীয়া এন্ধাৰ ফালি ভাহি আহিল
উদগ্ৰ আগন্তুকৰ অনূদিত নিনাদ

অনুগামী অভিযাত্ৰীৰ গাত হয়তো চোলা থাকিব
পোহৰ কিম্বা উত্তাপৰ বাবে পাব
এটা নতুন সূৰ্য

পৰাস্ত পিতাৰ পথ পৰিহাৰত কি নিৰ্মম এই পৰাক্ৰমী পুত্ৰ !
গাল-মুখে তাৰ জিলিকি থাকে
এৰি অহা বাটৰ একোমুঠি ধূলি

পৰিবৰ্তনৰ পৰাবৃত্তত সুস্থিৰতা সন্ধানী অস্থিৰ মানুহ । ▫




ভ্ৰমণ

# পেৰিছত ফৰাচী মহিলাৰ আতিথ্যৰ সন্দৰ্ভত

### নীলিমা দত্ত

জীৱনত প্ৰথমবাৰৰ বাবে বিদেশ যাত্ৰাৰ সুযোগ পাই পোন প্ৰথমতে ফ্ৰান্সৰ মাটিত ভৰি দিছিলো গৈ ১৯৭৮ চনৰ ২৬ আগষ্টৰ দিনা । সেইদিনা অলপ সময়ৰ কাৰণেহে চাৰ্লচ ডী গ'ল এয়াৰ পোৰ্টৰ পৰা বাছ আৰু টেক্সিৰে গৈ এয়াৰ পোৰ্টৰ চিটি-অফিচত ডলাৰ ভঙাব লগা হৈছিল জৰুৰী ভাবে । কাৰণ এয়াৰ পোৰ্টত সেইদিনা ষ্ট্ৰাইক চলিছিল আৰু কেইটামান অতি লাগতিয়াল বিভাগৰ বাহিৰে আনবিলাক বিভাগ বন্ধ আছিল ; এয়াৰ পোৰ্ট বেংকটোও । অ'চলতে সেইবাৰ মোৰ বিদেশ যাত্ৰাৰ লক্ষ্যস্থান আছিল পশ্চিম জাৰ্মেনীৰ ডুচেল ডৰ্ফহে । সেই নগৰকে বিশ্বদৰ্শন সভাৰ ১৬ষ্ঠদশ অধিবেশন অনুষ্ঠিত হৈছিল । অধিবেশনত মই ভাৰতীয় প্ৰতিনিধি হিচাপে যোগদান কৰিবলৈ ওলাইছিলো । বোম্বেৰ পৰা ২৬ আগষ্টৰ ৰাতি এক বজাত "এয়াৰ ফ্ৰান্সেৰে" উৰা মাৰি দিনৰ আগবেলা এঘাৰ বজাত চাৰ্লচ ডীগল এয়াৰ পোৰ্টত নামি পৰিছিলো । পেৰিছৰ পৰা ডুচেল ডৰ্ফলৈ প্লেন আছিল সন্ধিয়া সাত বজাত । প্ৰায় আঠ ঘন্টা সময় এয়াৰ পোৰ্টত বহি নাথাকি- পেৰিছ চহৰখন এবাৰ পাক মাৰি চাই অহাৰ ইচ্ছাৰে "মাল্টি পোল ভিছা" কৰাই লৈছিলো । কাৰণ ডুচেল ডৰ্ফৰ পৰা চুইজাৰলেণ্ডলৈ গৈ, তাৰ পৰা ঘূৰি আহি পেৰিছত কেইদিনমান থকাৰ ব্যৱস্থা কৰি টিকেট কটা হৈছিল ।

ডলাৰ ভঙাব নোৱৰাত মোৰ গধূৰ বাকচটো এৰি মই এয়াৰ পোৰ্টত বহি থকাৰ বাহিৰে একো কৰিব নোৱৰা হ'লো । বাকচটো লকাৰত ভৰাই থবলৈ তিনি ফ্ৰাঙ্ক লাগে, আনকি চাহ বা কফি একাপ খাবলৈ ফ্ৰাংক নহ'লে নহয় ।



*জোহান্স পৰিয়ালত মিচেচ জোহান্স, ব্ৰিজিট, লেখিকা, নেড্‌লিন, জেমচ্*

মুকলি হৈ থকা কাউন্টাৰ কেইটাৰ কৰ্মীয়ে ডলাৰ সলনি কৰাৰ ভাৰ নলয়, তেওঁলোকে সেই সম্পৰ্কে কোনেও একো ক'ব নোখোজে । তাতে তেওঁলোকে এবাৰ কোৱা কথা দুবাৰ নকয় । মোৰ দৰে অসুবিধাত পৰা যাত্ৰী কেইজনে ভোৰভোৰালে– "ইমান জেদী এওঁলোক, বৰ ৰূঢ় জাতিটো ।" মোৰো তেতিয়া ফৰাছী মানুহ সম্পৰ্কে তেনেকুৱা এটা ধাৰণাই হ'ল । আমি যাত্ৰী কেইজনে লগ লাগি চেষ্টা কৰাত এজন কৰ্মীয়ে শেষত যেনিবা আমাক দিহা দিলে যে চিটি অফিচলৈ গ'লে ডলাৰ ভঙাব পৰা যাব । কিন্তু, অফিচলৈ যাবলৈও বাছ ভাৰা ফ্ৰাংকেৰে দিব লাগিব । শেষত ফ্ৰান্স এৰি যাব খোজা যাত্ৰীৰ পৰা আমি সকলোৱে মিলি কেই ডলাৰমান ভঙাই আনিলো । সেই ফ্ৰাংকৰ পৰা কিছু লৈ প্ৰথমতে মোৰ বাকচটো লকাৰত ভৰালো । তাৰ পিছত এয়াৰ পোৰ্টৰ কেন্টিনত খাবলৈ গ'লো । পেটৰ ভোক পলোৱাকৈ চেনদুইচ আৰু কফি একাপ কিনি ললো । সঁচাকৈয়ে মোৰ বৰ ভোক লাগিছিল । 'এয়াৰ পোৰ্ট'ত দিয়া পুৱাৰ জলপানত গহৰি মঙহ থকা বুলি জানি খোৱা বস্তুলৈ আগবঢ়োৱা মোৰ হাতখন থমকি ৰৈছিল । এইবোৰ বস্তু খোৱাৰ অনভ্যস্ত কাৰণে কফি কাপৰ বাহিৰে একো খাব পৰা নাছিলো । সেয়ে বৰ তৃপ্তিৰে ভোককে· ভাতৰ আঞ্জা কৰি চেনদুইচেৰে পেট ভৰালো । কিন্তু, পেৰিছ চহৰলৈ যাবলৈ হাতৰ ফ্ৰাংকেৰে আৰু নোজোৰে সেয়ে চিটি অফিচলৈ যোৱাটোকে থিৰাং কৰিলো ।

খাই উঠি বাছত উঠোতে দিনৰ প্ৰায় দুই বাজিছে । তিনি ঘন্টা সময়



OKDISCD


কেনেকৈ গ'ল ক'ব নোৱাৰিলো। ততাতৈয়াকৈ বাছত উঠি এজন ফৰাছী ভদ্ৰলোকৰ কাষত বহি পৰিলো। যাত্ৰীজনে মোৰ পৰিচয় লোৱাৰ পিছত ইংৰাজীতে লাহে লাহে ভাৰতৰ বিষয়ে মোক ইটো সিটো কথা সুধিবলৈ ধৰিলে। ফৰাছী লোকজনৰ কথা-বতৰাত শালীনতা প্ৰকাশ পাইছিল। এয়াৰ পোৰ্টত এক অসুবিধাজনক সম্পূৰ্ণ আচহুৱা পৰিবেশত ফৰাছী মানুহজনৰ প্ৰতি মোৰ আবেগপ্ৰবল ধাৰণাটো সলনি হবলৈ ধৰিলে। মালৌলৈকে বাছত গৈ ভদ্ৰলোকজনৰ নিৰ্দ্দেশক্ৰমে এখন টেক্সিত উঠি পৰিলো। পেৰিছত ভদ্ৰলোকজনৰ জৰুৰী কাম আছে বুলি ক'লে। টেক্সিত উঠি তেওঁ মোক কিন্তু পেৰিছলৈ যাবলৈ মানা কৰিলে– কাৰণ হাতত সময় কম। আহোতে যাওঁতে দুঘন্টা সময় গুচি যাব আৰু তাতে মই প্ৰথমবাৰৰ কাৰণে বিদেশলৈ আহি অকলে পেৰিছত অসুবিধা পাম। ময়ো মনে মনে সেই কথাটোকে গুণা-গঁথা কৰি আছিলো। গতিকে, ভদ্ৰলোকজনৰ কথাত হয়ভৰ দি চিটি অফিচৰ সমুখত টেক্সিৰ পৰা নামি পৰিলো। ঠাইখিনি এটা সুৰঙ্গৰ দৰে। তথাপি, নিৰ্ভয়ে অলপ ভিতৰলৈ সোমাই গৈ পালো চিটি অফিচৰ ডাঙৰ ঘৰটো। মহিলা কৰ্মী দুগৰাকীয়ে তৎপৰতাৰে মোৰ পাছপোৰ্ট আৰু টিকেট পৰীক্ষা কৰি ডলাৰ ভঙাই দিলে। অফিচৰ পৰা ওলাই আহি এককোবে ডীগল এয়াৰ পোৰ্টলৈ টেক্সি ললো। এয়াৰ পোৰ্টত টেক্সিৰ পৰা নামি ড্ৰাইভাৰক ৭০ ফ্ৰাংক দি গাটো বেজবেজাই গ'ল। লগে লগে প্ৰফেচাৰ ভুবনমোহন দাসে কোৱা কথালৈ মনত পেলালো। বিদেশলৈ যোৱাৰ আগতে তেওঁ মোক সতকাই টেক্সি লবলৈ আৰু ডাঙৰ ৰেষ্টুৰেন্টত খাবলৈ মানা কৰি পঠাইছিল। হাতৰ ধন কম। হিচাপৰ ওপৰত চলি "ডিউটি লিভ"ৰ ২১টা দিন কটাব লাগিব।

ডুচেল ডৰ্ফত দৰ্শন সভা অধিবেশন ৭ দিন চলিছিল ২৭ আগষ্টৰ পৰা ২ ছেপ্তেম্বৰলৈ। অধিবেশনৰ মূল বিষয়বস্তু "দৰ্শন আৰু বিজ্ঞান" কেইবাটাও প্ৰয়োজনীয় বিভাগত উপস্থাপন কৰা হৈছিল। পৃথিৱীৰ বিভিন্ন দেশৰ পতাকা আৰু প্ৰতিনিধিৰে ৰূপহী ৰাইন নদীৰ পাৰত ডুচেল ডৰ্ফ। 'মেচে' (সভা মণ্ডপ) এক উজ্জ্বল পোহৰত উদ্ভাসিত হৈ উঠিছিল। পশ্চিম জাৰ্মেনীৰ ৰাজধানী ব'ন চহৰলৈকে ৰাজকীয় ব্যৱস্থাৰে বিশ্ব দৰ্শন সভাৰ উখল মাখল দেখা গৈছিল। কিন্তু, সকলো স্থানৰ সকলো কামেই আছিল ঠিক নিৰ্দ্ধাৰিত সময়ত ধৰা বন্ধা, নিয়মানুবৰ্তিতাত সংযত, আধুনিক বিজ্ঞানৰ প্ৰায়োগিক পৰিচালনাৰে নিয়ন্ত্ৰিত আৰু বিশেষকৈ দেশপ্ৰেমেৰে অনুপ্ৰাণিত। দেখা গৈছিল দেশৰ সৰ্বত্ৰ জাৰ্মানসকল তেওঁলোকৰ দাৰ্শনিক ঐতিহ্যৰ প্ৰতি যথেষ্ট সচেতন আৰু শ্ৰদ্ধাশীল।

প্ৰতি পাঁচ বছৰে পাঁচ বছৰে বিশ্ব দৰ্শন সভাৰ অধিবেশন অনুষ্ঠিত হয় পৃথিৱীৰ বিভিন্ন দেশৰ একোখন ঐতিহ্যপূৰ্ণ নগৰত। ১৯৮৩ চনত এই সভাৰ পিছৰ সপ্তদশ অধিবেশন অনুষ্ঠিত হৈছিল কানাডাৰ মন্ট্ৰিয়েল নগৰত। বিষয় আছিল "দৰ্শন আৰু সংস্কৃতি" সেইখন সভাত উপস্থিত হৈও পৃথিৱীৰ নানা দেশৰ প্ৰতিনিধিত্ব কৰা দাৰ্শনিকসকলক লগ পাই আনন্দ পাইছিলো। নিজ দেশৰ ভিতৰতো ভাৰতীয় দৰ্শন সভাৰ বছৰেকীয়া অধিবেশন সমূহত প্ৰায় প্ৰতি বছৰে জীৱনৰ বহুদিনলৈকে গুৱাহাটী বিশ্ববিদ্যালয়ক প্ৰতিনিধিত্ব কৰি ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে নানা বিশ্ববিদ্যালয়ত উপস্থিতত হোৱাৰ কথা মনত পৰিলে এতিয়া হাঁহি উঠে। সঁচা কথা ক'বলৈ গ'লে দৰ্শন জগতত এনেকৈ ভ্ৰমি ফুৰাৰ মূলতে কিন্তু কিবা পাণ্ডিত্য প্ৰচাৰ বা পাণ্ডিত্য গ্ৰহণ কৰাৰ মানসিক প্ৰৱণতা মোৰ মুঠেই নাছিল। সাধনালব্ধ মননশীলতা বা জন্মগত প্ৰতিভাৰ অভাৱত পাণ্ডিত্যৰ পৰিমণ্ডলত মোৰ মন থৰ হৈ যাব খোজে। আনহাতে তথাকথিত পণ্ডিতালিৰ উৎকট পৰিবেশতো অজ্ঞাতে মোৰ মন বিতুষ্ট হৈও উঠে। বহু মহৎ দাৰ্শনিকে কোৱা কথা– প্ৰকৃত দাৰ্শনিকতাৰ বাবে প্ৰতিভাৰ প্ৰয়োজন। অসমৰ এনে প্ৰতিভাৰ অভাৱ বাৰুকৈয়ে অনুভৱ হয়। প্ৰতিভা বিকাশত উৎসাহ দিব পৰা পৰিবেশ যে ইয়াত আৰু কম। অৱশ্যে, পাণ্ডিত্যক কেন্দ্ৰ কৰি মানৱীয় ৰূপত যেতিয়া মানুহ গোট খায়, পৰিচিত-অপৰিচিত, নাৰী-পুৰুষ, ডেকা-বুঢ়া, শিশু নিৰ্বিশেষে সেই মানুহৰ মাজত সোমাই আৰু কেতিয়াবা মানুহৰ মনুষ্যত্বত মুগ্ধ হৈ দেশে-বিদেশে আনন্দ লাভ কৰি আহিছো। এনে আনন্দৰ বাবেই মোৰ ভ্ৰমণ, মোৰ যাত্ৰা বাৰে বাৰে নিজৰ মনৰ গভীৰত সাৰ্থক হৈ উঠিছে। সেয়ে মনৰ মাজত আজিও স্থিৰ আৰু স্পষ্ট হৈ আছে ফৰাছী মহিলাৰ আতিথ্যৰ ছবি।

২৯ আগষ্টৰ দিনা পুৱা ন-বজাৰ আগে আগে ডুচেল ডৰ্ফৰ 'মেচে'ৰ দুৱাৰমুখত থিয় হৈ অলপ দূৰলৈ চাই পঠালো– প্ৰবাহিত ৰাইন নদীৰ ওপৰত ওলমি পৰা আকাশখন উজলি উঠিছিল পুৱাৰ ক্ৰমান্বয়ে উদ্ভাসি উঠা পোহৰত। কিবা এক উল্লাসত মনৰ খেলিমেলি ভাবক জুকিয়াবলৈ চেষ্টা কৰোতে আগদিনাৰ এ, জে আয়াৰৰ Analysis-ৰ (বিশ্লেষণাত্মক দৰ্শন) ওপৰত 'বিশেষ বক্তৃতাৰ কথাই মনলৈ আহিল। তেওঁ বিশ্বৰ দাৰ্শনিক সকলৰ আগত প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল তেওঁৰ Analysis-ৰ স্বৰূপ। দৰ্শনৰ তাত্ত্বিক চিন্তাধাৰাৰ লগত সাঙোৰ খাই থকা ধৰ্মীয়, নৈতিক, ৰহস্যবাদী, ঐতিন্দ্ৰিয়বাদী তত্ত্বৰ বিৰোধিতা কৰি দৰ্শনৰ বৈজ্ঞানিক ভিত্তি উম্ঘাটন কৰাটোৱেই বিশ্লেষণাত্মক দৰ্শনৰ মূল উদ্দেশ্য। ভাষা আৰু ভাবৰ জটিলতা নবঢ়াই এই আধুনিক প্ৰসিদ্ধ দাৰ্শনিকজনে তেওঁৰ মতবাদ সুচিন্তিত অভিমতেৰে উত্থাপন কৰিছিল পোনপটীয়াকৈ। এইখিনিতে উল্লেখ কৰিব পাৰি, এ, জে আয়াৰৰ বিশ্লেষণাত্মক দৰ্শনে ভিত্তি কৰিছে ১৯২৪ চনত জন্ম লাভ কৰা 'ভিয়েনা চক্ৰ'ৰ বৈজ্ঞানিক ঐক্যৰ ওপৰত। এই ঐক্যৰ লগত জৰিত হৈ আছে হিউমৰ অভিজ্ঞতাবাদ, উইটগেনষ্টিনৰ ভাষা-বিশ্লেষণাত্মক দৰ্শন, বৰ্ট্ৰাণ্ড ৰাছেল আৰু হোৱাইটহেডৰ ইন্দ্ৰিয়গ্ৰাহ্য ভাবধাৰা। আমি আয়াৰৰ দৃষ্টিভঙ্গী নামানিব পাৰো কিন্তু, তেওঁৰ ব্যাখ্যাত কোনো খেলিমেলি নাই, চিন্তাৰ পোহৰত স্বচ্ছ, সেই কথা মানিব লাগিব। যত খেলিমেলি আমাৰ মনতহে বুলি ভাবোতে মুহূৰ্ততে মনলৈ আহিল কবি নলিনীবালা দেৱীৰ কাব্যত ঐতিন্দ্ৰিয়বাদৰ প্ৰভাৱৰ পম খেদি কোনে যে কি কথা নকয়! খেলিমেলিৰ মাজতে সেই অসহায় ভগৱানজনক টানি আজুৰি আমি মাত্ৰ কষ্ট দিয়া যেন লাগে। সেইদৰে চিগমাণ্ড ফ্ৰয়েদৰ 'অবচেতন' আৰু উইলিয়াম জেমছৰ 'চেতনা স্ৰোত' আমাৰ অসমীয়া সাহিত্যৰ প্ৰবল প্ৰবাহত সোনকালে যে উটি গৈছে ধৰিব নোৱাৰি। চিন্তাৰ এনে আহুকলীয়া খেলিমেলিৰ মাজতে মনত প্ৰশ্ন হ'ল– পেৰিছলৈ গ'লে সঁচাকৈয়ে কিবা অসুবিধা হব নেকি? এনে প্ৰশ্নোদয়ৰ আনুষঙ্গিক কাৰণ আছিল– আগদিনা তিনিজন ভাৰতীয় দাৰ্শনিক দিল্লী বিশ্ববিদ্যালয়ৰ ডঃ আৰ, চি, পাণ্ডেয়া, বিশ্ব ভাৰতীৰ প্ৰফেচাৰ সন্তোষ কুমাৰ সেনগুপ্ত আৰু ক'লনত অধ্যাপনা কৰি থকা প্ৰফেচাৰ ৰামধৰ মল কথা প্ৰসঙ্গত মই চুইজাৰলেণ্ডৰ পৰা পেৰিছলৈ যাম বুলি জানি উৎকণ্ঠিত হৈ উঠিল। পেৰিছত বোলে বহু ধৰণৰ গণ্ডগোল হৈছে। প্ৰফেচাৰ ৰামধৰ মলে মোৰ টিকেট আৰু পাছপোৰ্ট লৈ খৰধৰকৈ 'মেচে'ৰ এয়াৰ লাইনচৰ পৰা খবৰ লৈ কেন্দ্ৰলৈ গ'ল মোৰ টিকেট সলনি কৰিবলৈ যাতে পেৰিছত নোসোমোৱাকৈ মই ঘৰলৈ পোনে পোনে কুশলে যাবগৈ পাৰো। অলপ সময়ৰ পিছতে প্ৰফেচাৰ মলে উভতি আহি জনালে মোৰ টিকেট এনে ধৰণে কটা হৈছে যে মই পেৰিছত সোমাবই লাগিব। তিনিওজন দাৰ্শনিকৰ যুক্তিপূৰ্ণ আশংকাক তল পেলাই মোৰ মন উৎফুল্ল হৈ উঠিল অজ্ঞাতৰ প্ৰতি কিবা এক আকৰ্ষণত। লগতে মনলৈ সকাহ আহিল- ফৰাছী অস্তিত্ববাদৰ কথাৰে "জীৱন মানেইতো অথন্তৰ", সি ঘৰতেই হওক বা বিদেশতেই হওক। তথাপি মনৰ গভীৰত পেৰিছ যাত্ৰা সম্পৰ্কে খু-দুৱনি এটাই চিন্তাৰ খেলিমেলিত যোগ দিলে।

এনেতে এগৰাকী মহিলা আহি মোৰ সমুখতে থিয় হ'লহি। এটি মনোৰম হাঁহিৰে তেওঁ মোৰ পৰিচয় ল'লে। তেওঁৰ পৰিচয় সোধাত লাহে লাহে মহিলা গৰাকীয়ে ক'লে– তেওঁ এগৰাকী ফৰাছী মহিলা, থাকে পেৰিছৰ উপকণ্ঠৰ এখন গাঁৱত। তেওঁৰ স্বামীয়েই সেই গাঁৱতে গ্ৰন্থ ব্যৱসায় কৰে। ব্যৱসায় সংক্ৰান্তত তেওঁ বিশ্বদৰ্শন সভালৈ আহিছে। স্বামীৰ লগতে তেওঁ আহিছে দেশ-বিদেশৰ মানুহ চাবলৈ। তেওঁ নিজৰ নামটোও ক'লে ৰেনিয়া বুলি যদিও লিখিব লাগে "genia"। ৰেনিয়াৰ আগত মোৰ 'পেৰিছ যাত্ৰাৰ' প্ৰসঙ্গটো উলিয়ালো– বিশেষকৈ পেৰিছৰ গণ্ডগোলৰ বিষয়ে জানিব খুজিলো তেওঁৰ পৰা, লগতে সুধিলো তাৰ সস্তীয়া হোটেলৰ ব্যৱস্থা সম্পৰ্কে। তেওঁ থিতাতে



*ভেখ্‌চাই: মানৱ ইতিহাসৰ বিশাল চিত্ৰ আৰু সেই অৰেঞ্জ গ্ৰোভ' বাগিচাখন।*

জনালে– পেৰিছৰ গণ্ডগোল এনেকুৱা নহয় যে তাত মোৰ চলাফিৰা কৰাত কিবা অসুবিধা হব। অৱশ্যে হোটেল সম্পৰ্কে তেওঁ বিশেষ একো ক'ব নোৱাৰিব। তেওঁ মোক অনুৰোধ জনালে পিছদিনা সেইখিনি ঠাইতে, একে সময়তে মই যাতে অপেক্ষা কৰো– তেতিয়াই তেওঁ মোক সবিশেষ জনাব। পিছদিনা মই গৈ পোৱাৰ আগতেই ৰেনিয়া একেখিনি ঠাইতে ৰৈ আছিল। দায়িত্বপূৰ্ণ ভাবেৰে তেওঁ মোক জনালে যে পেৰিছলৈ যোৱাৰ কাৰণে মোৰ বেছি চিন্তা কৰাৰ প্ৰয়োজন নাই। তেওঁৰ ঘৰতে মোক আতিথ্য দিলেহেঁতেন কিন্তু, দৈনিক ৰেলেৰে আহি পেৰিছ চাবলৈ মোৰ অসুবিধা হব। কিন্তু, মই চুইজাৰলেণ্ডৰ পৰা ঘূৰি অহাৰ দিনা তেওঁ পেৰিছ এয়াৰ পোৰ্টলৈ আহিব আৰু তাৰ আগতে পেৰিছত মোৰ থকাৰ কাৰণে কিবা এটা ব্যৱস্থা কৰি থব। লগে লগে তেওঁ মোৰ টিকেটৰ পৰা পেৰিছ আহি পোৱা 'এয়াৰ চুইচ'ৰ নম্বৰ, তাৰিখ আৰু সময় টুকি লৈ, বিশেষ আন কথাৰ অৱতাৰণা নকৰি লৰালৰিকৈ গুচি গ'ল। মই অলপ অবাকেই হ'লো। সভাৰ বাকী কেইদিন নানা তৎপৰতাৰ মাজত ৰেনিয়াক আৰু লগ পোৱাৰ সুবিধা নহ'ল। জুৰিকলৈ গৈ 'ধৰাৰ স্বৰ্গত' যেন পৃথিৱীৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত ডুব গৈ থাকোতে পেৰিছ সম্বন্ধে মোৰ কোনো উৎকণ্ঠা অহা নাছিল। ৬ ছেপ্তেম্বৰৰ দিনা পুৱা পেৰিছ অভিমুখে আহি থাকোতে একোবাৰ ভাবিলো– আহিবনে ৰেনিয়া এয়াৰ-পোৰ্টলৈ?

হয়, আহিছেতো। ৰেনিয়াই মোক হাঁহি হাঁহি অভিনন্দন জনালেহি। লগতে আহিছে তেওঁৰ নলে গলে লগা বান্ধৱী মেডলিন। তেৱোঁ মোক সম্ভাষণ জনালে। মেডলিন পেৰিছ চহৰত থাকে। চেহেৰাত তেওঁক ৰেনিয়াতকৈ বয়সীয়া যেন লাগিল। মোক নিবলৈ মেডলিনৰ গাড়ী পাৰ্কিং কৰি ৰখা হৈছিল। তেওঁ সাউৎকৈ গাড়ীখন লৈ আহি মোৰ বাকচটো একে কোবে গাড়ীত তুলি দিলে। মেডলিনে পেৰিছ অভিমুখে গাড়ী চলালে তুৰন্ত গতিত। এবাৰ বাটতে তেওঁ তেল লবলৈ নামি যোৱাত ৰেনিয়াই মোক ক'লে– "তুমি ছেপ্তেম্বৰলৈ মেডলিনৰ ঘৰতে থাকিব পাৰিবা। তেওঁ তোমাক পেৰিছৰ কিছুমান চাবলগীয়া বস্তু দেখুৱাব পাৰিব। তেওঁৰ সঙ্গ তুমি ভাল পাবা বুলি ভাবিছো, মানুহ গৰাকী বৰ অমায়িক। তেওঁৰ লগত মাত্ৰ তেওঁৰ সৰু ল'ৰাটো থাকে। মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ সি। তোমাৰ সঙ্গই মোৰ বন্ধুকো নিশ্চয় আনন্দ দিব।"

পেৰিছ চহৰৰ কেন্দ্ৰস্থলীতে তিনিটা কোঠাৰে 'এপাৰ্টমেন্ট' এটাত মেডলিন থাকে। এটা আৰ্ট ব্যৱসায়ীৰ অফিচত তেওঁ চাকৰি কৰে। নক্সা অঁকাত তেওঁ বৰ পকৈত। মেডলিনে কবিতাও লিখে বুলি জানিলো। ঘৰুৱা আচবাব সাধাৰণ ভাবেই সজাই ৰাখিছে যদিও তেওঁৰ সামঞ্জস্য আৰু পৰিমিতিৰ ভগন আৰু শিল্পীসুলভ মনৰ পৰিচয় ঘৰখনত উজলি আছে। দুয়ো বান্ধৱীয়ে মেডলিনৰ শোৱা কোঠালৈ মোক লৈ গ'ল। দুয়ো সোমাই যোৱা দুৱাৰৰ সমুখৰ বেৰত মেডলিনৰ মাকৰ এখন ডাঙৰ ফটো আঁৰি থোৱা আছে। ছবিখনলৈ সোঁহাতেৰে দেখুৱাই তেওঁ ক'লে "এই মৃত মহিলাৰ আশীৰ্বাদত

মই আমাৰ পৃথিৱীখনত থিয় হৈ আছো" বুলি কৈ তেওঁ লাহেকৈ হাঁহি মোৰ মুখলৈ চালে। ঘৰৰ কোণৰ টেবুল এখনত তেওঁৰ নাতি-নাতিনীৰ ছবি কেইখনে যেন হাঁহি আছে। মেডলিনৰ বিবাহিতা ছোৱালীজনী থাকে কোৰিয়াত। তেওঁৰে ল'ৰা-ছোৱালীৰ ফটো সেয়া। ডাঙৰ ল'ৰাটো সাগৰৰ ওপৰতে ভ্ৰমি ফুৰে বুলি মেডলিনে হুমুনিয়াহ চাৰিলত ৰেনিয়াই ৰ লাগি তেওঁৰ মুখলৈ চাই থকা মই দেখিবলৈ পালো। তেওঁলোকৰ হৃদয়াবেগে মোৰ অন্তৰতো জোঁকাৰণি তুলিলে। পৃথিৱীৰ সৰ্বত্ৰ যেন বহু বৈষম্যৰ মাজত একে শক্তি আৰু অভিব্যক্তিত একত্ৰিত হৈ আছে মাতৃত্বৰ মমতা। সেইদিনা ৰেনিয়া মেডলিনৰ ঘৰতে ৰৈ গ'ল মোক তেওঁলোকৰ আন্তৰিক আতিথ্যৰ আনন্দ দিবলৈ। ৰাতি শোৱাৰ পৰলৈকে তেওঁলোক আৰু মোৰ মাজত দুয়ো পক্ষৰ ঘৰুৱা, সামাজিক আৰু ব্যক্তিগত জীৱনৰ কিছু দুখৰ, কিছু সুখৰ কথা-বতৰা চলিল। অন্তৰঙ্গ বন্ধুত্বৰ আন্তৰিকতাই যেন অতি কম সময়ৰ ভিতৰতে আমাক বৰ ওচৰ চপাই নিলে। শুবলৈ যোৱাৰ আগতে ৰেনিয়াই হৰিষ মনেনে স্বামীক ফোনেৰে জনাইছিল– মোক সঙ্গ দিয়াৰ কাৰণে যে তেওঁ মেডলিনৰ ঘৰতে ৰৈ গ'ল।

পিছদিনা পুৱা জা-জলপান খাই ৰেনিয়া ঘৰলৈ যোৱাৰ পিছত মেডলিনে হাতত সৰু 'ডিকচ্‌নেৰী এখন লৈ মোৰ কাষত বহিলহি। তাৰ পিছত তেওঁ নিজৰ কবিতা এটা ইংৰাজীতে ভাঙনি কৰি গ'ল। তেওঁ বাৰে বাৰে ডিকচ্‌নেৰীখন চায় আৰু মোক ফৰাছী শব্দৰ ইংৰাজী প্ৰতি শব্দটো কৈ যায়। শব্দবোৰ বকুল ফুলৰ দৰে মোৰ মনৰ চোতালত তেওঁ চটিয়াই দিওঁতে সুৰভি উৰিছিল। সেই বকুল ফুলৰ মালা গাঁথি কবিতাৰ ৰসাস্বাদন কৰিব খোজতে ছবিৰ মানৱতাবাদৰ গোন্ধ পোৱা যেন লাগিল। মই কিবা এটা ক'বলৈ বিচাৰোতে মেডলিনেহে মোক সুধিলে–

"নীলিমা তুমি চেখ্‌ট পঢ়িছানে ?" মেডলিনৰ উচ্ছাৰণত মোৰ মনৰ মাজত বিভ্ৰাট ঘটিল। মই তেওঁৰ মুখলে চাই থাকিলো। বুদ্ধিমতী মেডলিনে মোৰ সমস্যাটো সহজে বুজিব পাৰি এডোখন



কাগজত লিখি দেখুৱালে "Jean paaul Sartre" মেডলিনৰ কথা বুজি পোৱাৰ আনন্দত প্ৰায় চিঞৰি ক'লো

– বুজিছো, পঢ়িছো কিছু।

– কি সেয়া ?

–"Being and Nothingness" বুলি ক'বলৈহে পালো, মেডলিনে অভিভূত হৈ ক'লে

– মই চেখ্‌টৰ প্ৰিয় পাঠক। তেওঁ মানুহৰ মনস্তাপৰ (Anguish) প্ৰতি ইমান সহানুভূতিশীল! হতাশাগ্ৰস্ত মানুহৰ যাতনা বাদ দি প্ৰকৃত সাহিত্য ৰচনা হব পাৰে নে ? তেওঁৰ দাৰ্শনিক দৃষ্টি আৰু সাহিত্যিক সৃষ্টিয়ে একেলগে গতি কৰিছে।

মই নিৰ্বাক হৈ মেডলিনৰ মনৰ ভিতৰ চ'ৰাত সোমাব খুজিও উভতি আহিলো আৰু লৰা-লৰিকৈ তেওঁক সুধিলো– তোমাৰ ল'ৰাটো ? লুইচক কালি মই চকামকাকৈ দেখিছিলো, তাৰ পিছত লগেই পোৱা নাই।

– সি খাই বৈ ওলাই গ'ল চাগে।

– নিজে লৈ খাব পাৰিলেনে ?

– কিয় নোৱাৰিব বাৰু ? এতিয়াতো সি ডাঙৰ হৈছে। আজিকালি সি বান্ধৱীক লৈ ব্যস্ত।


তাৰ পিছতে 'বাৰু' বুলি মেডলিন বহাৰ পৰা থিয় হ'ল আৰু ক'লে, – "ওলোৱাগৈ নীলিমা। তোমাক 'ভেখ্‌চাই' দেখুৱাই আনো। এইবাৰ বুজাত ভুল আৰু নহ'ল যে মেডলিনে 'ভাবচেলাইছ'ৰ কথা কৈছে।

মেডলিনৰ লগত "ভেখ্‌চাই"ৰ দুৱাৰ মুখত যেতিয়া থিয় হ'লোগৈ– সমুখৰ পৰা ভিতৰলৈ দেখা পালো মানৱ ইতিহাসৰ এক বিশাল চিত্ৰ। অদ্ভুত ধৰণে এই অকল্পনীয় চিত্ৰই আশ্চৰ্যজনক ভাবেৰে মনটো ভৰাই তুলিলে। অতীতত দেখা কোনো ৰাজত্বৰ বা সাম্ৰাজ্যৰ কোনো স্মৃতি-চিন, শৌৰ্যবীৰ্যৰ দুৰ্গ বা কিল্লা, প্ৰেমৰ তাজমহল, ধৰ্মৰ মঠ-মন্দিৰ আনকি কেইদিনমানৰ আগতে দেখা ক'লনত মূৰ তুলি থকা সেই অপৰাজেয় গীৰ্জা কেইটা কোনোৰকমে এই ঐতিহাসিক স্মৃতি-চিহ্নৰ সমতুল্য নহয়। এই স্মৃতি-চিন অকল ফৰাছী জাতিৰ ৰাজনৈতিক ইতিহাসৰে নহয়, ই যেন তেওঁলোকৰ ভাস্কৰ্যৰ আৰু সুকুমাৰ শিল্প কলাৰে মহিমামণ্ডিত নিদৰ্শন। ইয়াত ভাস্কৰ্যৰ চিত্ৰাংকন কৰা হৈছে বেছিভাগ শিল আৰু মাৰ্বলৰ ওপৰতে। মোৰ গাইড হ'ল সেইদিনা মেড্‌লিনেই। তেওঁ এফালৰ পৰা দেখুৱাই গ'ল ৰাজপ্ৰাসাদ, মিউজিয়ম, দুৰ্গ, প্ৰাৰ্থনা ঘৰ আৰু চিৰ সেউজীয়া পাৰ্কসমূহ আৰু লগতে দিলে সেইবোৰৰ বিবৰণ। 'ৰাজপ্ৰাসাদ আৰু মিউজিয়ামৰ বাহিৰে ভিতৰে চাই শেষ কৰিব নোৱৰা যেন বীৰত্ব আৰু শিল্প কলাৰ সূক্ষ্ম কাৰুকাৰ্য আৰু সৌন্দৰ্যৰ অপূৰ্ব ছবি। মানুহৰ এই অপৰূপ কল্পনাই মচি নিব পাৰে অস্তিত্বৰ দুঃসহ বেদনা আৰু জীৱনৰ ক্লান্তি। মই বৰ আশাৰে মেডলিনৰ মুখলৈ চালো– সঁচাকৈয়ে তেওঁৰ মুখত তেতিয়া কোনো বিষাদ আৰু ভাগৰৰ চিন নাছিল। তেওঁ মোক নিজৰ ভাবেৰে বুজাবলৈ চেষ্টা কৰিছিল লাহে লাহে কেনেকৈ ত্ৰয়োদশ লুইয়ে সজোৱা ৰাজপ্ৰাসাদ চতুৰ্দশ লুইয়ে শেষ কৰালে, ৰজাসকলে কেনেকৈ প্ৰাসাদত বাস কৰিছিল ফৰাছী বিপ্লৱৰ আগলৈকে, তাৰ পিছত ৰজা কেনেকৈ আঁতৰিব লগা হ'ল প্ৰাসাদ এৰি, বিপ্লৱৰ পিছত কেনেকৈ ৰাজপ্ৰাসাদ ৰূপান্তৰিত হ'ল মিউজিয়মলৈ– ইত্যাদি। মন কৰিলো বিপ্লৱৰ স্মৃতিয়ে মেডলিনৰ মুখমণ্ডল এক অপূৰ্ব গৌৰৱত উজলি উঠিছিল। এবাৰ আমি দুয়ো দুৰ্গৰ ওপৰত উঠিলোগৈ। ওপৰৰ পৰা চাই পঠালো তলৰ 'অৰেঞ্জগ্ৰোভ' পাৰ্কখনলৈ। মেডলিনে ক'লে– দেখিছানে, মানুহৰ যান্ত্ৰিক হাতে গছবোৰক কাটিকুটি নিজৰ পুতলা কৰি পেলাইছে ? চোৱা গছবোৰ কেনেকৈ পুতলাৰ শাৰী হৈ গৈছে!

মেডলিনৰ কথাত মনত পৰিল মোৰ সেউজীয়া শিলঘাটলৈ। তাত যেন প্ৰকৃতিয়ে মৰমৰ হাত মেলি ওপৰৰ পৰা নামি আহিছে মানুহৰ সমাজলৈ। জুৰিকত প্ৰকৃতি উধাও হৈছে তাৰ পৰা দেখা আলপ্সৰ শৃঙ্গমালাত। ইউৰোপৰ প্ৰায় সৰ্বত্ৰ মানুহে বিচাৰিছে প্ৰকৃতিক জয় কৰি লবলৈ, নিজৰ মতে পৃথিৱীক নতুন ৰূপ দিবলৈ! মেডলিনৰ পৰিপূৰ্ণ 'লান্চ পেকেটে'ৰে ভেখ্‌চাইৰ এডোখৰ মনোৰম ঠাইত বহি পেট ভৰাই লৈছিল। আবেলি ঘূৰি আহিলো মেডলিনৰ সেই একে দুৰন্ত গতিত চলা গাড়ীখনত। ঘূৰি আহোতে মই ভাবিব লগা হ'ল– কি দুঃসহ মন্থৰ জীৱন মানুহৰ, মেডলিনৰ! নিজস্ব গতিৰে তেওঁ পৰা নাই পাৰ হব বিচ্ছেদৰ অপাৰ পাৰাপাৰ!

সন্ধিয়া মেডলিনলৈ ফোন আহিল





*চতুৰ্দশ লুইৰ শোৱনি কোঠা*

মিচেচ জোহান্সৰ পৰা। তেওঁ পিছদিনা মেডলিনক লান্সৰ বাবে নিমন্ত্ৰণ জনাইছে। মিচেচ জোহান্সৰ ছোৱালী কেইজনীয়ে ফোনতে মেডলিনক কাবৌ কৰিছে বোলে মোকো তাইৰ লগতে লান্সলৈ গৈ যাবলৈ। মেডলিনে ক'লে যে জোহান্স পৰিয়ালটোৱে ভাৰতীয় মানুহক ভাল পায় আৰু ভাৰতৰ কথা জানিব খোজে। মিঃ জোহান্সৰ মৃত্যু হৈছিল বিশ্ববিখ্যাত ভাৰতীয় বৈজ্ঞানিক হোমী ভাবাৰ লগতে একেটা বিমান দুৰ্ঘটনাত। মেডলিনে সুধিলে মোৰ কিবা আপত্তি আছে নেকি তেওঁৰ লগত যোৱাত। মই নাই বুলি ক'লো লগে লগে।

আঠ ছেপ্তেম্বৰৰ দিনা মিচেচ জোহান্সৰ ঘৰত দুপৰীয়া লান্স খোৱাই নহয়, মই তেওঁৰ ঘৰত তিনি ৰাতি থাকিব লগা হ'ল ল'ৰা-ছোৱালী কেইজনৰ একান্ত অনুৰোধত। এয়াৰ পোৰ্টলৈ ডাঙৰ ছোৱালী দুজনী গৈ এইবাৰ মোৰ টিকেটৰ যোৱাৰ দিন ১০ ছেপ্তেম্বৰৰ পৰা ১৩ ছেপ্তেম্বৰলৈ সলনি কৰি পেলালে। ভাৰতৰ বিশ্ববিদ্যালয় সমূহৰ মাজত অকল বিশ্বভাৰতীতে ছাত্ৰ-ছাত্ৰীয়ে "নীলিমাদি" বুলি মাতিছে যদিও কথা-বতৰাত তেওঁলোকে অলপ দূৰত্ব ৰাখে। কিন্তু, জোহান্স পৰিয়ালৰ ল'ৰা-ছোৱালী কেইজনে মোকতো 'নীলিমা' বুলি মাতেই, কথা-বতৰাতো তেওঁলোক মোৰ লগত বৰ শীঘ্ৰেই সহজ হৈ পৰিল। সেই কেইদিন তেওঁলোকৰ মোৰ লগত যে কত কথা। ল'ৰা-ছোৱালী আটাই কেইজনেই উচ্চ শিক্ষাৰ ছাত্ৰ-ছাত্ৰী। কিন্তু, তেওঁলোকৰ উচ্চ শিক্ষা জীৱনত প্ৰয়োজন হোৱা আৰু সমাজত কোনোবা এটা দিশৰ পৰা বৰঙণি যোগাব পৰা। একেবাৰে সৰু ছোৱালীজনী কেথেৰিন। তেওঁ পূব ফ্ৰান্সৰ বিশ্ববিদ্যালয় এখনৰ বোটানিৰ ছাত্ৰী। হাতে কামে লাগি বোটানিৰ শিক্ষা লৈ শিক্ষালয়ত নিজ হাতে কৰা মৌৰ বটল 'এটা তেওঁ মোক উপহাৰ দিছিল, বটলটো দেখিবলৈকে কি সুন্দৰ, মৌৰ কথা ক'বই নালাগে। এনেবোৰ বস্তু শিক্ষালয়ৰ পৰা বজাৰলৈ পঠোৱাৰ ব্যৱস্থা আছে, নিজৰ সৃষ্টিৰ কিছু মূল্য ছাত্ৰ-ছাত্ৰীয়েও পায়। শিক্ষা জীৱনৰ শেষত কাম নোপোৱাৰ ধিক্কাৰ শিক্ষিত যুৱক-যুৱতীৰ হবলৈ নাপায়গৈ। মিচেচ জোহান্সৰ ল'ৰা দুজন জেমছ আৰু প্ৰিন্স। তেওঁলোক ক্ৰমে গণিত আৰু আৰ্টৰ ছাত্ৰ, তেওঁলোকে পেৰিছতে পঢ়ে, ডাঙৰ ছোৱালী দুগৰাকী ব্ৰিজিট আৰু নেদলিন পেৰিছৰ বিভিন্ন অনুষ্ঠানত ফটোগ্ৰাফি আৰু পেইন্টিঙৰ প্ৰশিক্ষণ লৈছে, তেওঁলোকৰ সেই প্ৰশিক্ষণ লব পৰাকৈ সামাজিক ব্যৱস্থাও আছে। মিচেচ জোহান্সৰ ঘৰ বিলাসিতাৰ উৎকট পৰিবেশ নেদেখিলো। পোৰ্টটিকোৰ চোফাৰ লগতে সুমুৱাই যোৱাৰ ব্যৱস্থা, বেৰৰ ৰেকত শাৰী শাৰী কিতাপ, তাৰ মাজত দেখিলো মহাত্মা গান্ধী আৰু ৰবীন্দ্ৰ নাথৰ কিতাপো। পৰিয়ালৰ প্ৰত্যেকজনেই ঘৰুৱা কামত পকৈত, ছোৱালী কেইগৰাকীয়ে ৰান্ধা-বঢ়াৰ পৰা চোতাল ঘৰ চাফ-চিকুণ কৰালৈকে সকলো ধৰণৰ কাম কৰে। ঘৰত তেওঁলোকৰ বিবিধ ফলমূলৰ বাগিচা, নানা ৰঙৰ (তিনি ৰঙৰ) থোপথুপি আঙুৰ ওলমি আছে, আঙুৰৰ বাহিৰেও বিবিধ ফলৰ, ফুলৰ আৰু গছৰ তদাৰকি কৰে মিচেচ জোহান্সে। মই থাকোতে তেওঁ ঘৰৰ ফলেৰে কেক কৰিছিল– দেখাত অতি সুন্দৰ, খোৱাতো স্বাদ সেই কেকৰ অপূৰ্ব। মই তেওঁলোকৰ ঘৰত 'লান্স'ত যোগ দিম বুলি ফোন পাই কেথেৰিন খৰখেদাকৈ আহি ঘৰ পালেহি। আহোতে তেওঁ এটা সাগৰৰ মাছ লৈ আহিছিল। সেইদিনা গোটে গোটে মাছটো বেক কৰি খোৱা মেজত ধুনীয়াকৈ সজাই দিছিল- মোৰ কাৰণে অলপ ভাতো। বিলাহীৰ চুপ, বন, ব্ৰেড আৰু বিবিধ ফলমূল আছিল টেবুলত। খোৱা বস্তু বিলাকত নিমখ নাই বুলিবই লাগে। তেওঁলোকৰ খোৱা-বোৱাত ইংলণ্ডৰ দৰে কাটা চামুচৰ 'ফৰমেলিটি' নাই। দুই হাতো ব্যৱহাৰ কৰে। অন্ততঃ সোঁহাতেৰে খাবলৈ মোৰ সুবিধা হৈছিল। তেওঁলোকে আমাৰ ৰন্ধন প্ৰণালীৰ বিষয়ে সুধিছিল। খোৱা টেবুলত তেওঁলোকৰ মদ থাকে, মদ খোৱাৰ লগত 'নৈতিকতা' জৰিত নহয়। তেওঁলোকে মোকো মদ আগবঢ়াইছিল, মই বিনাদ্বিধাই নাখাওঁ বুলি কোৱাতো মোৰ অসুবিধা হোৱা নাছিল কাৰণ মনত আত্মবিশ্বাস আছিল যে এইবোৰ ৰীতি-নীতি আচাৰ-ব্যৱহাৰ আনকি নৈতিকতাৰ "মান" আপেক্ষিক। নিজৰ নিজৰ ৰীতি-নীতিত কোনেও কাকো বেয়া বুলিব নালাগে বুলি ভাবি আহিছো।

ব্ৰিজিট আৰু নেদলিনে ঘনে ঘনে ভাৰতীয় মানুহৰ জীৱন ধাৰাৰ বিষয়ে সুধি মোক ব্যতিব্যস্ত কৰিছিল। তেওঁলোকৰ মনত ভাৰতীয়ৰ প্ৰতি অতি উচ্চ ধাৰণা কাৰণে মই দোমোজাত পৰিছিলো কি উত্তৰ দিম বুলি ভাবি। এটা কথা কিন্তু ঠিক, তেওঁলোকে নিজৰ দেশৰ পাৰ্থিব প্ৰাচুৰ্যৰ মাজত জীৱন ধাৰাৰ উৱাদিহ পোৱা নাই। তেওঁলোকে দূৰৰ পৰা ভাৰতীয় আধ্যাত্মিকতাক পছন্দ কৰে। ভাৰতীয় মানুহৰ চৰম দাৰিদ্ৰ্যৰ কথা তেওঁলোকে নজনা নহয়, তথাপি ভাৰতীয়ৰ মন যে অতি চহকী সেই কথা কৈ মোক অসুবিধাত পেলাইছিল। অৱশ্যে, একো সময়ত নিজৰ দেশৰ সুনামৰ কথা শুনি মোৰ মনলৈ গৌৰৱবোধ নহা নহয়– যিদৰে বিশ্ব

অলিম্পিকত গোপাতপাতকৈ হবাৰ সময়ত আধ্যাত্মিকতাত চহকী বুলি ভাৰতীয় মানুহে সকাহ পাবলৈ চেষ্টা কৰিছিল। জোহান্স পৰিয়ালৰ জীয়ৰীহঁতৰ লগত তেওঁলোকৰ শিক্ষালয়লৈ পেৰিছৰ দুটামান শিল্প কলা কেন্দ্ৰলৈ বাটে বাটে বা ৰাতিৰ পেৰিছ চাবলৈ, চুপাৰ মাৰ্কেটত দুই এটা বস্তু কিনিবলৈ যʼলৈকে নগৈছো, তেওঁলোকে ফৰাছী আৰু ভাৰতীয়ৰ মাজত কিবা এটা ৰিজনি বিচাৰিছিল মোৰ পৰা ওপৰোক্ত বিষয় সমূহত। ফৰাছী ছাত্ৰী কেইগৰাকীৰ এই আন্তৰিক আগ্ৰহত মই একো সময়ত মুগ্ধ হৈছিলো আৰু বৰ ভাল পাইছিলো দেখি– তেওঁলোক যে বৰ সহজ সৰল আৰু সামৰ্থ্যৰ প্ৰতি বৰ সজাগ। ঘৰে বাহিৰে চলিব পৰা তেওঁলোকৰ সাহস আৰু স্বাধীনতাবোধ আৰু বৰ কম সময়তে সাজপাৰ কৰি প্ৰস্তুত হব পৰা তেওঁলোকৰ তৎপৰতাৰ কথা মনত ৰৈ গৈছে।

ইয়াৰ মাজতে এদিন মেডলিন ওলালহি। আহিয়েই তেওঁ মোক সুধিলেহি ৰেনিয়াৰ ঘৰলৈ যোৱাৰ ইচ্ছা আছে নে বুলি। আছে বুলি কৈ খৰধৰকৈ ওলালো। আমাৰ লগত ব্ৰিজিট আৰু নেদলিনো ওলাল। ইতিমধ্যে কেথৰিন শিক্ষালয়লৈ গʼলগৈ। মেডলিনৰ গাড়ী চলিল Andney-ৰ অভিমুখে সেই অঞ্চলতে ৰেনিয়াৰ ঘৰ। মেডলিনৰ দুৰন্ত গতিয়ে আমাক পেৰিছ পাৰ কৰি নিলে। সমুখত দেখিছো তেতিয়া বহু দূৰলৈকে মুকলি আকাশ আৰু মুকলি ঠাই। দূৰৰ গছ-গছনি, দুয়োকাষৰ ঘাঁহ-বন দেখি সেউজী অসমলৈ মনত পৰিছিল। একেখন আকাশ আৰু একেখন ধৰণীতে ঘূৰি ফুৰিছো বুলি গহীন ভাব এটা মনলৈ আহিল। মনৰ ফূৰ্তিত ছোৱালী দুগৰাকীয়ে গান গাবলৈ ধৰিলে, মেডলিনে শান্তিৰ ভাবত গাড়ীৰ বেগ কমাই আনিলে। নেদলিনহঁতে গীত শেষ কৰি মোক এটা অসমীয়া সুৰ শুনাবলৈ বৰকৈ অনুৰোধ কৰিলে। উপায় নেপাই ভুলে শুদ্ধই গাবলৈ ধৰিলো– "সেউজী, সেউজী, সেউজী অʼ সেউজী ধৰণী ধুনীয়া" শেষ হʼলত নেদলিনে মোৰ হাতখনত ধৰি কʼলে– "So Sweet" এই জ্যোতি সংগীতটিৰ সুৰ সঁচাকৈয়ে মধুৰ। অৱশ্যে, মধুৰ কৰিব লাগিব অকল 'স্বৰলিপি'ৰে নহয়, মনৰ অভিভূত আবেগেৰেও।

আমি যেতিয়া ৰেনিয়াৰ ঘৰ পালোগৈ তেওঁ তেতিয়া আগফালৰ চোতাল সাৰি আছিল এডাল দীঘল বাঢ়নিৰে পোনহৈ। অলপ দূৰত তেওঁৰ স্বামীয়ে ৰেনিয়াই সাৰি থোৱা শুকান ডাল-পাত ঘাঁহ-বন গোটাই পুৰি আছিল। কাষতে এদʼম ছাই। আমাক দেখি আনন্দতে ৰেনিয়া আগবাঢ়ি আহিল। খৰধৰকৈ আমাক নি চোতালত পাৰি থোৱা কাঠৰ বেঞ্চ এখনতে বহুৱালে। বহাৰ আগতে এবাৰ চাৰিওফালে চকু ফুৰাই চালো। সাধাৰণ ঘৰ-বাৰী। কিন্তু পৰিচ্ছন্ন পৰিবেশ। ৰেনিয়াৰ একমাত্ৰ কিশোৰী জীয়ৰী চোনিয়া স্কুলৰ পৰা আহি পাইছে মাত্ৰ, তেওঁ আমাক সোধ-পোচ কৰাত মাকক সহায় কৰিবলৈ আহিলেই। দুয়ো মাক-জীয়েকে এখন দীঘল কাঠৰ মেজ টানি আনি আনি বহা বেঞ্চৰ সমুখতে থলে। তাৰ ওপৰতে ততাতৈয়াকৈ চোনিয়াই বগা টেবুল ক্লথ এখন পাৰি দিয়াৰ পিছত চোনিয়াই এখৰাহী কজলা আৰু সেউজীয়া আঙুৰ গছৰ পৰা ছিঙি আনি মেজখনতে আমাৰ আগত দিলেহি। হাঁহি হাঁহি ৰেনিয়াই মোৰ যোৱাৰ দিন সলনি কৰাৰ কথা উলিয়ালে। মেডলিনে ৰেনিয়াৰ লগত ব্ৰিজিট আৰু নেদলিনক চিনাকি কৰি দিলে। মাকৰ দিহা মতে চোনিয়াই একো কাপকৈ কফি আৰু বিশেষকৈ মই খাব পৰা কেক, কণী, ব্ৰেড আৰু চালাদ একোথাল আমাৰ সমুখত থলেহি। ৰেনিয়া আৰু চোনিয়াও বহিল, ৰেনিয়াৰ স্বামীও আহি আমাৰ লগত যোগ দিলে। হাঁহি ফূৰ্তিৰ মাজত আমাৰ খোৱা বোৱা শেষ হʼলত ৰেনিয়াই আমাক লৈ গʼল তেওঁলোকৰ ঘৰবাৰী দেখুৱাবলৈ। ৰেনিয়াৰ ঘৰটো দুমহলীয়া আমাৰ চাংঘৰৰ দৰে। ওপৰ মহলাত তেওঁলোক থাকে, সাজ-সৰঞ্জাম সাধাৰণ ভাবেই ৰখা হৈছে যদিও বৰ পৰিপাটি। সেইডোখৰ ঠাই গাঁও অঞ্চল বুলি কোৱা হৈছে যদিও গাঁৱলীয়া ঘৰতে দেখিলো আধুনিক সাজ সৰঞ্জাম প্ৰায়বোৰেই আছে ফোন, ফ্ৰিজ। গেচ ইত্যাদি। তলত তেওঁলোকে "পাৰফিউম" তৈয়াৰ কৰে। এই পাৰফিউম বিশেষকৈ লেভেণ্ডাৰ ফুলৰ। আমি নামি অহাৰ আগতেই আলমিৰাৰ পৰা উলিয়াই ঘৰৰ বাৰীত হোৱা লেভেণ্ডাৰ গুটিৰ সৰু সৰু কাপোৰৰ বন্ধা বেগ একোটা আমাক ৰেনিয়াই উপহাৰ দিলে– বাকচত থলে কাপোৰ সুগন্ধময় হৈ থাকিব বুলি লগতে বুজাই দিলে। ঘৰ চাই ৰেনিয়াৰ বৰ মৰমৰ বাৰীখনত সোমালো- অকল ফলৰে খেতি নহয় ফুলৰো খেতি যেনিবা– ডাল ভৰি ভৰি ফল-ফুল, আঙুৰৰ থোপা-কজলা, সেউজীয়া ৰঙচুৱা। আৰু বেঙুনীয়া লেভেণ্ডাৰ ফুলেৰে উপচি আছে। সৌন্দৰ্যৰ উপৰিও উপাৰ্জনৰো বাট মুকলি কৰিছে বাৰীখনে, চিগাৰেটৰ মিক্সাৰো ঘৰতে তৈয়াৰ কৰি একোটা ধুনীয়া টেমাত থৈ গৈছে।

আহিবৰ পৰত মোক সাবটি ধৰি ৰেনিয়াই কʼলে– তোমালৈ লেভেণ্ডাৰ ফুল আৰু আমাৰ ঘৰত তৈয়াৰী পাৰফিউমাৰ লৈ এয়াৰ পোৰ্টলৈ যাম তোমাক বিদায় দিবলৈ।

তেৰ ছেপ্তেম্বৰৰ দিনা মিচেচ জোহান্সে গাড়ী চলাই মোক এয়াৰ পোৰ্টত থবলৈ আহিছিল, লগত ব্ৰিজিট আৰু নেদলিন। আমি এয়াৰ পোৰ্ট পোৱাৰ অলপ পিছতে মেডলিন আৰু ৰেনিয়া আহি পালে। ৰেনিয়াৰ হাতত শুকান লেভেণ্ডাৰৰ এটা টোবা আৰু এটা ডাঠ কাগজৰ বাকচত এবাকচ পাৰফিউম। তেওঁ মোৰ হাতত বস্তু কেইটা তুলি দিলে। নেদলিনে খন্তেকতে মোৰ পৰা চাবি লৈ মোৰ বাকচটো খুলিলে আৰু পাৰফিউমৰ বাকচটো আৰু মাকে কৰা মমৰ এটা আৰ্টিফিচিয়েল কেক (ফৰেৰে কৰা নমুনাৰে) আৰু মেডলিনৰ কেইখনমান 'নক্সা' ভৰাই বাকচটো হেচি বন্ধ কৰিলে। মই তেওঁলোকক এৰাৰ পৰ হৈ আহিল, মেডলিনে ইফালে সিফালে চাবলৈ ধৰিলে ৰেনিয়াৰ চকু থৰ। মিচেচ জোহান্স একমাত্ৰ ধীৰ স্থিৰ হৈ থিয় হৈ আছিল। হঠাতে নেদেলিনে ৰʼব নোৱাৰি মোক সাবটি ধৰিলে আৰু উচুপি উচুপি কান্দিবলৈ ধৰিলে। মই লাহেকৈ নেদেলিনৰ হাতখন এৰুৱাই সকলোৰে পৰা বিদায় ললো। মোৰ গালেদি তেওঁলোকৰ বহুতো মৰমৰ চুমা বাগৰি গʼল চকুলোৰ সতে। 'চিকিউৰিটি'ত সোমাই পৰিলো খন্তেকতে।

ঘৰ পাই কিছুদিনৰ পিছত ৰেনিয়াৰ চিঠি এখন পাইছিলো। তাৰে এটা শাৰী– "Your smile is the smile of India."


বিশ্ব দৰ্শন সভাত ভাৰতৰ প্ৰতিনিধিত্ব কৰা মোৰ সাৰ্থক হʼল। ■




উপন্যাসিকা

# দধীচি

কানাই গগৈ



অংকন ঃ চম্পক বৰবৰা

১

ৰাতিপুৱা সাত বাজিবলৈ পোন্ধৰ মিনিটমান থাকোতে ফুলেশ্বৰে আহি কয়লা খনিৰ কাৰ্যালয়ৰ নিৰ্দিষ্ট ডাঙৰ কোঠা এটাত ৰখা অসংখ্য কেপ-লেম্পৰ মাজৰ পৰা তাৰ নিজৰ কেপ-লেম্পটো বাছি লʼলে। কেপ-লেম্পবিলাকত খনিত কাম কৰা লোকসকলৰ নামবিলাক লিখি ৰখাৰ উপৰিও একোটাকৈ নম্বৰো লিখা থাকে। খনিত কাম কৰা প্ৰতিজন লোকৰ বাবে এটাকৈ কেপ-লেম্প ৰখাৰ উপৰিও কিছু বাঢ়তি কেপ-লেম্পো এই নিৰ্দিষ্ট কোঠাটোত ৰখা হয় আৰু ইয়াত থকাৰ সময়ত বিদ্যুৎ শক্তিৰ দ্বাৰা চাৰ্জ কৰি থকা হয়। কেপ-লেম্পটো লৈ সি 'হাজিৰা-বাবু' বহা কোঠাটোৰ খিৰিকিৰ কাষত থিয় দিলেহি। খিৰিকিৰ কাষত ইতিমধ্যে ফুলেশ্বৰৰ দৰেই খনিত কাম কৰা ভালেকেইজন শ্ৰমিকে জুম বান্ধিছেহি; সিহঁতৰ প্ৰত্যেকৰে হাতত একোটাকৈ কেপ-লেম্প। শ্ৰমিকবিলাকৰ প্ৰত্যেকেই নিজৰ নামটো আৰু কেপ-লেম্পৰ নম্বৰটো কৈ গৈছে আৰু 'হাজিৰা-বাবু'ৱে প্ৰায় মূৰ নোতোলাকৈয়ে হাজিৰা-বহীৰ পাত লুটিয়াই লুটিয়াই বহীত লিখি ৰখা নামবোৰৰ বিপৰীতে হাজিৰা উঠাই কেপ-লেম্পৰ নম্বৰটোও লিখি গৈছে। 

সাত বজাৰ আগে আগে প্ৰত্যেকেই এইদৰে হাজিৰা উঠাই লয়; নহ'লে সাত বজাৰ লগে লগে হাজিৰা-বহী বন্ধ কৰি দিয়া হ'ব।

হাজিৰা উঠাই ফুলেশ্বৰে কেপ-লেম্পটো পেটীৰে কঁকালত বান্ধি লৈ ৰ'দত অকণমান থিয় দিলেহি। এতিয়াও সাত বজা নাই; সাত বজাৰ প্ৰায় লগে লগেই সিহঁত খনিৰ ভিতৰলৈ সোমাব লাগিব। ফুলেশ্বৰে ৰ'দত থিয় দিলেহি যদিও ৰ'দ বুলিবলৈ একেবাৰে নাই। এতিয়া জাৰৰ সময়, তদুপৰি খনিৰ এই কাৰ্যালয়টো চৌদিশৰ পৰা পাহাৰে আগুৰা এটুকুৰা সমতল ঠাইত অৱস্থিত। সেইবাবে জাৰৰ দিনত পুৱা আঠ বজাৰ আগতে পাহাৰৰ ফাঁকে ফাঁকে সৰকি অহা দুই-এচেৰেঙা ৰ'দৰ বাহিৰে সূৰ্যৰ মুখেই দেখা পোৱা নাযায়। আবেলি আঢ়ৈমান বজালৈকে সিহঁত খনিৰ ভিতৰতে থাকে। খনিৰ ভিতৰৰ পৰা ওলাই সিহঁত ঘৰ পায়মানে চাৰে তিনিমান বাজি যায় আৰু তেতিয়ালৈ সূৰ্যও অসহায়ভাবে পাহাৰৰ আঁৰলৈ গুচি যায়। জাৰৰ দিনত সেইবাবে কামলৈ অহা-যোৱা কৰিবলৈ সিহঁতৰ অলপ কষ্টই হয়। তদুপৰি সিহঁতৰ কামৰ শ্বিফ্‌ট এসপ্তাহৰ মূৰে মূৰে সলনি হয়। ৰাতিপুৱা বেলা জাৰ-এলাহ আদি কাতি কৰি থৈ আহিব পাৰিলেও ৰাতি দহ বজাত ঘৰৰ পৰা কামলৈ ওলাই আহিবৰ সময়ত সিহঁতে নিজৰ মনৰ লগত এখন তৰ্কযুদ্ধত প্ৰায়েই অৱতীৰ্ণ হ'বলগীয়া হয়। তাতে এতিয়া ৰাতি-বিয়লি আন এটা বিপদে সিহঁতৰ লগ লৈছে। ৰাতি কামলৈ আহি থাকোতে ৰাস্তাত আন্ধাৰৰ মাজৰ পৰা ভুটুংকৈ তিনি-চাৰিটামান সৈন্য বাহিনীৰ জোৱান ওলাই আহি সিহঁতক আগচি ধৰেহি। তাৰ পাছত ওলোটা-ওভোটা কিছুমান প্ৰশ্ন সুধি সিহঁতক ব্যতিব্যস্ত কৰি তোলে। ভয়ত অথবা অজ্ঞতাৰ বাবে কোনোবাই সঠিকভাবে উত্তৰ দিব নোৱাৰিলে বা চিনাকি-পত্ৰ দেখুৱাব নোৱাৰিলে জোৱানবিলাকে সিহঁতক কেতিয়াবা মাৰধৰো কৰে আৰু কেতিয়াবা গুলি কৰি দিয়াৰ ভয় দেখুৱায়। যিমান বয়সস্থ মানুহ নহ'লেও জোৱানবিলাকে সোধ-পোছ কৰাৰ সময়ত 'তই-তুমি'ৰ উৰ্ধ্বলৈ নাযায়। সিহঁতৰ মতি-গতি, স্বভাৱ-চৰিত্ৰ দেখি ফুলেশ্বৰৰ কেতিয়াবা এনেকুৱা লাগে যেন অসমৰ মানুহবিলাক জোৱানবিলাকৰ নিকিনা গোলাম!

ফুলেশ্বৰে ৰ'দ লৈ থাকোতে তাৰ লগত একেলগে কাম কৰা মানুহখিনিও আহি তাৰ ওচৰতে থিয় দিলেহি। অলপ পাছতে অ'ভাৰমেনজন সিহঁতৰ ওচৰলৈ আহিল। তেওঁ ইতিমধ্যে দায়িত্বত থকা বিষয়া বৰুৱা চাহাবৰ পৰা কামৰ নিৰ্দেশ লৈ আহিছে। মাইনিং ছৰ্দাৰ প্ৰদীপ ফুকনে লগত শ্ৰমিক এজন লৈ খনিত ব্যৱহাৰ কৰা বাৰুদ ল'বলৈ গৈছে। এই বাৰুদখিনিৰে কয়লাৰ মাজত বিস্ফোৰণ ঘটাই সিহঁতে কয়লা নিষ্কাষণ কৰিব। অ'ভাৰমেনে সিহঁতৰ প্ৰত্যেককে খনিৰ ভিতৰত কৰিবলগীয়া কাম নিৰ্দিষ্ট কৰি দিলে। খাদ্যৰ মোনাটো হাতত লৈ সিহঁত খনিৰ প্ৰৱেশদ্বাৰৰ ফালে আগবাঢ়িল। দুপৰীয়াৰ আহাৰ সিহঁতে পুৱা কামলৈ আহোতেই লগত লৈ আহে।

ঘৰৰ পৰাই মূৰত পিন্ধি অহা হেলমেটটোত কেপ-লেম্পটো গুজি ফুলেশ্বৰ খনিৰ প্ৰৱেশদ্বাৰত উপস্থিত হ'লহি। প্ৰায় ত্ৰিশ ডিগ্ৰী হেলনীয়াকৈ তলৰ ফালে এটা সুৰংগ চলোৱা হৈছে। সুৰংগটোৰ তিনিকাষ অৰ্ধচন্দ্ৰাকাৰ আকৃতিত ইটাৰে গঁথা। ইটাৰ গাঁথনিত সোঁহাতখন লগাই সি এটা চালাম দিলে। খনিত কাম কৰা প্ৰায় প্ৰতিজন লোকেই খনিৰ ভিতৰলৈ সোমোৱাৰ আগতে এইদৰে এবাৰ প্ৰণাম কৰি লয়। কেপ-লেম্পটো জ্বলাই লৈ সুৰংগটোৰ মজিয়াৰ বাওঁকাষে ইটাৰে তৈয়াৰ কৰা খটখটিৰে সি তললৈ নামিবলৈ ধৰিলে। সুৰংগটোৰ সোঁমাজত মজিয়াত ৰেলৰ ৰাস্তা তৈয়াৰ কৰি লোৱা হৈছে। এই ৰাস্তাৰে কয়লা বোজাই কৰা সৰু সৰু ডবাবিলাক বিদ্যুৎ ইঞ্জিনৰ (Haulage) দ্বাৰা উঠোৱা-নমোৱা কৰা হয়। সুৰংগৰ ভিতৰখন আন্ধাৰ যদিও কেপ-লেম্পৰ পোহৰৰ সহায়ত ফুলেশ্বৰে অভ্যস্ত খোজেৰে অনায়াসে তললৈ নামি যাবলৈ ধৰিলে। প্ৰায় দুশ মিটাৰমান এইদৰে নমাৰ পাছত সি এইবাৰ সোঁহাতে থকা এটা সমতল সুৰংগেৰে ('লেভেল') আগবাঢ়িবলৈ ধৰিলে। এইদৰে অকোৱা-পকোৱা ৰাস্তাৰে কিছুদৰ অহাৰ পাচত সি আন এটা 'লেভেল'ৰ মুখত ৰ'লহি। এই 'লেভেলেদি' ভিতৰ ফালৰ পৰা কয়লা আনিবৰ বাবে এটা চেইন কনভেয়ৰ বহুৱাই ৰখা হৈছে। ফুলেশ্বৰে হাতৰ মোনাটো লেভেলৰ চাল ধৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা ছাপ'ৰ্টবিলাকত বিভিন্ন কাৰণত মাৰি ৰখা গজাল এটাত ওলোমাই ৰাখিলে। এই 'লেভেলটোৰ' পৰা প্ৰায় পঞ্চলিশ ডিগ্ৰী কোণত ওপৰমুৱাকৈ পাঁচটা সৰু সৰু সুৰংগ চলোৱা হৈছে (স্থায়ী ভাষাত 'ছড়ি')। এই 'ছড়িৰে' দহ মিটাৰমান ওপৰলৈ উঠিলে এখন কৃত্ৰিম আচ্ছাদন পোৱা যায়। এই আচ্ছাদনখন কিছুমান প্ৰায় দুই ইঞ্চি বহল লোহাৰ পেটীৰে ঘৰৰ চাল গাঁঠাৰ দৰে গাঁঠি আৰু তাৰ ওপৰত সৰু সৰু ছিদ্ৰ থকা তাঁৰৰ জাল পাৰি দি তৈয়াৰ কৰা হৈছে। এই কৃত্ৰিম আচ্ছাদনৰ তলতেই ফুলেশ্বৰহঁতে বিস্ফোৰণ ঘটাই কয়লা আহৰণ কৰে।

কেই মুহূৰ্তমানৰ পাছতে ফুলেশ্বৰৰ লগৰকেইটাও আহি পালেহি। সিহঁতৰ হাততো একোটাকৈ দুপৰীয়াৰ আহাৰৰ মোনা। সিহঁতে পথৰ ক্লান্তি দূৰ কৰিবলৈ কাঠৰ টুকুৰা আদি গোটাই লৈ তাতে বহি পৰিল। ক্ষন্তেক পিছতে ডেটনেটৰ থোৱা তলাবন্ধ সৰু কাঠৰ বাকচটো হাতত লৈ ছৰ্দাৰ প্ৰদীপ ফুকন আহি ওলালহি। আৰু প্ৰায় লগে লগেই বাৰুদ থোৱা ডাঙৰ তলাবন্ধ কাঠৰ বাকচটো পিঠিত লৈ সহায়কাৰী শ্ৰমিকজনো পালেহি। 'লেভেলৰ' মজিয়াত ডেটনেটৰৰ বাকচটো থৈয়েই ছৰ্দাৰে চিঞৰিলে ঃ

– তুমলোগ যাও, 'ছড়ি'কা কয়লাছব কনভেয়ৰ মে গিৰাও!

এই অঞ্চলত ভাবৰ আদান-প্ৰদান প্ৰধানকৈ হিন্দী ভাষাৰ যোগেদিয়েই চলে। অৱশ্যে ইয়াৰ হিন্দী ভাষাটোও অদ্ভুত ধৰণৰ। অসমীয়া আৰু বাংলা শব্দৰ তথা ব্যাকৰণৰ সংমিশ্ৰণত এই অঞ্চলৰ হিন্দী ভাষাই উচ্চাৰণ আৰু বৈয়াকৰণিক দিশৰ পৰা এটা বিশেষ ৰূপ লৈছে। শুদ্ধ হিন্দী ইয়াত বহুতেই বুজি নাপায়। এই অঞ্চললৈ প্ৰথমবাৰ আহোতে ফুলেশ্বৰে যথেষ্ট সমস্যাৰে সন্মুখীন হৈছিল। হিন্দী ভাষাটো তেতিয়া সি নাজানিছিল। এখন ভিতৰুৱাল গাঁৱৰ পৰা সি চাকৰিৰ সন্ধানত এই অঞ্চললৈ আহিছিল। খেতি-বাতি কৰিবলৈ সিহঁতৰ ঘৰত বেছি মাটি নাছিল। সদায় অভাৱ-অনটনৰ মাজত থাকি থাকি তাৰ আমনি লাগিছিল; নিজৰ ওপৰতে বিতৃষ্ণা উপজিছিল। টকা-পইছাৰ অভাৱৰ বাবেই সি বেছি পঢ়িবও নোৱাৰিলে। অষ্টমমানলৈকে পঢ়িয়েই সি পঢ়া বাদ দিব লগীয়া হ'ল। কাৰোবাৰ মুখত শুনি সি এদিন এই অঞ্চললৈ চাকৰিৰ সন্ধানত ওলাই আহিল। কিন্তু ভাৰতত বিচাৰিলেই চাকৰি পোৱা নাযায়। বহুত দিন – প্ৰায় ছবছৰ – সি ঠিকাদাৰৰ অধীনত কাম কৰিলে। এই কয়লা খনিবিলাকত বিভিন্ন কামত ঠিকাদাৰ নিয়োগ কৰা হয় – ভূপৃষ্ঠতো আৰু ভূগৰ্ভতো। ফুলেশ্বৰে বেছিকৈ ভূগৰ্ভতে কাম কৰিছিল। এদিন কিছু স্থানীয় লোকক এই খনিবিলাকত নিয়োগ কৰা হ'ল। সাধাৰণতে ঠিকাদাৰৰ অধীনত কাম কৰা অভিজ্ঞ লোককে এনেদৰে নিযুক্তি দিয়া হয়। অভিজ্ঞ হিচাপে বাছনিত ফুলেশ্বৰৰ নামো উঠিল। অৱশ্যে ইয়াৰ লগে লগে কিছু টকা-পইছাও সি খৰচ কৰিবলগীয়া হ'ল। পাছত সি শুনিছিল যে কোনোবা স্থানীয় সংগঠনৰ হেঁচাতহে হেনো কৰ্তৃপক্ষই এইদৰে নিযুক্তি দিবলৈ বাধ্য হ'ল।

এই খনিবিলাকত কাম কৰা বেছিভাগ মানুহেই অনাঅসমীয়া – বাংলাদেশ, নেপাল, বিহাৰ, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা আদিৰ। কেতিয়া আৰু কেনেকৈ এই মানুহবিলাক আহি এই খনিবিলাকত সোমালহি, ফুলেশ্বৰে নাজানে। এই অঞ্চললৈ প্ৰথমবাৰ আহোতে তাৰ এনেকুৱা লাগিছিল যেন এই ঠাইবিলাক অসমৰ ভিতৰত নপৰে। খনিত, আৰু আনকি বাটে-ঘাটেও, অসমীয়া ভাষা বুজি পোৱা মানুহৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ আছিল। অথচ স্কুলত পঢ়া ভূগোলৰ জ্ঞানেৰে সি জানিছিল যে এই অঞ্চলটো অসমৰ চাৰিসীমাৰ ভিতৰতে পৰে। অৱশ্যে লাহে লাহে সি হিন্দী বুজিব আৰু ক'ব পৰা হ'ল। অইন দহোটা অসমীয়াৰ দৰেই সি ইয়াৰ মানুহবিলাকক অসমীয়া শিকোৱাতকৈ তেওঁলোকৰ পৰা হিন্দী শিকাৰ ওপৰতহে বেছি গুৰুত্ব দিলে। অথচ সি কাৰোবাৰ মুখত শুনিছিল যে অন্ধ্ৰপ্ৰদেশ নে ক'ত কয়লা খনিত কৰা অস্থায়ী লোকৰ বাবে স্থানীয় ভাষা জনাটো বাধ্যতামূলক। কিন্তু এইখন অন্ধ্ৰপ্ৰদেশ নহয়, অসমহে। গতিকে অসমীয়া মাইনিং ছৰ্দাৰে হিন্দীত তাক কামৰ নিৰ্দেশ দিওঁতে সি বিৰূপ একো অনুভৱ নকৰিলে। খনিত তাৰ লগত কাম কৰা আটাইখিনিয়েই অন্ধ্ৰপ্ৰদেশৰ মানুহ।

ছৰ্দাৰৰ নিৰ্দেশত সিহঁত আটায়ে বহাৰ পৰা উঠিল আৰু 'ছড়ি'ৰ কাষত 'লেভেলত' ৰখা কোৰ কেইখন হাতত তুলি ল'লে। ৰাতিৰ শ্বিফ্‌ট-অত কৃত্ৰিম আচ্ছাদনৰ তলত বিস্ফোৰণ ঘটাই কয়লা নিষ্কাষণ কৰা হৈছিল। সেই কয়লাৰ অৱশেষ এতিয়াও 'ছড়ি'বিলাকত বাকী আছে। ছৰ্দাৰে ইতিমধ্যে কনভেয়ৰটো চলাই দিছে। 'ছড়িৰ' কয়লা পোনে পোনে কনভেয়ৰত পৰিব পৰাকৈ তক্তা পাৰি ব্যৱস্থা কৰি লোৱা হৈছে। ফুলেশ্বৰ আৰু তাৰ লগৰকেইটাই হাতে হাতে কোৰ লৈ ছয় মিটাৰ দূৰে দূৰে চলোৱা 'ছড়ি'কেইটাৰ মুখত থিয় হৈ কোৰেৰে টানি টানি কয়লাবোৰ কনভেয়ৰত পেলাবলৈ ধৰিলে। কয়লা টানি টানি সিহঁত ক্ৰমান্বয়ে 'ছড়িৰে' ওপৰলৈ উঠি যাবলৈ ধৰিলে। কনভেয়ৰৰ পৰা এই কয়লাবোৰ সৰু সৰু ডবাবিলাকত বোজাই কৰা হ'ব আৰু ডবাবোৰ বিদ্যুৎ ইঞ্জিনৰ সহায়ত ভূপৃষ্ঠলৈ অনা হ'ব। ভূপৃষ্ঠত বিভিন্ন গ্ৰাহকৰ পৰা অহা ট্ৰাকবোৰে এই কয়লাবোৰ বোজাই কৰি লৈ যাব।

প্ৰায় পোন্ধৰ মিনিটমান ফুলেশ্বৰহঁতে 'ছড়িৰ' কয়লা টনাৰ পাছত কনভেয়ৰটো হঠাৎ বন্ধ হৈ গ'ল। ওপৰৰ পৰা চিঞৰি সুধি সিহঁতে জানিব পাৰিলে যে বিদ্যুৎ শক্তিৰ যোগান বন্ধ হৈ গৈছে। এইটো প্ৰতিদিনেই ঘটা ঘটনা। গতিকে অদৃশ্য কাৰোবাক অশ্লীল ভাষাত গালি পাৰি পাৰি সিহঁত 'লেভেললৈ' নামি আহিল। নাৰীবৰ্জিত এই খনিবিলাকত কাম কৰা মানুহবিলাকৰ মুখত অশ্লীল ভাষা প্ৰায় লাগিয়েই থাকে। খনিৰ ভিতৰত সতেজ বায়ুৰ যোগানৰ বাবে ভূপৃষ্ঠত এখন বৃহদাকাৰ ফেন স্থাপন কৰা হৈছে। এই ফেনখনো বিদ্যুৎ শক্তিৰ দ্বাৰাই চলে। গতিকে এতিয়া এই ফেনখনো বন্ধ হৈ গৈছে। ফেন বন্ধ হ'লে খনিৰ ভিতৰত এঘণ্টামানলৈকে মানুহৰ বাবে উশাহ-নিশাহৰ সমস্যাৰ সৃষ্টি নহয়। কিন্তু কাম কৰিবৰ বাবে আৱশ্যক হোৱা অক্সিজেনৰ, আৰু বিশেষকৈ 'ছড়িবিলাকত' বায়ুৰ, নাটনি ঘটে। সেইবাবে ফেন নচলিলে ফুলেশ্বৰহঁতে 'লেভেলতে' বহি জিৰণি লয়।

অলপ পাছতে হয়তো ভূপৃষ্ঠত জেনেৰেটৰ চলোৱা হ'ব। বিদ্যুৎ পৰিষদৰ ওপৰত ভৰষা কৰি লাভ নাই। সেইবাবে খনিবিলাকত একোটাকৈ ডিজেল জেনেৰেটৰ ৰখা হৈছে। কিছু সময় অপেক্ষা কৰি বিদ্যুৎ শক্তি নহা যেন দেখিলে জেনেৰেটৰটো চলাই দিয়া হ'ব।

'লেভেলত' বহি বহি ফুলেশ্বৰহঁতে বিদ্যুৎ শক্তিৰ পুনঃ যোগানৰ বাবে অপেক্ষা কৰিবলৈ ধৰিলে। সিহঁত মুঠতে সাতোটা। এনেকুৱা সময়ত সিহঁতৰ মাজত বিভিন্ন আলোচনা হয়। সিহঁতৰ আলোচনা প্ৰধানকৈ সিহঁতৰ এই জীৱনটোক কেন্দ্ৰ কৰিয়েই চলে। তুলনামূলকভাবে ওখ-ডাঙৰ আৰু বলিষ্ঠ, খনিত সকলোৱে সৎ, নিষ্ঠাবান আৰু কষ্টসহিষ্ণু বুলি আখ্যা দিয়া অন্ধ্ৰপ্ৰদেশৰ ল'ৰা পলায়াই ক'লে ঃ

– কালি 'বাবুৱে' মোৰ পৰা পাঁচশ টকা বিচাৰিছিল। মই ইচ্ছা কৰিয়েই চিঞৰি চিঞৰি 'বাবুৰ' লগত কথা কৈছিলো আৰু মোৰ চিঞৰ-বাখৰ শুনি দুই-চাৰিটা মানুহ আহি গোট খোৱাতহে তেওঁ টকা নোপোৱাকৈয়ে নতুন কোৱাৰ্টাৰ এটা দিম বুলি মোক তাৰ পৰা পঠাই দিলে। মই বুলিহে পইছা নিদিয়াকৈয়ে কোৱাৰ্টাৰটো পালো। আনবোৰৰ পৰাতো কোৱাৰ্টাৰৰ বাবে ডেৰ-দুই হেজাৰকৈ লৈছে বুলি শুনিছো!

– চবেইতো তোৰ দৰে বুদ্ধি নাজানে, চবেইতো তোৰ দৰে চকুত চকু থৈ কথা ক'ব নোৱাৰে! – আপ্পাৰাৱে ক'লে; তাৰ কণ্ঠত প্ৰশংসাই আছিলনে অভিযোগ আছিল, ফুলেশ্বৰে ধৰিব নোৱাৰিলে। – নামতহে এই 'বাবুবোৰ' ইউনিয়নৰ লীডাৰ, কিন্তু মজদুৰৰ আৰু মেনেজমেন্টৰ ঘোচ খাই লাখপতি-কোটিপতি হোৱাই ইহঁতৰ জীৱনৰ একমাত্ৰ উদ্দেশ্য। – আপ্পাৰাৱে কৈ যাবলৈ ধৰিলে, – কোম্পানীৰ কোৱাৰ্টাৰ, যোগ্যতা অনুসৰি সকলোৱে এনেয়ে পোৱাৰ অধিকাৰ আছে। অথচ সেই কোৱাৰ্টাৰো আমি এহেজাৰ-দুহেজাৰ ঘোচ ইউনিয়নৰ লীডাৰবিলাকক দিহে পাইছো। আচলতে আমি মজদুৰবোৰেই বদমাচ। কোৱাৰ্টাৰ বা অন্য সুবিধা সকলোতকৈ আগতে পোৱাৰ আশাত আমি লীডাৰবিলাকক ঘোচ দিবলৈ আৰম্ভ নকৰা হ'লে আজি আমাৰ এনেকুৱা অৱস্থা নহ'লেহেঁতেন। এতিয়াও সময় আছে; আমিয়েই এই লীডাৰবিলাকক আঁতৰাব লাগিব।

– কথাষাৰ তই এনেদৰে কৈছ, যেন কামটো তেনেই সহজ! – আপ্পাৰাৱৰ কথাত প্ৰতিবাদ কৰি কৃষ্ণাই কৈ উঠিল। – এই ইউনিয়নৰ লীডাৰবিলাকে মেনেজমেন্টৰ লগত হাত মিলাই কেনেকৈ লাখ লাখ টকা ঘটি আছে, সেইবোৰ কথা মেনেজমেন্টেও জানে আৰু আমি মজদুৰবোৰেও জানো। কিন্তু কোনোবাই মাত এষাৰ মতা শুনিছনে? আৰু কোনোবাই মাত মাতিলেও তাক সহায় কৰিবলৈ কোনোবা আগবাঢ়ি আহিছেনে? সকলোৱেইতো প্ৰথমে নিজৰ সুযোগ-সুবিধাৰ কথাই ভাবিছে। লীডাৰবিলাকে কলিয়েৰীতে কাম কৰা গুণ্ডা ধৰণৰ মানুহবিলাকক কিছু সা-সুবিধা দি নিজৰ লগত ৰাখিছে। আজি যদি প্ৰতিবাদ কৰাৰ বাবে মোক এই গুণ্ডাবোৰে মাৰ-ধৰ কৰে অথবা একেবাৰে মাৰিও পেলায়, তেন্তে কোনোবাই মাত মাতিবনে? আমিতো এনেয়েও বাহিৰৰ মানুহ। ইয়াত বিপদত পৰিলে কোনে আমাক চাব?......

এই কথোপকথন আৰু কিমান দূৰ আগবাঢ়িল, ফুলেশ্বৰে নাজানে। সি ইতিমধ্যে নিজৰ চিন্তাত মগ্ন হৈ পৰিছিল। তাকো এটা নতুন কোৱাৰ্টাৰ লাগে। এইখন কয়লা খনিৰ শ্ৰমিকৰ বাবে ইতিমধ্যে পঞ্চাশটা কোৱাৰ্টাৰ সাজি উলিওৱা হৈছে। কিন্তু কোৱাৰ্টাৰ পাবলগীয়া শ্ৰমিকৰ সংখ্যা ইয়াতকৈ বেছি। সেইবাবে নামত কোৱাৰ্টাৰ বিতৰণৰ বাবে এখন সমিতি আছে যদিও উপঢৌকণৰ পৰিমাণৰ ওপৰত ভিত্তি কৰিহে কোৱাৰ্টাৰ বিতৰণ কৰা হ'ব। কোৱাৰ্টাৰ সি নিজে যিমান বিচাৰিছে, তাতকৈ বেছি বিচাৰিছে তাৰ পত্নীয়ে। সি ভাবি কেতিয়াবা নিজেই আচৰিত হয় যে এসময়ৰ সহজ-সৰলা, লাজুকী, ভয়াতুৰা গোলাপীজনী এতিয়া কেনেকৈ ইমান চতুৰা, নিৰ্ভয়া আৰু পৰিস্থিতি বিশেষে নিষ্ঠুৰা হ'ব পৰা হ'ল!

গোলাপী ফুলেশ্বৰৰ দৰেই এখন ভিতৰুৱাল গাঁৱৰ ছোৱালী আছিল। কয়লা খনিত চাকৰি স্থায়ী হোৱাৰ পাছতহে সি প্ৰথমবাৰ গাঁৱলৈ গৈছিল। ঠিকাদাৰৰ অধীনত কাম কৰি থকাৰ সময়ত সকলো সময়তে সি কাম পোৱা নাছিল আৰু সেইবাবে সকলো সময়তে তাৰ হাতত পইছা-পাতিও থকা নাছিল। মাজে মাজে সি লঘোণো দিবলগীয়া হৈছিল। তথাপি সি ঘৰলৈ ঘূৰি যোৱা নাছিল আৰু মনে মনে প্ৰতিজ্ঞা কৰিছিল যে চাকৰি নোপোৱালৈকে সি গাঁৱত মুখ দেখুৱাবলৈ নাযায়। এদিন সি

নিজৰ প্ৰতিজ্ঞা ৰাখিব পাৰিছিল আৰু স্থায়ী চাকৰি পোৱাৰ পাছত ছুটী লৈ আনন্দমনেৰে ঘৰলৈ গৈছিল। সেইবাৰেই তাৰ ঘৰত গোলাপীৰ কথা ওলাইছিল। গোলাপী প্ৰতিবেশী গাওঁ এখনৰ ছোৱালী আছিল। টকা-পইছাৰ অভাৱতে নে অন্য কাৰণত গোলাপীয়েও তাৰ দৰে আদবাটতে পঢ়া-শুনা সামৰিব লগীয়া হৈছিল। সেই সময়ত এইবোৰৰ অনুসন্ধান কৰিবলৈ ফুলেশ্বৰৰ হাতত সময় নাছিল। গোলাপীক তাৰ ভাল লাগিছিল; গল্প-উপন্যাসত বৰ্ণনা কৰাৰ দৰে প্ৰথমবাৰ দেখিয়েই হয়তো সি গোলাপীৰ প্ৰেমত পৰিছিল। তদুপৰি তাৰ ছুটী শেষ হৈ আহিছিল। ঘৰৰ মানুহেও হয়তো কথাটো বুজিব পাৰিছিল আৰু অযথা দেৰি নকৰি সিহঁতৰ বিয়াৰ আয়োজনত ব্যস্ত হৈ পৰিছিল।



প্ৰথম প্ৰথম গোলাপীয়ে তাৰ সহায় নহ'লে এখোজো অকলে দিব পৰা নাছিল। কয়লা খনিৰ 'লাইনত' ফুলেশ্বৰৰ প্ৰতিবেশীসকল অনাঅসমীয়া; তদুপৰি গোলাপীয়ে হিন্দী নাজানিছিল। কিন্তু লাহে লাহে গোলাপীয়ে হিন্দী ভাষাটো আয়ত্ত কৰাৰ লগতে প্ৰতিবেশীসকলৰ লগত বন্ধুত্বও গঢ়ি পেলালে। ছোৱালীয়ে যে ভাষা সোনকালে শিকিব পাৰে, সেইষাৰ কথাৰ প্ৰমাণ ফুলেশ্বৰে নিজৰ পত্নীৰ ক্ষেত্ৰতে পালে। ইঘৰ-সিঘৰৰ মাজত আহ-যাহ চলিল। ইয়াৰ লগে লগে ফুলেশ্বৰে নিজে কাহানিও নজনা নুশুনা-নভবা কথা কিছুমানো গোলাপীৰ পৰা জানিবলৈ ধৰিলে।

কয়লা খনিত কৰ্মচাৰীৰ পদ-মৰ্যাদাৰ স্তৰ অনুসৰি তেওঁলোকৰ পাৰিশ্ৰমিক আৰু বাসস্থানৰ স্তৰো বিভিন্ন হয়। এইবোৰ কথাও ফুলেশ্বৰে গোলাপীৰ পৰাহে জানিব পাৰিলে। মাজে মাজে বৰুৱা চাহাবে ফুলেশ্বৰহঁতক নিজৰ বাসস্থানলৈ নিমন্ত্ৰণ কৰে। তেৱোঁ খনিৰ বাসস্থানতে থাকে যদিও তেওঁৰ কোৱাৰ্টাৰ ফুলেশ্বৰহঁতৰ কোৱাৰ্টাৰৰ দুগুণ। অৱশ্যে কথাটো প্ৰথমে গোলাপীৰ চকুতহে পৰিছিল। বৰুৱা চাহাবৰ ঘৰলৈ প্ৰথম যোৱাৰ দিনা গোলাপীয়ে তেওঁৰ ঘৰত থকা বিভিন্ন সামগ্ৰী আৰু আচবাবখিনি পলকহীন চকুৰে খুটিয়াই খুটিয়াই চাইছিল। ইয়াৰ আগতেও অৱশ্যে গোলাপীয়ে বিভিন্নজনৰ ঘৰলৈ গৈ নিজৰ ঘৰত নথকা সামগ্ৰী আৰু আচবাবৰ সন্ধান কৰিছিল আৰু পাছত সেইবোৰ কিনি দিবলৈ ফুলেশ্বৰক খাটনি ধৰিছিল। প্ৰথমাৱস্থাত ফুলেশ্বৰেও কিনিবলৈ আপত্তি কৰা নাছিল। কিন্তু পিছলৈ তাৰ বাবে অনাৱশ্যক যেন লগা বস্তুবোৰ কিনিবলৈ, আৰু বিশেষকৈ ঘৰলৈ পঠাবলৈ লগা পইছাৰ নাটনি হ'বলৈ ধৰাত, ফুলেশ্বৰে হাত ধৰিবলৈ ধৰিলে। কিন্তু গোলাপীৰ আশা-আকাংক্ষা যেন দিনে দিনে বাঢ়িহে গ'ল। পিছলৈ তাইক লগা বস্তুটো ফুলেশ্বৰে কিনিব নুখুজিলে তাক কটু কথা শুনাবলৈ আৰু তাৰ ক্ষমতা-যোগ্যতাৰ ওপৰত ইতিকিং কৰিবলৈও আৰম্ভ কৰা হ'ল। এদিন খনিত কাম কৰি ঘূৰি আহি ফুলেশ্বৰে গোলাপীক ঘৰত নাপালে। তাই প্ৰতিবেশীৰ ঘৰলৈ ফুৰিবলৈ গৈছিল। পিছলৈ কামৰ পৰা ঘূৰি আহি গোলাপীক ঘৰত নোপোৱাটো তাৰ বাবে সাধাৰণ কথা হৈ পৰিল।

প্ৰথমতে এইদৰে গোলাপীক ঘৰত নাপাই সি তাইক বিচাৰি যোৱা কৰিছিল। এদিন এইদৰে বিচাৰি যাওঁতে প্ৰতিবেশীৰ ঘৰত গোলাপীয়ে কাৰোবাক কৈ থকা সি বাহিৰৰ পৰা শুনিছিল ঃ

–...... ভালদৰে পঢ়া-শুনা কৰা হ'লে অফিচাৰ এটালৈকে বিয়াত সোমাব পাৰিলোহেঁতেন। আমাৰ আৰু অফিচাৰবোৰৰ ঘৈণীয়েকহঁতৰ মাজত পাৰ্থক্যনো কিটো? মাত্ৰ দুশ্ৰেণীমান বেছিকৈ পঢ়িল বুলিয়েই এই ছোৱালীবোৰে অফিচাৰ একোটাক গিৰীয়েক হিচাপে পাইছে, ডাঙৰ ডাঙৰ কোৱাৰ্টাৰ পাইছে, দৰ্মহা বেছিকৈ পাইছে, আন আন সুবিধাও বেছিকৈ পাইছে। আমি নপঢ়িলো বুলিয়েই এইদৰে এটা কোঠাৰ কোৱাৰ্টাৰত থাকি গেবাৰি খাটিবলগীয়া হৈছে। ..... আমাৰ জীৱনত আৰু একো নহ'ব। আমাৰ জীৱনটো এনেকৈয়ে ধ্বংস হ'ল! – পিছলৈ গোলাপীৰ কণ্ঠৰ পৰা হতাশা, বিৰক্তি, বিতৃষ্ণা, ক্ৰোধ, আক্ৰোশ সকলো যেন একেলগে মিহলি হৈ ওলাই আহিছিল।

সেইদিনা সি গোলাপীক নমতাকৈয়ে গুচি আহিছিল। তাৰ পাছৰ পৰা সি গোলাপীক কামৰ পৰা ঘূৰি গৈ ঘৰত নাপালেও বিচাৰি নাযায়। তাৰ ভয় হয়, আকৌ হয়তো এনেকুৱা কিবা এষাৰকে গোলাপীৰ মুখৰ পৰা শুনিবলগীয়া হ'ব।

অন্য নহ'লেও এই গোলাপীৰ বাবেই এতিয়া সি নতুন কোৱাৰ্টাৰ এটাৰ ব্যৱস্থা কৰিব লাগিব। গোলাপীয়ে ইতিমধ্যে বহুতো বয়বস্তু আৰু আচবাব কিনি পেলাইছে; সেই আটাইবোৰ তাৰ বৰ্তমানৰ সৰু কোৱাৰ্টাৰত ৰখা সম্ভৱ নহয়। নতুন কোৱাৰ্টাৰ তৈয়াৰ হোৱাৰ খবৰ গোলাপীয়ে বহুত আগতেই পাইছে। গোলাপীয়েই তাক জনাইছে যে এই কোৱাৰ্টাৰবোৰ হেনো কিছু ডাঙৰ ঃ দুটা মজলীয়া ধৰণৰ কোঠা, পাকঘৰ, বাথৰুম আদি বাদ দি বয়বস্তু ৰাখিবৰ বাবে এটা সৰু কোঠাও তাত আছে। আৰু হয়তো সেইবাবেই গোলাপীয়ে নতুন



কোৱাৰ্টাৰ এটাৰ ব্যৱস্থা কৰিবৰ বাবে তাক সদায় খেচখেচাই আছে। কিন্তু তাইতো নাজানে যে এইটো কয়লা খনিত কোৱাৰ্টাৰ বিতৰণৰ সময়ত কিছুমান অলিখিত নিময়-কানুন চলে ঃ পইছা বা অন্য ধৰণৰ প্ৰভাৱ যাৰ বেছি, সিয়েই কোৱাৰ্টাৰ পায়। অথচ এইবোৰ গোলাপীৰ আগত কোৱাও মস্কিল, কাৰণ এইবোৰ অৱতাৰণা কৰিলেই তাই ফুলেশ্বৰৰ ক্ষমতা-যোগ্যতাৰ ওপৰত পুনৰ প্ৰশ্ন তুলিব ......

তুলনামূলকভাবে বেছি জোৰত বোৱা বতাহ এজাক তাৰ গাত লগাত ফুলেশ্বৰ বাস্তৱলৈ ঘূৰি আহিল। সি বুজি পালে যে ইতিমধ্যে বিদ্যুতৰ পুনৰ্যোগান হৈছে। বিদ্যুতৰ যোগান হ'লেই প্ৰথমে ভূপৃষ্ঠৰ ফেনখন চলাই দিয়া হয় আৰু খনিৰ ভিতৰৰ সুৰংগবিলাকেদি বতাহ তুলনামূলকভাবে বেছি জোৰত ববলৈ ধৰে। আৰু বতাহ এনেকৈ বলিলেই সিহঁতে বিদ্যুতৰ পুনৰ্যোগানৰ উমান পায়। ছৰ্দাৰ প্ৰদীপ ফুকনে ইতিমধ্যে কনভেয়ৰটো চলাই দি চিঞৰিবলৈ আৰম্ভ কৰিছেই ঃ

– এই, লাইন আ গয়া! উঠৌ, উঠৌ, অপনা অপনা কাম পে চলৌ!

সিহঁতে পুনৰ 'ছড়িৰে' ওপৰলৈ উঠি অৱশিষ্ট কয়লাখিনি তললৈ পেলাবলৈ ধৰিলে। এইদৰে কয়লা তললৈ পেলাই পেলাই সিহঁতে কৃত্ৰিম আচ্ছাদনৰ তলে তলে প্ৰায় দুই মিটাৰ ওখ এটা ৰাস্তা তৈয়াৰ কৰি ল'লে। ৰাস্তাবোৰ পৰিষ্কাৰ হোৱাত বতাহ ওপৰলৈ উঠিছে আৰু ঠাইবোৰৰ উষ্ণতা নৰ্মেল হৈ পৰিছে। অলপ আগলৈকে এই ঠাইবোৰ কিছু গৰম আছিল। সিহঁতে কৃত্ৰিম আচ্ছাদনৰ তলতে কয়লাৰ ওপৰত বহি পৰিল। কাম কৰাৰ ফলত সিহঁতৰ গাৰ পৰা ঘাম ওলাইছিল আৰু সেই ঘামত বতাহত ওপঙি থকা কয়লাৰ গুড়িবোৰ লাগি সিহঁতৰ মুখবোৰ অলপ অলপ ক'লা হৈ পৰিছিল।

ইতিমধ্যে শ্বিফ্‌ট-অৰ অ'ভাৰমেনজন ওপৰলৈ উঠি আহিছে আৰু উঠাৰ ভাগৰ পুৰাবলৈ সিহঁতৰ লগতে বহি পৰিছে। অ'ভাৰমেনকো ফুলেশ্বৰহঁতে 'বাবু' বুলিয়েই মাতে। অলপ দেৰি বহাৰ পাছত 'বাবু' বহাৰ পৰা উঠিল আৰু ফুলেশ্বৰহঁতে কয়লা পৰিষ্কাৰ কৰি তৈয়াৰ কৰা ৰাস্তাটোৰ ইমূৰৰ পৰা সিমূৰলৈ গৈ কৃত্ৰিম আচ্ছাদনখন নিৰীক্ষণ কৰি ল'লে আৰু, কয়লা নিষ্কাষণৰ বাবে হ'ল (Hole) ক'ত মাৰিব লাগিব – মনতে ঠিক কৰি ল'লে। তাৰ পাছত তেওঁ ফুলেশ্বৰহঁত বহি থকা ঠাইলৈ আহিল আৰু ক'লে ঃ

– তুমলোগোঁ মেঁ ছে দো আদমী যাও ঔৰ ড্ৰিল মেশ্বিন ওপৰ মেঁ উঠাও! যাও, দেৰি মৎ কৰৌ!

পলায়া আৰু কৃষ্ণা তললৈ নামি আহিল আৰু লেভেলত' থোৱা ড্ৰিল মেশ্বিনটোৰ ছুইচ টিপি চাই আশ্বস্ত হৈ ল'লে। তাৰ পাছত দুইটাই ধৰি মেলি মেশ্বিনটো ওপৰলৈ উঠাবলৈ ধৰিলে। ফুলেশ্বৰহঁতেও ওপৰৰ পৰা সহায় কৰিলে। তাৰ পাছত বিট (Beat) লগোৱা ড্ৰিল ৰডডাল মেশ্বিনত ভৰাই লৈ 'বাবুৱে' দেখুৱাই দিয়া ঠাইত হ'ল মাৰিবলৈ ধৰিলে। মেশ্বিন চলাইছে ফুলেশ্বৰ, পলায়া আৰু কৃষ্ণাই। সিহঁতৰ ভাগৰ লাগিলে অন্য তিনিটাই গৈ হ'ল মাৰিব। ফুলেশ্বৰহঁতে ছফুট দৈৰ্ঘ্যৰ দুটামান হ'ল মাৰিছিলহে মাথোন, এনেতে মেশ্বিনটো আপোনা-আপুনি বন্ধ হৈ গ'ল। ওপৰৰ পৰা 'লেভেললৈ' চিঞৰি সুধি সিহঁতে জানিব পাৰিলে যে কনভেয়ৰৰ ছুইচত কিবা বৈদ্যুতিক বিজুতি ঘটিছে আৰু সেইবাবে বিদ্যুতৰ যোগান বন্ধ কৰি দিয়া হৈছে।

সিহঁতে পুনৰ অদৃশ্য কাৰোবাক অশ্লীল ভাষাত গালি পাৰি পাৰি আনবোৰ বহি থকা ঠাইলৈ আহিল আৰু কয়লাৰ ওপৰতে বহি অপেক্ষা কৰিবলৈ ধৰিলে। খনিৰ ভিতৰত এনেকুৱা বিজুতি প্ৰায়েই ঘটে; অন্ততঃ সপ্তাহৰ এটা দিনত। আঠ ঘন্টীয়া তিনিওটা শ্বিফ্‌ট-অতেই খনিত কয়লা আহৰণ কৰা হয়; গতিকে খনিত ব্যৱহৃত হোৱা যন্ত্ৰপাতিবিলাকৰ উপযুক্ত চোৱা-চিতা আৰু মেৰামতি হ'বলৈ নাপায়। সেইবাবেই কোনোবা এটা শ্বিফ্‌ট-অত যন্ত্ৰপাতিবিলাক হঠাতে অকামিলা হৈ পৰে। এতিয়াও হয়তো সেয়েই ঘটিল। এতিয়া বিজুতিটো বিদ্যুৎ-মিস্ত্ৰীয়ে আহি অপসাৰণ নকৰোৱালৈকে সিহঁতে নিষ্ক্ৰিয় হৈ বহি থাকিব লাগিব।

যন্ত্ৰপাতি অকামিলা হৈ পৰিলে সিহঁতৰ মাজত পুনৰ বিভিন্ন প্ৰসংগ লৈ আলোচনা আৰম্ভ হয়। মাজে মাজে এনেবোৰ আলোচনাত বৰুৱা চাহাবেও ভাগ লয়। ক'ৰবাত ফুলেশ্বৰে শুনিছিল যে প্ৰশিক্ষণ নে কিহৰ বাবে বৰুৱা চাহাব হেনো ৰাছিয়ালৈ গৈছিল। আগেয়ে এইটো খনিত ৰুছ বিশেষজ্ঞ কেইজনমানে ইয়াৰ শ্ৰমিকসকলক প্ৰশিক্ষণ দিছিল। সিহঁতে বৰ্তমানে কয়লা নিষ্কাষনৰ বাবে প্ৰয়োগ কৰা এই পদ্ধতিটোও হেনো ৰুছ পদ্ধতি। এতিয়া ৰুছ বিশেষজ্ঞসকল ইয়াত নাই আৰু ৰুছ পদ্ধতিটোৰ তত্ত্বাৱধান বৰুৱা চাহাবেই কৰে। এনেকুৱা নিষ্ক্ৰিয় মুহূৰ্তবিলাকত বৰুৱা চাহাবেও সিহঁতৰ মাজত চলা আলোচনাত ভাগ লৈ মাজে মাজে কয় ঃ

–...... পাৰ্লামেণ্টত পাছ হ'ল বুলিয়েই আমি আঠ ঘন্টা ডিউটি কৰো। কিন্তু এই আঠ ঘন্টাৰ প্ৰতি ঘন্টাতেই প্ৰডাক্‌টিভ ৱৰ্ক প্ৰকৃততে হয় জানো? নহয়; চাৰি ঘন্টাৰ বেছি প্ৰডাক্‌টিভ ৱৰ্ক কোনেও নকৰে। অথচ আইনত আছে বাবেই প্ৰতিজন মানুহে পূৰা আঠ ঘন্টাই কাম কৰিছে (আৰু কাম মানেই প্ৰডাক্‌টিভ ৱৰ্ক !) বুলি আমি কাগজে-কলমে দেখুৱাই থাকিব লগীয়া হৈছে আৰু সেই অনুপাতে দৰ্মহাও দিবলগীয়া হৈছে। কিন্তু আমি যদি ছঘন্টাকৈ দিনটোত চাৰিটা শ্বিফ্‌ট কৰিলোহেঁতেন, তেতিয়াও, মোৰ বোধেৰে, প্ৰডাক্‌টিভ ৱৰ্ক এতিয়াতকৈ বেছি হ'লহেঁতেন। চাৰিটা শ্বিফ্‌ট-অৰ তিনিটা হ'ব প্ৰডাক্‌শ্বন শ্বিফ্‌ট আৰু এটা হ'ব মেইণ্টেনেন্স শ্বিফ্‌ট। মেইণ্টেনেন্সৰ বাবে এটা শ্বিফ্‌ট সম্পূৰ্ণকৈ আমাৰ হাতত থাকিব কাৰণে আমি মেশ্বিনেৰীবিলাক ভালদৰে চোৱাচিতা কৰিব পাৰিম আৰু তেতিয়া ব্ৰেক-ডাউনো যথেষ্ট কমি যাব। দৰকাৰ হ'লে আমি শ্বিফ্‌টবিলাক অ'ভাৰ-লেপিং কৰি দিব পাৰো। কিন্তু দেশৰ, চৰকাৰৰ মুৰব্বীসকলক, আইন-কানুনৰ ৰচোতাসকলক কোনে এইবোৰ কথা বুজাবলৈ যায়! আৰু বুজালেই যে বুজিব পাৰিব, তাৰেইবা কি মানে আছে? বৰ্তমানে দেশখনৰ শাসনৰ ভাৰ পৰিছেগৈ কিছুমান মাফিয়া-নেতা, চোৰাং কাৰবাৰী, চুলাই মদৰ বেপাৰীৰ হাতত! সিহঁতক লাগে কেৱল অৰ্থ-সম্পত্তি আৰু ক্ষমতা; আৰু ইয়াৰ বাবে দেশখন আনৰ হাতত বন্ধকত ৰাখিবলৈও সিহঁত প্ৰস্তুত। এইবোৰ কথা সিহঁতে বুজিবই নে শুনিব? এইখন দেশ দিনে দিনে ৰসাতললৈ নগৈ আৰু কি হ'ব!

পিছলৈ বৰুৱা চাহাবৰ কথাবোৰ হতাশা, বিৰক্তি, বিতৃষ্ণাৰে ভৰি পৰে। ফুলেশ্বৰে বৰুৱা চাহাবৰ আটাইবোৰ কথা বুজিব নোৱাৰে, তথাপি কথাবোৰ শুনি তাৰ আমনি নালাগে। সৎ মানুহে ভাল কথা কওঁতে আৰু অসৎ মানুহে ভাল কথা কওঁতে বুজাব নোৱৰা কিবা এটা পাৰ্থক্য চকুত ধৰা পৰে – অসৎ মানুহে এনেকুৱা কথা ক'লে অলপ পিছতে ধৰিব পাৰি। কিন্তু বৰুৱা চাহাবে কথা ক'লে অন্তৰৰ পৰাই কোৱা যেন লাগে। অন্ততঃ ফুলেশ্বৰে এনেকুৱা অনুভৱ কৰে।......

– এই ওপৰ! মে' আ ৰহা হুঁ, কুছ মৎ গিৰাও!

কাৰোবাৰ মাত শুনি ফুলেশ্বৰ বাস্তৱলৈ ঘূৰি আহিল। পলায়াহঁত ইতিমধ্যে কিবা এটা প্ৰসংগ লৈ আলোচনাত ব্যস্ত হৈ পৰিছিল। 'লেভেলৰ' পৰা অহা মাতটো শুনি ফুলেশ্বৰে বুজিব

পাৰিলে যে বৰুৱা চাহাবে ওপৰলৈ আহিব বিচাৰিছে।

– আইয়ে, চাৰ! – ওপৰৰ পৰা পলায়াই সঁহাৰি জনাই বৰুৱা চাহাবক ওপৰলৈ উঠিবলৈ আহ্বান জনালে।

এটা মূৰ কৃত্ৰিম আচ্ছাদনৰ লোহাৰ পেটীত বান্ধি 'ছড়িৰে' ওলোমাই ৰখা নাইলন ৰছিডাল ধৰি ধৰি বৰুৱা চাহাব ফুলেশ্বৰহঁত বহি থকা ঠাইলৈ উঠি আহিল। ওপৰলৈ উঠিয়েই তেওঁ সুধিলে ঃ

– তুমলোগোঁনে হ'ল কিৎনা মাৰা ?

– দো মাৰা, চাৰ; ওছকে বাদহী লাইন চলা গয়া। – পলায়াই লগে লগে উত্তৰ দিলে।

– ঔৰ এক ঘন্টা ৰেইট কৰণা পৰেগা !–

বৰুৱা চাহাবে মুখৰ ভিতৰতে ক'লে। তেওঁৰ মুখখন বিৰক্তিৰে উপচি পৰিল।

সিহঁত কিছু সময় মৌন হৈ বহি থাকিল। মুখ খুলিলে পলায়াই। চুচুক-চামাককৈ কোৱাৰ দৰে সি ক'লে ঃ

– চাৰ, ঘৰ মে পানী একদম নেহী হায় !

বৰুৱা চাহাবে লগে লগে একো নক'লে। সিহঁত আটায়ে অধীৰ আগ্ৰহেৰে তেওঁৰ মুখলৈ চাই থাকিবলৈ ধৰিলে। পাছত লাহে লাহে তেওঁ ক'বলৈ ধৰিলে ঃ

– তোমালোকেতো জানা যে ৱৰ্কাৰৰ অভাৱ-অভিযোগ চোৱাচিতা কৰিবৰ বাবে খনিত এজন অফিচাৰ আছে, ইউনিয়ন আছে। এইবোৰতো মোৰ কাম নহয় –

– নহয়, চাৰ; আমিও জানো যে এইবোৰ আপোনাৰ কাম নহয়, – পলায়াই মাজতে বাধা দি ক'লে, – কিন্তু এই লেবাৰ-অফিচাৰ আৰু ইউনিয়নৰ লীডাৰবিলাকে আমাৰ বাবে যিমান কৰিছে, তাতকৈ আপুনি বহুত বেছি কৰিছে। আচলতে এই ঘোচখোৰ, দুৰ্নীতিপৰায়ণ কিন্তু আইনে চুকি নোপোৱা লেবাৰ-অফিচাৰ আৰু ইউনিয়নৰ লীডাৰবিলাক নোহোৱা হ'লেও আমাৰ হয়তো একো অসুবিধা নহ'লহেঁতেন।

– তেন্তে তোমালোকে এই লীডাৰবিলাকক আঁতৰাই নেপেলোৱা কিয় ? – বৰুৱা চাহাবে এইবাৰ সুধিলে।

– আমিও সিহঁতক আঁতৰাব বিচাৰো, কিন্তু আমি বিচৰাটোৱেই যথেষ্ট নহয়। ইহঁতৰ হাত বহুত দীঘল। আনকি দেশৰ ডাঙৰ ডাঙৰ নেতা, চৰকাৰৰ মুখিয়ালসকলো এই মানুহবিলাকৰ ওপৰত নিৰ্ভৰশীল। গতিকে আমি বিচাৰিলেই সিহঁতক আঁতৰাব নোৱাৰি। ইহঁত নহ'লে দেশৰ নেতাবিলাকে এলেকচনৰ (ইলেকশ্বন) সময়ত ভোট পাব কেনেকৈ ?

– আচ্ছা, সেইবোৰ কথা পাছে-পৰেও ভাবিব পৰা যাব, – এইবাৰ বৰুৱা চাহাবে বাধা দি ক'লে, – এইখন কলিয়েৰীত সকলোকে পৰিষ্কাৰ পানী যোগানৰ বাবে লাখ লাখ টকা খৰচ কৰি এটা ৱাটাৰ ফিল্‌ট্ৰেশ্বন প্লান্ট নিৰ্মাণ কৰা হ'ল – সিও দুবছৰ আগতেই। ঠিকাদাৰে বিলৰ টকা উঠোৱাৰ এমাহমানৰ পাছৰ পৰা এতিয়ালৈকে দুই-তিনিবাৰ কলিয়েৰীৰ ফালৰ পৰা সেই প্লান্টৰ ৰিপেয়াৰিঙো হ'ল। কিন্তু প্লান্টটো আজিলৈকে ষ্টাৰ্ট কৰা নহ'ল। মানুহবিলাকক এতিয়াও লেতেৰা পানীকে যোগান ধৰি থকা হৈছে, কিন্তু সেই পানীও সকলোৱে সমানে পোৱা নাই। অথচ ইউনিয়নৰ লীডাৰবিলাকে এতিয়ালৈকে মাত এষাৰ মতা নাই। শ্ৰমিকৰ অভাৱ-অসুবিধাৰ চোৱাচিতাকাৰী হিচাপে তেওঁলোকেই প্ৰথমে মাত মাতিব লাগিছিল। লেতেৰা পানী খাই খাই বহুতৰ পেটৰ বেমাৰ হৈছে। ৱৰ্কাৰবিলাকৰ হাতত পইছা আছে'। বহুত পুৰণা ৱৰ্কাৰেতো আমাৰ দৰে সৰু সুৰা অফিচাৰবিলাতকৈও বেছি দৰ্মহা উঠায়। কিন্তু সিহঁতে এই দৰ্মহাৰ পইছাবোৰ চুলাই খাই উৰাই দিয়ে, অথচ পানীৰ ফিল্টাৰ এটা কিনি নলয়। অৱশ্যে বহুতে বুজিয়েই নাপায় যে ফিল্টাৰটোনো আচলতে কিহৰ কাৰণে লাগে। এইবোৰ কথা সিহঁতক বুজাই দিওঁতাও কোনো নাই। – এইখিনিলৈকে কৈ বৰুৱা চাহাব কিছু সময় মনে মনে থাকিল। তাৰ পাছত সম্পূৰ্ণ সুকীয়া সুৰত ক'বলৈ ধৰিলে, – অৱশ্যে ৱাটাৰ ফিল্‌ট্ৰেশ্বন প্লান্টটো চলিলেই যে মানুহে সদায় পৰিষ্কাৰ পানী পাব, তাৰো কোনো মানে নাই। কেতিয়াবা হয়তো কেমিকেলবিলাকেই নাথাকিব আৰু কেতিয়াবা হয়তো প্লান্ট চলোৱা মানুহবিলাকে এলাহ আৰু দায়িত্বহীনতাৰ বাবে লেতেৰা পানীকে ছাপ্লাই কৰি দিব। কিন্তু সিহঁতে ভাবি নাচাব যে সিহঁতৰ এই দায়িত্বহীনতাৰ বাবে বহুত মানুহৰ অপকাৰ হ'ব। গতিকে লাখ লাখ টকা খৰচ কৰি এই প্লান্টটো বনোৱা হ'ল যদিও নিজৰ নিজৰ ঘৰত একোটাকৈ পানী-ফিল্টাৰ ৰাখিবই লাগিব – নিজৰ প্ৰটেক্‌শ্বনৰ বাবেই। আৰু এইখন ভাৰততে দুৰ্নীতি, ফাকিবাজী দিনে দিনে নাবাঢ়ি; এইখন দেশতে মানুহবোৰ পৃথিৱীৰ ভিতৰতে আটাইতকৈ বেছি ভণ্ড, সহানুভূতিহীন, ভ্ৰষ্টাচাৰী নহৈনো আৰু হ'ব ক'ত ? ত্ৰিশ বছৰমানৰ আগলৈকে ভাৰতত আনকি স্কুলতে এনেবোৰ কথা শিকোৱা হৈছিল ঃ ইমানখিনি চাউলক ইমানখিনি কৰিবলৈ হ'লে চাউলত কিমান পৰিমাণৰ শিলগুটি মিহলাব লাগিব ! এইবোৰ শিক্ষাতো অথলে নাযায় ! – তাৰ পাছত পুনৰ কথাৰ সুৰ সলাই তেওঁ কৈ যাবলৈ ধৰিলে, – আচলতে শ্ৰমিকৰ অভাৱ-অভিযোগ নিৰ্মূল কৰিবৰ বাবে বেছি দৰ্মহা আৰু বেছি সুবিধাৰ দাবী কৰাৰ লগে লগে শ্ৰমিকক সৎ, নিষ্ঠাৱান আৰু নিজৰ দায়িত্বৰ প্ৰতি সজাগ কৰোৱাও ইউনিয়নৰ লীডাৰবিলাকৰ কাম হোৱা উচিত। কিন্তু ভাৰতত এই লীডাৰবিলাকে শ্ৰমিকৰ অধিকাৰৰ বাবেহে সদায় চিঞৰিছে, কিন্তু শ্ৰমিকৰ দায়িত্ব সম্পৰ্কে কোনেও এতিয়ালৈকে এটা শব্দও কোৱা নাই। ভাৰতত এতিয়া নতুন ধৰণৰ ইউনিয়ন আৰু নতুন ধৰণৰ লীডাৰৰ আৱশ্যক।

– চাৰ, বিলকুল আপোনাৰ দৰেই কথা কোৱা মানুহ এটা আমাৰ ইয়ালৈ আহিছে ! – যথেষ্ট উৎসাহেৰে পলায়াই কথাষাৰ ক'লে; তাৰ চকুত আশা আৰু আনন্দৰ ৰেঙণি। – মানুহটো ইয়াত নতুন, – সি কৈ যাবলৈ ধৰিলে, – তাৰ নামটোও কিবা অজীব (অদ্ভুৎ) ধৰণৰ – দধীচি; এনেকুৱা নাম আজিকালি শুনিবলৈকে পোৱা নাযায়। কিন্তু তাৰ কথা মানুহবিলাকে ইতিমধ্যে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছে, কাৰণ সি আপুনি কোৱা কথাবোৰ কোৱাৰ উপৰিও আৰু কিছুমান কথা কৈছে। সি কৈছে যে মজদুৰবিলাকে দৰ্মহা যথেষ্ট পায় যদিও বেছিভাগ পইছা চুলাই খাই অথবা অন্য অদৰকাৰী বস্তু কিনি উৰাই দিয়ে। সেইবাবে মজদুৰৰ হাতত ইমান পইছা দিয়াৰে দৰকাৰ নাই। তাৰ পৰিবৰ্তে সেই দৰ্মহাৰ পৰাই কিছু অংশ কাটি কোনোবা এটা বিশ্বাসযোগ্য প্ৰতিষ্ঠানৰ ওচৰত জমা ৰাখিব লাগে, যাতে সেই পইছাৰে মজদুৰজনৰ বাবে এটা ফ্লেট অথবা ঘৰ তৈয়াৰ কৰিব পৰা যায়। তেতিয়া পেঞ্চনৰ আগে আগে আৰু পাছত মজদুৰবিলাকে এটা নিজা ঘৰৰ বাবে হাবাথুৰি খাবলগীয়া নহ'ব। ইয়াৰ উপৰিও দৰ্মহাৰ আন এটা অংশ কাটি ক'ৰবাত জমা ৰাখি যাব লাগে, যাতে সেই পইছাৰে পাছত মজদুৰৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ খৰচ ওলায় এনেকুৱা ধৰণৰ আৰু বহুত কথা দধীচিয়ে মানুহবিলাকক কৈছে। এইবোৰ কাম কৰি দেখুৱাবৰ বাবে সি ইয়াত এটা নতুন ইউনিয়ন খুলিব বিচাৰিছে। আৰু মানুহবোৰো তাৰ প্ৰতি আকৰ্ষিত হৈছে। কিন্তু মোৰ ভয় হৈছে যে বৰ্তমানৰ ইউনিয়নৰ লীডাৰবিলাকে তাক ইয়াত তিষ্ঠিবলৈ নিদিব। সিহঁতে অন্য উপায় নেদেখিলে দধীচিক মাৰিয়েই পেলাব। সিহঁতৰ বাবে সকলো সম্ভৱ।

– এনেকুৱা মানুহ ভাৰতত সঁচাকৈয়ে ওলাইছে নেকি ? – বৰুৱা চাহাবৰ চকুৱে-মুখেও আশা আৰু আনন্দৰ ৰেঙণি ফুটি উঠিল। – তেতিয়াহ'লে এইখন দেশৰ ভৱিষ্যত সম্পৰ্কে কিছু আশাবাদী হ'ব পাৰি। নহ'লে আমাৰ অলগৰ্দ্ধ নেতাবিলাকে গোটেই ভাৰতবৰ্ষখনকে বিদেশৰ ওচৰত বিক্ৰী নকৰাকৈ ক্ষান্ত নাথাকে। কিছুদিনৰ পাছত হয়তো এনেকুৱা হ'বগৈ যে মানুহৰ প্ৰমোশ্বন, বস্তুৰ প্ৰডাক্‌শ্বন আদিও বিদেশৰ পৰাহে নিয়ন্ত্ৰিত হ'বগৈ। যি কি নহওক, পলায়াই কোৱা দধীচিৰ দৰে মানুহবিলাকেই ভাৰতক এই নিশ্চিত বিপদৰ পৰা বচাব পাৰিব। দধীচিক তোমালোকে মোৰ ফালৰ পৰাও কিছু কথা জনাব পাৰা। আমাৰ ইয়াত মানুহৰ দৰ্মহা ডিউটিৰ সময়ৰ ওপৰত নিৰ্ভৰ কৰে। সেইবাবে কিবাকিবি কৰি যিকোনো উপায়েৰে ডিউটিৰ সময়খিনি কটাই দিব পৰাৰ ওপৰতে সকলোৱে গুৰুত্ব দিয়ে। আৰু সেইবাবে ভাৰতত প্ৰডাক্‌টিভ ৱৰ্ক খুব কমেই হয়। গতিকে কামৰ অৰ্থাৎ উৎপাদনৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰি যদি দৰ্মহা দিয়াৰ ব্যৱস্থা কৰা হয় অথবা বেছি উৎপাদন কৰিলে যদি বেছি দৰ্মহা পোৱাৰ ব্যৱস্থা কৰা হয়, তেন্তে ভাৰতৰ অৱস্থা নিশ্চয় উন্নত হ'ব। ৰাছিয়াত মই দেখিছিলো যে তুলনামূলকভাৱে উন্নত কিবা উপায়ৰ সন্ধান দিব পৰা মানুহক তাত পুৰস্কৃত কৰা হয় – সেই মানুহজন লাগিলে ৱাৰ্কাৰেই হওক বা অফিচাৰেই হওক। এইবোৰ নিয়ম ভাৰততো প্ৰয়োগ কৰাৰ কথা চিন্তা কৰিব লাগে। কাৰণ ষ্টিমুলেট কৰিলেহে মানুহে কাম কৰিবৰ বাবে আগ্ৰহ কৰে ......

– লাইন আহি গ'ল ! – আপ্পাৰাৱে ক'লে।

ড্ৰিল মেশ্বিনটো আপোনা-আপুনি চলি উঠিল। তাৰ মানে ছুইচৰ বিজুতিটো আঁতৰ হ'ল। বিদ্যুতৰ যোগান বন্ধ হ'লে ফুলেশ্বৰহঁতে মেশ্বিনৰ ছুইচটো বান্ধি থয়, যাতে বিদ্যুতৰ যোগানৰ লগে লগে মেশ্বিনটো চলিবলৈ আৰম্ভ কৰে। আৰু এইদৰেই কেতিয়াবা কেতিয়াবা সিহঁতে বিদ্যুতৰ পুনৰ্যোগানৰ সম্ভেদ পায়। কাৰণ ভূপৃষ্ঠৰ ফেনখন ইমান পৰে চলিয়েই আছিল।

সিহঁত পুনৰ হ'ল মৰাত ব্যস্ত হৈ পৰিল। 'লেভেলত' ছৰ্দাৰে ইতিমধ্যে ছলিজেক্স-অৰ (বাৰুদৰ নাম) কাৰ্ট্ৰিজবিলাকত ডেটনেটৰবিলাক সুমুৱাবলৈ ধৰিছে। পোন্ধৰটামান হ'ল মৰাৰ পাছত ফুলেশ্বৰহঁতে বাকী তিনিটাক হ'ল মাৰিবলৈ দিলে আৰু সিহঁত আহি বতাহ ওপৰলৈ উঠা 'ছড়িটোৰ' মুখত বহিলহি। সিহঁতৰ কাপোৰ-কানিবোৰ ইতিমধ্যে ঘামত তিতি গৈছিল। তুলনামূলকভাৱে আচ্ছাদনৰ ঠিক তলত 'লেভেলতকৈ' বেছি গৰম। তদুপৰি গধুৰ ড্ৰিল মেশ্বিনটো ধৰি ৰাখি হ'ল মাৰোতে সিহঁতৰ জ্বৰঘাম ওলাই গৈছিল। হ'ল মাৰোতে কয়লাবিলাক পাউডাৰৰ দৰে গুড়ি হৈ বাহিৰলৈ ওলাই আহে আৰু সেইবোৰ সিহঁতৰ গালে-মুখে লাগে। সিহঁতৰ ঘামি থকা মুখবোৰত কয়লাৰ গুড়িবোৰ লাগি থকাত সিহঁতক এতিয়া একোটা একোটা নিগ্ৰো মানুহৰ দৰে লাগিছে।

ত্ৰিশটামান হ'ল হোৱাৰ পাছত ফুলেশ্বৰহঁতে ড্ৰিল মেশ্বিন আৰু ইয়াৰ আনুষংগিক বস্তুবোৰ তললৈ নমালে। সিহঁত নিজেও 'লেভেললৈ' নামি আহিল। ছৰ্দাৰ প্ৰদীপ ফুকনে ইতিমধ্যে সহায়কাৰীজনক লগত লৈ ছলিজেক্স-অৰ কাৰ্ট্ৰিজবোৰ হ'লবিলাকত সুমুৱাই ভূপৃষ্ঠৰ পৰা অনা ৰঙা মাটিৰে হ'লবিলাকৰ মুখবোৰ বন্ধ কৰি যাবলৈ ধৰিছে। আটাইবোৰ হ'লৰে মুখবোৰ এইদৰে বন্ধ কৰাৰ পাছত প্ৰদীপে ডেটনাটৰৰ ওলাই থকা তাঁৰবিলাক এটা নিৰ্দিষ্ট নিয়মত জোৰা দিবলৈ ধৰিলে। জোৰা দিয়া শেষ হ'লত তাৰ হাতত তাঁৰৰ দুটা মূৰ বাকী থাকিলগৈ। সেই মূৰ দুটাৰ লগত এডাল দীঘল তাঁৰৰ (Shot-firing cable) মূৰ দুটা জোৰা দি সি 'লেভেললৈ' নামি আহিল আৰু এটা নিৰাপদ দূৰত্বলৈকে 'লেভেলেদি' তাঁৰডাল পাৰি পাৰি লৈ গ'ল। তাৰ পাছত তাঁৰডালৰ আন দুটা মূৰ সি এক্সপ্ল'ডাৰৰ (Exploder) লগত সংযোগ কৰি চাবিটো এবাৰ সোঁফালে ঘূৰালে। ক্ষন্তেক পিছতে এক্সপ্ল'ডাৰত ৰঙা পোহৰ এটাৰ আৱিৰ্ভাৱ ঘটিল। লগে লগে প্ৰদীপে চিঞৰিলে ঃ

– খবৰদাৰ ! খবৰদাৰ !!

ওচৰে-পাঁজৰে থকা আটাইবোৰ মানুহ সজাগ হৈ নিৰাপদ ঠাই বাছি ল'লে। প্ৰদীপে এইবাৰ এক্সপ্ল'ডাৰৰ চাবিটো বাওঁফালে ঘূৰালে আৰু লগে লগে 'গুৰুম'কৈ এটা কাণ তালমৰা শব্দৰ সৃষ্টি হ'ল। লেভেলৰ কনভেয়ৰটো অলপ আগতে চলাই দিয়া হৈছিল। এতিয়া কনভেয়ৰেদি সদ্য বিস্ফোৰিত কয়লা আহিবলৈ ধৰিলে।

ফুলেশ্বৰহঁতে ইতিমধ্যে এঠাইত বহি লৈ দুপৰীয়াৰ আহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। সিহঁতৰ ভোক লাগিছিল। তদুপৰি এই সময়ত সিহঁতৰ কৰিবলগীয়া একো নাথাকে। খোৱাৰ আগতে সিহঁতে হাতবোৰ খনিৰ এছিডযুক্ত পানীৰে ধুই যিমান পাৰি সিমান পৰিষ্কাৰ কৰি লৈছিল।

খোৱা হ'লত সিহঁতে পুনৰ 'ছড়িবিলাকৰ' কয়লা কোৰেৰে টানি টানি তলৰ কনভেয়ৰত পেলাবলৈ ধৰিলে। কয়লা পৰিষ্কাৰ কৰি কৰি সিহঁত কৃত্ৰিম আচ্ছাদনৰ ওচৰ পালেগৈ। সিহঁতে এইবাৰ আচ্ছাদনৰ তলৰ কয়লা টানিবলৈ ধৰিলে। কিছু কিছু কয়লা টনাৰ পাছতে 'দুপ-দাপ', 'ফট-ফট' আদি শব্দ কিছুমান সিহঁতৰ কাণত পৰিবলৈ ধৰিলে। পূৰ্বৰ অভিজ্ঞতাৰে সিহঁতে বুজি পালে যে আচ্ছাদনখন কিছু তললৈ নামিব আৰু নামিব খন্তেক পাছতেই। সিহঁতে ততাতৈয়াকৈ 'লেভেললৈ' নামি আহিল আৰু অপেক্ষা কৰিবলৈ ধৰিলে। অলপ পিছতে 'দৰাম'কৈ এটা শব্দ হ'ল আৰু ইয়াৰ লগে লগে এসোপা কয়লা ছড়িবিলাকেদি তললৈ নামি আহিল। ফুলেশ্বৰহঁতে বুজি পালে যে আচ্ছাদনখনৰ হেঁচাতেই কয়লাবোৰ এনেকৈ তললৈ নামি আহিল। ইয়াৰ প্ৰায় লগে লগেই অলপ আগলৈকে হৈ থকা শব্দবোৰো মাৰ গ'ল। সিহঁতে বুজি পালে যে এতিয়া কয়লা টনাত আৰু ভয় নাই। সিহঁতে পুনৰ কোৰবিলাক হাতত তুলি ল'লে।

আচ্ছাদনৰ তলৰ আটাইখিনি কয়লা টানি হয়মানে সিহঁতৰ শ্বিফ্‌ট-অৰো সামৰণি পৰিবৰ হ'ল। দ্বিতীয় শ্বিফ্‌টৰ লোক আহি প্ৰায় একেটা পদ্ধতিৰে কয়লা নিষ্কাষণ কৰিব। 'লেভেললৈ' নামি আহি ফুলেশ্বৰহঁতে নিজৰ নিজৰ বস্তুবোৰ হাতত তুলি ল'লে আৰু খনিৰ পৰা ভূপৃষ্ঠলৈ উঠিবলৈ ধৰিলে। ভূপৃষ্ঠত আহি পাওঁতে প্ৰায় তিনি বাজিল। 'হাজিৰা-বাবুৰ' আগেদি পাৰ হৈ যাওঁতে তেওঁ হাজিৰা-বহীত ফুলেশ্বৰহঁতৰ নামৰ বিপৰীতে সিহঁত খনিৰ পৰা ওলোৱা সময়টো লিখি ল'লে। কেপ-লেম্পটো যথাস্থানত থৈ সিহঁতে ঘৰলৈ বুলি খোজ ল'লে।

তেতিয়া বেলিয়ে লহিয়াবলৈ আৰম্ভ কৰিছিল।

## ২

...কোৰখন হাতত লৈ ফুলেশ্বৰ 'ছড়িৰে' ওপৰলৈ উঠি গৈ আছিল। হঠাতে কয়লা এসোপা সৰসৰকৈ নামি আহি তাৰ মূৰে-গায়ে পৰিবলৈ ধৰিলে। তাৰ হাতৰ পৰা কোৰখন সুলকি গ'ল আৰু বাগৰি বাগৰি তললৈ নামিবলৈ ধৰিলে। কয়লাই ফুলেশ্বৰকো ঠেলিবলৈ ধৰিলে; সিও বাগৰি বাগৰি তললৈ নামিবলৈ ধৰিলে। আগে আগে কোৰখন, পাছে পাছে সি। 'লেভেলত' প্ৰায় কোৰখন পৰা ঠাইতে সিও আহি পৰিলহি। ওপৰৰ পৰা সৰসৰকৈ আহি থকা কয়লাবোৰে তাক প্ৰায় ঢাকি ধৰিলে। 'লেভেলত' থকা কোনোবা এটাই তাক টানিবলৈ ধৰিলে। লগে লগে কোনোবাই চিঞৰি থকাও সি শুনিবলৈ পালে ঃ

– ধৰ, ধৰ তাক ! নেৰিবি, নেৰিবি !!

ফুলেশ্বৰে সাৰ পাই গ'ল; কিন্তু পৰিস্থিতিটো হৃদয়ংগম কৰোতে তাৰ কিছু সময় লাগিল। তাৰ বুকুখনে এতিয়াও ধপধপাই আছে। তাৰ ডিঙিটো শুকাই গৈছে। এই জাৰৰ দিনতো তাৰ গাৰ পৰা ঘাম ওলাইছে। কাষতে শুই থকা গোলাপীয়ে তাৰ বাহুটোত ধৰি জোঁকাৰি আছে আৰু তাক কৈছে :


– বাহিৰত কোনোবাই হুলস্থূল কৰি আছে; 'ধৰ ধৰকৈ' কোনোবাই চিঞৰি আছে। আপুনি উঠি গৈ এবাৰ চাই আহকচোন ! এই মখাৰ পৰা শান্তিৰে এঘুমটি মাৰিবও নোৱাৰি ! – পিছৰ কথাষাৰ গোলাপীয়ে নিশ্চয় বাহিৰত কোঢ়াল কৰি থকাসকলক উদ্দেশ্যি ক'লে।

লাহে লাহে ফুলেশ্বৰ বাস্তৱলৈ ঘূৰি আহিল। কি ভয়ানক সপোন ! কয়লা খনিত এনেকুৱা অঘটন কেতিয়াবা কাচিৎ নঘটা নহয়। কিন্তু বেছিভাগ ক্ষেত্ৰতে সিহঁতে অভিজ্ঞতাৰ পৰাই এইবোৰ ঘটনাৰ আগজাননী পাই যায় আৰু সময়মতে নিৰাপদ ঠাইলৈ আঁতৰি আহে। কিন্তু এই সপোনটো কিয় ? তেন্তে তাৰ লগতো এনেকুৱা অঘটন ......

তাৰ আৰু ভাবিবলৈ মন নগ'ল। গোলাপীয়ে এতিয়াও কিবাকিবি ভোৰভোৰাই আছে, হয়তো সচৰাচৰ কৰাৰ দৰেই তাৰ ক্ষমতাযোগ্যতাৰ ওপৰতে কটাক্ষ কৰিছে। সি বিছনাৰ পৰা নামিল। এতিয়া ৰাতি কিমান হ'ল, তাৰ অনুমান কৰিবলৈ বা ঘড়ী চাবলৈ মন নগ'ল। পানী এগিলাচ ধকধককৈ গিলি কম্বলখন গাত লৈ সি বাহিৰলৈ ওলাই আহিল।

বাহিৰত কেইটামান মানুহে থিয় দি কিবাকিবি কৈ আছিল। ৰাতি হয়তো বেছি হোৱা নাই – সি অনুমান কৰিলে; নহ'লে ঠাণ্ডাৰ দিনত এইদৰে মানুহবোৰ বাহিৰত ওলাই নাথাকিলহেঁতেন। সিহঁতৰ 'লাইনটোত' ঘৰবোৰ লগালগিকৈ সজোৱা। মুখামুখিকৈ সজোৱা ঘৰবোৰৰ দুটা শাৰী; মাজতে এখন দীঘলীয়া চোতাল। এই চোতালখনতে মানুহবোৰ থিয় দি আছিল। এই মানুহখিনিৰে এজনক সুধি ফুলেশ্বৰে জানিব পাৰিলে যে কোনোবা এটাই হেনো চুলাই খাই আহি কোনোবা এঘৰত বলপূৰ্বকভাবে সোমাব খুজিছিল। ঘৰৰ গৃহস্থই চিঞৰ-বাখৰ কৰাত ওচৰৰ মানুহবোৰ গোট খালে আৰু তাক এফালে খেদি নিলে। ফুলেশ্বৰে সপোনৰ মাজতে "ধৰ, ধৰ তাক ! নেৰিবি, নেৰিবি !!" চিঞৰটো হয়তো তেতিয়াই শুনিছিল।

'লাইনত' এইবোৰ সচৰাচৰ ঘটা ঘটনা। প্ৰায় প্ৰতিদিনে কোনোবা নহয় কোনোবা এটাই চুলাই খাই চিঞৰ-বাখৰ কৰিবই। মাৰ-পিট আৰু আনকি হত্যাকাণ্ড পৰ্যন্ত এই 'লাইনবোৰত' কেতিয়াবা কেতিয়াবা ঘটে। তদুপৰি নাৰীঘটিত কেলেংকাৰিও মাজে মাজে সংঘটিত হয়। সৌ সিদিনা মাত্ৰ তেনেকুৱা এটা ঘটনা ঘটি গ'ল এইটো 'লাইনতে'। ফুলেশ্বৰৰ লগত একেলগে কাম কৰা গুৰুমূৰ্তিয়ে মানুহ এটা ঘপিয়াই সিপুৰীলৈ পঠাই এতিয়া জেলৰ ভাত খাই আছে। ফুলেশ্বৰে শুনামতে এই কটা যোৱা মানুহটোৱে হেনো সেইদিনা ক'ৰবাত চুলাই খাই আহি গুৰুমূৰ্তিৰ ঘৰত বলপূৰ্বকভাবে সোমাই তাৰ ঘৈণীয়েকৰ গাত হাত দিছিলহি। গুৰুমূৰ্তিয়ে সেই সময়ত ওচৰৰ



এঘৰত কথা পাতি আছিল। ঘৈণীয়েকৰ চিঞৰ-বাখৰ শুনি সি নিজৰ ঘৰলৈ দৌৰি আহিল আৰু মানুহটো আৰু তাৰ ঘৈণীয়েকৰ মাজত টনা-আঁজোৰা কৰি থকা দেখা পালে। লগে লগে সি আগ-পিছ নুগুণি ওচৰতে থকা খুকুৰিখনেৰে কেইঘাপমান মাৰি মানুহটোক সিপুৰীলৈ পঠালে। গুৰুমূৰ্তি এতিয়া জেলত আছে আৰু তাৰ ঘৈণীয়েকে আৰ-তাৰ ওচৰত হাত পাতি ল'ৰা-ছোৱালী তিনিটাৰে সৈতে কোনোমতে জীয়াই আছে। ফুলেশ্বৰৰ কেতিয়াবা এনেকুৱা লাগে যে এইবোৰ যেন মানুহবিলাকৰ বাবে লাহে লাহে সাধাৰণ ঘটনা হৈ পৰিছে।

'লাইনত' এনেকুৱা ঘটনা ঘটিলে পলায়াই আকৌ কয় :

– আনপঢ়, হোজা মানুহবোৰে দিনটোৰ খাটনিৰ পাছত চুলাই নাখাই, কাজিয়া নকৰি আৰু কৰিব কি ! নিজে পঢ়া-শুনা কৰি নাপালে বাবে সিহঁতে পঢ়া-শুনা কি বস্তু বুজিয়েই নাপায়। আৰু সেইবাবেই ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবেও চেষ্টা নকৰে। মজদুৰৰ কল্যাণৰ বাবে জীৱন উছৰ্গা কৰিবলৈ ওলোৱা আমাৰ ভাৰতৰ ইউনিয়নৰ নেতাবোৰেও মজদুৰৰ এইবোৰ সমস্যাৰ কথা ভাবিব নোখোজে। আচলতে এই মানুহবিলাক আনপঢ় আৰু হোজা হৈ থকাটো কিছুমান মানুহৰ লগতে ভাৰতৰ ইউনিয়নৰ নেতাবোৰেও বিচাৰে। নহ'লে কাকনো ঠগি সিহঁতে ৰাজপাট খাব ?

খনিৰ ভিতৰত পলায়াই কোৱা দধীচিৰ কথা বাৰে বাৰে ফুলেশ্বৰৰ মনলৈ আহিবলৈ ধৰিলে। চাকৰিৰ পৰা পেঞ্চন লৈয়েই যদি নিজাকৈ এটা ঘৰ পোৱা যায় আৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে যদি সুকীয়াকৈ টকা জমা থাকে, তেন্তে সিহঁতৰ জীৱনটো কিমান সহজ হৈ পৰিব ! কিন্তু লগে লগে এটা ভয়ে তাক প্ৰায় অৱশ কৰি পেলালে।

খনিৰ পৰা ঘৰলৈ ঘূৰি অহাৰ পথত সি আজি শ্ৰমিক সংগঠনৰ নেতাজনৰ ওচৰলৈ গৈছিল। কয়লা খনিত কেৰাণী হিচাপে কাম কৰা এই নেতাজনে খনিৰ অন্য এটা কাৰ্যালয়ত কাম কৰে। সংগঠন আৰু ব্যক্তিগত কামত বাহিৰে বাহিৰে ব্যস্ত হৈ থকা এই নেতাজনক খনিৰ কাৰ্যালয়ত লগ পোৱাই টান। তদুপৰি কাৰ্যালয়লৈ আহিলেও দুঘণ্টাৰ বেছি তেওঁ নাথাকে। সেইদিনা ফুলেশ্বৰৰ ভাগ্য ভাল আছিল বাবেই হয়তো সি নেতাজনক লগ পালে। তেতিয়া আবেলি প্ৰায় চাৰি বাজিছিল। নিয়মমতে কাৰ্যালয়ত চাৰি বজালৈকে কাম হ'ব লাগে যদিও তিনি বজাৰ পাছত কাৰ্যালয়ত কোনো নাথাকে। গতিকে নেতাজনক কাৰ্যালয়ত থকাৰ উমান পাই ফুলেশ্বৰৰ মনত আনন্দ লাগিল আৰু সি নেতাজন বহা কোঠাটোৰ ফালে আগুৱাবলৈ ধৰিলে। কিন্তু লগে লগে সি থমকি ৰ'বলগীয়া হ'ল।

কোঠাটোৰ দৰ্জাখন সামান্য খোলা আছিল আৰু সেই ফাঁকেৰে ফুলেশ্বৰে থিয় দি থকা কৰিডৰটোলৈ কিছুমান শব্দ ভাহি আহিছিল। ভিতৰলৈ জুমি চাওঁতে বিস্ময়ত ফুলেশ্বৰৰ চকু কপালত উঠিল। এখন টেবুলৰ চাৰিওকাষে চাৰিজন মানুহ বহি আছিল – তাৰে এজন হ'ল শ্ৰমিক নেতাজন। টেবুলত চাৰিটামান বিয়েৰৰ বটল – তাৰে দুটা ইতিমধ্যে খালি হৈছে। বটল কেইটাৰ ওচৰত কাগজ এখনত দালমুট অলপ ৰখা হৈছে। ছিগাৰেটৰ ধোঁৱা উৰোৱাই উৰোৱাই নেতাজনে কৈ গৈছে :

–...... শ্বালা, শ্বোৱৰ কা বাচ্চা, ইয়াত নেতা হ'বলৈ আহিছে ! তাৰ সাহসটো দেখিছা ! মোৰ লগতো সি টেক্কা দিবলৈ আহে ' সি হেনো ৱৰ্কাৰবিলাকক শিক্ষিত আৰু ৰেছপন্‌ছিবল কৰাৰ ব্যৱস্থা কৰিব। সি হেনো ৱৰ্কাৰবিলাকৰ ভৱিষ্যত নিৰাপদ কৰিবলৈ চেষ্টা কৰিব। ৱৰ্কাৰৰ ছেলাৰীৰ পৰা পইছা কাটি ঘৰ সজোৱাৰ আৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ বাবে পইছা জমা ৰখাৰ ব্যৱস্থা কৰিব। শ্বালা ......

– কিন্তু সিতো একো বেয়া কাম কৰিব খোজা নাই ! – কোনোবা এজনে মাজতে বাধা দি ক'বলৈ চেষ্টা কৰিলে, কিন্তু নেতাজনে নিজৰ বাওঁহাতখন দাঙি মানুহজনক নিশ্চুপ হ'বলৈ নিৰ্দেশ দি নিজে কৈ যাবলৈ ধৰিলে :

– তুমি এটা বুৰ্বক, গাধ ! ইমান দিনে ইউনিয়নত থাকি যদি তুমি এইখিনি কথাও বুজি নাপালা, তেন্তে তোমাৰ দ্বাৰা একো নহ'ব। আৰে, সেই মানুহটোৱে যদি সকলো ৱৰ্কাৰকে তাৰ ফলীয়া কৰি লয়, তেন্তে আমাৰ অৱস্থা কি হ'ব, ভাবি চাইছা ? এই যে আমি মেনেজমেণ্টক দম দি কলিয়েৰীৰ পৰা ইটা-বালি-কাঠ-চিমেণ্ট নি নিজৰ ঘৰ-দুৱাৰবিলাক বনাই লৈছো; ইলেক্‌ট্ৰিছিটি, পানী আদিৰ বঢ়িয়া বন্দবস্ত কৰি লৈছো; –এইবোৰ সুবিধা আমি তেতিয়া পাম ? এই যে আমি হোৱাই-নোহোৱাই ৱৰ্কাৰবিলাকৰ পৰা চান্দা তুলি আছো – কেতিয়াবা কালীপূজা-দুৰ্গাপূজাৰ নামত, কেতিয়াবা অমুকত হ'বলগীয়া মিটিঙলৈ যোৱাৰ নামত; কোনেও 'টু' শব্দ নকৰাকৈ আমাক চান্দাবোৰ দি আছে আৰু সেইদৰে উঠোৱা পইছাৰে আমি এনেকৈ বিয়েৰ-টিয়েৰ খাইছো –; এইবোৰ সুবিধা আমি তেতিয়া পাম ? মানুহবোৰ জনা-বুজা হ'লে সিহঁতে আমাক এনেকৈ পইছা দিব ? আমাক সিহঁতে টুকুৰা-টুকুৰ কৰি নাকাটিব ?? আৰু তুমি ভাবা নেকি যে সি কৰিব খোজা কামবিলাক ভাল বুলি মই বুজি নাপাওঁ ? নাই, এনেকৈ নহ'ব; ইয়াক ইয়াৰ পৰা আঁতৰ কৰিবই লাগিব। ...... এই, কৌন হ্যায় ৱহাঁ ?

পিছৰ কথাষাৰ নেতাজনে ফাঁক হৈ থকা দৰ্জাৰে কৰিডৰলৈ চাই ক'লে। হয়তো তেওঁ তাত কাৰোবাৰ উপস্থিতিৰ কথা অনুমান কৰিব পাৰিছিল। ফুলেশ্বৰ কোঠাটোলৈ সোমাই আহিল।

– অ' তুমি। কি লাগে তোমাক ? – দোৰোল খোৱা জিভাৰে নেতাজনে ফুলেশ্বৰক সুধিলে।

– বাবু, মোক নতুনকৈ বনোৱা কোৱাৰ্টাৰ এটা লাগে।

– কোৱাৰ্টাৰ ? ঠিক আছে; পাই যাবা। মোৰ ওচৰলৈ তুমি পিছত আহিবা। এতিয়া তুমি যোৱা।

ফুলেশ্বৰে পুনৰ ক'বলৈ মুখ মেলিছিল যদিও কিবা ভাবি নক'লে। সি কোঠাৰ পৰা ওলাই আহিল। কৰিডৰেদি গৈ থাকোতে সি কোঠাটোৰ দৰ্জাখন ভালদৰে বন্ধ কৰাৰ শব্দ পাছফালৰ পৰা শুনিবলৈ পালে।

ঘৰলৈ গৈ থাকোতে সি মাত্ৰ এটা কথাকে ভাবি গ'ল : তেন্তে দধীচি বোলা মানুহটোক ইহঁতে আঁতৰ কৰাৰ কথাকেই ভাবিছে ? ভাগ্যে আজি খনিৰ ভিতৰত পলায়াই তাৰ কথা উলিয়াইছিল; নহ'লে নেতাজনে কাৰ কথা কৈছে, ফুলেশ্বৰে বুজিয়েই নাপালেহেঁতেন।

এক অজান আশংকাত অশান্ত হৈ পৰা মনটো লৈ ফুলেশ্বৰে ঘৰলৈ বুলি খোজ লৈছিল।

ঘৰলৈ আহি গা-পা ধুই সি চাহ খাবলৈ বহোঁতে আন্ধাৰ হ'লেই। আৰু আন্ধাৰ হ'লেই ফুলেশ্বৰহঁত এটা ডাঙৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। ৰাতিৰ লগতে দিনৰ ভাগতো বিদ্যুৎ পৰিষদে যোগান ধৰা বিদ্যুৎ শক্তি প্ৰায় নাথাকেই। খনিৰ কামবিলাক যেনিবা প্ৰতিষ্ঠানৰ নিজস্ব জেনেৰেটৰৰ দ্বাৰা চলি যায়, কিন্তু ঘৰুৱা কামৰ বাবে এই ব্যৱস্থা নাই। বিদ্যুৎ শক্তি নথকাৰ বাবে ল'ৰা-ছোৱালীয়ে ৰাতি পঢ়া-শুনাও কৰিব নোৱাৰে। ইফালে দেশত কেৰাচিন তেল নাই। আৰু মূৰৰ ওপৰত বাৰবোৰ লগাই ৰাখি তলত কেৰাচিনৰ চাকিয়েইবা কিয় জ্বলাব লাগে – ফুলেশ্বৰে বুজি নাপায়। খনিত কাম কৰা প্ৰায়বিলাক মানুহৰ ঘৰতে কিস্তি হিচাপত লোৱা ৰঙীন অথবা ক'লা-বগা টিভি আছে; সেইবোৰো

ৰাতি অচল হৈ পৰি থাকে। আৰু ইয়াৰ বাহিৰে মানুহবিলাকৰ বাবে মনোৰঞ্জনৰ অন্য উপায়ো ইয়াত নাই।

এনেবোৰ প্ৰসংগত আকৌ বৰুৱা চাহাবে কয় ঃ

– বিদ্যুৎ পৰিষদে যোগান ধৰা বিদ্যুৎ শক্তিৰ নাটনি যন্ত্ৰপাতিৰ বিজুতিৰ বাবে যিমান হয়, তাতকৈ বেছি হয় পৰিষদৰ কৰ্মীসকলৰ অনিয়মানুবৰ্তিতা, দায়িত্বহীনতা আদিৰ বাবে। দেশৰ উন্নতিৰ বাবে উদ্যোগ প্ৰতিষ্ঠা কৰাটো আচল কথা নহয়, আচল কথা হ'ল সেই উদ্যোগ সঠিকভাবে পৰিচালনা কৰাটোহে। আৰু ভাৰতত নতুন ধৰণৰ ঔদ্যোগিক নীতি-নিয়ম, নতুন ধৰণৰ ইণ্ডাষ্ট্ৰিয়েল ৰিলেশ্বন আৰু নতুন ধৰণৰ ইউনিয়ন নহ'লে দেশৰ উন্নতি নহয় ......

বৰুৱা চাহাবে কথাবোৰ যে ক'ৰপৰা ক'লৈ লৈ যায়, ফুলেশ্বৰে ধৰিবই নোৱাৰে। সি তেখেতৰ আটাইবোৰ কথা বুজিও নাপায়। অৱশ্যে কিছুমান কথা ফুলেশ্বৰহঁতক বুজাই নিদিলেও হয়। শ্ৰমিক সংগঠনৰ নেতাবিলাকৰ ঘৰত মনোৰঞ্জনৰ আটাইবোৰ অত্যাধুনিক যন্ত্ৰপাতি আছে। তদুপৰি দুই-এজনে সৰু সৰু জেনেৰেটৰো কিনি লৈছে। সিহঁততকৈও কম দৰ্মহা পোৱা এই নেতাসকলে এইবোৰ বস্তু কেনেকৈ আয়ত্ত কৰে, সেইবোৰ কথা ফুলেশ্বৰহঁতে বুজি পায়, জানে। কিন্তু সিহঁতে একো কৰিব নোৱাৰে। কোনোবাই কিবা কৰিব খুজিলেই তাৰ ওপৰত শ্ৰমিক সংগঠন আৰু কৰ্তৃপক্ষ – দুয়োফালৰ পৰাই অসুবিধা জাপি দিয়া হয়। বিদ্ৰোহীক অনতিবিলম্বে অন্য ঠাইলৈ বদলি কৰা হয় ......

– যথেষ্ট আৰামৰ জীৱন !

ইতিমধ্যে এটা এটাকৈ মানুহবোৰে ঘৰৰ ভিতৰলৈ সোমাবলৈ ধৰিছিল। মানুহবিলাকলৈ উদাস দৃষ্টিৰে চাই চাই ফুলেশ্বৰে কথাষাৰ নিজকে কোৱাৰ দৰে ক'লে। বৰুৱা চাহাবৰ অন্য এষাৰ কথা তাৰ হঠাতে মনত পৰি গ'ল। তেখেতে এদিন কৌতুক কৰাৰ ছলেৰে সিহঁতৰ আগত কৈছিল যে এবাৰ হেনো এজন 'বাবুৱে' প্ৰথমে বিষয়া হ'বলৈ মান্তি হৈয়ো পাছত অমান্তি হয় (উপযুক্ত যোগ্যতা প্ৰাপ্তিৰ পাছত 'বাবুসকলক' বিষয়ালৈ উন্নীত কৰাৰ ব্যৱস্থা এই প্ৰতিষ্ঠানত আছে)। কাৰণ সোধাত 'বেচৰকাৰী' যুক্তি দি তেওঁ ক'লে যে ইয়াৰ হেনো তিনিটা কাৰণ আছে। প্ৰথমতে, বিষয়া হ'লে তেওঁ অ'ভাৰ-টাইম আদি উপৰঞ্চি সুবিধাৰ পৰা বঞ্চিত হ'ব লাগিব। দ্বিতীয়তে, বিষয়া হ'লে তেওঁ দুবছৰ আগতেই চাকৰিৰ পৰা পেঞ্চন ল'ব লাগিব আৰু বহুতো চৰকাৰী সুবিধাৰ মুদা মৰিব। তৃতীয়তে, বিষয়া হ'লে ...... কাম কৰিব লাগিব ! 'বাবু' হৈ কাম নকৰিলেও কোনেও একো কৰিব নোৱাৰে – ইউনিয়নে ধৰিব। কিন্তু বিষয়া হৈ কাম নকৰিলে সেই একেটা ইউনিয়নেই আপত্তি তুলিব !......

কথাষাৰ মনত পেলাই ফুলেশ্বৰৰ হাঁহি উঠাৰ পৰিবৰ্তে বিষাদৰ গভীৰ হুমুনিয়াহ এটাহে অন্তৰৰ পৰা ওলাই আহিল। মানুহবিলাক ইতিমধ্যে নিজৰ নিজৰ ঘৰৰ ভিতৰলৈ সোমাই গৈছে। ভাৰাক্ৰান্ত মন এটা লৈ ফুলেশ্বৰো লাহে লাহে ঘৰৰ ভিতৰলৈ সোমাই আহিল।

গোলাপী তেতিয়া টোপনিত লালকাল ......

৩

কয়লাৰ জুই একুৰা জ্বলাই ফুলেশ্বৰে তাৰ ওচৰতে জুপুকা মাৰি বহি আছিল। ৰাতি ন-মান বাজিছিল। সি এতিয়া দ্বিতীয় শ্বিফ্‌টত কাম কৰে, – আজি তিনিদিন হৈছে। ঠাণ্ডা বতাহ এজাক সোঁসোৱাই বৈ আছে। জুইকুৰা জ্বলাইও ফুলেশ্বৰে ঠাণ্ডাৰ পৰা ৰক্ষা পাব পৰা নাই। জুইৰ ফালে মুখ কৰি বহি থাকিলে সন্মুখৰ ফালে সি উত্তাপ ঠিকেই অনুভৱ কৰে, কিন্তু কিছু সময়ৰ পাছতে পিঠিখন বৰফ যেন চেঁচা হৈ পৰে। গতিকে অলপ পিছতে সি জুইৰ ফালে পিঠি দি বহিবলগীয়া হয়। অৱশ্যে এইদৰেও সি অলপ দেৰিহে বহি থাকিব পাৰে; কিছু সময়ৰ পাছতে ঠাণ্ডা বতাহজাক গালে-মুখে লাগি তাৰ অস্বস্তি বঢ়াই তোলে। গতিকে সি আকৌ জুইৰ ফালে মুখ কৰি বহে। খৰিৰ জুইতকৈ কয়লাৰ জুইৰ উত্তাপ বহুত গুণে বেছি; তদুপৰি জুইকুৰা এবাৰ ধৰি ল'ব পাৰিলে বহুত পৰলৈকে নুনুমায়।

ফুলেশ্বৰৰ বিৰক্তি লাগিছিল। শ্বিফ্‌ট-অৰ সামৰণি পৰিবলৈ এতিয়াও দুঘণ্টামান বাকী। সময়ৰ কথা সি যিমানে ভাবিছিল, তাৰ বিৰক্তিও সিমানে বাঢ়িছিল। বিৰক্তিত মাজে মাজে সি ভোৰভোৰাইছিল। সি পতিয়ন গৈছিল যে এইদৰে চকিদাৰ হৈ বহি থকাতকৈ খনিৰ ভিতৰলৈ গৈ হ'ল মাৰি কয়লা নিষ্কাষণ কৰাই ভাল। তাৰ নিজৰ ওপৰতে আকৌ এবাৰ খং উঠিল। কেইদিনমানৰ আগতে খনিৰ ভিতৰত সি 'ছড়িৰে' পিছলি পৰি ভৰিত দুখ পাইছিল। হাড়-তাৰ নাভাগিল যদিও সি ভৰিত সম্পূৰ্ণ ভৰ দি খোজ কাঢ়িব নোৱৰা হৈছিল। খনিৰ ভিতৰত সি সদায় কৰা কামবোৰ লেঙেৰা ভৰি লৈ কৰা অসম্ভৱ। অৱশ্যে তাৰ নিজৰ অসাৱধানতাৰ বাবেই এই ঘটনাটো ঘটিবলৈ পালে। তাক এতিয়া বহুত দিন আগতেই নিৰ্মাণ কৰা অথচ বিভিন্ন কাৰণত এতিয়াও অচল হৈ পৰি থকা পানী পৰিষ্কৰণ প্লাণ্টটোত চকিদাৰ হিচাপে ৰখা হৈছে। খনিত দুৰ্ঘটনাজনিত কাৰণত সাময়িকভাবে অক্ষম হৈ পৰা লোকক এইদৰে বিভিন্ন লঘু কামত নিয়োগ কৰা হয়। প্লাণ্টটোত কিছুমান মূল্যবান সা-সামগ্ৰী আছে। কোনো নাথাকিলে খনিৰ মানুহৰ লগ হৈ প্ৰতিষ্ঠানৰ বাহিৰৰ মানুহে সেইবোৰ চুৰ কৰিব। সেইবাবে প্ৰতিটো শ্বিফ্‌ট-অতে তাত এজনকৈ চকিদাৰ ৰখা হয়। ভৰিটো ভাল হ'লেই ফুলেশ্বৰ পুনৰ আগৰ কামলৈ ঘূৰি যাব।

সময়বোৰ কেৰেলুৱাৰ গতিৰে পাৰ হৈ গৈছিল। ফুলেশ্বৰৰ বিৰক্তি লাহে লাহে বেছি হৈ আহিছিল। তাৰ ভোকো লাগিছিল। আবেলি কামলৈ আহোতে লগত লৈ অহা জলপানকণ তাৰ পেটত কেতিয়াবাই হজম হ'ল। ৰাতি এঘাৰ বজাত তৃতীয় শ্বিফ্‌ট-অৰ চকিদাৰজন অহাৰ পাছত সি ঘৰলৈ যাব। ঘৰত অৱশ্যে সি গৰম ভাত নাপায়, অথবা গোলাপীয়ে শোৱাৰ পৰা উঠি আহি তাক দৰ্জাও খুলি নিদিয়ে। প্ৰথমৰ ফালে সি এইদৰে ৰাতি কামৰ পৰা গৈ গোলাপীক জগাই উঠাইছিল আৰু গোলাপীয়েও কেঁকাই-গেঠাই অহাৰ দৰে আহি তাক দৰ্জা খুলি দিছিলহি। কিন্তু পাছলৈ গোলাপীৰ চকু-মুখত খং-বিৰক্তি দেখি দেখি আৰু তাইৰ ভোৰভোৰণি শুনি শুনি সি ঘৰৰ দৰ্জাৰ চাবি নিজৰ লগতে ৰাখিবলৈ ধৰিলে। আজিও সি সেই চাবিৰে দৰ্জা খুলি ঘৰৰ ভিতৰলৈ সোমাব। গোলাপীয়ে হয়তো সাৰ পাব, কিন্তু পাটীৰ পৰা উঠি নাহে। হাত-মুখ ধুই সি নিজেই শাক-ভাতখিনি গৰম কৰিব, অথবা এলাহ লাগিলে ঠাণ্ডা ভাতকে বাঢ়ি খাই সি শুই পৰিব। গোলাপীয়ে সাৰ পাই থাকিলেও টোপনিৰ ভাও ধৰি পৰি থাকিব ......

হঠাতে ট্ৰাকৰ ইঞ্জিনৰ শব্দ শুনি ফুলেশ্বৰ বহাৰ পৰা উঠিল। চাৰিওফালে আন্ধাৰ; তদুপৰি সি জুইৰ ওচৰত থিয় হৈ থকাৰ কাৰণে দহ ফুট দূৰৰ বস্তু এটাও তাৰ চকুত পৰা নাই। কঁকালত পেটীৰে বান্ধি ৰখা কেপ-লেম্পটো জ্বলাই লৈ সি চাৰিওফালে চাবলৈ ধৰিলে।

এই পানী পৰিষ্কৰণ প্লাণ্টটোৰ ওচৰতে কয়লাৰ দ'ম এটা আছে। কয়লা বোজাই কৰি নিবৰ বাবে এই ঠাইলৈ ট্ৰাকবোৰ নাহে। খনিৰ এটুকুৰা নিৰ্দিষ্ট ঠাইতহে গ্ৰাহকৰ বাবে কয়লা বোজাই কৰি দিয়া হয়; আৰু এই নিৰ্দিষ্ট ঠাইলৈ, দৰকাৰ হ'লে,





খনিৰ ডাম্পাৰেৰে এই জমা কৰি ৰখা কয়লাবোৰ লৈ যোৱা হয়। গতিকে এই ঠাইত ট্ৰাকৰ শব্দ শুনি ফুলেশ্বৰ আচৰিত হ'ল। কেপ-লেম্পৰ পোহৰৰ সহায়ত সি কয়লাৰ দ'মটোৰ ফালে আগবাঢ়িবলৈ ধৰিলে। আৰু অলপ পাছতে সি যিটো দৃশ্য দেখিলে, সি নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰিলে।

ওখকৈ জমা কৰি ৰখা কয়লাৰ দ'মটোৰ গাতে লগাই ট্ৰাক এখন ৰখাই থোৱা আছে। মানুহ কেইজনমানে 'বেলচা' হাতত লৈ ট্ৰাকত কয়লাবোৰ ততাতৈয়াকৈ বোজাই কৰিছে। ফুলেশ্বৰৰ বুজিবলৈ বাকী নাথাকিল যে এই কয়লাবোৰ চুৰ কৰি বোজাই কৰা হৈছে। সি ইমানদিনে এইখন খনিৰ পৰা কয়লা চুৰ হয় বুলি শুনিছিলহে – আজি নিজ চকুৰে দেখিবলৈ পালে। তাৰ হঠাতে এই মানুহবোৰৰ ওপৰত প্ৰচণ্ড খং উঠিল। ফুলেশ্বৰহঁতে ৰাতি আৰু দিনৰ পাৰ্থক্য নাৰাখি, অসংখ্য বিপদ-আপদ মূৰত লৈ, ইমান কষ্ট কৰি খনিৰ ভিতৰৰ পৰা কয়লাবোৰ উলিয়ায়; অথচ সেই কয়লাকে এতিয়া এই মানুহবোৰে অকণো কষ্ট নোহোৱাকৈ লৈ যাবলৈ ওলাইছে। কয়লাবোৰ নি সিহঁতে ক'ৰবাত সস্তা দামত বেচিব আৰু তেনেকৈ পোৱা পইছাখিনিৰে মদ-মাংস খাব, বেশ্যাৰ ওচৰলৈ যাব ! এইবোৰ মানুহ এনেকৈয়ে অলপো কষ্ট নকৰাকৈ চহকী হ'ব, অথচ ফুলেশ্বৰহঁতে যথেষ্ট কষ্ট কৰিও সদায় অভাৱ-অনাটনৰ মাজত দিন কটাব ! ফুলেশ্বৰৰ হঠাতে এনেকুৱা লাগিল যেন তাৰ মুখতে কোনোবাই থুৱাই দিছে আৰু সি কেৱল অসহায়ভাবে চাই আছে। তাৰ হঠাতে কাৰোবাৰ ওপৰত প্ৰচণ্ড ঘৃণা উপজিল। সি ট্ৰাকখনৰ ফালে দৌৰিবলৈ ধৰিলে আৰু তাৰ লগে লগে চিঞৰিবলৈও ধৰিলে ঃ

– ঐ, কোন তহঁত ? কি কৰিছ তাত ?

হঠাতে কাৰোবাৰ চিৎকাৰ শুনি কয়লা বোজাই কৰি মানুহকেইটা হতভম্ব হৈ কিছু সময় থিয় দি ৰ'ল। ফুলেশ্বৰ আহি ইতিমধ্যে ট্ৰাকখনৰ ওচৰ পালেহি। এইবাৰ তাৰ হতভম্ব হোৱাৰ পাল পৰিল।

ট্ৰকখনৰ কাষতে সেইদিনা বিয়েৰ খোৱা শ্ৰমিক নেতাজন থিয় হৈ আছিল আৰু চেপা অথচ তীক্ষ্ণ কণ্ঠেৰে মানুহকেইটাক নিৰ্দেশ দি আছিল। মানুহকেইটা বৈ যোৱাত তেওঁ একে সুৰতে সুধিলে ঃ

– এই, ক্যা হুৱা ? ক্যোঁ ৰুক গয়া ? জল্দি কৰৌ, জল্দি কৰৌ ! কোই আ ছকতা হ্যায় !

শ্ৰমিক নেতাজনৰ ওচৰ পাই ফুলেশ্বৰ ৰৈ গ'ল। কেপ-লেম্পৰ পোহৰত দুয়ো দুয়োকো দেখিলে। দুয়োৰে চকু কিছুক্ষণ স্থিৰ হৈ থাকিল। ফুলেশ্বৰে ইতিমধ্যে সিদ্ধান্ত লৈ লৈছিল। হঠাতে গলাৰ সমস্ত জোৰ দি সি চিঞৰিবলৈ ধৰিলে ঃ

– চোৰ, চোৰ ! ইয়াত ট্ৰাকত কয়লা চুৰ হৈছে, কয়লা চুৰ হৈছে !

ইয়াৰ লগে লগে সি কেপ-লেম্পৰ পোহৰটো চাৰিওফালে ঘূৰাই ঘূৰাই ইফালে-সিফালে দৌৰিবলৈ ধৰিলে। তাৰ টেঁটুফলা চিঞৰ আৰু ঘূৰি থকা পোহৰটো দেখি ওচৰে-পাঁজৰে থকা মানুহবোৰ তাৰ ফালে দৌৰি আহিবলৈ ধৰিলে। কথা বিষম দেখি কয়লা বোজাই কৰি থকা মানুহকেইজনে য'ৰ 'বেলচা' ত'তে এৰি পলাবলৈ চেষ্টা কৰিলে; সিহঁতৰ পিছে পিছে ট্ৰাকৰ ড্ৰাইভাৰ আৰু হেণ্ডিমেন। পলাই যোৱা মানুহবোৰৰ দুটা নে তিনিটা ধৰা পৰিল। আচৰিত কথা, শ্ৰমিক নেতাজনে কিন্তু পলাবৰ বাবে 

অলপো চেষ্টা নকৰিলে ।

কৰ্তৃপক্ষক খবৰ দি সেই ঠাইলৈ মাতি অনা হ'ল । খনিৰ মুৰব্বী বিষয়াই থানাত খবৰ দি ট্ৰাকখন, শ্ৰমিক নেতাজন আৰু পলাবলৈ চেষ্টা কৰি ধৰা পৰা মানুহকেইটাক পুলিচক চমজাই দিলে ।......

ফুলেশ্বৰে ঘৰলৈ আহি ভাত-পানী খাই যেতিয়া পাটীত পৰিলহি, তেতিয়া ৰাতি একমান বাজি গৈছে । গাৰুটোত মূৰটো থ'বলৈ লৈ সি এবাৰ গোলাপীৰ মুখলৈ চালে । গোলাপীয়ে নিশ্চিন্ত মনে শুই আছে । হঠাতে গোলাপীৰ ওপৰত তাৰ ভীষণ পুতৌ উপজিল । এই পুতৌৰ বাবেই হওক বা অন্য কাৰণতেই হওক, সি লেপখন মূৰে-গায়ে লৈ শুই পৰিল ।

## ৪

অন্যমনস্ক হৈ ফুলেশ্বৰে ঘৰৰ বস্তুবোৰ বান্ধি আছিল । তাৰ মুখখন বিষাদময়, কিন্তু দাঁতত দাঁত চেপি ৰখাৰ বাবে মুখখন একে সময়তে কঠিন হৈও আছে । তাৰ কাৰোবাৰ ওপৰত প্ৰচণ্ড খং উঠিছে । এই খং তাৰ নিজৰ ওপৰতো হ'ব পাৰে । সি নিশ্চুপ হৈ বস্তুবোৰ সামৰি সামৰি বান্ধি আছে । তাক ইতিমধ্যে এইখন খনিৰ পৰা অন্য এখন খনিলৈ বদলি কৰা হৈছে । দুই-এদিনতে সি এই কোৱাৰ্টাৰটো খালি কৰি দিব লাগিব ।

গোলাপীয়ে মুখেৰে ভোৰভোৰাই ভোৰভোৰাই ঘৰৰ বস্তু-বাহানিবোৰ আনি ফুলেশ্বৰৰ ওচৰত জমা কৰি গৈছে । তাইৰ মুখখন খন্তেকলৈকো বন্ধ হোৱা নাই । ফুলেশ্বৰৰ কাণত তাইৰ কিছুমান কথা সোমাইছে আৰু কিছুমান সোমোৱা নাই । কিন্তু সেইবোৰ ভাবিবলৈ যেন তাইৰ সময় নাই; তাই মাথো বকি গৈছে ঃ

–...... বৰ হিৰ' ওলাই দেখুৱাইছিলে ! কয়লা চোৰ ধৰিছিলে ! এতিয়া পালে নহয় মজাটো ! চোৰবিলাক য'তে আছিল, ত'তে থাকিল; চোৰ ধৰোঁতাবোৰহে উফৰি পৰিবলগীয়া হ'লগৈ । কিমান দিনৰ পৰা এইটো খনিত কয়লা চুৰৰ কাৰবাৰ চলি আছে ! সকলোৱেই জানে, সকলোৰে চকুৰ আগতে এইবোৰ ঘটি আছে । দেশৰ মানুহে জানে যে এইবোৰ কামত ইউনিয়নৰ লীডাৰবোৰ যুক্ত হৈ আছে । আৰু সেইবাবেই সকলোৱে দেখিও নেদেখাৰ ভাও ধৰি আছিল, জানিও নজনাকৈ আছিল; কাৰণ এই লীডাৰবোৰৰ লগত মন্ত্ৰী-এম-এল-এবোৰৰো ঘনিষ্ঠতা আছে । সেইবাবেই কোনেও এই লীডাৰবোৰৰ বিৰুদ্ধে যাব খোজা নাছিল । আৰু সবেই ঠিকেই কৰিছিল । এইখন দেশত কোননো চোৰ নহয় । গতিকে চোৰে চোৰৰ বিৰুদ্ধে যাব কিয় ? আমি এওঁকহে দেখিলো – ইমান অঁকৰা মানুহোনো পৃথিৱীত আজিকালি থাকেনে ?! জানিবই লাগে যে সিহঁতৰ ফালে সকলো আছে – মেনেজমেণ্ট, পুলিচ, ক'ৰ্ট-কাছাৰী – সকলো । অকলেনো এই আটাইবোৰৰ বিৰুদ্ধে যুঁজিব পাৰিনে ? কিন্তু আমাৰ এওঁ যুঁজিলে, মহান দেশপ্ৰেমিক হৈ দেখুৱালে । নিজকে হিন্দী চিনেমাৰ হিৰ' বুলি ভাবিলে । এতিয়া দেখিলে নহয় নিজ চকুৰে ! পুলিচে ধৰি নিয়া পাছদিনাই লীডাৰটো মুকলি হৈ আহিল । আৰু আমাৰ হিৰ' গৈ চুৱাপাতনিত উফৰি পৰিলগৈ ! এতিয়া চোৰবিলাকেই মূৰ তুলি বুকু ফিন্দাই ঘূৰি ফুৰিছে আৰু সিহঁতক দেখি বাকীবোৰহে লাজত তলমূৰকৈ থাকিবলগীয়া হৈছে ......

গোলাপীয়ে আৰু কি কি কৈ গ'ল, ফুলেশ্বৰৰ কাণত নোসোমাল । সি ইতিমধ্যে নিজৰ চিন্তাত মগ্ন হৈ পৰিছল । কিহৰ পৰানো কি হৈ গ'ল, ফুলেশ্বৰে তলকিবই নোৱাৰিলে । কয়লা চুৰ হোৱাৰ তিনিদিনমান পাছত সি পুনৰ খনিলৈ গৈছিল । তাৰ ভৰিৰ বিষটো প্ৰায় ভাল হৈ আহিছিল আৰু সি তাৰ আগৰ কামলৈ ঘূৰি যোৱাৰ সিদ্ধান্ত লৈছিল । কেপ-লেম্পটো হাতত লৈ 'হাজিৰা-বাবুৰ' ওচৰ পাই তেওঁৰ মুখৰ পৰা সি যিযাৰ কথা শুনিলে, ফুলেশ্বৰে নিজৰ কাণকে বিশ্বাস কৰিব নোৱাৰিলে । তাক হেনো ইতিমধ্যে অন্য এটা খনিলৈ বদলি কৰা হৈছে আৰু এই বদলিৰ আদেশ অনতিবিলম্বে কাৰ্যকৰী কৰা হৈছে । বহুত সময় সি হাজিৰা-বাবুৰ মুখলৈ থৰ হৈ চাই আছিল । পাছত সম্বিৎ ঘূৰাই পোৱা মানুহৰ দৰে সেই ঠাইৰ পৰা আঁতৰি আহি সি কেপ-লেম্পটো যথাস্থানত থৈ দিছিল ।

ইয়াৰ পিছদিনাই সি বিয়েৰ খোৱা শ্ৰমিক নেতাজনক ৰাস্তাত আগৰ দৰে আচৰণ কৰি ঘূৰি ফুৰা দেখিছিল – যেন একোৱেই হোৱা নাছিল ! শ্ৰমিক নেতাজনে সেইদিনা ফুলেশ্বৰক দেখিও যেন দেখা নাছিল ।

দুদিনমান সি ঘৰতে গোমোৰা মাৰি বহি থাকিল । প্ৰথমতে কাৰোবাৰ ওপৰত তাৰ প্ৰচণ্ড খং উঠিছিল । কিন্তু লাহে লাহে খং মাৰ যোৱাত তাৰ এনেকুৱা লাগিবলৈ ধৰিলে যেন সি খুব অসহায় আৰু নিৰাপত্তাবিহীন ।

এদিন পলায়াই আহি তাক ক'লেহি ঃ

– আমি তোক এইখন কলিয়েৰীতে ৰাখিবৰ বাবে খুব চেষ্টা কৰিছিলো । তোক ইয়াৰ পৰা টেৰেন্সফাৰ (ট্ৰান্সফাৰ) কৰাৰ আচল কাৰণটো কি – সেইটো সকলোৱেই জানে । আৰু মস্কিলো হ'ল সেইখিনিতে । কাৰণ ইউনিয়নেই তোৰ টেৰেন্সফাৰ হোৱাটো বিচাৰিছে । আমাৰ বৰুৱা চাহাবেও তোক ইয়াতে ৰখাৰ বাবে চেষ্টা কৰিছিল । কিন্তু তেৰেঁইবা অকলে কিটো কৰিব ? তদুপৰি অফিচাৰ হৈ এইবোৰ কামত হকা-বধা কৰিলেও বেয়া দেখি ......

ফুলেশ্বৰে কেৱল শুনি গ'ল; একো নামাতিলে । তাৰ মাজত কোনো ধৰণৰ প্ৰতিক্ৰিয়া নেদেখিয়েই হয়তো পলায়াও এটা সময়ত নিজেই চুপ হৈ পৰিল । অৱশ্যে সিয়েই পুনৰ মুখ খুলিলে; ক'লে ঃ

– জান, ৱাটাৰ ফিল্টাৰ পেলেণ্টৰ (ৱাটাৰ ফিল্‌ট্ৰেশ্বন প্লাণ্ট) ওচৰত মতা মানুহৰ লাচ এটা পোৱা গৈছে । লাচটো হেনো কোনেও চিনি পোৱা নাই । সেই কাৰণে পুলিচে কৈছে যে মানুহটো হয়তো ইয়াৰ নাছিল । ইফালে ইয়াত নতুন ধৰণৰ ইউনিয়ন বনাবলৈ অহা দধীচি বোলা মানুহটোও কেইদিনমানৰ পৰা নোহোৱা হ'ল । মোৰ কিন্তু সন্দেহ হৈছে যে লাচটো হয়তো তাৰেই ।

শেষৰ কথাষাৰ শুনি ফুলেশ্বৰে চকিতে পলায়ালৈ মূৰ তুলি চালে । তাৰ মনটো হঠাতে বিষাদেৰে ভৰি পৰিল । দধীচিক 'আঁতৰ' কৰিব বুলি জানিও সি একো কৰিব নোৱাৰিলে । অৱশ্যে দধীচি এইদৰে 'আঁতৰ' হ'ব বুলি সি সপোনতো ভবা নাছিল ।

ফুলেশ্বৰে তাক বদলি কৰা খনিটোলৈ যাবলৈ ওলোৱাৰ দিনাও পলায়া তাৰ ওচৰলৈ আহিল । কোনো ভূমিকা নকৰাকৈ সি ক'লে ঃ

– তই যা, কিন্তু নিজকে অকলশৰীয়া বুলি তই কাহানিও নাভাবিবি । আমি নিজেই কিবা এটা কৰিব লাগিল । এইবোৰ দেখি-শুনিও আৰু আটাইবোৰ এনেকৈ চলি থাকিবলৈ দিব নোৱাৰি । দধীচিয়ে যিবোৰ কাম কৰি যাব নোৱাৰিলে, সেইবোৰ কাম আমিয়েই কৰিব লাগিব আমি এতিয়া নিজেই দধীচিয়ে কল্পনা কৰাৰ দৰে এটা ইউনিয়ন বনোৱাৰ কথা ভাবিছো । তাৰ কাৰণে তোৰ পৰা আমি সহায় পাম নিশ্চয় ।

পলায়াই তাৰ সোঁহাতখন ফুলেশ্বৰৰ ফালে আগবঢ়াই দিলে । ফুলেশ্বৰে ক'ব নোৱৰাকৈয়ে তাৰ সোঁহাতখনো পলায়াৰ ফালে আপোনা-আপুনি আগবাঢ়ি গ'ল । ■



বাৰে বৰণীয়া ফুলেৰে পাতোঁ
আদৰৰ ফুলনিবাৰী,
মিলি জুলি সবে গঢ়োঁ ভাৰতক
জাকত জিলিকা কৰি ॥
বিবিধ পখীৰ মধু কাকলিয়ে
আমাক দিয়ে জগাই,
ধমনীতো শুনো অনেক পখীয়ে
একে সুৰে গীত গায় ॥
সেই সুৰতেই জাগে মোৰ দেশ
জননীৰ ৰূপ ধৰি ॥
কাবেৰী গংগা লুইতৰ পানী
একে সাগৰলৈ বয়,
ভিন্ন ভাষাৰ গীতে গীতে বাজে
একে সুৰ সমলয়,
সেই সুৰে সুৰে মনে প্ৰাণে আজি
চেনেহৰ এনাজৰী ॥
বিধে বিধে আমি ৰুই যাওঁ ফুল,
এখনি ফুলনি পাতি,
বিধে বিধে আমি গাই যাওঁ গীত
একতাৰ মন্ত্ৰ মাতি,
সকলোৰে আহাঁ আগবাঢ়ি যাওঁ
আমি হাতে হাতে ধৰি ॥



"পদ মানুহে কামৰ নিমিত্তে
লয়, কিন্তু কাম কৰিব
নোৱাৰিলে পদৰ মূল্য
কি ?

জনসংযোগ

# ব্যক্তিৰ মনৰ স্বাধীনতা, মাৰ্ক্সবাদ আৰু লৰেন্স

কুমুদ বৰুৱা

যি পূৰ্ণতাৰ অভিমুখে গতিহীন বেগেৰে
মই যাত্ৰা কৰিছোঁ
সেই বাঞ্ছিত নৰ-জন্ম মোৰ পৰিবৃদ্ধি নে
পৰিবৰ্তন ?
কাক মই গ্ৰহণ কৰিম ?
ৰত্নৰ অম্লান দ্যুতি নে শস্যৰ চিৰন্তন
নশ্বৰতা ?
সৃষ্টি নে নিৰ্মাণ – কাক মই ভোট
দিম ?

(**শ্ৰীনৱকান্ত বৰুৱা,** *'ৰত্নাকৰৰ দুঃস্বপ্ন'*)

প্ৰকৃতিৰ দৰেই সমাজ বিকাশ প্ৰক্ৰিয়াটো বস্তুনিষ্ঠ নিয়মৰ অধীন। কিন্তু প্ৰকৃতিৰ (Nature) দৰে সমাজৰ (Society) বিকাশ নিজে নিজে নহয়। সমাজৰ বিকাশ হ'ল সামাজিক মানুহৰ বিশেষ বিশেষ কৰ্মৰ ফল। কাৰ্ল মাৰ্ক্সে কৈছিল (ঠিক এঁকেধৰণেই) ইতিহাসৰ (History) বিকাশো কিছুমান বিশিষ্ট নিয়মৰ অধীন। ইতিহাসে নিজে একো নকৰে। ইতিহাসে নিজাববীয়াকৈ সামাজিক মানুহকো নিজৰ লক্ষ্য পূৰণৰ আহিলা হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে। ইয়াৰ বিপৰীতে নিজ উদ্দেশ্য পূৰণৰ অৰ্থে মানুহৰ বিশেষ বিশেষ সামাজিক কামকাজেই ইতিহাস নিৰ্মাণ কৰে।

তথাপিতো কিন্তু এই আলোচনাৰ আৰম্ভণিতেই পাঠকে মনত ৰখা ভাল হ'ব যে, যদিও – "The sum of bourgeois wills produces history, but it is not the history any one bourgeois willed. His efforts for one thing— his attempts at profit produce loss, at plenty poverty, at peace war. As his culture collapses, all his efforts to shore it up hasten that collapse. He finds himself unfree after all, although he is 'in control' of social forces" (CHRISTOPHER CAUDWELL, 'Further Studies in a Dying Culture', P. 114)। ভাবাৰ্থ ঃ 'বুৰ্জ্জোৱাই নিজ ইচ্ছাশক্তিৰ বলত ইতিহাসৰ নিৰ্মাণৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হ'লেও, কোনো বুৰ্জ্জোৱাই নিজৰ ভাবাদৰ্শগত কল্পনা অনুসৰি ইতিহাস নিৰ্মাণ কৰিবলৈ সক্ষম নহয়। দৰাচলতে বুৰ্জ্জোৱাৰ এনে ইচ্ছাশক্তিৰ দৃঢ়তাৰ পিছতো ইতিহাসে অন্যফালেহে গতি লয়। লাভৰ ঠাইত লোকচান, সমৃদ্ধিৰ মাজতো দাৰিদ্ৰ্য আৰু শান্তিৰ পৰিবৰ্তে যুদ্ধৰ বাস্তৱহে পৰিলক্ষিত হয়। এইদৰেই দ্ৰুততৰ গতিৰে বুৰ্জ্জোৱাৰ সংস্কৃতি থানবান হৈ পৰে আৰু মৃত্যুমুখী হয়। ইয়াৰ ফলত, যদিও তেওঁ সমাজক নিজ শক্তি আৰু নিয়ন্ত্ৰণৰ কবলত ৰাখিবলৈ সক্ষম হয়, পৰিশেষত কিন্তু তেওঁ যে মুক্ত বা স্বাধীন নহয়, সেই উপলব্ধিহে বুৰ্জ্জোৱাৰ হয়।'

পুনৰ প্ৰশ্ন উঠিব যে ইতিহাস নিৰ্মাণৰ ক্ষেত্ৰত, নিজ উদ্দেশ্য পূৰণৰ ক্ষেত্ৰত মানুহক পৰিচালিত কৰে কোনে ? বহুতৰে বাবে ইয়াৰ পোনপতীয়া আৰু সহজ উত্তৰ হ'ব – মানুহৰ সামাজিক চেতনাই (Social conciousness)। পুনশ্চ, যি চেতনাই মানুহক ইতিহাস নিৰ্মাণত সহায় কৰে, সেই সামাজিক চেতনা কিহৰ ওপৰত নিৰ্ভৰশীল ? আনৰ বাবে পৃথক হ'লেও, মাৰ্ক্সবাদীৰ বাবে এনে প্ৰশ্নৰ সহজ উত্তৰ হ'ব – 'বস্তুৱেই (Matter) মানুহৰ চেতনা (Conciousness) নিৰ্দ্ধাৰণ কৰে; এই প্ৰক্ৰিয়াত বস্তু সদায়েই মুখ্য (Primary) আৰু চেতনা গৌণ (Secondary)। কিয়নো সমাজ বিকাশৰ কোনো যুগতে উৎপাদনৰ আহিলাৰ অধিকাৰী হোৱা সত্ত্বেও 'সচেতন' আৰু 'স্বাধীন' ভাবে কাম কৰিও, কোনো শাসকেই সমাজ-বিকাশৰ নিয়ন্ত্ৰণ নিজ হাতত ৰাখিবলৈ সক্ষম হোৱা নাই। অৱশ্যে সমাজৰ বিকৃত বিকাশৰ জৰিয়তে সমাজৰ ভাগ্য (Fate) নিৰ্ণয় কৰাত তেওঁলোকৰ 'স্বাধীন' উদ্দেশ্য সফল হয়।

চেতনাৰ নিৰ্ভৰশীলতাৰ প্ৰসংগত, বস্তুবাদী দৃষ্টিভংগীৰে তেনে প্ৰশ্নৰ সদুত্তৰ প্ৰকৃত প্ৰগতিবাদীৰ শিবিৰত ব্যাপকভাবে স্বীকৃত আৰু সমাদৃত যদিও, বহুতো বুৰ্জ্জোৱা বুদ্ধিজীৱীয়ে, আনকি কলা-সংস্কৃতিৰ জগতখনৰ নিষ্ঠাবান 'নিৰপেক্ষ' বুদ্ধিজীৱীয়েও অচেতনভাবে হ'লেও (unconciously), আজিও তেনে বৈজ্ঞানিক যুক্তিবাদৰ বিৰুদ্ধে আঙুলি টোঁৱাবলৈ এৰা নাই। তেওঁলোক সকলোৱে ক'ব খোজে যে মানুহৰ চেতনাৰ সম্পৰ্কত এনেধৰণৰ বৈজ্ঞানিক আত্মপ্ৰত্যয় ইমান সহজ আৰু পোনপতীয়া নহয়। ভাববাদৰ প্ৰাচীনতম সমৰ্থক চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটল্ আদিৰ দিনৰে পৰা প্ৰচলিত আৰু কলা-সংস্কৃতিৰ ইতিহাসত দ্বিধাহীনভাবে স্বীকৃতি লাভ কৰি অহা, মানুহৰ মনৰ এই বিশেষ বৈশিষ্ট্যকেই, ব্যক্তিৰ চেতনাৰ স্বাধীনতাত বিশ্বাস কৰা সকলো বুদ্ধিজীৱীয়েই, আজিও, পৰিবৰ্তনশীল সমাজ-জীৱনৰ স্থায়ী অথবা অপৰিবৰ্তনীয় সম্পত্তি বুলি ভাবে (ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ *'কাব্য আৰু অভিব্যঞ্জনা'* গ্ৰন্থ দ্ৰষ্টব্য, পৃঃ ১১৪-১২৪)।

কিন্তু বিৰুদ্ধবাদী সকলৰ বাবে দুৰ্ভাগ্যজনক কথা এইটোৱেই যে স্বয়ং মাৰ্ক্সেও কেতিয়াও, বস্তু আৰু চেতনাৰ নিৰ্দ্দিষ্ট দ্বান্দ্বিক সম্পৰ্কত, বস্তুক মুখ্য আৰু চেতনাক গৌণ বোলোতে, সেই নিৰ্দ্দিষ্ট সম্পৰ্কৰ পৃথক বাস্তৱক 'সহজ'ভাবে ব্যাখ্যা কৰিয়েই ক্ষান্ত থকা নাই। মাৰ্ক্সৰ গভীৰ জ্ঞান আৰু অন্তৰ্দৃষ্টিৰ ব্যাখ্যা আমি ঐতিহাসিক বস্তুবাদৰ বিজ্ঞানসম্মত আলোচনাত পাওঁ। ঐতিহাসিক বস্তুবাদৰ চৰ্চাত তাৰ গুৰুত্বপূৰ্ণ ব্যাখ্যা মনকৰিবলগীয়া ঃ "This means that social ideas and theories are to an extent independent of society's economic basis, that they have a certain amount of independence, which, in Marxist terminology, is known as relative independence of ideology. Historical materialism in no way identifies the process taking place in society's ideological developments with those occuring in economic development. The sphere of the history of ideas has its specific laws, its inner logic' (**Historical Materialism,** Basic Problems, P. 272)। ইয়াত মাৰ্ক্সৰ লুকঢাক কৰিবলৈ একো নাই। অৰ্থাৎ ঐতিহাসিক বস্তুবাদে সমাজৰ ভাবাদৰ্শগত বিকাশ আৰু অৰ্থনৈতিক বিকাশ প্ৰক্ৰিয়াক কেতিয়াও একে বুলি নেভাবে। সমাজৰ বিবৰ্তনত ভাবাদৰ্শগত ইতিহাসৰ বিকাশ নিজস্ব লজিক আৰু নিৰ্দ্দিষ্ট নিয়মত হয় বুলি ঐতিহাসিক বস্তুবাদেও মানি লয়। যুক্তিবাদৰ অকাট্য ভেটিৰ ওপৰত প্ৰতিষ্ঠিত হ'লে বৈজ্ঞানিক ধ্যান-ধাৰণাৰ ওপৰত মাৰ্ক্সবাদীয়েও সেয়েহে একচেটিয়া কৰ্তৃত্ব (authority) দাবী নকৰে। ভাবাদৰ্শৰ প্ৰশ্নত কোনটো প্ৰতিক্ৰিয়াশীল আৰু কোনটো প্ৰগতিশীল, তাকহে মাৰ্ক্সবাদে বৈজ্ঞানিক যুক্তিতৰ্কেৰে প্ৰতিষ্ঠিত কৰিব বিচাৰে। তাত ৰায়দান জনগণৰ ইচ্ছা-অনিচ্ছাৰ ওপৰতহে নিৰ্ভৰশীল। অৱশ্যে মাৰ্ক্সবাদী বিপ্লৱীয়ে প্ৰগতিশীলতাৰ মানৱীয় স্বাৰ্থত, জনগণৰ ভ্ৰান্তি দূৰ কৰি প্ৰকৃত, নিৰ্ভুল ভাবাদৰ্শৰ শিক্ষা দিয়াত গুৰুত্ব আৰোপ কৰে।

ওপৰৰ ব্যাখ্যাৰ পৰা সেয়েহে আমি এইটো বুজিব নেলাগিব যে মাৰ্ক্সবাদে চেতনাৰ প্ৰাথমিকতাও স্বীকাৰ কৰে। মানুহৰ চেতনা সদায়েই গৌণ, বস্তুৱেই সদায় মুখ্য। মাৰ্ক্সবাদৰ মতে "ভাবাদৰ্শ"ৰ আপেক্ষিক স্বাধীনতাৰ (Relative independence of ideology) অৰ্থ মানুহৰ "চেতনা"ৰ আপেক্ষিক স্বাধীনতা নহয়। দাৰ্শনিকভাবে, মাৰ্ক্সবাদৰ মতে মানুহৰ চেতনাৰ (conciousness) কোনো স্বতন্ত্ৰ অস্তিত্ব সম্ভৱ নহয়। মাৰ্ক্সবাদী ভাষ্যত মানুহৰ সামাজিক চেতনাৰ বিকাশ প্ৰক্ৰিয়াত ভাবাদৰ্শৰ (Ideology) যি আপেক্ষিক স্বাধীনতাৰ অৰ্থ সংগত কৰা হয়, তাৰ অৰ্থ চেতনাক কিছু স্বাধীনতা প্ৰদান কৰিবলৈ কৰা নহয়। দৰাচলতে "ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা" মানুহ আৰু বস্তুজগতৰ অধীন চেতনাৰ বৈচিত্ৰ্যৰ বিশেষ বৈশিষ্ট্যহে (Specific feature of conciousness)। এইটো মাৰ্ক্সীয় ঐতিহাসিক বস্তুবাদী দৰ্শনৰ এটা মৌলিক সমস্যা। এনে দাৰ্শনিক ব্যাখ্যাৰ লগত ইতিহাস ব্যাখ্যাৰ বিশিষ্ট সম্পৰ্ক নুবুজিলে, "চেতনা"ৰ স্বতন্ত্ৰ অস্তিত্ব বা আপেক্ষিক স্বাধীনতাৰ ভ্ৰম হোৱাই স্বাভাৱিক। এনে মৌলিক সমস্যা বুজাত প্ৰকৃত মাৰ্ক্সবাদীৰ কেতিয়াও দৃষ্টি-বিভ্ৰম ঘটিব নোৱাৰে। কিন্তু সমস্যাটো সমাধানৰ প্ৰশ্নতহে বিষয়টো চিন্তনীয় আৰু সি আজিও ঐতিহাসিক বস্তুবাদৰ এটা প্ৰধান সমস্যা হৈ আছে যেনেই ধাৰণা হয়। সমগ্ৰ বিশ্বতে মাৰ্ক্সবাদ তথা বৈজ্ঞানিক যুক্তিবাদ অভাৱনীয় বিপৰ্যয়ৰ সন্মুখীন হোৱালৈ চাই এনে আশংকা গুৰুতৰ ধৰণৰেই।

মাৰ্ক্সবাদী বস্তুবাদী দৃষ্টিকোণৰ পৰাই বিষয়টো বিচাৰ কৰিব পৰা যায়। দাৰ্শনিক ভাবে যি দ্বন্দ্বমূলক বস্তুবাদত (Dialectical Materialism) প্ৰগতিবাদী সকলে বিশ্বাস ৰাখে, তাৰ ভিত্তিয়েই হ'ল বৈজ্ঞানিক যুক্তিবাদ। দ্বন্দ্বমূলক বস্তুবাদ মতে মানুহৰ 'চেতনা'ৰ কোনো ধৰণৰ 'স্বতন্ত্ৰতা' (independence) নাই। মাৰ্ক্সবাদীসকলৰ মূল ধাৰণাটোৰ পৰাই তেওঁলোকৰ এনে বৈজ্ঞানিক আত্মপ্ৰত্যয়ৰ ভিত্তি বুজিব পাৰি। এই দৰ্শনত বস্তুৱেই মুখ্য (Primary), বস্তুৱেই প্ৰধান; কাৰণ, বস্তুয়েই সংবেদন, ভাবনা, চেতনা আৰু উপলব্ধি আদিৰ মূল। কিয়নো মানুহো প্ৰথমতে বস্তুসম্ভূতহে, সেয়ে তাৰ দেহৰ অংগত বিকশিত চেতনা হ'ল গৌণ (secondary) আৰু এই অৰ্থতেই বস্তুৰ উচ্চতম বিকশিত ৰূপতহে মানুহৰ চেতনা সম্ভৱ হয়। মানুহৰ চেতনা আৰু বস্তুৰ মাজৰ সম্পৰ্কৰ প্ৰসংগত সেয়ে কাৰ্ল মাৰ্ক্সে দৃঢ়তাৰে ঘোষণা কৰিছিল যে – যি বস্তুৱে চিন্তা কৰে, চিন্তাক (অথবা চেতনাক) তাৰ পৰা বিচ্ছিন্নভাবে চোৱাটো সম্ভৱ নহয় ('It is impossible to separate thought from matter that thinks. Matter is the subject of all changes.' — **KARL MARX**, as quoted by Stalin in an article entitled, "Dialectical and Historical Materialism" Pamphlet, P. 13)। সেয়ে মাৰ্ক্সীয় দ্বন্দ্বমূলক বস্তুবাদে বিশ্বাস কৰে যে বস্তু যেতিয়া তাৰ বিকাশৰ সুউচ্চ স্তৰলৈ অৰ্থাৎ মস্তিষ্কৰ স্তৰলৈ উন্নীত হয়, তেতিয়া তাৰ ফলস্বৰূপে চিন্তা সম্ভৱ হয়। সেই বস্তুগত মস্তিষ্ক কোষেই চিন্তা শক্তিৰ উৎস। সেই কাৰণেই চিন্তাশক্তিক অথবা চেতনাক বস্তুৰ পৰা পৃথক কৰিব নোৱাৰি। তেনে কৰিলেই মাৰাত্মক ভুল কৰা হ'ব ('---that thought is a product of matter which in its development has reached a high degree of perfection, namely, of the brain and the brain is the organ of thought; and that therefore one cannot separate thought from matter without committing a grave error'— Ibid, P. 12.)। মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱে'লে এই দিশত পানী নসৰকা বৈজ্ঞানিক দৃষ্টিকোণ খাড়া কৰিছে (**CHRISTOPHER CAUDWELL**, 'Further Studies In A Dying Culture' PP 112-153)।

কিন্তু সম্প্ৰতি, আধুনিক যুগত, সমাজ বিকাশৰ জটিলতা তথা বিশেষভাবে তাৰ অৱশ্যম্ভাৱিতাই, ভাবাদৰ্শ (Ideology) আৰু সামাজিক মনস্তত্বৰ (Social Psychology) স্থিতাৱস্থাবাদী অন্তৰ্বিৰোধ (inconsistencies) তথা নৈৰাজ্যই (anarchy), মাৰ্ক্সবাদৰ এনে অপ্ৰতিদ্বন্দ্বী যুক্তিৰ আধাৰ ৰূপে চিহ্নিত 'ECONOMIC DETERMINISM'কেই মানুহৰ চেতনাৰ একমাত্ৰ নিৰ্ণায়ক ভিত্তি নহয় বুলি যি ধৰণৰ 'যুক্তিবাদ'ত (?) প্ৰবৃত্ত হৈ কিছুমান বিভ্ৰান্তিৰ (Illusion) সৃষ্টি কৰিছে, তালৈ লক্ষ্য কৰিলে, সহজেই প্ৰতীয়মান হ'ব যে, তেনে বিৰুদ্ধবাদী বুদ্ধিজীৱীৰ দৃষ্টিত "চেতনা"ৰ আপেক্ষিক স্বাধীনতা আৰু "ভাবাদৰ্শ"ৰ আপেক্ষিক স্বাধীনতা যেন একেই কথা। প্ৰসিদ্ধ অসমীয়া মাৰ্ক্সবাদী বুদ্ধিজীৱী ডঃ হীৰণ গোহাঁইদেৱে তাহানিতেই এনেকুৱা ভ্ৰান্তিৰ অৱকাশৰ বিৰুদ্ধে আমাক সাৱধান বাণী শুনাই গৈছে (ডঃ হীৰেণ গোহাঁই, 'সাহিত্য আৰু চেতনা' গ্ৰন্থ দ্ৰষ্টব্য, পৃঃ ৭২-৭৪)। মাৰ্ক্সৰ অন্তৰ্দৃষ্টি অনুধাৱন কৰাত বিফল এই বুদ্ধিজীৱী সকলে ভুলক্ৰমে কেতিয়াবা মাৰ্ক্সৰেই অসংলগ্ন উক্তি ধাৰ কৰি হয়তো নিজৰ ভাবাদৰ্শগত (Ideological) ধাৰণা প্ৰতিপাদন কৰিবলৈ বিচাৰিব। মাৰ্ক্সবাদীয়ে প্ৰয়োজন হ'লে অধ্যৱসায়ী অনুসন্ধিৎসাৰ জৰিয়তে হ'লেও মনৰ

তেনে ভ্ৰান্তি দূৰ কৰিব লাগিব। বৈজ্ঞানিক যুক্তিবাদৰ কোনো বিকল্প যুক্তিবাদ নাই। মানি লোৱা নোলোৱা সুকীয়া কথা। সমাজ বিকাশ মাৰ্ক্সবাদ মতে নোহোৱাটো ইয়াত সুকীয়া কথা; তাৰ বিচাৰো সুকীয়া পৰ্যায়ত সম্ভৱ। এনে অভিযোগত এইবাবেই গুৰুত্ব দিয়া হৈছে যে ভাবাদৰ্শগত কথাটো চেতনাৰ লগত সম্পৰ্কযুক্ত হ'লেও, দাৰ্শনিক মত প্ৰকাশ কৰিবলৈ, "ভাবাদৰ্শ"ক "চেতনা"ৰ সমাৰ্থক কৰাটো মাৰ্ক্সবাদৰ পক্ষেই ক্ষতিকাৰক। এফালৰ পৰা চাবলৈ গ'লে সেয়া মাৰ্ক্সবাদৰ অপব্যাখ্যাও। কিন্তু পাহৰিলে অথবা নুবুজিলেই নচলিব যে মাৰ্ক্সবাদী তত্ত্বমতে যি বুনিয়াদী অৰ্থনৈতিক ভেটিৰ (Production relations) ওপৰত গঢ়ি উঠা উপৰিসৌধৰ (Superstructure) অনিবাৰ্য, বিচিত্ৰ আৰু বিস্তৃত বিকাশে বিৰুদ্ধবাদী বুদ্ধিজীৱীৰ মনত (অথবা ভাবাদৰ্শত) এনে অনাকাংক্ষিত খেলিমেলিৰ সৃষ্টি কৰিছে, তাৰ 'ৰহস্য' এনে নহয় যে তেনে জটিলতা আৰু বিস্তৃতিৰ 'মোহান্ধ' জ্ঞানেই তেওঁলোকৰ "চেতনা"ৰ ধাৰণাক কিছু হ'লেও "প্ৰাথমিকতা" প্ৰদান কৰিব।

সেয়েহে বোধহয় যশস্বী মাৰ্ক্সবাদী সমালোচক ক্ৰিষ্টোফাৰ কডৱে'লে দৃঢ়তাৰে সৈতে ব্যাখ্যা কৰিব পাৰিছিল যে ঃ 'We thus see that free will exists in so far as we are concious of an antecedent motive in our mind, regarded as the immediate caure of action. If this motive, or act of will, is itself free, and not forced, we must also be in turn concious of the antecedent motive that produced it. Free will is not therefore the opposite of causality; it is on the contrary, a special and late aspect of causality, it is the conciousness of causality. That is why man naturally fits all happenings outside him in a causal frame; because he is concious of causality in himself. Otherwise it would be a mystery if man, experiencing only uncausality in free will, should assume, as he does, that all other things are linked by causality ('**Studies in a dying culture**', P. 133)। এনে কাৰণতেই ঐতিহাসিক বস্তুবাদত, তেহেঁলৈ মাৰ্ক্সবাদত, মানুহৰ চেতনাক (conciousness) মানুহৰ ভাবাদৰ্শৰ (Ideology) লগত যুক্ত কৰোতে বিশেষ সাৱধানতা অৱলম্বন কৰা হৈছে। মাৰ্ক্সে, আমি জনাত, ক'তো "চেতনা"ৰ আপেক্ষিক স্বাধীনতাৰ কথা কোৱা নাই। মাৰ্ক্সবাদত ভাবাদৰ্শক বা Ideologyকহে 'Economic basis'ৰ পৰা আপেক্ষিকভাবে স্বাধীনভাৱে বিকশিত হ'ব পৰাৰ সম্ভাৱনীয়তা মানি লোৱা হৈছে। স্বাধীনভাৱে বিকশিত হ'ব পৰাৰ ক্ষমতাই স্বাধীনতা নেকি ? অগভীৰ মাৰ্ক্সবাদীয়েহে তেনেকুৱা ভাববাদৰ জালত পৰিব। প্ৰশ্নটোৰ সদুত্তৰ বিশেষভাবে তাৰ 'cause' আৰু 'effect'ৰ ব্যাখ্যাৰ লগতহে জড়িত। এই একে অৰ্থতে সমাজৰ অৰ্থনৈতিক বিকাশৰ তুলনাত আপেক্ষিকভাবে স্বাধীন ৰূপত বিকশিত সাহিত্য-কলাৰ (অথবা সাংস্কৃতিক দিশৰ) বিশেষ ধৰণৰ বিকাশ প্ৰক্ৰিয়াতো মানুহৰ দাৰ্শনিকভাবে সংগত চেতনাতকৈ (conciousness) মানুহৰ ভাবাদৰ্শৰ (Ideology) প্ৰশ্নটোহে বেছিকৈ জৰিত। ডঃ হীৰেণ গোহাঁইদেৱে তাহানিতেই লিখিছিল (উল্লিখিত 'সাহিত্য আৰু চেতনা' গ্ৰন্থ দ্ৰষ্টব্য) যে প্ৰথম মহাযুদ্ধৰ পিছত অষ্ট্ৰিয়া আৰু জাৰ্মানী যেতিয়া পৰাস্ত, লুণ্ঠিত আৰু অপমানিত, সেই সময়তো কবিতা, নাটক, সংগীত, উপন্যাস, চাৰুকলা সকলো ক্ষেত্ৰতে সেই দুখন দেশত অবিস্মৰণীয় প্ৰতিভাৰ স্ফুৰণ দেখা গৈছিল। অৰ্থনৈতিক অৱনতি আৰু সামাজিক অধঃপতন সত্ত্বেও কলা-সাহিত্যৰ ক্ষেত্ৰত সেইবোৰ দেশত সাফল্য দেখা গৈছিল। তেখেতে প্ৰশ্ন কৰিছিল – তাৰ অৰ্থ এয়ে নেকি যে সাংস্কৃতিক বিকাশ সম্পূৰ্ণ নিৰালম্ব আৰু স্বাধীন ? তাৰ ফল্গুধাৰাৰ লগত নৈসৰ্গিক কাৰ্যকাৰণৰ কোনো সম্পৰ্ক নাই নেকি ? এইবিলাক সাফল্য মানুহৰ মনৰ স্বাধীনতাৰেই প্ৰকাশ নেকি ? তেখেতে শেষত মন্তব্য কৰিছিল যে ভাববাদীৰ বাবেহে এনে ধাৰণা বৰ আৰামদায়ক। আমিও ক'ব খোজোঁ যে – বুজাই বুজিব, দাৰ্শনিক বৈজ্ঞানিক কাৰণতে, স্বাধীনতাৰ (Liberty) এনে ঘটনা অৰ্থাৎ বিকাশ (development) চেতনাৰ স্বতন্ত্ৰতাৰ প্ৰকাশ নহয়। প্ৰকৃত পক্ষে বিকাশৰ এনে সম্ভাৱনীয়তা ব্যক্তিৰ স্বনিয়োজিত (Self-determined) মোহান্ধ 'ভাবাদৰ্শ'ৰ (Ideology) লগতহে জৰিত। এনে সম্ভাৱনীয়তাৰ বাবে বৈজ্ঞানিক যুক্তিবাদে আমাক এইটো নিশিকাই যে মানুহৰ চেতনা স্বাধীন আৰু নিৰালম্ব। ভাবাদৰ্শজনিত কাৰণতেই, এনে ঘটনা দৰাচলতে বিকাশৰ বিশেষ ঐতিহাসিক পটভূমিত, কিছুমান মানুহৰ সক্ৰিয় চেতনাত আৰু তাৰ প্ৰধান অৱলম্বন ৰূপত বস্তুজগতৰেই অনিবাৰ্য প্ৰতিফলন। ভাবাদৰ্শগত কাৰণতেই, ই চেতনা আৰু বস্তুৰ কাৰ্যকৰণৰ বাহিৰৰ স্বাধীনতাহে (conciousness of an antecedent motive in mind)। 'প্ৰতিকূল অৱস্থাতো সাফল্যৰ স্বাদ' – এই আৱিষ্কাৰে স্বাধীনতাৰ ভ্ৰম সৃষ্টি কৰাটো স্বাভাৱিক – সেই 'ৰহস্য' গৌণ চেতনাৰ বৈচিত্ৰ্যৰ বৈশিষ্ট্যহে – যাৰ অন্যতম অভিব্যক্তি হ'ল "ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতা", যিটো দৰাচলতে – An abstraction from reality ৰ বাহিৰে আন একো নহয়।

কোৱা বাহুল্য হ'ব যে, মাৰ্ক্সবাদত ভাবাদৰ্শৰ আপেক্ষিক স্বাধীনতাৰ যি ব্যাখ্যা দিয়া হৈছে, আমি ভাবো, সকলো সুস্থ প্ৰগতিশীল বুদ্ধিজীৱীয়েই তাৰ সমাজতান্ত্ৰিক ব্যাখ্যাত তথাং সৰলীকৰণৰ (Simplification) প্ৰতি বিশেষ সাৱধানতা অৱলম্বন কৰিব। অন্যথা "ভাবাদৰ্শ"ৰ ঠাইত "চেতনা"ৰ আপেক্ষিক স্বাধীনতাৰ ধাৰণা লোৱা ভাববাদীয়ে উপৰিসৌধৰ জটিলতা, বিচিত্ৰতা আৰু নানাবিধ নৈৰাজ্যৰ গইনা লৈ, মানুহৰ চেতনাকেই মুখ্য, স্বাধীন আৰু নিৰালম্ব বুলি প্ৰচাৰ চলাই সকলো ৰাজনীতি-সংস্কৃতিকেই মানুহৰ স্বাধীন মনৰ (বিষয়টো প্ৰকৃতাৰ্থত ব্যক্তিৰ সুৰক্ষিত মনস্তত্ত্বৰ বা ভাবাদৰ্শৰহে, ধাৰণাটো ইংগিত কৰি থোৱা হ'ল।) স্বয়ংসম্পূৰ্ণ "লীলা" বুলি ক'বলৈকো পিছ নোহোঁহকিব। প্ৰসংগতে বাহুল্য নকৰি আৰু এষাৰ কথা কৈ থোৱা ভাল হ'ব যে ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত স্বাধীনতা (Liberty) আৰু নৈৰাজ্যৰ (Anarchy) সুকীয়া অস্তিত্ব কল্পনাতীত। নৈৰাজ্যৰ ৰাজ্যত কলা-সংস্কৃতিৰ ক্ষেত্ৰত দেখা পোৱা এনে স্বাধীন সাফল্যক যেতিয়া শোষিত জগণয়ো স্বীকৃতি দিয়ে, আমি বুজিব লাগিব যে প্ৰতিক্ৰিয়াশীল ভাবাদৰ্শগত (ideological) শক্তিও তেনে সমাজত এটা বস্তুগত শক্তিলৈ (Material force) ৰূপান্তৰিত হৈছে। মাৰ্ক্সে এই ভাবাদৰ্শগত সক্ৰিয় ভূমিকাৰ (the active role played by ideas) এৰাব নোৱৰা প্ৰভাৱৰ কথা উপলব্ধি কৰিছিল আৰু সেয়ে তাৰ গুৰুত্বও স্বীকাৰ কৰি গৈছে। এনে কাৰণতে এই ভাবাদৰ্শৰ বিপৰীত প্ৰগতিশীল ভাবাদৰ্শৰ (Progressive ideology) বাস্তৱ, এক সম্ভৱপৰ কাৰ্য বুলিও তেওঁ বুজি পাইছিল আৰু জনসাধাৰণৰ মাজত সেয়ে বিকল্পৰূপত বৈপ্লৱিক ভাবাদৰ্শৰ নিৰ্ভুল কাৰ্যব্যৱস্থাৰ ওপৰত জোৰ দিছিল। তাৰ বাবে শ্ৰমিক-কৃষক শ্ৰেণীৰ নেতৃত্বত হ'ব লগা শ্ৰেণীসংগ্ৰামৰ বাবে কিন্তু প্ৰথম অৱস্থাত, তেওঁ ব্যক্তিৰ সুৰক্ষিত মনস্তত্বৰ অধিকাৰী, শিক্ষিত মধ্যবিত্ত বুদ্ধিজীৱীৰ সমাজৰ বাহিৰত, তেনে শিক্ষা প্ৰচাৰৰ অন্য পথ আৱিষ্কাৰ কৰি যাব নোৱাৰিলে। বিপ্লৱ-পূৰ্বক সমাজব্যৱস্থাত এই সুবিধাবাদী মধ্যশ্ৰেণীৰ ভূমিকাই, আমাৰ ধাৰণাত, অগ্ৰাধিকাৰ লাভ কৰা উচিত। মনৰ স্বাধীনতাৰ ইতিহাসৰ বিকাশৰ এই শিক্ষিত শ্ৰেণীটোৱেই বিশেষ ভূমিকা পালন কৰিছে। মাৰ্ক্সবাদত ন্যায়সংগত কাৰণতেই, সৰ্বহাৰা শ্ৰেণীৰ নেতৃত্বৰ কথা কোৱা হৈছে; আমাৰ এতিয়া ধাৰণা প্ৰবল হ'ব লাগিছে যে যিহেতু বিপ্লৱৰ মন্ত্ৰ মধ্যশ্ৰেণীৰ কবলত, গতিকে সমাজবিকাশৰ শুদ্ধ পথ নিৰ্দেশত বিফল হ'লেও, সমাজৰ ভাগ্য (Fate) নিৰ্ণয় কৰাত এই মধ্যশ্ৰেণীৰ (তেহেঁলৈ শোষক শ্ৰেণীৰ) ভূমিকা একেবাৰেই আওকাণ কৰিব পৰা বিধৰ নহয়।

আজি আমি বোধহয় সকলোৱেই দ্বিধাহীন ভাবে স্বীকাৰ কৰিব লাগিছো যে আমাৰ জড়াগ্ৰস্ত সমাজ-ব্যৱস্থাৰ আশু ৰূপান্তৰ অতিশয় জৰুৰী হৈ উঠিছে। যথাসময়ত ৰূপান্তৰৰ সঠিক মতাদৰ্শ আৰু নিৰ্ভুল পথ বাছি ল'ব নোৱাৰিলে, চূড়ান্ত নৈৰাজ্যৰ কবলত পৰি সমাজ ধ্বংসৰ মুখলৈ অগ্ৰসৰ হ'ব। কিন্তু পৰিবৰ্তিত পৰিস্থিতিৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিব পৰা, নিৰ্ভুল ভাবাদৰ্শৰ 'সুযোগ্য নেতৃত্ব'ৰ অভাৱেই আজি আমাক বেছিকৈ হতাশগ্ৰস্ত কৰি তুলিছে। সমাজত অনিবাৰ্য ন্যায়সংগত কাৰণত সক্ৰিয় প্ৰগতিশীল ভাবাদৰ্শৰ বাস্তৱ লক্ষ্য কৰিলে অৱশ্যে, এনে ধাৰণা বহুতেই শুদ্ধ অভিজ্ঞতাৰ ফল নহয় বুলি ক'লেও, আমাৰ ধাৰণাৰ সংশোধন নহয়। কিয়নো ভাবাদৰ্শৰ অৰাজকতাই এতিয়া আমাৰ দশা। সেয়েহে বাস্তৱ অভিজ্ঞতাৰ ফলতেই প্ৰশ্ন উঠে, মুক্তিকামী জনসাধাৰণৰ পৰিবৰ্তন আকাংক্ষা তথা তাৰ বিফলতাৰ গুৰি ক'ত ? সঁচাই নেতৃত্বৰ অভাৱ নে ?

বাস্তৱ অভিজ্ঞতাই আমাক বাৰুকৈয়ে শিকাইছে যে নিৰ্ভুল ভাবাদৰ্শ আৰু প্ৰগতিশীল বুদ্ধিৰ সক্ৰিয়তা সম্পৰ্কত আমি যিমানেই আস্থা আৰু আত্মপ্ৰত্যয় প্ৰকাশ নকৰো লাগে, আমাৰ যে প্ৰকৃততেই "কিবা এটা"ৰ অভাৱ সেইটো নিশ্চিত আৰু সুস্পষ্ট। প্ৰগতিশীল বুদ্ধি আৰু সমৃদ্ধিৰ মাজতো মানৱ সভ্যতা আজি পতনমুখী নৈৰাজ্যৰ কবলত। মাৰ্ক্সবাদী ভাবাদৰ্শ আৰু যুক্তিবাদৰ জৰিয়তে মানৱ মুক্তিৰ একমাত্ৰ পথ নিষ্কণ্টক নোহোৱাৰ কাৰণ কি ? প্ৰকৃত মানৱমুক্তিৰ বিশ্ববীক্ষা (world outlook) আমাৰ হাততে পোৱাতে আছে। তথাপিতো কিন্তু নিৰ্ভুল ভাবাদৰ্শ আৰু তাৰ সুফল আমি ভোগ কৰিব পৰা নাই। সমাজৰ বৈপ্লৱিক ৰূপান্তৰ তথা মানৱ মুক্তিৰ বাটত অন্তৰায় স্বৰূপে থিয় দিয়া সেই ৰহস্যময়ী 'দানৱীয়' শক্তিৰ ব্যাখ্যা তেতিয়াহ'লে কেনেকৈ সম্ভৱ। প্ৰগতিশীল মানৱৰ জয় যাত্ৰাত কি প্ৰতিক্ৰিয়াশীল শক্তিৰ সক্ৰিয়তাই সদায়ে বাধা প্ৰদান কৰি আহিছে ?

এনে প্ৰশ্নৰ সদুত্তৰ পাবলৈ হ'লে, সম্প্ৰতি আমি এটা "অৱহেলিত" দিশৰ ওপৰতহে অধিক গুৰুত্ব দিয়া উচিত হ'ব। সেইটো হ'ল যথাযোগ্য শিক্ষাৰে শিক্ষিত সমাজৰ মধ্যশ্ৰেণীৰ "সুৰক্ষিত মনস্তত্ব" অথবা তেওঁলোকৰ মনৰ আপেক্ষিক স্বাধীনতাৰ "কালজয়ী" ধাৰণা আৰু জনগণৰ ওপৰত তাৰ সক্ৰিয় প্ৰভাৱ। জনগণৰ ওপৰত ইয়াৰ প্ৰভাৱ ইমানেই গভীৰ আৰু তাৎপৰ্যপূৰ্ণ যে "নতুন গতিশীল ভাবাদৰ্শৰ উজ্জ্বল জ্যোতি"ও তাৰ মৰ্মত প্ৰবেশ কৰিবলৈ নোৱাৰে। অথচ আজি আমি সকলোৱেই আমাৰ আকাংক্ষিত তেনে স্বাধীনতাৰ বন্দীশালতেই বন্দী নহয়নে ? আজি আমি আমাৰ ব্যক্তি স্বাধীনতাৰ অধিকাৰ সাব্যস্ত কৰিছো সঁচা; কিন্তু তাৰ সমান্তৰাল ভাবে আমাৰ ভিন্ন ভিন্ন ভাবাদৰ্শ বা মতাদৰ্শৰ নৈৰাজ্যয়ো শ্ৰেণী নিৰ্বিশেষে আমাক সকলোকে গ্ৰাস কৰি গৈ থকা নাইনে ? এনে পৰিস্থিতিত সেয়ে ভাবিবলৈ বাধ্য হৈছো, দ্বন্দ্বমূলক বস্তুবাদত থকা অমোঘ সত্যৰ (Absolute Truth) প্ৰকৃত তাৎপৰ্য কি ? দেখা যায় অমোঘ সত্যতকৈ আপেক্ষিক সত্যৰ (Relative Truth) প্ৰতিহে আমাৰ আকৰ্ষণ বেছি। আপাত সত্যৰ প্ৰতি আমাৰ এনে আসক্তি বেছি কিয় হয় ? ইয়াৰ পোনপতীয়া উত্তৰ হ'ব এই যে প্ৰবৃত্তিৰ অবাধ স্বাধীনতাত কোনেও বাধা দিয়াটো আমি নিবিচাৰো। অমোঘ সত্য কি, ক'ত আমাৰ মংগলময় জীৱনৰ অংকুৰ লুকাই আছে, কি আদৰ্শ গ্ৰহণ কৰিলে মানৱ জাতিৰ কল্যাণ সম্ভৱ হয় – সেইবোৰ কথা আমাৰ চেতনাত নিশ্চয় প্ৰতিভাত হয়। কিন্তু আমি অমোঘ সত্যৰ জ্ঞান আৰু চেতনাৰে পৰিচালিত হ'বলৈ নিবিচাৰো। আমি আমাৰ মনৰ স্বাধীনতাৰেহে পৰিচালিত হ'বলৈ বিচাৰো। আপাত সত্যৰ প্ৰতি আনুগত্যই আমাৰ চাৰিত্ৰিক বৈশিষ্ট্য। আমি বুজি পাওঁ, আমাৰো চেতনা হয় যে, আপেক্ষিক সত্যৰ প্ৰতি এনে আনুগত্যই আমাৰ ঐতিহাসিক ভাবে লব্ধ জ্ঞানৰ সীমাবদ্ধতাহে উদঙাই দেখুৱায়। আমি এইটোও বুজি পাওঁ যে অমোঘ সত্যৰ প্ৰতি নিবিড় আস্থাইহে আমাৰ আপাত সত্যৰ জ্ঞান সুনিৰ্দিষ্ট, পৰিপূৰ্ণ আৰু নিখুঁত কৰিব। তথাপিতো মনৰ স্বাধীনতাই আমাৰ সবাতোকৈ প্ৰিয় ('ৰত্নৰ অম্লান দ্যুতি' অথবা 'শস্যৰ চিৰন্তন নশ্বৰতা' ?)। ইয়াৰ পৰা স্পষ্টভাবে ধাৰণা কৰিব পাৰি যে "বস্তুৰ অধীন সক্ৰিয় চৰিত্ৰৰ চেতনা" নহয়; ভাবাদৰ্শগত কাৰণত, নৈৰাজ্য আৰু মানৱ মুক্তিৰ বিফলতাৰ সমস্যাটো ব্যক্তিৰ "সুৰক্ষিত মনস্তত্ব" অথবা ব্যক্তিৰ "মনৰ স্বাধীনতা"ৰ লগতহে জৰিত। সেয়ে ব্যক্তিৰ সুৰক্ষিত মনস্তত্ব অথবা ব্যক্তিৰ মনৰ স্বাধীনতাৰ বিজ্ঞানসন্মত ব্যাখ্যাইহে সমস্যাটো বুজাত আমাক বিশেষভাবে সহায় কৰিব পাৰিব। বিভিন্ন দিশৰ পৰা কৰা তেনে আলোচনাইহে মানৱ মুক্তিৰ প্ৰকৃত অন্তৰায়ৰ স্বৰূপ উম্ঘাটন কৰাত আমাক সহায়তা কৰিব পাৰিব।

*(আগলৈ)*

## "বন-বননি, গছ-বিৰিখ সংৰক্ষণ কৰক"

মানৱ সমাজৰ প্ৰগতিৰ বাবে
উত্তৰ পুৰুষৰ নিৰাপত্তাৰ বাবে
বন-বননি প্ৰকৃতিৰ অমূল্য সম্পদ ।
বন-বননি, গছ-বিৰিখ সংৰক্ষণ কৰা মানেই
মানৱ সমাজ, জীৱজগত আৰু
প্ৰকৃতিৰ ৰক্ষণা বেক্ষণ কৰা ।
সেউজী সম্পদ বৈজ্ঞানিক পদ্ধতিৰে ব্যৱহাৰ কৰি
মানৱ সমাজ সভ্যতা আৰু
সংস্কৃতিক জীয়াই ৰাখক ।

এজাক বৰষুণৰ পানীতেই পাহাৰৰ মাটি খহি নানান বিপৰ্যয়ৰ সৃষ্টি কৰাটো আপুনি বাৰু বন্ধ কৰিব নিবিচাৰেনে ? যদি বিচাৰে আপোনাৰ এনেয়ে পৰি থকা মাটিখিনিত গছ ৰোৱক ।

প্ৰতিবছৰে হৈ থকা বানপানীৰ প্ৰধান কাৰণ বাৰু কি হ'ব পাৰে ? নদীৰ উন্মুক্ত অৱবাহিকা অঞ্চলেই নহয়নে ? গছ ৰুই এই অৱবাহিকা অঞ্চলৰ পানী ধাৰণৰ ক্ষমতা বঢ়াওক আৰু বানপানীৰ প্ৰকোপ কমোৱাত সহায় কৰক ।

বনভূমিক কাঠ যোগানৰ উৎস হিচাপে নধৰি পাৰিপাৰ্শ্বিকতা ৰক্ষাৰ আহিলা হিচাপে গণ্য কৰক । মনত ৰাখিব গছ থাকিলেহে মানুহ থাকিব । সময়ৰ আহ্বানৰ লগত সুৰ মিলাই নিজৰ তথা দহৰ ও এখন দেশৰ সৰ্বতো প্ৰকাৰ মঙ্গলৰ বাবে প্ৰত্যেক পৰিয়ালৰ প্ৰতি ব্যক্তিয়ে এজোপাকৈ বৃক্ষ ৰোপণ কৰক ।

**মুখ্য বনসংৰক্ষক (প্ৰশাসন) অসম,**

গুৱাহাটী--৬


গল্প

# নেহেৰায়-একো

মদন শৰ্মা



কিমান দিন ঘৰ কৰিলি চম্পাৰ লগত ?

পূৰা তিনিবছৰ । বৰ সুখত আছিলো অ' । অকণো আমনি নাই; ওজৰ-আপত্তি নাই । সঁচাকৈ চম্পা বেলেগ আছিল অ । অৱশ্যে মই তেতিয়া তেনেই চেঙেলীয়া –

এতিয়া হবলা বুঢ়া হ'লি ?

তাহানিৰ হিচাপত বুঢ়াই দেচোন । বাওঁফালৰ এই ভগা দাঁতটো দেখিছ ? চম্পাৰ বাবেই – গোগা মহেশ্বৰৰ লগত লাগোতে । আৰু এয়া চুলিত চুণ লাগিলেই নহয় –

হাঃ হাঃ । তোৰো যে কথা ! চম্পাক এৰি কি কৰিলি ? মইতো তেতিয়া মনোহাৰী মাল বেচি খাম বুলি বুঢ়াৰ লগত কাজিয়া কৰি গুৱাহাটীত আছিলোঁগে । এমাহৰ পিছতে মালৈ মনত পৰিলত ঘৰৰ ল'ৰা ঘৰ ওলালোহি ।

মাৰৈলৈ মনত পৰিছিলনে – কালৈ – লুকাইছ কৈলৈ ? অ শুন । চম্পাৰ পিছত মমতা । মুঠেই এমাহদিন পাৰ কৰিব পাৰিলোনে নাই সন্দেহ । এনেকুৱা বেয়াদিন যোৱা নাই জীৱনত । কিমাননো ওজৰ-আপত্তি নুশুনিলো ও ।

অংকন : চম্পক বৰুৱা

OKDISCD

বিক্‌চিনা লাগি গুচি আহিলো। ছমাহমান ঘৰতে সোমাই হাল-বাই, কঠীয়াতলী চহাই থাকিলো। মোহ বৰ বেয়া অই – এৰো এৰো বুলিও এৰিব নোৱাৰ –। তাৰ পিছত এই তৰালি – এৰিব নোৱাৰো অ', মায়াৰ সংসাৰ বান্ধ –

ফুকনে মোক সুধিলে ফুচফুচাই, 'ই সঁচা কৈছেনে ?'

'সঁচাই চাগৈ' মই অন্যমনস্কভাবে ক'লো।

'দেখিলেতো বেছি বয়স হোৱা যেন নালাগে। এতিয়াই এইটো গতিত সংসাৰ পতা-ভঙা কৰি গলে –'

মোৰ হাঁহি উঠিল, 'তুমিও ভাল ! চম্পা, মমতা, তৰালি – ছোৱালীৰ নহয়, বাছৰহে নাম'। সহযাত্ৰী এজনে হাঁহিলে, চিঞৰি ক'লে, 'শুনিছ দীন' ?

'কি কৈছে দাদা ? দীন আহি ওচৰতে থিয় হৈ মোলৈ চাই হাঁহিলে।

মানুহজনে চমুকৈ কথাখিনি ক'লে। দীন আৰু 'দীপশিখা'ৰ কণ্ডাক্টৰ, দীনৰ বন্ধু লক্ষীয়েও হাঁহিবলৈ ধৰিলে। 'ঠিকেইতো, এয়াই আমাৰ ঘৰ, সংসাৰ, সকলো –।'

ফুকনে প্ৰাণখুলি হাঁহিছে – আনে অঁকৰা, চিধা-চাধা বুলি ভাবিলে তেওঁ বৰ সুখী হয়। সম্ভৱতঃ আনক 'বুৰ্বক বনাইছো' বুলি আত্মসন্তুষ্টি লাভ কৰে। ক'লে, 'আচৰিত হোৱাৰ কথাই তোমাৰ বয়সতো বেছি হোৱা নাই –'

'দাদাই আকৌ ঠগ খালে দেই, বয়স হ'ল ভালেখিনি –'

'ভালেখিনি ?'

'হ'ব দুশমান বছৰ।'

'অই দীন, অথনি মনে মনে এটুপি ধৰি আহিলি নেকি ?' লক্ষীয়ে ক'লে।

কেইবাজনো যাত্ৰীয়ে মিচিকিয়ালে। দীন কিন্তু অলপো অপ্ৰস্তুত নহ'ল। সি আহি পেছেজটোৰ সিফালৰ খালী ছিটত বহি গহীনাই ক'লে, 'বিশ্বাস নকৰিলে মোৰ উপায় নাই। সঁচাকৈ কৈছো। বুইছে দাদা, এনেকুৱা লাগে মোৰ বয়স যেন বৰ বেগাই বাঢ়িছে – হুৰহুৰাই বাঢ়ি গৈছে। কত যুগ ধৰি চম্পা, ললিতা, মমতা আৰু কতৰ লগে লগে ঘূৰিছো, দৌৰিছো। মোৰ চকুৰ আগতেই মোৰেই হাতত ধৰি বাছত উঠি স্কুললৈ ওলোৱা ছোৱালীবোৰ চাই থাকোতে থাকোতে ফটাফট বাঢ়ি গৈ কলেজ-ইউনিভাৰ্ছিটি পায় – এই বাছলৈয়ে কাৰো কাৰো বিয়া খাইছো। বলিয়া বুলি ভাবিলেও আপত্তি নাই, বুইছে, সিহঁতৰ বয়সবোৰো যেন মোৰ বয়সৰ লগত অটোমেটিক যোগ হৈ গৈ আছে। নহ'বনে কমচেকম দুশমান' ?

যাত্ৰী কম আছিল সিদিনা। নহলে দীনহঁতে বহিবলৈকে সময় নাপায়; কথা পতাৰ প্ৰশ্নই নুঠে।

হঠাৎ গাড়ীখনে প্ৰচণ্ড জোকাৰণি খালে। মানুহবোৰআগলৈ হাউলি পৰিল। আন এখন বাছে বাট আগছি ধৰিছে। 'সুৰুজে' সদায় এনেকুৱা কৰে। দীন দৌৰি নামি গ'ল। দুইখন বাছৰ ড্ৰাইভাৰ উত্তপ্ত বাক-বিতণ্ডাত ব্যস্ত। ক'ৰবাৰ পৰা পুলিছ এজন ওলাই দুয়োকে ধমক দিলে। বাছ দুখন অগাপিছাকৈ চলিবলৈ ধৰিলে। দীন ভোৰভোৰাই উঠি আহিল, 'পদুলি সৰা স্বভাৱটো নগ'ল। লাগিলে মানুহ পাণ জপাদি জাপি লব। নিধকইঁত' ! 'কোনে পদুলি সাৰে' ? ফুকনে সুধিলে। তেওঁৰ নিৰ্দোষ প্ৰশ্নই বহুতকে হহাঁৰ সুবিধা কৰি দিলে।

মই কলো, বাঢ়নীৰে পদুলি নাসাৰে, বুইছা। অলপ দূৰ গৈয়ে মানুহ উঠোৱা য'তে ত'তে ৰৈ যাকে তাকে গাড়ীত উঠাই লোৱা – এয়াই হ'ল পুদলিসৰা। কি কোৱা দীন'।

'ঠিক কৈছে দাদা। সৰাহেনে, চেলেকি থৈ যাব কুকুৰহঁতে। তাৰ পিছত আমাৰ গাড়ীৰ টাইম খাই বোম হৈ বহি থাকিব। হেচুকিলেও নিহিলে'। 'অনুবাদ কৰি যাবাহে, বুজিবলৈ অসুবিধা হৈছে' ফুকনে ফুচফুচাই ক'লে। দীনই কৈ গ'ল, 'কালিও একে বুধিকে লগাইছিল। ময়ো বাপেকে কম নহয়। টাইম কীপাৰ বুঢ়াক পাঁচটা টকা ধৰাই দিলো – ঘড়ী পাঁচমিনিট শ্লো হৈ গ'ল নহয়। এতিয়া চিন্তা নাই। আপোনালোকৰ ঘড়ীত যিমানেই নাবাজক বুঢ়াৰ ঘড়ীত পাঁচমিনিট কম বাজিব'।

'কোন টাইম কীপাৰ', ফুকনৰ নিৰ্দোষ প্ৰশ্নলৈ অনেকে বাট চাই আছিল চাগৈ। বহুতে একেলগে হাঁহিলে। মই চমুকৈ কৈ থলো – কোনখন গাড়ী কিমান সময়ত, কাৰ আগত কাৰ পাছত যাব এইবিলাক চোৱা-চিতা কৰা মানুহজন হ'ল টাইম কীপাৰ। টাইম কীপাৰৰ ঘড়ীয়ে যি কয় সিহে সঁচা'। 'তুমি আৰম্ভণিৰ পৰা গাড়ীতেই কাম কৰিছা নেকি' ? ফুকনে আকৌ প্ৰশ্ন কৰিলে। 'হওঁতে জীৱনৰ আৰম্ভণিৰ পৰা এই গাড়ীতেই কটাইছো'। দীনই মিচিকিয়াই ফুকনলৈ চালে, 'পঢ়াত বেয়া নাছিলো। ঘৰৰ অৱস্থাহে বেয়া। মোমাইৰ কৃপাতে মেট্ৰিকলৈকে – মানে এইচ্চ এচ্ এল চিলৈকে পঢ়িলো। কলেজত নাম লগাবৰ যো-জা কৰোতে বুঢ়া ঢুকাল। গোটেই ভাৰসুৰ বোজা মোৰ কান্ধত থৈ বুঢ়াই মোক কোঙা কৰি গ'ল। সেয়ে পঢ়া এৰিলোঁ – তাৰ পৰাই বাত। প্ৰথমে মাহাতো – মানে গুফীয়া চম্বল-ডকাইত মাহাতোৰ ট্ৰাকতে কাম কৰিলো। তাৰ পৰকিতি লেতেৰ ঐ, এনে ঘিণ লগা। নকওঁ সেইবোৰ কথা। পাছত লাইন বাছত সোমালো – আৰু এতিয়া দেখিছেই তৰালিজনীৰ মায়াত বন্দী –' সি হাঁহিবলৈ ধৰিলে।

বাছৰপৰা নামি দুয়ো দীনৰ কথাকে পাতি আহিছিলো। গাড়ীত কাম কৰিয়ে সি কেইবাবিঘা খেতিৰ মাটি কিনিলে, অলপতে ভায়েকক চাহৰ দোকান এখন খুলি দিছে দুলীয়াজানত। ভনীয়েক দুজনীক বিয়া দিলে। কিমাননো বয়স হৈছে। অথচ কিমান সুন্দৰকৈ ঘৰ এখনৰ সকলো দায়িত্ব বহণ কৰিছে।

'সৰ্বনাশ' ফুকনে চিঞৰি উঠিল।

'কি হ'ল' ?

বেগটো বাছতে থাকি আহিল। অফিচৰ দৰ্কাৰী কাগজপত্ৰ আছিল। একোছা ছাবিও আছিল।

'বলা ঘূৰি যাওঁ।

দুখোজ ঘূৰিয়ে দেখা পালো – বাছখনে ট্ৰেফিক চিগনেল পইন্টটো পাৰ হৈ পোনে পোনে ওভাৰব্ৰীজলৈ উঠি গৈছে। ফুকনে অসহায়ভাবে বাছখনলৈ চাই থাকিল।

'তুমি যেনিয়েই যোৱা কিবা এটা এৰি থৈ অহাই নিয়ম নহয় জানো' ?

মই বিৰক্ত হ'লো সঁচাই বৰ অঁকৰা মানুহ।

'এৰা, এদিনতো জীৱনটোকেই এৰি থৈ যাব লাগিব'।

'এইবোৰ দৰ্শনৰ কথা এৰা। কাইলৈ বিশ্বকৰ্মা পূজা, পৰহিলৈ কিবা বন্ধ কোনে দিছে নাজানো – তাৰ পাছদিনা দেওবাৰ। তাৰমানে আকৌ সোমবাৰেহে –'

'নেহেৰায়'। ফুকনে দৃঢ়তাৰে ক'লে, দীন ল'ৰাটো বৰ ভালহে, অনেষ্ট'।

'হেৰোৱা-নেহেৰোৱাটো দীনৰ ওপৰত নিৰ্ভৰ নকৰে নহয়'।

'আজিলৈকে একো বস্তু মই হেৰুওৱা নাই, বুইছা বন্ধু', ফুকনে গৰ্বেৰে ক'লে। পিছে কথাটো তেনেই মিছাও নহয়। কপালখন ভাল অঁকৰাৰ। কত বস্তুযে ক'ত কেনেকৈ এৰি থৈ আহে, মানে, হেৰুৱাই আহে। আচৰিত কথা, সকলো ঠিকেঠাকে ঘূৰাই পায়। কচুজান ফিল্ডলৈ গৈছিলো দুয়ো ফুটবল খেল চাবলৈ। যাওঁতে জুই হেন তপত ৰ'দ, আহোতে গা জুৰোৱা ছাঁ। পিপলতল পাওঁতে ফুকনৰ মনত পৰিল ছাতিটো এৰি থৈ আহিলে – তাকো পকা গেলাৰীত। আকৌ দে ফিল্ডলৈ দৌৰ। শ শ মানুহ আহিছে গৈছে, দৌৰিছে, জঁপিয়াইছে। তথাপি গেলাৰীৰ মাজত অকণো ক্ষতিখুন নোহোৱাকৈ ছাতিটো পৰি আছিল। আকৌ এবাৰ গুড়ি গাখীৰ বিচাৰি গোঁহাইৰ দোকানলৈ যাওঁতে অফিচৰ দৰ্কাৰী কাগজ-ছাবি আৰু বেংকৰ পৰা সিদিনাই উলিওৱা টকাৰে সৈতে প্ৰকাণ্ড পেটফুলা বেগটো এৰি থৈ আহিল। আধাঘণ্টা পিছতহে বেচেৰাৰ মনত পৰিল। দোকান পাই দেখো চকীখনত আউজাই থোৱাতে বেগটো পৰি আছে; কাৰো চকুত পৰা নাই। তাৰপিছতো ক'ত কি হেৰাইছে, আকৌ নিৰ্বিঘ্নে ঘূৰাই পাইছে। কিন্তু এইবাৰ ?

ফুকনে মই কৰা চিন্তাকে কৰিছিল নেকি ! শেষ সিদ্ধান্ত ঘোষণা কৰিলে, 'একো বস্তুৱেই নেহেৰায় আচলতে। ফিজিক্সত এনে এষাৰ কথা নাই জানো – পদাৰ্থৰ সম্বন্ধে –'।

ফিজিক্সৰ কথা হাজৰিকাই জানিব। পিছে, সঁচাকৈয়ে একো বস্তু নেহেৰায় ? মই প্ৰশান্তলৈ চালো (এৰা ফুকনৰ নাম প্ৰশান্ত !), প্ৰশান্তই মোলৈ।

একুৰি ফাগুন ভটিয়াই গ'লো দুয়ো-নীৰৱে-যেন বুজাবুজি আছিল জীৱনৰ চতুৰ্থ দশক চুবলৈ ওলোৱা দুজন সন্মানিত চৰকাৰী কৰ্মচাৰী, দায়িত্বশীল স্বামী তথা পিতৃ এনেকৈ মুহূৰ্ততে ঘূৰি যাব অতীতলৈ ...

ফাগুনৰ আবেলি। নৈ পাৰৰ নৈৰ ভাঁজৰ দৰেই একা-বেঁকা ফুটপাথত আমাৰ গেমেহা গধুৰ জোতাৰ শব্দ। জোতাৰ গচকত চেগুন, আম আৰু কত কি গছৰ শুকান পাত ভাঙি গুড়ি হোৱাৰ শব্দ ! নৈৰ কাষত, মাজত বুকু ফিন্দাই উঠা ধকে ধকি বালিচৰৰ পৰা কুঁৱলিহেন বালি উৰিছে – চুলিয়ে, চকুৱে-মুখে, কাপোৰ-কানিয়ে সোমাইছে। হঠাৎ বাট ভেটি জোলোকা জোলোক তেজ হেন মদাৰ ফুলৰ থোপা। তাৰ তলত তাই উৎপলা–গালে মুখে উৰি আহি পৰা চুলিখিনি বাৰে বাৰে হাতেৰে পিছলৈ ঠেলি মিচিকি মোনালিছা হাঁহিৰে আমালৈ চাই ৰৈ আছিল। বিস্ময়কৰ, কৌতুকসনা, দুষ্টালিভৰা হাঁহি। সেই হাঁহিৰ বাবেই অঁকৰা – (এৰা, তাহানিৰ পৰাই একেই অঁকৰা) প্ৰশান্তৰ এই ফাগুনৰ ধূলি আৰু বলিয়া বতাহ নেওচা উন্মাদনা। মোৰ এনে লাগে যেন হাঁহি হাঁহি তাই কৈছে, অঁকৰাইঁত ! প্ৰশান্তই কয়, ক'ব পাৰে তোমাক, মোক নহয়। বহু কথাত ফাইনাৰ পইন্টছবোৰ তুমি মিছ কৰা। কিহৰ ফাইনাৰ পইন্টছ্ সি ব্যাখ্যা নকৰিলে। সম্ভৱতঃ কোনোবাই ব্যৱহাৰ কৰা শুনিছে – শব্দ কেইটা, কিবা প্ৰসংগত।

ধূলি উৰা পাত সৰা নিজম আৰু কেইবাটাও বতাহী আবেলি পাৰ হ'ল। উৎপলাৰ সৈতে প্ৰশান্তৰ একো কথাইতো নহ'ল। অৱশ্যে মই নুবুজাকৈ চকুৰেই যদি কথোপকথন চলিছিল নাজানো। আমাক অঁকৰা নিৰ্বোধ প্ৰতিপন্ন কৰিব খোজা তাইৰ হাঁহি চাবলৈকে ক্লাছৰ শেষৰ জিৰণি নষ্ট কৰাৰ অকণিকে ইচ্ছা নাছিল। পিছে বন্ধুৰ বাবে বহু কিবা-কিবি ত্যাগ কৰিব লগা হয় – অলস নিদ্ৰাও।

সিদিনাৰ সেই আবেলি একো ব্যতিক্ৰম নাছিল। একেদৰেই ধূলিময়, শুকান, ৰিঙা ৰিঙা ভাব জগোৱা আবেলি। তেজৰঙা মদাৰ জোপাৰ পাতবোৰ, ফুলবোৰ সৰিছিল। ইমান নিজান পৰিবেশ। ঘৰত প্ৰকাণ্ড তলা ওলমি আছিল। তাৰ পিছত আৰু কেইটামান নিষ্ফল আবেলি। বন্ধঘৰৰ সমুখত সৰাপাত আৰু দগমগীয়া অঙঠা হেন মদাৰ ফুলৰ দম।

কেনেকৈ তাই হেৰাই গ'ল। প্ৰশান্তই অৱশ্যেই নামানিলে – কিজানি তেতিয়াৰ পৰাই তাৰ মনত এই ধাৰণাই খোপনি পুতিছিল যে একোৱেই নেহেৰায়। যুগ পাৰ হ'ল। আমি আটায়ে উৎপলাৰ কথা পাহৰিছিলোৱেই। পিছত শুনিছিলো আৰব ডলাৰৰ চিকমিকনিয়ে তাইৰ উচ্চাকাংক্ষী প্ৰেমিকক ফুচুলাই লৈ গ'ল। এৰি থৈ গ'ল তাইৰ ভগ্ন মন, আঁচোৰ খোৱা দেহ।

প্ৰশান্তই তাইক ঘূৰাই পালে। পালেনে সঁচাকৈ ? প্ৰশান্তই মোৰ চকুলৈ চাই হাঁহিলে – তাৰ সেই পৰিচিত অঁকৰা হাঁহি, 'বুইছা, ঘূৰাই পাম'।

ইয়াকে কয় নেকি – অঁকৰা মৈত উঠিলে নানামে। ...

আমাক দেখি সি হাঁহিলে, 'খৰধৰ কৰক, আজি একেবাৰে পেক্‌ট্'। সঁচাকৈ ছিট পোৱা টান হ'ল। কোনোমতে শেষৰ দীঘলীয়া ছিটটোত দুজনৰ জেগা দখল কৰিলো। 'আজি গেলাৰীত নেকি' ? দীনই হাঁহি হাঁহি ফুকনলৈ চালে, "বেগটো আছে, চিন্তা নাই'। অলপ ৰ'ব, কেবিনত থৈছো, একেবাৰে পাইলটৰ জিম্মাত'।

ফুকনে ক'লে, 'কি কৈছিলো মই' ?

অলপ পৰৰ পিছতে দীন আহি বেগটো ফুকনৰ হাতত তুলি দিলে, 'এবাৰ খুলি চাই লওক দাদা'। ফুকনে বেগটো খুলি কাগজবোৰ উলিয়াই চাই আকৌ বন্ধ কৰি থলে, 'কাগজখিনি হেৰোৱাহেঁতেন, কিযে বিপদ হ'লেহেঁতেন। ছাবিলৈ চিন্তা নাই, ক'ৰবাত ডুপ্লিকেট নিশ্চয় আছে'।

প্ৰায়ে গাড়ীত বহাৰ পিছত চকুমুদি লওঁ। চিলমিলকৈ টোপনি আহে। সাৰ পোৱাৰ সময়ত সজীৱ সতেজ লাগে। সম্ভৱতঃ আধা ঘণ্টামান টোপনিতেই আছিলো। এঠাইত বাছ ৰ'ল। কেইবাজনো যাত্ৰী নামিল। উঠি আহিল এটি তীব্ৰ মিঠা সুবাস, খমখমীয়া পাটৰ কেচ্ কেচ শব্দ। এগৰাকী ন-কইনা হাঁহো হাঁহো মুখত লাজৰ আভা গুলপীয়া। লগত সেয়া গিৰিয়েক নিশ্চয় হাতত বেছ গধুৰ এটা ছুটকেছ। দীনই ব্যস্ততাৰে আগবাঢ়ি গৈ দুয়োলৈকে জেগা উলিয়াই দিলে। গাড়ী চলিবলৈ ধৰিলে।

'বিয়ালৈ নামাতিলা' ? দীনই সুধিছে।

ন-কইনাই লাজ লাজকৈ হাঁহিলে, 'ইচ্, ইচ্ছা কৰি নমতা নহয়, পায়'। আপোনাৰ ঠিকনাটো যে নাজানো। 'সুৰুজ'ৰ কণ্ডাক্টৰযে উমা নে কি, তেওঁক সুধিছিলো। ভালকৈ নাজানে চিঠি দিওঁ কেনেকৈ'।

'এৰা, আমাকনো ক'ত মনত ৰাখিবা'।

ন-কইনাই গিৰিয়েকৰ সৈতে দীনক চিনাকি কৰি দিলে। বেংকত চাকৰি কৰে। এমাহমান পিছত তেৱোঁ এইফালে ট্ৰেন্সফাৰ হৈ অহাৰ কথা। তেতিয়াতো এই তৰালিৰে অহা যোৱা কৰিব।

দীনই ভাড়া উঠাবলৈ আগবাঢ়ি গ'ল।

বাছৰ ঘৰঘৰণি আৰু মানুহৰ কথা-বতৰাৰ ফাঁকে ফাঁকে মোৰ কাণত পৰিল – হেণ্ডিমেন অমৰ আৰু বাছ ষ্টেশ্যনত তামোল-পাণৰ দোকান দিয়া বিজয় নামৰ ল'ৰাটোৱে কথা পাতিছে।

'দীনৰ আশা ছাই হৈ গ'ল অ'।

'ধেমালি কৰিছ নে সঁচাকৈ কৈছ' ? বিজয়ে সুধিলে।

'মই কিবা নাজানো নে' !

'এনে আশা কৰাটোৱেই ভুল। আশা কৰাৰো এটা সীমা আছে নহয়'।

'সেই কথা দীনক কবি'।

দীন পিছফাললৈ আহিল। মই চকুমুদিয়ে সিহঁতৰ কথা-বতৰা শুনি থাকিলো।

অমৰে কৈ গ'ল, 'দেখিলি, বিজয়, নিবোকা চামোন হৈ চাই থাকোতে লোকে কেনেকৈ চিলাই থপিওৱাদি থপিয়াই লৈ গ'ল'।

'কাৰ কথা কৈছ অ' ? দীনই তেতিয়াও বুজা নাই – সিহঁতে তাৰ কথাকেই আলোচনা কৰি আছে।

'ৰুমী নে কি আছিল জানো নামটো' –

'লোকৰ বোৱাৰীৰ নাম তোক কৈলে ?

'দেহি ঐ, চাৰিবছৰে বিনা ভাড়াই গাড়ীত অনা-নিয়া কৰি শেষত এইখনহে হ'লগৈ' !

'বিজয়, তই মুখ বন্ধ কৰিবিনে' ? দীনই মুখ পাতি ধৰিলে,

'কাক বিনা ভাড়াই অনা-নিয়া কৰা দেখিলি অ' ? নিলোৱেই যেনিবা, মাত মাতিবলৈ তইনো ক'ৰ গাড়ীৰ মালিকটো ওলালি' ?

বিজয়ে চাগৈ আমি নুশুনাকৈ কিবা কুৎসিত ইংগিত দিলে। দীনই তাক মাৰিবলৈ চোচা মাৰি গ'ল। দুজনমান যাত্ৰীয়ে ধৰি ৰখালে। দীনই ভোৰভোৰালে, 'কুকুৰহঁত, তহঁতৰ বাই-ভনী নাই ? মুখ-নাক সমান কৰি দিম বাপেকে'।

লাহে লাহে হুলস্থুল শাম কাটিলে। পিছৰটো ষ্টপেজতে বিজয় নামি গ'ল মৰিলেও হেনো এইখন গাড়ীত নুঠে সি।

ফুকনে কাণে কাণে ক'লে, 'একেবাৰে নাটকীয় পৰিস্থিতি দেখোন'।

অলপ পিছত দীন আহি মোৰ কাষতে বহিল। 'কি ভাবিছা দীন' ?

'নাই,আমিনো কি ভাবিম' ! অলপ ৰৈ ক'লে, 'কত ছোৱালী কলেজলৈ অহা-যোৱা কৰে। এদিন বিয়া হৈ যায়, নাইবা কাৰোবাৰ লগত পলাই যায়। কতৰ লগত কথা-বতৰা পাতো, হাঁহি-ধেমালি কৰো। কোনেও ক'ব নোৱাৰে কাৰোবাৰ লগত বেয়া ব্যৱহাৰ কৰিছো, বেয়া চকুৰে চাইছো। মৰম লাগে – বচ্ সিমানেই। কুকুৰে মোক উপুলঙা কৰিবলৈ আছে'।

'বাদ দিয়া, দীন। যাৰে-তাৰে কথাত মন বেয়া কৰি কি লাভ' ?

কিছুসময় নীৰৱে পাৰ হ'ল। মানুহ উঠিল-নামিল। বাছখন গৈ থাকিল। এইবাৰ ফুকনে মাত লগালে, 'তুমি বিয়াখন পাতি পেলোৱা, দীন'।

দীনই হাঁহিলে, 'সেইবোৰ জঞ্জালত সোমাবলৈ নাই'। লগৰ দুজনক দেখিলো নহয় – বেমাৰৰ বাহ দুজনী চপাই লৈছে। অশান্তি দুয়োৰে – আজি ইটো লাগে, কাইলৈ সিটো। এনেয়ে ভালে আছো, বুইছে দাদা'।

'আৰু কিমান দিন এনেকৈ থাকিবা' ?

'কৈছিলোৱেই নহয়, দুশবছৰ হ'লহি বয়স। এনেকৈয়ে বুঢ়া হম। তাৰপিছত ছেটেপ্'।

ফুকনে সুধিলে, 'ছেটেপ্ কি' ?

ওচৰৰ মানুহবোৰে হাঁহিবলৈ ধৰিলে। মই ক'লো, 'তাৰ অৰ্থ ব্যাখ্যা কৰিব নোৱাৰি, উপলব্ধিহে কৰিব লাগিব'।

ন-কইনা সম্ভৱতঃ শহুৰেকৰ-গিৰিয়েকৰ ঘৰৰ ওচৰ পালেহি। বাছখন ৰৈ গ'ল। হাতত বেগটো লৈ ন-কইনা আগধৰি নামিল। পিছে পিছে ছুটকেছলৈ তেওঁৰ গিৰিয়েক। দীনই ছুটকেছটো তললৈ নমোৱাত সহায় কৰি দিলে। ছুটকেছটো হাতত লৈ সি কেইখোজমান আগবঢ়াই দিলে দুয়োকে। ন-কইনাই আঙুলিৰে ইংগিত দি দেখুৱাব খুজিছে কোন-ডোখৰত তেওঁৰ নতুন ঘৰ। মিঠাকৈ হাঁহি তেওঁ দীনলৈ চালে, 'আহিবই লাগিব কিন্তু'। দীনই কিবা কৈছে চাগৈ – ইমান দূৰৰ পৰা নুশুনি। তাতে অমৰে ইতিমধ্যে 'যাব দিয়া' বুলি চিঞৰ মাৰিলেই। গাড়ী চলিবলৈ ধৰিলে।

'দীন ক'ত' ? ফুকন কিয় জানো ব্যতিব্যস্ত হৈ পৰিল।

'আহিছে', কোনোবা এজনে ক'লে।

মই পিছফাললৈ হাউলি চালো। দীন গাড়ীখনৰ প্ৰায় সমান্তৰালভাবে দৌৰি আছে। হঠাতে মোৰ ভাব হ'ল সি যেন যুগ যুগ ধৰি এনেকৈ দৌৰিয়ে আছে, দৌৰিয়ে আছে।


# সুন্দৰ, সুনিপুণ, প্ৰাণ চঞ্চল স্বাস্থ্য?

যৌন শক্তি আৰু যৌন নৈপুণ্যৰ ওপৰতেই শাৰীৰিক স্বাস্থ্য, সুখ আৰু সমৃদ্ধি সম্পূৰ্ণ নিৰ্ভৰশীল। সন্তানহীনতাকে ধৰি সকলো ধৰণৰ যৌন সমস্যা আৰু সোঁচৰা ৰোগৰ সৰ্বাধুনিক অতি সফল ব্যয়সাধ্য স্হায়ী আৰু দ্ৰুত নিৰাময়ৰ ১00% হাৰৰ গহীন অংগীকাৰ আমি আগবঢ়াওঁ।

ব্যক্তিগত বা ডাকযোগে যোগাযোগ কৰক।

সপ্তাহৰ আটাইবোৰ দিনতেই পৰামৰ্শ দান কৰা হয়।

সময় পুৱা ৮ বজাৰ পৰা নিশা ৮ বজালৈ।

উত্তৰ পূৰ্ব ভাৰতৰ সৰ্বশ্ৰেষ্ঠ যৌন বিশেষজ্ঞ

**জেউতি ছেক্স ক্লিনিক**

এফ, এ, পথ; কুমাৰ পাৰা
গুৱাহাটী-৭৮১00৯
ৰেলগেট নং - ৬

**ডাঃ এ, নেছাৰ**

এম, বি, বি, এছ, এম ডি (গেট)
এম, আই, এছ, চি, এম, এন,
এছ, চি (যৌন) এম, জি, পি, এ (বম্বে)





ৰঙালী বিহুৰ প্ৰীতি আৰু শুভেচ্ছাৰে –

আপোনাৰ গোহালিৰ স্থানীয় গাইজনীৰ পৰা অধিক উৎপাদনক্ষম গাই পাবলৈ সেই গাইজনীক কৃত্ৰিম প্ৰজনন কৰাওক ॥

এনে গাইৰ পৰা জন্মলাভ কৰা চেউৰীজনী অধিক উৎপাদনক্ষম হয় ॥
কম বয়সত প্ৰজননৰ উপযোগী হয়। প্ৰতি পিয়নৰ মাজৰ ব্যৱধান কম ॥
প্ৰতিপালনত সহজ ॥ আৰু নম্ৰ স্বভাৱৰ হয় ॥

কেইটামান বৰ্ণসংকৰ জাতৰ খাকি কেম্বেল হাঁহ আৰু উন্নত জাতৰ কুকুৰা ঘৰতে পালন কৰি লাভৱান হোৱাৰ প্ৰধান উপায় "বুলি মনত ৰাখিব"।

ঠিক সেইদৰে কেইটামান উন্নত জাতৰ গাহৰি, ছাগলী পোহাৰ পৰিকল্পনাও কৰকচোন ॥

মনত ৰাখিবঃ "পুষ্টিকৰ কেঁচা ঘাঁহ যোগান, সুষম খাদ্য যোগান,
আৰু
সময়োচিত চিকিৎসা সেৱা ব্যৱস্থা
পশুধন উন্নয়নৰ মূল ভেটি।"

আপোনাৰ সেৱাত –

# অসম পশুপালন আৰু পশুচিকিৎসা বিভাগ

অসম পশুপালন আৰু পশুচিকিৎসা সঞ্চালকালয়ৰ তথ্য আৰু প্ৰদৰ্শনী শাখাৰ দ্বাৰা প্ৰচাৰিত

উপন্যাসিকা

# বিকৰ্ষণ

হিৰণ্য কুমাৰ ভট্টাচাৰ্য





অংকন ঃ চম্পক বৰবৰা

ডাঃ প্ৰশান্ত দুৱৰাক বহুতেই মানুহৰ অসুখৰ চিকিৎসা কৰা ডাক্তৰ বুলি নাজানিছিল । তেখেত বিখ্যাত আছিল গায়ক আৰু কথাছবিৰ সঙ্গীত পৰিচালক হিচাপেহে । যাযাবৰী জীৱন । ঘৰৰ লেঠাও নাই । একমাত্ৰ ভায়েক সুকান্তই দেউতাকে এৰি যোৱা বাগান দুখন চলায় । মাজে-সময় ভায়েকক দেখা কৰি আহেগৈ । ভায়েকৰ বিয়া পাতি দিয়াৰো ২/৩ বছৰ হৈ গ'ল । পিচে ডাঃ দুৱৰাই নিজেহে আজিও কিয় বিয়া-বাৰু নকৰালে সেইটো বহুতৰে বাবে সাঁথৰ । বয়স লাহেকৈ চল্লিশেই হব । নানাজনে নানা কথা কয় – কিছু সঁচা, কিছু মিছা – গাজাখুৰী গুজব । অৱশ্যে ডাঃ দুৱৰাৰ উচ্ছৃংখল যৌবনৰ বিষয়ে ওলোৱা আটাইবোৰ কথা মিছা বুলি কোৱা টান । বহুতে কব খোজে যে দুৱৰা মানুহ ভালেই আছিল – তদুপৰি মানুহৰ দুখ-কষ্টত পমি যোৱা মানুহ; পিচে বিখ্যাত কথাছবি পৰিচালক সদন হাজৰিকাৰ সাহচৰ্যইহে তেওঁক বিপথে নিলে । কথাটো পিচে ডাঃ দুৱৰাই নিজে মানি লব নোখোজে । এই কথাটোক কেন্দ্ৰ কৰি অতি অন্তৰঙ্গ বন্ধু হেমেনৰ লগত দুৱৰাৰ প্ৰায়ে তৰ্কাতৰ্কি হয় । প্ৰশান্তৰ মতে 'আপোন ভালেই জগত ভাল' । হেমেন ভূঞাও চাহ-খেতিয়ক । প্ৰাইমাৰী স্কুলত পঢ়া দিনৰে পৰাই দুয়ো নলেগলে লগা বন্ধু ; দুয়োৰে চৰিত্ৰ অৱশ্যে বিপৰীতধৰ্মী । ভূঞা এগৰাকী অতি সচ্চৰিত্ৰৱ, কঠোৰ পৰিশ্ৰমী খেতিয়ক; চহকী হলেও লাহ-বিলাসিতা মাৰ্জ্জিত – সমাজ-সচেতন আদৰ্শনীয় ব্যক্তি । সুৰাৰ প্ৰতিও আসক্ত নহয় । আনহাতে, প্ৰশান্ত সৰুৰে পৰা উৎপতীয়া স্বভাৱৰ । কৰ্তৃপক্ষৰ অনুমতি নোহোৱাকৈ ৰাতি হোষ্টেলৰ বাহিৰত কটোৱা বাবে কলেজৰ পৰা দুবাৰকৈ খেদা খোৱাৰ উপক্ৰম হৈছিল । হেমেনৰ তৎপৰতা আৰু দেউতাক সুশান্ত দুৱৰাৰ প্ৰতিপত্তিৰ বাবে যেনিবা সাৰি গৈছিল । কোনো কথাতে প্ৰশান্তই মনোযোগ দি লাগি থাকিব নোৱাৰিছিল – অতি তীক্ষ্ণ বুদ্ধিৰ বাবেহে পৰীক্ষাবোৰত উত্তীৰ্ণ হৈছিল । পিচে ছোৱালীজাকৰ মাজত হলে প্ৰশান্তৰ খুব প্ৰতিপত্তি – কাৰণটো হ'ল প্ৰশান্তই খুব ভাল গান







গাব পাৰে আৰু দেখিবলৈও সঁচাকৈয়ে শুৱনি পুৰুষ । অৱশ্যে সঙ্গীতৰ প্ৰতি থকা ৰাপ গভীৰ আছিল । কলেজৰ দিনৰ পৰায়ে ছোৱালী-বলিয়া বুলি প্ৰশান্তৰ বদনাম আছিল । বহুতৰে লগত হিয়া দিয়া-নিয়াৰ নাটক কৰিছিল । নিজৰ কৰ্মক্ষেত্ৰ অকল ছোৱালীৰ মাজতে আৱদ্ধ নাৰাখি – ছাত্ৰ জীৱনতে প্ৰশান্তই বিবাহিতাসকলৰ প্ৰতিও সমভাব ৰক্ষা কৰি চলিছিল । এককথাত কবলৈ গলে এটা স্বয়ংসম্পূৰ্ণ উচ্ছৃংখল জীৱন । দেউতাকৰ নাক-কাণ উলিয়াব নোৱাৰা অৱস্থা হৈছিল । ছাত্ৰ জীৱনত কেবাবাৰো অতি আপচু পৰিবেশৰ পৰা হেমেনে তাক উদ্ধাৰ কৰিবলগীয়া হৈছিল । প্ৰশান্তৰ লগত কোনো এটা কেলেঙ্কাৰিত জড়িত হৈ পৰা বাবে অসমৰ বিখ্যাত পৰিয়ালৰ অতি ডাঙৰ মানুহৰ ছোৱালী এজনীক ছাত্ৰী নিবাসৰ পৰা বহিস্কৃত কৰা হৈছিল বুলি মানুহে আজিও কোৱা-কুই কৰে ।

এম-বি-বি-এছ পাছ কৰাৰ পিচত দেউতাকে প্ৰশান্তক উচ্চশিক্ষা লবলৈ বিলাতলৈ পঠাইছিল । বোলে, এনেয়ে বুঢ়ী নাচনী তাতে আকৌ নাতিনীৰ বিয়া । কলেজীয়া জীৱনত সুৰা পানৰ অভ্যাসটো নিয়ন্ত্ৰণত ৰাখিছিল যদিও বিলাত পোৱাৰ লগে লগে এৰাল ছিগা গৰুৰ অৱস্থা হ'ল । মুকলিভাবে পোৱা নাৰীৰ সঙ্গ আৰু সুৰাৰ নিচাত ডুব গ'ল । ইতিমধ্যে দেউতাকৰ মৃত্যু হ'ল । মাকে আগতে স্বৰ্গগামী হৈছিল । গতিকে উচ্চশিক্ষা সাঙ নকৰাকৈয়ে ডিব্ৰুগড়লৈ উভতি আহিল । বাগান চোৱাচিতাৰ কামত মন বহুৱাব নোৱাৰিলে; ভায়েক সুকান্তক সকলো দায়িত্ব চমজাই দি আৰম্ভ কৰিলে এক যাযাবৰী জীৱন – লগতে সঙ্গীত সাধনাতো মনোনিবেশ কৰিলে । হেমেনে বহু চেষ্টা কৰিও প্ৰশান্তক থিতাপি লোৱাব নোৱাৰিলে । অত্যধিক সুৰাপান আৰু নাৰীঘটিত কেলেঙ্কাৰিবোৰৰ বাবে হেমেনৰ লগত প্ৰায়ে তৰ্ক লাগে । –

বুজিছ প্ৰশান্ত, মদ খালেহে ভাল গান গাব পাৰি মই এই কথা বিশ্বাস নকৰো । মদ নোখোৱাকৈয়ে গাবলৈ আৰম্ভ কৰচোন । ইমান প্ৰতিভা আছে তোৰ – অলপ মনোযোগ দি সাত্ত্বিকভাবে সাধনা কৰিলে তই সমগ্ৰ দেশৰে স্বীকৃতি পালিহেঁতেন । অত্যধিক সুৰাপান কৰিলেহে শিল্পী হব পাৰি বা শিল্পী হলেই মদ খাব লাগিব এনে কথা হব নোৱাৰে ।

আন কোনোবাই কোৱা হলে হয়তো ধমকিয়ে দিলেহেঁতেন । হেমেন বুলিহে সাৰি যায় । তাচ্ছিল্যৰ হাঁহি এটা মাৰি প্ৰশান্তই কোমল সুৰত উত্তৰ দিয়ে –

নহয় অ' – তই বুজি নাপাবি । সুৰাৰ নিচাৰ,আমেজে মোৰ মগজক নতুন নতুন সুৰৰ সন্ধান দিয়ে – তই এইবোৰ বুজি নাপাবি ।

প্ৰশান্তৰ নাৰীঘটিত কেলেঙ্কাৰিৰ কথা শুনি শুনি কেতিয়াবা অধৈৰ্য হৈ হেমেনে আকৌ কয় –

নিজক ধ্বংস কৰিহে এৰিবি দেখিছো । তই এইবোৰ বাদ দে – মানুহে বৰ নিন্দা কৰে । বিয়া-বাৰু কৰাই থিতাপি লাগ ।

মানুহে নিন্দা কৰা কথা কলে প্ৰশান্তৰ খঙ উঠে আৰু উত্তেজিত সুৰত এটা অদ্ভূত যুক্তি উত্থাপন কৰে – হেমেন, মই মানুহ এজন; কিন্তু মোৰ লগত ইমানবোৰ ছোৱালী আৰু তিৰোতাই হলিগলি কৰে মানেই তথাকথিত বেয়া ছোৱালী বা তিৰোতাৰ সংখ্যা বেছি ! মানুহে সিহঁতক ধিক্কাৰ নিদিয়ে কিয়? সিহঁতৰ পৰা সঁহাৰি নাপালে এনেধৰণৰ কেলেঙ্কাৰিবোৰ নহ'লহেঁতেনেই দেখোন । প্ৰশান্তৰ অদ্ভূত যুক্তিবোৰে হেমেনক হতাশ কৰে । অৱশ্যে প্ৰশান্তই এনেধৰণৰ সমালোচনাৰ পৰা আঁতৰত থাকিব পাৰিলেই ভাল পায় । হেমেনৰ তীব্ৰ সমালোচনা, ভায়েকৰ উদাসীনতাই তাক খুব অকলশৰীয়া অনুভৱ কৰালে । এদিন হঠাতে ছিলঙলৈ ওলাল আৰু তাতেই মুখ্যমন্ত্ৰীক লগ ধৰি ডাক্তৰৰ চাকৰি এটা যোগাৰ কৰি লৈ গোলোকগঞ্জৰ ওচৰৰ তামাৰহাট নামে ঠাইত চাকৰিত যোগদান কৰিলে । পিচে বেছিদিন তিষ্ঠিব নোৱাৰিলে । বোলে, – 'চোৰে নেৰে চোৰ প্ৰকৃতি কুকুৰে নেৰে-ছাই

যাৰ যি স্বভাৱ মৰিলে লগত যায় ।

গহীন গম্ভীৰ স্বভাৱৰ নতুন ডাক্তৰজনক প্ৰথমতে অঞ্চলটোৰ মানুহে ভালেই পাইছিল । প্ৰখ্যাত গায়ক প্ৰশান্ত দুৱৰা বুলি জনাজনি হোৱাৰ পিচত প্ৰশান্তৰ ঘৰ অনবৰত ভৰি থকা হ'ল । ইতিমধ্যে বিখ্যাত চিত্ৰ-পৰিচালক মদন হাজৰিকাৰো আগমন এবাৰ হৈ গৈছে । পিচে তেতিয়াৰ পৰায়ে কেণা লাগিল । বু-বাঁকৈ ওলাই পৰিল যে হাজৰিকা থকা দিনকেইটাত অবিবাহিত ডাক্তৰৰ ঘৰত ৰাতি ৰাতি কেবাগৰাকীও নাৰীৰ আবিৰ্ভাৱ হৈছিল । ওচৰত থকা জনজাতীয় ৰাইজে চৰকাৰৰ ওচৰত ঘোৰ আপত্তি আৰু অভিযোগ দাখিল কৰিলে । তাতে আকৌ প্ৰশান্তৰ মেজাজৰ মানুহে স্থানীয় বিধায়কগৰাকীকো খুব এটা সমীহ কৰি চলিছিল বুলি কোনেও

দূষিব নোৱাৰিব। ফলত, মদন হাজৰিকাৰ আবিৰ্ভাৱৰ পোন্ধৰ দিন পিচতে প্ৰশান্ত বপুৰা আহি মুকালমুৱাৰ ওচৰৰ লাউখোৱাত হাজিৰ হবলগীয়া হ'ল। জনজাতীয় অধ্যুষিত অঞ্চলৰ পৰা পোনে পোনে পূৰ্ববঙ্গৰ মৈমনসিং জিলা সম্ভূত পমুৱা মুছলমান অধ্যুষিত অঞ্চল এটা পালেহি। তামাৰহাট অঞ্চলতকৈও পিচপৰা ঠাই। ইয়াত মানুহ জন্মে কঠোৰ পৰিশ্ৰম কৰিবলৈ আৰু এদিন মেলেৰিয়া বা কলেৰাৰ বলি হয়। ইয়াত সূৰ্য পোহৰ দিবলৈ উদয় নহয় – উদয় হয় দিন-ৰাতিৰ সীমা নিৰ্দ্ধাৰণৰ বাবেহে। অসুখ হলেও প্ৰশান্তৰ দৰে ডাক্তৰসকলৰ চাহিদা ইয়াত তেনেই ন্যুনতম। প্ৰশান্তই ভালেই পালে। দিনে-ৰাতি সুৰাদেৱী আৰু সঙ্গীতৰ সাধনা চলিল। তথাপিও মাজেসময় নিশাবোৰ হৈ পৰে নিমুৰ-মুৰা – নাৰীৰ সাহাচৰ্যৰ বাবে প্ৰশান্ত উদ্বাউল হৈ উঠে। বোলে, সাহেই সিদ্ধি। গতিকে মুকালমুৱা আৰু নলবাৰীত সুৰুঙা উলিয়াই লবলৈ বেছিপৰ নালাগিল। আৰম্ভ হ'ল আকৌ সেই বিনিদ্ৰ ৰজনীৰ উচ্ছৃংখল জীৱনৰ কাহিনী। অৱশ্যে নলবাৰীৰ লগত যোগাযোগ স্থাপন হোৱা বাবে এখন এখনকৈ দুখন কথাছবিৰ সঙ্গীত পৰিচালনাৰ দায়িত্ব পালে; এখনৰ পৰা যথাসময়ত ৰাষ্ট্ৰপতিৰ পৰা শ্ৰেষ্ঠ সঙ্গীত পৰিচালকৰ স্বীকৃতি আৰু পুৰস্কাৰো পালে; কিন্তু প্ৰশান্তৰবাবে সেয়া যেন একোৱে নহয়। সুৰা আৰু নাৰী সৰ্বস্ব জগতখনত এইবোৰ হ'ল উপৰুৱা ভাট্টা; সাধনাৰ সিদ্ধিৰ গৌৰৱ আৰু ভৱিষ্যতৰ বাবে তাত কোনো প্ৰতিশ্ৰুতি নাই। প্ৰশান্তৰ দৰ্শনেই হ'ল চাৰ্বাকৰ দৰ্শন – 'ঋণং কৃত্বা-ঘৃতং পিবেৎ ... '। লেঠা লাগিল যেতিয়া লাউপাৰা হস্পিটেলত গৰ্ভপাত কৰাবলৈ অহা অবিবাহিতা মহিলাৰ সংখ্যা অভাৱনীয়ভাবে বৃদ্ধি পালে। আনহাতে প্ৰশান্তই নলবাৰীলৈ সঘনাই আহিব ধৰা কথাটোও ৰাইজে ভাল চকুৰে নাচালে। কেবাজনীও কলেজৰ ছাত্ৰীৰ লাউপাৰালৈ সঘনে অহাযোৱা কৰা কথাও গোপন হৈ নাথাকিল।

প্ৰশান্ত বোপা তামাৰহাটত আছিল সোতৰ মাহ; ইয়াৰ পৰা পিচে সাত মাহতে যাবলগীয়া হ'ল। এইবাৰ বদলি হ'ল ছিপাঝাৰলৈ – তাত পিচে সাত সপ্তাহো তিষ্ঠিব নোৱাৰিলে। প্ৰশান্তৰ পিচে কোনো ওজৰ-আপত্তি নাই – চৰকাৰে য'লৈকে যাবলৈ দিয়ে তালৈকে যাবলৈ প্ৰশান্ত ৰাজী। যাযাবৰী, উচ্ছৃংখল জীৱন এটাত ঠাই আৰু সময়ৰ প্ৰাসঙ্গিকতা নোহোৱা হৈ যায় – প্ৰশান্তৰো তাকেই হ'ল। য'তেই নাযাওক – গান গোৱাৰ আৰু সুৰাপানৰ সুযোগ হাতে হাতে পোৱা যায় – বিশেষকৈ প্ৰশান্তৰ দৰে প্ৰখ্যাত গায়ক এজনৰ বাবে। প্ৰশান্তই মিজে বুলি নাপায় পিচে যে ডাক্তৰী বাদ দি অকল সঙ্গীত সাধনাত লাগি থাকিলেও আজি সি এজন দেশৰ ভিতৰতে লেখতলবলগীয়া সঙ্গীত পৰিচালক হ'লহেঁতেন। হেমেন মাজেসময় আহে যদিও নিমাতে থাকে – প্ৰশান্তৰ অৱস্থা দেখি তাৰ হৃদয় চিৰাচিৰ হয় – কিন্তু নিৰুপায়। প্ৰশান্তই নিজে নুবুজে। বোলে – 'ভৰিৰ তলে ৰৌ যায়, দৰিকণালৈ বৰশী বায়।'

তামাৰহাট, নলবাৰী, ছিপাঝাৰৰ ৰাইজৰ হাত চাপৰিয়েই প্ৰশান্তৰ আত্মাক তৃপ্ত কৰে।

পিচে ছিপাঝাৰৰ ৰক্ষনশীল সমাজো অতিষ্ঠ হৈ উঠিল আৰু প্ৰশান্ত বোপাই আহি এদিন উত্তৰ-লক্ষীমপুৰৰ হস্পিটেলত যোগদান কৰিবলগীয়া হ'ল। পিচে এইবাৰহে শেনৰ এজাত – বোলে, 'মুৰতা নাঙল লাগিল'। বহলাই কোৱাৰ প্ৰয়োজন আছে। এইবাৰহে এইৰাৰ!

অতি শান্ত পৰিবেশৰ চহৰ উত্তৰ লক্ষীমপুৰখন প্ৰশান্তৰ ভাল লাগি গ'ল। চহৰৰ উপকণ্ঠত সৰু বঙলা এটা ভাড়া ললে। ঘৰটো কোনোবা খৃষ্টান অনুষ্ঠানৰ – এতিয়া এনেয়ে পৰি আছে। গতিকে ভাড়া পোৱাত বিশেষ অসুবিধা নহ'ল। চৌহদটোৰ মাজতে ঘৰটো অৱস্থিত – চাৰিওপিনে ধুনীয়া ঘাঁহনি এখন আৰু ফুলৰ বাগিছা আছিল যে বুজিবলৈ অসুবিধা নহয়। নিজৰ চাহ বাগানৰ পৰা বনুৱা কেইজনমান আনি চৌহদটো পুনৰ সজীৱ কৰি তুলিবলৈ চেষ্টা কৰিলে; ঘাঁহনিখন এমাহমানৰ ভিতৰতে সেউজীয়া হৈ উঠিল আৰু সকলোৰে দৃষ্টি আকৰ্ষণ কৰা হ'ল। তদুপৰি মাজে সময় সন্ধিয়া ভাহি অহা গানৰ সুৰেও বঙলাটোৰ প্ৰতি মানুহৰ কৌতূহল বৃদ্ধি কৰিলে। ঘুনুক-ঘানাকৈকে কথাটো ওলাই পৰিল – বিখ্যাত গায়ক আৰু সঙ্গীত পৰিচালক প্ৰশান্ত দুৱৰা এই ঘৰটোত থাকিবলৈ লৈছে। প্ৰশান্ত যে ডাক্তৰ বহুতে নাজানিছিল আৰু ইয়াৰ চিভিল হস্পিটেলত আহি যোগদান কৰা কথাও বহুতৰে অগোচৰ আছিল। পিচে কথা বুলিলে বতাহ। প্ৰশান্তৰ ঘৰলৈ চহৰৰ উদ্যোগী, শিল্পানুৰাগী ডেকা-গাভৰুৰ সোঁত বৰলৈ ধৰিলে। আনকি স্থানীয়ভাবে নিৰ্মাণ কৰিবলৈ লোৱা কথাছবি এখনৰ সঙ্গীত পৰিচালনাৰ বাবেও প্ৰস্তাৱ আহিল। অৰ্থাৎ এটা হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হোৱাত অলপো পলম নহ'ল। তাতে আকৌ এদিন হঠাতে আহি আবিৰ্ভাৱ হোৱা মদন হাজৰিকাৰ উপস্থিতিয়ে এই পৰিবেশৰ শাম কটোৱত অকণো সহায় নকৰিলে। আৰু শামেই বা কটাব লাগে কিয়? এনেধৰণৰ পৰিস্থিতিৰ মাজতে নিজৰ দৈহিক কামনা-বাসনা চৰিতাৰ্থ কৰাৰ সুযোগ প্ৰশান্তই সদায়ে সৃষ্টি কৰি অহা নাই জানো?

সময়টো আছিল পুহ মাহ। মদন আহি পাইছিল সন্ধিয়া অতিক্ৰম হৈ যোৱাৰ পিচত। গতিকে চহৰৰ কোনেও গম পোৱা নাছিল। মদন অৱশ্যে অকলে কাহানিও নাহে; নাৰীসঙ্গ বিবৰ্জিত মদন হাজৰিকাৰ কথা কল্পনাও কৰিব নোৱাৰি। এইবেলি লগত আছিল হিন্দী ছবিৰ বিখ্যাত পৰিচালক এগৰাকীৰ ভনীয়েক – কিন্তু কথাছবিৰ ফটোগ্ৰাফাৰ হিচাপে আন্তৰ্জাতিক সুখ্যাতি অৰ্জন কৰা, স্বনামধন্যা আজমী চিত্ৰাসেন। দেখিলে ভাব হব – অৰ্দ্ধেক নাৰী, অৰ্দ্ধেক পুৰুষ – বা অৰ্দ্ধনাৰীশ্বৰ। পিচে সম্পূৰ্ণ নাৰী বুলি প্ৰশান্ত পতিয়ন গ'ল যেতিয়া মদনে চিত্ৰাৰ বিছনাখন নিজৰ কোঠালিতে ব্যৱস্থা কৰিবলৈ কলে! পিছফালৰ বাহিৰৰ বাৰান্দাখনত বহি যেতিয়া পেগৰ পিচত পেগ স্কটল্যাণ্ডৰ পানীয় তিনিও শেষ কৰিছিল – তেতিয়া সুদুৰৰ দিগন্তত, অৰুণাচলৰ পাহাৰৰ বুকুত জ্বলি উঠিছিল ঝুমৰ লেলিহান শিখা। দিগন্ত ৰাঙলি হৈছিল – প্ৰশান্তৰ কামনাৰ জুইকুৰাও ভমক্ কৰি জ্বলি উঠিলেও মদনৰ উপস্থিতি আছিল এক আলঙ্ঘ্য বাধাৰ প্ৰাচীৰ। এটা সময়ত মদন নিচাগ্ৰস্ত হৈ বিছনাত ঢলি পৰিল গৈ। আৰু সমগ্ৰ নিশাটো – কুকুৰাই ডাক নিদিয়ালৈকে – চিত্ৰাৰ অতিবাহিত হৈছিল প্ৰশান্তৰ বুকুৰ উমলৈ। যেতিয়া প্ৰশান্তৰ কোঠালিৰ পৰা চিত্ৰা মদনৰ কোঠালীলৈ উভতি আহিছিল তেতিয়া ফেহুজালিৰ উপক্ৰম হবলৈ আৰু বাকী নাই। মদন নিচাত বিভোৰ – বুভুক্ষ প্ৰশান্ত প্ৰশান্তিৰে ভৰপূৰ অৰূ চিত্ৰা নতুন অভিজ্ঞতাৰ বিজয় উল্লাসত আত্মবিস্মৃত –!

ঘৰখন যেতিয়া সজীৱ হৈ উঠিল তেতিয়া পুহমাহৰ কুঁৱলি ভেদ কৰি সুৰুজৰ ৰশ্মিয়ে চুচুক-চামাকৈকে গৈ উত্তৰ-পূব দিশে অৱস্থিত আৰুণাচলৰ পৰ্বতৰ টিঙত খুন্দা মাৰিছে আৰু ছিটিকি আহি জমি থকা বৰফ বা ঠাইবিশেষে ঘন শুকুলা মেঘৰ বুকুত পৰি বিচ্ছুৰিত হৈ সৃষ্টি কৰিছে এক কল্পনাতীত ৰঙৰ 'ৰায়ত' – যিটো বৰ্ণনাৰে বুজাব নোৱাৰি – কল্পনাহে কৰিব পাৰি। তথাপিও পৰিস্থিতিটো উদাস; শুকুলা মেঘবোৰ উদাস – বাধ্য হৈ পূবেৰুণক সাবটি লোৱা বৰফবোৰ উদাস – পূবেৰুণৰ উষ্মাই সিহঁতক গলাব নোৱাৰে! চকুমুখ মোহাৰি প্ৰশান্ত আহি যেতিয়া পিচপিনৰ বাৰান্দাখনত বহিলহি – তেতিয়া এই উদাস পৰিবেশটোৱে তাক নিস্তেজ কৰি পেলালে; যোৱা ৰাতিটোৰ উন্মাদনা আৰু মাদকতাও অবাস্তৱ যেনহে অনুমান হ'ল।



বাৰান্দাখনত তেতিয়া চকামকাকৈ অলপ ৰ'দ পৰিছিলহি। প্ৰশান্তই তালৈকে চকী এখন টানি নি বহিল আৰু খানচামা বাবুৱাক চাহ দিবলৈ ক'লে। চাহৰ কাপটো হাতত লোৱাৰ লগে লগে মদনো আহি ওচৰতে বহিল।

চৌহদটোৰ পিচপিনেৰে যিটো সৰু ৰাস্তা আছে – সেইটোৰে প্ৰশান্তৰ বঙলাটোৰ প্ৰায় সমুখতে অৱস্থিত ছোৱালীৰ কলেজখনলৈ ছাত্ৰীসকলৰ অহাযোৱা আৰম্ভ হৈছে। হঠাতে কেইজনীমান ছোৱালীয়ে মদনক লক্ষ্য কৰি কিৰিলি পাৰি উঠিল আৰু কলেজ পোৱাৰ লগে লগে 'মদানদা আহিছে' – মদনদা আহিছে' বুলি হুলস্থুল লগাই দিলে। প্ৰশান্তৰ লগত চিনাজনা নথকা কথাটোৱে ইমানদিনে থিয় কৰাই ৰখা প্ৰাচীৰখন যেন হঠাতে অন্তৰ্দ্ধান হ'ল আৰু অলপ সময় পিচতে কলেজখনৰ পৰা এজাক ছোৱালী চৌহদটোলৈ সোমাই আহিল।

ইতিমধ্যে ৰ'দজাক আহি ঘাঁহনিখন উজ্জ্বল কৰি তুলিছিল – কুঁৱলিজাকো আঁতৰি গৈছিল। পৰিবেশটো উৎসাহজনক দেখি প্ৰশান্তই চিঞৰিলে – বাবুৱা, অ' বাবুৱা, চকীবোৰ ৰ'দলৈ উলিয়াই আন।

কথামতে কাম। চকীবোৰ আনি বাবুৱা আৰু আন এটা লিগিৰাই ঘাঁহনিখনত পাৰি দিলে। প্ৰশান্ত আৰু মদন তালৈকে উঠি গ'ল আৰু 'মদন-বলিয়া' ছোৱালীহঁতকো বহিব দিলে। সৌজন্যসূচক কথা-বতৰাৰ বিনিময় আৰু 'অটোগ্ৰাফ' লোৱা পৰ্ব চলি থকোতেই মদনে লক্ষ্য কৰিলে পূবলৈ কিছুদূৰৈত অৱস্থিত বিলখনত এজাক হাঁহ উৰি আহি পৰিবলৈ আৰম্ভ কৰিছে। মদনে প্ৰশান্তৰ দৃষ্টি আকৰ্ষণ কৰি কলে – প্ৰশান্ত, বহুতো হাঁহ পৰিছে যেন লাগিছে – এদিন হাঁহ চিকাৰলৈ যাওঁ ব'ল। প্ৰশান্তই উত্তৰ দিয়াৰ আগতে দুজনীমান ছোৱালীয়ে চিঞৰি উঠিল –

আমাকো লগত নিব লাগিব –। 'হাঁহ নহয়, তোমালোকহে চিকাৰ হবা' বুলি কৈ মদনে প্ৰশান্তক চকু টিপিয়ালে আৰু 'নিশ্চয় নিম' বুলি কৈ প্ৰসঙ্গ সলনি কৰিবলৈ চেষ্টা কৰিলে। বাবুৱাই ইতিমধ্যে ছোৱালীজাকক চাহ-জলপানেৰে আপ্যায়িত কৰিছিল। ভিতৰৰ পৰা চিত্ৰাই চিঞৰি মতা শুনা গ'ল –

ব্ৰেকফাষ্ট দিয়া হৈছে – আহা খোৱাহি।

কোনো সঁহাৰি নাপাই চিত্ৰাই এইবাৰ কণ্ঠস্বৰ 'তাৰা'লৈ তুলি বিদ্ৰোহ ঘোষণা কৰিলে –

ব্ৰেকফাষ্ট ঠাণ্ডা হৈ যায় – মই ৰখি থাকিব নোৱাৰো।

নক'লেও হব মদন আৰু প্ৰশান্তক এজাক পখিলীয়ে আগুৰি মছগুল কৰি ৰখাটো চিত্ৰাই সহ্য কৰিব পৰা নাছিল। চিত্ৰাৰ চিঞৰ-বাখৰে মদন আৰু প্ৰশান্তক তৎপৰ কৰি নুতুলিলেও গাভৰুজাক সন্ত্ৰস্ত হৈ পৰিল আৰু আকৌ কাইলৈ লগ পোৱাৰ নিশ্চিত প্ৰতিশ্ৰুতি দি কলেজমুৱা হ'ল। প্ৰশান্তৰ উদাস, উদাস ভাবটো ইতিমধ্যে ৰ'দৰ প্ৰখৰতাত কুঁৱলি উৰি যোৱাৰ দৰে লাহে লাহে নাইকিয়া হৈছিল আৰু বেছ উল্লাসেৰেই আহি ব্ৰেকফাষ্টৰ মেজত যোগদান কৰিছিল যদিও কিবা এটা 'দোষী – দোষী' ভাবৰ হেঁচাত চিত্ৰাৰ মুখলৈ চকু তুলি চাব পৰা নাছিল। কিন্তু চিত্ৰাৰ মুখমণ্ডলত নাছিল কোনো জড়তা – নাছিল অকণো নাৰীসুলভ লজ্জাসূচক দৃষ্টি। যেন যিবোৰ হ'ল – সেয়া অতি সহজ, অতি সৰল। অৰ্থাৎ নহ'লে আন একো গতি নাই। প্ৰশান্তৰ দৰে উচ্ছৃংখল চৰিত্ৰৰ মানুহজনেও আনকি চিত্ৰাৰ মুখলৈ মূৰ তুলি চাব পৰা নাছিল। ব্ৰেকফাষ্ট-পৰ্বৰ পিছত কোনে কি কৰিব তাকে লৈ চলা আলেচনাৰাজি শেষ হোৱাৰ আগতেই তিনিও আহি ঘাঁহনিখনৰ পৰিত্যক্ত আসন তিনিখন দখল কৰিলেহি। ইতিমধ্যে বাতৰি কাকতবোৰ আহি পাইছিল। কোনোবা এখন কাকতত মদনৰ ফটোৰ সৈতে নিবন্ধ এটা প্ৰকাশ হোৱাটো চকুত পৰাৰ লগে লগে চিত্ৰাই চিঞৰি চিঞৰি পঢ়িবলৈ ধৰিলে –

"সঙ্গীতৰ যাদুকৰ মদন হাজৰিকাৰ অমৰ সৃষ্টি 'বঞ্চিতাই' অসমৰ শিল্পীৰ জগতলৈ কঢ়িয়াই আনিছে এক অভূতপূৰ্ব অৱদান – কল্পনাতীত উত্তৰণৰ ইঙ্গিত; ই অসমীয়া কথাছবিৰ পৰম্পাৰক ভাৰতীয় কথাছবিৰ মানচিত্ৰত এখন স্থায়ী আৰু সুকীয়া আসন দিব' যে নিসন্দেহে। ... "

চিত্ৰাৰ উল্লাস শাম কটাৰ আগতে মদনে প্ৰায় চিএৰি কোৱাৰ দৰেই কলে –

'আহা, আহা, পাৰুল, আহা; তুমি আহিবা বুলি মই জানো। লগৰ আইদেউসকল কোন নো?'

'দাদা, আপুনি অহা বুলি খবৰ এটাও দিব নাপায় নে?'

– পাৰুল বৰাৰ প্ৰশ্নৰ উত্তৰত মদনে তপৰাই মাত লগালে।

পাৰুল, ভাবি-চিন্তি, দীৰ্ঘম্যাদী আঁচনি লৈ মোৰ কোনো কামেই কৰা নহয়'। হঠাতে আহো – হঠাতে গুচি যাওঁ। তোমালোকক লগ পাওঁ – কথা পাতো – ভাল লাগে। আৰু বহুতো কিবাকিবি। তুমি জানাই দেখোন। এটা সম্পূৰ্ণ যাযাবৰী জীৱন। পিচে এওঁলোক কোন?'

– 'এওঁলোক আটায়ে মোৰ সতীৰ্থ; অৰ্থাৎ ছোৱালী কলেজৰ অধ্যাপিকা আৰু এখেত দুজন অধ্যাপক।' পাৰুলে প্ৰত্যেকৰে নামবোৰ কৈ চিনাকী কৰি দিলে আৰু প্ৰশান্তৰ পিনে দৃষ্টি পৰাৰ লগে লগে থমকি ৰৈ গ'ল। চাৰি চকুৰ মিলন হ'ল – লগতে বিজুলিৰ সঞ্চাৰ। অস্বস্তিকৰ নীৰৱতাটোৱে মদনক সৰৱ কৰি তুলিলে –

'অ, তোমালোকৰ লগত চাগৈ চিনা-জনা নাই – নহয় নে?

– পিচে মইহে অতিথি – প্ৰশান্তহে গৃহস্থ। এওঁ প্ৰশান্ত দুৱৰা – নাম নিশ্চয় শুনিছা।'

– পাৰুলৰ সতীৰ্থ সবিতা দেৱীয়ে মাত লগালে এইবাৰ –

– 'এখেতকনো কোনে চিনি নাপায়? আমি আহিম আহিম বুলি ভাবিয়ে আছিলো। আজি দুয়োকো একেলগে লগ পোৱাৰ লোভ সামৰিব নোৱাৰিলো।'

প্ৰশান্তই পিচে ইমান সময় নীৰৱে পাৰুলৰ মুখমণ্ডলৰ ওপৰতহে দৃষ্টি নিৱদ্ধ ৰখা কথাটো পাৰুলে বুজি পাই দুষ্টামিৰ হাঁহি এটা ওঁঠত চেপি ধৰি তলমূৱা কৰি আছিল। কথাটোৱে হলে মদনৰ দৃষ্টি আকৰ্ষণ নকৰাকৈ নাথাকিল আৰু মনতে ভাবিলে –

এইবাৰহে বাঘৰ ঘৰত ঘোং সোমাল।

প্ৰশান্তৰ চিত্ত-চঞ্চল হ'ল – জীৱনত পোনপ্ৰথমবাৰৰ বাবে নাৰীৰ সৌন্দৰ্যই তাৰ অন্তৰত জৈৱিক বাসনাত বাদেও আন এক স্বৰ্গীয় অনুভূতিৰ সৃষ্টি কৰিলে। হঠাৎ এয়া কি হ'ল প্ৰশান্তই নিজেই বুজিব নোৱাৰিলে। যাৰ ওচৰত নাৰীৰ দেহৰ কোনো ৰহস্যই অনাবৃত নাছিল – সেই প্ৰশান্তৰ চকুৰ সমুখত পাৰুলৰ দেহ আৰু চকুযুৰি সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্যৰ ভৰাল হিচাপে প্ৰতিভাত হ'ল। পাৰুলক অকলে লগ পোৱাৰ তীব্ৰ বাসনা এটাও ততালিকে মনত ভুমুকি মাৰিলে। এযুৰি চকু ইমান ৰহস্যৰ গৰাকী হব পাৰে বুলি প্ৰশান্তই কোনোদিনেই ভবা নাছিল।

চিনাকী-পৰ্ব শেষ হোৱাৰ পিচত কেইটামান নীৰৱ মুহূৰ্ত পাৰ হৈ গ'ল। ৰাংঢালি কথকী পাৰুলো হঠাতে নীৰৱ হৈ পৰিল। সকলো কথাতে সাধাৰণতে পাৰুলেই আগভাগ লয়। তাই নীৰৱে থকা দেখি অধ্যাপক মিশ্ৰই প্ৰসঙ্গটো উত্থাপন কৰিলে –

'মানে মদনদা, আমাৰ 'কলেজ সপ্তাহ'ৰ পাৰহিলৈ সামৰণি পৰ্ব; পৰিহলৈ বাৎসৰিক সাংস্কৃতিক-সন্ধিয়াখন পতা হৈছে। তাত আপোনালোক দুয়োকো গান গাবলৈ নিমন্ত্ৰণ কৰিবলৈ আহিছো। নিৰাশ নকৰিব, মদনদা। ডাঃ দুৱৰাটো এতিয়া আমাৰ প্ৰতিবেশী, গতিকে দুৱৰাদা, অনুষ্ঠানটো সফল কৰি তোলাত আপোনাৰো দায়িত্ব আছে।'

অধ্যাপক মিশ্ৰৰ মুখৰ কথা কাঢ়ি লৈ মদনে কলে –

'যিয়েই নকওক, মোৰ কাৰণে অসম্ভৱ – কাৰণ মই কাইলৈ পাছিঘাট পাব লাগিব। তালৈ প্ৰধানমন্ত্ৰী আহিব আৰু পৰিহলৈ তেখেতৰ সন্মানাৰ্থে পাছিঘাটত আয়োজন কৰা সাংস্কৃতিক সন্ধিয়াখনৰ গুৰি ধৰোতা হবলৈ আৰু সমগ্ৰ অনুষ্ঠানটোৰ চলচ্চিত্ৰ ল'বলৈ অৰুণাচল চৰকাৰ আৰু ফিল্ম-ডিভিজনে মোকেই দায়িত্ব দিছে।' অলপ ৰৈ মদনে আকৌ ক'লে – 'মোকতো আপোনালোকে বহুবাৰ পাইছে – এইবাৰ প্ৰশান্তক লৈ সাংস্কৃতিক সন্ধিয়া উদ্‌যাপন কৰক; মই নিশ্চিত প্ৰশান্তই আপোনালোকক নিৰাশ নকৰে – চাব, প্ৰশান্তক পালে মোক আপোনালোকে পাহৰি যাব। – কি কোৱা পাৰুল ?'

ইঙ্গিতটো আনে নুবুজিলেও পাৰুলে বুজি পালে। অৱশ্যে প্ৰশান্তৰ, জীৱনত এবাৰৰ বাবে হলেও, কাণ-মূৰ গৰম লাগি গ'ল। মাথোন প্ৰশান্তই গম নাপালে যে মদনৰ লগত প্ৰতিবাৰ নতুন নতুন সঙ্গিনীৰ আবিৰ্ভাৱ হোৱা সত্বেও পাৰুল মদনৰ জীৱন-সঙ্গিনী হোৱাৰ আশাত আজিও অপেক্ষাৰতা। আনহাতে মদন বহুবল্লভাসকলৰ নাগপাশত চিৰবন্দী। পাৰুলে বুজিও বুজিব নোখোজে।

ইয়াৰ পিচৰ দৃশ্যপটৰ পৰিবৰ্তন খুব সঘনে হব ধৰিলে। অভিজ্ঞতাপুষ্ট পাৰুলৰ মনত লুকাই থকা ষষ্ঠেন্দ্ৰিয়ই বুজি পাইছিল যে প্ৰশান্ত তাইৰ প্ৰতি আকৃষ্ট হৈছে। স্বৈৰিণী বুলি অপবাদ থকা পাৰুল দোধোৰ-মোধোৰত পৰিল; জীৱনত আকৌ এবাৰ আনুগত্য সলনি কৰিব নে নকৰে নিজকে প্ৰশ্ন কৰিলে। বিগত দিনত মদনৰ বুকুৰ উমে তাইক তৃপ্ত কৰিছে – কিন্তু কোনোদিনেই নিশ্চয়তাৰ আশ্বাস দিয়া নাই। মদনে ধৰা দিব নোখোজে – সঁচাকৈয়ে এক যাযাবৰ – এটা উৰণীয়া পখী। ভূপেনৰ 'মই এক যাযাবৰ' গানটো বাৰে বাৰে কাণত বাজি উঠিল। কলেজীয়া জীৱনত দীপক আৰু প্ৰবালৰ লগত হোৱা সম্বন্ধ আছিল তেনেই প্ৰাৰম্ভিক যৌবনৰ প্ৰগল্‌ভতা। আৰু মহাবীৰ জৈন ? মহাবীৰে যে কোনোদিনেই তাইৰ পছন্দ-অপছন্দলৈ ভ্ৰূক্ষেপ কৰা নাছিল। তাইৰ সংসৰ্গলৈ অহা পুৰুষৰ তালিকাখন ইমান দীঘল যে বহুতকে তাই নিজেই পাহৰি গৈছে। প্ৰশান্তৰ লগত হোৱা নীৰৱ দৃষ্টি বিনিময়ে তাইৰ সকলো হিচাপ-নিকাচ ওলট-পালট কৰি দিয়াৰ উপক্ৰম কৰিলে – মন আকৌ এবাৰ চঞ্চল হৈ উঠিল – সিদিনা ৰাতি তাইৰ টোপনি নাহিল। আনকি সমগোত্ৰী ইন্দিৰাৰ চকুত পাৰুলৰ এই অস্থিৰতা ধৰা নপৰাকৈও নাথাকিল। ইন্দিৰা কুৎসিত ইঙ্গিত দিয়াত পকৈত। পাৰুলৰ বাহুত চিকুট মাৰি দি ইন্দিৰাই সুধিলে –

কি অ' – কি হ'ল ? নতুন চিকাৰৰ সন্ধান পাইছ নিশ্চয় – নহয় জানো ?

তথাপিও পাৰুল নীৰৱেই থাকিল। আন দিনা হ'লে পাৰুলে যথাযোগ্য উত্তৰ দি ইন্দিৰাৰ নিজৰ কীৰ্তিসমূহ সোঁৱৰাই দিবলৈ অলপো দেৰি নকৰিলেহেঁতেন।

যথাসময়ত কলেজৰ সাংস্কৃতিক সন্ধিয়াৰ অভাৱনীয় সফলতাৰে সামৰণি পৰিল। প্ৰশান্তৰ গীতে লক্ষীমপুৰীয়া ৰাইজৰ মন মুহিলে। ক্ষন্তেকৰ বাবে হলেও লক্ষীমপুৰে পাহৰি গ'ল প্ৰশান্তৰ কদৰ্য অতীত। সতীৰ্থসকলে দুষ্টামি কৰি প্ৰশান্তৰ আলপৈচান ধৰাৰ দায়িত্ব পাৰুল বৰাকেই দিছিল। প্ৰশান্তই নতুন অনুপ্ৰেৰণা পাইছিল – প্ৰতিটো গীতত নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল। দোভাগ নিশাৰ পিচত বিদায় লবৰ সময়ত আটায়েৰে অলক্ষিতে পাৰুলৰ সোঁহাতখন নিজৰ হাতৰ মুঠিত চেপি ধৰি কৈছিল – 'আপোনাক অকলে লগ পাবলৈ মনটোৱে পৰহিৰ পৰায়ে হাহাকাৰ কৰি আছে। কাইলৈ দেওবাৰ – এবাৰ যেনেতেনে আহিব।'

'চাওঁ বাৰু' বুলি চমু উত্তৰ এটা দি পাৰুলে প্ৰশান্তক বিদায় দিছিল।

ৰাতিপুৱা সাৰ পোৱাত দেৰি হব বুলি ভয় কৰি কলেজৰ পৰা নিশা উভতি আহি মাত্ৰ দুটা 'পেগ'তে প্ৰশান্তই সুৰাদেৱীৰ সাধনা সমাপ্ত কৰা দেখি বাবুৱা আচৰিত হৈছিল। আনকি গা অসুখ নেকি সুধিছিল। ৰাতিপুৱা ন-বজাৰ আগতে শুই নুঠা প্ৰশান্ত পিচদিনা পুৱা ৬-৩০ বজাতে সাজিকাচি সাজু হৈ ৰ'ল। এই প্ৰতীক্ষা অন্তহীন যেন অনুমান হ'ল। সুন্দৰ ৰাতিপুৱাটো ব্যৰ্থ হৈ যোৱা যেন লাগিল তাৰ। এটা সময়ত দুপৰীয়াৰ সাজ খোৱাৰ প্ৰস্তুতি চলিল; কিন্তু পাৰুলৰ দেখাদেখি নাই। কিবা এবাৰ নোৱাৰা অসুবিধা হ'লবুলি নিজৰ মনক প্ৰবোধ দিলে। হেজাৰ হওক তিৰোতা মানুহ – কিমান অসুবিধা হব পাৰে। তাতে আকৌ সমাজখনৰো কথা আছে – (যেনিবা পাৰুলে সদায় সমাজৰ শেন চকুকহে ভয় কৰি চলিছে !)। যোৱা নিশাৰ অৰ্দ্ধসমাপ্ত 'কোটা'টো পূৰ কৰিবলৈ দুপৰীয়াৰ সাজ খোৱাৰ আগতে কেবা 'পেগো' বিলাতী 'জিন' গলাধঃকৰণ কৰিলে আৰু ভাত খাই উঠি ভাল ঘুমটি এটা মাৰিবলৈ বিছনাৰ আশ্ৰয় ললে।

যেতিয়া সাৰ পালে তেতিয়া সন্ধিয়া হোৱাৰ উপক্ৰম। ৰাস্তাৰ লাইটবোৰ ইতিমধ্যে জ্বলি উঠিছে। সাৰ পাই প্ৰশান্ত বেছ কিছুসময় বিছনাতে পৰি থাকিল। ড্ৰইং ৰুমৰ পৰা নাৰীৰ কণ্ঠস্বৰ ভাহি অহা যেন অনুমান হ'ল তাৰ। প্ৰশান্তই নাৰীৰ গোন্ধ সহজে পায়। চিঞৰি বাবুৱাক সুধিলে – বাবুৱা, কোনোবা আহিছে নেকি অ' ?

বাবুৱা দৌৰি আহি কলে –

– হয় দেউতা, অথনিতে আহিল – সেইযে সিদিনা কলেজৰ বাইদেউসকল আহিছিল তেওঁলোকৰেই এজনী। প্ৰশান্তৰ বুকুখন চিৰিংকৈ গ'ল আৰু নভবা-নিচিন্তাকৈ বাবুৱাক কলে –

ইয়ালৈকে লৈ আহ – যা।

বাবুৱাই প্ৰশান্তৰ চালচলন সৰুৰে পৰা দেখি আহিছে। গতিকে পাৰুলক বেদৰুমলৈকে লৈ আহিবলৈ কোৱাত অকণো আচৰিত নহ'ল। বাবুৱা ওলাই গ'ল আৰু অলপো সঙ্কোচ নকৰাকৈ প্ৰায় লগে লগেই পাৰুল সোমাই আহিল। প্ৰকৃততে প্ৰশান্তই পাৰুলৰ প্ৰকৃতি বুজি পাবলৈ এতিয়াও বহুত বাকী।

পাৰুলক নাৰী হিচাপে সৃষ্টি কৰিবৰ সময়ত ভগবানৰ নিশ্চয় কিবা ভুল হৈছিল। হয় অন্যমনস্ক হৈ আছিল – নহয় কম্পিউটাৰটোত ভুল বুটাম টিপিছিল – যাৰ ফলত নাৰীসুলভ সৌন্দৰ্য আৰু কমনীয়তাৰ গৰাকী হোৱাৰ পিচতো পাৰুলৰ চৰিত্ৰত পুৰুষসুলভ হঠকাৰিতাৰ প্ৰাধান্য যথেষ্ট পৰিলক্ষিত হৈছিল। সৰুতে মাক মৰিছিল – প্ৰকৃততে তাই মাকৰ মৰম নাপালেই। মাহীমাকৰ অত্যাচাৰে তাইৰ জীৱন অতিষ্ঠ কৰি তোলাৰ ফলত পাৰুলে সমগ্ৰ পৃথিৱীখনৰ বিৰুদ্ধে – বিশেষকৈ পুৰুষ জাতিটোৰ বিৰুদ্ধে – অৱজ্ঞাসূচক দৃষ্টিভঙ্গী এটা গঢ়ি উঠাত বাধা দিব পৰা নাছিল। ভগবানৰ বা সৃষ্টিকৰ্তাৰ এই বে-হিচাপৰ বাবে কিমান যে জটিলতাৰ ইতিমধ্যে সৃষ্টি হৈছে আৰু ভৱিষ্যতেও হব পাৰে সেই বিষয়ে প্ৰশান্ত ওৱাকিবহালো নহয় আৰু ব্যস্তও নহয়। প্ৰশান্তই যদি জানিলেহেঁতেন, যে পাৰুলৰ জীৱনৰ যিমানবোৰ প্ৰণয়ঘটিত কেলেঙ্কাৰী সেই আটাইবোৰতে পাৰুলেই সদায় আগভাগ লৈছিল, সংশ্লিষ্ট পুৰুষপক্ষ সঁচা কবলৈ গ'লে, অসহায় দ্বিতীয় পক্ষহে আছিল – তথাপিও হয়তো প্ৰশান্তৰ পদক্ষেপে – বিশেষকৈ পাৰুলৰ চকুৰ সন্মোহিনী শক্তিৰ উমান পোৱাৰ পিচত – বেলেগ দিশ ললেহেঁতেন বুলি কোৱা টান। সঁচা মাহীমাকৰ অত্যাচাৰে পাৰুলক অতিষ্ঠ কৰি তুলিছিল আৰু একমাত্ৰ মোমায়েক বিখ্যাত উদ্যোগপতি হৰেকৃষ্ণ ডেকাৰ আশ্ৰয় আৰু সহায় নোপোৱাহেঁতেন হয়তো তাই ক'ৰবাত বান্দীৰ জীৱন কটাবলগীয়া হ'লহেঁতেন। পিচে দুৰ্ভাগ্যৰ শেষ নাই; মোমায়েকৰ আকস্মিক মৃত্যুৰ পিচত এই বিশাল ধৰণীখনত কাৰোবাৰ প্ৰতি অকণমানো আনুগত্য ৰখাৰ আৱশ্যকতা পাৰুলৰ জীৱনত নোহোৱা হৈ গৈছিল। তাৰ পৰিবৰ্তে কিবা এক অব্যক্ত প্ৰতিশোধপৰায়ণ মানসিকতাই পাৰুলৰ প্ৰতিটো পদক্ষেপ নিয়ন্ত্ৰণ কৰিছিল। প্ৰতিশোধ – এৰা, প্ৰতিশোধ ! কিন্তু কাৰ ওপৰত ? চূড়ান্ত বিশ্লেষণত হয়তো ওলাই পৰিলেহেঁতেন যে পাৰুলৰ পুৰুষৰ ওপৰত এই প্ৰতিশোধ লোৱা মানসিকতাৰ গুৰি আছিল নিজৰ জন্মদাতা বাপেকৰ স্ত্ৰৈণ প্ৰকৃতি – যিকোনো নাৰীৰ প্ৰতি থকা অস্বাভাৱিক দুবৰ্লতা; যেনতেন প্ৰকাৰেণ যৌনস্পৃহা চৰিতাৰ্থ কৰাৰ প্ৰবৃত্তি। তাইৰ বক্তব্য হ'ল – 'দেউতাই যদি এইবোৰ কৰিব পাৰে, তেনেহ'লে মই কৰাতনো বাধা ক'ত ?' মাহীমাকৰ একমাত্ৰ পুতেক – তাইৰ বৈমাত্ৰেয় সৰু ভায়েক কৰুণাৰ যেতিয়া পৰিয়ালটোৰ সমগ্ৰ সেৱা-শুশ্ৰূষা একচেটিয়া অধিকাৰ হৈ পৰিছিল – তেতিয়া তাইৰ বিকাশউন্মুখ নাৰীত্বৰ ওপৰত ভীষণ হেঁচাৰ সৃষ্টি হৈছিল। তাই হৈ পৰিছিল বিদ্ৰোহী আৰু স্বাভাৱিকভাবেই তাইৰ মাজত 'যুদ্ধং দেহি' মনোভাব এটা গঢ়ি উঠা বাবেই হয়তো পুৰুষসুলভ প্ৰকৃতিয়ে তাইৰ মাজত প্ৰাধান্য লাভ কৰিছিল। মাহীমাকৰ লগত সঘনে হোৱা তৰ্ক-বিতৰ্ক, কাজিয়া-পেচালৰ ফলত তাইৰ পাৰিপাৰ্শ্বিকতাৰ জ্ঞান, জ্যেষ্ঠজনৰ প্ৰতি সন্মান হেৰাই গৈছিল। সময়ত ই গৈ সম্যক জ্ঞানৰ অভাৱ হিচাপে তাইৰ চৰিত্ৰত ফুটি উঠিছিল। প্ৰথম সুযোগ পোৱাৰ লগে লগেই মাহীমাকৰ সংসাৰখনৰ পৰা ওলাই আহিছিল। এম-এ পৰীক্ষা দি বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ পৰা তাই ঘৰলৈ উভতি যোৱা নাছিল। মোমায়েকে তাইৰ নামত বেঙ্কত যথেষ্ট টকা এৰি গৈছিল বাবে আৰ্থিক অনাটন বিশেষ এটা অনুভৱ কৰা নাছিল। তায়ো বাছি লৈছিল মুকলিমূৰীয়া এটা যাযাবৰী জীৱন আৰু এদিন আহি উত্তৰ লক্ষীমপুৰত থিতাপি লৈছিল। নাছিল কোনো দায়বদ্ধতা – কোনো দায়িত্ব। ইমানৰ পিচতো কিন্তু তাইৰ সুৰাপানৰ প্ৰতি আছিল প্ৰচণ্ড ঘৃণা। বাপেকে অত্যন্ত সুৰাসক্ত হৈ নিজৰ দায়িত্বলৈ পিঠি দিয়া বাবেই হয়তো তাইৰ এই বিতৃষ্ণা আৰু ঘৃণাৰ জন্ম হৈছিল।

যি নহওক মূল কাহিনীলৈ আকৌ উভতি অহা যাওক। বৰ্তমান আমি প্ৰশান্তৰ শোৱনি কোঠাতহে আছো – পাৰুলৰ অতীত বহু দূৰৈত।

অপলক নয়নে পাৰুলৰ প্ৰতি কেইটামান মুহূৰ্ত চাই থকাৰ পিচতহে প্ৰশান্তই সম্বিত ফিৰাই পালে আৰু তাইক বহিবলৈ ক'লে –

'আহক, বহক।'

পাৰুলে অলপ দূৰৈত থকা আৰামী চকী এখনৰ পিনে আগবাঢ়ি যোৱা দেখি আকৌ কলে –

'ইয়াতে – ওচৰত বহক।'

অৰ্থাৎ বিছনাখনৰ চুক এটাতে বহিবলৈ কলে। পাৰুলেও অলপো ইতস্ততঃ বোধ নকৰি তাৰ মূৰৰ পিনে বিছনাখনত বহিল।


কেইটামান নীৰৱ মুহূৰ্ত পাৰ হৈ গ'ল। এনেধৰণৰ পৰিবেশত যে নীৰৱতা কিমান সবাক – কিমান অৰ্থপূৰ্ণ হৈ উঠে তাক সংশ্লিষ্ট জনাইহে উপলব্ধি কৰে। আচৰিত কথা যে পাৰুলৰ লোভনীয় সান্নিধ্যই বুভুক্ষু প্ৰশান্তৰ মনত কোনো পাশবিক প্ৰবৃত্তিৰ জন্ম নিদিলে। লাহেকৈ তাইৰ সোঁহাতখন বুকুৰ মাজত সাবটি লৈ সুধিলে

– বেদৰুমলৈ অকলে আহিবলৈ ভয় নলাগিল নে ?

– নাই, লগা নাই।

– কিন্তু মোৰ অতীতটো আপুনি নাজানে।

– মোৰ অতীতো আপুনি নাজানে। পাৰুলৰ উত্তৰ। প্ৰশান্তই



OKDISCD

টপৰাই উত্তৰ দিলে –

আপোনাৰ অতীত-সন্ধান মোৰ আকৰ্ষণৰ – মোৰ প্ৰণয়ৰ উৎস নহয়। আপুনি আপুনি – মই ময়েই। পিচে আজি সমগ্ৰ দিনটো বাট চাই থাকোতেই গ'ল – ৰাতিপুৱা নাহিল কিয় ?

– তেতিয়া হ'লে অকলে অহা সম্ভৱ নহ'লহেঁতেন।

– অকলে আহিবলৈ ভয় নালাগিল নে ? কিয় নালাগিল বাৰু ?

প্ৰশান্তৰ চকুত চকু ৰাখি পাৰুলে অতি প্ৰত্যয়ৰে ক'লে –

চাওক, পুৰুষৰ ওপৰত মোৰ অকণো বিশ্বাস নাই – বিশেষকৈ সুৰাসক্তসকলৰ ওপৰত।

প্ৰশান্ত উচপ্ খাই উঠা দেখিও পাৰুলে কৈ গ'ল –

– প্ৰথম দিনাই আপোনাৰ চকুত দেখা দৃষ্টিয়ে মোক পতিয়ন নিয়াইছিল যে আপুনি দেৱদূত নহলেও কাপুৰুষ নহয়। যিমানবোৰ পুৰুষৰ সংসৰ্গলৈ আহিলো – তেখেতসকলৰ দৃষ্টি আৰু আপোনাৰ দৃষ্টিৰ মাজত আকাশ-পাতাল প্ৰভেদ দেখিছিলো বাবেই মোৰ এই প্ৰত্যয়। মনত ৰাখিব নাৰীয়ে পুৰুষৰ দৃষ্টি বুজাত ভুল নকৰে – লগতে মনত ৰাখিব মোৰ শৰীৰ আৰু মন দুটা সুকীয়া সত্বা।

– 'বলক – অলপ নৈৰ পাৰৰ পৰা ফুৰি আহোঁগৈ।'

– 'যাব নে' ? যাব বুলি জানিলেও প্ৰশান্তই তাইৰ পিনে অনুনয়ৰ দৃষ্টিৰে চালে।

'যাম বাৰু – পিচে বেছি দেৰি নকৰিব'

'নকৰো বাৰু' বুলি কৈ প্ৰশান্ত সাজু হ'বলৈ বাথ-ৰুমত সোমাল। দেৰি নকৰিবলৈ কৰা অনুনয়-বিনয়ৰ কোনো অৰ্থ নাই বুলি প্ৰশান্তই জানে আৰু লগতে পাৰুলেও। দুয়ো যেতিয়া প্ৰশান্তৰ ধুনীয়া বিদেশী গাড়ীখনত ওলাই গ'ল তেতিয়া সন্ধিয়া উত্তীৰ্ণ হওঁ হওঁ অৱস্থা। তীব্ৰ গতিত গাড়ী চেকুৰাই প্ৰশান্ত কিমিন্ পাৰ হৈ গ'ল আৰু এটা সময়ত ৰঙানদীৰ পাৰৰ নিৰ্জন ঠাই এটুকুৰাত গাড়ী ৰাখিলে। দুয়ো নামি গ'ল ৰঙানদীৰ বিস্তীৰ্ণ পাৰলৈ আৰু ডাঙৰ শিল এটাত দুয়ো মুখামুখি হৈ বহিল। নাতিদূৰত ৰঙানদীৰ কল্লোলধ্বনি আৰু মূৰৰ ওপৰত শুক্লপক্ষৰ চতুৰ্থীৰ অস্তগামী জোন ! এক অপূৰ্ব, নিৰ্জন পৰিবেশ। নিজক উপলব্ধি কৰিবৰ বাবে – নিজক বিলাই দিবৰ বাবে প্ৰশান্তৰ মনত তীব্ৰ বাসনা জাগে – সমগ্ৰ পৃথিৱীখনকে সলনি কৰি পেলোৱাৰ বাবে এটা নতুন চিন্তাই ভুমুকি মাৰে তাৰ মনত।

– চোৱা, পাৰুল আজি তোমাক বহুত কথা কম বুলিয়ে ভাবি আছিলো; কিন্তু এতিয়া ভাষা বিচাৰি পোৱা নাই।

'আপুনি'ৰ পৰা সম্বোধন 'তুমি'লৈ নামি অহা লক্ষ্য কৰি পাৰুল ওচৰ চাপি আহিল। আৰু নিজৰ হাত দুখন প্ৰশান্তৰ কোলাৰ ওপৰত ৰাখিলে। প্ৰশান্তক আশ্বাস দি ক'লে –

'আপুনি কওক – মই বিশ্বাস কৰিম। মোৰ বক্তব্য পিচত শুনিব বাৰু। আপুনি আনতকৈ বহুত বেলেগ – প্ৰথম দিনাই মই বুজি পাইছো।' চিগাৰেট এটা জ্বলাই লৈ লগত অনা ফ্লাস্কৰ পৰা ব্ৰাণ্ডি অলপ ঢালি লৈ প্ৰশান্তই নিৰুদ্বেগ কণ্ঠেৰে আৰম্ভ কৰিলে –

– কোনোদিনেই ভবা নাছিলো, পাৰুল, যে জৈৱিক কামনা-বাসনাত বাদেও আন কিবা এক অশৰীৰী অনুভূতিয়েও পুৰুষক নাৰীৰ প্ৰতি আকৃষ্ট কৰিব পাৰে। অতীতক লৈ গৌৰৱ কৰিবলগীয়া মোৰ একোৱে নাই; এটা সম্পূৰ্ণ কদৰ্য অতীত। তাৰ বাবে অলপো দুশ্চিন্তাও মোৰ নাছিল। কিন্তু তোমাক প্ৰথম দেখাৰ পিচৰ পৰাই আন এখন পৃথিৱীৰ এটা অস্পষ্ট আভাষ যেন মোৰ চকুৰ আগত ৰিণিকি ৰিণিকি ভাহি উঠিব খোজে। জীৱন হয়তো মই জনাতকৈ বহুত বেছি ধুনীয়া – পৃথিৱীখন বহুত বেছি সুন্দৰ ! অতীতক লৈ মই আজি ক্লান্ত। মোক জিৰাবলৈ – এটা শান্ত পৰিবেশত জীৱনৰ বাকীকেইটা দিন কটাবলৈ যি সুযোগৰ আৱশ্যক – সেই সুযোগ অকল তুমিয়েই সৃষ্টি কৰিব পাৰিবা বুলি মোক মোৰ সত্তাই অহৰহ সোঁৱৰাব ধৰিছে। একেলগে ইমানবোৰ কথা কৈ প্ৰশান্ত যেনিবা ভাগৰিহে পৰিছিল। ফ্লাস্কৰ পৰা ব্ৰাণ্ডি অলপ ঢালি লৈ গলাধঃকৰণ কৰিলে আৰু পাৰুলক বুকুত সাৱটি লৈ কাণে কাণে ক'লে –

সোণজনী – মোক নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ সুযোগ এটা দিয়া – মোৰ অতীতটোক সমাধিস্থ কৰিবলৈ মোক সহায় কৰা। ময়ো মানুহহে – পাহৰি নাযাবা। জীৱন অনন্ত – তাৰ পৰিসৰ অনন্ত আৰু তাৰ মাজতে 'তুমি-মই' হব খোজো চিৰন্তন। পাৰুলে নিজৰ মূৰটো প্ৰশান্তৰ কোলাত থিতাপি লগাই খুব লাহে লাহে কব ধৰিলে –

'প্ৰশান্তদা, আপুনি অপোনাভোলা মানুহ। হঠাতে ইমান গুৰুতৰ সিদ্ধান্ত এটা লব খুজিছে – অথচ মোৰ বিষয়ে একোৱে নাজানে। পাৰ্থিৱ বাস্তৱটো বৰ নিৰ্দয়, প্ৰশান্তদা।'

– 'মোৰ জনাৰ আৱশ্যক নাই, পাৰুল। কাৰুণ্য আৰু নিৰ্দয়তাৰ সমাবেশেই জীৱন নহয় জানো ?' তোমাৰ অতীত তোমাৰ – মোৰ নহয়।

'নহয়, আপুনি শুনিব লাগিব – মোৰ অতীত, মোৰ ভৱিষ্যত সম্বন্ধে। তাৰ পিচতহে এটা সিদ্ধান্ত লোৱা সমীচিন হব' – পাৰুলে দৃঢ়তাৰে কলে।

ইতিমধ্যে চতুৰ্থীৰ জোন ডুবিল – অন্ধকাৰ ঘন হৈ আহিল। এই নিবীড়তাৰ মাজত দুটা অঘৰী আত্মাই পৰস্পৰৰ ওচৰত কৰা সৰল স্বীকৃতিয়ে পৰিবেশ গহীন কৰি তুলিলে। সদাজাগ্ৰত নক্ষত্ৰবোৰে নিজৰ মাজতে চকু টিপিয়াই আন এক নতুন ৰহস্যৰ সাক্ষী হৈ ৰ'ল।

তাইৰ কথা শুনিবলৈ প্ৰশান্ত অপেক্ষাৰত দেখি পাৰুলে আৰম্ভ কৰিলে –

প্ৰশান্তদা, মোৰ পলায়নবাদৰ নিৰ্লজ্জ কাহিনী শুনিলে হয়তো আপুনি সিদ্ধান্ত সলনি কৰিব। সম্ভ্ৰান্ত পৰিয়ালৰ কোনো ছোৱালীয়ে হয়তো মোৰ দৰে বিশৃংখল জীৱন এটা যাপন কৰা নাই। অতিষ্ঠ হৈ এটা সময়ত মই উদ্‌ভ্ৰান্ত হৈ গৈছিলো। ইয়ালৈ আহি খুব শান্তি পাইছো – কাৰণ লক্ষীমপুৰীয়া ৰাইজ বৰ উদাৰ। মই ছোৱালীহঁতক কলেজত ভালদৰে পঢ়ুৱাব পাৰিছো নে নাই তাৰহে বিচাৰ তেওঁলোক কৰে। বহুতেই হয়তো মোৰ অগোচৰে বু-বা কৰে – কিন্তু অস্বস্তিকৰ ৰিস্থিতি এটাৰ সৃষ্টি আজিও হোৱা নাই। আন ঠাইত হয়তো মোৰ দৰে উজু চৰিত্ৰৰ ছোৱালী এজনী কেতিয়াবাই বিবস্ত্ৰ হ'ব লাগিলহেঁতেন।

পাৰুলে লাহে লাহে তাইৰ সমগ্ৰ কৰুণ অতীতটো প্ৰশান্তৰ আগত দাঙি ধৰিলে। প্ৰশান্তই তাইৰ স্পষ্টবাদীতা আৰু নিৰ্ভীক উক্তিৰ সমুখত স্তম্ভিত হৈ পৰিল – এক কথাত ক'বলৈ গ'লে বাকৰহিত হ'ল। পাৰুলক সাৱটি ধৰি যে কিমান সময় বহি থাকিল তাৰ হিচাপ ৰখাৰ প্ৰয়োজন তেতিয়া দুয়োৰো মাজত এজনৰো নাছিল। কোনো অভিসাৰিকা চৰাই এজনীৰ দূৰৈৰ পৰা ভাহি অহা কৰুণ কণ্ঠই দুয়োকো সম্বিত ফিৰাই দিলে। প্ৰশান্ত উঠিবলৈ উদ্যত হোৱা দেখি পাৰুলে প্ৰশান্তৰ হাতৰ আঙুলিবোৰ লিৰিকি বিদাৰি ক'লে –

প্ৰশান্তদা, মোক কথাটো ভাবি চাবলৈ অলপ সময় দিয়ক। আৰু এটা কথা – পাৰুল বৈ গ'ল। পাৰুলে ইতস্ততঃ কৰা দেখি প্ৰশান্তই ক'লে –

'কোৱা – কি কব খুজিছা নিসন্দেহে কোৱা।'

'চাওক, প্ৰশান্তদা, মই মদ খোৱা কথাটো সমূলি সহ্য কৰিব নোৱাৰো। আপোনাৰ আৰু মোৰ মাজত অপোনাৰ এই অভ্যাসটো এখন অলঙ্ঘ্য প্ৰাচীৰ হৈ থিয় দি আছে। পাহৰি নাযাব – মোৰো নিজক বিলাই দিয়াৰ ইচ্ছা হয় – কিন্তু ... '





তাইৰ মুখৰ কথা কাঢ়ি লৈ প্ৰশান্তই আবেগজড়িত সুৰত ক'লে – 'কোনো 'কিন্তু' নাই পাৰু।' অলপ ৰৈ আকৌ আবেদন কৰাৰ সুৰত ক'লে –

'নহয়, নহয় পাৰু, অলঙ্ঘ্য বুলি কিয় কৈছা। হয়তো সুৰাপানৰ অভ্যাসটো ততালিকে এৰি দিব নোৱাৰিম; কিন্তু তোমাৰ বাবে সুৰা চিৰদিনৰ বাবে মই ত্যাগ কৰিবলৈ ৰাজী আছো। মোক মাথোন অলপ সময় দিয়া।'

অলপ ৰৈ প্ৰশন্তই আকৌ অনুনয়ৰ সুৰত ক'লে – 'মই অলপ শান্তি বিচাৰিছো, পাৰু – জীৱনটো থিতাপি লগাব খুজিছো – তুমি সহায় কৰা সোণজনী।'

– 'মই চেষ্টা কৰিম – মোকো অলপ সময় দিয়ক প্ৰশান্তদা। আৰু আপুনিও চেষ্টা কৰক যাতে সুৰাৰ প্ৰতি থকা আপোনাৰ দুৰ্বলতা আপোনাৰ জীৱনৰ প্ৰথম প্ৰেম হৈ বৈ নাযায়। পাৰুলৰ কথা শুনি প্ৰশান্তৰ সমগ্ৰ সত্বাই নিজৰ বিৰুদ্ধেই বিদ্ৰোহ ঘোষণা কৰো কৰো অৱস্থা এটা হ'ল।

– 'নিশ্চয় কৰিম – ব'লা, উভতি যাওঁ এতিয়া বহু ৰাতি হ'ল। দুই বাজিবৰ হ'ল।' নিশাৰ গভীৰতাই পাৰুলৰ মনত কিবা ব্যস্ততাৰ সৃষ্টি কৰিলে বুলি পিচে কোনেও দূষিব নোৱাৰিব। ৰাতিটো পাৰুলে প্ৰশান্তৰ ঘৰতে কটালে। দুয়ো অনৰ্গল কথা পাতি থাকোতে ৰাতি যে কেতিয়া পুৱাল দুয়ো গমকে নাপালে। পাৰুলৰ জীৱনত এটা আপ্ৰত্যাশিত অভিজ্ঞতা হ'ল। পাৰুলে কল্পনা কৰিব পৰা নাছিল যে সমগ্ৰ ৰাতিটো একেটা কোঠালিত, একেখন শয্যাত থকাৰ পিচতো কোনোবা পুৰুষে তাইৰ শৰীৰ অনাবৃত নকৰাকৈ এৰি দিব পাৰে। এই অভিজ্ঞতা তাইৰ বাবে অভূতপূৰ্ব। পুৰুষৰ চৰিত্ৰৰ এটা নতুন দিশ তাইৰ চকুৰ আগত মুকলি হ'ল। জীৱনটো সুন্দৰ কৰাৰ আহিলা যে নিজৰ হাততে থাকে সেই কথাটো বিশ্বাস কৰিবলৈ এটা তীব্ৰ প্ৰবণতাৰ জন্ম হ'ল তাইৰ মনত। মনতে ভাবিলে – প্ৰশান্ত হয় দেৱতা – নহয় নপুংসক। দুপৰীয়া ১১মান বজাত যেতিয়া পাৰুল ওলাই গ'ল তেতিয়া ৰাতিটো প্ৰশান্তৰ লগত কটোৱা বুলি কোনেও সন্দেহ কৰাৰ থল নাথাকিল। কিন্তু দুয়োৰো সঘনে দেখাদেখি হব ধৰা দেখি মানুহে বু-বা নকৰাকৈ নাথাকিল। দুই-এটা তীব্ৰ, নিন্দাসূচক মন্তব্যও দুয়োৰো কাণত পৰিলহি। পিলিঙাহঁতৰ আড্ডাত ফিচিঙাফিচিঙি কৰি দুই এজনে ফকৰাও গালে, বোলে,

"জোৰো জোৰ পাভ জোৰ,
তাই হাড়িত খাইতী, সিও গৰু চোৰ –"।

কিন্তু আটায়ে মানিব লাগিব যে পাৰুল আগতকৈ বহুত বেছি গম্ভীৰ হ'ল। মুকলিভাবে অ'ত ত'ত ঘূৰি ফুৰা স্বভাৱটো নোহোৱা হ'ল। আনকি ছাত্ৰীসকলক পঢ়ুওৱা কামতো মনপুতি লাগিল। আনপিনে ব্ৰহ্মপুৱাতে প্ৰশান্তৰ ঘৰৰ পৰা 'ৰেৱাজ'ৰ ধ্বনি ভাহি অহাটো এটা নিয়মত পৰিণত হ'ল। বহুতো নতুন গীত ৰচনা কৰি প্ৰশান্তই নতুন নতুন সুৰ দিলে। তথাপিও এচাম লোকে পাৰুল-প্ৰশান্তৰ মুকলিমূৰীয়া, দ্বিধাহীন চাল-চলন ভাল চকুৰে নাচালে আৰু খবৰ গৈ ছিলঙ পোৱাত বেছি দিন নালাগিল। দুই এখন টেলিগ্ৰামো ইতিমধ্যে পঠোৱা হ'ল ছিলঙলৈ।

সিদিনা সোমবাৰ আছিল। কলেজলৈ যোৱাৰ আগতে এবাৰ আহি যাবলৈ প্ৰশান্তই পাৰুলক মাতি পঠিয়ালে। পাৰুল ৮মান বজাত আহিল। পাৰুলৰ পোছাক-পৰিচ্ছদ আজিকালি বেছ মাৰ্জিত – প্ৰশান্তৰ চকুত তাই নিতৌ বেছি ধুনীয়া হৈ দেখা দিবলৈ ধৰিলে। আজিও সদ্যস্নাতা হংসগামিনী পাৰুল এক অনিন্দ্য সুন্দৰীৰ বেশত প্ৰশান্তৰ ওচৰত হাজিৰ হ'লহি। মুগ্ধয়নে, অপলক দৃষ্টিৰে তাইৰ পিনে চাই থকা দেখি পাৰুলে মিচিকিয়াই হাঁহি সুধিলে –

বহিবলৈ নকয় নেকি ? বেঙাটোৰ দৰে চাই আছে যে ?

– এৰা, এৰা আহা ভিতৰলৈকে আহা। মই সঁচাকৈয়ে বেঙা। আজি খুব ডাঙৰ কথা এটা কবলৈ তোমাক মাতি আনিছো।

– প্ৰশান্তৰ 'ডাঙৰ কথাটো' শুনিবলৈ পাৰুল খুব ব্যগ্ৰ যেন অনুমান নহ'ল। প্ৰশান্তই 'ডাঙৰ কথাটো' শুনোৱাৰ আগতে পাৰুলেবাধা দি ক'লে –

'ৰ'ব, ৰ'ব, প্ৰশান্তদা, আপুনি বহুত কথা শুনা নাই; প্ৰথমতেই কৈছিলো আপুনি খুব আপোনভোলা। সিদিনা যে চন্দ্ৰ বৰাই – অৰ্থাৎ আমাৰ এম-এল-এ গৰাকীয়ে আপোনাক মাতি পঠিয়াইছিল – আপুনি কিয় নগ'ল বাৰু ? জানে নে – তাৰ বাবে গোটেই চহৰখন আপোনাৰ বিৰুদ্ধে খড়গহস্ত হৈছে ? চন্দ্ৰ বৰাই হেনো আপোনাক ইয়াৰ পৰা ততালিকে আঁতৰাই নিবলৈ ছিলঙলৈ ফোন কৰিছে।'

– 'তাতে কিনো হ'ল ? ইয়াৰ পৰা যাব লাগে গুচি যাম – ইয়াততো মই ম্যাদী পট্টা লৈ বহা নাই।' প্ৰশান্তৰ উত্তৰ শুনি পাৰুলে অসহায়ভাৱে প্ৰশান্তৰ ওচৰ চাপি আহি কলে –

– প্ৰশান্তদা আজি এবছৰৰ উপৰ হ'ল – চন্দ্ৰ বৰাই মোক আমনি কৰি আছে; তেখেতক মই বিয়া কৰাবলৈ ৰাজী নোহোৱাৰ পোতক তুলিবলৈ চেষ্টা কৰিছে আৰু সমগ্ৰ ক্ষোভ আজি গৈ আপোনাৰ বিৰুদ্ধে নিক্ষেপ কৰিছে। দাদা, কওঁকনা, মই কি কৰিম ? আপুনি গুচি গলে ইহঁতে মোৰ কুকুৰে কাইট নোখোৱা অৱস্থা কৰিব। মই কি কৰো, প্ৰশান্তদা ?

– শুনা পাৰুল, মোৰ দৃষ্টিত এইবোৰ খুব সৰু কথা আৰু তোমাৰ বাবে – হয়তো মোৰ বাবেও – আজি আটাইতকৈ ডাঙৰ কথাটো হ'ল যে মই যোৱা দহদিন ধৰি এটোপাও মদ মুখলৈ নিয়া নাই। প্ৰথমতে খুব কষ্ট হৈছিল যদিও – এতিয়া অভ্যাস হৈ গ'ল। তোমাক দিয়া প্ৰতিশ্ৰুতি পালন কৰিবলৈ মই বদ্ধপৰিকৰ আছিলো আৰু সেয়েহে আজি তোমাক খুব বেছি আপোন লাগিছে। কথা দিয়া, পাৰু, মোৰ লগত যুগ্ম-জীৱনৰ সূত্ৰপাত কৰি, আমাৰ দুয়োৰো জীৱন উপচাই পেলোৱাৰ কথা দিয়া।

পাৰুলে অবাক হৈ শুনি থাকিল। মনতে ভাবিলে – "ইও সম্ভৱ জানো ? ইমান আত্মসংযম প্ৰশান্তই ক'ৰ পৰা পালে বাৰু ? মই ইমান সংযমী হব পাৰিম জানো ?"

তথাপিও মনত সন্দেহ থাকি গ'ল – প্ৰশান্ত নপুংসক নহয়তো ?

হঠাতে কলিং বেলটো বাজি উঠিল। বাবুৱাই টেলিগ্ৰাম এখন হাতত লৈ সোমাই আহিল। টেলিগ্ৰামখন পঢ়ি প্ৰশান্ত অলপ গম্ভীৰ হোৱা দেখি বাবুৱাই সুধিলে – দেউতা ঘৰত সকলো ভালতো ?

ভাল – সকলো ভালে আছে। মাথোন তইহে আকৌ ইয়াৰ বেহা সামৰিবৰ হ'ল। ছিলঙৰ পৰা আদেশ দিছে চাৰিদিনৰ ভিতৰত যেনেতেনে গৈ হাফলঙত চাকৰিত যোগদান কৰিব লাগে – তাত হেনো সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ মাজত কিবা এক মহামাৰীয়ে দেখা দিছে; কেবাজনো অতিৰিক্ত ডাক্তৰৰ আৱশ্যক হৈছে। প্ৰশান্তৰ কথা শুনি পাৰুলে উত্তেজিত সুৰত মাত লগালে – 'নহয় দাদা, আপুনি বুজি পোৱা নাই। চন্দ্ৰ বৰাই আপোনাক ইয়াৰ পৰা আঁতৰাই নিজৰ পথ নিষ্কণ্টক কৰিবলৈ বিচাৰিছে। মইও চাই লম বাৰু – তাৰ উদ্দেশ্য কোনোদিনেই সাধন নহ'ব।'

– ৰ'বাচোন, পাৰুল উত্তেজিত নহবা। তুমি কি কব খুজিছা ?

– আপোনাক মই ইমানদিনে কোৱা নাই, প্ৰশান্তদা। মোৰ চাকৰিটো এতিয়াও অস্থায়ী হৈয়ে আছে। ডিচিজন অৰ্থাৎ আমাৰ কলেজৰ মেনেজিং কমিটিৰ সভাপতিগৰাকী চন্দ্ৰ বৰাৰ কথাতেই উঠা-বহা কৰে আৰু সেই লম্পটটোৰ নিৰ্দেশ নোপোৱালৈকে মোৰ চাকৰি স্থায়ী হোৱাৰ কোনো আশা নাই আৰু তাৰ বাবে সি বিচৰা মূল্য দিবলৈ মই ৰাজী নহয়। আৱশ্যক হলে সমগ্ৰ জীৱন অবিবাহিতা হৈয়ে থাকিম – কিন্তু তাক বিয়া নকৰাওঁ।

প্ৰশান্ত অধৈৰ্য হৈ খুব হতাশভাবে ক'লে –

'পাৰুল, তোমাৰ আজিও মোৰ ওপৰত আস্থা নজন্মিল নে ? তোমাৰ চাকৰি কৰাৰ প্ৰয়োজনীয়তা সঁচাকৈয়ে থাকিব জানো ? দেউতাই এৰি যোৱা অগাধ ধন-সম্পত্তি আমি দুইহাতে খৰচ কৰিও শেষ কৰিব নোৱাৰিম। মাথোন তুমি মন স্থিৰ কৰা – অহা বহাগতে দিন এটা ঠিক কৰো – খুব বেছি আৰু ১½ মাহমানহে আছে। মোক হাঁহিমুখে বিদায় দিয়া – মই হাফলঙৰ পৰা চিঠি দিম। তুমি মানসিকভাবে প্ৰস্তুত হলেই মই দিন ঠিক কৰিম।' তথাপিও পাৰুলে কোনো নিশ্চিত, ইতিবাচক উত্তৰ নিদিলে। তাইৰ দৰে বনৰীয়া স্বভাৱৰ ছোৱালীজনীৰ বিয়াৰ বান্ধোন মানি লবলৈ মানসিকভাবে অকণো প্ৰস্তুতি নাছিল।

দুদিন পিচত, প্ৰশান্তৰ বিদায়ৰ মুহূৰ্তত সমগ্ৰ উত্তৰ লক্ষীমপুৰৰ ডেকা-গাভৰুজাক আহি তাৰ বঙলাটোৰ চৌহদত বেছ এক ভিৰৰ সৃষ্টি কৰিছিল। গোটেই কেইখন কলেজৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাসকলে আহি শুভেচ্ছা জনাই বিদায় দিছিল। চিন্তাগধুৰ মন এটা লৈ গাড়ীত উঠাৰ লগে লগে তাৰ কাণৰ ওচৰত আহি পাৰুলে যেতিয়া কলে – 'দাদা, গৈয়েই চিঠি দিব কিন্তু – বাট চাই থাকিম." তেতিয়া পাৰুলৰ সেই অনুৰোধটোৱে এক গভীৰ আশ্বাস আৰু প্ৰতিশ্ৰুতিৰ ৰূপ লৈ তাৰ পাথেয়ৰ যোগান ধৰিলে।

নকলেও হব হাফলঙবাসী ৰাইজ প্ৰশান্তৰ গুণমুগ্ধ হবলৈ বেছি সময় নালাগিল – তাতে আকৌ ডাঃ প্ৰশান্ত দুৱৰা আজিকালি এজন সম্পূৰ্ণ সুকীয়া ব্যক্তি। মদৰ লগত কোনো সম্বন্ধ নাই আৰু তাৰ নাৰীৰ প্ৰতি থকা দুৰ্বলতাৰ অপবাদ হাফলঙবাসী ৰাইজে বিশ্বাস কৰিবলৈ স্বীকৃত নহ'ল – নতুনকৈ কুৎসা ৰটনা কৰিবলৈ সি কোনো সুযোগ নিদিলে। মাথোন পাৰুলক নিজৰ কৰি লোৱা চিন্তাই, পাৰুলৰ সাহচৰ্যৰ স্মৃতিয়ে তাৰ মন উপচাই ৰাখিলে। আন বেয়া কথা চিন্তা কৰিবৰ সময় ক'ত ? সময় পালেই তানপুৰাখন লৈ বহে আৰু ৰাগ-ৰাগিনীৰ সাধনাত মগ্ন হৈ পৰে। ইতিমধ্যে তাৰ ওচৰত গান শিকিবলৈ অহা ল'ৰা-ছোৱালীৰ জাকটোও বেছ সংখ্যাগধুৰ হৈ উঠিছিল। এই ব্যস্ত জীৱনৰ মাজত তাৰ কদৰ্য অতীতৰ কোনো ইঙ্গিত নাছিল – সেইটো এটা দুঃস্বপ্ন আছিল বুলিয়ে সি ধৰি ললে। হেমেনলৈ লিখা চিঠি এখনত সকলো খোলাখুলি ভাবে লিখি জনালে আৰু সুকান্তহঁতক বিয়াৰ বাবে যা-যোগাৰ কৰিবলৈ কবৰ বাবে হেমেনক অনুৰোধ কৰিলে। সামৰণিৰ আগতে লিখিলে – "বুজিছ হেমেন, জীৱনত নাৰীক বিচাৰিছিলো – নাৰীক পাইছিলো। ভোগ-বিলাসৰ সৰ্বশ্ৰেষ্ঠ সামগ্ৰী বুলিয়েই ইমানদিনে নাৰীক বিবেচনা কৰি আহিছিলো – কোনো দ্বিধা বা অনুতাপো মোৰ মনত ঠাই নাপাইছিল; কিন্তু পাৰুলক লগ পোৱাৰ পিচত কিবা এক অব্যক্ত প্ৰশান্তিয়ে মোৰ মনটো ছানি পেলাইছে – নাৰীৰ এক বেলেগ ৰূপ দেখিছো মই – জীৱনৰ আন এক অৰ্থ বিচাৰি পাইছো। মোৰ শেহতীয়া কথাছবি "ধৰ্ষিতা"ৰ গানবোৰে তাৰেই ইঙ্গিত বহন কৰিছে – তই নিশ্চয় শুনিছ আৰু বুজি পাইছ আৰু আচৰিত হবি যে এই নতুন সুৰবোৰ সৃষ্টি কৰিছো সুৰাদেৱীৰ কৃপাধন্য নোহোৱাকৈয়ে। তোৰ অনুৰোধ মই ৰাখিলো, হেমেন। ... বিয়াৰ দিন ঠিক হলেই চাকৰিৰ পৰা ইস্তফা দি তহঁতৰ মাজত ওলামগৈ। ...।" তাৰ চিঠি পঢ়ি হেমেন, সুকান্তহঁত আনন্দতে অধীৰ হ'ল। ভগৱানে ইমানদিনে মূৰ তুলি চালে বুলি বিশ্বাস হ'ল। তাৰ মহান – উদাৰ দাদাৰ প্ৰত্যাবৰ্তনৰ আশাত সুকান্ত উত্ৰাৱল হ'ল। বাগিচা দুখনত আনন্দৰ ঢল আহিল।



পাৰুলৰ তিনিখন চিঠি দিয়াৰ পিচতহে উত্তৰ আহিল। বহু আকাংক্ষিত চিঠিখন পঢ়ি আনন্দত অধীৰ হৈ পৰিবলৈ কোনো সমল নাছিল – নিতান্তই গতানুগতিক কথা। প্ৰস্তাবিত বিয়াৰ দিন সম্পৰ্কে কোনো নিশ্চিত সম্মতিও নাই আৰু অসম্মতিও নাই। আৰু কেইখনমান চিঠি লিখাৰ পিচত পোৱা দ্বিতীয় চিঠিখন চন্দ্ৰ বৰাৰ বিৰুদ্ধে কৰা বিষোদ্গাৰ আৰু নতুনকৈ অহা ডিচি অশোক হান্দাৰ গুণানুকীৰ্তনৰেই ভৰপূৰ। ইয়াৰ পিচত পোৱা চিঠিখনৰ পৰা প্ৰশান্তই জানিব পাৰিলে যে ডি-চি হান্দাৰ সহায় আৰু সমৰ্থনৰ বাবেই তাইৰ চাকৰিটো স্থায়ী হ'ল। খবৰটো পাই সি ভালেই পালে। প্ৰশান্তই ভাবিলে এইবাৰ পাৰুলৰ মনটো স্থিৰ হব আৰু হয়তো বিবাহিত জীৱনত সোমাই প্ৰাচুৰ্যৰ মাজত পৰি নিজেই এদিন চাকৰি এৰিব। তাইক অভিনন্দন জনাই খুব আবেগময় চিঠি এখন দিলে; কিন্তু উত্তৰ নাই। প্ৰশান্তই আৰু এখন চিঠি দিলে – তাৰো উত্তৰ নাহিল। এইবাৰ প্ৰশান্ত চিন্তিত হ'ল আৰু এবাৰ উত্তৰ লক্ষীমপুৰলৈ যোৱাকে মনস্থ কৰি চাৰিদিনৰ কেজুৱেল ছুটীৰ দৰ্খাস্ত কৰিলে। লতিকাৰ তাত গৈ উঠাৰ মনস্থ কৰি খবৰ দিলে।

উত্তৰ লক্ষীমপুৰত থকা সময়তে মাক-বাপেক কোনো নোহোৱা নিঠৰুৱা নাৰ্চ লতিকাক নিজে কন্যাদাতা হৈ প্ৰশান্তই বিয়া দিছিল। লতিকাই প্ৰশান্তৰ ভনীয়েকৰ অভাৱ পূৰণ কৰিছিল। সুকান্তহঁতৰ লগতো লতিকা আৰু তাইৰ স্বামী – ছোৱালী কলেজখনৰ অধ্যাপক ৰূপেন হাজৰিকাৰ খুব গাঢ় সম্বন্ধ এটা গঢ়ি উঠিছিল আৰু দুয়ো প্ৰায় দুৱৰা পৰিয়ালৰে একোজন হৈ পৰিছিল।

প্ৰশান্তই লক্ষীমপুৰ এৰাৰ পিচত পাৰুল কিছুদিন গম্ভীৰ হৈ আছিল যদিও তাইৰ নিজৰ মূৰ্তি আকৌ এবাৰ প্ৰকাশ কৰাত বেছি দিন নালাগিল। প্ৰশান্তৰ সান্নিধ্যই তাইক বহুতো সংযত কৰি পেলাইছিল; কিন্তু প্ৰশান্তৰ অনুপস্থিতিয়ে তাইক আকৌ বহুত সুযোগ আনি দিলে। ইতিমধ্যে দৃশ্যপটত আবিৰ্ভাৱ হওক অশোক হান্দাৰ। হান্দাৰ অন্তৰঙ্গ হবলৈ পাৰুলৰ দৰে অভিজ্ঞা তৰুণী এগৰাকীৰ বেছি দিন নালাগিল। চহৰত আকৌ বু-বা আৰম্ভ হ'ল। বোলে, "চোৰে নেৰে চোৰ প্ৰকৃতি, শহাই নেৰে শৰ।" পাৰুলৰ ক্ষেত্ৰতো সেইটোৱে হ'ল। ময়ুৰৰ পাখী লগাই কাউৰীক ময়ুৰ কৰা সম্ভৱ নহয়। সিংহাসনত বহুৱালেও বোলে কুকুৰে জোতা কামুৰিবলৈ নেৰে। ইংৰাজীতো একে কথাকে কৈছে – "If an ass goes atravelling, it will not return home a horse."। উচ্চপদস্থ চৰকাৰী বিষয়াৰ গিৰিহঁতনী হবলৈ পাৰুলৰ মনত আগৰে পৰা এটা তীব্ৰ বাসনা আছিল। এইবাৰ এই সুযোগ আহিছে যেন তাইৰ অনুমান হ'ল। পাহৰি গ'ল প্ৰশান্তৰ কৰুণাবিগলিত দৃষ্টি – অৰ্থহীন হৈ পৰিল প্ৰশান্তক দিয়া প্ৰতিশ্ৰুতি। মাথোন তাইৰ জালখন মেলি দিলে।

প্ৰশান্তৰ উত্তৰ লক্ষীমপুৰলৈ আৰু যোৱা হৈ নুঠিল – কাৰণ তাৰ চিঠি পাই হঠাতে এদিন লতিকা আৰু ৰূপেন আহি ওলাল। দোকমোকালিতে হাফলঙ পাই প্ৰশান্তৰ ঘৰৰ নীৰৱ চৌহদটোত সোমাই প্ৰথমতে দুয়োৰো কাণত পৰিল প্ৰশান্তৰ গলগলীয়া মাতৰ 'বেৱাজ'। ককায়েকৰে এই প্ৰশান্তিৰ যতি পেলাবলৈ অহা বুলি ভাবি লতিকাৰ অন্তৰখন টুকুৰাটুকুৰ হৈ ওলাই অহাৰ উপক্ৰম হ'ল।

বাবুৱাই খবৰ দিয়াৰ লগে লগে প্ৰশান্ত ওলাই আহিল। দুয়ো প্ৰশান্তক সেৱা কৰিলে। প্ৰশান্তই লতিকাক সাৱটি ধৰি এক গভীৰ আত্মসন্তুষ্টি লাভ কৰিলে যদিও – দুয়োৰো আকস্মিক আগমনে তাৰ মনত কিবা এক অজানিত আশঙ্কা আৰু অনিশ্চয়তাৰ সৃষ্টি কৰিলে। গতিকে হঠাতে কিয় আহিল বা তাৰ চিঠি পাইছে নে নাই সুধিবলৈ তাৰ সাহস নহ'ল। দুৰ্দান্ত প্ৰশান্ত দুৱৰাই জীৱনত প্ৰথমবাৰৰ বাবে বাস্তৱৰ সন্মুখীন হবলৈ শঙ্কা বোধ কৰিলে।

বাবুৱাই দুয়োৰো গা-ধোৱাৰ ব্যৱস্থা কৰি দি চাহ-জলপান তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিল। গা ধুই উঠি বঙলাটোৰ বিৰাট বাৰান্দাখনত ৰূপেন বহিলহি। প্ৰশান্তও উঠি আহি ৰূপেনৰ ওচৰতে বহিল। বৰাইল পাহাৰৰ পূব দিশত তেতিয়া বেলিটোৱে আত্মপ্ৰকাশ কৰিবলৈ যথেষ্ট সাধ্যসাধনা কৰিবলগীয়া হৈছে – কাৰণ কমৰ জুইৰ ছাইয়ে গোটেই আকাশখন ধুঁৱলি-কুঁৱলি কৰি ৰাখিছে। কিবা এক উদাস – বিষাদ, বিষাদ ভাবে পৰিবেশটো ম্লান কৰি ৰাখিছে।

– দাদা, খুব জৰুৰী কথা এটাৰ বাবে আহিবলগীয়া হ'ল। লতিকাই আপোনাক সকলো কব। – ৰূপেনৰ কথাই প্ৰশান্তৰ আশঙ্কা হ্ৰাস কৰাত অকণো সহায় নকৰিলে; কিন্তু বহুতো প্ৰতাৰণা, হতাশা আৰু জীৱনৰ খলাবমা অতিক্ৰম কৰি অহা প্ৰশান্তই সাঙ্ঘাতিক ধৰণৰ খবৰ এটা শুনিবলৈ মানসিকভাবে প্ৰস্তুত হবলৈ চেষ্টা কৰিলে আৰু ৰূপেনৰ সন্মুখত অকণো উদ্বিগ্নতা নেদেখুৱালে।

লতিকা ইপিনে আহি পোৱাৰ পিচৰে পৰা ব্যস্ত হৈ পৰিছে। ৰূপেনে গা ধুই ওলাই আহে মানে ড্ৰইং ৰুমটোৰ ফুলদানিবোৰত শুকাই যোৱা ফুলৰ থোপাবোৰ উলিয়াই আনি বাহিৰত পেলাই দিলে আৰু বাবুৱাৰ হতুৱাই নতুন ফুল আনি ড্ৰইং ৰুমটো সজীৱ কৰি তুলিলে – তাইৰ হাতৰ পৰশ লাগি পৰিবেশটোৱে বসন্তৰ আগমনৰ লগে লগে ওলোৱা গছৰ কুঁহি পাতবোৰৰ দৰে এটা নিকা মূৰ্তি ধাৰণ কৰিলে। ৰূপেন এতিয়াও ওলাই অহা নাই দেখি প্ৰশান্তৰ কামিজবোৰ উলিয়াই আনি যিবোৰৰ বুটাম ছিগি গৈছে সেইবোৰত বুটাম লগালে।

– অলপ জিৰণি লোৱাৰ পিচতো এইবোৰ কৰিব পাৰিবা।

– প্ৰশান্তৰ মৰমসনা মাতত তাইৰ ডিঙিৰ নলীত এটা অব্যক্ত যন্ত্ৰণা খুপ খাই তাইক বাক্‌ৰহিত কৰি ৰাখিলে। ইতিমধ্যে ৰূপেন গা-ধুই ওলাই অহা দেখি তাই গৈ বাথ-ৰুমত সোমাল।

টি-পয়খনত ৰাতিপুৱাৰ চাহ-জলপানৰ যা-যোগাৰ লৈ লতিকা যেতিয়া বাবুৱাৰ পিচে পিচে বাৰান্দাখন পালেহি তেতিয়া ৯ বাজি গ'ল। ইতিমধ্যে ৰ'দৰ তীব্ৰতাও বৃদ্ধি পাইছে। মাজৰ ঘূৰণীয়া মেজখনত চাহৰ সৰঞ্জাম আৰু খোৱাবস্তুবোৰ সজাই থোৱাৰ পিচত প্ৰশান্ত আৰু ৰূপেনক মেজৰ ওচৰত আহি বহিবলৈ ক'লে। নিজহাতে দুয়োৰো খোৱা পৰিবেশন কৰি লতিকাই নিজেও চাহৰ কাপটো হাতত তুলি ললে। মাজে মাজে শুকুলা মেঘবোৰে সূৰ্যটো ঢাকি পেলাই বাবে পৰিবেশটো গোমোঠা হৈ উঠে। ইপিনে লতিকাৰ মন ভাৰাক্ৰান্ত; তাই কিদৰে খবৰটোৰ পাতনি মেলিব একো ঠিক কৰিব নোৱাৰে। প্ৰশান্ত আৰু ৰূপেনে বহু কথা আলোচনা কৰিছে যদিও তাই নীৰৱ – আলোচনাত অংশগ্ৰহণ কৰিব পৰা নাই। বহু কথাৰ মাজতে প্ৰশান্তই কলে –

সুকান্তৰ পৰা কালি চিঠি পাইছো। সিহঁত আটায়ে বিয়াৰ যোগাৰ কৰাত হেনো খুব ব্যস্ত।

লতিকাই আৰু সহ্য কৰিব নোৱাৰিলে – চিঞৰি উঠিল –

'দাদা – ।' প্ৰশান্তই তাইৰ চকুলৈ চাবহে পালে লতিকাৰ চকুপানীয়ে আৰু বাধা নামানিলে। প্ৰশান্তই থতমত খাই সুধিলে –

কি হ'ল, ভণ্টী – তোমাৰ চকুত পানী কিয় ? তোমালোক দুয়োৰো মাজত কিবা অশান্তি হোৱা বুলিতো ধাৰণা নহয়।

– নহয় দাদা – আমাৰ মাজত কোনো অশান্তি হোৱা নাই। থোকাথুকি মাতেৰে লতিকাই কোৱাৰ লগে লগে প্ৰশান্তই কলে –

"তেনেহ'লে, কোৱাচোন কি হ'ল। মই একো নতুন জগৰ লগোৱা নাইতো ?" চকুপানী মচি লৈ গলখেকাৰি এটা মাৰি লতিকাই লাহে লাহে কবলৈ ধৰিলে –

দাদা, ময়ো তিৰোতা মানুহ; তথাপিও কব লাগিব যে তিৰোতাৰ মন বৰ চঞ্চল । কথাতে কয় –

"আথৈৰ তপত, তিৰীৰ শপথ, শ্ৰীলুইতৰ বালি –

ইয়াত যি সঁজাত যায়, দিনতে দুচকু খালি ।" তাতে আকৌ পাৰুল আছিল বিশেষকৈ ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট প্ৰকৃতিৰ । কোনোদিনেই তাইৰ কোনো দায়বদ্ধতা নাছিল ।

– পাৰুলৰ কি হ'ল – ভণ্টী – সোনকালে কোৱা । মোক আৰু ৰহস্যৰ মাজত নাৰাখিবা । – প্ৰশান্তৰ উদ্বিগ্ন প্ৰশ্ন ।

– কম দাদা – কবৰ বাবেই আহিছো ।

প্ৰশান্ত আৰু ৰূপেনক আৰু একো কাপ চাহ বাকি দি পাৰুলে আৰম্ভ কৰিলে । –

দাদা, ইমান নিষ্ঠুৰ কথা এটা তোমাক কব লাগিব বুলি সপোনতো ভবা নাছিলো । আজি মোৰ যি সুখ-শান্তি, আজি মোৰ যি সুখৰ সংসাৰ – আটাইবোৰ তোমাৰ বাবেই সম্ভৱ হৈছে; কিন্তু তাৰ প্ৰতিদান হিচাপে আজি যি অনুৰোধ কৰিম, বা যি খবৰ দিম তুমি হয়তো তাৰবাবে মোক কোনাদিনেই ক্ষমা নকৰিবা । •

নীৰৱ মুহূৰ্ত কেইটামান পাৰ হ'ল । প্ৰশান্তৰ মনৰ উদ্বিগ্নতা তাৰ চকু দুটাৰে ফুটি ওলাই আহিব যেন লাগিল । প্ৰশান্তৰ চকুলৈ চাই লতিকাই তলমূৰ কৰি কলে –

দাদা, তুমি পাৰুলক পাহৰি যোৱা । তাইৰ লগত তোমাৰ বিয়া হব নোৱাৰে আৰু তুমি হাফলঙ এৰি গুচি যাব লাগিব – আমি তোমাক নিবলৈ আহিছো ।


– কথাটো কি ভাঙি কোৱাচোন – প্ৰশান্তই অনুনয়ৰ সুৰত কলে ।

– মই আগতে সন্দেহ কৰিছিলো । আৰু ঠিক সেয়াই হ'ল । অৰ্থাৎ তুমি ইয়ালৈ অহাৰ পিচত পাৰুল কিছুদিন গহীন-গম্ভীৰ হৈ আছিল; কিন্তু তাইৰ পুৰণি স্বভাৱে উক্ দিয়াত বেছি দিন নালাগিল । ইতিমধ্যে হান্দা চাহাব উত্তৰ লক্ষীমপুৰলৈ ডি-চি হৈ আহিল; হান্দাক নিজৰ জালত মেৰাই লবলৈ পাৰুলৰ বেছি সময় নালাগিল । হান্দাৰ সহায় লৈ নিজৰ অস্থায়ী চাকৰিটো স্থায়ী কৰিলে যদিও বিধায়ক চন্দ্ৰ বৰাৰ লগত ডি-চি চাহাবৰ থৈয়া-নথৈয়া ৰণ এখন লাগিল । হান্দা নিৰ্বিকাৰ । এম-এল-এ বৰা ঢাপলি মেলিলে ছিলঙলৈ – যাৰ ফলত হান্দা বদলি হ'ল হাফলঙৰ ডি-চি হিচাপে । দুই এদিনৰ ভিতৰতে উত্তৰ লক্ষীমপুৰ এৰিব ।

– তাতে কি হ'ল ? মই মোৰ কাম কৰিম – ডি-চিয়ে ডিচিৰ কৰিব – তাৰ বাবে মই কিয় হাফলঙ এৰিম ? তদুপৰি মই লগত থাকিলে পাৰুলে নিজক শুধৰাই লবলৈ বেছি সময় নালাগিব । প্ৰশান্তৰ কথা শেষ হোৱাৰ লগে লগে লতিকাই কলে –

দাদা, যোৱা পৰহি হান্দা আৰু পাৰুলৰ বিয়া হৈ গ'ল । বদলিৰ হুকুম পোৱাৰ লগে লগে খৰখেদাকৈ বিয়াখন পাতিলে আৰু হান্দাই হেনো পাৰুলৰো হাফলঙ কলেজলৈ বদলিৰ ব্যৱস্থাৰ বাবে ইতিমধ্যে মুখ্যসচিবক অনুৰোধ কৰিছে । আজিমানে তাইৰ বদলিৰ আদেশ আহি পোৱা কথা । তোমাৰ উদাৰতা তাই কোনোদিনেই বুজি নাপালে । একে উশাহতে কথাখিনি কৈ উঠি প্ৰশান্তৰ হাত দুখন সাৱটি লৈ লতিকাই হুক্‌হুকাই কান্দি পেলালে আৰু অচিৰতে তাইৰ কান্দোন বন্ধ হোৱাৰ লক্ষণ দেখা নগ'ল । প্ৰশান্ত স্তব্ধ হৈ গ'ল । পৃথিৱীখনৰ এটা মূৰৰ পৰা গৈ আন এটা মূৰত থিয় হৈছে যেন অনুমান হ'ল তাৰ । অলপ শান্ত হৈ লতিকাই প্ৰশান্তক কলে –

দাদা, কাবৌ কৰিছো – তুমি আৰু ইয়াত থাকিব নালাগে । তুমি খুব কষ্ট পাবা – আৰু তাকে ভাবি এওঁ, মই, সুকান্তদা





কোনো শান্তিত থাকিব নোৱাৰিম । হতাশাৰ বুকুত হাবুডুবু খাই তোমাৰ জীৱনটো আকৌ পঙ্কিল হৈ উঠক – সেইটো আমি কোনেও নিবিচাৰো । তুমি জ্যেষ্ঠ – আমাক শান্তি দিয়াটো তোমাৰ কৰ্তব্য নহয় জানো ?

প্ৰশান্তৰ মুখৰ মাত হেৰাই গ'ল । কিছুসময় নীৰৱে বহি থকাৰ পিচত সি ভিতৰলৈ উঠি গ'ল । অলপ পিচত প্ৰশান্তৰ বেহেলাত বাজি উঠিল তাৰ অন্তৰৰ গভীৰতম প্ৰদেশৰ কৰুণ বিননি । চকুপানী টুকি টুকি তন্ময় হৈ শুনি থকাত বাদে লতিকাই প্ৰশান্তক শান্তনা দিবলৈ কোনো ভাষা বিচাৰি নাপালে । কেবাঘণ্টাও প্ৰশান্তই নিজকে শোৱনি কোঠাটোত বন্ধ কৰি ৰাখিলে । সি জানে যে সি খাবলৈ ওলাই নাহিলে ৰূপেন আৰু লতিকাও উপবাসে থাকিব । ওলাই আহি দেখে যে লতিকা তেতিয়াও শিল পৰা কপৌৰ দৰে বাহিৰৰ বাৰান্দাখনতে বহি আছে । ওচৰলৈ আহি লাহে লাহে তাইৰ মূৰত সোঁহাতখন বুলাই দি কলে – যোৱা লতি, ৰূপেনক মাতি আনা । বাবুৱাই দুপৰীয়াৰ সাজ তৈয়াৰ কৰি অপেক্ষা কৰি আছে । লতিকা উঠি গ'ল ।

দুপৰীয়াৰ সাজ খোৱাৰ পিচত তিনিও আহি আকৌ বাহিৰৰ বাৰান্দাখনত বহিল । বেলি লহিয়াবলৈ আৰম্ভ কৰিছে । ৰ'দৰ তীব্ৰতা এতিয়া আৰু নাই । এটা শান্ত পৰিবেশ । বিভিন্ন ধৰণৰ চৰাইবোৰ আহি দিনটোৰ শেহবাৰৰ বাবে সিহঁতৰ স্বকীয় অৰ্কেষ্ট্ৰা আৰম্ভ কৰিছে । সূৰ্যমুখী ফুলবোৰো পশ্চিমমুৱা হৈ জাপ খাবলৈ ৰৈ আছে । চিগাৰেট এটা জ্বলাই লৈ প্ৰশান্তই এটা দীঘলীয়া নিশাহ এৰিলে । ইয়াৰ পচিত এৰা নিশাহটোৱে প্ৰায় হুমুনিয়া এটাৰ ৰূপ লোৱা যেন অনুমান হোৱাত সি নিজেই লাজ পালে আৰু ৰূপেন আৰু লতিকাৰ পিনে চাই কলে –

. মই বহুতো ভাবিলো, ৰূপেন । বুজিছা লতি, মই হাফলঙ এৰি যোৱাটো আৱশ্যক বোধ কৰা নাই । চাৰিদিনৰ ঠাইত দীৰলীয়া ছুটীৰ আবেদন কৰিম বুলি ভাবিছো আৰু বহাগত বিয়া কৰোৱাৰ পৰিৱৰ্তে তোমালোক দুয়ো, সুকান্ত আৰু ভাই-বোৱাৰী বিনীতাক লগত লৈ আকৌ এবাৰ ইউৰোপ ভ্ৰমণ কৰিম বুলি মনস্থ কৰিছো । দেউতাৰ মৃত্যুৰ পিচত বেচেৰা সুকান্তই যে এদিনো জিৰণি লবলৈ সময় পোৱা নাই আৰু ময়েই তাৰ বাবে দায়ী । অলপ সময় মনে মনে থাকি আকৌ কলে – তাৰ পিচত উভতি আহি মন গলে চাকৰি কৰিম – নগলে নকৰো;. ঘৰলৈ উভতি গৈ বাগান চলোৱাত সুকান্তক সহায় কৰিম আৰু প্ৰাণ খুলি গান গাম । বাগানৰ কলেৱৰ বৃদ্ধি হৈছে – লগতে ব্যৱসায়ৰ পৰিসৰ; সুকান্তক নিশ্চয় সহায়ৰ আৱশ্যক হৈছে । তোমালোকে অকণো চিন্তা নকৰিবা – মই মোৰ সেই উচ্ছৃংখল অতীতটোলৈ উভতি নাযাওঁ – তোমালোকক মই কথা দিলো । কিন্তু পাৰুলৰ প্ৰতি অকৃতজ্ঞ হলে নহব । একমাত্ৰ পাৰুলৰ বাবেই মই মদ খাবলৈ এৰিলো – নাৰীক সন্মান কৰিবলৈ শিকিলো আৰু সবাতোপৰি, মোৰ জীৱনৰ সোঁত পৰিবৰ্তন হ'ল – সুন্দৰৰ চিৰন্তন ৰূপে মোৰ চকুত ধৰা দিলে । 'ধৰ্ষিতা'ৰ গানবোৰ শুনিছা নহয় ?

দুয়ো মূৰ দুপিয়ালে; কিন্তু দুয়ো নিমাত । প্ৰশান্তই পিচে আজি নিজৰ অন্তৰখন ইহঁত দুজনৰ আগত উদঙাই দিব খোজে – লতি, মই ইয়াৰ পৰা হঠাৎ গুচি গ'লে সেয়া হ'ব পলায়নবাদৰ কাহিনী । জীৱনটো নাৰীসৰ্বষ্চ বুলি মানি লবলৈ আজি আৰু মই ৰাজী নহয় । সন্দেহ নাই পাৰুলৰ স্মৃতি মোৰ মনত সদায়ে সেউজীয়া হৈ থাকিব – কাৰণ অতি ঘনিষ্ঠভাবে লগ পোৱা বহুতো নাৰীৰ মাজত পাৰুলেই একমাত্ৰ নাৰী – যিজনীয়ে মোৰ মনত নাৰীৰ প্ৰতি সন্মান আৰু এক সুকীয়া দৃষ্টিভঙ্গীৰ জন্ম দিছিল । মোৰ ওপৰত বিশ্বাস ৰাখা, ভণ্টী – মই সংযমী হবলৈ শিকিছো আৰু তাৰ বাবেও পূৰ্ণ কৃতিত্ব পাৰুলকেই দিম । এই মুহূৰ্তত মোৰ একমাত্ৰ কামনা – পাৰুল সুখী হওক – এজনী আদৰ্শস্থানীয়া গৃহিণী হওক । জুইৰ ভয়ত উধান পলাব নোৱাৰে । হান্দাপত্নীৰ ৰূপত পাৰুল ইয়ালৈ আহিব বুলিয়েই মই হাফলঙ এৰি যাব নোৱাৰো – নিজৰ ওচৰত হাৰি যাব নোৱাৰো মই । মোৰ বাবে পাৰুল সদায়ে অনাঘ্ৰাতা হৈ থাকিব । ইতিমধ্যে আবেলিটো সন্ধিয়াৰ পিনে আগবঢ়া দেখি প্ৰশান্তই কলে –

ব'লা, অলপ ফুৰি আহোঁগৈ । তোমালোকক জাটিঙ্গাখন দেখুৱাই আনো । খুব ধুনীয়া ঠাই – ঈশ্বৰৰ অদ্ভুত সৃষ্টি । তোমালোকে ভাল পাবা যে মই জানো ।

জাটিঙ্গাৰ পৰা উভতি আহি চাহ-পানীৰ পৰ্ব শেষ হোৱাৰ পিচত প্ৰশান্তই লতিৰ অনুৰোধ ৰক্ষা কৰি 'ধৰ্ষিতা'ৰ গান দুটা গাই শুনালে আৰু তাৰ পিচত যেতিয়া "ভালোবাসা মোৰে ভিখাৰী কৰেছে – তোমাৰে কৰেছে ৰাণী" – গানটো নিজেই গালে তেতিয়া লতিকা আৰু ৰূপেনৰ চকুৰ পৰা টপটককৈ চকুপানী পৰিবলৈ ধৰিলে । ৰূপেন আৰু লতিকাই প্ৰশান্তক শান্তনা দিয়াৰ পৰিবৰ্তে, প্ৰশান্তইহে দুয়োকো প্ৰবোধ মনাবলগীয়া হ'ল । ৰাতিৰ সাজ খাবলৈ বহি প্ৰশান্তই দুয়োকো কলে – তোমালোক এতিয়া ডিব্ৰুগড় হৈ উভতি যোৱা । হেমেন, সুকান্তহঁতক সকলো কথা বুজাই কবা আৰু মই অলপো অধৈৰ্য হোৱা নাই বুলি সিহঁতক কবা । মই পিচত হেমেনলৈ বিতং লিখিম । মাথোন মনত ৰাখিবা মই আজি ভৱিষ্যতৰ পিনে চাবলৈ শিকিছো – তোমালোকক আটায়ে নিশ্চিন্ত থাকিবা । কোনো অদৃশ্য নিষাধৰ হাতত মই বলি যাবলৈ আজি ৰাজী নহয় । দুদিন পিচত লতিকা আৰু ৰূপেন গ'ল । ৰাগ্ আৰু ৰোগীক লৈ প্ৰশান্ত ব্যস্ত হৈ পৰিল । নিতৌ নতুন সুৰৰ সৃষ্টি হ'ল । মাজতে এদিন শুনিলে নতুন ডি-চি আহি হেনো কামত যোগদান কৰিছে । নাৰ্চবিলাকে কোৱাকুই কৰা শুনিলে ডিচিৰ 'মেমচাহেব' হেনোখুব ধুনীয়া আৰু খুব ধুনতীও । দিন বাগৰি গৈ মাহটো যাও যাও হৈছে । ইতিমধ্যে দুই এজাক বৰষুণ পৰি বৰদৈচিলাই আগজাননী পঠাইছে ।

দিনটো আছিল দেওবাৰ । ৰাতিপুৱাৰ পৰা কিনকিন বৰষুণ দি এটা অলস পৰিবেশৰ সৃষ্টি কৰিছে । গান শিকিবলৈ আজি ল'ৰা-ছোৱালীজাকো অহা নাই । দুপৰীয়া ১২ বজাতে প্ৰশান্তক ভাত খুৱাই বাবুৱাহঁত আটাইবোৰ 'মেটিনী' চিনেমা চাবলৈ গৈছে । প্ৰশান্তই মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে সি আৰু ৰ'দৰ জখলাৰে বগাই দিগন্তৰ পৰা দিগন্তলৈ বিচৰণ কৰিব নোৱাৰিব; কিন্তু দুখ আৰু বিষাদেৰে ওলমি পৰা চোলাটো পিন্ধি লৈ হলেও চৌদিশে সিচঁৰতি হৈ পৰি থকা সুন্দৰৰ চিৰন্তন নিৰ্যাসখিনি স্কট্‌চ হুইস্কীৰ পৰিৱৰ্তে – গলাধঃকৰণ কৰাত কোনেও বাধা দিব নোৱাৰে । কবিতাৰ মাজত নতুন নতুন আংগিকতৰ আবিৰ্ভাৱে প্ৰশান্তক খুব আমোদ দিয়ে । নিৰ্জন ঘৰটোত এতিয়া সি অকলে । জেমছ্ ডিকীৰ নতুন কবিতা এটা পঢ়ি যে সি কেতিয়া শুই পৰিল নিজেই গম নাপালে । বাবুৱাহঁত 'মেটিনী' চিনেমা চোৱাত যেতিয়া ব্যস্ত, তেতিয়া আটায়েৰে অলক্ষিতে আন এখন 'মেটিনী' চিনেমা আৰম্ভ হোৱাৰ উপক্ৰম হ'ল – প্ৰশান্তৰ বেদ-ৰুমত । প্ৰশান্ত তেতিয়া কবিতাৰ আংগিক আৰু নতুন নতুন উপমাৰ সপোন দেখি টোপনিত লালাকাল । কিমান সময় এনেদৰে লালকাল দি শুই আছিল সি নিজেও নাজানিলেহেঁতেন; কিন্তু হঠাতে, প্ৰথমে কপালত আৰু তাৰ পিচত তাৰ উন্মুক্ত বুকুত এটা তপত উম অনুভৱ কৰিলে । দ্বিতীয়বাৰ একেটা উষ্মা তাৰ কপালত অনুভূত হোৱাৰ লগে লগে আপোনা-আপুনি তাৰ চকু মেল খাই গ'ল । পোনেই পৰিস্থিতিটো হৃদয়ঙ্গম কৰিব নোৱাৰিলে । চকু মেলিয়েই প্ৰথম দেখা পালে তাৰ চকুৰ আগত – কপালৰ ওপৰত বিৰাজমান কোনোবা নাৰীৰ শিৰৰ দীঘলীয়া সেন্দুৰৰ ৰেখা এটা; লগে লগে

নাকত লাগিল আহি দামী পাৰফিউমৰ এটা স্নিগ্ধ সুবাস । এৰা – সি দেখোন সাৰ পাইছে; কিন্তু এয়া কি দেখিছে ? সন্ধিয়া হওঁ হওঁ অৱস্থা যদিও খিৰিকিৰ মাজেৰে সৰকি অহা পোহৰখিনিত সি বুজিলে এয়া কোনোবা নাৰীমূৰ্তি । সি উচপ্ খাই উঠিল – আৰু একে জাপে উঠি বহিল ।

সি উচপ্ খাই উঠা দেখি পাৰুলে খিলখিলাই হাঁহি দিলে আৰু তেতিয়াহে প্ৰশান্তই বুজিলে এয়া আন কোনো নহয় – স্বয়ং পাৰুল হান্দা । প্ৰথমতে হতভম্ব হৈ পৰিলেও সি খঙতে কঁপি উঠিল । মুহূৰ্ততে নিজকে নিয়ন্ত্ৰণ কৰি সি গৰিহণা দিয়াৰ সুৰত কলে – ছিঃ, এয়া তুমি কি কৰিছা, পাৰুল । মইতো তোমাক আমনি কৰিবলৈ আগবাঢ়ি যোৱা নাই । তুমি আজি বিবাহিতা পত্নী আৰু বিবাহিতা পত্নীৰ শিৰৰ সেন্দুৰৰ মৰ্যাদা নিজেই ভৰিৰে মোহাৰি পেলালা । ওলাই যোৱা ইয়াৰ পৰা, ওলাই যোৱা ।

শ্লিপিং গাউনটো গাত সুমুৱাই সি নিজে ৰুমটোৰ পৰা ওলাই আহিল । বিশ্ব ব্ৰহ্মাণ্ডৰ সমগ্ৰ ঘৃণা আহি তাৰে চকুযুৰিত থুপ খালে । ঘৃণা আৰু খঙত সি কঁপিবলৈ ধৰিলে । আকৌ চিঞৰি চিঞৰি ক'লে – তুমি গুচি যোৱা ইয়াৰ পৰা – গুচি যোৱা, পাৰুল । মোক আৰু কোনোদিনেই দেখা নকৰিবা ।

লাহে লাহে ৰুমটোৰ পৰা ওলাই আহি পাৰুল তলমূৰ কৰি প্ৰশান্তৰ ওচৰত থিয় হ'ল আৰু কোনো অনুশোচনাৰ ভাব নেদেখুৱাই দৃঢ়ভাবেই কলে –

প্ৰশান্তদা – মোৰ কলবীগয়াখিনি অন্ততঃ আপুনি শুনক ।

প্ৰশান্ত আজি নিৰ্দয় – নিৰ্মম হৈ উঠিছে । সি জীৱনত দুনাই আপোচ কৰিবলৈ ৰাজী নহয় । সি লতিকা, ৰূপেনক কথা দিছে । পাৰুলৰ মুখৰ কথা কাঢ়ি লৈ গৰ্জি উঠিল – প্ৰথমতে, মই আজি তোমাৰ প্ৰশান্তদা নহয় । মই বিখ্যাত সঙ্গীত পৰিচালক, ডাঃ প্ৰশান্ত দুৱৰা আৰু মোৰ দৃষ্টিত তুমি কোনোবা অখ্যাত অশোক হান্দাৰ কুখ্যাত বিবাহিতা পত্নী পাৰুল হান্দা । দ্বিতীয়তে, তোমাৰ কথা শুনিবলৈ মোৰ কোনো অৱকাশ নাই । আনহাতে, তুমিহে মোৰ বক্তব্য শুনি মানে সন্মানে ইয়াৰ পৰা ওলাই যাবা বুলি আশা কৰিলো ।

শুনা, পাৰুল, তুমি মোৰ বাবে দেৱী আছিলা । আজি পিচে তুমি নিজে নিজৰ অস্তিত্ব মচি পেলালা । আজিহে তুমি মোৰ মানত পতিতা হ'লা ।

– প্ৰশান্তদা, – মোৰ বক্তব্য –

মনে মনে থাকা, পাৰুল । শুনা, এদিন তুমিয়েই মোক সৎ পথলৈ উভতি আহিবলৈ বাধ্য কৰিছিলা আৰু আজি যেতিয়া সৎ হৈ জীয়াই থাকিবলৈ বিচাৰিছো, তেতিয়া তুমি প্ৰলোভনৰ প্ৰতিমূৰ্তি হৈ মোৰ সমুখত থিয় হৈছা আৰু মোক অসৎ হবলৈ তোমাৰ কামনাসৰ্বস্ব শৰীৰটোৰে মোক প্ৰলুব্ধ কৰিবলৈ চেষ্টা কৰিছা । বহুবল্লভা হোৱা সত্বেও তুমি মোৰ বাবে আছিলা অনাঘ্ৰাতা কুমাৰী – তাৰ প্ৰমাণ তুমি বহুবাৰ পাইছা । আজি মোৰ বাবে তুমি এজনী কামোন্মত্তা পতিতাত বাদে আন একো নহয় ।

– অলপ শুনক প্ৰশান্তদা – অলপ শুনক ।

পাৰুলৰ প্ৰতিবাদৰ প্ৰতি কোনো ব্যস্ততা নেদেখুৱাই প্ৰশান্তই চিঞৰি, চিঞৰি ক'লে – তোমাক নতুনকৈ শুনাৰ মোৰ কোনো প্ৰয়োজন নাই । অলপ আগতে তোমাৰ বক্তব্য মোৰ শোৱনি কোঠাতে তুমি নিৰ্লজ্জভাবে ৰাখি আহিছা । এজনী বেশ্যা তোমাতকৈ বেছি আদৰ্শপৰায়ণা, তাইৰ আনুগত্য আছে – তোমাৰ নাই । মোৰ বাবে সেই পথো পৰিত্যক্ত আৰু মোৰ নতুন পথৰ নিৰ্ণায়ক আছিলা তুমি নিজেই । উপদেশ দিয়া অভ্যাস মোৰ নাই; তথাপিও তোমাৰ কুশল কামনা কৰো বাবেই কৈছো – ভগৱানে তোমাক সুমতি দিয়ক; তুমি হান্দাৰ প্ৰতি অনুগত হৈ থাকি জীয়াই থাকিবলৈ শিকা । জীৱনটো জীয়াই থাকিবৰ বাবেহে – উচ্ছৃংখলতাৰ বুকুত বিলীন কৰি দিবলৈ নহয় । উচ্ছৃংখল হোৱা সহজ – কিন্তু অনুগত পতি, পত্নী বা মাতৃ হোৱা কষ্টসাধ্য ।

প্ৰশান্তদা, মোৰ বাধ্যবাধকতা –

কোনো কথা নকবা, পাৰুল; কোনো কৈফিয়ৎ তোমাৰ ওচৰত মই বিচৰা নাই । আজি তুমি তোমাৰ শিৰৰ সেন্দুৰক অপমান কৰিলা – আজি তুমি সমগ্ৰ নাৰীজাতিৰ কলঙ্ক

অনমনীয় পাৰুল-প্ৰশান্তৰ মূৰ্তি দেখি স্তম্ভিত হৈ গ'ল; অৰ্থাৎ প্ৰশান্ত সঁচাকৈয়ে এটা সম্পূৰ্ণভাবে পৰিবৰ্তিত ব্যক্তিত্ব আজি । প্ৰথমবাৰৰ বাবে আজি তাই জীৱনত ভয় খালে – সন্ত্ৰস্ত হ'ল ।

ঘনঘনকৈ উশাহ লৈ প্ৰশান্তই আকৌ চিঞৰিলে – ওলাই যোৱা ইয়াৰ পৰা, ওলাই যোৱা । আৰু শুনা, মোৰ শেষ বক্তব্য – যিদিনা তোমাৰ দৰে কুহকিনী, চৰিত্ৰহীনা নাৰীবোৰক মোৰ দৰে পুৰুষবোৰে বৰ্জন কৰিবলৈ শিকিব – সিদিনাহে পুৰুষজাতি স্বাধীন হ'ব, বাস কৰিবলৈ পৃথিৱীখন বহু বেছি সুন্দৰ হ'ব আৰু সবাতোপৰি নাৰীৰ মৰ্যাদাৰ উত্তৰণৰ পথ চমু হৈ আহিব । তুমি আটায়েৰে অস্পৃশ্যা হৈ পৰিছিলা – মই তোমাক আটায়েৰে গ্ৰহণযোগ্যা কৰি গঢ়ি তুলিছিলো । আজি তুমি মোৰ বাবেই অস্পৃশ্যা হৈ পৰিলা । মই কোনোদিন আৰু তোমাৰ মুখ দৰ্শন কৰিব নোখোজো । এতিয়া সসন্মানে ইয়াৰ পৰা ওলাই যোৱা । মই মোৰ লতিকা, হেমেন, ৰূপেন, বিনীতাহঁতক লৈ মোক জীয়াই থাকিবলৈ এৰি দিয়া । প্ৰশান্ত গৈ আকৌ শোৱনি-কোঠাত সোমাই দুৱাৰখন বন্ধ কৰাৰ আগতে মাথোন কলে –

ভগৱানে তোমাক সুমতি দিয়ক – তোমাৰ আৰু হান্দাৰ কল্যাণ কৰক । দুৱাৰখনত খিলি লগাই দি প্ৰশান্তই অশুচি, অশুচি লগা গাটো ধুবলৈ বাথৰুমলৈ সোমাই গ'ল । মনে মনে ভাব হ'ল – দূৰৈৰ পৰা চাব খুজিলে হয়তো পাৰুলে ভৱিষ্যতে আৰু কোনোদিনেই তাক চিনি নাপাব আৰু সিও পাৰুলক । আজি আৰু পাৰুলৰ স্মৃতিয়ে তাক স্বপ্নাবিষ্ট কৰিব নোৱাৰে; অথচ নিজৰ অজানিতেই কবিতা এফাঁকি আওৰাব ধৰিলে –

"তোমাৰে যা দিয়েছিনু সে তোমাৰি দান;
গ্ৰহণ কৰেছ যত ঋণী তত কৰেছ আমায় ।
হে বন্ধু, বিদায় ।" বাথৰুমৰ দুৱাৰখন বন্ধ কৰি দি সি পানীৰ টেপটো খুলি দিলে ।

পোহৰ নৌহওঁতেই শুই উঠিয়েই প্ৰশান্তই চাকৰিৰ পৰা ইস্তাফা দিয়া চিঠি এখন লিখি চিভিল চাৰ্জনলৈ পঠাই দিলে আৰু টেলিগ্ৰাম এখন কৰি মুখ্যসচিব আৰু স্বাস্থ্য বিভাগৰ সচিবক জনাই দিলে । আটাইবোৰ মালবস্তু আচবাব-পত্ৰ সামৰি যোৱা সন্ধিয়াতে ঠিক কৰি থোৱা ট্ৰাক এখনত তুলি দি, বাবুৱাহঁতক লগত লৈ সি যেতিয়া ডিব্ৰুগড় অভিমুখে ৰাওনা হ'ল, তেতিয়া অশোক-পাৰুল হান্দা সমন্বিতে সমগ্ৰ হাফলঙ সাৰ পাই উঠি দৈনন্দিন সক্ৰিয় জীৱন আৰম্ভ কৰিবলৈ বহুতো বাকী ।

পলায়নবাদী আখ্যা নাপাবলৈ মাত্ৰ কেইদিনমান আগতে সি লতিকাক – তাৰ মৰমৰ লতিকাক প্ৰত্যাখ্যান কৰি পঠিয়াইছিল আৰু আজি – সিহঁতে আটাইজাকে – অৰ্থাৎ লতিকা, ৰূপেন হেমেন, সুকান্ত, বিনীতাহঁতে যাতে তাক সিহঁতৰ ওচৰৰ পৰা পলাই যোৱা বুলি কব নোৱাৰে তাৰ বাবে সি সকলোৰে অলক্ষিতে হাফলঙ ত্যাগ কৰি ডিব্ৰুগড়লৈ ধাবমান হ'ল । ধাবমান কালৰ বুকুত নিজক অৰ্পণ কৰি হাফলঙ-ছিলঙ ৰাস্তাত যেতিয়া সি ধুনীয়া তীব্ৰবেগী গাড়ীখন চলাই গৈছিল, তেতিয়া বাৰে বাৰে বিনীতা, লতিকা, হেমেন, ৰূপেন আৰু সুকান্তৰ মুখকেইখন তাৰ চকুৰ আগত ভাহি উঠিছিল আৰু স্বয়ংক্ৰিয়ভাবে বাৰে বাৰে আবৃত্তি কৰিছিল –

"উৎকণ্ঠ আমাৰ লাগি কেহ যদি প্ৰতিক্ষীয়া থাকে
সেই ধন্য কৰিবে আমাকে ।"





# এইবেলি ৰহাগতে ভূপেন্দ্ৰ সঙ্গীতেৰে

আৰতি দাস

ডঃ ভূপেন হাজৰিকা । সুদীৰ্ঘ ২৭ বছৰ পিছত তেখেতক লগ পালো ইমান ওচৰৰ পৰা, ইমান নিবিড় ভাবে । তেখেতক লগ পোৱাৰ সময়খিনিত গোটেই জীৱন জুৰি মনত সাঁচি ৰখা কথাবোৰ মুকলিভাবে ক'লো ।



শৈশৱত জনা হোৱাৰ পৰা মোৰ বাবে তেখেতৰ প্ৰথম প্ৰাণপৰশা গীতবোৰ আছিল – 'জিলিকাব লুইতৰে পাৰ' আৰু 'ৰং কিনিবা কোনে' । তেতিয়া সেইবোৰ গীতৰ অৰ্থ বুজি পোৱাৰ বয়স নহয় । তথাপিও সেইবোৰ গীত ভাল লাগিছিল । গুণগুণাইছিলো, বাৰে বাৰে শুনিছিলো । তাৰ পিছত শুনিলো 'এৰা বাটৰ সুৰ'ৰ সেই বিখ্যাত, শুনি শুনিও কেতিয়াও হেঁপাহ নপলোৱা, কেতিয়াও আমনি নলগা গীতবোৰ । সকলোতকৈ মোৰ ভাল লাগিছিল – 'জোনাকৰে ৰাতি অসমীৰে মাটি......' । তেতিয়া আমি শিৱসাগৰত । ঘৰৰ ওচৰৰ বজাৰখনত এখন গ্ৰামোফন ৰেকৰ্ডৰ দোকান । তাৰ পৰা সদায়ে মাইকেৰে বতাহত ভাহি আহে 'এৰাবাটৰ সুৰ'ৰ গীতবোৰ । মন্ত্ৰমুগ্ধৰ দৰে প্ৰায়ে আবেলি দোকানখনলৈ দৌৰি যাওঁ; দোকানৰ দাদাজনক বাৰে বাৰে সেইবোৰ গীতকে বজাই থাকিবলৈ অনুৰোধ কৰো । শৈশৱৰ শিৱসাগৰৰ আলিবাট, বজাৰ, বোৰ্ডিং ফিল্ডত চঞ্চল দৌৰি ফুৰা দিনত লৰালিকালৰ ক'তবোৰ সৰু সৰু আনন্দৰ খেল-ধেমালিৰ মুহূৰ্তবোৰত আবহ-সঙ্গীত আছিল সেই গীতবোৰ ! সেয়া কেৱল মোৰ কাৰণেই নিশ্চয় নাছিলো; মোৰ দৰে সেই সময়ত অসমীৰ কোলাত উমলি-জামলি ডাঙৰ হোৱা ক'ত শিশুৰ শৈশৱৰ স্মৃতিৰ লগত জড়িত হৈ আছে ভূপেনদাৰ সেই অন্তৰ দোলা দি যোৱা শুৱদী কণ্ঠৰ গীতবোৰ ।

ক'তবছৰ পাৰ হ'ল । কিশোৰী হ'লো । ভূপেনদাক মই প্ৰথমবাৰৰ বাবে গুৱাহাটীৰ ষ্টেডিয়ামত গীত গোৱা দেখিলো । আমাৰ ঘৰটো তেতিয়া ষ্টেডিয়ামৰ কাষত; কুইন বাইদেউৰ (শুদক্ষিণা শৰ্মা) লগত একেটা বিল্ডিঙৰে এটা অংশত । আমি এদিনহে সেই সঙ্গীত সন্ধিয়া চাবলৈ গৈছিলো । পিছদিনাখনৰ বাবে দেউতাই টিকট কিনি দিয়া নাছিল । কিন্তু সেইদিনা গধূলি কিমান যে মনটো উচপিচাই থাকিল ! এতিয়াও সুস্পষ্ট ভাবে অনুভৱ কৰিব পাৰো কৈশোৰ মনৰ সেই উচপিচনি, যেন দৌৰি যাম, আকৌ শুনিম তেওঁ প্ৰাণ ঢালি গোৱা গীতবোৰ, তেখেতৰ সন্মুখত গুণমুগ্ধ অগণন শ্ৰোতাৰ এজন হৈ বহি । ভাবিছো – অকল মইয়েনে ? মোৰ নিচিনা সেই সময়ৰ অসমী আইৰ কোলাত লালিত-পালিত হোৱা কত লাখ লাখ কিশোৰীৰ কিজানি ভূপেনদাৰ গীত শুনিবলৈ একেই আকুলতা, একেই মন বলিয়া কৰা হাবিয়াস !

যৌৱন আহিল । তেতিয়া মই কটন কলেজৰ ছাত্ৰী । সেই সময়ত অৱশ্যে কেবাবাৰো ভূপেনদাৰ গীত মঞ্চত শুনাৰ সৌভাগ্য হ'ল । সেই সময়ত এবাৰ কোনোবা গ্ৰীণ ৰুমত আমি বহুবোৰ যুৱতীয়ে তেখেতক আগুৰি ধৰিলো । (সপ্তক গোষ্ঠীৰ সঙ্গীত সন্ধিয়াত এজাক যুৱকে তেখেতক গ্ৰীণৰুমত আগুৰি ধৰিছে, আন এজাকে খিড়িকিৰ বাহিৰত তেখেতক ওচৰৰ পৰা লগ পাবলৈ আৰু মাত এষাৰ শুনিবলৈ আকুল হৈছে) । 'প্ৰতিধ্বনি' বোলছবিয়ে তেতিয়া মুক্তিলাভ কৰিছিল । তেখেতে আমাক সুধিছিল – "বোলছবিখনৰ কোনটো গীত …লোকৰ সকলোতকৈ ভাল লাগে ?" আমাৰ [illegible] [illegible], কাৰণ তেখেতৰ সকলো গীতেই আমাৰ সমানে ভাল লাগিছিল । চীনৰ যুদ্ধৰ পিছত তেতিয়া তেখেতে গাইছিল – "ক'ত জোৱানৰ মৃত্যু হ'ল...... তেনে মৃতক নহ'লো মই কিয় " সেই গীত পৰিবেশন কৰাৰ আগতে তেখেতে আমাক সীমান্ত অঞ্চলৰ যুদ্ধক্ষেত্ৰলৈ যোৱাৰ অভিজ্ঞতাৰ কথা চমুকৈ বৰ্ণাই কৈছিল । আমি অভিভূত হৈছিলো । কি সুন্দৰ প্ৰতিজন শ্বহীদৰ বাবে তেখেতৰ প্ৰাণৰ অনুভৱ ।

তাৰ পিচত জীৱনত বহুবোৰ বছৰ বাগৰিল । ভূপেনদাই বহুবোৰ গীত

ৰচিলে, সুৰ দিলে, গালে। প্ৰতিটো গীতেই শুনিলো ৰেডিঅ'ত, ৰেকৰ্ডত, কেছেটত, দূৰদৰ্শনত। প্ৰতিটো গীতেই মোৰ জীৱনৰ ক'ত সৰু সৰু স্মৃতিৰ লগত জড়িত হৈ বান্ধ খালে...... কিন্তু মঞ্চৰ সন্মুখত মন্ত্ৰমুগ্ধ শ্ৰোতামণ্ডলীৰ এজন হৈ তেখেতৰ গীত শুনাৰ সৌভাগ্য কিবা নহয় কিবা কাৰণত জীৱনত নহ'ল। এটা নহয়, দুটা নহয়, সুদীৰ্ঘ সাতাইশটা বছৰ জীৱনৰ পৰা হেৰাই গ'ল। কিন্তু মই অত বছৰে সেই সত্য অনুভৱ কৰাই নাছিলো, কাৰণ মঞ্চৰ সন্মুখত বহি তেখেতৰ গীত শুনা নাছিলো যদিও জীৱনৰ সেই সুদীৰ্ঘ বছৰবোৰ তেখেতৰ গীত অবিহনে জানো পাৰ কৰিব পাৰিছিলো? যিগৰাকী মহান শিল্পীৰ নতুন গীত এটা জন্ম হোৱাৰ লগে লগে গোটেই অসমখনতে এতিয়া তোলপাৰ লাগে, মই অসমীয়া হৈ তাৰ আনন্দৰ পৰা বঞ্চিত হ'ব পাৰোনে? পৃথিৱীৰ যি কোণতে নেথাকো লাগে, কেনেবাকৈ সেই গীতে মোৰ কাণত মৌ ঢালি অন্তৰ পৰশি যাবই। অকল মোৰেইনে? মোৰ দৰে পৃথিৱীৰ চুকে-কোনে বাস কৰা প্ৰতিজন অসমীয়াৰে প্ৰাণত তেখেতৰ গীতৰ স্পন্দন বৈ বৈ বাজিবই। পোন্ধৰ-ষোল্ল বছৰ আগতে প্ৰবাসী মই সুদূৰ অষ্ট্ৰেলিয়াৰ এডেলেইড্ চহৰত। অসমৰ লগত আঢ়ৈ বছৰৰ বাবে সম্বন্ধ কেৱল ঘৰলৈ আদান-প্ৰদান কৰা চিঠিবোৰত। (সেইসময়ত এডেলেইড চহৰত আমাৰ বাহিৰে আন এঘৰো অসমীয়া নাছিল)। সেই চিঠিবোৰত অসমৰ অলপ-চলপ খবৰ পাওঁ। কিন্তু তাতেই ভূপেনদাৰ নতুন গীতৰ খবৰো পাওঁ সঙ্গীতপ্ৰেমী দেউতাৰ চিঠিৰ যোগেদি। জয়ন্ত হাজৰিকাৰ মৃত্যুৰ খবৰো পাওঁ। কিমান দুখ লাগিছিল – ভূপেনদাৰ মৰমৰ ৰাণা আৰু নাই! যোৰহাটৰ সপ্তক গোষ্ঠীয়ে আয়োজন কৰা সঙ্গীত সন্ধিয়াত সিঁদিনা ৰাতি যেতিয়া ভূপেনদাই হেমেন দাসৰ কান্ধত হাত থৈ গাইছিল "অটোৰিক্সা চলাওঁ...... মোৰ সৰু ভাই......" তেতিয়া এৰি অহা দিনবোৰলৈ মন উৰি গৈছিল। সেই সময়ত ক'ত সঙ্গীত সন্ধিয়া ভূপেনদাৰ কাষত সেইদৰে থিয় হৈ জয়ন্ত হাজৰিকাই ক'ত গীত গাইছিল। ভূপেনদাই আমাৰ লগত গ্ৰীণৰুমত কথা পাতি থকাৰ সময়ত মঞ্চত মনীষা হাজৰিকাই গীত পৰিৱেশন কৰি আছিল। জয়ন্ত হাজৰিকাৰ গীতবোৰেই যেন তেওঁৰ জীৱনৰ সাধনা আৰু পূজা। তেওঁৰ গীত আমাৰ ভাল লাগিছে বুলি কোৱাত ভূপেনদাই ক'লে – "বুজিছা, মোৰ ভাইটোক তাইয়ে জীয়াই ৰাখিছে। তাই কলিকতাৰ বঙালী ছোৱালী হৈ কেনে সুন্দৰ অসমীয়া গীত গাইছে।"

সঙ্গীত সন্ধিয়াৰ পিছত যোৰহাটৰ উপায়ুক্তৰ বাসভৱনত ভূপেনদাৰ সান্নিধ্যত সেই নিশা প্ৰায় দুঘন্টাতকৈ বেছি সময় আমি কটালো। গভীৰ নিশাৰ সেই সময়খিনি (ৰাতি বাৰ বজাৰ পৰা প্ৰায় আঢ়ৈ বজালৈকে) মোৰ জীৱনত অবিস্মৰণীয় হৈ ৰ'ব। শৈশৱ, কৈশোৰ, যৌৱন পাৰ হৈ মই এতিয়া প্ৰৌঢ়ত্বৰ দুৱাৰ-দলিত। বিগত জীৱনৰ ক'ত স্মৃতি, ক'ত সৰু সৰু ঘটনা আৰু মধুৰ মুহূৰ্ত যি ভূপেনদাৰ গীতে বান্ধি ৰাখিছে, সেই ভূপেনদাৰ ব্যক্তিত্বৰ সান্নিধ্য ইমান কাষৰ পৰা লাভ কৰাৰ সৌভাগ্য হ'ল। সেই সময়খিনিত তেখেতৰ লগত হোৱা কথা-বতৰাবোৰ মই কেতিয়াও পাহৰিব নোৱাৰো। সেইদিনা তেখেতৰ ব্যক্তিত্বৰ আন এটা দিশ মোৰ বাবে উন্মুক্ত হৈছিল। তেখেতে বহুবোৰ পুৰণি কথা কৈছিল। ক'ত প্ৰখ্যাত মানুহ, ক'ত সৰু সৰু অভিজ্ঞতা, চাৰ্চিল, নেহৰু, ইন্দিৰা গান্ধী, চন্দ্ৰশেখৰ, বিমলা চলিহা, বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, তেখেত বিধায়ক হৈ থকা সময়ৰ বিধায়ক আৰু মন্ত্ৰীসকল, তেখেতৰ শৈশৱৰ যৌৱনৰ গুৱাহাটীৰ সমসাময়িক মানুহবোৰ, প্ৰতিজন মানুহৰে মুখৰ হুবহু ভাৱভঙ্গী, সংলাপ, সৰু সৰু একোটা মুহূৰ্ত জীৱন্ত হৈ উঠিছিল ...... দুঘন্টাৰ বেছি সময় যেন কেৱল দুটা অনুপলহে। পৰচৰ্চা নহয়, সেইবোৰ স্মৃতি ৰোমন্থনৰ মাজত ফুটি উঠিছিল সেই সময়ৰ আমাৰ সমাজখনৰ ছবি, মানুহৰ ভাৱধাৰা। কেৱল এজনেই ভাৱৰীয়া ...... ভূপেনদা। ......কিমান প্ৰখৰ স্মৃতিশক্তি...... অতীতৰ কোলাত শুই থকা হেৰাই যোৱা মুহূৰ্তবোৰ যেন তেখেতৰ স্পৰ্শৰ যাদুত পুনৰ জীৱন্ত হৈ উঠিছিল। আমি নিজৰ অস্তিত্ব পাহৰি গৈছিলো। কেৱল এবাৰ দুবাৰ মই সচকিত হৈ পৰিছিলো – এইজনেই সেই ভূপেনদানে? যিগৰাকী শিল্পীয়ে মোক গোটেই জীৱন জুৰি গীত শুনাই মন মুহি থৈছে, আজি যেন তেওঁ মোৰ সন্মুখত বুৰঞ্জী-প্ৰণেতা। – ইমান সুন্দৰ মিঠা মিঠা কথাৰে এয়া দেখোন অসমৰ সমাজৰ অলিখিত বুৰঞ্জী কৈ আছে। তেখেতৰ প্ৰতিটো কথাই লিপিবদ্ধ হ'ব লাগে। তেখেতৰ প্ৰতিটো অভিজ্ঞতাৰ স্মৃতি ৰোমন্থনত অসম বুৰঞ্জীৰ বাবে সমল হ'ব পৰা, অসমীয়া জাতিয়ে বুজিবলগীয়া বহুত কথা আছে। তেখেতৰ স্মৃতি ৰোমন্থনত সমসাময়িক অসমীয়া সমাজখনৰ আৰু অসমীয়া মানুহৰ চিন্তাধাৰা প্ৰতিভাত হৈছিল; কিন্তু মোৰ লগত কেছেট ৰেকৰ্ডাৰ নাছিল তেখেতৰ কথাবোৰ ৰেকৰ্ড কৰিবলৈ; ভিডিঅ' কেমেৰা নাছিল তেখেতৰ সেই ভাৱভঙ্গীবোৰ চিৰদিনৰ বাবে ধৰি ৰাখিবলৈ। আনকি যিবা এটা কেমেৰা বিচাৰি পোৱা গ'ল তাৰে ফ্লাছ গান নাছিল এখন ফটো তুলিবলৈ। স্মৃতিশক্তিৰে মনতে আঁকিবলৈ প্ৰয়াস কৰিলো সেই মুহূৰ্তৰ ছবিবোৰ। নিজেই অলপ মুহূৰ্তত তাক কেতিয়াবা নিৰলে জীৱনৰ বাকীছোৱা উপভোগ কৰিম। ভূপেনদাৰ ইমান গভীৰ সূক্ষ্ম পৰ্যবেক্ষণ মুখী এটা চিৰ-সেউজী সজাগ মনৰ সন্ধান মই পালো। ইমান ব্যস্ততা, ইমান বিচিত্ৰ নতুন নতুন অজস্ৰ মানুহৰ লগত নিতৌ সম্বন্ধ ঘটিলেও প্ৰতিজন বিশেষ মানুহৰ বিশেষ কথাবোৰ প্ৰখৰ স্মৃতিশক্তিৰে তেখেতে মনত ৰাখে। তেখেতে কৈছিল যে তেখেতে এই সকলোবোৰ কথা তেখেতৰ আত্মজীৱনীত লিখি আছে। আমি তেখেতৰ কথাবোৰত ইমান ৰস পোৱা বাবে তেখেতে ক'লে – "জীৱনটোত কথাবোৰ হিউমাৰ হিচাপে লৈয়ে আনন্দ উপভোগ কৰিব লাগে। জীৱনৰ অৰ্থই আনন্দ হ'ব লাগে।"

সেই নিশা কথা প্ৰসঙ্গত তেখেতক মই কৈছিলো – "ভূপেনদা, আপুনি জানেনে আপোনাৰ গীত প্ৰবাসী অসমীয়াবোৰে কিমান ভাল পায়? ডেৰ বছৰ আগতে মই বিদেশ ভ্ৰমণ কৰোতে সকলো অসমীয়াৰ ঘৰে ঘৰে আপোনাৰ গীতবোৰৰ সংগ্ৰহ দেখিলো। আমেৰিকাৰ আলিবাটত ইখন চহৰৰ পৰা সিখন চহৰলৈ গাড়ীৰে ভ্ৰমণ কৰোতে প্ৰায়ে তেওঁলোকে আপোনাৰ গীতৰ কেছেটক সঙ্গী হিচাপে লয়। গীতবোৰ শুনে। মইও শুনিছিলো। আমেৰিকাৰ আকাশে-বতাহে আপোনাৰ গীতবোৰৰ সুৰ বিয়পি যোৱাত কি যে ভাল লাগিছিল। বিশাল পৃথিৱীখনত আমাৰ অসমীয়াৰ ক্ষুদ্ৰ অস্তিত্বও যে জীয়াই থাকিব লাগিব, আপোনাৰ দৰে আৰু কেইগৰাকীমান প্ৰতিভাবান অসমীয়াই জাতিৰ হকে কাম কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিব লাগিব।

আন এজনে তেখেতক সেই নিশা প্ৰশ্ন কৰিছিল – "ভূপেনদা, আপোনাৰ গীতেৰে এতিয়াৰ আমাৰ ডেকা ল'ৰাবোৰক জাগ্ৰত কৰাৰ কিবা আঁচনি নকৰে কেলেই?" সেই প্ৰশ্নটো নিতান্তই অবান্তৰ যেন লাগিল মোৰ। কাৰণ ভূপেনদাই যিবোৰ গীত অতবছৰে ৰচিলে, অসমৰ বিভিন্ন অঞ্চলত গালে, তাৰ অন্তৰালত থকা ভাৱবোৰ বুজিবৰ চেষ্টা কৰিলে আজিৰ অসমীয়া ডেকা ল'ৰাই প্ৰেৰণা পাবলগীয়া আৰু অসমীয়া সমাজৰ বাবে কৰিবলগীয়া বহু কামৰে আহ্বান বুজিব পাৰে। কিন্তু দুখৰ কথা, তেখেতৰ গীতবোৰ কেৱল গীত হিচাপেই এতিয়া অসমৰ উঠি অহা ডেকাচামে গুণগুণায়। ভূপেনদাৰ এনে বহুবোৰ স্বৰচিত গীত আছে যি গীতৰ অৰ্থই অসমীয়া সমাজৰ বুৰঞ্জী সকিয়াই ভৱিষ্যতৰ অসমীয়াৰ বাবে অতি কৌশলেৰে তেখেতৰ নিজৰ ভাৱবোৰ বান্ধি ৰাখিছে। আজিৰ অসমীয়া সমাজৰ উজ্জ্বল অসমীয়া ল'ৰা-ছোৱালীখিনিয়ে পৃথিৱীৰ বহু কথাই শিকিছে আৰু জানে। অসমৰ সমাজ সংস্কৃতি আৰু ইতিহাসৰ বহু কথাৰ ইঙ্গিত তেওঁলোকে ভূপেনদাৰ গীতবোৰৰ পৰাই পাব পাৰে। এইখিনিতে মনত পৰিছে – অসমীয়াত এম এ পঢ়া সময়ত প্ৰথম বিশ্ববিদ্যালয়ত ক্লাছ লোৱাৰ দিনা ডঃ মহেশ্বৰ নেওগে আমাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ জ্ঞানৰ পৰিধি বিচাৰ কৰিবৰ বাবে সেই সময়ৰ অখণ্ড অসমৰ পাহাৰ-ভৈয়ামৰ জনজাতিসকলৰ নাম লিখিবলৈ দিলে। কেতিয়াও কোনোফালে যাবলৈ নোপোৱা আৰু কিতাপ আলোচনীৰ অভাবেৰে নিৰজ সীমিত জ্ঞানৰ সেই দিনবোৰত আমি জনজাতিৰ নামবোৰ লিখোতে ভূপেনদাৰ "চিয়াঙৰে আলং...... লুইতৰে খামটি...... টিৰাপৰে ৱাঞ্চুৱে......" সেই গীতটো গুণগুণাই কিছুমান নাম লিখিছিলো।

ভূপেনদাৰ স্বৰচিত গীতবোৰত তেওঁৰ জ্ঞান গভীৰ ক'ত কথাৰে আভাষ! কেৱল অসমৰ বুৰঞ্জীৰ চৰিত্ৰ আৰু ঘটনা কিছুমানেই নহয়, গোটেই পৃথিৱীৰ বিখ্যাত চৰিত্ৰ, বিখ্যাত ঘটনা, বিখ্যাত নদ, নদী, পাহাৰ, চহৰ, নগৰ অঞ্চলে তেখেতৰ গীতবোৰত প্ৰেৰণাৰ উৎস সিঁচি তেখেতৰ ভাৱধাৰা সুগভীৰ আৰু অৰ্থব্যঞ্জক কৰি তুলিছে। তাৰ পৰা নতুন পুৰুষে কৌশলেৰে প্ৰেৰণা বুটলিবলৈ জানিব লাগিব। তেখেতৰ "এৰাবাটৰ সুৰ" বোলছবিখনে এসময়ত সঙ্গীত-মধুৰ ছবি হিচাপে খ্যাতি লাভ কৰিছিল। কিন্তু আজিৰ অসমীয়া সমাজখনত সেই বোলছবিখনৰ মৰ্ম বুজিবলগীয়া বহু কথা আছে – আমি চিন্তা কৰিবলগীয়া বহু বিষয় আছে। তিনি-চাৰি দশক আগতে আমি কি আছিলো আৰু আজি আমি কি হ'লো? – আমাৰ সমাজখনৰ কি কি সুন্দৰ কথা আমি আওকান কৰিলো? ভাই-ভাইৰ সমন্বয়ৰ সেই কপ্‌কপীয়া বান্ধোন আমাৰ সমাজত আজি ক'ত?

ভূপেনদাক লগ পোৱাৰ আগদিনাখনৰ কথা। বৰঝাৰ বিমান কোঠত অৰুণাচলৰ কিছুমান আদি ডেকা-গাভৰুক দেখিলো। তাৰে এগৰাকী আদি গাভৰুৰ লগত পৰিচয় হ'লো। তেওঁলোকে পৰস্পৰৰ মাজত নিজৰ ভাষাৰে কথা পতা শুনিছিলো বাবে মই তাইৰ লগত হিন্দী আৰু ইংৰাজীত কথা পাতিবলৈ চেষ্টা কৰিলো। কিন্তু যেতিয়া তাই মোৰ কথাৰ অসমীয়াতে উত্তৰ দিলে ভূপেনদাৰ গীতৰ "আপাটানি ভনীটিক ধৰিলো সাৱটি......"ৰ দৰে, মোৰ তাইক সাৱটি ধৰিবৰ মন গৈছিল; অন্তৰত কোমল কোমল আবেগ অনুভূতিবোৰ উথলি উঠিছিল। আজিকালিৰ দিনবোৰত যে বিদ্বেষৰ বীজ সিঁচিবলৈ বিভিন্ন জনগোষ্ঠীৰ কিছুমান উগ্ৰ জাতীয়তাবাদীয়ে সহজ সৰল সাধাৰণ মানুহখিনিক নিজৰ নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে কেৱল নিজৰ ভাষা সংস্কৃতিৰ ঠেক গণ্ডীত আবদ্ধ হৈ থাকিবৰ বাবে শিকাবলৈ চেষ্টা কৰিছে! পাহাৰ ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ এসময়ৰ মৰম চেনেহত কোনে আজি বিদ্বেষৰ বীজ সিঁচিলে? আজি আমি "সেই সোণালী সুদিন......" ঘূৰাই পাবৰ বাবে কিবা কাম কৰাৰ কথা ভাৱিছোনে? সমাজৰ পৰা দ্ৰুতগতিত হেৰাই যাব খোজা এই সুন্দৰ সুন্দৰ অনুভূতিবোৰ কেতিয়াবা আমি পুনৰ সঞ্জীৱিত কৰাৰ কথা ভাবিছোনে? আদি গাভৰু গৰাকীৰ লগত পৰিচিত হোৱাৰ পিছত মই নিজকে প্ৰশ্ন কৰিছিলো – তাই এগৰাকী সহজ-সৰল জনজাতীয় গাভৰু (নিজৰ গাত পিন্ধা কাপোৰখন নিজে বৈ লোৱা) মই এগৰাকী উচ্চশিক্ষিতা অসমীয়া মহিলা (তাত ববলৈ শিকিছিলো যদিও আইতা-মাৰ দিনৰ শালখন মোৰ ঘৰত এতিয়া নাই, বজাৰৰ পৰা কাপোৰ কিনি পিন্ধা) কিন্তু মোৰ নিজৰ শিক্ষাদীক্ষাক মই সিদিনা লাজ দিছিলো – মই কোনোবাদিনা পাহাৰ-ভৈয়ামৰ যিকোনো এটা জনজাতীয় ভাষাৰ এষাৰ বাক্য বা দুটামান শব্দৰে মনৰ কথা কবলৈ শিকিলোনে? তেওঁলোকৰ পৰা কিছুমান সুন্দৰ সুন্দৰ শব্দৰে আমাৰ অসমীয়া ভাষা সাহিত্যৰ ভড়াল কেলেই চহকী নকৰো?

অসমৰ উঠি অহা উচ্ছলপ্ৰখৰ বুদ্ধিসম্পন্ন নতুন পুৰুষে ভূপেনদাৰ গীতৰ অৰ্থ বুজিবৰ সময় এতিয়াই সমাগত। নহ'লে বহু কথাই সাধু কথা যেন লগা হ'ব, বহুত কথা সুঁৱৰি আমাৰ ভৱিষ্যতৰ সমাজখনে কান্দিব লাগিব। ৰাজনীতিৰ লেতেৰা খেলেৰে কিছুমান আত্মকেন্দ্ৰিক সুবিধাবাদী মানুহে আজি আমাৰ সমাজৰ সৰ্বসাধাৰণ মানুহখিনিৰ সুখ-শান্তিৰ প্ৰাণৰো আপোন সম্পদখিনি এপদ এপদকৈ লুটি লৈ গৈ আছে। সৰ্বসাধাৰণ মানুহখিনিৰ চকুপানী মচিবলৈ আগবাঢ়ি অহাজনৰো পদে পদে ভৰি পিচলে বাকে পলায়নবাদী মনোভাৱেৰে সুযোগ্যজনে সেই পথত খোজ পেলাবই নোখোজে। যোৱা বছৰ ভূপেনদাৰ শিল্পীপ্ৰাণে গভীৰ হতাশাৰে লিখিলে আৰু গালে "শোক নাই, দুখ নাই, ...... ঘড়ীৰ কাটা নাই......।" সপ্তক গোষ্ঠীয়ে আয়োজন কৰা সঙ্গীত সন্ধিয়াত ভূপেনদাই বহুত গীত পৰিৱেশন কৰাৰ পিছত এই গীত গাইছিল। কিন্তু পিছ মুহূৰ্ততে ভূপেনদাই শ্ৰোতা মণ্ডলীৰ ফালে চাই এমোকোৰা হাঁহিৰে মুখ উজলাই ক'লে – "ইমান নিৰাশাবাদী হ'মনে? কেতিয়াবা নহওঁ – বহাগ আহিছে।" বিহুগীত এফাঁকি গাই বিশ্ব ভাতৃত্বৰ সেই বিখ্যাত গীতেৰে অনুষ্ঠান সামৰিলে। সন্মুখৰ অগণন সঙ্গীতপ্ৰেমী শ্ৰোতা মণ্ডলীক ভূপেনদাই শিল্পী সুলভ কৌশলেৰে কিহৰ ইঙ্গিত দিলে? বিহু থাকিবই লাগিব। বিহু মানেই যে অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতি, ৰং-ধেমালিৰ আনন্দৰ ৰহঘৰা। বিহু জীয়াই থাকিবই লাগিব। এই বয়সতো ভূপেনদাৰ জিৰণি ক'ত? অসমৰ বাহিৰত কেবাটাও কৰ্মব্যস্ত কাৰ্যসূচী থকা স্বত্ত্বেও অসমৰ ইমুৰ-সিমুৰ ঘূৰিছে। ভাগৰ নাই, ক্লান্তি অৱসাদ নাই। ৰাতি ৰাতিয়ে হেনো আন এঠাইলৈ যাব। ওৰে জীৱন ভূপেনদাই কণ্ঠৰ শোণিত নিগৰাই নিগৰাই গোৱা গীতবোৰ কেৱল শুনিলেই আমাৰ নহ'ব। তেখেতক বুজি গাবলৈ চেষ্টা কৰাৰ সময় এতিয়া সমাগত। এই বহাগতে, এই কপৌ ফুলাৰ বতৰতে, কুলি কেতেকীৰ মিঠা মাত শুনাৰ সময়তে, কোনোবা বিহু বলিয়া ডেকাৰ ঢোলৰ প্ৰথম চাপৰ শুনাৰ সময়তে, বিহুৱাণী হ'বলৈ বিচৰা ন-গাভৰুৰ মন চঞ্চল কৰা সময়তে, গামোছা লাগিব চেলেং-চাদৰ লাগিব বুলি কোৱা সময়তে। বহাগ যে আহিছে, আমাৰ বাপটি সাহোন বিহুটি যে আহিছে, এইবাৰ মিঠা মিঠা বহাগৰ বিহুত ভূপেনদাই আকৌ গীত গাব। তেখেতৰ গীত শুনো আহক, গীতৰ মৰ্মবাণী উপলব্ধি কৰি – বিশেষ ভাবে কৰিবলগীয়া কাম কিছুমান কৰিবলৈ চেষ্টা কৰো আহক। উঠি অহা চামৰ বাবে "ভূপেন্দ্ৰ সঙ্গীত" বুলি কেৱল ভূপেনদাৰ সঙ্গীত প্ৰতিযোগিতাৰ মাজতে আমাৰ কাম সীমাবদ্ধ কৰি ৰাখিলে নহ'ব। নতুন প্ৰতিশ্ৰুতিৰে বহাগৰ চিৰ চেনেহী ৰঙালী বিহুক আদৰো আহক। ■

চিনেমা

# শব্দ, সংগীত আৰু চিনেমা

উৎপল দত্ত

মৃত্যুৰ কঠিন হাতোৰাই ধৰি লোৱা এটি পৰিবেশ। ছবিৰ দৰেই সুন্দৰ পৰিবেশটোৰ মাজত থকা ঘৰটোৰ চৌহদত ইতিমধ্যে একাধিক হত্যাকাণ্ড সংঘটিত হৈ গৈছে। জীয়াই আছে মাত্ৰ শিশু এটি। শিশুটোৰ সন্মুখত এখন ঝুলনা – ক্ৰেক ক্ৰেক শব্দ কৰি ঝুলনাখন ইফালৰ পৰা সিফাললৈ গৈ আছে। অনন্ত নীৰৱতাৰ মাজত সেই ক্ৰেক ক্ৰেক শব্দই ভয়াবহ মূৰ্তি ধাৰণ কৰিছে। শিশুটোৰ সন্মুখত, ঝুলনাখনৰ সিপাৰে স্থিৰ হৈ ৰৈ আছে এটি বন্দুকৰ নল, তাৰ সন্মুখটো শিশুটোৰ কপাললৈ লক্ষ্য কৰা। বন্দুকটো ধৰি আছে ভয়াবহ ডকাইত গব্বৰ সিঙে। গব্বৰ সিঙে পৰিয়ালটোৰ আন সকলোকে গুলীয়াই শেষ কৰিলে, এইবাৰ শিশুটোৰ পাল। এইমাত্ৰ সংঘটিত হ'বলগীয়া হত্যাৰ অপেক্ষাৰ অসহ্য সময়খিনিৰ ভয়াবহতা বঢ়াই দিছে ঝুলনাৰ ক্ৰেক ক্ৰেক শব্দই। বন্দুকৰ ট্ৰিগাৰত আঙুলি। শিশুটোৰ অসহায় মুখ।

হঠাৎ দৃশ্যটোৰ পৰিবৰ্তন হয়। বিকট শব্দ কৰি ৰেল এখন ৰৈ যায়। পূৰ্বৰ দৃশ্যটোৰ বাবে বিকট শব্দ এটাৰ প্ৰয়োজন আছিল, কিন্তু সেই শব্দটো ব্যৱহাৰ কৰা নহ'ল, বৰং বেলেগ এটা দৃশ্যহে কৌশলী হাতেৰে আৰম্ভ কৰা



প্ৰখ্যাত গায়ক-সুৰকাৰ কিশোৰ কুমাৰ–যিয়ে নিজৰ এখন ছবিত আৱহ সংগীত ৰচনা কৰিছিল মাথোন স্বাভাৱিক শব্দৰ দ্বাৰাই।



প্ৰখ্যাত তবলা বাদক সান্তা প্ৰসাদ– যিয়ে শোলে ছবিৰ আৱহ সংগীত আৰু 'এফেকটচ'ৰ বাবে তবলা বজাইছিল আৰ. ডি. বৰ্মনৰ পৰিকল্পনাত।

হ'ল।

পাঠকে বুজি পাইছেই – ওপৰত বৰ্ণনা কৰা দৃশ্যটো 'শোলে' ছবিৰ। হিন্দী ছবিত গুলিমৰা দৃশ্যৰ আকাল নাই; কিন্তু ৰসোত্তীৰ্ণ দৃশ্যৰ সংখ্যা তেনেই তাকৰ। সেয়ে গুলিমৰাৰ সংবেদনশীল দৃশ্যৰ কথা কলেই 'শোলে'ৰ এই দৃশ্যটিৰ নামেই প্ৰথমে উল্লেখ হয়।

দৃশ্যটোৰ প্ৰধান বৈশিষ্ট্য হ'ল ছবিৰ পৰিমিতিবোধ, শব্দৰ কৌশলী ব্যৱহাৰ আৰু চতুৰ সম্পাদনা। দৃশ্যটোৰ মূল বক্তব্য আছিল শিশুটোক গুলীয়াই হত্যা কৰা কাৰ্য। তাৰ প্ৰস্তুতিৰ সকলো দৃশ্য ছবিৰে ধৰি ৰখাৰ পিছতো মূল দৃশ্যটি দেখুওৱা নহ'ল অথচ বেলেগ শব্দৰ সংযোজনেৰে দৃশ্যটিৰ বাণী দৰ্শকৰ বাবে সহজবোধ্য ৰূপত উপস্থাপন কৰা হ'ল। আতংকময় আৰু শ্বাসৰুদ্ধকাৰী পৰিবেশত কিন্তু পৰম্পৰাগত ভয়াবহ সংগীত ব্যৱহাৰ কৰাৰ সলনি গভীৰ নৈশব্দ ব্যৱহাৰ কৰা হৈছে আৰু সেই নৈশব্দক ঝুলনাখনৰ ক্ৰেক ক্ৰেক শব্দৰে ভংগ কৰি ইপ্সিত পৰিবেশৰ সৃষ্টি কৰা হৈছে। দৃশ্যটো চলি থকা সময়ত দৰ্শকে প্ৰতিমুহূৰ্ততে সেই বিকট শব্দটোৰ প্ৰতীক্ষা কৰে, যিটো শব্দৰ লগে লগে শিশুটিৰ দেহ ভূ-পতিত হৈ যাব। সেই শব্দটো দৰ্শকে শুনে, কিন্তু বেলেগ দৃশ্যৰ আৰম্ভণিৰ শব্দ। এই শব্দটোৰ প্ৰয়োগ ইমান সুন্দৰ আছিল যে ই পূৰ্বৰ দৃশ্যৰ প্ৰয়োজনীয় চাহিদাও পূৰণ কৰিলে আৰু নতুন দৃশ্যটোৰ কৌতূহলউদ্দীপক আৰম্ভণিও কৰি দিলে।

'শোলে'ৰ পৰিচালক ৰমেশ চিপ্পি আৰু সংগীত পৰিচালক আৰ ডি বৰ্মনৰ এনেকুৱা উদ্ভাৱনী আচৰণ ছবিখনৰ বহু অংশত সিচঁৰতি হৈ আছে। ছবিৰ নায়িকা বাসন্তী (হেমা মালিনী)য়ে টাংগাত উঠি পলোৱা দৃশ্যৰ দৰে উত্তেজনামূলক দৃশ্যতো সংগীত পৰিচালক আৰ ডিয়ে পৰম্পৰাগত সংগীতৰ ব্যৱহাৰ নকৰি ঘোঁৰাৰ খুৰাৰ শব্দ ব্যৱহাৰ কৰিছিল। আৰু বাণীবদ্ধ কৰা আচল শব্দত তেওঁ সন্তুষ্ট নহৈ খ্যাতিমান তবলা বাদক সামতা প্ৰসাদৰ তবলা বাদন সেই শব্দৰ সলনি ব্যৱহাৰ কৰিছিল। ইয়াত তবলাক তাৰ নিজস্ব বৈশিষ্ট্যৰ সলনি শব্দ উৎপাদক আহিলা হিচাপেহে ব্যৱহাৰ কৰা হৈছিল।

নিৰ্বাক ছবিৰ যুগত ছবি প্ৰদৰ্শন কৰোতে প্ৰজেক্টৰৰ পৰা হোৱা শব্দ ঢাকি দিবলৈ প্ৰেক্ষাগৃহবোৰত বাদ্যযন্ত্ৰ পৰিবেশন কৰা স্থায়ী বাদ্যযন্ত্ৰী ৰখাৰ ব্যৱস্থা কৰা হৈছিল। সেই সংগীত ৰচনা ছবিৰ পৰিচালকৰ মতে হোৱা নাছিল, হৈছিল বাদকসকলৰ নিজস্ব ৰুচি-অভিৰুচি আৰু দক্ষতামতেহে। ফলত একেখন ছবিতেই বিভিন্ন প্ৰেক্ষাগৃহত বিভিন্ন সংগীতৰ সংযোজন ঘটিছিল।

এই বিশৃংখলতা দূৰ কৰাৰ বাবে প্ৰথম পদক্ষেপ লৈছিল গ্ৰিফিথে। তেওঁ নিজৰ ছবিৰ লগত খাপ খোৱাকৈ বিথোভেন, মোজাৰ্ট আদিৰ দৰে সুৰকাৰৰ সংগীত ৰচনা নিৰ্বাচন কৰি লৈছিল আৰু সেই নিৰ্বাচিত ৰচনাৰ স্বৰলিপি প্ৰস্তুত কৰি তাক অনুকৰণ কৰাৰ নিৰ্দেশ দিছিল।

সবাক ছবিৰ আৰম্ভণিয়ে চিত্ৰ-পৰিচালকসকলৰ সন্মুখত বিপুল সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিলে। ছবিত দুই ধৰণৰ শব্দৰ সংযোজন হ'ল। অভিনেতা-অভিনেত্ৰীসকলৰ কণ্ঠৰ সংলাপ, পাৰিপাৰ্শ্বিক শব্দ আৰু আৱহ সংগীত। সংলাপ হ'ল বক্তব্য আৰু কাহিনী প্ৰকাশৰ আহিলা আৰু আৱহ সংগীত, পাৰিপাৰ্শ্বিক শব্দ হ'ল দৃশ্যটোক অধিক প্ৰাণবন্ত কৰি তোলাৰ উপাদান।

ভাৰতীয় ছবিৰ অভিনয় আৰু নৃত্যাংশক প্ৰভাৱিত কৰি আহিছিল ভাৰতীয় থিয়েটাৰৰ ঐতিহ্যই। সেয়ে সবাক ছবিৰ ক্ষেত্ৰত এই প্ৰভাৱ অধিক পৰিস্ফুট হ'ল। শব্দৰ আগমনৰ লগে লগেই প্ৰবেশ ঘটিল সংলাপ আৰু গীতৰ। অতি স্বাভাৱিকভাবেই এই সংলাপ ৰচিত হৈছিল নাটকৰ সংলাপৰ আৰ্হিত। মঞ্চৰ লগত জৰিত বহুলোক ছবিৰ লগত জৰিত হৈ পৰা বাবেও নাটকে ছবিত প্ৰভাৱ বিস্তাৰ কৰাৰ অধিক সুবিধা পালে। গীত আৰু আৱহসংগীতৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য হ'ল। ছবিৰ সংলাপ, গীত, আনুষংগিক শব্দ আৰু আবহ সংগীতে নাট্যধৰ্মীতাৰ পৰা মুক্ত হৈ ছবিৰ চৰিত্ৰ গ্ৰহণ কৰিবলৈ বহু বাট বুলিবলগীয়া হ'ল।

ছবিত আনুষংগিক শব্দৰ ব্যৱহাৰৰ প্ৰধান কাৰণ দুটি। প্ৰথমটো হ'ল দৃশ্যটোক জীৱন্ত কৰি তোলা। ধৰা হওক – দুজন মানুহে বহি কথা পাতি আছে, লগে লগে টেবিলৰ পৰা চাহৰ কাপটো তুলি লৈছে, চাহ খাইছে, কাপটো পুনৰ টেবিলত থৈছে। এই কামখিনি কৰোতে কাপ-প্লেটৰ ঘৰ্ষণত শব্দৰ উৎপত্তি হবও পাৰে নহবও পাৰে। কিন্তু সামান্য টুংটাং শব্দই এই সম্পূৰ্ণ দৃশ্যটো যে অধিক বাস্তৱসন্মত কৰিব তাত কোনো সন্দেহ নাই। দ্বিতীয় কাৰণটো হ'ল পৰিবেশগত ধাৰণা দিয়া বা ভৌগোলিক ধাৰণা স্পষ্ট কৰি তোলা। এটা কোঠাৰ ভিতৰত লোৱা দৃশ্য এটিৰ লগত ৰেলৰ শব্দ যোগ কৰি দি কোঠাটোৰ ভৌগোলিক অৱস্থান সহজেই বুজাব পাৰি। ৰেলৰ শব্দ সঘন হ'লে দৰ্শকে সহজেই বুজি পাব যে কোঠাটো ৰেলষ্টেচনৰ ওচৰৰ কোঠা। এই শব্দৰো বহুত চৰিত্ৰ আছে – সেইবোৰৰ কৌশলী ব্যৱহাৰে কোঠাটোৰ অৱস্থান আৰু অধিক স্পষ্টতৰ কৰি তুলিব। এটা অফিচৰ দৃশ্যত, দৰ্শকে পৰ্দাত টাইপ ৰাইটাৰ এটা নেদেখিলেও, তাৰ শব্দেৰেই ব্যস্ত টাইপ-ৰাইটাৰৰ অস্তিত্ব অনুভৱ কৰিব পাৰিব। এনেদৰেই আনুষংগিক শব্দৰ প্ৰয়োগ ছবিৰ দৃশ্য গঠনৰ বাবে প্ৰয়োজনীয় হৈ পৰে। অৰ্থাৎ ছবিৰ বাস্তৱতাৰ বাবেই আনুষংগিক বা পাৰিপাৰ্শ্বিক শব্দ এৰাব নোৱৰা অংগ।

এই আনুষংগিক শব্দক অকল প্ৰয়োজন পূৰণৰ বাবেই ব্যৱহাৰ নকৰি তাক সৃজনীশীল ৰূপত ব্যৱহাৰ কৰাতহে পৰিচালকৰ সংবেদনশীলতাৰ উমান পোৱা যায়। এই আলোচনাৰ প্ৰথমতে উল্লেখ কৰা দৃশ্যটোৰ শব্দৰ কথা এনেকুৱা প্ৰয়োগৰ ভাল উদাহৰণ। আৰু এখন জনপ্ৰিয় ছবিৰ এটা দৃশ্যৰ কথা – 'শক্তি' ছবিত অমিতাভ বচ্চন আৰু দিলীপ কুমাৰে পুত্ৰ আৰু পিতৃৰ চৰিত্ৰত অভিনয় কৰিছিল। পিতা-পুত্ৰৰ মাজত মত-বিৰোধ, দুয়োৰে হৃদয়ৰ বহু সঞ্চিত ক্ষোভ সাগৰৰ গৰ্জনৰ দৰেই গৰ্জি আছে। ছবিৰ এটি নাটকীয় মুহূৰ্তত দুয়ো একেলগ হ'ল কথা পতাৰ বাবে। মত-বিৰোধৰ বাবেই পিতৃৰ ঘৰ এৰি গুচি যোৱা পুত্ৰই পিতৃৰ মুখৰ পিনে চাব পৰা নাই আৰু অপৰাধবোধত ভোগা পিতৃয়েও পুত্ৰৰ মুখৰ পিনে চাব পৰা নাই। এই দৃশ্যটোৰ বাবে পটভূমি নিৰ্বাচন কৰা হ'ল সাগৰৰ পাৰৰ এনে এটি অঞ্চল য'ত সাগৰৰ ঢৌবোৰে বিৰাট শব্দ কৰি আহি পাৰত খুন্দা মাৰেহি। দুই চৰিত্ৰৰ কথোপকথনৰ মাজে মাজে সাগৰৰ ঢৌৰ শব্দ কৌশলেৰে ব্যৱহাৰ কৰি দৃশ্যটো সংবেদনশীল কৰি তোলা হৈছে। দুই চৰিত্ৰৰ মনৰ অশান্ত অৱস্থাৰ প্ৰতিফলন ঘটোৱাত এই পৰিবেশ আৰু পৰিবেশৰ শব্দই যথেষ্ট সহায় কৰিলে। এই ধৰণেই পৰিবেশনত শব্দই নিজৰ অবয়ব আৰু শক্তিৰ পৰিবৰ্দ্ধন ঘটায় – তীক্ষ্মধী পৰিচালকৰ হাতত। (শক্তি ছবিৰ পৰিচালক আছিল ৰমেশ চিপ্পি আৰু সংগীত পৰিচালক আছিল আৰ ডি বৰ্মন)।



ভাৰতীয় ছবিৰ আৱহ সংগীতৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ প্ৰথম সূচনা কৰে সত্যজিৎ ৰায়ে। 'হীৰক ৰাজৰ দেশে' ছবিৰ বাবে সত্যজিৎ ৰায়ে শ্ৰেষ্ঠ সংগীত পৰিচালকৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল আৰু সেই একেখন ছবিতেই কণ্ঠদান কৰি ডঃ অনুপ ঘোষালে লাভ কৰিছিল শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ ৰাষ্ট্ৰীয় বঁটা।

এনেকুৱা আৰু এটি সুন্দৰ উদাহৰণ পোৱা যাব ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সাৰথি' ছবিত। তথাকথিত চৌখিন মধ্যবিত্ত পৰিয়ালটিৰ মূল মানুহজন সন্ধিয়া কৰ্মক্লান্ত হৈ উভতি আহিছে – দিনটো তেওঁ ব্যস্ত হৈ আছিল ঘৰ বন্ধা কামত, দুপৰীয়া ঘৰৰ পৰা খোৱা বস্তু লৈ যোৱাৰ কথা আছিল, কিন্তু পুত্ৰ-কন্যা-পত্নী কোনো নগ'ল। সন্ধিয়া মানুহজন আহি ঘৰ সোমোৱা সময়ত ঘৰত টিভি চলি আছে আৰু চিনেমাৰ আগতে দিয়া বিজ্ঞাপনবোৰৰ শব্দ ভাহি আহিছে। বিজ্ঞাপনৰ এই শব্দবোৰে সময়ৰ ধাৰণা এটি দিয়ে। কিন্তু এই ধাৰণা দিয়াৰ বাবে আন বহু উপাদান পৰিচালকৰ হাতত আছিল। তেন্তে এই বিশেষ শব্দটো কিয়? টেলিভিচনত বহুল প্ৰচাৰিত বৰ্ণবিচিত্ৰ বিজ্ঞাপনবোৰে যি এক ভাসমান ফোপোলা জীৱনৰ ছবি দাঙি ধৰে, তেনে এক মূল্যবোধহীন জীৱনৰ বলি হৈছে ছবিৰ এই চৰিত্ৰটি। ছবিৰ শেষ দৃশ্যত যেতিয়া পৰাজিত চৰিত্ৰটোৱে এই অভিজ্ঞতাৰ মুখামুখি হয়, তেতিয়াই নেপথ্যত ব্যৱহাৰ হোৱা বিজ্ঞাপনৰ শব্দবোৰে দৃশ্যটিৰ আবেদন আৰু অধিক গাঢ় কৰি তোলে।

পাৰিপাৰ্শ্বিক শব্দক এনেদৰে শিল্পসন্মত ৰূপত সন্নিবিষ্ট কৰাৰ বাবে প্ৰয়োজন হয় পৰিচালকৰ সংগীত আৰু শব্দচেতনা। শব্দৰ অৰ্থ, ব্যঞ্জনা আৰু ঘনত্বৰ সঠিক ব্যৱহাৰ নহলে এই শব্দবোৰ কোলাহললৈ ৰূপান্তৰিত হোৱাৰ আশংকাই অধিক। দৃশ্যৰ মূল সুৰৰ লগত এই শব্দবোৰৰ আত্মিক সম্পৰ্ক অভিন্ন ৰূপত প্ৰকাশ পাবই লাগিব।

প্ৰখ্যাত গায়ক কিশোৰ কুমাৰে তেওঁৰ এখন ছবি 'দূৰ বাদিয়ে মে কঁহী'ত

নেপথ্যসংগীত একেবাৰেই বৰ্জন কৰিছিল। তাৰ সলনি প্ৰয়োগ কৰিছিল কেৱল পাৰিপাৰ্শ্বিক শব্দ। ছবিখনে ব্যাপক ৰূপত মুক্তিলাভ নকৰা বাবেই কিশোৰ কুমাৰৰ এই পৰীক্ষা সমাদৃত নোহোৱাকৈ ৰৈ গ'ল।

বাস্তৱধৰ্মী ছবিৰ ক্ষেত্ৰত এটা প্ৰশ্ন সহজেই উদয় হয় – আমাৰ বাস্তৱ জীৱনৰ নেপথ্যত অহৰহ অৰ্কেষ্ট্ৰা এটা বাজি থাকে নেকি ? নাথাকে। তেনেহলে ছবিত আৱহসংগীত কিয়*?

সংগীত মানুহৰ আদিমতম কলা। মানুহৰ বিভিন্ন কাম আৰু অনুভূতিৰ ছন্দই সংগীতৰ জন্ম দিয়ে। সহজ কথাত মানৱ মনৰ বিভিন্ন অনুভূতি আৰু প্ৰতিক্ৰিয়া প্ৰতিফলন ঘটে ছন্দবদ্ধ শব্দৰ মাজেৰে। এদল বনুৱাই একেলগে কাম কৰোতে ছন্দ ৰক্ষাৰ বাবে মুখেৰে কিছুমান অৰ্থহীন শব্দ ছন্দবদ্ধ ৰূপত উচ্চাৰণ কৰি থাকে; অথচ একে কাম অকলে কৰোতে মানুহ এজনে সেই একে মুখেৰে শব্দ উচ্চাৰণ নকৰে। অকলে বাথৰুমত গা ধুই থাকোতে বা নিৰ্জন ৰাস্তাৰে অকলে আহি থাকোতেও এজন মানুহৰ মুখৰ পৰাই গুণগুণকৈ গীতৰ কলি ওলাই থাকে। এই গীতৰ কলি কোনো পৰিকল্পিত নহয়, মনৰ ভিতৰত গোট খাই থকা চিনাকি গীতৰ কলিয়েই সচৰাচৰ উচ্চাৰিত হয়। ইয়াৰ কাৰণ হ'ল মনৰ অৱস্থাৰ স্বাভাৱিক প্ৰতিফলন। ছবিত আৱহ সংগীত ব্যৱহাৰৰ মূল কাৰণো এইটোৱেই। সত্যজিৎ ৰায়ে লেখিছে – 'দৃশ্যবস্তু, কথা আৰু ধ্বনিৰ সহযোগেৰে ছবিত যেনেদৰে বৰ্ণনা কৰা হ'ল, তাৰ ওপৰত সংগীতৰ প্ৰলেপ দি বক্তব্যক আৰু অধিক পৰিস্ফুট বা আৰু আবেগময় কৰাৰ প্ৰয়োজনবোধ কৰিলেই পৰিচালকে আৱহ সংগীতৰ আশ্ৰয় লয়।'

এই আৱহ সংগীতক সাধাৰণভাবে দুই ভাগত বিভক্ত কৰিব পাৰি – ধাৰণাকৰ্মী – অৰ্থাৎ যিয়ে কোনো ইন্দ্ৰিয়াগ্ৰাহ্য বাহ্যিক ধাৰণাৰ ইংগিত দিয়ে – যেনে ধুমুহাৰ সংগীত, আৰু প্ৰকাশধৰ্মী – যিয়ে অন্তৰৰ অনুভূতি ব্যক্ত কৰে, যেনে – পথেৰ পাঁচালী ছবিৰ মূল সুৰটি।

সকলো ছবিৰ ক্ষেত্ৰতেই আৱহ সংগীতৰ এই ব্যাখ্যা সমানেই প্ৰযোজ্য। সেয়ে ছবিৰ দৃশ্যৰ লগত সম্পৰ্ক ৰাখি বিয়োগাত্মক দৃশ্যত কৰুণ সংগীত, মিলনৰ দৃশ্যত আনন্দ – সংগীত, অতি নাটকীয় মুহূৰ্তত 'ক্ৰেচ' সংগীত আদিৰ প্ৰয়োগ ছবিৰ আৱহ সংগীত ৰচনাৰ ক্ষেত্ৰত স্বাভাৱিক নিয়মৰ দৰেই চলি আহিছিল। এই প্ৰক্ৰিয়াত আৱহ সংগীত ৰচনা কৰোতে কিছুমান সীমাৱদ্ধতা আহি পৰিছিল, তাৰ প্ৰথমটো আছিল বিভিন্ন ধৰণৰ ছবিৰ বাবে একেই ধৰণৰ সংগীত ব্যৱহাৰ কৰাৰ প্ৰৱণতা।

এই সীমাৱদ্ধতাৰ বাহিৰলৈ যোৱা প্ৰথমখন উল্লেখযোগ্য ছবি হ'ল সত্যজিৎ ৰায়ৰ 'পথেৰ পাঁচালী'। এই ছবিত আৱহ সংগীত ৰচনাক সৰলতম পৰ্যায়লৈ লৈ যোৱা হৈছিল আৰু এই সংগীতক ছবিৰ দৃশ্যৰ মূল সুৰৰ সহায়ক হিচাপেহে ব্যৱহাৰ কৰা হৈছিল। ছবিৰ সংলাপহীন অংশবোৰ সংগীতেৰে ভৰাই ৰখাৰ যি প্ৰৱণতা, তাক পথেৰ পাঁচালীত সম্পূৰ্ণৰূপে বাদ দি ছবিৰ দৃশ্যৰ মূল সুৰটো আৱহ সংগীতৰ যোগে পুনৰ ব্যাখ্যা কৰা হৈছিল। উদাহৰণ হিচাপে 'অপুই হাতত চিঠি লৈ দৌৰি অহাৰ পৰা আৰম্ভ কৰি অপু-দুৰ্গাই বৰষুণত তিতালৈকে যি পৰ্যায় – তাতে ছবিৰ পৰাই দৰ্শকৰ মনত মানুহ আৰু প্ৰকৃতিৰ নিবিড় সম্পৰ্কৰ অনুভূতিৰে এটি আনন্দ ভাবৰ উদয় হয়। ঠিক সেই ভাবটোৱেই আৱহ সংগীতত প্ৰতিফলিত হয়। আৰু ছবি আৰু সংগীতৰ এই সমান্তৰাল গতিৰ ফলত আনন্দৰ ভাব অধিক ঘনবদ্ধ হয়' (চিদানন্দ দাসগুপ্ত)।

'পথেৰ পাঁচালী'য়ে আৰম্ভ কৰা এই নতুন পথেৰে বাস্তৱধৰ্মী চিত্ৰনিৰ্মাতাসকল আগবাঢ়িল। বাস্তৱধৰ্মী ছবিত গানৰ ব্যৱহাৰো যথাসম্ভৱ স্বাভাবিক হ'বলৈ আৰম্ভ কৰিলে।

আৱহ সংগীতৰ ক্ষেত্ৰত দেখা দিয়া এই পৰিবৰ্তনে সম্পূৰ্ণ ব্যৱসায়কেন্দ্ৰিক ছবিৰ পৰিচালক-সংগীত পৰিচালককো আকৃষ্ট কৰিলে। ইয়াৰ প্ৰথম উল্লেখযোগ্য উদাহৰণ দেখা পোৱা গ'ল 'আৰধানা'



বহু স্মৰণীয় গীতৰ সুৰকাৰ আৰু গায়ক শচীনদেব বৰ্মনে ব্যৱসায় কেন্দ্ৰীক হিন্দী ছবিৰ আৱহ সংগীতকো মৰ্যাদাপূৰ্ণ আসনত বহুৱাইছিল।

ছবিত। সংগীত পৰিচালক শচীন দেব বৰ্মনে আৱহ সংগীতৰ শক্তিৰ বিষয়ে সন্দেহমুক্ত হৈছিল আৰু আৰাধানা ছবিৰ বহু নাটকীয় মুহূৰ্তৰ আবেদন অকল আৱহ সংগীতেৰেই বৃদ্ধি কৰি দিছিল। 'আৰাধানা' ছবিৰে এচ ডি বৰ্মনে ব্যৱসায়কেন্দ্ৰিক ছবিৰ আৱহ সংগীতত পৰিবৰ্তন অনাৰ যি চেষ্টা কৰিছিল, অকল আৰ ডি বৰ্মনেহে সেই পৰিবৰ্তনক আগ্ৰহেৰে স্বাগতম জনাইছিল। আৰু কিছুদিন জীয়াই থাকিলে এচ ডি য়ে হয়তো এইধৰণৰ ছবিৰ আৱহ সংগীতৰ ধাৰা সলনি কৰি দিলেহেঁতেন, কিন্তু মৃত্যুই তেওঁক সেই অভিজ্ঞতাৰ পৰা বঞ্চিত কৰিলে।

মেহবুবা, দীৱাৰ, খোলে, ইজাজৎ আদি ছবিত আৰ ডি বৰ্মনে আৱহ সংগীতক সৃজনীশীল ৰূপত ব্যৱহাৰ কৰিছিল। কিন্তু, স্বাস্থ্যজনিত কাৰণত আৰ ডি ছবিত অংশগ্ৰহণৰ পৰা বিৰত থকা হ'ল। এতিয়াৰ অতিমাত্ৰা ব্যৱসায়িক পৰিবেশত কোনেও আৱহ সংগীতক লৈ মূৰ নঘমায়।

সুভাষ ঘাইয়ে তেওঁৰ ছবিত আৱহ সংগীত অলপ বেলেগ ধৰণে ব্যৱহাৰ কৰে। সংলাপহীন অংশবোৰত তেওঁ আৱহ সংগীত ইমান 'লাউড' কৈ ব্যৱহাৰ কৰে যে প্ৰেক্ষাগৃহত দৰ্শকৰ কাণ অতিষ্ঠ হৈ উঠিবলৈ বাধ্য হয়। এইধৰণৰ শাৰীৰিক চাপে মানসিক ক্ৰিয়া কৰে আৰু ছবিৰ দৃশ্যবোৰৰ প্ৰতি অমনযোগী হবলৈ বাধ্য হয়। আৰু এই অৱস্থা হোৱাৰ ঠিক পিছতেই আৱহ সংগীতৰ শব্দ কমাই দি দৰ্শকক সকাহ দিয়ে আৰু ফলত ছবিৰ দৃশ্যৰ প্ৰতি দৰ্শকৰ মনযোগ বৃদ্ধি পায়। এই প্ৰক্ৰিয়াত ছবিৰ সৌন্দৰ্যৰ প্ৰতি কোনো শ্ৰদ্ধা প্ৰদৰ্শন কৰা নহয়, 'যেন তেন প্ৰকাৰেণ' দৰ্শকক চিত্ৰগৃহত বহুৱাই ৰখাৰ বুদ্ধিহে প্ৰয়োগ কৰা হয়।

শ্ৰুতিমধুৰ গীতৰ বাবে বিখ্যাত, দক্ষিণ ভাৰতৰ সংগীত পৰিচালক ইলিয়া ৰাজাইও প্ৰথাগত পদ্ধতিৰ বাহিৰলৈ গৈ ছবিৰ আৱহ সংগীত ৰচনা কৰি আহিছে। শ্ৰুতিমধুৰ থিম মিউজিক, নৈঃশব্দৰ ব্যৱহাৰ আৰু যন্ত্ৰ-সংগীতৰ লগত অইন শব্দৰ প্ৰয়োগ তেওঁৰ সংগীত ৰচনাৰ চকুত পৰা দিশ।

*পুনশ্চ ঃ সৌৰভকুমাৰ চলিহাৰ 'গোলাম' নামৰ গল্প সংকলনটিত সন্নিবিষ্ট 'আৱাজ' নামৰ গল্পটোত শব্দ-সংগীত আৰু চিনেমাৰ বিষয়ে সুন্দৰ আৰু সহজবোধ্য আলোচনা আছে। চিনেমাৰ সংগীতৰ বিষয়ে আগ্ৰহী পাঠকক এই গল্পটোৱে উপকৃত কৰিব। উ.দ.*






ফটো ঃ প্ৰসেনজিৎ দুৱৰা

মলয়া গোস্বামী



ফটো ঃ প্ৰসেনজিৎ দুৱৰা

পূৰবী শৰ্মা ভট্টাচাৰ্য

'অসমীয়া ছবিৰ এক নম্বৰ আসনৰ অভিনেত্ৰী গৰাকী কোন ?' –এই প্ৰশ্ন কৰিছিলো অসমৰ এক প্ৰবীণ চিত্ৰ পৰিচালকক। পৰিচালক জনে লগে লগেই উত্তৰ দিছিল – 'মলয়া গোস্বামী আৰু ৰুণু দেৱী ঠাকুৰ'। অৱশ্যে ক্ষন্তেক পিছতেই তেখেতে শুধৰণি দিছিল – 'আজি বহুদিন ধৰি ৰুণু দেৱী ৰূপালী পৰ্দাত নায়েই; গতিকে, এতিয়া মলয়া গোস্বামীয়েই এক নম্বৰ অভিনেত্ৰী।' এইখিনিতেই কৈ থোৱা ভাল হ'ব যে বহু ছবি পৰিচালনা কৰা এইগৰাকী পৰিচালকৰ এখন ছবিতো ৰুণু দেৱী বা মলয়া গোস্বামীয়ে অভিনয় কৰা নাই।

'মলয়া গোস্বামীয়ে ভাল পৰিচালক পাইছে, ভাল চৰিত্ৰ পাইছে ?'

'নিশ্চয়। সেয়া তেওঁৰ যোগ্যতাৰেই চিন।'

মলয়া গোস্বামীৰ স্থান এক নম্বৰত। 'দুই নম্বৰত কোন ?'

এই প্ৰশ্নৰ উত্তৰ দিলে এক তৰুণ অভিনেতাই। – 'পূৰবী শৰ্মা ভট্টাচাৰ্য।'

'কিয় ?'

'পূৰবীয়ে মলয়াৰ দৰে ভাল চৰিত্ৰ পোৱা নাই, ভাল পৰিচালকো পোৱা নাই। কিন্তু যি সীমিত সুবিধা পাইছে তাতেই নিজৰ সংবেদনশীলতাৰ পৰিচয় দিব পাৰিছে।'

'বিদ্যা ৰাও ?'

'বিদ্যা ৰাওৰ মুখমণ্ডলৰ ভাব প্ৰকাশ ভাল, কিন্তু সংলাপ উচ্চাৰণৰ জড়তাই তেওঁক চৰিত্ৰৰ পৰা বহু দূৰত ৰাখে।'



ফটো ঃ উৎপল দত্ত

চিমি

'মৃদুলা বৰুৱা ?'

'মৃদুলাৰ এক্সপ্ৰেচনৰ ৰেঞ্জ সীমিত। কিছুমান 'ষ্টক এক্সপ্ৰেচন' লৈয়েই তেওঁ অভিনয় কৰে; পৰ্দাত মৃদুলা হৈয়েই থাকে, অভিনীত চৰিত্ৰটি বহু দূৰৈত ৰৈ যায়।' ▫ ▫

দুগৰাকী নবাগতা অভিনেত্ৰী সংবাদ মাধ্যমৰ যোগেৰে পৰিচিত হৈ উঠিছে – এগৰাকীৰ নাম নীনা বৰা, আন গৰাকীৰ নাম চিমি। নীনা বৰাই অভিনয় কৰা 'যখিনী'য়ে মুক্তি লাভ কৰিছে আৰু এই ছবিৰ নৃত্যৰ দৃশ্যত সংক্ষিপ্ত বস্ত্ৰ পৰিধানেৰে তেওঁ সংবাদ মহলত আলোচিত হৈ পৰিছিল। অতুল বৰদলৈৰ 'দৃষ্টি' ছবিতো নীনাই অভিনয় কৰিছে, এই ছবি মুক্তিৰ অপেক্ষাত। কিন্তু ছবিতকৈও স্থিৰ চিত্ৰৰ যোগেৰেহে নীনা অধিক পৰিচিত।

চিমিয়ে অভিনয় কৰা 'প্ৰহৰী' ছবিখনে এতিয়াও মুক্তিলাভ কৰা নাই। কিন্তু সুন্দৰ স্থিৰ চিত্ৰৰ বহুল প্ৰকাশেই চিমিক পৰিচিত কৰি তুলিছে। 'পূজা ভাট'ৰ লেখীয়া নিষ্পাপ কিশোৰীসুলভ আবেদনেই চিমিৰ আকৰ্ষণৰ মূল কেন্দ্ৰ। প্ৰচাৰৰ অপেক্ষাত থকা দূৰদৰ্শন ধাৰাবাহিক 'সঁফুৰা' আৰু নিৰ্মিয়মান 'এই চহৰতে'ৰ দুটি উল্লেখযোগ্য চৰিত্ৰত চিমিয়ে অভিনয় কৰিছে।

'যখিনী' ছবিৰ অভিনেত্ৰী মনিতা কাকতিও প্ৰথমখন ছবি আৰু স্থিৰ চিত্ৰৰ যোগে বিখ্যাত হৈ পৰিছিল। তাৰ পিছত হাতত বহুদিন ছবি নাই; এতিয়া অভিনয় কৰিছে ভাস্কৰ বৰা পৰিচালিত 'একত্ৰিছ জুন' ছবিত। দূৰদৰ্শন ধাৰাবাহিক 'বৰ লুইতৰ সন্তান'তো মনিতাই অভিনয় কৰিছে।



নীনা বৰা ফটো ঃ হেমন্ত কুমাৰ দাস

হিন্দী ছবিৰ নিৰ্মাতা সকলে সদায় নতুন নতুন কিবা এটাৰে দৰ্শকক চমক দি থাকিব বিচাৰে। এটা সময়ত কমেডিয়ানসকল বৰ জনপ্ৰিয় আছিল, পৰবৰ্তী কালত ছবিৰ নায়কেই কমেডি কৰিবলৈ লোৱাত কমেডিয়ানৰ চাউল উকলিবলৈ ধৰিলে। তেনেদৰে নায়িকা সকলেই শৰীৰৰ শোভা প্ৰদৰ্শন কৰিবলৈ উৎসাহী হোৱাৰ ফলত 'ভেম্প'সকলৰ প্ৰয়োজন নোহোৱা হৈ আহিল। এতিয়া দুৰ্দান্ত খলনায়কসকলেই 'ভিলেইনি'ৰ লগতে কমেডি কৰিবলৈও আৰম্ভ কৰিছে। এই ধাৰাৰ আৰম্ভণি কৰে কাদেৰ খানে। কেতিয়াবা সম্পূৰ্ণ বহুৱাৰ চৰিত্ৰত, কেতিয়াবা বহুৱালি কৰা ভিলেইনৰ ৰূপত দেখা দি কাদেৰ খানে নতুন ভাবমূৰ্তি গঢ়াৰ চেষ্টা কৰিছে। সাৰাংশ ছবিত অসহায় পুত্ৰহাৰা বৃদ্ধৰ



চৰিত্ৰত অভিনয় কৰি তোলপাৰ লগোৱা অনুপম খেৰে সাৰাংশৰ এই নিৰীহ ৰূপ এৰি 'কালা ধান্দা গোৰে লোগ' ছবিত ভয়ংকৰ ভিলেইনৰ ৰূপ ধাৰণ কৰিছিল। সুভাষ ঘাইৰ 'কৰ্মা' ছবিত অনুপম খেৰ আছিল 'ডাং ডেং' নামৰ ৰাষ্ট্ৰবিৰোধী খলনায়ক। দৰ্শকে অনুপম খেৰৰ এই ৰূপ পচন্দ কৰাৰ পিছতেই 'ৰাম-লখন' ছবিত বহুৱা সদৃশ চৰিত্ৰত অভিনয় কৰি 'কমেডিয়ান' ৰূপ ধাৰণ কৰিলে। এই ছবিত অনুপম খেৰে ইমানেই ৰুচিহীন দৃশ্যত ৰুচিহীন অভিনয় কৰিছিল যে এই ছবিয়ে অনুপম খেৰৰ জনপ্ৰিয়তাৰ মান দ্ৰুতগতিত নিম্নমুখী হ'বলৈ আৰম্ভ কৰিলে। শেষত যেনিবা 'চান্দনী' আৰু 'লমহে' ছবিত ভাল চৰিত্ৰত অভিনয়ৰ সুবিধা দি যশ চোপ্ৰাই অনুপম খেৰক ৰক্ষা কৰিলে।

কাষৰ ছবিত বহুৱাৰ ৰূপত দেখা গৈছে দুই বিখ্যাত খলনায়ক কাদেৰ খান আৰু অনুপম খেৰক। মাজত কম কাপোৰেৰে নতুন নায়িকা আয়েসা ঝুলকা। □ □

---

বোম্বাইৰ হিন্দী ছবিজগতত এতিয়া কাহিনীৰ আকাল। তামিল-তেলেগু ভাষাত হিট হোৱা বহু ছবি হিন্দী ভাষী দৰ্শকৰ বাবে ৰিমেক কৰি উলিওৱা হৈছে। দয়াবান, প্ৰতিঘাট, প্ৰতিবন্ধ, বংশ আদিৰ দৰে ৰিমেক ছবিবোৰে ভাল বজাৰ পোৱাৰ লগতে 'অঞ্জলী', 'আপ্পু ৰাজা', 'ইন্সপেক্টৰ ধনুষ' আদিৰ দৰে ছবিবোৰ হিন্দী ভাষাত ডাব কৰি বজাৰত মেলি দিয়া হৈছে। এই ছবিবোৰেও ভাল পইচাই বুটলিছে। হিট বাংলা ছবিৰ পৰাও হিন্দী ছবি নিৰ্মাণ কৰা হৈছিল। চাহেব, শত্ৰু আদি ছবি হিন্দীত ৰিমেক কৰাৰ উদাহৰণো আছে আৰু আছে লালকুঠী, আনন্দ-আশ্ৰম, অমানুষ আদিৰ দৰে দ্বিভাষিক ছবি নিৰ্মাণ কৰাৰ উদাহৰণ। শেহতীয়াভাবে, তপন সিনহাৰ জনপ্ৰিয় ছবি 'বাঞ্চাৰামেৰ বাগান' হিন্দীত ৰিমেক কৰা হৈছে। বাঞ্চাৰাম এজন গাঁৱলীয়া কৃষক বৃদ্ধ।




তেওঁৰ এখন বাগিচা আছে – ফল-মূল আৰু ফুলেৰে পৰিপূৰ্ণ। জমিদাৰৰ চকু পৰিল বাগিচাখনৰ ওপৰত। জমিদাৰক বাগিচাখন লাগে। জমিদাৰ আৰু বাঞ্চাৰামৰ মাজত চুক্তি হ'ল। বৃদ্ধ বাঞ্চাৰামৰ মৃত্যুৰ দিনলৈকে জমিদাৰে বাঞ্চাৰামক নিয়মিতভাবে আৰ্থিক সাহায্য দি যাব আৰু বাঞ্চাৰামৰ মৃত্যুৰ পিছত বাগিচাখন জমিদাৰৰ হাতলৈ যাব। জমিদাৰৰ পৰা আৰ্থিক সাহায্য পোৱাৰ পিছত খোৱা-বোৱা নিয়মীয়া হোৱাৰ ফলত বাঞ্চাৰামৰ স্বাস্থ্য ভাল হ'বলৈ ধৰিলে। দিন বাগৰাৰ লগে লগে বাঞ্চাৰাম মৃত্যুৰ মুখৰ পৰা ঘূৰি আহিল আৰু এদিন অপূৰণ আশা মনত লৈয়েই জমিদাৰ ঢুকাই থাকিল। হাস্য আৰু ব্যঙ্গৰে উপচি পৰা এই কাহিনীৰ মূল বাংলা নাটখন ৰচনা কৰিছিল প্ৰখ্যাত অভিনেতা আৰু নাট্যকাৰ মনোজ মিত্ৰই।

কাষৰ ছবিত প্ৰাণ, আমীৰ খান আৰু ফাৰাক দেখা গৈছে এই ছবিৰ এটা দৃশ্যত। □ □

---

বৰ বৰ ৰথী-মহাৰথীৰ অভিনয়ৰে সমৃদ্ধ ব্যয়বহুল বহু ছবিয়ে বক্স অফিচত হামকুৰি খাই পৰিছে আৰু তাৰ বিপৰীতে নতুন নতুন অভিনেতা-অভিনেত্ৰীক লৈ নিৰ্মাণ কৰা সাধাৰণ প্ৰেম কাহিনীৰ ছবিয়ে প্ৰযোজকলৈ টকাৰ টোপোলা কঢ়িয়াই আনিছে। ফলস্বৰূপে বোম্বাইত এতিয়া জোৱাৰ উঠিছে প্ৰেম কাহিনীৰ, চাহিদা বাঢ়িছে অল্পবয়স্ক অভিনেতা-অভিনেত্ৰীৰ। একোখন হিট ছবিয়ে



তেওঁলোকক জনপ্ৰিয় কৰি তুলিছে আৰু ঠিক তাৰ পিছৰ ফ্লপ ছবিখনে তেওঁলোকক বিস্মৃতিৰ গৰ্ভলৈ ঠেলি দিছে। কাষৰ ছবিত দৰ্শকৰ সন্মুখত অগ্নি পৰীক্ষাৰ বাবে সাজু হোৱা এহাল নবাগত। □ □



# দিল্লীৰ অসমীয়া সমাজ

## এটি জৰিপ

অৰবিন্দ শৰ্মা


এক বুজন এছোৱা সময়ৰ বাবে দিল্লীত বসবাস কৰা প্ৰথম অসমীয়াজন কোন? প্ৰশ্নটোৱে প্ৰায়ে আমাৰ মনৰ মাজত এক উৎকণ্ঠাৰ সৃষ্টি কৰে। ড° সূৰ্য কুমাৰ ভূঞাদেৱে তেখেতৰ বহুমূলীয়া পুস্তক 'ৰমণী গাভৰু'ত লেখিছে: "অসম আৰু মোগলৰ মাজত বৈৰীভাব চলি থকা সত্বেও বাদশ্যাহৰ অন্দৰমহলত অসম জীয়ৰী ৰমণী গাভৰুৰ আদৰ-সন্মানৰ কোনো ৰূপ ব্যতিক্ৰম নঘটিল।" ভূঞাদেৱে আকৌ লেখিছে: "যথা নিয়মে শিক্ষা লাভ কৰি ৰমণী গাভৰু মোগলৰ খানদান আদব-কায়দা কথাবাৰ্তাত পৈণত হৈ উঠিল ......।" সেই সময়ত বাদশ্যাহৰ অন্দৰমহল আছিল প্ৰাসাদ লালকিল্লা। ছবছৰ বয়সতেই এই মোগল প্ৰাসাদলৈ অহা আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহৰ জীয়ৰী ৰমণী গাভৰু পৈণত বয়স লাভ কৰি বিবাহযোগ্যা নোহোৱালৈকে এই ৰাজপ্ৰাসাদতেই আছিল। ড° ভূঞাদেৱে লেখিছে, ৰমণী গাভৰুৰ লগত গৈছিল তিপাম ৰজাৰ জীয়েক, মইনা নামে এজন বিশ্বাসী লগুৱা আৰু বহু অনুচৰ বন্দী-বেটী। আমি ঔৰংজেৱ বোৱাৰী ৰমণী গাভৰু, তিপাম ৰজাৰ জীয়াৰী, লগুৱা মইনা আৰু তেওঁলোকৰ অনুচৰ সকলক দিল্লীত বসবাস কৰা প্ৰথম অসমীয়া বুলি ক'ব খোজো।

বৃটিছ ৰাজত্ব কালত দিল্লী প্ৰথমে ভাৰতৰ ৰাজধানী নাছিল। ১৯১১ চনৰ ১২ ডিচেম্বৰত পঞ্চম জৰ্জ আৰু ৰাণীৰ উপস্থিতিত দিল্লীত অনুষ্ঠিত হোৱা তৃতীয় দৰবাৰত কলিকতাৰ পৰা দিল্লীলৈ ৰাজধানী স্থানান্তৰিত হোৱাৰ ঐতিহাসিক ঘোষণাটো কৰা হৈছিল। এই শতাব্দীটোৰ দ্বিতীয় দশকত দিল্লী ভাৰতৰ ৰাজধানী হোৱা সত্বেও বহু বছৰ ধৰি কলিকতা ভাৰতৰ সাংস্কৃতিক ৰাজধানী হৈয়ে থাকিল। সেই সময়ত অসম তথা উত্তৰ-পূব ভাৰতৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কলিকতা বিভিন্ন কাৰণত উচ্চ শিক্ষাৰ



*অসম এছোচিয়েচনৰ সৌজন্যত উদ্‌যাপিত হোৱা ৰঙালী বিহু*

কেন্দ্ৰ হৈয়ে ৰ'ল। অৱশ্যে সময় বাগৰাৰ লগে লগে কলিকতাৰ প্ৰাধান্য লাহে লাহে কমি আহিবলৈ ধৰিলে। শতাব্দীটোৰ ষষ্ঠ দশকত দিল্লীয়ে সেই স্থান লাভ কৰে।



*দিল্লীবাসী অসমীয়াসকলে মঞ্চস্থ কৰা 'বৰ চুৰিয়াৰ ফেৰ' নামৰ নাটকখনৰ এটা দৃশ্য*

সেই সময়তেই দিল্লী বিশ্ববিদ্যালয়, দিল্লীৰ বিভিন্ন মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয় (দিল্লী পলিটেকনিক্), চিকিৎসা মহাবিদ্যালয়বোৰলৈ অসমীয়া ছাত্ৰ-ছাত্ৰী উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষাৰ বাবে আহিবলৈ ধৰে।


দিল্লীৰ প্ৰথম অৱস্থাৰ (স্বাধীনোত্তৰ কালৰ) অসমীয়া সমাজ বুলিলে আমি প্ৰথমেই লেখত ল'ব লাগিব অসমৰ সংসদী সদস্যসকলৰ কথা। পঞ্চাশৰ দশকত এই সদস্যসকল আৰু তেওঁলোকৰ পৰিয়ালেই দিল্লীৰ অসমীয়া সমাজৰ প্ৰাণ-কেন্দ্ৰ স্বৰূপ আছিল। এই সদস্যসকলৰ ভিতৰত তিনিগৰাকীৰ নাম এই ক্ষেত্ৰত বিশেষভাবে উল্লেখনীয়। তেওঁলোক হ'ল শ্ৰীসুৰেণ বুঢ়াগোঁহাই, শ্ৰীৰোহিনী চৌধুৰী আৰু শ্ৰীহেম বৰুৱা। শ্ৰীসুৰেণ বুঢ়াগোঁহাই ডাঙৰীয়া কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথম অসমীয়া সদস্য আছিল। চৌধুৰীদেৱৰ ঘৰখন সকলো অসমীয়াৰ বাবে নিজৰ ঘৰৰ দৰে আছিল। সেই সময়ত দিল্লীৰ বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষাৰত হৈ থকা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলৰ তেওঁ অভিভাৱক স্বৰূপ

আছিল। তেতিয়া অৱশ্যে ৰাজধানীত অসমীয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যা একেবাৰে তাকৰ আছিল। দিল্লীত অসম আৰু অসমীয়া ছাত্ৰৰ হকে যুঁজাসকলৰ ভিতৰত শ্ৰীচৌধুৰী দেৱৰ নাম প্ৰথমেই ল'ব পাৰি। আনকি পণ্ডিত নেহৰুজীয়েও তেওঁৰ কথা শুনিছিল আৰু তেওঁৰ যুক্তিক সন্মান কৰিছিল।

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথম অসমীয়া সদস্য শ্ৰীগোঁহাইদেৱ শ্ৰীচৌধুৰীদেৱৰ দৰেই অতি অমায়িক আৰু অসমীয়াসকলৰ অতি প্ৰিয় ভাজন আছিল। তেওঁৰ ঘৰখনো অসমীয়া সকলৰ নিজা ঘৰৰ দৰেই আছিল। এই সংসদী সদস্যকেইজনক বাদ দিলে দিল্লীত সেই

অতি আপোন আছিল। ১৯৬১ চনৰ চীনা আক্ৰমণৰ সময়ত এক বুজন সংখ্যক অসমীয়া লোক তেওঁৰ ঘৰত একগোট হৈ অসমক কেনেকৈ আসন্ন বিপদৰ পৰা ৰক্ষা কৰিব পাৰি সেই বিষয়ে চিন্তা কৰিছিল।

ষাঠী-সত্তৰৰ দশকত দিল্লী বিশ্ববিদ্যালয়ৰ বিভিন্ন পাঠ্যক্ৰমত অধ্যয়নৰত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাৰ ক্ষেত্ৰত অতি উৎসাহজনক এটি বাতাবৰণৰ সৃষ্টি হৈছিল। এই ক্ষেত্ৰত অসমৰ দুগৰাকী অতি আগশাৰীৰ লেখক-বুদ্ধিজীৱীৰ নাম ল'ব পাৰি। তেওঁলোক হ'ল ড° হীৰেণ গোঁহাই আৰু শীৰ্ষ




ভাৰতৰ উপৰাষ্ট্ৰপতি ড° শঙ্কৰদয়াল শৰ্মাই 'জ্যোতিসুধা' উন্মোচন কৰিছে

সময়ত অসমীয়া পৰিয়ালৰ সংখ্যা একেবাৰে কম; আঙুলি মূৰত লেখিব পৰা। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন পদত কাম কৰা দুই-চাৰিজন লোকৰ বাহিৰেও কেণ্টনমেণ্ট অঞ্চলত সেনাবাহিনীত কাম কৰা দুই-চাৰিটা পৰিয়াল আছিল।

১৯৫৭ চনত হেম বৰুৱা লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈ অহাৰ লগে লগে দিল্লীত অসমীয়াৰ কামবোৰো বৃদ্ধি হ'বলৈ ধৰে। দুই-এজন নগা ছাত্ৰৰ বাহিৰে সেই কালৰ অসমৰ পাহাৰীয়া জিলাকেইখনৰ ছাত্ৰ-ছাত্ৰীসকলে (দিল্লীত অধ্যয়নৰত) নিজকে অসমীয়া বুলিয়েই পৰিচয় দিছিল আৰু অসমীয়াৰ সকলো উৎসৱতে আগভাগ লৈ পূৰ্ণ সহযোগ আগবঢ়াইছিল। তেওঁলোকৰ মাজত কোনো কথাতে পৃথকমুখী মনোভাব দেখিবলৈ পোৱা নগৈছিল।

সংসদী সদস্য হেম বৰুৱাৰ ছাউথ্ এভিনিঙত থকা ঘৰখনো অসমীয়াসকলৰ

স্থানীয় অসমীয়া কবি শ্ৰীভবেন বৰুৱা এই দুয়োগৰাকী অসমীয়া লেখক দিল্লী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ ইংৰাজী সাহিত্যৰ ছাত্ৰ আছিল। কিন্তু তেওঁলোকে সৃষ্টি কৰা এই অনুকূল বাতাবৰণ সময় বাগৰাৰ লগে লগে সৃষ্টিমুখৰ হৈ নপৰিল।

বৰ্তমান দিল্লীৰ বিভিন্ন শিক্ষানুষ্ঠানত প্ৰায় আঢ়ৈশ মান অসমীয়া ছাত্ৰ-ছাত্ৰী শিক্ষাৰত হৈ আছে। এই প্ৰবাসী ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰচাৰ বা প্ৰসাৰ সম্বন্ধে কিমান দূৰ সচেষ্ট বা সক্ৰিয়, আমি সেই বিষয়ে সবিশেষ নেজানো। কিন্তু এটা কথা অনস্বীকাৰ্য যে তেওঁলোকৰ আদৰ্শ আৰু প্ৰমূল্যবোৰ আজিৰ পৰিবৰ্তিত আৰ্থ-সামাজিক অৱস্থাৰ প্ৰসঙ্গত বিচাৰ কৰা উচিত। সুবিস্তৃত পাঠ্যক্ৰম, পদে পদে নিৰ্মম প্ৰতিযোগিতা, অনিশ্চিত ভৱিষ্যত আদিৰ দৰে প্ৰতিকূল অৱস্থাবোৰৰ লগত যুঁজ কৰি এজন ছাত্ৰই

বা এগৰাকী ছাত্ৰীয়ে সাহিত্য (অসমীয়া) চৰ্চাৰ প্ৰতি চূড়ান্তভাবে আকৰ্ষিত নোহোৱাৰ যুক্তি আমি বিচাৰি পাওঁ। এজন ছাত্ৰই কোনো বৃত্তিমুখী পাঠ্যক্ৰমত ভৰ্তি হ'বলৈ হ'লে আশী শতাংশতকৈ অধিক নম্বৰ পালেহে সি সম্ভৱ হৈ উঠে। তেনে ক্ষেত্ৰত সামান্যতম শক্তিও যাতে অপচয় নহয় তাৰ বাবে সচেতন হৈ সচেষ্ট হৈ পৰাটো স্বাভাৱিক।

দিল্লীৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীকে সদস্য হিচাপে লৈ 'আছাদ' নামে এটা অসমীয়া ছাত্ৰ সংস্থা আছে। সংস্থাটোৱে ইতিমধ্যে বহু সংস্কৃতিমূলক কাম কৰি আহিছে। দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° ইন্দিৰা গোস্বামী (মামণি ৰয়চম গোস্বামী) ছাত্ৰসকলৰ এনেধৰণৰ সংস্কৃতিমূলক কামবোৰৰ লগত বিশেষভাবে জৰিত এগৰাকী উপদেষ্টা। সংস্থাটোৱে মান বিশিষ্ট এখন আলোচনীও প্ৰকাশ কৰিছে। অসমৰ প্ৰলয়ঙ্কৰী বানত সৰ্বহাৰা হোৱা লোকসকলৰ বাবে অৰ্থ সাহায্য প্ৰদান কৰিবলৈ দিল্লীবাসী অসমীয়াৰ ঘৰে ঘৰে গৈ অৰ্থ সংগ্ৰহ কৰা আদি কামত এই ছাত্ৰসকল অতি সক্ৰিয়ভাবে জৰিত।

বিহু, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিথি, ঈদ্‌মিলন আদি অসমীয়াৰ প্ৰধান প্ৰধান উৎসৱ উদ্‌যাপন আৰু অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰৰ ক্ষেত্ৰত দিল্লীৰ আসাম এছোচিয়েচনে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৪৭ চনত মাত্ৰ ৫০ জন সদস্যৰে স্থাপিত হোৱা এই সংগঠনটোৰ সদস্য সংখ্যা বৰ্তমান প্ৰায় দুহেজাৰ। অসমীয়াৰ বাৰে-বৰণীয়া সংস্কৃতিৰ প্ৰচাৰ, দিল্লীস্থ বাকী ৰাজ্যবোৰৰ তেনেধৰণৰ অনুষ্ঠানবোৰৰ সৈতে সম্বন্ধ-সমন্বয় স্থাপন আৰু সংস্কৃতিৰ আদান-প্ৰদান, চিকিৎসা আদি বিভিন্ন কামৰ বাবে দিল্লীলৈ অহা অসমীয়া লোকসকলৰ সা-সুবিধাৰ প্ৰতি চকু ৰখা ইত্যাদি মহান আদৰ্শবোৰ আগত ৰাখি এই অনুষ্ঠানটো স্থাপন কৰা হৈছিল। অসমীয়াৰ প্ৰধান প্ৰধান উৎসৱবোৰ পালন কৰাৰ বাহিৰেও সংস্থাটোৰ সৌজন্যত স্থানীয় শিল্পীসকলৰ সহযোগত অথবা অসমৰ কোনো প্ৰখ্যাত শিল্পী বিশেষ বা খ্যাত সংস্থাৰ সৌজন্যত নাট্য মঞ্চস্থকৰণ, অসমীয়া নৃত্য-গীতৰ পৰিবেশন, অসমীয়া চলচ্চিত্ৰ পৰিবেশন ইত্যাদি সংস্কৃতিমূলক কামবোৰ কৰা হয়। জ্ঞানপীঠ, সাহিত্য অকাড়েমি, সংগীত-নাটক অকাডেমি, ললিত কলা অকাডেমি আদি সৰ্বভাৰতীয় সংস্থাবোৰৰ বঁটাৰে সন্মানিত সাহিত্যিক-শিল্পীসকলক এছোচিয়েচনৰ তৰফৰ পৰা ৰাজহুৱাভাবে





অভিনন্দন জনোৱা হয়।

সংস্থাটোৰ কৰ্মকৰ্তাসকলে ৰঙালী বিহুত বহু কষ্ট স্বীকাৰ কৰি অসমীয়া তিলৰ পিঠা, লাড়ু আদি যোগাৰ কৰি অসমীয়াসকলৰ মাজত পৰিবেশন কৰে। গুৰুজনাৰ তিথি পালনৰ অংশ হিচাপে সৰ্বভাৰতীয় স্তৰত ৰচনা প্ৰতিযোগিতা, অসমীয়া আৰু অনা-অসমীয়া পণ্ডিত-লেখকৰ অংশ গ্ৰহণেৰে আলোচনা চক্ৰ আদি অনুষ্ঠিত হয়। এইখিনিতে উল্লেখযোগ্য যে আজি প্ৰায় কেইবছৰমানৰ আগতে 'শঙ্কৰদেৱ আৰু ভাৰতৰ নৱ-বৈষ্ণৱ আন্দোলন' শীৰ্ষক এখন অতি তাৎপৰ্যপূৰ্ণ আলোচনাচক্ৰ আসাম এছোচিয়েচনৰ উদ্যোগত অনুষ্ঠিত হৈছিল। অংশগ্ৰহণকাৰী বিশিষ্ট পণ্ডিতসকলৰ ভিতৰত আছিল ড° কপিলা বাৎসায়ন, ড° দশৰথ ওজা, ড° অনুজন, ড° ইন্দিৰা গোস্বামী, ড° এন এল ভৰদপাণ্ডে, শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠী আৰু শ্ৰীপুলিন বিহাৰী বৰঠাকুৰ। আলোচনাচক্ৰত পাঠ কৰা গৱেষণা ভিত্তিক তথ্যসমৃদ্ধ নিবন্ধবোৰ এছোচিয়েচনে পুস্তকৰ আকাৰত প্ৰকাশ কৰিছে।

যোৱা বছৰত এছোচিয়েচনে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ স্মৃতি ৰক্ষাৰ্থে এখন ৰচনা-প্ৰতিযোগিতা সৰ্বভাৰতীয় ভিত্তিত আয়োজন কৰিছিল। ৰচনাৰ বিষয়-বস্তু আছিল 'আঞ্চলিক আশা-আকাংক্ষা পূৰণত ভাৰতীয় সংবিধানৰ ভূমিকা' (Indian Constitution as a Means for fulfilment of Regional Aspirations)। অনুষ্ঠানটোৰ সাধাৰণ সম্পাদক ড° নীলমণি শৰ্মাৰ মতে এই ৰচনা-প্ৰতিযোগিতাই অভূতপূৰ্ব সঁহাৰি লাভ কৰিছে। অসম এছোচিয়েচনে যোৱা বছৰৰ পৰা 'সাময়িক' নামৰ এখন আলোচনী প্ৰকাশ কৰি আহিছে। ড° মলয়া খাওণ্ডৰ সম্পাদনাত প্ৰকাশ হোৱা এই আলোচনীখনৰ প্ৰথম সংখ্যাটো উন্মোচন কৰিছিল কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমতী শীলা কাউলে। এছোচিয়েচনে কৰা এনেধৰণৰ কাম সঁচাকৈয়ে প্ৰশংসনীয়। আনন্দৰ কথা যে এছোচিয়েচনে মহানগৰীৰ মাজমজিয়াত, দক্ষিণ দিল্লীৰ জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ওচৰৰ ইন্‌ষ্টিউচনেল এৰিয়াত, এডোখৰ মাটি লাভ কৰিছে আৰু অস্থায়ী দুকোঠলীয়া সৰু ঘৰ এটা নিৰ্মাণ কৰি কাৰ্যালয় হিচাপে কাম চলাইছে। অদূৰ ভৱিষ্যতত সংস্থাটোৰ আশাশুধীয়া পৰিকল্পনা অনুসৰি নিজা ঘৰ নিৰ্মিত হ'ব। ইয়াৰ বাবে



কেন্দ্ৰীয় মন্ত্ৰী শ্ৰীমতী শীলা কাউলে এছোচিয়েচনৰ আলোচনী 'সাময়িক' উন্মোচন কৰিছে

অনুষ্ঠানটোৱে অসমৰ বা অসমৰ বাহিৰৰ স্বয়ংসেৱী অনুষ্ঠানবোৰৰ পৰা পুঁজি পাবলৈ আশা কৰে।

দিল্লীবাসী অসমীয়া মহিলাসকলৰ 'উৰুলি' নামৰ এটি সাংস্কৃতিক অনুষ্ঠান আছে। এই অনুষ্ঠানটোৱে অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰৰ দিশত উল্লেখনীয় কাম কৰি আহিছে। এই কামবোৰৰ ভিতৰত আছে উড়িয়া, বাংলা আৰু অসমীয়াকে ধৰি উত্তৰ-পূব ভাৰতৰ চলচ্চিত্ৰ উৎসৱ, অসমীয়া নাটক-নৃত্য নাটিকাৰ সফল মঞ্চস্থকৰণ, সাহিত্য অকাডেমিৰ বঁটা প্ৰাপ্ত সাহিত্যিকসকলক অভিনন্দন, অসমীয়া কণ কণ ল'ৰা-ছোৱালীৰ বাবে চিত্ৰাঙ্কন প্ৰতিযোগিতা, অসমীয়া চিত্ৰ-শিল্পী আৰু ভাস্কৰৰ চিত্ৰ-প্ৰদৰ্শনী ইত্যাদি। উৰুলিয়ে অসমৰ বিভিন্ন অনুষ্ঠানলৈ নিজা পুঁজিৰ পৰা আৰ্থিক সাহায্যও আগবঢ়াই আহিছে। শেহতীয়াভাৱে উত্তৰকাশী অঞ্চলত হোৱা ভূমিকম্প পীড়িত লোকৰ সাহায্যৰ বাবে উৰুলিয়ে পাঁচশ টকাৰ দান দিবলৈ মনস্থ কৰে।

দিল্লীবাসী অসমীয়াৰ মাজত সাহিত্য সেৱাৰ আদৰ্শত ব্ৰতী কেইবাগৰাকী সাহিত্যিক আছে। সেইসকলৰ ভিতৰত যিগৰাকীৰ নাম প্ৰথমেই লোৱা উচিত, তেওঁ হৈছে দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীমতী মামণি ৰয়চম গোস্বামী। শ্ৰীমতী গোস্বামীয়ে তেওঁৰ বঁটা বিজয়ী উপন্যাস (সাহিত্য অকাডেমি) 'মামৰে ধৰা তৰোৱাল', 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা' (অসম সাহিত্য সভাৰ বঁটা), 'আধা লেখা দস্তাভেজ' (আত্মজীৱনীমূলক গ্ৰন্থ), Unfinished biography, Selected works of Indira Goswami ইত্যাদি পুস্তক দিল্লীতেই ৰচনা কৰিছিল। ৰবী ঠাকুৰৰ গীতাঞ্জলিৰ অসমীয়া অনুবাদক আৰু অসমৰ স্বাধীনতা সংগ্ৰামৰ সম্বন্ধে ইংৰাজীত গৱেষণা ভিত্তিক গ্ৰন্থৰ লেখক ড° হেমেশ্বৰ দিহিঙ্গীয়াই অৱসৰ জীৱন দিল্লীতেই কটাবলৈ লৈছে। দিল্লীত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা আৰু এজন বিশিষ্ট ব্যক্তি হৈছে সংবাদসেৱী শ্ৰীপুলিন বিহাৰী বৰঠাকুৰ। শ্ৰীবৰঠাকুৰ গুৱাহাটীৰ পৰা প্ৰকাশিত ইংৰাজী দৈনিক বাতৰি কাকত 'চেন্টিনেল'ৰ মুখ্য সাংবাদিক। ইংৰাজী বিভাগৰ ৰীডাৰ (দেশবন্ধু কলেজ) ড° অশোক ভাগৱতী এজন উদীয়মান অসমীয়া লেখক।

এইখিনিতে এজন ব্যক্তিৰ নাম লোৱাটো সমীচীন হ'ব। তেওঁ হৈছে অসম কেডাৰৰ আই এ এছ্ বিষয়া চহৰ উন্নয়ন মন্ত্ৰালয়ৰ সংযুক্ত সচিব শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠী। অসম বুৰঞ্জীৰ সম্বন্ধে শ্ৰীত্ৰিপাঠীদেৱৰ যি বিস্তৃত অধ্যয়ন তাক ভাবিলে মানুহগৰাকীৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা হয়। তাহানিখন 'প্ৰকাশ' নামৰ আলোচনীখনৰ সম্পাদক শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়াদেৱে শ্ৰীত্ৰিপাঠীক দিল্লীত অসমীয়া কৃষ্টি-সংস্কৃতিৰ এজন উদ্যোগী আলোচক-পণ্ডিত হিচাপে বৰ্ণনা কৰিছে। মাতৃভাষা হিন্দী হোৱা সত্ত্বেও গুৰু চৰিতবোৰকে আদি কৰি শঙ্কৰী সাহিত্যৰ প্ৰায়বোৰ ৰচনাকে তেওঁ বিস্তৃতভাবে অধ্যয়ন কৰিছে আৰু সেইবোৰৰ পৰা অনৰ্গল উদ্ধৃতি দিব পাৰে।

দিল্লীত বৰ্তমান বসতি কৰা প্ৰায়

সাতশটা পৰিয়ালৰ ভিতৰত কেইবাটাও পৰিয়ালে ঘৰ-বাৰী কিনি দিল্লীতেই নিগাজীকৈ থাকিবলৈ লোৱা দেখিবলৈ পোৱা যায়। এই অসমীয়াসকল যদিও সকলো ফালৰ পৰা ৰাজধানীৰ নাগৰিক হৈ পৰিছে, তথাপিও মহানগৰীৰ কস্ম'পলিটান বাতাবৰণত তেওঁলোক যে সুখী আমাৰ ধাৰণা নহয়। যৌৱনত এৰি অহা গাঁৱখন বা চহৰখনৰ মধুৰ স্মৃতিয়ে তেওঁলোকৰ বহুতকে প্ৰায়ে উতলা কৰি তোলে। এটা কথা সঁচা যে ভাৰতৰ বাকীবোৰ মহানগৰীৰ তুলনাত দিল্লীৰ নাগৰিকসকলে যথেষ্ট সা-সুবিধা ভোগ কৰিবলৈ পায়। কোনো সামগ্ৰীৰ অনাটন ইয়াত দীৰ্ঘদিনৰ বাবে টিকি থাকিব নোৱাৰে। তথাপিও ৰাজধানীৰ যান্ত্ৰিক জীৱন, কোনো কোনো সময়ত সৃষ্টি হোৱা উত্তেজনাপূৰ্ণ উত্তপ্ত পৰিবেশ - য'ত প্ৰাণ ৰক্ষা কৰাটোও সঙ্কটপূৰ্ণ হৈ পৰে, শান্তিপ্ৰিয় অসমীয়াসকলক অতিষ্ঠ কৰি তোলে যেন লাগে। দিল্লীত স্থায়ীভাৱে থাকিবলৈ লোৱা এজন অসমীয়াই আমাক কৈছিল, 'অসমত তোমাৰ কোনো গুৰুতৰ বিপদ হ'লে তোমাৰ শতৰু এজনো তোমাৰ দুৱাৰত থিয় হৈ সহায়ৰ হাত আগবঢ়াব। কিন্তু ইয়াত প্ৰতিবেশীৰ ঘৰত এজন মৰিবলৈ ওলালেও তেওঁ অলক্ষিত হৈ থাকিব লাগে।'

দিল্লীবাসী অসমীয়া ল'ৰা-ছোৱালীবোৰৰ বাবে মাতৃভাষাটো শিকাৰ কোনো বিশেষ ব্যৱস্থা নাই। ইয়াত ভাৰতৰ প্ৰায়বোৰ আঞ্চলিক ভাষা শিকোৱা বিদ্যালয় আছে, নাই মাত্ৰ অসমীয়া। বেছিভাগ অসমীয়া ল'ৰা-ছোৱালীয়ে ৰাজধানীয়ে প্ৰদান কৰা উচ্চমানবিশিষ্ট শিক্ষা-ব্যৱস্থাত শিক্ষা লাভ কৰি আৰু বিভিন্ন ৰাজ্যৰ ল'ৰা-ছোৱালীবোৰৰ সৈতে মুক্তভাৱে ভাবৰ আদান-প্ৰদান কৰাৰ ফলত এক কস্ম'পলিটান দৃষ্টিভঙ্গী তেওঁলোকৰ মনলৈ অহা দেখিবলৈ পোৱা যায়। তেওঁলোকৰ মনত অসমীয়া ভাষাৰ প্ৰতি ভালপোৱাৰ ভাব সিমান প্ৰবল নহয় যেন লাগে। কাৰণ বিহু আদি অসমীয়া উৎসৱবোৰত একগোট হৈ কথা-বতৰা কওঁতে তেওঁলোকে অসমীয়াতকৈ হিন্দী বা ইংৰাজী ভাষাহে সাধাৰণতে ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। একালৰ আসাম এছোচিয়েচনৰ সভাপতি প্ৰাক্তন সংসদ সদস্য শ্ৰীপূৰ্ণনাৰায়ণ সিংহই এখন সভাত দুখ কৰি কৈছিল, 'আপোনালোকে আপোনালোকৰ ল'ৰা-ছোৱালীক অসমীয়া ভাষাৰ অকণমান জ্ঞান দিয়ক। সিহঁতক বিজতৰীয়া নকৰিব।'

দিল্লীত আমি এনেধৰণৰ অনা-অসমীয়া বুদ্ধিজীৱী-পণ্ডিত-লেখক বহুতো লগ পাওঁ যিসকলৰ অসমৰ বুৰঞ্জী, অৰ্থনীতি, কৃষ্টি, সংস্কৃতি সম্বন্ধে বিস্তৃত ভাবে জানিবলৈ তীব্ৰ উৎকণ্ঠা থকা দেখা যায়। সুলভ মূল্যৰ নহ'লে আজিকালিৰ দিনত কিতাপ কিনি জ্ঞান আহৰণ কৰাটো সকলোৰে পক্ষে সম্ভৱ নহয়। অসমীয়া পুস্তক বা ইংৰাজীত লেখা অসম সম্বন্ধে মৌলিক পুস্তকাদিৰে সুসমৃদ্ধ এটা গ্ৰন্থাগাৰৰ অভাৱ দিল্লীবাসী অসমীয়া সকলে সদায়েই অনুভৱ কৰি আহিছে। সাহিত্য অকাডেমিৰ গ্ৰন্থালয়ত যথেষ্ট সংখ্যক অসমীয়া পুস্তক আছে। কেন্দ্ৰীয় চৰকাৰৰ তুলসী সদনতো (ভাৰতীয় ভাষাৰ গ্ৰন্থালয়) অসমীয়া পুস্তক আছে। অসম চৰকাৰৰ তথ্য-কেন্দ্ৰতো এটা গ্ৰন্থালয় আছে। কিন্তু উক্ত গ্ৰন্থালয়বোৰে আগ্ৰহী পাঠকৰ হেঁপাহ বিশেষভাৱে পূৰণ কৰিব নোৱাৰে। উল্লেখযোগ্য যে শ্ৰীদেৱীপ্ৰসাদ বাগ্ৰদিয়া নামে এজন হিন্দী লেখকে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ 'শোণিত কুঁৱৰী' নাট আৰু তেওঁ ৰচিত কেইটামান সংগীতৰ হিন্দীলৈ অনুবাদ কৰি 'জ্যোতি সুধা' নামেৰে প্ৰকাশ কৰিছে। অলপতে ভাৰতৰ উপৰাষ্ট্ৰপতি ড° শঙ্কৰদয়াল শৰ্মাই (১০-৯-৯১) কিতাপখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে।



ঈদ মিলন উদযাপিত কৰাৰ দৃশ্য

ভাৰতৰ সামৰিক বাহিনীৰ তিনিওটা অংগতে বহুতো অসমীয়াই কাম কৰে। ৰেচ কৰ্চ, সুব্ৰত পাৰ্ক, কেন্টনমেন্ট অঞ্চল, পালাম, ধৌলাকুৱা আদি অঞ্চলত বসবাস কৰা এই উদ্যোগী অসমীয়াসকলে 'জেউতি সংঘ' নামে এটা সংস্কৃতিমূলক অনুষ্ঠান স্থাপন কৰিছে। উক্ত এই অনুষ্ঠানটোৰ সৌজন্যত এই উদ্যোগী অসমীয়াসকলে ঘৰে-ঘৰে নাম-কীৰ্তন কৰি অসমীয়া বৈষ্ণৱী পৰম্পৰাটো দিল্লীতো জীয়াই ৰাখিছে। শ্ৰীশ্ৰীশঙ্কৰ গুৰুৰ তিথি আদি সামূহিক উৎসৱবোৰত তেওঁলোকৰ যোগদানে উৎসৱৰ স্নিগ্ধতা বৃদ্ধি কৰে।

দিল্লীত অসম সাহিত্য সভাৰ এটা শাখা আৰু এটা অসমীয়া নামঘৰ স্থাপন হোৱাটো আমি আন্তৰিকতাৰে কামনা কৰো। এই ক্ষেত্ৰত অসম এছোচিয়েচনৰ প্ৰাক্তন সভাপতি শ্ৰীপূৰ্ণ নাৰায়ণ সিংহ আৰু স্বৰ্গীয় দীনেশ গোস্বামীদেৱে যথেষ্ট প্ৰচেষ্টা চলাইছিল। সুসাহিত্যিক চৈয়দ আব্দুল মালিক সংসদ সদস্য হৈ থকা কালছোৱাত অসম সাহিত্য সভাৰ এটা শাখা দিল্লীত খোলাৰ প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু এই প্ৰচেষ্টা এতিয়াও ফলপ্ৰদ হোৱা নাই।

ভাৰতৰ বিশাল ৰাজধানী নগৰী দিল্লী আৰু নতুন দিল্লীৰ (Twin City) এমূৰৰ পৰা সিমূৰলৈকে বিভিন্ন অঞ্চলত অসমীয়া মানুহ সিঁচৰতি হৈ আছে। এটা লোকপিয়লৰ মতে দিল্লীৰ প্ৰায় এক কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় ০.০১ শতাংশ হৈছে অসমীয়া মানুহ। অসম বা অসমীয়া সম্বন্ধে দিল্লীৰ বহু লোকৰ কোনো ধাৰণা নাই। আমি দিল্লীত এনেধৰণৰ তথাকথিত শিক্ষিত লোক লগ পাইছো যিসকলৰ নাগালেণ্ড সম্বন্ধে নৃতত্ত্বজনিত উৎকণ্ঠা থাকিলেও অসম বা অসমীয়া ভাষা সম্বন্ধে কোনো উৎকণ্ঠা নাই। দিল্লীবাসী সকলো অসমীয়াৰে অন্য ভাষা-ভাষী সকলৰ মাজত অসম তথা অসমীয়া কৃষ্টি-সংস্কৃতি সম্বন্ধে এক মধুৰ তথ্য আৰু পৰিসংখ্যা ভিত্তিক ধাৰণা সৃষ্টি কৰাটো এক নৈতিক কৰ্তব্য। সুখৰ বিষয় যে এই ক্ষেত্ৰত দিল্লীবাসী এমুঠি অসমীয়া সচেতন আৰু সচেষ্ট। সূ



গল্প

# অৰ্গল

(সমূহ বোধিসত্ত্বলৈ ক্ষমা প্ৰাৰ্থনাৰে)

নৱনীতা গগৈ

এতিয়া কোনোবাই যদি আহি মোৰ হাতত বিহৰ বটল এটা তুলি নধৰেহি, মই আত্মহত্যা পৰ্যন্ত কৰিব নোৱাৰো। কোনোবাই মোৰ ডিঙিটোত ৰচি এডালেৰে গাঁঠি দি ক'ৰবাত মোৰ শৰীৰটো আঁৰি নিদিলে সেইকণ কাম নিজে কৰি লোৱাৰ ক্ষমতা মোৰ নাই। মোৰ ভৰি দুখন ক্ৰমশঃ অসাৰ হৈ আহিছে; ছালৰ তলৰ হাড় জিলিকিছে সৰ্বশৰীৰত। আৰু ইয়াৰ ৰাস্তাৰেই বলাকাৰ গাড়ীখন পাৰ হৈ গ'ল। ধূলি উৰিল। ধূলি উৰিল। ধুমুহা হৈ ধূলি উৰিল। এই ৰাস্তাৰেই আহ-যাহ কৰা কেবাটাও মানুহ শ হৈ আনৰ কান্ধত উঠি পশ্চিমৰ পিনে যাত্ৰা কৰিলে। ধূলিৰ ধুমুহাৰ দৰে হৰিধ্বনিয়ে মুখৰিত কৰি থৈ গ'ল চৌপাশ। মোৰ গাওঁ সম্বন্ধীয় ককাইদেউটো মৰোতে এটা মদাহীয়ে মোৰ ডাক্তৰীত আঘাত লগাকৈ এষাৰ কথা কৈছিল। চেন্টিমেন্টাল হৈ মই আৰু মোৰ পিছে পিছে একাংশ মানুহ আধাপোৰা শ এৰি থৈ ভোঁ ভোঁকৈ গুচি আহিছিলো। এই কথাই মোক এতিয়াও ক'ৰবাত খুঁচি-বিন্ধি আছে। পাপবোধে এতিয়াও পীড়ি আছে মোক। যেন আমি সকলোৱেই সেই শ আধাপোৰাকৈ এৰি আহিলো। জুই নুমাই গ'ল। ছাই আৰু ধোঁৱাৰ মাজতে শগুণ আৰু শিয়ালে যেন টানি-আজুৰি আছিল সেই দেহ। কিয় মই শেষ মুহূৰ্তলৈকে



অংকন : চম্পক বৰবৰা

নাথাকিলো ? কিয় নাথাকিলো ? মই এতিয়াও সেই বোধৰ পৰা মুক্ত হ'ব পৰা নাই।

এই খিৰিকিখন ! সৌ হেজ বোৰ ! হে'জবোৰ ওখ নহয় কিয় ? মই ৰাস্তাটো স্পষ্টভাবে দেখা পোৱাকৈ ৰীতাই সেইবোৰ চুটিকৈ কটাই ৰাখিছে। ৰীতা ! মই বুজি পাওঁ, বৰ ভালকৈয়ে বুজি পাওঁ তুমি মোৰ এই কুৎসিত চেহেৰাটো ৰাস্তাৰ মানুহৰ আগত প্ৰদৰ্শন কৰিছা ? চে'ডিষ্ট ক'ৰবাৰ ! ৰাস্তাৰ মানুহে যাতে গম পাওক এনে এটা অথৰ্ব অৱয়বৰ তদাৰকি কৰি কৰি তুমি এক ত্যাগীৰ জীৱন কটাইছা। মই চব বুজি পাওঁ। আচলতে তোমাৰ বাবে মই একোৱেই কৰিব নোৱাৰিলো। মই স্বীকাৰ কৰিছো। এয়া চোৱা তোমালৈ চাই মই কিছু কথা ক'ব বিচাৰিছো। সময়বোৰক মই ধৰি ৰাখিব পাৰিম বুলি ধৰি লৈছিলো। তুমি অহাৰ পাছত এই নিৰ্বোধৰ জীৱন পূৰ্ণ হৈ গৈছিল। এই নিৰ্বোধে তেতিয়া ভাবিবই নোৱাৰিছিল যে সকলো পূৰ্ণতাৰ সময়েই ক্ষয় আৰু অৱসাদৰ সূচক সময়। আন একো নহ'লেও এদিন বুঢ়া হ'ম তালৈও মোৰ কাণসাৰ নাছিল। এই ৰীতা এইফালে আহাচোন। কথাবোৰ তোমাক মই বুজাই কওঁ। ...' এনেবোৰ সময়ত মই ভয়ানকভাবে উচাপ খাই উঠো। মোৰ মুখৰ পৰা ওলাই অহা বিকট চিৎকাৰত বিৰক্ত হৈ ৰীতা ভিতৰৰ কোঠাৰ পৰা ওলাই আহে। 'কি হ'ল কিয় চিঞৰিছা ? তেওঁ গৰম পানীৰ বেগটো চুই চায়। ইতিমধ্যে চেঁচা হৈ পৰা পানীখিনি উলিয়াই মোৰ গাৰ কাষত থৈ যায়হি। এবেগ উতলা পানী। মোক খুৱাই দিব খোজে এটা ট্ৰেংকুইলাইজাৰ। তেওঁৰ ইচ্ছা অনুসৰিয়েই টেবলেটটো খাওঁ। লাহে লাহে মোৰ চকুৰ আগত নানান ছাঁয়া-পোহৰ, নানান ছবি ভাহি উঠে। সেই উপৰ্যুপৰি স্মৃতি-স্বপ্নচিত্ৰ মন্টাজত মই কিছুক্ষণ হেৰাই যাওঁ......!

মোৰ ঠাইত ৰীতা আৰু ৰীতাৰ ঠাইত মই হোৱা হ'লে মই ভাবো, মই নিশ্চয় ৰীতাৰ মনৰ কথা বুজিবৰ চেষ্টা কৰিলোহেঁতেন। অনুভৱ স্পৰ্শৰ প্ৰয়োজনত গৰম পানীৰ বেগ অথবা গৰম পানীৰ বেগৰ প্ৰয়োজনত দাবী-ধমকি নিশ্চয় নিদিলোহেঁতেন। নিদিলোহেঁতেন নে ? এই স্মৃতিবোৰে যে কি অতিষ্ঠ কৰি মাৰে মোক। প্ৰায় তেৰ বছৰৰ আগৰ এটা ৰাতিপুৱাৰ স্মৃতিয়ে মোৰ আত্মতুষ্টিৰ স্তূপটো এফালৰ পৰা খহাই নিয়ে। সেইদিনা ৰাতিপুৱা মোৰ ঘৰৰ পৰা দুশ মিটাৰমান নিলগতে চাৰিটা উন্মত্ত চিপাহীয়ে মোৰ চৈধ্য বছৰীয়া পুত্ৰ পিনাকীক অনাহকতে গুৰুলা-গুৰুলকৈ কিলাইছিল। চাৰিদাল মজবুত বেতৰ মাৰ পৰিছিল তাৰ কোমল পিঠিত, বাহুত কৰঙণত। চিঞৰ শুনি গেটৰ মুখলৈ আহি মই দেখিবলৈ পালো সেই আসুৰিক দৃশ্য। কেইচেকেণ্ডমান গেটৰ ফ্ৰেমত খামোচ মাৰি ধৰি থাকি এবাৰত একেকোৰে আহি ভিতৰ সোমাই উত্তেজনাত থৰথৰকৈ কঁপিবলৈ ধৰিলো। ৰীতাৰ চকুত ধৰা পৰিলেই মৰণ মিলিব। তেওঁ হুৱা-দুৱাখন লগাই মোক ল'ৰাটো আনিবলৈ যাবলৈ বাধ্য কৰিব। ভয়ে ভয়ে মই বাথৰুমত সোমাই থাকিলো। মই চিঞৰ-বাখৰ কৰা নাছিলো অথবা স্বাভাৱিক মাতেৰেও ৰীতাক বেয়া খবৰটো দিয়া নাছিলো। মই বাথৰুমৰ ভিতৰ সোমাই আশ্বস্ত হৈ ক্ষণিকৰ বাবে ভাবিলো, এটাই মাৰ খাইছে। খাওক। অনৰ্থক দুটাই কিয় মাৰ খাব লাগে ? ৰক্ত অথবা স্নেহ বন্ধনৰ সমস্ত ৰজ্জু খহাই মই একান্তভাবে ব্যক্তিগত আৰু গোপন হৈ পৰিলো। কিছু সময়ৰ পাছত মানুহে ৰাস্তাত পৰি থকা পিনাকীৰ অৰ্দ্ধচেতন শৰীৰটো ঘৰত যেতিয়া চমজাই দিলেহি, ৰীতাৰ আৰ্ত্তনাদে সকলোকে বিৱশ কৰি তুলিলে, আৰু ময়ো তাক সাবটি ধৰি হায় হায় কৰিবলৈ ধৰিলো।

মোৰ সাতাইশ বছৰীয়া পুত্ৰ পিনাকী হঠাৎ দপদপকৈ মোৰ কোঠালৈ সোমাই আহিল। ঘৰৰ যাবতীয় আচবাব অৰ্থাৎ চকী-মেজবোৰৰ দৰেই মোৰ উপস্থিতিকো কোনো মানুহে গ্ৰাহ্য নকৰে। পিনাকীৰ সতে সোমাই আহিল আৰু তিনিজন সমবয়সৰ যুৱক। মোৰ সন্মুখতে সিহঁতে উত্তপ্ত এক আলোচনা আৰম্ভ কৰিলে। সন্ধ্যা নামিছিল। সিহঁতৰ আলোচনা শুনি মোৰ চকু বিস্ফোৰিত হ'ব খুজি জাপ খাই গ'ল। আৰ্তনাদ এটা মুখেৰে বাহিৰলৈ ওলাই আহি বুকুৰ ভিতৰলৈ বহি গ'ল। পিনাকীয়ে কৈ উঠিল, 'উৱা, দেউতালৈ চা, হাঁহিছে চা। এইবোৰ কথা শুনি হাঁহিবৰ কিনো হ'ল বাৰু ? বেমাৰী মানুহবোৰ বৰ আচৰিত ধৰণৰ হৈ যায়!' পিনাকীৰ সতীৰ্থ এজনে প্ৰতিবাদ কৰিলে, 'কেতিয়াও হঁহা নাই দেই। ভালদৰে চাচোন। তেখেতে মুখখন বিদৰাই পেলাইছে। কান্দিবহে খুজিছে কিজানি।' মই কান্দিছো নে হাঁহিছো এই লৈ সিহঁত কেউজন তৰ্কত লিপ্ত হ'ল। অলপ পিছতে সিহঁত আগৰ প্ৰসংগলৈ ঘূৰি আহিল। 'অ' তাৰ পাছত ?'

'গেলা মদাহী সেইটো। মদ খাই খাই সি নিশ্চয় এনেয়েও লিভাৰৰ চিৰ'চিচত ভূগি আছিল। চেহেৰাই কয়। মই মাত্ৰ তাৰ পিঠিতে থিচ্চিউ কৰি দিলো। ঠিক কলিজাখনৰ ওচৰতে।' মদ নাখায় পিনাকীহঁতে।

'আৰু-আৰু ? আনটোৰ ?'

'তই তোৰ ভাগ্যক দোষ দে এইটো অভিযানত ওলাবলৈ নোপোৱাৰ বাবে। আনটোক ৰন্টুৱে গাহৰিৰ মঙহ পুৰি খোৱা ইমানডালমান লোহাৰ ৰডেৰে ডিঙিত খুঁচি খুঁচি ...'

'এই বোৰ এৰি দিলেই কিন্তু আমাৰ উদ্যম শেষ হৈ যাব বুলি মই ভাবো। এইবোৰৰ প্ৰয়োজন আছে। এতিয়া কচোন পিছৰ পৰিকল্পনাৰ খবৰ।'

মই কিহত অংশ গ্ৰহণ কৰি আছোঁ ? ইহঁতৰ সতে একেটা কোঠাতে বহি মই কিহঁত অংশ গ্ৰহণ কৰি আছো ? এই পিনাকী ! পিনাকী ! মোৰ ভীষণ পিয়াহ লাগিছে। ডিঙি শুকাই গৈছে। অলপ কুহুমীয়া পানী ......'।

'কিবা এটা কৈছে দেউতাৰে।' এটাই ক'লে। পিনাকীয়ে কিছুপৰ মোৰফালে ট ট'কৈ চালে। তাৰ পাছত মুখ ঘূৰালে সি। 'একো বুজা নাযায় দেউতাই কি কয়।' সি চিঞৰি চিঞৰি কামকৰা ল'ৰাটোক মাতি তাক মোৰ কাষলৈ পঠাই দিলে আৰু তাৰ পাছত সিহঁতে আলোচনাবোৰ ফিচফিচকৈ কৰিবলৈ ধৰিলে।

ৰীতা নাই। বলাকাৰ ঘৰত কিছুদিন আছেগৈ। ৰীতা, পিনাকী, কাম কৰা ল'ৰা– এই সকলোৱে সমানেই বুজি পায় অথবা একো বুজি নেপায় মই কি কওঁ, কি ক'ব খোজো, মোৰ অংগীভংগীবোৰ বুজাটো ইমানেই দুৰূহ নে বাৰু ? সঁচাকৈয়ে নে ? মোৰ বৰকৈ পিয়াহ লাগিল। কোনেও একবিন্দুও বুজা নাই মোৰ কি হৈছে। বন্দী ৰজা বিন্দুসাৰৰ দৰে মই আতুৰ হৈ মোৰ বাউসীটো দাঁতেৰে ফুটুৱাই তেজ পি খুজিলো। কিন্তু মোৰ দাঁতবোৰ বাউসীটোৰ ওচৰ চাপিবলৈ নোৱাৰিলে। কোনোপধ্যেই মই মেলা মুখখন বাউসীত অথবা মই বিচৰামতে দেহৰ আন কোনো অংশতে লগাব নোৱাৰিলো। অৱশেষত মোৰ আঙুলি কেইটালৈ চকু গ'ল। হাড়-ছালৰ বাদে আন একো নোহোৱা হাতখনৰ তলুৱাত বুঢ়া আঙুলিৰ শিপাতে কিছু মঙহ থকা যেন দেখিলো। আৰু লগে লগে তাতেই গাৰ বলেৰে এটা কামোৰ বহুৱাই দিলো– । ■






নাটক

# আলি দোমোজাত

মহেন্দ্ৰ বৰঠাকুৰ




মঞ্চ চাৰিটা ভাগত ভাগ কৰিব।

'আই' দুই ভূমিকাত থাকিব – সূত্ৰধাৰ আৰু শাহু। যেতিয়া সূত্ৰধাৰ হিচাপে থাকিব, তেতিয়া মাজৰ spot লৈ আহিব। পৰিচালকে মঞ্চ সম্পৰ্কে নিজে পৰিকল্পনা কৰি ল'ব পাৰে।

আই ঃ (সূত্ৰধাৰ ৰূপে ওলাব, সু-সজ্জিতা, কইনা সাজত) বহুত দিন, এৰা বহুত দিনেই। বছৰৰ হিচাপটো সঠিক মনত নাই, অৱশ্যে হিচাপ কৰিলে ওলাব। তথাপি বহুত দিন হ'ল। এনে এটা সাজ পিন্ধি, এনেকৈ মূৰত ওৰণি লৈ মই এইখন ঘৰ সোমাইছিলোহি। মোৰ এই লাজ, মূৰৰ এই ওৰণি মোৰ লগে লগেই আছে। মোৰ দৰেই আহিছিল চাগে – মোৰ আই, মোৰ শাহু, মোৰ শাহুৰ শাহু ...... কিজানি এনেকৈয়ে মোৰ এই সাজটোও আহি আছিল। তাৰ আগৰ কথা অৱশ্যে নাজানো।

এতিয়া মই কইনা নহয়, মই মাতৃ, মই শাহু। কিন্তু এদিন কইনা হৈছিলো। মোৰ কল্পনাত আছিল এখন সংসাৰ, সুখৰ সংসাৰ। এই সংসাৰত আছিল মোৰ স্বামী, মোৰ সন্তান, মোৰ ননদ, দেওৰ আৰু অতি শ্ৰদ্ধাৰ শহুৰ-শাহু। সেই সংসাৰত মোৰ সুকীয়া অস্তিত্ব নাছিল, মোৰ সকলো কল্পনা, সকলো চিন্তা আনকি ভোক-পিয়াহো তেওঁলোকৰ মাজেদিহে অনুভূত হৈছিল। কাৰণ মোৰ বাবে আদৰ্শ জীৱন আছিল মোৰ স্বামীৰ মন বুজি চলা। তেওঁৰ সংসাৰৰ আত্মীয়জনৰ, প্ৰিয়জনৰ মন যোগোৱাতেই সীমাবদ্ধ। সেয়েই সেই দিনৰ আদৰ্শ নাৰী। অন্ততঃ

তেনেকুৱা শিক্ষাকেই দিয়া হৈছিল । 'সতী' বুলিলে, 'গৃহিণী' বুলিলে, পত্নী বুলিলে, 'বোৱাৰী' বুলিলে তেনে সেৱাপ্ৰাণা নাৰী মূৰ্তিৰ কথাই বুজোৱা হৈছিল ।

এই জীৱনতেই –

চৈ দিয়া গৰু গাড়ীত উঠিলো,
মটৰ গাড়ী দেখিলো, উঠিলো
উৰা জাহাজ দেখিলো, তাতো উঠিলো ।

এতিয়া মোৰ অতীত স্মৃতি পাগুলি থাকিবলৈ ভাল পোৱাৰ বয়স । এতিয়া মই শাহু । মোৰ তিনিজনী বোৱাৰী । মোৰ তিনিজনী বোৱাৰীলৈ চাওকচোন ।

(তিনিটা spot-ত তিনিজনী বোৱাৰীত লাইট পৰে । বৰ বোৱাৰীৰ মূৰত ওৰণি । পৰিপাটি মেখেলা-চাদৰ, কপালত ডাঙৰ ফোঁট, শিৰত উজ্জ্বল সেন্দুৰ ।

মাজু বোৱাৰীৰ ওৰণিখন খোপাত, কপালৰ ফোঁট মজলীয়া, পিন্ধনত এখন শাৰী ।

সৰু বোৱাৰীৰ সাজপাৰ আধুনিক বিশেষ style-ত মূৰ আচুৰিব, খোপা বান্ধিব ।

প্ৰথমেই বৰ বোৱাৰীৰ ওপৰত লাইট পৰে ।)

আই ঃ এইজনী মোৰ বৰ বোৱাৰী ।
(মাজু বোৱাৰীৰ ওপৰত লাইট পৰে)
এইজনী মাজু বোৱাৰী
(সৰু বোৱাৰীৰ ওপৰত পৰে)
আৰু এইজনী সৰু বোৱাৰী ।
(পুনৰ লাইট কেন্দ্ৰীভূত হয় 'আই'ৰ ওপৰত ।
তিনিও গৰাকী বোৱাৰী আন্ধাৰত ৰয়)

আই ঃ মোৰ তিনিজনী বোৱাৰী তিনিটা বিভক্ত সময় । মই সেই তিনিকালৰ যোগসূত্ৰ হ'ব পাৰিছোনে বাৰু ? মোৰ তিনি বোৱাৰীৰ চিন্তা আৰু কৰ্মকাণ্ড চাওঁকচোন ।

[মঞ্চত পোহৰ পৰে । দেখা যায় বৰবোৱাৰীয়ে ড্ৰইং ৰুমত আঁৰি থোৱা কৃষ্ণৰ ছবি এখনত এধাৰি মালা পিন্ধায়, সেৱা কৰে । মাজু বোৱাৰী ওলাই আহে]

মাজু বোৱাৰী ঃ কৃষ্ণৰ ছবিখন দেখোন ড্ৰইং ৰুমত আঁৰিলে বাইদেউ ?

বৰ বোৱাৰী ঃ আয়ে ভাল পাব । মোৰো অৱশ্যে ভাল লাগে । গোসাঁইৰ ছবি এখন কোঠাত থাকিলে কোঠাটোও বৰ গহীন আৰু পৱিত্ৰ যেন লাগে । তোমাৰ কেনে লাগে ?

মাঃবোঃ ঃ মোৰনো আৰু কি ? পিছে আমাৰ সৰু গৰাকীয়ে আক' বা কি কয় ?

বৰ বোঃ ঃ তেওঁনো আক' কি ক'ব ?

মাঃবোঃ আপোনাৰ মোৰ ভাল লগা কথাবোৰ তেওঁৰ আক' ভাল নালাগিবও পাৰে ।

বঃবোঃ তাই সৰু ছোৱালীতো । মনটো অলপ চঞ্চল । আমি বোৱাৰী যেতিয়া আমাৰ নিজৰ ভাল পোৱা বেয়া পোৱাতকৈ ঘৰখনৰ ডাঙৰকেইজনে ভাল পোৱা বেয়া পোৱাটোলৈহে চাব লাগে নহয় জানো ?

মাঃবোঃ সৰু বোৱাৰী বাবেই পিছে বয়সতো সৰু হৈ থকা নাই বাইদেউ, তেওঁতকৈ কম বয়সতেই জানো আপুনি এইখন ঘৰলৈ অহা নাছিল, সংসাৰ চলোৱা নাছিল ?

বঃবোঃ আমাৰ কথা বেলেগ আছিল বুজিছা । আমাক আই-বোপায়ে সৰুৰে পৰাই গঢ় দিছিল সংসাৰখনৰ বাবে নিজকে বিলাই দিবলৈ । বাৰু তুমি কিবা এটা মুখত দিলানে নাই ? ভোক লগা নাই জানো ?



মাঃবোঃ আপুনি আজৰি হ'লে একেলগে চাহ খাবলৈকে ৰৈ আছো ।

বঃবোঃ তুমি যে কি ছোৱালী পাই ! মোলৈনো ৰৈ থাকিব কিয় লাগে বাৰু ? মোৰ চাহ খাওঁতে বেলি দুপৰেই হয়গৈ দেখোন । আই গোসাঁইৰ ঘৰৰ পৰা ওলাল জানো ?

মাঃবোঃ নাই ওলোৱা ।

বঃবোঃ আইক দিহে মই খামগৈ তুমি খোৱাগৈ যোৱা । অ' মাজুবোপা ওলাই গ'লেই নেকি ?

মাঃবোঃ ডাঙৰ দুয়োজন গ'ল । আপুনি তেতিয়া গাখীৰ খিৱাই আছিল গোহালিত ।

বঃবোঃ সৰু বোপা একা ?

মাঃবোঃ বেড টি খাই আক' শুলে ।

বঃবোঃ এতিয়ানো আৰু শুই থকাৰ সময় আছেনে ?

(সৰু বোৱাৰী উৰ্মিলা ওলাই আহে । সুন্দৰ সাজ-পোছাক, যেন কেনিবা যাবলৈ বুলিহে ওলাই আহিছে । পিন্ধনত অত্যাধুনিক শাৰী)

উৰ্মিলা ঃ ইয়ে, আপোনালোক ইয়াতেই আছে । মই পিছে ব্ৰেকফাষ্ট কৰি আহিলো দেই । মোৰ আক' কাম আছে । (হঠাৎ কৃষ্ণৰ ছবিখন দেখি) হাৰে, এইখন ইয়াত কোনে লগালে ?

বঃবোঃ মই । বেয়া হৈছে নেকি ?

উমি ঃ My good God খুলি পেলাওক বাইদেউ । It looks odd.

বঃবোঃ কিয় ?

উমি ঃ ড্ৰইং ৰুমত শ্ৰীকৃষ্ণক ৰথীয়া পাতি থোৱাৰ দিন গ'ল । আমাৰ এওঁক মই কিমান দিন কৈছো বোলো দুখনমান পেইন্টিং আনা । বেণু মিশ্ৰ, নীলপৱন বৰুৱা, শোভা ব্ৰহ্ম, পুলক গগৈ, প্ৰসেনজিৎ দুৱৰা এওঁলোকৰ পৰাও আনিব পাৰে । এওঁৰো যদি কিবা টেষ্ট আছে । মই বাৰু মিছা কৈছোনে মাজু বাইদেউ ?

মাঃবোঃ কৃষ্ণৰ ফটোখন নথ'বৰ কাৰণে মই বাইদেউক কৈছিলো

বঃবোঃ এইখন ছবি ইয়াত থাকিলে আয়ে ভাল পায় । ময়ো ভাল দেখো ।

উমি ঃ (হাঁহি) গণেশ হনুমানৰ ছবি দুখনমানো আঁৰি থওকহি তেতিয়াহ'লে ।

বঃবোঃ তুমি ঠাট্টা কৰিছা উমি ?

উমি ঃ শুনক বাইদেউ । এই কেলেণ্ডাৰৰ শ্ৰীকৃষ্ণৰ ছবি ড্ৰইং ৰুমত সজোৱাৰ সময় এতিয়া আৰু নাই । তাতকৈ কৃষ্ণৰ এখন পেইন্টিং অঁকাই আনক অলপ পইচা খৰচ হ'ব অৱশ্যে । দেখিবলৈ ভাল লাগিব নহয়নে মাজু বাইদেউ ?

মাঃবোঃ মই হাঁহেৰেও ৰাজী, মাহেৰেও ৰাজী ।

বঃবোঃ কিছুমান নীতি-নিয়ম, কিছু বেলেগ পৰিবেশৰ মাজত আমি ডাঙৰ হ'লো উমি, তুমি সেইখিনি বুজাটো দৰকাৰ ।

উমি ঃ এডজেষ্টলি, ময়ো তাকেই ক'ব খুজিছো বাইদেউ । আপোনালোকেও আমাৰ ৰুচি, আমাৰ নিয়ম-নীতিৰ, আমাৰ পৰিবেশৰ বিষয়ে বুজিবলৈ চেষ্টা কৰাটো দৰকাৰ ।

বঃবোঃ উমি

মাঃবোঃ বাইদেউক তেনেকৈ ক'ব নাপাই উমি ।

উমি ঃ আৰে, ক'ব লগা কথাটো নোকোৱাকৈ থকাটো কেনেকুৱা ভদ্ৰতানো ? মই এইবিলাক হ'লে বুজি নাপাওঁ দেই । (বৰ বোৱাৰীক) বাইদেউ, Please, য'তে ত'তে এইবোৰ আঁৰি



ড্ৰইং ৰুমটো চেলুন নকৰিব দেই । ভদ্ৰ মানুহৰ ঘৰ থকাদি থাককছোন ।

মাঃবোঃ উমি !

উমি ঃ "সত্যৰ সদায় জয়"
"কুকিল ধুনীয়া হয় শুৱদি মাতত
ৰমণী ধুনীয়া হয় সতীত্ব গুণত"

এনেবিলাক এম্ব্ৰডাৰী, শ্ৰীকৃষ্ণ, ৰাম-সীতা, লক্ষ্মণৰ ছবিয়ে ড্ৰইং ৰুমৰ শোভা নবঢ়ায়, বাইদেউ । সেইবিলাকৰ মাজেদি ৰুচিহীন মানসিক দৈন্যহে প্ৰকাশ পায় । অ' মই এতিয়া মিউজিক স্কুলৰ পৰা আহোগৈ । আহোতে দেৰি হ'ব পাৰে ।

(সৰু বোৱাৰী ওলাই যাব খোজে । বৰ বোৱাৰী নিশ্চল প্ৰায় ।)

মাঃবোঃ বাইদেউ
(বৰ বোৱাৰীয়ে চকুপানী মোহাৰে)
কি হ'ল বাইদেউ ?

বঃবোঃ নাই, একো নাই ।

উমি ঃ মই তেনেকৈ কোৱাত বেয়া পালে নেকি ?

বঃবোঃ মোৰ আই-বোপাইৰ ঘৰ ধনৰ দুখীয়া আছিল সঁচা উমি, কিন্তু মনৰ দুখীয়া নাছিল ।

উমি ঃ তাৰ মানে আপুনি বেয়া পাইছে ?

মাঃবোঃ সৌৱা আই আহিছে ।
(শাহু ওলাই আহে)

আই ঃ ৰাতিপুৱাই দেখোন সাজিকাচি ওলালা, কেনিবা যোৱা নেকি সৰু বোৱাৰী ?

উমি ঃ মিউজিক স্কুললৈ মা ।

আই ঃ লগত আৰু কোন যাব ?

উমি ঃ লগত মানে মা ?

আই ঃ তোমাৰ লগত আৰু কোন যাব ?

উমি ঃ মোৰ লগত ? মোৰ লগত আৰু কোন যাব লাগিছে মা ?

মাঃবোঃ কলেজ ইউনিৰ্ভাচিটিলৈ অকলে যোৱাৰ অভ্যাস তেওঁৰ আছে নহয় আই ।

আই ঃ জীয়ৰী কালৰ কথা আৰু বোৱাৰী কালৰ কথা একে নহয় নহয় ।

উমি ঃ শিৰত সেন্দুৰকণ লোৱা মানে হাতে-ভৰিয়ে শিকলি পিন্ধা নেকি ?

আই ঃ অ' তুমি তেনেকৈ ভাবিছা যদি যোৱা বাৰু ! বোৱাৰী যেতিয়া তেনেকৈ অকলে ঘূৰি ফুৰাটো বেয়া দেখি ।

উমি ঃ এটা কথা কওঁ মা, বেয়া নেপাব কিন্তু । অৱশ্যে মোক অকলে গ'লে বেয়া পায় বাবেই কথাষাৰ ক'ব খোজা নাই । মানে আপোনালোকৰ চলিত যিটো নিয়ম সেই নিয়মৰ বিষয়েহে ক'ব খুজিছো ।

আই ঃ কোৱাচোন কি ক'ব খুজিছা ?

উমি ঃ আপোনালোকে ভাল পোৱা বেয়া পোৱা কথাবিলাক আমি বোৱাৰীবোৰে যেনেকৈ মানি চলিব লাগে আমাৰ বোৱাৰীবিলাকৰ ভালপোৱা বেয়াপোৱা কথাবিলাকো আপোনালোকে বিচাৰ কৰি চাব নালাগে জানো ? মই পঢ়া-শুনা কৰা ছোৱালী মা, দায়িত্বজ্ঞান মোৰ আছে । গতিকে মই অকলে গ'লে এই ঘৰখনৰ কাৰণে বদনাম কঢ়িয়াই আনিম বুলি মিছাতে ভয় কৰিব নালাগে । কাৰণ এইখন মোৰো ঘৰ নহয় জানো ? (বৰ বোৱাৰীক) বাইদেউ, আপুনি কিবা ক'ব নেকি ?

বঃবোঃ আয়ে কোৱাৰ পিছত মইনো আৰু কি ক'ম উমি ?

উমি ঃ মাজু বাইদেৱে একা ?

মাঃবোঃ নাই, নাই, মোৰ একো ক'ব লগা নাই ।

উমি ঃ তেনেহ'লে মই এতিয়া যাওঁ । দেৰিয়েই হ'ল ।
(উমি ওলাই যায়)

আই ঃ কাল সলনি হ'ল, বৰ বোৱাৰী ।

বঃবো ঃ আই

আই ঃ তয়ো দেখোন শিলপৰা কপৌৰ দৰে থৰ লাগিলি ।

বঃবোঃ আহিবৰ দিন ধৰি এইখন ঘৰৰ কাৰণে, এইখন ঘৰৰ প্ৰতিজন মানুহৰ মন যোগাই চলিবৰ চেষ্টাৰেই কাম কৰি আহিছো । কোনেও মোক ৰুচি নাইকিয়া, মনৰ দুখীয়া বুলি কোৱা নাছিল । ইতিকিং কৰা নাছিল, কিন্তু –
(বৰ বোৱাৰীয়ে চকুপানী মোহাৰে)

আই ঃ তোৰ হ'ল কি ?

বঃবোঃ (মাজু বোৱাৰীক দেখুৱায়) তেওঁকেই সোধক আই । (বৰ বোৱাৰী সোমাই যায়)

আই ঃ হৈছে কি মাজু বোৱাৰী ?

মাঃবোঃ শ্ৰীকৃষ্ণৰ ছবিখন আঁৰা দেখি উমিয়ে বেয়া পাইছে । বাইদেউক মই কৈছো, আমি কিছুমান কথাত মাত নমতাই ভাল ।

আই ঃ ক'ৰবাত কিবা খেলি মেলি হৈছে, মই বুজিছো যা মাজুবোৱাৰী, তাইক দুখ কৰিবলৈ মানা কৰ, তাই সদায় ৰঙিয়াল ছোৱালী । দুখ কৰিলে ময়ো দুখ পাওঁ ।

মাঃবোঃ বাইদেৱে নিজৰ দুখৰ কথাও আনৰ আগত নকয় । আজি পিছে –

আই ঃ তাইৰ কথা মই জানো । হাজাৰ দুখ পালেও তাই মুখ খুলি নকয় । চকুপানী টুকি আনক নেদেখুৱায় । আজি যেন তাইৰ ভুল হৈ গ'ল । যা তই তাইক বুজাগৈ ।

(মাজু বোৱাৰী সোমাই যায় । 'আই' লাহে লাহে সূত্ৰধাৰৰ ঠাইলৈ আহে । পোহৰ কেন্দ্ৰীভূত হয় । সূত্ৰধাৰী ভূমিকা গ্ৰহণ কৰে ।)

আই ঃ পুৰণিক খামুচি ধৰি থাকিব খোজাৰ বাবেই সৰু বোৱাৰী উমিয়ে বৰবোৱাৰীক ৰুচিহীন বুলি তাচ্ছিল্য কৰিলে । বৰবোৱাৰীয়ে দুখ পালেও সেই দুখ আনক দেখুৱাব নোখোজে ভিতৰি ভিতৰি নিজে নিজেই জ্বলে । আজি তাইৰ চকুত ধৰা পৰাকৈ পানী ওলাল । আচলতে বহুত দিন ধৰি তাইৰ মনত ক্ষোভ জমা হৈ আছে । উদঙাই দিবলৈ সুবিধা পোৱা নাই । এইখন ঘৰলৈ অহা দিন ধৰি তাইক আমি একপ্ৰকাৰ বন্দী কৰি পেলালো । অকল শাৰীৰিক ভাবেই নহয়, মানসিক ভাবেও, তাইৰ সুকীয়া ব্যক্তিত্ব, সুকীয়া চিন্তাচৰ্চা, সুকীয়া ধ্যান-ধাৰণাৰ কথা আমিতো কোনোকালেই ভাবিবলৈ নহ'ল । তাইৰ অৱচেতন মনত স্তৰে স্তৰে জমা হৈছে আমাৰ প্ৰতি ক্ষোভ আৰু ক্ৰোধ । সামান্য জোঁকাৰ খালেই সি পাৰ ভাঙি আহিব পাৰে ।

সৰু বোৱাৰীক বাৰু তাইৰ লগৰ কেইজনীৰ সৈতে চাওকচোন –

[মঞ্চ আন্ধাৰ হয়, 'আই' আঁতৰি যায় । পুনৰ মঞ্চত পোহৰ পৰাত দেখা যায় উমি বহি আছে তেওঁৰ একেলগৰ আন দুগৰাকী, মনালিছা আৰু জুৰিৰ স'তে । দুয়ো বিবাহিতা, কিন্তু সম্পূৰ্ণ আধুনিকা, অভিজাত, শিক্ষিতা । তিনিও হাঁহি হাঁহি কথা পাতি থাকে ।]

উমি ঃ সঁচা ?





SCD

মনালিছা ঃ মই একদম স্পষ্ট কৈ দিছো অন্ততঃ পাঁচ বছৰলৈ –

জুৰি ঃ আৰু পাঁচ বছৰলৈ ?

মনা ঃ ওঁ, আৰু পাঁচ বছৰলৈ ।

উমি ঃ ঠিকেইতো, বেবী এটা জন্ম দিয়া মানেই সকলো শেষ, No হ'ব নোৱাৰে ।

মনা ঃ লাইফত 'এনজয়মেন্ট' বুলি কথা এটা নাই ?

জুৰি ঃ ময়ো তাকেই কৈছো বিয়া হ'ল বুলি মুখ বন্ধ কৰি নিজক একেবাৰে বিলাই দিয়াত মই কিন্তু নাই ।

উমি ঃ আমাৰ মিষ্টাৰে দুদিনমান আপত্তি কৰিছিল । যুক্তি দিছিল কি জান ?

মনা ঃ তেওঁলোকৰ যুক্তিৰনো কি অভাৱ !

জুৰি ঃ যুক্তিৰো শেষ নাই, অনুনয় বিনয়ৰো শেষ নাই ।

উমি ঃ আমাৰ মিষ্টাৰৰ যুক্তি হ'ল বয়স থাকোতেই বাপেক হ'লে, বয়স থাকোতেই অৰ্থাৎ সমৰ্থবান হৈ থাকোতেই সন্তানক মানুহ কৰিব পৰা যায় ।

মনা ঃ দূৰদৰ্শী ।

জুৰি ঃ আৰে কৈ দিবি – সন্তান জন্ম হ'লে মানুহো হ'ব । কিন্তু আমাৰ কি হ'ব ? মতা মানুহৰ ভাবিবলৈ বেছি নাই বুজিছ । তই শৰীৰত দহমাহ ভাৰ বোৱাৰে পৰা জন্ম দি ডাঙৰ নকৰালৈকে এক মুহূৰ্তৰ বাবে নিজকে আঁতৰাই ৰাখিব পাৰিবি ?

উমি ঃ নাই ভাই, সেই সব মোৰ ভয় লাগে । বাইদেউক দেখিছো নহয় কি ধুনীয়া মানুহজনী কি হৈ গ'ল । ভাত খাবলৈ ল'ব কেঁচুৱাই পে পে কৈ কান্দি দিব । শুবলৈ ল'ব বিছনাই পাতিয়ে দিব অপকৰ্ম কৰি । সিফালে সিজন কিন্তু নাক বজাই শুই থাকিব ।

মনা ঃ পিছদিনা বৰ বেছি মাতৃ ৰূপৰ কবিতা লিখিব । সেইবিলাক এতিয়া বাদ দে, আচল কথালৈ আহো শুন, মই ৰাজনীতি কৰিম । পলিটিক্স ।

উমি ঃ পলিটিক্স ।

মনা ঃ এইবাৰ election খেলিম ।

জুৰি ঃ মই জাৰ্ণেলিজিম কৰিম, সাংবাদিকতা, এখন মেগাজিন উলিয়াম ।

উমি ঃ মই মিউজিক স্কুল খুলিম, ডাঙৰকৈ ।

মনা ঃ মই যদি নিৰ্বাচনত জিকো, ক্ষমতা হাতত ল'ব পাৰো তইঁতক সহায় কৰিম ।

জুৰি ঃ মই তোৰ পাব্‌লিচিটি দিম, তোৰ ইণ্টাৰভিউ প্ৰকাশ কৰিম ।

উমি ঃ মই কালচাৰেল ফাংচন পাতি তোক মুকলি কৰিবলৈ মাতিম ।

মনা ঃ আমি বুজাব লাগে যে সমাজৰ অগ্ৰগতিত আমাৰো অৰিহণা আছে ।

জুৰি ঃ আমি বুজাব লাগে যে আমিও দেশৰ বুৰঞ্জী গঢ়িব পাৰো –

উমি ঃ আমি বুজাব লাগে যে আমাৰ জন্ম কেৱল পুৰুষৰ লালসা পূৰাবলৈকে নহয় ।

মনা ঃ মই দেশ শাসন কৰিম ।

জুৰি ঃ মই ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিম ।

উমি ঃ মই সংগীত জগতলৈ নতুন জোৱাৰ আনিম ।

(মেনালিছাই হাতৰ ঘড়ী চাই)

মনা ঃ এই চা-না বহুত দেৰি হ'ল ।

জুৰি ঃ হ'বই ।

উমি ঃ সময় কিবা বৈ থাকেনে ?

মনা ঃ নহয় অ' আমাৰ মিষ্টাৰ অফিচৰ পৰা পোৱাৰহি সময় হ'ল । ঘৰলৈ আহি মোক নেদেখিলে বৰ বেয়া পায় ।

জুৰি ঃ আমাৰ জনেও জান, কেনেবাকৈ যদি মই নাথাকো, মুখ ওফন্দি একেবাৰে ফুটবল হৈ যায় ।

উমি ঃ আমাৰজন হ'ব পায় কম, মাইঁতৰ ঘৰলৈকে মোক যাবলৈ নিদিয়ে কয় (হাঁহি হাঁহি) মোক এৰি থাকিবলৈ তেওঁৰ বেয়া লাগে । এক মিনিটটোৱেই এমাহ যেন লাগে হেনো ।

মনা ঃ আমাৰ 'এওঁৰ' মানে কথা কি জান – খোৱাৰ সময়ত মই ওচৰত থাকিব লাগে ।

জুৰি ঃ আমাৰ এওঁৰো নহয়, খোৱাৰ মেজত মই নবহালৈকে তেওঁ নবহে ।

উমি ঃ মোৰ সেইটোৱেই অসুবিধা বুজিছ, জইণ্ট ফেমিলিতো ! কেতিয়াবা অকলশৰীয়াকৈ বহি কথা এষাৰ পাতিবলৈকো সুবিধা নাপাওঁ । এওঁক ইমান কৈছো বোলো, কিবা এটা কৰা, কিন্তু বুঢ়ী থকালৈকে কৰিব পৰাৰ আশা নাই ।

মনা ঃ মইতো বিয়াৰ আগতেই পৰিষ্কাৰকৈ কৈ দিছিলো – জইণ্ট ফেমিলিৰ মাজত মই সোমাব নোৱাৰো । এজাক মানুহৰ মাজত তই ইচ্ছামতে হাঁহিবও নোৱাৰ, কান্দিবও নোৱাৰ । হৰিবোল ।

জুৰি ঃ এইটোৰ বাবে মইতো একপ্ৰকাৰ বেয়াই হৈছিলো । আমাৰতো জানই – কি প্ৰকাণ্ড পৰিয়াল ! পাঁচোটা মান দেওৰ, চাৰিজন ৰৰজনা, ননদ, জেশাহু, শাহু মানে এখন ৰাজ্য । মই বোলো নহ'ব দেই, ইমানবোৰৰ মাজত সোমাই মই মোৰ উশাহ বন্ধ কৰিব নোৱাৰো । বচ ভাড়াঘৰ লৈ ল'লো ।

মনা ঃ তাতো জানো শান্তি আছে ? ইটোৱে আহি সুধিবহি – কি হ'ল বেলেগ হৈ গ'ল দেখোন, কিবা লাগিল নেকি । সিটো আহি সুধিবহি ওৱা, আচল ঘৰখন ওচৰত থাকোতে ভাড়াঘৰলৈ ...... মানে কিমানৰ যে মূৰ কামোৰণি উঠে ।

উমি ঃ তাকেতো, আমাৰ এওঁক মই কৈছো বোলো ফ্ৰিডম সকলোকে লাগে, মোৰ শাহুকো লাগে, জাইঁতকো লাগে, ৰৰজনাক লাগে, ভতিজাইঁতক লাগে, আমাকো লাগে । এই কথাকে লৈ কেতিয়াবা মনোমালিন্য হ'বও পাৰে । সেয়েহে ভালেৰে থাকোতেই, ভাল ভাবেৰেই আমি বেলেগ হৈ যোৱা ভাল ।

মনা ঃ এই বহুত দেৰি হ'ল, যাওঁ বুজিছ;

(কেউগৰাকী থিয় হয় । মঞ্চ আন্ধাৰ হয় । পোহৰ পৰে সূত্ৰধাৰী ৰূপী আইৰ ওপৰত বেলেগ spot-ত)

আই ঃ এই সকল আছিল মোৰ বোৱাৰী উমিৰ বন্ধু । কথা-বতৰাখিনি শুনিলে । মোৰ মাজু বোৱাৰীৰ বন্ধুকেইগৰাকীকো এবাৰ চাব নেকি বাৰু ? তেওঁলোকৰ কথা-বতৰাও অলপ শুনকছোন ।

(মঞ্চ পুনৰ আন্ধাৰ হয় । লাহে লাহে পোহৰ পৰাত দেখা যায় মাজু বোৱাৰীৰ দুগৰাকী বন্ধু অলকা আৰু অপৰাৰ লগত মাজু বোৱাৰী বহি আছে)

অলকা ঃ মোৰ যে বুজিছা ইমান যাবলৈ মন গৈছিল ।

অপৰা ঃ চাৰ্কাছ বুলিলেতো তুমি একেবাৰে বলিয়া হৈ যোৱা –

অলকা ঃ সঁচা, চাৰ্কাছ চাই মই ইমান যে ভাল পাওঁ । চাৰ্কাছ পাৰ্টি আহিব বুলি শুনাৰে পৰাই মই ভাবি আছিলো বোলো চামগৈ, এওঁকো কৈ থৈছিলো, কিন্তু এওঁ আকৌ যাব নোৱৰা হ'ল, অফিচত কাম ওলাল । এওঁ মোক অকলে যাবলৈকে কৈছিল । অকলে গৈ মোৰ ভাল নালাগে, নগ'লো আৰু !

মাজু বোৱাৰী ঃ মোৰো সেয়ে হয় বুজিছা । অৰ্দ্ধসত্য চাম বুলি –

অপৰা ঃ বৰ ভাল ফ্লিম দেই ।

মাঃবোঃ কাগজত ৰিভিউ পঢ়ি পঢ়ি চাবলৈ হেঁপাহ আছিল । আজি চাম, কালি চাম বুলি থাকোতেই Last day পালেহি । ভাবিছিলো বাইদেৱে ময়ে চাম ।

অপৰা ঃ বাইদেউ মানে বৰ গৰাকী জা ?

মাঃবোঃ অ', আমি চিনেমা হওক, থিয়েটাৰ হওক একেলগে চাওঁ । বাইদেউ ওলাইছিল । শাহু-ৰৰজনাই যাবলৈকো কৈছিল, পিছে বাইদেউৰ হঠাৎ জ্বৰ উঠিল, মোৰ আৰু ক'ত যোৱা হয় ।

অলকা ঃ তেনেকুৱাত আক' যাবও নাপায় । বুলিব – তাই তাইৰ নিজৰটোহে ভাবিলে, জাকৰ কথা নাভাবিলে । মই সেই কাৰণে চাইচিতি লৈহে কাম কৰো । বদনাম শুনিবলৈ মন নাযায় ।

মাঃবোঃ ময়ো । মই হাঁহেৰেও ৰাজী, মাহেৰেও ৰাজী । আমাৰ সৰু গৰাকী আক' বৰ খৰংখছ । কৰিম বোলাটো কৰিবই । মই হ'লে তেনেকুৱা হ'ব নোৱাৰো দেই ।

অপৰা ঃ ময়ো জানা মিলেৰে থাকিব লাগে, মন বুজি কৰিব লাগে । বচ্ বেছিনো কেলেই । এৰোঁ তেনেকুৱাই । গণ্ডগোল বৰ-বেয়া পায় ।

অলকা ঃ আমাৰ জনো নহয়, আমাৰজনৰ কথা হৈছে খাই বৈ হাঁহি খেমালি কৰি থাকিব লাগে ।

মাঃবোঃ এদিন কি হ'ল জানা ? মানে চিনেমা চোৱাৰ কথা ওলোৱাৰ বাবে কৈছো –

অপৰা ঃ কি হ'ল ?

মাঃবোঃ এদিন মানে মই আৰু উমিয়ে বুজিছা –

(মঞ্চৰ আন এটা spot-ত টেলিফোনৰ ৰিচিভাৰ লৈ থকা উমিৰ গাত পোহৰ কেন্দ্ৰীভূত হয়, আন অংশ আন্ধাৰ হয়)

(উমি ঃ ৰিচিভাৰ লৈ) হয়, দুটা, কি বুলিলে ? ইয়েছ ইয়েছ ফাইভ থাৰ্টি ? I see । চিট দুটা চাইচিতি দিব দেই । নহয় এওঁ নাযায় । ঠিক ফাইভ ফিফটিনত পামগৈ । আপোনাৰ ৰুমলৈকে যাম নহয় জানো ?

মাঃবোঃ (ওচৰলৈ আহি) কালৈ ফোন কৰিলা ?

উমি ঃ দত্তলৈ । দুটা টিকট থৈ দিবলৈ কৈছো ।

মাঃবোঃ তেওঁ নাযায় ?

উমি ঃ আপোনাৰ দেওৰেক ? হৈছে আৰু । তেওঁলৈ খাপ দি থাকোতে; থাকোতে ছবিৰ আজি Last night । এওঁলোকক কিমান খোচামোদ কৰি থাকিব । ওলাওক বাইদেউ । মই ৰেডী হৈ আছো ।

মাঃবোঃ আমি দুজনী অকলে গ'লে জানোছা আয়ে বেয়া পায় ? এওঁ যদি আহি বকেহি ?

উমি ঃ চাওক বাইদেউ, এওঁলোকৰ কথা কাণ্ডবোৰ কেনেকুৱা নিজেই ভাবি চাওক, লগত যাবলৈ ক'লেও নাযাব । সময় নাই, আৰু আমি যাব খুজিলেও যাবলৈ নিদিব । মই কিন্তু এইবোৰ সহ্য কৰিব নোৱাৰো দেই । ঠিক আছে, মাক মই কম । হ'ব ?

মাঃবোঃ ই নালাগে পায় । আয়ে ভাবিব মইহে তোমাক ক'বলৈ কৈছো বুলি ।

উমি ঃ ভাবক ।

মাঃবোঃ বাইদেউক অকলে এৰি থৈ যাবলৈকো বেয়া লাগে ।

উমি ঃ বাইদেউকো ওলাবলৈ কওঁ ?

মাঃবোঃ ভাত-পানী কোনে ৰান্ধিব তেনেহ'লে ?

উমি ঃ আহি ৰান্ধিবহি ।

মাঃবোঃ তেনেহ'লে ৰাতি এক বজাৰ আগত কোনেও ভাত খাবলৈ নাপাব ।

(আই আহে)

আই ঃ হেৰ, দুয়োজনী ইয়াতেই, ইফালে ৰৰবোৱাৰীয়ে গধূলি সাজৰ বাবে চাউল দাইল বছাৰ পৰা ল'ৰা-ছোৱালীৰ জঞ্জাল মৰালৈকে লেদেনা উকটিয়েই ৰক্ষা পোৱা নাই । তাইক অকণমান সহায় কৰি দিব লাগে নহয় । ইয়াত এনেকৈ দুয়োজনীয়ে মেল মাৰি থাকিলে তাইনো বাৰু কি ভাবিব ।

উমি ঃ আমি এটা programme কৰিছো মা ।

মাঃবোঃ মই মানে নহয় মা, এনেয়ে,

উমি ঃ এইটো আপোনাৰ কি দস্তুৰ মাজু বাইদেউ ? মাৰ আগত সঁচা কথা কৈ নিদিয়ে কেলেই যে আজি আমাৰ চিনেমা চাবলৈ যাবৰ মন গৈছে আৰু আমি যাম ।

মাঃবোঃ নাই নাই আই, মই যাম বুলি কোৱা নাই । এওঁ মানে .........

আই ঃ বুজাই কচোন কি ক'ব খুজিছ

উমি ঃ মই কওঁ শুনক মা, মাজু বাইদেউৰ চিনেমা চাবলৈ যোৱাৰ মন

মাঃবোঃ নহয় মানে আই, মন আছিল কিন্তু ঘৰখনৰ সোপাকে কাম পৰি আছেতো, তাতে বাইদেউক এৰি থৈ ......

উমি ঃ (খং) মাজুবাইদেউ আপুনি যাব নালাগে, আপোনাৰ দুই নাৱত দুই ভৰি । (শাহুক) মা মই চিনেমাৰ টিকেট কৰিবলৈ দিছো । কোনো নগ'লে অকলেই যাম ।

আই ঃ অকলে ।

(সেই অংশটি আন্ধাৰ হয় । আন অংশত পোহৰ পৰে । দেখা যায় অলকা আৰু অপৰাই যেন মাজু বোৱাৰীৰ কথাবোৰ শুনি আছিল)

অলকা ঃ তোমাৰ সৰুজাৰে হওঁতে ঠিকেই কৈছে ।

অপৰা ঃ মিছা জানো কোৱাচোন, আমি ঘপকৈ কিবা এটা কৰো বুলি কৰিব নোৱাৰো নহয় –

মাঃবোঃ মাজে মাজে ভাবো, কোনটো হোৱা ভাল, মানে মোৰ বৰ জাৰ কথা কৈছো । একেবাৰে ঘৰ-সংসাৰকে বুকুত সাবটি লৈ থাকো নে উমিৰ দৰে ৰেপৰোৱা হৈ থাকো ?

অলকা ঃ যিমান দূৰ পৰা যায় দুয়ো কূল ৰাখিব লাগে ।

অপৰা ঃ ময়ো তাকে কওঁ ।

মাঃবোঃ ময়ো তাকে ভাবো ।

(সেই অংশত আন্ধাৰ হয় । পুনৰ পোহৰ পৰে সূত্ৰধাৰী ৰূপী আইৰ spotত)

আই ঃ আচলতে তিনিটা বাটেৰে তিনিজনী বোৱাৰীয়েই গতি কৰিছে । মাজু বোৱাৰীয়ে মাজৰ বাটটোকে লৈছে যদিও তেওঁ দুই হাত মেলি বাকী দুয়োজনী বোৱাৰীৰ লগত একেলগে যাব খোজে । তেওঁৰ যেন সুনিৰ্দ্ধাৰিত বাট নাই । উদ্দেশ্য নাই, লক্ষ্যও নাই । কিন্তু আমি এতিয়াও যুগৰ সন্ধিক্ষণত, সেয়েহে –

(Light off । অন্য অংশত পোহৰ পৰে, উমি কেনিবা যাবলৈ ওলায় । মাজু বোৱাৰী ওলাই আহে)

মাঃবোঃ কেনি যোৱা উমি ?

উর্মি : Collection Drive এটা দিব লাগে । Music Schoolৰ বাবে । মিচেচ দত্ত, মিচেচ চহৰীয়া আৰু মই যাম ।

মাঃবোঃ আইক কৈছিলা ?

উর্মি : এফালে যাওঁ বুলি কৈছো ।

মাঃবোঃ আয়ে পিছে এনেকৈ যেতিয়াই তেতিয়াই যোৱাটো ভাল নাপায় ।

উর্মি : শুনক মাজু বাইদেউ, মই বহুতবাৰ কৈছো আৰু কৈ থাকিম যে মোৰ ব্যক্তিগত ইচ্ছা-অনিচ্ছা, কথা কাণ্ডৰ ওপৰত আনে মূৰ ঘমোৱাৰ প্ৰয়োজন নাই ।

মাঃবোঃ তুমি এখন ঘৰৰ বোৱাৰী উর্মি ।

উর্মি : কিন্তু ঘৰৰ বনকৰা ছোৱালী নহয় ।

মাঃবোঃ বাইদেউক কৈছিলা ।

উর্মি : এইখন ঘৰত বৰ বাইদেউৰ যি অধিকাৰ, মোৰো সমান অধিকাৰ ।

মাঃবোঃ কথাবোৰ তুমি বৰ বেয়াকৈ কোৱা ।

উর্মি : আপোনাৰ দৰে বাইদেউ ইকুল সিকুল দুয়োকুল একেলগে খেপিয়াই ফুৰিব মই নোৱাৰো ।

মাঃবোঃ তুমি কি কৈছা উর্মি ?

উর্মি : ঠিকেই কৈছো মাজু বাইদেউ, আপুনি যেনেকৈ চিনেমা চাবলৈ ইচ্ছা কৰে অথচ মুখ খুলি কথাষাৰ ক'ব নোৱাৰে, ফুৰিবলৈ যাবলৈ ইচ্ছা কৰে অথচ সেই ইচ্ছা প্ৰকাশ কৰিব নোৱাৰে । আপুনি ভাবে –. আয়েও আপোনাক আদর্শ বোৱাৰী বোলক, ময়ো আপোনাক মোৰ লগত মিলা এগৰাকী আমাৰ লগৰ বুলি ভাবো । পিছে মনত ৰাখিব আপোনালোক চৰায়ো নহয় জন্তুও নহয়, বাদুলিৰ দৰে ।

মাঃবোঃ তুমি মোক এনেকৈ কৈছা উর্মি ?

উর্মি : ভবা কথা কৈ দিয়াটো মোৰ স্বভাৱ ।

মাঃবোঃ তোমাৰ সমান পঢ়া-শুনা নাই বাবেই তুমি হয়তো মোক এনেকৈ ক'বলৈ সাহস পাইছা ।

উর্মি : কাৰণ আপোনাৰ আই-বোপায়ে বিয়া দিওঁ বোলোতেই আপুনি পঢ়া-শুনা এৰি বিয়াত সোমাই গ'ল । মই কিন্তু পঢ়া শেষ কৰিহে বিয়াত মত দিছো ।

মাঃবোঃ আমি আই-বোপাইৰ কথা চিন্তা কৰিব লগীয়া হৈছিল ।

উর্মি : আই-বোপাইৰ অহিত চিন্তা আমিও নকৰো, সেই বুলি আমাৰ নিজৰ কথাও নভবাকৈও নাথাকো ।

মাঃবোঃ বোৱাৰী হোৱাৰ পিছত আমি কিছুমান এৰাধৰা কৰিব লাগিব উর্মি ।

উর্মি : কাৰণ ?

মাঃবোঃ আমি বোৱাৰী ।

উর্মি : সেই কাৰণেই ? এৰাধৰা কৰাৰ দায়িত্ব সেই কাৰণেই আমাৰ ওপৰত ? শুনক মাজু বাইদেউ, আপোনালোকে নিজকো চিনি নাপাই, আনকতো নাপায়েই । আপোনালোক আদর্শ বোৱাৰী হৈ থাওক । আমি কিন্তু মানুহ হৈ থাকিব খোজো । কথা এটা কওঁ বেয়া পাব নেকি ?

মাঃবোঃ কোৱা

উর্মি : আপুনি জানে আমাৰ বিয়া নিজে ঠিক কৰা বিয়া ?

মাঃবোঃ জানো ।

উর্মি : মোৰ আই-বোপাইৰ ঘৰৰ লগত এইখন ঘৰৰ আর্থিক অৱস্থাৰ তুলনা নহয় ?

মাঃবোঃ উর্মি !

উর্মি : ব'ৰ মই কৈ লওঁ, মোৰ মা-দেউতাই মোক আপোনাৰ দেওৰেকলৈ বিয়া দিয়াৰ ইচ্ছা কৰা নাছিল ।

মাঃবোঃ জানো ।

উর্মি : ইচ্ছা কৰা হ'লে মই মোৰ আই-বোপাইৰ ষ্টেণ্ডার্ডৰ লগত মিলা যিকোনো এঘৰৰ ভাল শিক্ষিত ডেকাৰ লগত বিয়া হ'ব পাৰিলোহেঁতেন ।

মাঃবোঃ নহলা কিয় ?

উর্মি : যাক ভাল পালো, তাৰ লগত বিয়া হ'লো । সেই কথা স্পষ্টকৈ মই মা-দেউতাক কৈ দিলো । কিন্তু আপুনি কি কৰিলে ?

মাঃবোঃ উর্মি –

উর্মি : বিজয় বৰুৱাৰ লগত আপোনাৰ ভালপোৱা নাছিল ?

মাঃবোঃ তুমি এইবোৰ উর্মি –

উর্মি : চাকৰি-বাকৰি নাইকিয়া বিজয় বৰুৱাক আপোনাৰ মা-দেউতাই বেয়া পাইছিল । আপোনাক তেওঁলৈ বিয়া নিদিয়ে বুলি খোলা-খুলিকৈ কৈ দিছিল, আৰু আপুনিও ভাল ছোৱালী হৈ মুখ বন্ধ কৰি থৈছিল । সিমানখিনি ভণ্ডামি পিছে আমাৰ নাই দেই বাইদেউ, অ' মোৰ দেৰিয়েই হ'ল । যাওঁ ।

(উর্মি যায় মাজু বোৱাৰীয়ে হুক হুককৈ কান্দিবলৈ ধৰে । আই ওলাই আহি দেখেহি)

আই : মাজু বোৱাৰী ।

মাঃবোঃ (চকু মোহাৰি) আই

আই : কি হৈছে ?

মাঃবোঃ নাই একো নাই ।

আই : তই কান্দিছ

মাঃবোঃ নাই আই এনেয়ে

আই : উর্মিয়ে কিবা কৈছে ?

মাঃবোঃ বাৰে বাৰে তেওঁ মোক অপমান কৰে । মোৰ মান-সন্মান নাই ? বয়স আৰু মানত মই তেওঁতকৈ ডাঙৰ নহয় ? ইচ্ছা কৰা হ'লে ময়ো ঘৰৰ সকলোকে উলাই কৰি নিজৰ মতে কাম কৰি যাব নোৱাৰিলোহেঁতেননে ? কিন্তু কিয়, কিয় মই নিজৰ ইচ্ছা আকাংক্ষাৰ কথা বাদ দিছো । কিয় মই বাৰে বাৰে চিন্তা কৰিব লগা হৈছে মোৰ বাবে যেন ঘৰখনৰ কাৰো শান্তি ভংগ নহয় ।

আই : তোৰ খং উঠিছে মাজু বোৱাৰী ?

মাঃবোঃ আপুনিয়েই কওক আই । এই ঘৰখনত সোমোৱা দিন ধৰি কেতিয়াবা কাৰোবাক খং কৰি পাইছো ? আমি খং কৰিম কাৰ ওপৰত ? আমাৰ কথালৈ ভ্ৰুক্ষেপ কৰিব কোনে ? কি আছে আমাৰ ? খং কৰিব নোৱাৰো, দুখ কৰিব নোৱাৰো, হাঁহিব নোৱাৰো, কান্দিব নোৱাৰো, আমি কি কৰিব পাৰো ?

(আক' হুক হুককৈ কান্দে । ক্ৰমাৎ পোহৰ ক্ষীণ হৈ আহে সূত্ৰৰ ভূমিকাত পুনৰ নির্দিষ্ট স্থানত আই আহি থিয় হয় । পোহৰ কেন্দ্ৰীভূত হয় 'আই'ৰ ওপৰত)

আই : সৰু বোৱাৰীৰ কথাতে অপমান বোধ কৰি মাজু বোৱাৰীয়ে কান্দিলেনে ? সৰু বোৱাৰীৰ কথাৰ গইনা লৈ মাজু বোৱাৰীয়ে, বোৱাৰী জীৱনৰ আক্ষেপৰ কথাই উজাৰি দিলে । বোৱাৰী হৈ থকাৰ বাবেই তাইৰ সুকীয়া অস্তিত্ব, সুকীয়া ব্যক্তিত্ব, সুকীয়া সত্তাৰ কথা আমি চিন্তা কৰিছিলো ? সঁচাকৈয়ে এইখন ঘৰলৈ অহাৰ পিছত খং কৰাৰ অধিকাৰ তাই পাইছেনে ? আনন্দৰ মুহূর্তত প্ৰাণ খুলি হঁহাৰ অধিকাৰ পাইছেনে ? নিজক বিলাই দিয়াটোকেই আমি বোৱাৰী জীৱনৰ আদর্শ বুলি ভাবো । মোৰ বৰ বোৱাৰীও আদর্শ বোৱাৰী । কাৰণ তাই তাইৰ স্থিতি সুকীয়াকৈ অনুভৱ নকৰে; ঘৰখনৰ সকলোৱে খাই নুঠালৈকে তাই খাবলৈ নবহে । তাইৰ পিন্ধা উৰাতো ......

(পোহৰ শাহু আইৰ মুখত কমি যায়, আন অংশত পোহৰ পৰে । বৰ বোৱাৰী, মাজু বোৱাৰী আৰু উর্মিক দেখা যায় । যেন ভালেমান সময়ৰ আগৰে পৰা কথা পাতি আছে । তর্কাতর্কি হৈছে)

উর্মি : মোক বেয়া পালেও পাওক বাইদেউ, মই অন্ততঃ এনেকুৱা বোৱাৰী হ'ব নোৱাৰিম । এই শাৰী, এই ব্লাউজ মানে এই পোছাক পিন্ধিলে আপোনালোকৰ লাজ লাগে ? কিন্তু কিয় ?

মাঃবোঃ কাৰণ তুমি এতিয়া বোৱাৰী ।

উর্মি : আৰু সেই কাৰণে মোৰ নিজাকৈ ভাল লগা বেয়া লগা, সুবিধা অসুবিধাৰ কোনো হিচাপ ৰাখিব নালাগে ? এয়েতো ?

বৰ বোৱাৰী : তুমি মিছাকৈয়ে খং কৰিছা উর্মি, বয়সত মই তোমাৰ মাৰাৰ নিচিনা, তুমি সৰু ছোৱালী, সংসাৰৰ বহুতোখিনি কথা বুজি পাবলৈ তোমাৰ বাকী । বিয়াৰ পিছত কিছুমান বান্ধোন আছে । বান্ধোন মঙ্গলৰ বাবেই । প্ৰচলিত ৰীতি, নীতি একেকোবতে আঁতৰাই পেলাব নোৱাৰি ।

উর্মি : মঙ্গল-অমঙ্গল নিজে পাতি লোৱা কথা বাইদেউ । মঙ্গল-অমঙ্গল, পাপ-পুণ্য, এইবিলাক কথাৰে আন কাৰোবাক সুবিধা কৰি দিয়াত মই নাই । মই মোৰ নিজৰ কথা জানো । চাওক মই সাংস্কৃতিক অনুষ্ঠানত গান গাঁও, মঞ্চত, কথাছবিত অভিনয় কৰো, কলেজ ইউনিভাৰচিটিত তর্ক প্ৰতিযোগিতাত পুৰস্কাৰ পাইছিলো । মোৰ এইবিলাকক এসময়ত বিশেষ 'গুণ' বুলি ধৰিছিল আপোনাৰ দেওৰেকে । আৰু সেয়ে আমাক বিয়াৰ আগতেই ওচৰ চপাই দিছিল ।

মাঃবোঃ তোমাৰ সেইখিনি গুণ নাই বুলিনো কোনে কৈছে ?

উর্মি : কিন্তু বিয়াৰ পাছত বোৱাৰী হৈ অহাৰ পিছত মই অভিনয় কৰিবলৈ যাব নোৱাৰো – স্বামীয়ে অনুমতি দিব লাগিব, শাহুৱে অনুমতি দ্বিব লাগিব, জাই অনুমতি দিব লাগিব কিয় ?

বঃবোঃ তুমি পঢ়াশুনা জনা ছোৱালী, তোমাৰ লগত তর্ক কৰিব আমি নোৱাৰিম । কিন্তু যুগে যুগে যিটো নিয়ম চলি আহিছে –

উর্মি : তাক মই ভাঙি পেলাব খুজিছো । কোনে চলাই আহিছে এই নিয়ম ? কিয় চলাই আহিছে ? এই নিয়ম মই কিয় মানিব লাগে ? কিয় এই নিয়ম মই ভাঙি নেপেলাম ?

মাঃবোঃ নিয়ম ভঙাৰ ক্ষমতা তোমাক দিয়া হোৱা নাই ।

উর্মি : কোনে সেই ক্ষমতা দিব ? কিয় দিব ? কোনোবাই সেই ক্ষমতা কিয় দিব লাগিছে ? মোৰ শিক্ষাই মোক সকলো কথা যুক্তিৰে বিচাৰ কৰিবলৈ শিকাইছে আৰু যুক্তিৰেই বিচাৰ কৰি দেখিছো আপোনালোকে গ্ৰহণ কৰা আদর্শৰ লগত কিনা গোলামে গ্ৰহণ কৰা আদর্শৰ বিশেষ পার্থক্য নাই ।

বঃবোঃ সমাজ বুলি এটা কথা আছে উর্মি ।

উর্মি : জানো । কিন্তু অকল আপোনালোকৰ নিয়মত চলা সমাজেই নাই, মোৰ নিয়মত চলা সমাজ এখনো আছে । শুনক বাইদেউ, সম্ভৱ বিয়া হৈ যোৱাৰ আগলৈকে আপুনি আপোনাৰ স্বামীৰ মুখ দেখা নাছিল । দেখাৰ সুবিধা কেতিয়াবা পাইছিল যদিও নিশ্চয় চকুৱে চকুৱে চোৱাৰ ক্ষমতা আপোনালোকৰ নাছিল ।

মাঃবোঃ বাইদেউৰ আগত তুমি কি কৈছা উর্মি ।

উর্মি : আপুনি একো নমতাই ভাল মাজু বাইদেউ । আপোনাৰ নিজস্ব কিবা আছে বুলি মই ভবাই নাই । খং নকৰিব কওঁ শুনক বিয়াৰ দুবছৰমান আগৰে পৰাই আমি দুয়ো মানুহৰ সমাগম নোহোৱা ঠাই বাছি লৈ তাত ঘণ্টাৰ পিছত ঘণ্টা কটাইছিলো জানে ?

বঃবোঃ মনে মনে থাকা উর্মি ।

উর্মি : আমাৰ সেইটো কিন্তু কোনো অস্বাভাৱিক কাম নাছিল । কিন্তু জানি থওক – চৰিত্ৰহীনা বা অসৎ মই কাহানিও নাছিলো, আজিও নহয় । চৰিত্ৰৰ সংজ্ঞাও আপোনালোকৰ স'তে মোৰ হয়তো নিমিলিব পাৰে । মা-লক্ষ্মীৰ প্ৰতিমূর্তি হৈ মই পৰিয়ালৰ, সংসাৰৰ বোজা সদায় মূৰৰ ওপৰত লৈ থাকিব নোখোজো বাইদেউ ।

বঃবোঃ তুমি এইষাৰ কথা কাক ক'লা উর্মি ?

উর্মি : আপোনাক ।

মাঃবোঃ উর্মি ।

উর্মি : মোৰ কথাবোৰ অপ্ৰিয়, কিন্তু সত্য ।

বঃবোঃ মই কেতিয়াও কাকো ক'ব খোজা নাই যে মই এইখন ঘৰৰ লখিমী ।

উর্মি : কামেৰে কিন্তু সেইটোকে প্ৰতিপন্ন কৰিবলৈ বিচাৰিছে । তেনেকৈ কোনোবাই শলাগিলে আপোনাৰ নিশ্চয় আনন্দও লাগে ।

বঃবোঃ এইখন মোৰ সংসাৰ, এই সংসাৰত মোৰ ল'ৰা-ছোৱালী আছে, মোৰ স্বামী আছে ।

উর্মি : আৰু সেই কাৰণেই সংসাৰখন আদর্শময় কৰি ৰখাৰ সকলো দায়িত্ব কেৱল আপোনাৰ তাৰ বাবেই আপুনি অকলেই সকলো আনন্দ, সকলো সুখ, স্বাধীনতা জলাঞ্জলি দিব ? ইমান আদর্শবান লখিমী বোৱাৰী মই হ'ব নোৱাৰিম বাইদেউ । লাগিলে Divorce হওক ।

মাঃবোঃ সংসাৰৰ সুখ-শান্তিৰ বাট সেইটোৱেই ।

উর্মি : আপুনি কিমান দূৰ সঠিক সেই কথা আপুনিও নাজানে বাইদেউ ।

মাঃবোঃ ইমান দিনে নকওঁ বুলিয়েই আছিলো উর্মি, তুমি যেতিয়া নক'ব লগা কথাও কৈ তোমাৰ শিক্ষাৰ গৌৰৱ কৰিছা, আধুনিকতাৰ গৌৰৱ কৰিছা, আমিও কওঁ শুনা –

উর্মি : কওক, কৈ দিয়ক ।

মাঃবোঃ যিদিনাখনৰ পঁৰা তুমি আহি এইখন ঘৰত সোমালাহি, সেইদিন ধৰি আমিও ঘৰুৱা শান্তি হেৰুৱালো ।

বঃবোঃ (মাজু বোৱাৰীৰ কথাত শংকিত হৈ) নাই, নাই সেইটো মিছা কথা, তেনেকৈ কিয় কৈছা ? মই তেনেকৈ কেতিয়াও ভবা নাই উর্মি, কেতিয়াও ভবা নাই ।

উর্মি : (শান্ত অথচ দৃঢ়তাৰে) কিন্তু সেইটোৱেই সত্য । বৰ বাইদেৱে ভাবিছে এই অপ্ৰিয় অথচ সঁচা কথাষাৰ কোৱাৰ বাবে মই খঙত জ্বলি-পকি উঠিম । (মাজু বোৱাৰীক) আৰু আপুনি মাজু বাইদেৱে ভাবিছে চাগে হঠাৎ এই ভবা কথাটো কৈ দি ভুল কৰিলে ? এইবোৰ কথা মনত পুহি ৰাখি হাঁহি মুখৰ অভিনয় কৰি যোৱাটো কিমান মাৰাত্মক কথা জানে ? নাজানে, কাৰণ আপোনালোকৰ বাবে সেয়ে সভ্যতা । আমি যে তিনিও তিনিটা বেলেগ বাটৰ এই কথাষাৰ মই কেতিয়াবাই বুজি পালো । লগতে, লগতে আৰু বুজিছো যে ঢোকা ভেজাৰে একগোট হৈ থাকি বাহিৰত আদর্শ যুগ্ম পৰিয়ালৰ ছবি এখন দেখুৱাবলৈকে আমি মাথোন চেষ্টা কৰি আছো ।

বঃবোঃ উমি !
মাঃবোঃ তাৰ মানে তুমি বেলেগ হৈ থাকিবলৈ বিচাৰা ?
উমি ঃ সম্ভৱ ঠিকেই বুজি পাইছে ।
বঃবোঃ তেনে কথা নকবা উমি, তেনে কথা নকবা সৰু বোপাক মই কোলাত লৈ ডাঙৰ কৰিছো, তেওঁক্ মই মোৰ ল'ৰাৰ দৰেই মৰম কৰো । তেওঁ মোক মাকৰ দৰেই শ্ৰদ্ধা কৰে । মই কাবৌ কৰিছো উমি, তেনেভাব মনলৈ নানিবা, প্ৰয়োজন হ'লে এইখন ঘৰৰ কাৰণে, এই পৰিয়ালটোৰ মঙ্গলৰ কাৰণে, তোমাৰ সুখ-সন্তোষৰ কাৰণে মোক উলিয়াই দিয়া । মই গুচি যাম । কিন্তু তোমালোকক মই এই ভেটি এৰি যাবলৈ নিদিওঁ, কেতিয়াও নিদিওঁ । (কান্দে)
উমি ঃ আপোনাৰ মুখৰ পৰা যে এইখিনি কথাকে ওলাব মই সেইটো জানো বাইদেউ ।
বঃবোঃ উমি ।
মাঃবোঃ আজি তেনেহ'লে তোমাৰ মুখৰ পৰা আচল কথাটো ওলাই পৰিল যে এইখন ঘৰত একেলগে থকাটো তুমি নিবিচাৰা ।
উমি ঃ সেইটো হয়তো আপোনাৰো কথা মাজু বাইদেউ, কিন্তু আপুনি যিহেতু জোৰা-টাপলি মাৰি চলি যাব খোজে, যিহেতু পানীৰ সোঁত চাই ভেটা মাৰিব খোজে, গতিকে আপুনি যেনিবা কওঁ কওঁ বুলিও ক'ব নোৱাৰে, মই ক'ব পাৰো ।
('আই' সোমাই আহে)
আই ঃ তোমালোকৰ বাৰু কি হৈছে হয়নে ? অথনিৰে পৰা দেখোন তৰ্কাতৰ্কি ? বৰ বোৱাৰী ।
বঃবোঃ (দুখেৰে) তেওঁকে সোধক আই, (উমিক দেখুৱায়) তেওঁকে সোধক ।
আই ঃ হয়নে সৰু বোৱাৰী, কথা কিনো ?
উমি ঃ মই অলপ স্বাধীনতা বিচাৰো মা, কেনেকুৱা কাপোৰ পিন্ধিলে মোৰ ভাল লাগিব, সেই কথা আনে কোৱাটো মই নিবিচাৰো, মই ক'লৈ যাম, কি কৰিমগৈ, কিমান সময়ত ঘূৰি আহিম – এই সকলো খবৰ কাৰোবাক দি যাব লাগে বুলি মই নাভাবো । সন্দেহী মানুহক মই সহ্য কৰিব নোৱাৰো ।
মাঃবোঃ তুমি পাহৰি নাযাবা উমি, তোমাৰ ওচৰত 'আই' আছে, বৰ বাইদেউ আছে ।
বঃবোঃ মই কাকো বেয়া কথা কোৱা নাছিলো আই, মই মাথোন কৈছিলো, এইখন ঘৰৰ সন্মান ৰাখি পিন্ধা-উৰা, ফুৰা-চকা কৰিবা ।
উমি ঃ কিন্তু সেইখিনি কথা মোক কিয় ক'ব লাগে ?
মাঃবোঃ এদিনলৈকো মোক কিন্তু তেনেকৈ ক'ব লগা নহৈছিল ।
উমি ঃ কাৰণ আপুনি আদৰ্শ বোৱাৰী হৈ থাকিবলৈ বিচাৰিছিল ।
মাঃবোঃ অৱশ্যে ঘৰ ভাঙিবলৈ চেষ্টা কৰা নাছিলো ।
উমি ঃ কিন্তু সুবিধা পালেই আপুনি মোৰ আগত আপত্তি কৰিছিল যে জাকৰুৱা ঘৰখনত আপুনি আপোনাৰ ৰুন্টিক ভালদৰে চকু দিব পৰা নাই । জাকৰুৱা লেঠা মাৰি থাকোতে আপুনি তাৰ খোৱা-বোৱা, পঢ়া-শুনাৰ কথালৈকে চাব নোৱাৰে । কোৱা নাছিল ?
মাঃবোঃ (বিব্ৰত) তুমি…… তুমি মিছা আই, এইবোৰ মিছা কথা, একেবাৰে মিছা কথা ।
আই ঃ ৰ'বা মাজু বোৱাৰী, ধৰি লৈছো তুমি তেনেকৈ কোৱা নাই ।
মাঃবোঃ নাই কোৱা, কেতিয়াও নাইকোৱা ।
উমি ঃ (হাঁহি) মাজু বাইদেউ ।
মাঃবোঃ (উমিক) তুমি মিছলীয়া, তুমি…… তুমি
বঃবোঃ নাপায়, কোনোবাই শুনিব ।
উমি ঃ বৰ বাইদেউ, ভিতৰতো গেলি যাওক, সেই গেলাখিনি কিহবাৰে ঢাকি থোৱাটোৱেই আপোনালোকৰ সভ্যতা নহয়নে ? আপুনি কাহানিও আক্ষেপ কৰা নাইনে ? কিন্তু মনত ৰাখক বৰ বাইদেউ এই ঘৰখন আজিৰ পৰিবেশলৈ অনাত আপুনিয়েই মূলতঃ দায়ী ।
বঃবোঃ তোমাৰ কথাৰ অৰ্থ ?
উমি ঃ দৰাচলতে এইখন ঘৰৰ প্ৰত্যেকটো পৰিয়ালে, এৰা আপুনিও বিচাৰে নিজৰবৰীয়াকৈ থাকিবলৈ কিন্তু……
বঃবোঃ আৰু কিমান সহিম, কিমান সহিম আৰু ? এইখন ঘৰলৈ মই যেতিয়া আহো সৰু বোপা তেতিয়া পাঁচ বছৰীয়া । আই থাকিলেও সৰু বোপাৰ সকলো জঞ্জাল মাৰিবলগীয়া হৈছিল মই । এইখন ঘৰৰ বাবে মই কি কৰা নাই ? কি কৰা নাই মই ? মৃত্যুৰ সময়ত নিজৰ আই-বোপাইকো চাবলৈ যাব নোৱাৰিলো, এই সৰু দেওৰৰ পৰীক্ষাৰ বাবে, শাহুৰ অসুখৰ বাবে । নিজৰ ভাই-ভনী, ককাই-ভাইৰ মুখ কিমান দিন চাবলৈ পোৱা নাই । কিহৰ বাবে ? এই ঘৰখনৰ বাবে নহয় ? অথচ তুমি মোক আইৰ সন্মুখতে ক'লা, এই ঘৰখনক আজিৰ পৰিবেশলৈ অনাত ময়েই দায়ী ।
উমি ঃ প্ৰকাৰান্তে আপুনি এতিয়া আপোনাৰ আক্ষেপৰ কথাই ক'লে –
বঃবোঃ নাই নাই মোৰ কোনো আক্ষেপ নাই, কোনো আক্ষেপ নাই –
উমি ঃ আপোনাৰ মা-দেউতাকৰ মৃত্যুৰ সময়ত শাহুৰ অসুখ আৰু দেওৰেকৰ পৰীক্ষাৰ বাবে নিজৰ ঘৰলৈ যাব নোৱাৰিলে, তাত আপোনাৰ আক্ষেপ নাই ।
বঃবোঃ নাই, নাই, নাই –
উমি ঃ আছে, আৰু আছে বাবেই সেই কথা আপুনি এতিয়া উল্লেখ কৰিছিল ।
বঃবোঃ উমি ।
(বৰ বোৱাৰীয়ে কান্দিবলৈ ধৰে । ফ্ৰিজ হৈ যায় ক্ৰমে সেই অংশ আন্ধাৰ হৈ আহে । শাহু আহি সূত্ৰধাৰীৰ ভূমিকা লয়হি । সেই অংশত পোহৰ পৰে ।)
আই ঃ আছে, আক্ষেপ আছে । দৰাচলতে সৰু বোৱাৰীয়ে যি বিচাৰে মোৰ বৰ বোৱাৰী আৰু মাজু বোৱাৰীয়েও তাকেই বিচাৰে । কিন্তু তেওঁলোকৰ শিক্ষা, তেওঁলোকৰ পৰিবেশে, তেওঁলোকৰ পৰম্পৰাগত আদৰ্শই উমিৰ দৰে, ভবা কথাবোৰ কৈ দিবলৈ শিকোৱা নাই । বোৱাৰী ময়ো আছিলো, ময়ো মাক । মই বুজি পাওঁ, ভালেমান কথাই মই বুজি পাওঁ । বহুত কথা মোৰো কৈ দিবলৈ মন গৈছিল । ক'ব পৰা নাছিলো । আনে বেয়া পাই বুলি ভয় লাগিছিল ।
আলি দোমোজাত আমি বৈ আছো । মই তিনিজনী বোৱাৰীক কওঁ – তোমালোক যিটো আলিৰেই যোৱাটো উচিত বুলি ভাবা, সেইটো আলিৰেই যোৱা । মাথোন মনত ৰাখিবা, বাট কেৱল যোৱাৰ বাবেই নহয় – অহাৰ বাবেও ।
(ক্ৰমাৎ আন্ধাৰ হৈ আহে)



## ভ্ৰমণ কাহিনী

# দিৱান

অনুৰাধা দাস


দিৱান– । কোনো ধৰণৰ আধুনিক ৰূপৰসে এতিয়াও স্পৰ্শ কৰিব নোৱৰা– সৌন্দৰ্যৰ পূৰ্ণ পয়োভৰেৰে সীমাহীন আনন্দৰ ৰহঘৰা– প্ৰকৃতিৰ এগৰাকী অপৰূপা কন্যা এই বনাঞ্চল –দিৱান –য'ত আকাশ, পাহাৰ, নৈ আৰু অৰণ্যৰ মাজত থাকে এবুকু মৰম– কবিতা কবিতা যেন লগা মৰম । সেই মৰমৰ আবেগবোৰ তাত নিগৰি সৰে । কেতিয়াবা সেই আবেগ তাতে বনগীতো হয়– যি গীতে বনৰ সুৰৰ অপূৰ্ব মায়াৰে জনমানসত আনন্দৰ শিহৰণ তোলে ।

অৰুণাচলৰ দক্ষিণপূব প্ৰান্তৰৰ এখন সৰু চহৰ মিআও। ডিগবৈৰ পৰা পূবলৈ প্ৰায় নব্বৈ কিলোমিটাৰ । মিআওৰ পৰা আৰু পূবলৈ প্ৰায় নব্বৈ কিলোমিটাৰ । মিআওৰ পৰা আৰু পূবলৈ প্ৰায় পঁচিশ কিলোমিটাৰ নিলগতে নামদফা ৰাষ্ট্ৰীয় উদ্যান । প্ৰায় ১৮০০ বৰ্গকিলোমিটাৰ অঞ্চল জুৰি এই নামদফা বনাঞ্চল ইন্দো-বাৰ্মা সীমাতে অৱস্থিত- নানান গছলতা আৰু বনৰীয়া জন্তুৰ আবাসভূমি । এই উদ্যানৰ ভিতৰতেই অৱস্থিত দিৱান ঠিক নৈৰ পাৰতে ।

নৈৰ পাৰৰ নিজান বালিচৰ । হঠাতে মই উচাপ খাই উঠিছিলো চৰাইজাকৰ ডেউকাৰ শব্দত । ঘূৰি চাই দেখিছিলো মোৰ ঠিক মূৰৰ ওপৰেৰে আকাশেদি উৰি যোৱা এজাক শৰালি । জীৱন্ত কিন্তু স্থিৰ, দুৰ্বাৰ অথচ লাস্যময়ী গতিৰে চৰাইজাক উৰিছিল । সিহঁতৰ গতিৰ লহৰত আছিল আশা ভৰা নতুন উদ্যম । লক্ষ্যস্থানৰ বাট অতিক্ৰম কৰি সিহঁত আগবাঢ়িছিল এটা শৃংখল স্পৃহাত । সিহঁতৰ গতিৰ দুৰন্ত উচ্ছ্বাস চাই ভাবিছিলো মই যদি চৰাই হলোহেঁতেন ……। পলকতে মোৰ মনটোও উৰা মাৰিছিল চৰাইজাকৰ সতে দৃষ্টিয়ে আবৰা দিগন্তৰ পাৰেদি । নিৰ্বিকাৰ হৈ মই চাই ৰৈছিলো শৰালিজাকলৈ । সিহঁতৰ পাখিৰ ধোঁৱা বৰণীয়া আৰু বগা ৰংবোৰ ৰ'দৰ পোহৰত মাজে মাজে জিলিকি উঠিছিল । চাওঁতে চাওঁতে চৰাইজাক উৰি গৈছিল মোৰ চকুৰ আঁৰ হৈ আৰু মই ৰৈ আছিলো আকাশ, পাহাৰ আৰু নৈৰ প্ৰান্তৰত– পৃথিৱীৰ মৰম বুটলি ।

নোৱাদিহিঙৰ পাৰ । ফৰকাল এটি ভৰ দুপৰীয়া । অকৃপণভাবে সেইদিনা বেলিটোৱে ৰ'দৰ পোহৰ মেলিছিল পৃথিৱীৰ দেহত । পোহৰত গভীৰ নীলা ৰঙেৰে আকাশখন শান্ত শান্ত লাগিছিল । গাতে লাগি থিয় হৈ আছিল চৌপাশে ওখ, চাপৰ সেউজীয়া পাহাৰবোৰ । আকাশৰ বুকুৰ মাজত মৰমৰ আবুৰ পাই জঠৰ হৈ থকা পাহাৰবোৰো যেন সেইদিনা আবেগত ৰোমাঞ্চিত হৈ পৰিছিল । মৰম আকলুৱা পাহাৰৰ সৌন্দৰ্যত মোৰ দৃষ্টি বাৰে বাৰে ভটিয়াই যাব বিচাৰিছিল । পাহাৰৰ ছাঁতেই বিস্তৃত অঞ্চল জুৰি আগুৰি আছিল ঘন বনাঞ্চল– উদাস অৰণ্য আৰু চৌদিশে অৰণ্যৰ মাজ মজিয়াত বৈ আছিল নৈখন– নোৱাদিহিঙ নৈ– লুইতৰ উপনৈ ।

পুহমহীয়া জাৰৰ জড়তাকো নেওচি ওলাইছিলো দুলীয়াজানৰ পৰা দিৱান



এয়ে দিৱান– য'ত আকাশ, পাহাৰ অৰণ্য আৰু নৈৰ মাজত থাকে এবুকু মৰম ।



দিৱানৰ অষ্টভুজাকৃতিৰ আৱৰ্ত ভৱন

অভিমুখে । ডিগবৈ মাৰ্ঘেৰিটাৰ ৩৮ নং ৰাষ্ট্ৰীয় পথেৰে গৈ নামচিক গেটত অৰুণাচল সোমালোগৈ । হঠাতে আবেলিৰ চেঁচা বতাহজাক লাগি মনটো ফৰকাল হৈ উঠিল । অৰুণাচলৰ অৰণ্যৰ মাজেৰে আমাৰ গাড়ী আগবাঢ়ি গ'ল । চকুত পৰিল ঠায়ে ঠায়ে অৰণ্যৰ ওপৰত মানুহৰ অত্যাচাৰ । নিজ স্বাৰ্থৰ বাবে মানুহে প্ৰকৃতিক আঘাত দিবলৈও কুণ্ঠাবোধ নকৰে । মানুহৰ অমানুষিকতাৰ স্পষ্ট পৰিচয় পাই মনটো ক্ষন্তেকলৈ সেমেকি উঠিল । চাওঁতে চাওঁতে আমি মিআও পালোগৈ । সেই ৰাতিটো আমি মিআওতে কটোৱাৰ থিৰ কৰিলো ।

টিৰাপ সীমান্ত । বৰ্তমানে এই টিৰাপ দুটা ভাগত বিভক্ত হৈছে । পুবদিশে চাংলাং আৰু পশ্চিমে টিৰাপ । মিআও চাংলাং জিলাত অৱস্থিত । চাংলাং জিলাৰ উত্তৰে লোহিত, পশ্চিমে তিনিচুকীয়া আৰু দক্ষিণ পূবত বাৰ্মা অৱস্থিত ।

মিআও ঠাইখন চোৱাৰ লোভ সামৰিব নোৱাৰি পুৱা সোনকালেই ওলাই আহিলো আমি থকা ঠাইৰ পৰা । অকোৱা পকোৱা ওখ-চাপৰ বাটেৰে সৰু ঠাইখন ঘূৰি-পকি চালো । বস্তি এখন চোৱাৰ হেঁপাহেৰে আমি খোজকাঢ়ি আগবাঢ়ি গ'লো এটা লুংলুঙীয়া বাটেৰে । শিলেৰে খাজকটা ঠেক পথটোৰে আমি প্ৰধান ঠাই খনৰ পৰা নাহি গ'লো । অলপ দূৰ গৈয়েই গাঁৱৰ বস্তি এখন আমাৰ চকুত পৰিল । ইটোৰ পিছত সিটোকৈ বাঁহৰ চাংঘৰবোৰ দূৰৰ পৰা দেখিবলৈ বৰ শুৱনি আছিল । ওচৰ পাই মন কৰিলো ঘৰৰ ভিতৰ বোৰো বাঁহৰ, চাফচিকুণ । কিন্তু বস্তিখনৰ বাহিৰৰ পৰিবেশটো অকণো স্বাস্থ্যকৰ নাছিল । ঘৰবোৰত বিজুলী বাতি আৰু পানীৰ সুব্যৱস্থা নাছিল । ওচৰতে বৈ থকা এজন ডেকা ল'ৰাৰে আমি নিজে পৰিচয় হলো । এতেক দ'ন নামৰ টাগিন ল'ৰাজনে হাঁহি এটা মাৰি আমাক সম্বৰ্দ্ধনা জনালে । তেওঁৰ পৰাই জানিব পাৰিলো সেই বস্তিখনত নক্‌টে, আদি, আপাতানি, টাগিন, টাংচা ইত্যাদি বিভিন্ন জাতি একেলগে বাস কৰে । ভিতৰুৱা গাওঁবোৰত কিন্তু তেওঁলোকৰ নিজ নিজ জাতিৰ একোখনকৈ সুকীয়া বস্তি থাকে । আমাক দেখি দুই এগৰাকী কৌতূহল দমাব নোৱাৰি আমাৰ ওচৰত থিয় দিলেহি ।

অতি কম সময়ৰ ভিতৰতে তেওঁলোকৰ পৰা কিছু কথা জনাৰ আগ্ৰহেৰে কেইটামান প্ৰশ্ন কৰিলো আৰু তেওঁলোকক সূক্ষ্মভাবে লক্ষ্যও কৰিলো । আপাতানি তিৰোতাসকলৰ বিশেষ চকুত পৰা বৈশিষ্ট্য আছিল তেওঁলোকৰ নাকত পিন্ধা ডাঙৰ ডাঙৰ ঘূৰণীয়া কাঠৰ নাকফুলি । পুৰুষসকলৰ মূৰত আছিল বেতৰ টুপী । কপালৰ ঠিক ওপৰতে চুলিখিনি পকাই গাঁঠি এটা মাৰি এডাল পিতলৰ শলাৰে খুচি থৈছিল । ছোৱালীবোৰে স্কাৰ্ট ব্লাউজ আৰু একোখন ৰং-বিৰঙৰ গৰম কাপোৰেৰে নিজকে মেৰিয়াই লৈছিল । মহিলা এগৰাকীৰ ডিঙিত দেখিছিলো ডিঙি ভৰি থকা অলংকাৰ । কাণতো ডাঙৰ কাণ ফুলি পিন্ধিছিল । ভঙা ভঙা হিন্দীৰে তেওঁলোকে বুজাইছিল তেওঁলোকৰ সমাজত মিথুন (এবিধ বিশেষ ডাঙৰ গৰু)ৰ মূল্য অতি বেছি । একোজন লোকৰ সম্পত্তিৰ মূল্য তেওঁলোকে মিথুনৰ সংখ্যাৰে নিৰ্ণয় কৰে । তেওঁলোকে চন্দ্ৰ, সূৰ্য, 'য়ুলু', 'মলুক' আদি দেৱতাৰ পূজা কৰে ।

আদি মানুহবোৰৰ শৰীৰৰ গঠন আন জাতিৰ পৰা তুলনামূলকভাবে সৰু । পুৰুষসকলে পেন্ট চাৰ্ট আৰু তিৰোতাসকলে দীঘল ব্লাউজ আৰু স্কাৰ্ট পিন্ধে । তেওঁলোক পৰিশ্ৰমী আৰু 'ডইনীপ'ল' তেওঁলোতকৰ সৰ্বেসৰ্বা দেৱতা বুলি মানে ।


টাংকা ছোৱালীবিলাক দেখিবলৈ বৰ ধুনীয়া । গাত ৰঙীন ব্লাউজ, আঠুৰ তললৈ পিন্ধা স্কাৰ্ট; ডিঙিত অলংকাৰেৰে ছোৱালীবোৰ আছিল সজীৱ । তেওঁলোকৰ চকুবোৰ উজ্জ্বল । তেওঁলোকে প্ৰকৃতি পূজা কৰে । শস্যৰ বাবে 'লংজুম', জুইৰ দেৱতা 'ৰংগফী' আৰু অৰণ্যৰ দেৱতা 'যাংবান' তেওঁলোকৰ পূজ্য দেৱতা । আন বহু জাতিৰ দৰে জন্তু বলি দিয়া প্ৰথাও প্ৰচলিত । তেওঁলোকৰ পুৰুষসকল ঝুম খেতিয়ক ।

বুজিব পাৰিছিলো নিজ নিজ কৃষ্টি আৰু সভ্যতাৰে বিভিন্ন জাতি এই বস্তিবোৰত বাস কৰে । এখন সৰু বিপৰীতে মোৰ চকু দুটাৰ বহু দূৰৰ বস্তু মণিব পৰা আৰু ওচৰৰ বস্তু অতি স্পষ্টকৈ দেখাৰ শক্তি বাঢ়ি আহিছে । মোৰ হাত দুখন থৰ নোহোৱা হৈ পৰিছে, তাৰ বিপৰীতে শ্ৰৱণ শক্তি বাঢ়ি আহিছে । মোৰ জিভাখন বিকল হৈ পৰিছে, কথা ক'ব খুজিলে ভিতৰৰ পৰা খুব জোৰত গাঁক-গাঁক শব্দ বাহিৰ হৈ আহে । কি তীব্ৰ সেই চিঞৰ ! তাৰ বিপৰীতে ক্ষিপ্ৰ হৈ আহিছে মোৰ বোধ আৰু অনুভৱৰ ক্ষমতা । আয়না নেচালেও মই মোৰ চেহেৰাটো অনুমান কৰি ল'ব পাৰিছো । মোৰ গাল দুখন ভিতৰলৈ বহি গৈছে । হনুদুটা মুখ মণ্ডলত দুটা বিশ্বস্ত দ্বাৰৰক্ষীৰ দৰে থিয় দি আছে । চুলিবোৰ- মোৰ চৌখিন চুলিবোৰ এমাহমানৰ ভিতৰতে জৰজৰকৈ সৰি নিঃশেষ । সৌ ছবিখন, বিয়াৰ পিছতে আথেবেথে তোলা ৰীতা আৰু মোৰ যুগ্ম ছবিখন ! সৌজন মই ! মোৰ পলাতক চেহেৰা সৌটো । পাঠান যুৱকৰ দৰে, পকা তৰমুজৰ দৰে, নে এজোপা তৰুণ চেগুণ গছ, নে কাৰদৰে বুলি কওঁ ! গৰা খহাৰ দৰে খহি গলো মই । মই আজি-কালি কথাবোৰ খুব ভালধৰণে সামান্য ইংগিততে বুজি পাওঁ । ৰীতা ! চেডিষ্ট ক'ৰবাৰ ! কি আক্ৰোশত তাই মোৰ চকুৰ আগত মোৰ পলাতক চেহেৰাটো ফ্ৰেমত বন্ধাই সেইখিনিত থৈ দিছে ? অথচ মানুহে মোৰ কোঠাত সেই ফটোখন দেখিলে ভাবিব যে ৰীতাই মোক অহৰহ সংগিত্ব –ঠিক আগৰ দৰেই যোগাই আছে আৰু সেই কথা যাতে মই মুহূৰ্মুহূ অনুভৱ কৰি থাকিব পাৰো তাৰ বাবেই এই ফটো ইয়াত থৈ দিয়া হৈছে । কি আক্ৰোশ হ'ব পাৰে ? বহুত কিবা কিবি আক্ৰোশেই হ'ব পাৰে । মই সুস্থ অৱস্থাত তাইক বহু কথাই নকলো । ভাবিছিলো নকলেও চলি যায় এইবোৰ কথা । এতিয়া মোৰ জিভাখন জঠৰ হৈ গ'লত অনুভৱ কৰিছো কথাবোৰ কোৱাহ'লেই ভাল আছিল । মানুহৰ হৃদয়ত ডুব দি তলিৰ কথা উদ্ধাৰ কৰি অনাৰ ক্ষমতা সকলোৰে নেথাকে । ভৰি দুখন অলৰ হৈ গ'লত ভাবিছো, মানুহজনীয়ে জয়পুৰ আৰু ওটিৰ কথা কতদিন কৈছিল । এবাৰ মানুহজনীক ওটি অথবা জয়পুৰলৈ মই নিবই লাগিছিল ।

মোৰ বিছনাৰ কাষৰ খিৰিকিৰে দেখি থকা পকী খটখটিৰ একাংশত মাজে মাজে ৰীতা বহেহি । থুঁতৰিৰ তলত থাকে মুঠিমৰা দুখনি হাত । অনিন্দ্য সুন্দৰ চেহেৰা আছিল ৰীতাৰ । আছিল পাহাৰী বতাহৰ দৰে উচ্ছল । জনাৰণ্যৰদৰে মুখৰ । অতুল স্নেহৰ সেই দুহাতত ধৰি তেতিয়া মই বহু কথাই নকলো । আজি আঠাইশ বছৰৰ পিছতো ৰীতা এজনী শুৱনি মানুহ হৈ আছে । আৰু – আৰু– আক্ৰোশ ? নাঃ বৰ ভয়ংকৰ কথা হ'ল । কোনোবাই কৈছিল । "There is nothing more dangerous than enmity with a beautiful woman ! মোৰ অভুক্তা সুন্দৰী স্ত্ৰী ! বহু কিবাকিবি প্ৰাপ্যৰ পৰা জ্ঞাতে অজ্ঞাতে মই বঞ্চিতা কৰি অহা সুন্দৰী স্ত্ৰী ! ভয়ত মই ঘামিবলৈ ধৰিলো । ......কুন্দত কটা নাক-মুখ, আটিল শৰীৰ, ন-জোনৰ নিচিনা চকু ! এই প্ৰতিমাখনে বিষণ্ণমনে ঘৰৰ ভিতৰত চলা-ফিৰা কৰি থাকে, দুগালত স্পষ্টকৈ বিৰক্তি লৈ মই দেখাকৈ খটখটিত বহি থাকে, মই ভয়ত বিবৰ্ণ হৈ থাকো ! তেওঁৰ দুগালৰ মাংসপেশী সপ্ৰতিভ আৰু ওঁঠ দুখন কলকল কথাৰে উচ্ছল হৈ উঠা দেখো যেতিয়া মোৰ ঘৰলৈ আহে মোৰ পৰম বন্ধু ডাঃ পাৰ্থ । পাৰ্থক মোৰ কেতিয়াবা সোধাৰ ইচ্ছা হয় কোনো সুন্দৰী নাৰীৰ সৈতে তেওঁৰো শত্ৰুতা আছে নেকি ?

'হেল্লো নিখিলেশ ! হাউ ডু য়ু ডু ডিয়েৰ ?' ডাক্তৰ পাৰ্থ আহে । মোৰ কাষত বহি জলমলীয়া হাঁহিৰে মোক সোধে । মোৰ গাত তেওঁ দুখনি সুঠাম হাতেৰে আলফুলকৈ মোহাৰি দিয়ে । মুখাৱয়ৱৰ পৰা হাত-ভৰিৰ নখ, মাত-কথালৈকে ডাঃ পাৰ্থ is a very very doctorlike man. অভ্যাসবশতঃ অথবা মোক অনৰ্থক আশ্বস্ত কৰিবৰ উদ্দেশ্যে তেওঁ মোৰ ৰক্ত চাপ পৰীক্ষা কৰে । চকু দুটাত হাত দি তেজ চায় । মই সঁহাৰিৰ স্বৰেৰে কিবা ক'ব খুজি গাঁক গাঁক আৰ্তনাদ কৰি উঠো । গোটেই মুহূৰ্ত্তটোৱেই সেই চিঞৰে অশালীন কৰি তোলে ।

'ডাক্তৰ আহক চাহ খাওকহি ।' (মোৰ কেউজন বন্ধু ডাক্তৰকে মোৰ স্ত্ৰীয়ে ধেমালিতে ডাক্তৰ বুলি মতা আৰম্ভ কৰিছিল ।) 'আজি-কালি তেওঁৰ চিঞৰটো বৰ বেছি বিকট হৈ পৰিছে । সিদিনা এই কথা ৰায়চৌধুৰীৰ পৰিবাৰে কমপ্লে ইন্টৰ সুৰেৰেই কৈ গৈছেহি । স্কুল-ফাইনেল দিব লগা ল'ৰা আছে । আহক চাহ...'। প্ৰাত্যহিক কন্ঠ । তাকেই এতিয়া ইমান সুৰীয়া শুনিছো কিয় ? স্বাভাৱিক খোজেৰে ডাক্তৰ ভিতৰ সোমাই যায় । এতিয়া, মোৰ এই অৱস্থাত, মানে মই– মই I am no longer a Doctor now—এই অৱস্থাততো ৰীতাই পাৰ্থক ইমান স্পষ্টভাবে ডাক্তৰ বুলি নেমাতিবও পাৰিলেহেঁতেন ! কিছুপৰ নিশ্চুপ । কাপ প্লেটৰ মৃদু ঠুং-ঠাং । সৰু সৰু দুই এটা সচৰাচৰ কথা-বাৰ্ত্তা । আকউ নিশ্চুপ কিছুপৰ । তেওঁলোকে বহুপৰ নিশ্চুপ হৈ থাকে কেতিয়াবা । ডাক্তৰে কি কৰি থাকে সেই সময়ত ? তেওঁ কাপৰ চাহখিনি কিবা দৰকাৰী বস্তু পৰীক্ষা কৰাদি পৰীক্ষা কৰি আছেনে এই সময়ত ? কাঁচি-জোনৰ দৰে ৰীতাৰ ওঁঠ দুখন কিহত নিৱিষ্ট হৈ আছে এই সময়ত যে মই তেওঁৰ চিনাকি মাতটো শুনা পোৱা নাই ? পাৰ্থৰ স্ত্ৰী ঢুকুৱা বহুদিন পাৰ হ'ল । একমাত্ৰ ল'ৰাটো পাৰ্থৰ ভনীয়েকে কেলিফ'ৰ্নিয়ালৈ লৈ গৈছে । 'পাৰ্থ ! পৰম বন্ধু মোৰ ! জীৱনৰ বহু বিপন্ন সময় তুমিয়ে ময়ে একেলগে পাৰ কৰিছো । আমি ইজন-আনজনৰ অলেখ নগ্ন আৰু ৰক্তাক্ত মুহূৰ্ত্তৰ সাক্ষী, তুমি মোৰ ঘৰৰ ভিতৰতে মোৰ কাষত নেথাকি ক'ত আঁতৰি বহিছা ? চাওঁ মোৰ কাষলৈ আহা । ......ৰীতা ! মোৰ বিগত দিনৰ প্ৰেয়সী ! মোৰ হোষ্টেলৰ ৰুমৰ খিৰিকিকাষৰ কৃষ্ণচূড়া জোপা আছিলা তুমি । ৰঙচুৱা হেলনীয়া আবেলিৰ ৰ'দজাক আছিলা তুমি । মোৰ আকাশ, বতাহ, মোৰ শৰীৰৰ শিৰাত প্ৰবাহিত জোনাক তুমি । এই ৰীতা ! ৰীতা ! ক'ত আছা তুমি ? পাৰ্থৰ সতে ইমান পৰে কি কথা পাতি আছানো ? তোমাৰ স্বামীৰ বন্ধু ! এয়াতো নিচেই চৰ্তসাপেক্ষ সম্পৰ্ক । এই সম্পৰ্কত দীঘলীয়া সময় জুৰি এনে কি আলাপন হ'ব পাৰে ? তোমালোক দুজনো ইতিমধ্যে বন্ধু হৈ গৈছা নেকি ? মোৰ তোমালোকক আদেশ দিয়াৰ তীব্ৰ ইচ্ছা হৈছে । চাওঁ, ইয়ালৈ আহা। ' মই যিমান পাৰো জোৰেৰে চিঞৰি দিলো । পাৰ্থ



নিৰ্জনতাৰ প্ৰান্তৰত থিয় হৈ মই ভাবিছিলো– এয়ে নেকি পৃথিৱীৰ সীমা ?

ভিতৰৰ পৰা খৰধৰকৈ মোৰ সমুখলৈ ওলাই আহে। ৰীতাই মিচেচ ৰায়চৌধুৰীৰ অভিযোগৰ কথা দোহাৰি হুকুহুকাই কান্দি দিয়ে।

মই হস্পিতেলৰ পৰা ঘূৰি অহাৰ পিছতে প্ৰত্যেকেই মোৰ শেষ ভৱিষ্যতৰ সময়বোৰ কেনে হ'ব নিৰ্মমভাবে গম পাই গৈছিল। মোৰ ছোৱালীজনী –বলাকা দুদিন থাকি শহুৰেকৰ ঘৰলৈ ঘূৰি গৈয়েই পিচদিনা আকৌ আহিল। তাই মোৰ ৱাৰ্ডৰ'ব খুলি মোৰ ভালেমান দৰকাৰী কিতাপ-পত্ৰ উলিয়াই ললে। দেওৰেকৰ কামত আহিব। বৌয়েকৰ হাতত সি দি পঠাইছে মোৰ মৃত্যু পৰোৱানাৰ দৰে তাৰ কিতাপৰ লিষ্টখন। মোৰ ৰোগী চোৱা বিছনাখনত আৰু তাই কি বিচাৰি ফুৰিছে? ঔষধ থোৱা টেবুলখনত? বলাকাই কিতাপৰ টোপোলাটো মোৰ বিছনাৰ কাষতে থৈ কিছুপৰ নীৰৱে উচুপিলে। তাৰ পাছত টোপোলাটো লৈ অতি সাৱলীল গতিৰে গৈ গাড়ীত উঠিল। ৰূপহী বোৱাৰীজনী এইবাৰ অন্য এখন জগতৰ কুণ্ডলীত সোমাই পৰিল। কিছু স্বপ্ন আৰু কিছু চিন্তামগ্নতা দুচকুত সানি লৈ তাই অভ্যস্ত হাতেৰে ষ্টিয়েৰিং ঘূৰাই সৌ কেঁকুৰিটো পাৰ হ'ল। তাৰ পাছত মোৰ গাৰ কাষৰ খোলা খিৰিকিৰে দেখা পোৱা পোঞ্চৰ ফুটমান আঁতৰৰ সৌ পৃথিৱী যেন লগা এই অৰুণাচল প্ৰদেশখনত এই বিভিন্ন সভ্যতাৰ সমাবেশ হৈ জাকজমকপূৰ্ণ এক বৈচিত্ৰ্যময় সভ্যতাৰ সৃষ্টি হৈছে।

মিআওত আমি বেছি সময় নকটাই দিৱান অভিমুখে ৰাওণা হলো। ঠেক পাহাৰী ৰাস্তা– একা-বেকা বাটৰ একাষে তলত নোৱাদিহিঙ নৈ শান্ত গতিৰে বৈ আছিল। বাটটো পকা যদিও মাজে মাজে তেনেই ঠেক আৰু ভগাছিগা। মাজে মাজে পাহাৰৰ মাটি খহি বাটটো পিচল বোকাময় হৈ আছিল। আমি একেলগে দুটা পৰিয়াল আছিলো বাবে আশংকাৰ মাত্ৰাটোও বহুখিনি কমি আছিল। বাটৰ নতুন নতুন অভিজ্ঞতাৰে আমি দিৱান পালোগৈ।

দিৱানৰ নোৱাদিহিঙ। খৰালিৰ নৈ। খৰস্ৰোত যদিও বহলে মাথো সত্তৰ মিটাৰ মানহে অকাই পকাই বৈ গৈছে। পাৰৰ বালিচৰত থিয় হৈ মই চাই ৰৈছিলো বিস্তৃত বালিচৰত পোত খাই থকা সৰু ডাঙৰ বিভিন্ন আকৃতিৰ ধুনীয়া ধুনীয়া শিলবোৰ। বগা, নীলা, মুগা, কজলা, ধঁৱা বৰণীয়া, ক'লা বিভিন্ন ৰঙৰ শিলবোৰ প্ৰতিটো শিলৰে এটা স্বকীয় সৌন্দৰ্য আছে। কিছুমান শিলৰ গাত থকা ৰঙবিৰঙৰ কাৰুকাৰ্যবোৰ দেখি ভাব হৈছিল কোনোবা চিত্ৰকৰেহে যেন এইবোৰ আঁকি থৈ গ'ল। প্ৰায় আধা কিলোমিটাৰ বাট কেৱল শিল আৰু শিল– শিলৰ পথাৰ। শীত ৰ'দালিত গা ধুই সুন্দৰৰ আঁজলি ভৰাই সপোন বিভোৰ হৈ নদীৰ সতে মিলনৰ আকাংক্ষাত যেন অপেক্ষাৰত এই শিলবোৰ। মনলৈ ভাব আহিল কেতিয়াবা শিলৰোতো সপোন ভাঙে। ৰাজ অট্টালিকাৰ প্ৰাচীৰত; মন্দিৰে মন্দিৰে, গুহাৰ আঁৰে আঁৰে জনমানসৰ কল্পিত ছবি খোদিত হৈ ৰয় তাৰ চেতনাহীন শৰীৰত।

শিলৰ পথাৰখন পাৰ হৈ নৈৰ ফালে আগুৱাই গ'লো। পুহমহীয়া ৰ'দৰ উমত নৈৰ পানীত থিয় হোৱাৰ লগে লগে গোটেই শৰীৰটো চেঁচা পৰি উঠিল। অনন্ত গতিৰে বৈ থকা উচ্ছ্বসিত এই নদীৰ অনন্ত যৌৱন চাই আনন্দত মন পুলকিত হৈ উঠিছিল। নৈৰ পানী যুৱলিলৈ চাই দেখিছিলো আমাৰ এই আনন্দত আকাশ, মেঘ আৰু পাহাৰবোৰেও কঁপি কঁপি নাচোন জুৰিছে। অধীৰ আবেগ ঢালি ক্লান্তিহীন এই নৈখনে দিছিল মোক অসীম প্ৰেৰণা– পৃথিৱীক ভাল পাবলৈ।

ব্যস্ত নগৰী আৰু পাৰ্থিৱ দুঃখ যন্ত্ৰণাৰ পৰা সাময়িকভাবে আঁতৰি গৈ কিবা এক অবুজ মুক্ত আলিঙ্গনত মই অধীৰ হৈ পৰিছিলো। নিজান চৌপাশত অন্তৰৰ নিবিড়ৰ পৰা নিবিড়তলৈ মই শুনিছিলো সুন্দৰৰ পৰিস্ফুট মোহময় প্ৰাণোজ্জ্বল জীৱনৰ বাৰ্ত্তা। নিৰ্জনতাৰ প্ৰান্তৰত থিয় হৈ মই ভাবিছিলো– এয়ে নেকি পৃথিৱীৰ সীমা? কবি প্ৰফুল্ল ভূঁঞাৰ নিৰ্জনতা কবিতাৰ অন্তৰ পৰশা দুশাৰী কবিতা মোৰ মনত পৰিছিল।

'তাত আৰু একো নাই– কেৱল প্ৰান্তৰ অ'ত ত'ত যদি মেঘ, গছ, পাহাৰ আছিল সকলো একত্ৰ হৈ গ'ল নিৰ্জনতা। ময়ো হ'লো, ময়ো হ'লো নিৰ্জনতা

কেৱল প্ৰান্তৰ আৰু প্ৰান্তৰৰ নিৰ্জনতা।'

পৃথিৱীৰ ৰূপৰ চাকনৈয়াত অনুভূতিৰ স্পন্দন শুনি কিমান সময়নো পাৰ হৈ গ'ল উমানেই নাপালো। ইতিমধ্যে ৰ'দৰ প্ৰখৰতাও লাহে লাহে কমি আহিছিল। সেয়ে উভতি আহিছিলো বন বিভাগৰ আবৰ্ত্ত ভৱনটোলৈ। নৈৰ পাৰৰ টিলা এটাৰ ওপৰতে সজা ঘৰটো কাঠেৰে নিৰ্মিত। অষ্টভূজ (Octagoual)ৰ আকৃতিৰ। দূৰৰ পৰা ঘূৰণীয়া দেখা এই ঘৰটো দুমহলীয়া। তলত তিনিটা আৰু ওপৰত দুটা কোঠা। বাৰান্দাবোৰ জালিৰে আগুৰা। ঘৰটোত বগা ৰং দিয়া আছে। ঘৰটোৰ কিবা এটা ভাল লগা সৌন্দৰ্যই সেই ঠাইখিনিক যেন বেছি মোহনীয় কৰি তুলিছে। ভৱনটোৰ চাৰিওফালে আহল বহল চৌহদ। তাতে নানান ৰঙীন চিনাকি ফুল।

ঘৰটোৰ ওপৰ মহলালৈ উঠি গলো। বাৰান্দাৰ পৰা দূৰণিত আকাশ, পাহাৰ, নৈ আৰু বালিচৰত পোত খাই থকা শিলবোৰে মিলি সৃষ্টি কৰা মনোৰম দৃশ্য প্ৰাণভৰি চালো। নিজম আবেলি বোৱতী নৈৰ অভিনৱ ছন্দ তাতে আকাশত সন্ধ্যাৰ আৰতি আৰু সজীৱ ৰঙৰ জিলমিলনি চাই মই বিভোৰ হৈ পৰিছিলো। হঠাতে নিশাৰ লগ্নত জোনাকৰ মঙ্গল উৰুলি শুনি বাস্তৱৰ সমুখত নিজকে ধৰা দিলো।

যোৱা বছৰৰ বিশ ডিচেম্বৰ। পূৰ্ণিমাৰ জোনটোৱে পোহৰৰ শুধবগা দলিচা পাৰি দিৱানক পৱিত্ৰ ভাবেৰে ধুৱাই পেলাইছিল। ভৱনটোত বিজুলী বাতিৰ বিশেষ ব্যৱস্থা কেৱল উচ্চ পদস্থ চৰকাৰী বিষয়াৰ বাবেহে ৰখা হৈছিল। সেয়ে আন্ধাৰ হোৱাৰ লগে লগে ঘৰৰ ভিতৰত লেমবোৰ এজনে জ্বলাই দিলেহি। লেমৰ চিক্‌মিক্ পোহৰত আমি বহি আছিলো ঘৰটোৰ ভিতৰত আৰু চাই ৰৈছিলো বাহিৰৰ সেই ৰোমান্তিক দৃশ্যলৈ– পৃথিৱীৰ অনুপমা সৌন্দৰ্যলৈ– যি সৌন্দৰ্য মাথো উপলব্ধিৰহে যোগ্য। কোনো শব্দৰ প্ৰকাশে সেই সৌন্দৰ্যক ৰূপ দিব নোৱাৰে।

নিশা বহুপৰলৈকে আমি এটাৰ পিছত এটাকৈ মনলৈ অহা ন-পুৰণি গীতবোৰ গাই গৈছিলো মনৰ আনন্দতে। দিৱানৰ ৰূপ ৰাশিৰ অন্তৰ পৰশা কোমল আভিজাত্যত মই হয়তো পৃথিৱীৰ প্ৰেমত পৰিছিলো। কিয়নো– 'The world is full of beauty when the heart is full of love.


দিৱানলৈ যোৱাৰ সপোন বাস্তৱত ৰূপায়িত হোৱাৰ আনন্দেৰে ঘৰমুৱা হৈ উভতিছিলো। মনত পৰিছিল স্কুলীয়া দিনতে ইংৰাজীৰ শ্ৰেণীত লাৱণ্য বাইদেৱে বহুৱাৰ কোৱা মোৰ অন্তৰত লিখি থোৱা কথা কেইষাৰ

"No dream comes true untill one wakes up and goes to work"

"Experiences are the mother of knowledge" কথাকেইষাৰৰ সত্যতা উপলব্ধি কৰি শ্ৰদ্ধাত স্বৰ্গীয় লাবণ্য ৰংপী বাইদেউলৈ মোৰ শিৰ দো খাই পৰিছিল।








Cast a spell. Invite second looks and get into a world of absolute style with a pair of Action. Action. The shoe that's become the rage of young generation. The reason is simple. It's styling, that makes it different. And cushioning that make sure your feet don't get strained at all. In short they spell a world of comfort. Beautifully styled. Available in a wide array of colours to choose from. Absolutely a matchless choice.

action®

Your kind of shoes for your kind of style.